UG CM S1 01
(DSC/DSE)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এছ; এন.ই. পি. ২০২০ অনুসৰি)

প্ৰথম ষান্মাসিক

ব্যৱসায়িক সংগঠন আৰু ব্যৱসায়ৰ নীতিশাস্ত্ৰ

বাণিজ্য



মণিৰাম দেৱান স্কুল অৱ মেনেজমেণ্ট

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অৱসৰপ্ৰাপ্ত অধ্যাপক হেমচন্দ্ৰ গৌতম, গুৱাহাটী বিশ্ববিদ্যালয়
ড° মুকুলেশ বৰুৱা, এ আই এমৰ প্ৰাক্তন সঞ্চালক তথা অ' এন জি চিৰ আসন অধ্যাপক
ড° বনজিৎ চাংকাকতি, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° দেৱজিৎ গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ২ আৰু ৫	ড° গোবিন্দ ডেকা আৰু ড° দেৱজিৎ গোস্বামী, কৃঃ কাঃ সঃ ৰাঃ মুঃ বিঃ	ড° গোবিন্দ ডেকা আৰু ড° দেৱজিৎ গোস্বামী
৩ আৰু ৬	ড° গোবিন্দ ডেকা আৰু ড° দিপাংকৰ মালাকাৰ, কৃঃ কাঃ সঃ ৰাঃ মুঃ বিঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	ড° গোবিন্দ ডেকা আৰু ড° দিপাংকৰ মালাকাৰ
৪, ৯ আৰু ১০	ড° দিপাংকৰ মালাকাৰ, কৃঃ কাঃ সঃ ৰাঃ মুঃ বিঃ	ড° দিপাংকৰ মালাকাৰ
৭, ৮ আৰু ১৩	ড° গোবিন্দ ডেকা, কৃঃ কাঃ সঃ ৰাঃ মুঃ বিঃ আৰু ড° ৰতিকান্ত পাঠক, অৱসৰপ্ৰাপ্ত অধ্যাপক, গৌহাটী কমাৰ্চ কলেজ	ড° গোবিন্দ ডেকা আৰু ড° ৰতিকান্ত পাঠক
১১ আৰু ১৪	ড° দেৱজিৎ গোস্বামী, কৃঃ কাঃ সঃ ৰাঃ মুঃ বিঃ	ড° দেৱজিৎ গোস্বামী
১২	ড° ৰতিকান্ত পাঠক, অৱসৰপ্ৰাপ্ত অধ্যাপক, গৌহাটী কমাৰ্চ কলেজ	ড° ৰতিকান্ত পাঠক
১৫	ড° গোবিন্দ ডেকা, কৃঃ কাঃ সঃ ৰাঃ মুঃ বিঃ	ড° গোবিন্দ ডেকা

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপক ভাস্কৰজ্যোতি বৰা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° দেৱজিৎ গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° দেৱজিৎ গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই, ২০২৩

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International) : http.//creativecommons.org/licenses/by-nc-sa/4.0.
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্ৰকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭
নগৰ চৌহদ ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১ ০২২; Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

ব্যৱসায় হৈছে এক বৃত্তি যিটোৱে ব্যৱসায় তথা এখন দেশৰ অর্থনৈতিক ধাৰাত এক গুৰুত্বপূর্ণ স্থান দখল কৰি আছে। এই বৃত্তিয়ে চিন্তাবিদসকলক প্রভাৱিত কৰিছে আৰু তেওঁলোকে ইয়াৰ লগত জড়িত বিভিন্ন তথ্য বিশ্লেষণ কৰিছে।

এই পাঠ্যবিষয়টিয়ে সাংগঠনিক আৰু ব্যৱস্থাপনাৰ দক্ষতা বঢ়াবলৈ আৰু ব্যৱসায়ৰ প্রতি এক ধনাত্মক দৃষ্টিভঙ্গী গঢ় দিয়াত আলোকপাত কৰিছে। ইয়াৰ সন্নিৱিষ্ট অধ্যায়সমূহে শিক্ষার্থীসকলক বিভিন্ন ব্যৱসায়িক প্রক্রিয়াসমূহ বিশ্লেষণ কৰাত সহায় কৰিব। এই অধ্যায়সমূহ হ'ল—

অধ্যায় ১ ঃ ব্যৱসায়ৰ প্রকৃতি আৰু ইয়াৰ উদ্দেশ্যসমূহ
অধ্যায় ২ ঃ ব্যৱসায় সংগঠন
অধ্যায় ৩ ঃ মালিকানাধীন ব্যৱসায়
অধ্যায় ৪ ঃ অংশীদাৰি ব্যৱসায়
অধ্যায় ৫ ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়
অধ্যায় ৬ ঃ সমবায় সমিতি
অধ্যায় ৭ ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগ
অধ্যায় ৮ ঃ যৌথ কাৰবাৰ কোম্পানী
অধ্যায় ৯ ঃ বহুজাতিক নিগম
অধ্যায় ১০ ঃ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ
অধ্যায় ১১ ঃ উদ্যমিতা
অধ্যায় ১২ ঃ কল্পিত বিষয়, বিশেষ লক্ষ্য আৰু উদ্দেশ্য
অধ্যায় ১৩ ঃ ব্যৱসায়ৰ নীতিশাস্ত্রৰ পৰিচয়
অধ্যায় ১৪ ঃ ব্যৱসায়ৰ সামাজিক দায়বদ্ধতা
অধ্যায় ১৫ ঃ ব্যৱসায়ত মানৱীয় প্রমূল্য

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন পুথি অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ব্যৱসায়ৰ প্ৰকৃতি আৰু ইয়াৰ উদ্দেশ্যসমূহ ৭ - ৩১

ব্যৱসায়ৰ অথ; ব্যৱসায়ৰ বৈশিষ্ট্যসমূহ; ব্যৱসায়ৰ উদ্দেশ্যসমূহ; ব্যৱসায়ৰ উপাদানসমূহ; শিল্প আৰু ইয়াৰ শ্ৰেণীবিভাগ; বাণিজ্য আৰু ইয়াৰ উপাদানসমূহ; ব্যৱসায় আৰম্ভ কৰোঁতে বিবেচনাত ল'বলগীয়া কাৰকসমূহ; বিত্তৰ উৎস।

অধ্যায় ২ ঃ ব্যৱসায় সংগঠন ৩২ - ৪৫

ব্যৱসায় সংগঠনৰ অৰ্থ আৰু কাৰ্যক্ষেত্ৰ; ব্যৱসায়িক প্ৰতিষ্ঠানৰ আভ্যন্তৰীণ সংগঠন; বিভাগীয়কৰণ; আভ্যন্তৰীণ সংগঠনৰ প্ৰকাৰসমূহ; বাহ্যিক সংগঠন; সংগঠন বাছনিৰ কাৰকসমূহ।

অধ্যায় ৩ ঃ মালিকানাধীন ব্যৱসায় ৪৬ - ৫৫

মালিকানাধীন ব্যৱসায়ৰ অৰ্থ; মালিকানাধীন ব্যৱসায়ৰ বৈশিষ্ট্য; ভাৰতত মালিকানাধীন ব্যৱসায় আৰম্ভ কৰাৰ নিয়ম; একক মালিকানাধীন ব্যৱসায় আৰম্ভ কৰাৰ প্ৰক্ৰিয়া; একক মালিকানাধীন ব্যৱসায় আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় পৰীক্ষা-তালিকা; মালিকানাধীন ব্যৱসায়ৰ সুবিধা; মালিকানাধীন ব্যৱসায়ৰ অসুবিধা।

অধ্যায় ৪ ঃ অংশীদাৰি ব্যৱসায় ৫৬ - ৭১

অংশীদাৰিত্ব ব্যৱসায়ৰ অৰ্থ আৰু বৈশিষ্ট্য; অংশীদাৰিত্বৰ গুণ আৰু অসুবিধা; অংশীদাৰিত্ব প্ৰতিষ্ঠানৰ গঠন; অংশীদাৰিত্বৰ চুক্তিপত্ৰ; অংশীদাৰিত্বৰ পঞ্জীয়ন; সীমিত দায়বদ্ধতা অংশীদাৰিত্ব ঃ এল এল পিৰ বৈশিষ্ট্যসমূহ, সীমিত দায়বদ্ধতা অংশীদাৰিৰ সুবিধা, সীমিত দায়বদ্ধতা অংশীদাৰিৰ অসুবিধা, এল এল পিৰ পঞ্জীয়নৰ প্ৰক্ৰিয়া; সীমিত দায়বদ্ধতা অংশীদাৰিত্ব আৰু অংশীদাৰিত্বৰ মাজত পাৰ্থক্য।

অধ্যায় ৫ ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় ৭২ - ৮০

যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ ধাৰণা; এটা যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত প্ৰয়োগ কৰা ব্যৱস্থা; যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সদস্যপদ লাভৰ নিয়ম; যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় আৰম্ভ কৰাৰ নিয়ম; যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ অধীনত দায়ৱদ্ধতা; যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ এগৰাকী সাধাৰণ অংশীদাৰ হিচাপে কৰ্তাৰ ভূমিকা; যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বৈশিষ্ট্য; যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ উদাহৰণ; যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সুবিধা; যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ অসুবিধা।

অধ্যায় ৬ ঃ **সমবায় সমিতি** **৮১ - ৯০**

সমবায় সমিতিৰ অর্থ আৰু সংজ্ঞা; সমবায় সমিতিৰ বৈশিষ্ট্য; সমবায় সমিতিৰ গঠন; ৰাহি/লাভৰ বিক্রয়; সমবায় সমিতিৰ প্রকাৰ; সমবায় সমিতিৰ সুবিধা আৰু অসুবিধাসমূহ।

অধ্যায় ৭ ঃ **ৰাজহুৱা খণ্ডৰ উদ্যোগ** **৯১ - ১০৩**

ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ধাৰণা; ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বৈশিষ্ট্য; ৰাজহুৱা খণ্ডৰ উদ্যোগৰ উদাহৰণ; ৰাজহুৱা খণ্ডৰ উদ্যোগৰ প্রকাৰ; ৰাজহুৱা খণ্ডৰ উদ্যোগৰ অৱদান; ৰাজহুৱা খণ্ডৰ উদ্যোগৰ সমস্যা; ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ব্যক্তিগতকৰণ ঃ ব্যক্তিগতকৰণৰ উদ্দেশ্য, ব্যক্তিগতকৰণৰ পন্থা, ব্যক্তিগতকৰণৰ সুবিধা, ব্যক্তিগতকৰণৰ অসুবিধা।

অধ্যায় ৮ ঃ **যৌথ কাৰবাৰ কোম্পানী** **১০৪ - ১১৬**

কোম্পানী সংগঠন; যৌথ কাৰবাৰ কোম্পানীৰ বৈশিষ্ট্যসমূহ; কোম্পানীৰ প্রকাৰ; যৌথ কাৰবাৰ কোম্পানীৰ সুবিধাসমূহ; যৌথ কাৰবাৰ কোম্পানীৰ অসুবিধাসমূহ; এক ব্যক্তি কোম্পানী; বিভিন্ন ব্যৱসায়িক সংগঠনৰ ব্যৱহাৰৰ উপযোগিতা।

অধ্যায় ৯ ঃ **বহুজাতিক নিগম** **১১৭ - ১২৭**

বহুজাতিক নিগমৰ ধাৰণা; বহুজাতিক নিগমৰ গঠন; বহুজাতিক নিগমৰ প্রকাৰ; বহুজাতিক নিগমৰ উদ্দেশ্য; বহুজাতিক নিগমৰ বৈশিষ্ট্য; বহুজাতিক কোম্পানীৰ উত্থানৰ কাৰণ; বহুজাতিক নিগমৰ সমর্থনত আগবঢ়োৱা যুক্তিসমূহ; বহুজাতিক নিগমৰ বিপক্ষে অভিযোগ; ভাৰতবর্ষত বহুজাতিক নিগম।

অধ্যায় ১০ ঃ **সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ** **১২৮ - ১৪৪**

সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ অর্থ আৰু শ্রেণীবিভাজন; সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ ভূমিকা/গুৰুত্ব/ কার্য; সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়ন ঃ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়ন প্রক্রিয়া, সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়নৰ বাবে প্রয়োজনীয় নথিপত্র, অনলাইন ফর্ম পূৰণ কৰাৰ সময়ত মনত ৰাখিবলগীয়া পইণ্ট; সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়নৰ সুবিধা; সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ খণ্ডই সন্মুখীন হোৱা প্রত্যাহ্বান; ভাৰতত সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ সমূহৰ প্রসাৰৰ বাবে চৰকাৰী আঁচনি ঃ ঋণ আৰু আর্থিক সাহায্য আঁচনি, উদ্যোগীকৰণ-সহ-দক্ষতা বিকাশ কার্যসূচী, আন্তঃগাঁথনি সমর্থন আঁচনি, প্রযুক্তি উন্নীতকৰণ আঁচনি, ক্রয় আৰু বিপণন সহায়ক আঁচনি।

অধ্যায় ১১ ঃ **উদ্যমিতা** **১৪৫ - ১৬১**

উদ্যমীৰ অর্থ; এগৰাকী উদ্যমীৰ বৈশিষ্ট্য; উদ্যমিতাৰ ধাৰণা; উদ্যমী শ্রেণীৰ অভ্যুত্থান; উদ্যমিতাৰ তত্ত্ব ঃ অর্থনৈতিক তত্ত্ব, সমাজতাত্ত্বিক তত্ত্ব, গতিশীল উদ্যমিতা উদ্ভাৱন তত্ত্ব, লেইবেনষ্টাইনৰ এক্স-কার্যদক্ষতা তত্ত্ব, লাভৰ তত্ত্ব; অর্থনৈতিক বিকাশত উদ্যমীৰ ভূমিকা; উদ্যমিতাৰ প্রক্রিয়া; ব্যৱসায়ৰ চিন্তা-ধাৰণাৰ উৎস।

অধ্যায় ১২ঃ কল্পিত বিষয়, বিশেষ লক্ষ্য আৰু উদ্দেশ্য **১৬২ - ১৮১**

কল্পিত বিষয়ৰ অর্থ; কল্পিত বিবৃতিৰ বৈশিষ্ট্য; ভাগীদাৰী প্রমূল্য; ভাগীদাৰী প্রমূল্যৰ উদ্দেশ্য; বিশেষ লক্ষ্যৰ ধাৰণা; বিশেষ লক্ষ্যৰ বিবৃতিৰ বৈশিষ্ট্য; বিশেষ লক্ষ্যৰ বিবৃতিৰ গুৰুত্ব; বিশেষ লক্ষ্যৰ বিবৃতিৰ নির্ধাৰণ; কল্পিত বিষয় আৰু বিশেষ লক্ষ্যৰ পার্থক্য; উদ্দেশ্যৰ ধাৰণা; উদ্দেশ্যৰ ভূমিকা; আদর্শমূলক উদ্দেশ্যৰ বাবে নির্দেশাৱলী; উদ্দেশ্যৰ খাপ বা স্তৰ; উদ্দেশ্য নির্ধাৰণ; উদ্দেশ্য আৰু লক্ষ্য।

অধ্যায় ১৩ঃ ব্যৱসায়ৰ নীতিশাস্ত্রৰ পৰিচয় **১৮২ - ১৯৬**

ব্যৱসায়ৰ নীতিশাস্ত্রৰ ধাৰণা; ব্যৱসায়ৰ নীতিশাস্ত্রৰ উপাদানসমূহ; ব্যৱসাৰ নীতিশাস্ত্রৰ আৱশ্যকতা; ব্যৱসায়ৰ নীতিশাস্ত্রক প্রভাৱিত কৰা কাৰকসমূহ; অনৈতিক ব্যৱসায়িক আচৰণ; নীতিশাস্ত্র বনাম আইন; নীতিশাস্ত্রৰ তত্ত্বসমূহ; গোলকীয় পটভূমিত নীতিশাস্ত্র।

অধ্যায় ১৪ঃ ব্যৱসায়ৰ সামাজিক দায়বদ্ধতা **১৯৭ - ২১৬**

সামাজিক দায়বদ্ধতাৰ অর্থ; ব্যৱসায়ৰ সামাজিক দায়বদ্ধতাৰ পৰিসৰ; ভাৰতবর্ষৰ ব্যৱসায় সংগঠনৰ সামাজিক দায়বদ্ধতা; ব্যৱসায়িক কামকাজ প্রভাবান্বিত কৰা কাৰকসমূহ; চৰকাৰ আৰু ব্যৱসায় সংগঠনৰ মাজৰ সম্পর্ক।

অধ্যায় ১৫ঃ ব্যৱসায়ত মানৱীয় প্রমূল্য **২১৭ - ২২৮**

প্রমূল্যৰ অর্থ, প্রমূল্যৰ সংজ্ঞা, ব্যৱসায়ত মানৱীয় প্রমূল্যৰ অর্থ আৰু প্রকৃতি, মানৱীয় প্রমূল্যৰ গুৰুত্ব, মানৱীয় প্রমূল্যৰ প্রকাৰ, ব্যৱসায়ৰ নীতিত মানৱীয় প্রমূল্য, ব্যৱসায়ৰ নীতিয়ে মানৱীয় প্রমূল্যৰ প্রতি কেনে আচৰণ প্রদর্শন কৰে, ব্যৱসায়ীৰ থাকিবলগীয়া মানৱীয় প্রমূল্য, সফল ব্যৱসায়ত নৈতিক প্রমূল্যৰ তাৎপর্য, আচাৰ সংহিতা।

প্রসংগ পুথি **২২৯**

অধ্যায় ১ ঃ ব্যৱসায়ৰ প্ৰকৃতি আৰু ইয়াৰ উদ্দেশ্যসমূহ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ব্যৱসায়ৰ অর্থ
১.৪ ব্যৱসায়ৰ বৈশিষ্ট্যসমূহ
১.৫ ব্যৱসায়ৰ উদ্দেশ্যসমূহ
১.৬ ব্যৱসায়ৰ উপাদানসমূহ
১.৭ শিল্প আৰু ইয়াৰ শ্রেণীবিভাগ
১.৮ বাণিজ্য আৰু ইয়াৰ উপাদানসমূহ
১.৯ ব্যৱসায় আৰম্ভ কৰোঁতে বিবেচনাত ল'বলগীয়া কাৰকসমূহ
১.১০ বিত্তৰ উৎস
১.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.১২ অধিক জানিবলৈ
১.১৩ অগ্রগতিৰ খতিয়ান
১.১৪ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- ব্যৱসায়ৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ব্যৱসায়ৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা আগবঢ়াব পাৰিব
- ব্যৱসায়ৰ উদ্দেশ্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- শিল্প, বাণিজ্য আৰু ব্যৱসায় পদ কেইটাৰ পার্থক্য জানিব পাৰিব
- ব্যৱসায়ৰ বিত্তৰ উৎসসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

আমি জানো যে মানুহে কিছুমান কাম লৈ সদায়ে ব্যস্ত হৈ থাকে। এই কামসমূহক মান ৰ জাতি সম্বন্ধীয় কামকাজ (human activities) বোলা হয়। এই কামকাজসমূহক আর্থিক আৰু অনার্থিকভাৱে শ্রেণীবিভাগ কৰা হয়। সকলোবোৰ আর্থিক কামকাজ উৎপাদনশীল (productive) হয়। এই কামকাজবোৰ কৰাৰ পিছত আমাৰ ধন প্রাপ্তি হয় বা আমাৰ অভাৱ পূৰণৰ বাবে আমি দ্রব্য বা সেৱা আহৰণ কৰোঁ। সেয়ে এই কামকাজবোৰ উৎপাদনশীল হয়। এই সকলোবোৰ আর্থিক কামকাজ সম্পাদনৰ জৰিয়তে আমি জীৱিকা নির্বাহ কৰোঁ।

কামকাজ (Activity)

এজন শিক্ষক	⟶	পাঠদান কৰে	⟶	এটা বৃত্তি
এজন কৃষক	⟶	কৃষি কৰ্ম কৰে	⟶	এটা বৃত্তি
এজন কাঠ মিস্ত্রী	⟶	বাঢ়ৈ কাম কৰে	⟶	এটা পেশা
এজন গেলামালৰ দোকানী	⟶	বেহাবেপাৰ কৰে	⟶	এটা ব্যৱসায়

এজন ব্যৱসায়ীয়ে → পণ্য কিনে (কিনাদামত) → কিনাদামতকৈ অধিক দামত পণ্য বেচে → লাভ অৰ্জন কৰে

যিবিলাক কাম কাজত আমি নিজকে নিয়োগ কৰি জীৱন নিৰ্বাহ কৰোঁ সিহঁতক বৃত্তি (occupation) বোলা হয়। সকলো ব্যক্তিয়েই কিছুমান বৃত্তিত নিযুক্ত হৈ থাকে। এজন কৃষকে পথাৰত কাম কৰি, এজন শ্ৰমিকে কাৰখানাত কাম কৰি, এজন কাৰ্যালয়ৰ কৰ্মচাৰীয়ে কাৰ্যালয়ত কাম কৰি, এজন শিক্ষকে শ্ৰেণীত পাঠদান কৰি, এজন ব্যৱসায়ীয়ে পণ্য বিক্ৰী কৰি ব্যস্ত থাকে, ইত্যাদি। এই ব্যক্তিসকলৰ প্ৰাথমিক লক্ষ্য হৈছে কিছুমান কাম কৰি জীৱন নিৰ্বাহ কৰা। ব্যৱসায় হৈছে এক বৃত্তি য'ত লাভ আশা কৰি পণ্য আৰু সেৱা মূদ্ৰা বা মূদ্ৰামানত বিনিময় কৰা হয় ।

১.৩ ব্যৱসায়ৰ অৰ্থ (MEANING OF BUSINESS)

উৎপাদনৰ উপাদানসমূহ ঃ উৎপাদনৰ বাবে চাৰিটা উপাদানৰ প্ৰয়োজন, যেনে - ভূমি, শ্ৰম, মূলধন আৰু সংগঠন।

ব্যৱসায় শব্দটোৰ আক্ষৰিক অৰ্থ হৈছে ব্যস্ত হৈ থকা। প্ৰতিজন মানুহেই তেওঁৰ জীৱিকা অৰ্জনৰ বাবে কিছুমান কাম কৰি ব্যস্ত হৈ থাকে। এই কামসমুহকে বৃত্তি (occupation) বোলা হয় । ব্যৱসায় হৈছে এটা বৃত্তি । বেহা -বেপাৰ আৰু বাণিজ্যত ইয়াৰ বিশেষ অৰ্থ আছে । এতিয়া আমি কিছুমান অভিজ্ঞ ব্যক্তিয়ে ব্যৱসায়ৰ ওপৰত আগবঢ়োৱা সংজ্ঞাৰ বিষয়ে আলোচনা কৰিম। L.H. Haney ৰ মতে ব্যৱসায়ৰ সংজ্ঞা এনেদৰে দিব পাৰি যে পণ্য কিনা আৰু বেচাৰ জৰিয়তে সম্পদৰ যোগান বা আহৰণৰ উদ্দেশ্যে পৰিচালনা কৰা মানৱ সম্পৰ্কীয় কামকাজকে ব্যৱসায় বুলিব পাৰি। ("Business may be defined as human activities directed towards providing or acquiring wealth through buying and selling of goods)" এই সংজ্ঞাটোৱে কেৱলমাত্ৰ দ্ৰব্য উৎপাদনৰ লগত জড়িত কাম কাজ সমূহকহে সামৰি লয় আৰু সেৱা সমূহ অন্তৰ্ভুক্ত নকৰে । কিন্তু ব্যৱসায় পদটোৱে পৰিবহন, বীমা, বেংক আদিয়ে আগবঢ়োৱা সেৱাসমূহো সামৰি লয়।

Wheeler এ ব্যৱসায়ৰ সংজ্ঞা এনেদৰে দিছে -" ব্যক্তিগত মুনাফা লাভৰ বাবে এটা প্ৰতিষ্ঠানে সংগঠন আৰু কাৰ্য্যকৰী কৰি সমাজলৈ পণ্য আৰু সেৱা আগবঢ়োৱাকে ব্যৱসায় বোলা হয়। (An institution organised and operated to provide goods and services to the society under the incentive of private gain)"। Wheeler এ ব্যক্তিগত মুনাফাক ব্যৱসায়ৰ মুখ্য প্ৰেৰণাদায়ক কাৰক হিচাপে বিবেচনা কৰিছে । কিছুমান উদ্যোগ

তথা প্ৰতিষ্ঠান আছে যাৰ প্ৰাথমিক তথা প্ৰধান উদ্দেশ্য হৈছে সমাজলৈ সেৱা আগবঢ়োৱা তথাপি সিহঁতকো ব্যৱসায়ৰ অধীনত এতিয়া সামৰি লোৱা হৈছে। জনসাধাৰণৰ উপযোগী সেৱাসমূহ চৰকাৰে সমাজৰ সুবিধাৰ অৰ্থে প্ৰদান কৰিবৰ বাবে হাতত লয়। এনে সেৱাসমূহকো ব্যৱসায়ৰ অধিনত সামৰি লোৱা হৈছে।

এই সকলোবোৰ কামকাজ যিবোৰ পণ্য উৎপাদন আৰু পণ্য বিক্ৰী কৰিবৰ বাবে আৱশ্যক সেইবোৰেই ব্যৱসায়ৰ একাংশ হিচাপে পৰিগণিত হয়। এই সংজ্ঞাটোৱেও সেৱা প্ৰদানৰ বাবে প্ৰয়োজন হোৱা কাম -কাজ সমূহকো সামৰি লৈছে ।

M.C.Naughton ৰ মতে-'ব্যৱসায় পদটোৰ অৰ্থ হৈছে পাৰস্পৰিক সুবিধাৰ অৰ্থে পণ্য, মূদ্ৰা বা সেৱাৰ আদান প্ৰদান (The term business means the exchange of goods, money or services for mutual benefit) "এই সংজ্ঞাটোৱে ব্যৱসায়ৰ সংকীৰ্ণ কাৰ্য্যক্ষেত্ৰ সম্পৰ্কে আভাস দিয়ে। ই পণ্য আৰু সেৱাৰ বিনিময় দিশটোহে সামৰি লয়, কিন্তু ব্যৱসায়ৰ উৎপাদনৰ দিশটো সামৰি নলয়।

ওপৰত উল্লেখ কৰা সংজ্ঞাসমূহৰ পৰা এইটো স্পষ্টভাৱে প্ৰতীয়মান হয় যে ব্যৱসায় পদটোৱে লাভ অৰ্জন কৰিবৰ উদ্দশ্যে পণ্য আৰু সেৱাৰ উৎপাদন আৰু বিতৰণৰ লগত জড়িত সকলোবোৰ কাম-কাজ সামৰি লয়। ই পৰিবহন, বীমা, বেংক আৰু গুদামঘৰ আদিয়ে পণ্যৰ উৎপাদন আৰু আদান প্ৰদানত পৰোপক্ষভাৱে সহায় কৰা সকলোবোৰ কামকাজো সামৰি লয়।

১.৪ ব্যৱসায়ৰ বৈশিষ্ট্যসমূহ (FEATURES OF BUSINESS)

আপুনি ইয়াৰ আগৰ শাখাটোত ব্যৱসায়ৰ অৰ্থ বুজিব পাৰিলে। এতিয়া আমি ব্যৱসায়ৰ অত্যাৱশ্যকীয় বৈশিষ্ট্যসমূহৰ বিষয়ে তলত ব্যাখ্যা দাঙি ধৰিম।

(ক) **উদ্যোগী থাকিব লাগে (There must be an Entrepreneur)** ঃ ব্যৱসায় প্ৰতিষ্ঠা কৰিবলৈ হ'লে ইয়াৰ দায়িত্ব ল'বলৈ এজন ব্যক্তি থাকিব লাগিব। ব্যৱসায় প্ৰতিষ্ঠান চলাবৰ বাবে দায়িত্ব লোৱা ব্যক্তিজনকে উদ্যোগী বোলা হয়। ইয়াত তেঁওক আমি ব্যৱসায়ী বুলি কম । উদ্যোগীজনে ব্যৱসায়টো মানুহৰ মাজত দৃষ্টি গোচৰ কৰায়,বিভিন্ন উৎপাদনৰ উপাদানসমূহ সংযুক্ত কৰে আৰু সিহঁতক কাৰ্য্যকৰী অৱস্থাত স্থাপন কৰে।

(খ) **ব্যৱসায়িক কামকাজসমূহ হৈছে আৰ্থিক কামকাজ (Business activities are economic activities)**ঃ ব্যৱসায়ে কেৱলমাত্ৰ আৰ্থিক কামকাজসমূহে সামৰি লয়। পণ্য আৰু সেৱাৰ উৎপাদন আৰু বিতৰণৰ লগত জড়িত সকলোবোৰ কামকাজেই হৈছে আৰ্থিক কামকাজ। লাভ অৰ্জন কৰিবৰ বাবে ব্যৱসায় চলোৱা হয়। আৰ্থিক প্ৰতিদান নথকা যিকোনো কাম ব্যৱসায়ৰ একাংশ হিচাপে গণ্য কৰা নহয়। সেয়ে ব্যৱসায়ে কেৱলমাত্ৰ আৰ্থিক কামকাজসমূহহে সামৰি লয়।

(গ) **পণ্য আৰু সেৱাৰ বিনিময় হ'ব লাগে (There are exchange of goods and services)** ঃ পণ্য আৰু সেৱাৰ লগত ব্যৱসায় জড়িত হয়। বিনিময় কৰিবলগীয়া পণ্য

ব্যৱসায়ীজনে নিজে উৎপাদন কৰিব পাৰে বা আনে উৎপাদন কৰিব পাৰে। কিন্তু বিনিময় কৰিবলগীয়া সেৱাসমূহ সাধাৰণতে সদায় ব্যৱসায়ীজনে নিজে উৎপাদন কৰিব লাগে। পণ্য আৰু সেৱাৰ বিনিময় লাভ অৰ্জনৰ উদ্দেশ্যে হাতত লোৱা হয়। ব্যক্তিগত উপভোগৰ বাবে কৰা পণ্য আৰু সেৱাৰ উৎপাদন বা ক্ৰয়ে ব্যৱসায় গঠন নকৰে। খুচুৰা ব্যৱসায়ীয়ে কিনা পণ্যই ব্যৱসায় গঠন কৰিব পাৰে। কিন্তু গ্ৰাহক তথা ভোক্তাই কিনা পণ্য ব্যৱসায় হ'ব নোৱাৰে। কিনা পণ্যসমূহ লাভৰ উদ্দেশ্যে পুনৰ বিক্ৰী কৰিলেহে ব্যৱসায় হিচাপে পৰিগণিত হ'ব। এই একে নীতি সেৱাৰ ক্ষেত্ৰতো প্ৰযোজ্য হয়। যদি এজন মানুহে ঘৰত খাবৰ বাবে তেওঁ খোৱা বস্তু ৰান্ধে তেনেহ'লে ই ব্যৱসায় নহ'ব। কিন্তু সেই একেজন মানুহে ৰেষ্টুৰাঁত খাদ্য বস্তু ৰন্ধন কৰিলে ই ব্যৱসায় হ'ব, কিয়নো তেওঁ টকাৰ বিনিময়ত তেওঁৰ সেৱা বিনিময় কৰিছে।

(ঘ) **লাভ অৰ্জন কৰাটো প্ৰাথমিক তথা মুখ্য উদ্দেশ্য (Earning of profit is the primary objective)** ঃ ব্যৱসায় আৰম্ভ কৰাৰ উদ্দেশ্য হৈছে লাভ অৰ্জন কৰা। সেয়ে লাভ অৰ্জন হৈছে ব্যৱসায়ৰ এক উপাদান। লাভৰ উদ্দেশ্য নথকা কামকাজ ব্যৱসায় নহয়। ব্যৱসায়িক কামকাজৰ জড়িয়তে এজন ব্যৱসায়ীয়ে লাভ অৰ্জন কৰিবলৈ চেষ্টা কৰে। ব্যৱসায়ৰ ধাৰাবাহিকতাৰ বাবে লাভ অৰ্জন কৰাটো অতি প্ৰয়োজন। ই এইটো নুবুজায় যে ব্যৱসায়ত কেতিয়াও লোকচান নহ'ব। ব্যৱসায় আৰম্ভ কৰাৰ উদ্দেশ্যই হৈছে লাভ অৰ্জন কৰা যদিও তাত লোকচানো হ'ব পাৰে।

(ঙ) **ব্যৱসায়ত ক্ষয় ক্ষতিৰ সম্ভাৱনা আৰু অনিশ্চয়তা আছে (There are risks and uncertainty in business)** ঃ ব্যৱসায়ত ক্ষয় ক্ষতিৰ সম্ভাৱনা আৰু অনিশ্চয়তা আছে। বাস্তৱিকতে ব্যৱসায়ীয়ে ভবিষ্যতৰ অনিশ্চয়তাসমূহ আগতীয়াকৈ আভাস ল'বলৈ চেষ্টা কৰে আৰু সেইমতে তেওঁ ব্যৱসায়িক কামকাজসমূহ পৰিকল্পনা কৰে। যিবোৰ কাৰকৰ ওপৰত ব্যৱসায় নিৰ্ভৰ কৰে সেইবোৰ কেতিয়াও নিশ্চিত নহয়। সেয়ে ব্যৱসায়ৰ সুবিধা সমূহো নিশ্চিত নহয়। চাহিদাৰ পৰিবৰ্তন, কৰ্মচাৰী তথা শ্ৰমিকৰ আন্দোলন, বানপানী, যুদ্ধ-বিগ্ৰহ, মূল্য হ্ৰাস, মুদ্ৰা বজাৰৰ উত্থান পতন আদি হ'ব পাৰে। যদি ব্যৱসায়ীজনে এইবোৰ কাৰকৰ ভৱিষ্যত অনিশ্চয়তাৰ পূৰ্বাভাস ল'ব পাৰে আৰু সেইবোৰ বহন কৰিব পাৰে তেতিয়া তেওঁ কৃতকাৰ্য হয়, অন্যথা তেওঁ ব্যৱসায় বন্ধ কৰিবলৈ বাধ্য হয়। ব্যৱসায়ত থকা ক্ষয় ক্ষতিৰ সম্ভাৱনাই ব্যৱসায়ীজনক সৰ্তক কৰে আৰু সময়মতে উপযুক্ত আঁচনি ৰূপায়ন কৰি তেওঁৰ ক্ষয় ক্ষতিৰ সম্ভাৱনাৰ পৰিমাণ হ্ৰাস কৰিবলৈ চেষ্টা কৰে।

(চ) **লেনদেনৰ ধাৰাবাহিকতা (Continuity of transactions)** ঃ- ব্যৱসায়ত সেইবোৰ লেনদেনহে অৰ্ন্তভুক্ত কৰা হয় যিবোৰৰ নিয়মানুবৰ্তিতা আৰু ধাৰাবাহিকতা থাকে। এটা অকলশৰীয়া লেনদেনক ব্যৱসায় বোলা নহয়, যদিও ব্যৱসায়ীজনে তেনে লেনদেনৰ পৰা লাভ অৰ্জন কৰে। এজন ব্যৱসায়ীয়ে তেওঁৰ বাবে এটা ঘৰ সাজিলে, কিন্তু পিছত

সেই ঘৰটো লাভত বিক্ৰী কৰিলে। ইয়াক আমি ব্যৱসায় বুলিব নোৱাৰো। আনহাতে গৃহ নিৰ্মাণ সমিতিয়ে গৃহ নিৰ্মাণ কৰে আৰু সেইবোৰ বিক্ৰী কৰে তেতিয়া ইয়াক ব্যৱসায় বোলা হয়। সেয়ে লেনদেনসমূহৰ ধাৰাবাহিকতা আৰু নিয়মানুবৰ্তিতা থাকিব লাগে, অন্যথা সিহঁত ব্যৱসায়ৰ এটা অংশ নহ'ব।

উপযোগিতা ঃ এটা নিৰ্দিষ্ট বস্তুৰ প্ৰয়োজনীয়তা

(ছ) **উপযোগিতা সৃষ্টি (Creation of utility)** ঃ গ্ৰাহকৰ পছন্দ আৰু প্ৰয়োজন অনুসৰি গ্ৰাহকক পণ্যৰ যোগান ধৰা হয়। ব্যৱসায়ে বিভিন্ন ধৰণৰ উপযোগিতাৰ সৃষ্টি কৰে যাতে গ্ৰাহকে সেইবোৰ ব্যৱহাৰ কৰিব পাৰে। উপযোগিতা-আকাৰগত (form), স্থানগত (place) আৰু সময় (time) উপযোগিতা আদি হ'ব পাৰে। যেতিয়া কেঁচামাল প্ৰস্তুত দ্ৰব্যলৈ ৰূপান্তৰ কৰা হয়, তেতিয়া আকাৰগত উপযোগিতাৰ সৃষ্টি হয়। উৎপাদন স্থলৰ পৰা পণ্যসমূহ সৰ্বশেষত গ্ৰাহকৰ ওচৰলৈ পৰিবহন কৰি নিলে তেতিয়া স্থানগত উপযোগিতাৰ সৃষ্টি হয়। বৰ্তমানৰ উদ্যোগিক ব্যৱস্থাত পণ্য উৎপাদন কেৱল মাত্ৰ বৰ্তমানৰ প্ৰয়োজনৰ বাবেই নহয়, ইহঁতক ভৱিষ্যতে ব্যৱহাৰ কৰিবৰ বাবেও উৎপাদন কৰা হয়। প্ৰয়োজন নোহোৱা সময়ত পণ্য সংৰক্ষণ কৰা আৰু প্ৰয়োজন হোৱা সময়ত সিহঁতক সৰবৰাহ কৰা প্ৰক্ৰিয়াকেই সময় উপযোগিতাৰ সৃষ্টি কৰা বোলা হয়। গতিকে, ব্যৱসায়ে বহুতো উপযোগিতাৰ সৃষ্টি কৰে যাতে গ্ৰাহকসকলে তেওঁলোকৰ পছন্দ আৰু প্ৰয়োজন অনুসৰি পণ্যসমূহ ব্যৱহাৰ কৰিব পাৰে।

(জ) **সংগঠন (Organisation)** ঃ প্ৰতিটো উদ্যোগতে কামকাজৰ কৃতকাৰ্য্যতাৰ বাবে একোটাকে সংগঠনৰ প্ৰয়োজন হয়। বিভিন্ন ব্যৱসায়িক কাম-কাজসমূহক বিভাগ, শাখা আৰু কাৰ্য্যত ভাগ কৰা হয়। সংগঠনে পৰিচালনাৰ কামকাজ ৰূপায়ন কৰিবলৈ ভেটী প্ৰদান কৰে আৰু বিভিন্ন ব্যৱসায়িক কামকাজসমূহৰ সমন্বয় সাধনত সহায় কৰে। এটা উপযুক্ত সংগঠন ব্যৱসায় সঠিকভাৱে চলাই নিয়াত আৰু ইয়াৰ উদ্দেশ্যসমূহত উপনীত হোৱাত সহায়ক হয়।

(ঝ) **বিত্ত (Finance)**ঃ ব্যৱসায় প্ৰতিষ্ঠান বিত্তৰ অবিহনে এখোজো আগবাঢ়িব নোৱাৰে। ব্যৱসায়ত স্থায়ী আৰু কাৰ্য্যকৰী মুলধন যোগানৰ বাবে বিত্তৰ প্ৰয়োজন হয়। উৎপাদনৰ আন কাৰকসমূহৰ প্ৰাপ্যতা বিত্তৰ অৱস্থিতিৰ ওপৰতে নিৰ্ভৰ কৰে। বিত্তীয় প্ৰয়োজনীয়তাৰ পৰিমাণ নিৰ্ধাৰণ কৰাৰ পিছত ব্যৱসায়ে এই প্ৰয়োজনীয়তা কি উৎসৰ পৰা সংগ্ৰহ কৰি পূৰণ কৰা হ'ব তাক নিৰ্ধাৰণ কৰিব লাগে । ব্যৱসায়ৰ কাৰ্য্যকৰিতাৰ বাবে এটা উপযুক্ত মূলধনৰ গঠন প্ৰণালী অপৰিহাৰ্য্য।

(ঞ) **গ্ৰাহকৰ সন্তুষ্টি (Customers' satisfaction)** ঃ ব্যৱসায়ৰ চূড়ান্ত তথা চৰম লক্ষ্য হৈছে গ্ৰাহকলৈ পণ্যৰ যোগান ধৰা। গ্ৰাহকৰ বাবেই পণ্য উৎপাদন কৰা হয়। যদি গ্ৰাহক সন্তুষ্ট হয়, তেতিয়া তেওঁ সেই ব্যৱসায়ৰ পণ্য পুনৰ কিনিব। অন্যথা তেওঁ সেই পণ্যৰ বিকল্প দ্ৰব্য বিচাৰিব তথা ব্যৱহাৰ কৰিব। ব্যৱসায়ে গ্ৰাহকক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিব লাগে যাতে ব্যৱসায়ৰ পণ্যৰ চাহিদা সংৰক্ষণ কৰিব পাৰি। ব্যৱসায়ৰ অৱস্থিতি আৰু ইয়াৰ

প্ৰসাৰ গ্ৰাহকে বিচৰা সেই ব্যৱসায়ৰ পণ্যৰ পছন্দৰ ওপৰত নিৰ্ভৰ কৰে। সেয়ে ব্যৱসায়ে গ্ৰাহকৰ পছন্দ আৰু ৰুচি অনুসৰি পণ্য উৎপাদন কৰিবলৈ চেষ্টা কৰিব লাগে । পণ্যসমূহ যেতিয়াই প্ৰয়োজন হয় তেতিয়াই উপলব্ধ হ'ব লাগে। ব্যৱসায় আৰু গ্ৰাহক ইহঁত দুয়ো ইটোৰ বাবে সিটো বৰ্তী থাকে।

(ট) **সামাজিক প্ৰয়োজনীয়তাসমূহ পূৰণ** (Satisfying social needs) ঃ ব্যৱসায়ে সমাজলৈ মুক্তভাৱে সেৱা আগবঢ়াবলৈ লক্ষ্য স্থিৰ কৰিব লাগে। ব্যৱসায় হৈছে এক আৰ্থ-সামাজিক প্ৰতিষ্ঠান। ই জনসাধাৰণৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিব লাগে। আজিকালি ব্যৱসায়ৰ সামাজিক দিশ আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি বেছিকৈ জোৰ দিয়া হৈছে। জনসাধাৰণে ব্যৱসায় বিচাৰে আৰু ব্যৱসায়েও জনসাধাৰণৰ সমৰ্থন বিচাৰে। সেয়ে ব্যৱসায় প্ৰতিষ্ঠানে জনসাধাৰণৰ উদ্দেশ্য সাধন কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ব্যৱসায়ৰ অৰ্থ ব্যাখ্যা কৰক।

.....

.....


.....

.....

১.৫ ব্যৱসায়ৰ উদ্দেশ্যসমূহ (OBJECTIVES OF BUSINESS)

কোনো অভিপ্ৰায় বা লক্ষ্য নোহোৱাকৈ আমি কোনো কাম নকৰো। ইয়াকে কাৰ্য তথা কামৰ উদ্দেশ্য বোলা হয়। প্ৰতিটো কামেই একোটা উদ্দেশ্যলৈহে আৰম্ভ কৰা হয়। উদ্দেশ্য সাধনৰ বাবে আমি সকলোবোৰ সামৰ্থ্য কেন্দ্ৰীভুত কৰো। ব্যৱসায়ো কিছুমান উদ্দেশ্য লৈয়ে আৰম্ভ কৰা হয়। পিটাৰ ড্ৰাকাৰ (Peter Drucker)ৰ মতে "সকলোবোৰ ক্ষেত্ৰতে উদ্দেশ্যৰ প্ৰয়োজন হয়, য'ত সম্পাদিত কাৰ্য আৰু ফলাফলে ব্যৱসায় বিদ্যমান হৈ থকা আৰু উন্নতিত প্ৰত্যক্ষ আৰু প্ৰধানকৈ প্ৰভাৱ পেলায় (objectives are needed in every area where performance and results directly and vitally affect survival and prosperity of the business)"।

ব্যৱসায় প্ৰতিষ্ঠানৰ মুখ্য উদ্দেশ্য হৈছে লাভ অৰ্জন কৰা। ব্যৱসায়ৰ অৱস্থিতি বজাই ৰখাৰ বাবে লাভ অৰ্জন কৰাটো প্ৰয়োজন বুলি বিবেচনা কৰা হয়। সমাজৰ অবিহনে ব্যৱসায় বৰ্তী থাকিব নোৱাৰে আৰু সমাজেও লাভ অৰ্জন কৰাতকৈ অধিক সা-সুবিধা ব্যৱসায়ৰ পৰা বিচাৰে। ব্যৱসায়ৰ উদ্দেশ্যসমূহ নিম্নলিখিত শিতানত শ্ৰেণীবিভাগ কৰা হয়—



চিত্র ঃ ব্যৱসায়ৰ উদ্দেশ্যসমূহ

(ক) আর্থিক উদ্দেশ্যসমূহ (ECONOMIC OBJECTIVES)

১) **লাভ অর্জন (Profit Earning)** ঃ এইটো সত্য যে লাভ অর্জন কৰিবৰ বাবেই ব্যৱসায় আৰম্ভ কৰা হয়। লাভেই হৈছে ব্যৱসায়িক বৃত্তিৰ মূল প্রেৰণা। বিভিন্ন অনিশ্চয়তাসমূহ যেনে- বাণিজ্য চক্র, চাহিদাৰ ধৰণৰ পৰিবর্তন, মূদ্রা বজাৰৰ উত্থান পতন, আদিৰ মুখামুখি হ'বৰ বাবে লাভৰ প্রয়োজন হয়। ব্যৱসায় টিকি থাকিবৰ বাবেই নহয়, ইয়াৰ প্রসাৰৰ বাবেও ব্যৱসায়ক লাভৰ প্রয়োজন হয়। বিনিয়োগকাৰীসকলেও তেওঁলোকৰ বিনিয়োগৰ বাবে উপযুক্ত পৰিমাণৰ প্রতিদান বিচাৰে। শ্রমিকসকলেও উচ্চ পৰিমানৰ মজুৰী বিচাৰে আৰু উদ্যোগীসকলে পুনৰ বিনিয়োগৰ বাবে অধিক পৰিমাণৰ ধন বিচাৰে। সঠিক পৰিমাণৰ লাভ অর্জন কৰিব পাৰিলেহে এই সকলোবোৰ চাহিদা আৰু প্রয়োজনীয়তাসমূহ পূৰণ কৰিব পৰা যায়।

২) **পণ্যৰ উৎপাদন (Production of Goods)** ঃ পণ্য আৰু সেৱা বিনিময় হ'লেহে লাভ অর্জন হয়।সেয়ে ব্যৱসায়ৰ আন এটা উদ্দেশ্য হৈছে অধিক পণ্য উৎপাদন কৰি সেইবোৰ গ্রাহকক বিক্রী কৰা। পণ্যৰ উৎপাদনকাৰীয়ে পণ্যৰ চাহিদাৰ বিষয়ে আগতী য়াকৈ অনুমান কৰে আৰু সেইমতে পণ্য উৎপাদন কৰে। এইক্ষেত্রত গ্রাহকৰ ৰুচি, পছন্দ,আৰু ক্রয় ক্ষমতা আদি কাৰকসমূহ বিবেচনাত ল'ব লাগে। ব্যৱসায়ে আকাৰ, স্থান আৰু সময়ৰ উপযোগিতা সৃষ্টি কৰি সমাজৰ প্রয়োজনীয়তাসমূহ পূৰণ কৰে। সেয়ে পণ্যৰ আকাৰত

ব্যৱসায়ে এক দৃশ্যমান আৰ্হিৰ সম্পদ উৎপাদন কৰে।

৩) **বজাৰ সৃষ্টি (Creating Markets)** ঃ উৎপাদিত পণ্য বিক্ৰী কৰাই হৈছে ব্যৱসায়ৰ লক্ষ্য। বজাৰত কিনা বেচা বুলিলে পণ্যৰ মালিকীস্বত্বৰ হস্তান্তৰ আৰু পণ্যসমূহক কায়িকভাবে বিতৰণ কৰাৰ বাবে লোৱা প্ৰচেষ্টাক বুজায়। বজাৰকৰণে অৰ্থাৎ বজাৰত বেচা কিনা কৰা কাৰ্য্যই সময়, স্থান আৰু প্ৰাপ্ত বস্তুৰ উপযোগিতা সৃষ্টিৰ লগত জড়িত কাৰ্যসমূহ সামৰি লয়। ব্যৱসায়ীয়ে তেওঁৰ বিক্ৰীৰ পৰিমাণ বৃদ্ধি কৰিবৰ বাবে নতুন গ্ৰাহকৰ অনুসন্ধান কৰে। যুক্তিসন্মত দামত উন্নত আৰু মানবিশিষ্ট পণ্যৰ যোগান ধৰি পুৰণি গ্ৰাহকসকলক ধৰি ৰাখিবৰ বাবে ব্যৱসায়ীয়ে চেষ্টা কৰে। পণ্যৰ চাহিদা নিয়মীয়াকৈ ৰাখিবৰ বাবে নতুন বজাৰৰ সুবিধা গ্ৰহণ কৰিব লাগে। ব্যৱসায়ৰ পণ্যৰ বাবে নতুন বজাৰ উলিয়াব নোৱাৰিলে এটা ব্যৱসায় প্ৰতিষ্ঠান বেছি দিন টিকি থাকিব নোৱাৰিব।

৪) **প্ৰযুক্তিবিদ্যা বিষয়ক উন্নতি (Technological Improvement)** ঃ এটা ব্যৱসায় প্ৰতিষ্ঠানে উন্নত উৎপাদন পদ্ধতি ব্যৱহাৰ কৰিবলৈ সদায়ে চেষ্টা কৰে। আজিৰ প্ৰতিযোগিতাৰ পৃথিৱীত সকলোৱেই কম দামত উন্নত মানৰ পণ্য বজাৰত উলিয়াই তেওঁলোকৰ উৎপাদিত পণ্যসমূহ সোনকালে বিক্ৰী কৰিবলৈ চেষ্টা কৰে। পণ্য উৎপাদনৰ বাবে শেহতীয়া তথা অত্যাধুনিক প্ৰযুক্তিবিদ্যা ব্যৱহাৰ কৰিব পাৰিলেহে উক্ত চেষ্টা সফল হ'ব। অত্যাধুনিক প্ৰযুক্তিবিদ্যা ব্যৱহাৰৰ ফলত উৎপাদনৰ পৰিমাণ বৃদ্ধি হয় আৰু বৰ্ধিত উৎপাদনৰ পৰিমাণৰ জৰিয়তে ব্যয়ৰ পৰিমাণ কমাবলৈ চেষ্টা কৰা হয়। পৰিবৰ্তনশীল ব্যৱসায় জগতৰ সৈতে খোজ মিলাই চলিবলৈ হ'লে প্ৰতিজন ব্যৱসায়ীয়ে নতুন পদ্ধতি প্ৰয়োগ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগে।

(খ) **মানব সম্পৰ্কীয় উদ্দেশ্যসমূহ (Human Objectives)** ঃ কৰ্মচাৰী, অংশপত্ৰধাৰক আৰু গ্ৰাহকসকলৰ দৰে বিভিন্ন স্বাৰ্থজড়িত পক্ষৰ দাবীসমূহৰ কৰ্মক্ষম সন্তুলন সংৰক্ষণ কৰাই হৈছে ব্যৱসায়ৰ মানব সম্পৰ্কীয় উদ্দেশ্য। এই উদ্দেশ্যসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

১) **কৰ্মচাৰীসকলৰ কল্যাণ (Welfare of Employees)** ঃ কৰ্মচাৰীসকলক মানবীয় দৃষ্টিৰে চাব লাগে। কৰ্মচাৰীসকলক ভিত্তি প্ৰদৰ্শন কৰি কাম আদায় কৰা পুৰণি পদ্ধতি বৰ্তমান অপ্ৰচলন হৈছে। "লৌহদণ্ড তত্ব"ৰ (Iron rod theory) সপক্ষে ভাৰতৰ পুৰণি ব্যৱসায়ীসকলে সদায় মত পোষণ কৰি আহিছিল। উদ্যোগীকৰণৰ আবিৰ্ভাৱৰ বাবে উৎপাদনৰ পৰিমাণ বহুগুণে বৃদ্ধি পাইছে। ইয়াৰ ফল স্বৰূপে ব্যৱসায়ীসকলৰ লাভৰ পৰিমাণ বৃদ্ধি পাইছে। ব্যৱসায় প্ৰতিষ্ঠানৰ কৰ্মচাৰীসকলে ব্যৱসায়ৰ লাভ অৰ্জন ক্ষমতা বৃদ্ধি কৰাত অৰিহনা যোগায়। সেয়ে তেওঁলোকৰ লাভৰ দেয় অংশ দিব লাগে। এই লাভ ৰোনাচ আকাৰত, ভাট্টাৰ পৰিমাণ বৃদ্ধি বা তেওঁলোকৰ কল্যাণৰ বাবে কৰা খৰচৰ পৰিমাণ বৃদ্ধি কৰি আগবঢ়োৱা হয়। উৎপাদনশীলতাক বিভিন্ন উৎ সাহদায়ক আঁচনিৰ লগত সংযোগ কৰিব লাগে। কৰ্মচাৰীসকলক তেওঁলোকে কৰা কঠিন কামৰ বাবে পুৰস্কাৰ দিব লাগে।

ব্যৱসায়ীসকলে কৰ্মচাৰীসকলক শাৰীৰিক আৰাম,সামগ্ৰীক প্ৰেৰণা, প্ৰশংসা, শ্ৰম আৰু অৱস্থাৰ মৰ্যদা দিব লাগে। এইবোৰ বিষয়ে শ্ৰমিক তথা কৰ্মচাৰীসকলক তেওঁলোকে দিব পৰা সৰ্বাধিক শ্ৰম আগবঢ়াবৰ বাবে অনুপ্ৰেৰণা যোগায়।

২) **গ্ৰাহকৰ সন্তুষ্টি (Satisfaction of Consumers)** ঃ গ্ৰাহকসকলক উন্নত মানৰ পণ্য যুক্তিসন্মত দৰত বিক্ৰী কৰিব লাগে। গ্ৰাহকৰ ৰুচি, পছন্দ আৰু আৱশ্যকতাসমূহৰ প্ৰতি প্ৰয়োজনীয় গুৰুত্ব আৰোপ কৰিব লাগে। ব্যৱসায় গ্ৰাহকৰ বাবে আৰু গ্ৰাহকসকলক সন্তুষ্টি প্ৰদান কৰাটোৱেই হৈছে ব্যৱসায়ৰ মূল উদ্দেশ্য। গতিকে যুক্তি সন্মত দৰৰ উপৰিও মানবিশিষ্ট পণ্যৰ বিক্ৰী আৰু সেৱাৰ উপস্থাপনৰ দ্বাৰা ভোক্তাক সন্তুষ্ট কৰিব লাগে।



অংশপত্রধাৰকঃ সেইসকল মালিক যিসকলে এটা কোম্পানীৰ অংশপত্র ক্রয় কৰে।

৩) **অংশধাৰকসকলৰ সন্তুষ্টি (Satisfaction of Shareholders)**ঃ বৰ্তমানৰ ব্যৱসায়িক জগতত মালিকীস্বত্ব আৰু পৰিচালনা দুটা পৃথক পক্ষ হিচাপে গণ্য কৰা হয়। অংশধাৰকসকল দেশৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থাকে আৰু দৈনন্দিন ব্যৱসায় পৰিচালনা কৰাত তেওঁলোকৰ কোনো হাত নাথাকে। অংশধাৰকসকলে বিনিয়োগ কৰা ধনৰ ওপৰত পৰিচালকসকলে যুক্তিসন্মত প্ৰতিদান দিব লাগে। অংশধাৰকসকল নিশ্চিত হ'ব লাগে যে তেওঁলোকৰ নিয়োজিত ধন অপব্যৱহাৰ কৰা হোৱা নাই। এই বিষয়সমূহ বিবেচনাত লৈ কোম্পানী আইনে পৰিচালকসকলৰ ওপৰত বহুতো নিয়ন্ত্রণ আৰোপ কৰিছে যাতে কোম্পানীৰ সম্পদসমূহ সকলোৰে কল্যাণৰ হকে নিয়োগ কৰা হয়। এই বিষয়সমূহ ব্যৱসায়ত অধিক পৰিমাণৰ বিনিয়োগ কৰাৰ প্ৰতি উৎসাহ জন্মাবৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হয়।

(গ) **সামাজিক উদ্দেশ্যসমূহ বা ব্যৱসায়ৰ সামাজিক দায়িত্ব (Social Objectives or Social Responsibility of the Business)** ঃ ব্যৱসায় আৰু সমাজৰ মাজত থকা পাৰস্পৰিক নিৰ্ভৰশীলতা নুই কৰিব পৰা নাযায়। সমাজ অবিহনে ব্যৱসায় বৰ্তী থাকিব নোৱাৰে আৰু সমাজে কেৱল মাত্র লাভ অৰ্জন কৰাতকৈ ব্যৱসায়ৰ পৰা অধিক সেৱাহে আশা কৰে। George A. Stenier ৰ ভাষাত ক'বলৈ গ'লে প্রকৃত অর্থত, সামাজিক দায়িত্বসমূহৰ ধাৰণাই সমাজৰ আশাসমূহৰ স্বীকৃতি আৰু বোধগম্যতাকে প্রকাশ কৰে আৰু ইয়াৰ কার্য সাধনত অবিহনা যোগাবলৈ দৃঢ় সংকল্প হয়। (In real sence,the assumption of social responsibility implies recognition and understanding of the aspiration of the society and determination to contribute to its achievement). H.R.Brown এ সামাজিক দায়িত্বৰ সংজ্ঞা এনেদৰে দিছে" পৰিচালকৰ সেইবোৰ আঁচনিৰ লক্ষ্যত উপনীত হোৱাত চেষ্টা কৰাটো নৈতিক বা আইনগত ভাৱে বাধ্য থাকে, সেইবোৰ সিদ্ধান্ত কৰিব লাগে বা সেইবোৰ কৰ্মপ্রণালী অনুসৰণ কৰিব লাগে যিবোৰ উদ্দেশ্যৰ অর্থত আৰু আমাৰ সমাজৰ মূল্যৰ বাবে বাঞ্চনীয় হয়। সমাজৰ উন্নতিৰ বাবে অপৰিহার্য হোৱা কামকাজসমূহ ব্যৱসায়ীয়ে হাতত ল'ব লাগে। সমাজৰ স্বার্থৰ বিপৰীতে যোৱা বিষয়সমূহ ব্যৱসায়ে হাতত লোৱাটো উচিত নহয়।

ব্যৱসায়ৰ সামাজিক দায়িত্ব নিম্নলিখিত ধৰণে অধ্যয়ন কৰিব পাৰি—

১) **পণ্য আৰু সেৱা প্ৰাপ্তিসাধ্য কৰা** (**To Make Goods and Services Available**) ঃ ব্যৱসায়ে সমাজৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবৰ বাবে পণ্যৰ সুষম যোগান নিশ্চত কৰিব লাগে। ব্যৱসায়ে বিভিন্ন সামগ্ৰীৰ মূঠ চাহিদাৰ পৰিমাণ আগতীয়াকৈ অনুমান কৰিব লাগে আৰু সেইমতে উৎপাদন কাৰ্য নিয়ন্ত্ৰণ কৰিব লাগে।

২) **গুণসম্পন্ন পণ্যৰ যোগান ধৰা** (**To Supply Quality Goods**) ঃ গ্ৰাহকসকললৈ গুণসম্পন্ন পণ্য আৰু সেৱাৰ যোগান ধৰাটো ব্যৱসায়ৰ দায়িত্ব। ব্যৱসায়ে কেতিয়াও ভেজাল, নিম্নমানৰ,ব্যৱহাৰৰ অযোগ্য বা স্বাস্থ্যৰ বাবে ক্ষতিকাৰক পণ্যৰ যোগান ধৰিব নালাগে। গ্ৰাহকসকলক প্ৰত্যাখ্যান কৰি ব্যৱসায়ে দীৰ্ঘকালৰ বাবে কেতিয়াও উন্নতি লাভ কৰিব নোৱাৰে।

৩) **গুণ সম্পন্ন পণ্য যুক্তিসন্মত দামত যোগান ধৰা** (**To Supply Quality Goods at Reasonable Prices**) গ্ৰাহকসকলৰ অভাৱ আৰু প্ৰয়োজন সমূহৰ বিষয়ে অধ্যয়ন কৰা আৰু তেওঁলোকক গুণসম্পন্ন পণ্য যুক্তিসন্মত দামত যোগান ধৰাটো ব্যৱসায়ৰ কৰ্তব্য। পণ্যৰ দাম এনেদৰে স্থিৰ কৰিব লাগে যাতে ই উন্নত মানৰ পণ্য আৰু সময়মতে যোগান ধৰাৰ নিশ্চয়তা প্ৰদান কৰিব পাৰে।

৪) **চৰকাৰৰ লগত সহযোগীতা** (**Co-operation with the Government**) ঃ সমাজবাদী আৰ্হিৰ সমাজৰ উদ্দেশ্যসমূহ সম্পাদনত সহায় কৰিবলৈ ব্যৱসায়ে চৰকাৰৰ লগত সহযোগিতা কৰিব লাগে। চৰকাৰে চৰকাৰী আৰু ব্যক্তিগত দুয়োটা খণ্ড ৰ বাবে কৰ্মৰ পৰিকল্পনা কৰিব লাগে। যিহেতু প্ৰায়বোৰ ব্যৱসায়েই ব্যক্তিগত খণ্ডত কাৰ্য সম্পাদন কৰে, বিশেষকৈ গোলকীকৰণ (Globalisation) আৰু ব্যক্তিগতকৰণ (Privatisation) প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ পিছত, সমাজৰ প্ৰতি ব্যৱসায় খণ্ড ৰ দায়িত্ব বহু গুণে বৃদ্ধি পাইছে। ব্যৱসায় সম্প্ৰদায়ে চৰকাৰৰ আঁচনি তথা কৰ্মপন্থাসমূহৰ প্ৰতি স্পষ্টভাৱে ধনাত্মক ধাৰণা অৱলম্বন কৰিব লাগে আৰু জাতীয় সমস্যাসমূহ সমাধানত সহায় কৰিব লাগে।

৫) **কাৰখানাৰ অৱস্থান নিৰ্ধাৰণ কৰা** (**To Decide Location of Plant**) ঃ ব্যৱসায় আৰম্ভ কৰাৰ সময়ত কাৰখানাৰ অৱস্থানৰ বিষয়ে পৰিচালকসকলে অতি গুৰুত্বপুৰ্ণ সিদ্ধান্ত ল'ব লাগে। যদি সম্ভৱ হয় তেনেহ'লে কাৰখানাটো শিল্প নথকা ঠাই বা অনুন্নত বা অনগ্ৰসৰ ঠাইত স্থাপন কৰিব লাগে। ই স্থানীয় লোকৰ বাবে নিয়োগৰ সুবিধা মুকলি কৰে আৰু লগতে জাতীয় অৰ্থনীতিৰ উন্নতিত অৰিহনা যোগায়।

৬) **গৱেষণা** (**Research**) ঃ পৰিবৰ্তনীয় প্ৰযুক্তিৰ পৃথিৱীত পণ্য উৎপাদন আৰু বজাৰত ইহঁতক উপস্থাপন কৰাৰ আধুনিক কৌশলসমূহ ব্যৱহাৰ কৰাটো অতি আৱশ্যক হৈ পৰিছে। পৰিবৰ্তন ব্যৱসায়ৰ অপৰি হাৰ্য বৈশিষ্ট্য তথা উপাদান হিচাপে বিবেচিত হৈ পৰিছে। প্ৰতিদিনে নতুন নতুন উৎপাদন পদ্ধতি উদ্ভাৱন হৈছে। গ্ৰাহকৰ প্ৰয়োজন আৰু পছন্দসমূহ পণ্যৰ উৎপাদন আৰু বজাৰকৰণ আচঁনিসমূহ পৰিকল্পনা কৰোতে বিবেচনাত ল'ব লাগে। গৱেষণা

আৰু উন্নয়নক ব্যৱসায়ত নিশ্চিত স্থান দিব লাগে।গৱেষণা কৰ্মসুচীসমূহৰ যোগেদিহে পৰিবৰ্তন হৈ থকা পৃথিৱীৰ লগত ব্যৱসায়ীসকলে প্ৰতিদ্বন্দিতা কৰিব পাৰে। গৱেষণা কামৰ প্ৰতি মনোযোগ নিদিলে দীৰ্ঘকালৰ বাবে ব্যৱসায়ত টিকি থকাটো যথেষ্ট কঠিন হৈ পৰে। সেয়ে ব্যৱসায় প্ৰতিষ্ঠানৰ কৃতকাৰ্যতাৰ বাবে গৱেষণা কাৰ্য্যৰ প্ৰয়োজন অপৰিহাৰ্য।

৭) **প্ৰগতিশীল অধিনায়কত্ব (Dynamic Leadership)** ঃ পৰিচালনাৰ দক্ষতাৰ ওপৰতে প্ৰতিষ্ঠানৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰে। পৰিচালনাৰ কাম হৈছে ব্যৱসায়ৰ উদ্দেশ্যসমূহত উপনীত হ'বৰ বাবে পৰিকল্পনা প্ৰস্তুত, সংগঠন,সমন্বয় সাধন আৰু বিভিন্ন কাম কাজৰ নিৰ্দেশনা প্ৰস্তুত কৰা। এই কাৰ্য্যসমূহ তেতিয়াহে সম্ভব হ'ব যেতিয়া প্ৰতিষ্ঠান পৰিচালনা কৰা ব্যক্তিসকলৰ দুৰদৰ্শিতা, উদ্যম, সাহস আৰু পৰিবৰ্তনৰ প্ৰতি তৎপৰতা থাকে। ব্যৱসায়টোক প্ৰগতিৰ পথত আগুৱাই নিবলৈ অধিনায়ক সকলৰ উক্ত গুণসমূহ থকাটো অতি প্ৰয়োজন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ ব্যৱসায়ৰ সামাজিক দায়িত্বৰ বিভিন্ন দিশসমূহ ব্যাখ্যা কৰক।

.....

.....

.....

.....

.....

১.৬ ব্যৱসায়ৰ উপাদানসমূহ (COMPONENTS OF BUSINESS)

ব্যৱসায়ৰ কামকাজসমূহক পাঁচোটা ভাগত ভাগ কৰা হয় । সেইবোৰ তলত উল্লেখ কৰা হ'ল।

১) পণ্য উৎপাদনৰ লগত জড়িত কামকাজ (Activities related to production of goods),

২) সেৱা প্ৰদানৰ লগত জড়িত কামকাজ (Activities related to rendering of services),

৩) পণ্য বিতৰণৰ লগত জড়িত কামকাজ (Activities related to distribution of goods),

৪) বিত্তীয় সাহায্যৰ লগত জড়িত কামকাজ (Activities related to financial assistance)

বহলভাবে ব্যৱসায়ক দুটা বিভাগত ভাগ কৰিব পাৰি। সেইকেইটা হ'ল—

১) শিল্প (Industry), আৰু

২) বাণিজ্য আৰু বেহাবেপাৰ (Commerce and Trade)

১.৭ শিল্প আৰু ইয়াৰ শ্ৰেণী বিভাগ (INDUSTRY AND ITS CLASSIFICATION)

শিল্প পণ্য প্ৰস্তুত বা উৎপাদনৰ লগত জড়িত। ই উৎপাদনৰ সেইটো উপাদান লৈ গঠিত হয় যিটো যিকোনো স্তৰতে কেঁচামালৰ পৰা উৎপাদিত দ্ৰব্যলৈ বস্তুৰ আকাৰ সলনি কৰাৰ লগত জড়িত হয়, যেনে-সুতাৰ পৰা বয়ন কৰি কাপোৰ উৎপাদন কৰা। সেয়ে শিল্পই দ্ৰব্যৰ আকাৰগত উপযোগিতা প্ৰদান কৰে। প্ৰস্তুত কৰা দ্ৰব্য নিজে ব্যৱহাৰ কৰিব পাৰে বা পুনৰ উৎপাদনৰ বাবে আন প্ৰতিষ্ঠানে কেঁচামাল হিচাপে ব্যৱহাৰ কৰিব পাৰে বা চূড়ান্ত প্ৰস্তুত দ্ৰব্য হিচাপে গ্ৰাহকে ব্যৱহাৰ কৰিব পাৰে। পুনৰ উৎপাদনৰ বাবে পণ্য আন প্ৰতিষ্ঠানে ব্যৱহাৰ কৰিলে তেনে পণ্যক উৎপাদক পণ্য (producers' goods) বোলা হয়। যন্ত্ৰপাতি, সা-সৰঞ্জাম আদিৰ উৎপাদনেই হৈছে উৎপাদক পণ্যৰ উদাহৰণ। যেতিয়া দ্ৰব্যসমুহ চূড়ান্তভাৱে গ্ৰাহকে উপভোগ কৰেতেনে দ্ৰব্যকভোগ্য দ্ৰব্য (cousumers' goods) বোলা হয়। এনে দ্ৰব্যৰ উদাহৰণ হৈছে কাপোৰ, ৰুটি,গেলামাল, ঔষধ, ইত্যাদি। এখন প্ৰতিষ্ঠানে প্ৰস্তুত কৰা দ্ৰব্য আন এখন প্ৰতিষ্ঠানে প্ৰস্তুত দ্ৰব্যলৈ ৰূপান্তৰ কৰিবৰ বাবে পৰবৰ্তী প্ৰক্ৰিয়াত ব্যৱহাৰ কৰিব পাৰে। এনে দ্ৰব্যসমূহক মধ্যবৰ্তী দ্ৰব্য (intermediate goods) বোলা হয়। এই শ্ৰেণীৰ দ্ৰব্যৰ উদাহৰণ হৈছে প্লাষ্টিক, ৰবৰ, এলুমিনিয়াম, ইত্যাদি।

শিল্পৰ শ্ৰেণী বিভাগ (Classification of Industry) ঃ

শিল্পসমূহক তলত উল্লেখ কৰা দৰে বিভিন্ন ভাগত শ্ৰেণী বিভাগ কৰা হয় —

১) **প্ৰাথমিক আৰু উৎপাদিত তথা সৃষ্টি সম্বন্ধীয় শিল্প (Primary and Genetic Industry)**ঃ সৃষ্টি সম্বন্ধীয় শিল্প পুনৰ উৎপন্ন আৰু জন্তু আৰু উদ্ভিদৰ সংশ্লিষ্ট প্ৰজাতিৰ সংখ্যা বৃদ্ধি কৰি বিক্ৰীৰ জড়িয়তে লাভ অৰ্জনৰ উদ্দেশ্যে কৰা শিল্পৰ লগত জড়িত হয়। গুটি পচোঁৰা বা গছ পুলিৰ বাগান (nurseries), জীৱ-জন্তু প্ৰজনন, মাছৰ পোনা উৎপাদন কেন্দ্ৰ, হাঁহ কুকুৰাৰ পাম, আদি এই সকলোবোৰ শিল্প সৃষ্টি সম্বন্ধীয় শিল্পৰ অধীনত পৰে। গছৰ গুটি গজাই ডাঙৰ কৰি আৰু চৰাই আৰু জীৱ জন্তু সমূহ প্ৰতিপালন কৰি পিছত লাভত বিক্ৰী কৰা হয়। এই শিল্পসমূহত প্ৰকৃতি, জলবায়ু আৰু পৰিবেশে গুৰুত্বপুৰ্ণ ভূমিকা লয় যদিও ইয়াত মানুহৰ কৌশলৰো গুৰুত্ব আছে।

২) **নিষ্কৰ্ষী শিল্প (Extractive Industry)** ঃ নিষ্কৰ্ষী শিল্পসমূহ মাটি, জলবায়ু, বতাহ, পানী বা পৃথিৱীৰ অভ্যন্তৰৰ পৰা আহৰণ কৰা সম্পদত নিযুক্ত থাকে। এই শিল্পত শ্ৰমিকসকলৰ দ্বাৰা ইতিমধ্যে জমা হৈ থকা দ্ৰব্যসমূহ সংগ্ৰহ কৰা হয়। খনি, মাছ ধৰা আৰু চিকাৰ এই শিল্পৰ অন্তৰ্গত। এই শ্ৰেণীৰ শিল্পত মানুহৰ কৌশল প্ৰয়োগ কৰি দ্ৰব্য উৎপাদন কৰা হয় , যেনে কৃষি আৰু বনপালন। নিষ্কৰ্ষী শিল্পই মূল কেচাঁমালসমূহৰ যোগান ধৰে আৰু এই দ্ৰব্যসমূহৰ সৰহখিনিয়েই মাটিৰ পৰাই সংগ্ৰহ কৰা হয়। এই শিল্পৰ

উৎপাদিত দ্ৰব্যসমূহ সাধাৰণতে উৎপাদনকাৰী তথা নিৰ্মাণ (manufacturing) শিল্পৰ জড়িয়তে বহুতো ব্যৱহাৰযোগ্য দ্ৰব্যলৈ ৰূপান্তৰ কৰা হয়।

৩) **নিৰ্মাণ শিল্প** (**Construction Industry**) ঃ এই শিল্প অৰ্থনীতিৰ দ্ৰুত উন্নতি আৰু অগ্ৰগতিৰ বাবে বুনিয়াদ গঠনৰ লগত জড়িত থাকে। ইহঁত সামগ্ৰীৰ নিৰ্মাণ (Construction) বা সৃজনৰ লগত জড়িত থাকে। এই শিল্প ৰাস্তাঘাট, বান্ধ, দলং, নলী নৰ্দমা আদিৰ নিৰ্মাণ কাৰ্যত নিযুক্ত থাকে। এই শিল্পত আন শিল্পৰ উৎপাদিত, যেনে- লোহা, চিমেণ্ট, ইটা, কাঠ আদি ব্যৱহাৰ কৰা হয় ।কাৰিকৰী আৰু ঠিকাদাৰী প্ৰতিষ্ঠানসমূহ নিৰ্মাণ শিল্পৰ কামসমূহ কৰিবৰ বাবে সংগঠিত হয়।

৪) **উৎপাদনকাৰী শিল্প** (**Manufacturing Industry**) ঃ কেঁচামাল,অৰ্ধ প্ৰস্তুত দ্ৰব্য বা প্ৰস্তুত দ্ৰব্যলৈ ৰূপান্তৰ কৰা কামত এই শিল্প নিয়োজিত হয়। এই শিল্পত মানব সমাজৰ ব্যৱহাৰৰ উপযোগী কৰিবৰ বাবে পণ্যৰ আকাৰগত উপযোগিতা সৃষ্টি কৰা হয়। গ্ৰাহকে ব্যৱহাৰ কৰা প্ৰায়বোৰ পণ্যই হৈছে উৎপাদনকাৰী শিল্পই উপাদন কৰা পণ্য ।এই শিল্পসমূহে যন্ত্ৰপাতি,সা-সজুলি আৰু অন্যান্য সা-সৰঞ্জাম আন শিল্পলৈ কেঁচামাল হিচাপে যোগান ধৰে। এনেদৰে যোগান ধৰা শিল্পসমূহক নিম্নলিখিত ধৰণেৰে শ্ৰেণীবিভাগ কৰা হয়—

(ক) বৈশ্লেষিক শিল্প (**Analytical Industry**) ঃ এই শিল্পত এটা পণ্য বিশ্লেষন কৰি একাধিক পণ্য প্ৰস্তুত দ্ৰব্য হিচাপে পোৱা যায়। খাৰুৱা তেল শোধন প্ৰক্ৰিয়াৰে শোধন কৰি আনি কেৰাচিন, পেট্ৰল, ডিজেল আদি পাওঁ।

(খ) প্ৰক্ৰিয়াকৃত শিল্প (**Processing Industry**) ঃ এই শিল্পত এটা দ্ৰব্য উৎপাদিত দ্ৰব্য হিচাপে পাবলৈ কেইবাটাও প্ৰক্ৰিয়াৰ মাজেদি পাৰ হৈ যাব লাগে। এটা প্ৰক্ৰিয়াৰ প্ৰস্তুত দ্ৰব্য পিছৰ তথা সংগ্ৰহকাৰী প্ৰক্ৰিয়াৰ বাবে ইয়াক কেঁচামাল হিচাপে ব্যৱহাৰ কৰা হয়। এইদৰে দ্ৰব্য কেইবাটাও প্ৰক্ৰিয়াৰ মাজেৰে পাৰ হৈ গৈ চূৰান্ত তথা প্ৰস্তুত দ্ৰব্য উৎপাদন হয়। কাপোৰ শিল্পৰ ক্ষেত্ৰত কপাহৰ পৰা গুটি পোচোৱা, কাপোৰ বোৱা আৰু ৰং কৰা আদি প্ৰক্ৰিয়াসমূহৰ মাজেদি পাৰ হৈ যোৱাৰ পিছতহে কপাহী কাপোৰ পোৱা যায়। চেনি-শিল্প আৰু কাগজ শিল্প এনে প্ৰক্ৰিয়াকৃত শিল্পৰ আন উদাহৰণ।

(গ) **সংশ্লেষণ শিল্প** (**Synthetic Industry**) ঃ- এই শিল্পত প্ৰস্তুত দ্ৰব্য পাবৰ বাবে উৎপাদন প্ৰক্ৰিয়াত বহুতো পণ্য কেঁচামাল হিচাপে একেলগ কৰি ব্যৱহাৰ কৰা হয়। চিমেণ্ট উৎপাদনৰ বাবে পাথৰৰ স্তুপ (rocks), জিপচাম (gypsum), কয়লা আদিৰ প্ৰয়োজন হয়। চাবোন তৈয়াৰ কৰা, প্লাষ্টিক ৰং প্ৰস্তুত কৰা আদি এই শিল্পৰ উদাহৰণ।

১.৮ বাণিজ্য আৰু ইয়াৰ উপাদানসমূহ (COMMERCE AND ITS COMPONENTS)

পণ্যৰ বিনিময়ৰ লগত বাণিজ্য জড়িত হৈ থাকে। উৎপাদন ক্ষেত্ৰৰ পৰা সৰ্বশেষত

গ্ৰাহকলৈ পণ্য হস্তান্তৰ কৰা লৈকে পণ্য দ্ৰব্যৰ লগত জড়িত সকলোবোৰ কাৰ্য্যকে বাণিজ্যই সামৰি লয়। সাধাৰণতে বাণিজ্য আৰু ব্যৱসায় তথা বেহাবেপাৰ একে অৰ্থত ব্যৱহাৰ কৰা শব্দ হিচাপে গণ্য কৰা হয় যদিও বেহা-বেপাৰ বা ব্যৱসায় কেৱলমাত্ৰ পণ্য কিনাবেচাৰ লগতহে জড়িত হয়। বাণিজ্য শব্দটো ব্যাপক অৰ্থত ব্যৱহাৰ হয়। বাণিজ্যই ব্যৱসায় আৰু ব্যৱসায়ত সহায় কৰা আন আন কাৰ্যসমূহো সামৰি লয়। বেহা-বেপাৰৰ উপৰিও বাণিজ্যই বেহা বেপাৰৰ প্ৰসাৰত সহায় কৰা আন সকলোবোৰ কাম কাজ সামৰি লয়। বেহা বেপাৰত সহায় কৰা কাৰ্যসমূহে পৰিবহন, বেংক, বীমা, গুদামঘৰ, বিজ্ঞাপন আৰু বিক্ৰী কৌশল আদি সামৰি লয়। এনে কাৰ্যসমূহৰ অবিহনে দেশৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থকা বিভিন্ন গ্ৰাহকৰ ওচৰলৈ পণ্য দ্ৰব্য সৰবৰাহ কৰিব নোৱাৰি। ইয়াৰ জড়িয়তে পণ্যদ্ৰব্য এখন ঠাইৰ পৰা আন এখন ঠাইলৈ অনা নিয়া কৰা হয়।সেয়ে বিভিন্ন কৰ্তৃত্বশীল পক্ষৰ সেৱাসমূহ যাৰ সহায়ত পণ্যৰ পৰিবহন,বিভিন্ন কাৰ্যৰ বাবে বিত্তৰ যোগান, পণ্য সংৰক্ষণৰ সা-সুবিধা প্ৰদান, পণ্যৰ বিজ্ঞাপন আৰু বিভিন্ন ক্ষয়-ক্ষতিৰ আশংকা গ্ৰহণ সহায়কেই নহয়, বাণিজ্য ৰ অগ্ৰগতি আৰু উন্নতিৰ বাবে ইহঁত অপৰিহাৰ্য তথা অতি প্ৰয়োজন। Even Thomas এ কৈছে " বাণিজ্যিক বৃত্তিয়ে পণ্যৰ কিনাবেচা, পণ্য বিনিময় আৰু প্ৰস্তুত দ্ৰব্যৰ বিতৰণ আদি ব্যৱসায়িক কাম কাজসমূহ সামৰি লয় (Commercial occupations deal with the buying and selling of goods, the exchange of commodities and the distribution of finished product)। এই সংজ্ঞাটোৱে বাণিজ্যৰ কেৱলমাত্ৰ বেহা বেপাৰ অংশটোহে সামৰি লৈছে আৰু বেহাবেপাৰত সহায় কৰা আন কাৰ্য্যসমূহ বিবেচনাৰ পৰা বাদ দিছে। বেহাবেপাৰত সহায় কৰা এই অন্যান্য কাৰ্যসমূহ অতি গুৰুত্বপূৰ্ণ। James Stephenson এ সৰ্বদিশ সামৰি বাণিজ্যৰ এটা সম্পূৰ্ণ সংজ্ঞা আগবঢ়াইছে য'ত বেহা বেপাৰ আৰু ইয়াৰ সহায়কাৰী সেৱাসমূহ অন্তৰ্ভুক্ত কৰিছে।

'উৎপাদনকাৰী আৰু গ্ৰাহকৰ মাজত থকা বাধাসমূহ আঁতৰোৱাত সহায় কৰা সকলোবোৰ প্ৰক্ৰিয়াক বাণিজ্যই সামৰি লয়। ই হৈছে ব্যক্তিৰ মাজত (বেহা বেপাৰ), ঠাইৰ মাজত (পৰিবহন আৰু বীমা) আৰু সময়ৰ মাজত (গুদামঘৰ) আৰু পণ্যৰ বিনিময়ৰ (বেংক) মাজত থকা বাধা সমূহ আঁতৰাবৰ বাবে নিয়োগ কৰা প্ৰক্ৰিয়া সমূহৰ মুঠ যোগফল (Commerce embraces all those processes, which help to break the barriers between producers and consumers. It is the sum total of those processes, which are engaged in the romoval of hindrance of persons (trade), place (transport and insurance). and time (warehousing) in the exchange (banking) of commodities.] "

সেয়ে উৎপাদনকাৰী আৰু গ্ৰাহকৰ মাজত সম্বন্ধ সৃষ্টি কৰা কাৰ্যসমূহকে আমি বাণিজ্য বুলি ক'ব পাৰো।

বাণিজ্যৰ উপাদনসমূহ (Components of Commerce) ঃ

বাণিজ্যৰ উপাদানসমূহ দুই ধৰণৰ—

(ক) বেহাবেপাৰ বা ব্যৱসায় (Trade) , আৰু

(খ) বেহা বেপাৰত সহায়কাৰী কাৰ্যসমূহ (Aids to trade)।

(ক) বেহাবেপাৰ বা ব্যৱসায় (Trade) ঃ বেহা বেপাৰ হৈছে পণ্য উৎপাদনৰ উৎস বা উৎ পাদন স্থলৰ পৰা গ্ৰাহকৰ ওচৰলৈ অনা এক প্ৰক্ৰিয়া। উৎপাদনকাৰীসকল গ্ৰাহকৰ ওচৰলৈ পোনেপোনে আহিব নোৱাৰে। ইয়াৰ বাবে উৎপাদনকাৰীৰ পৰা পণ্য গ্ৰাহকৰ ওচৰলৈ প্ৰেৰণ কৰিবৰ বাবে কিছুমান সংযোগকাৰীৰ প্ৰয়োজন হয়। পণ্যৰ বিনিময়ত সহায় কৰা প্ৰণালীকে বেহাবেপাৰ বোলা হয়। বেহা বেপাৰক নিম্নলিখিত ধৰণেৰে শ্ৰেণীবিভাগ কৰা হয়—

(১) আভ্যন্তৰীণ বেহা বেপাৰ (Internal Trade) ,

(২) বাহ্যিক বেহা বেপাৰ (External Trade) আৰু

(৩) পাইকাৰী আৰু খুচুৰা ব্যৱসায় (Wholesale and Retail Trade)।

(১) আভ্যন্তৰীণ বেহা-বেপাৰ (Internal Trade or Home Trade) ঃ

দেশৰ ভিতৰতে পণ্য কিনা বেচা কৰাকে আভ্যান্তৰীণ ব্যৱসায় বোলা হয়। দেশৰ চাৰিসীমাৰ ভিতৰত পণ্য যিকোনো ঠাইলৈকে নিব পৰা যায়। আভ্যন্তৰীণ ব্যৱসায় নিম্নলিখিত ধৰণেৰে ভাগ কৰিব পাৰি।

- **স্থানীয় ব্যৱসায় (Local Trade)** ঃ যেতিয়া পণ্যৰ চাহিদা কেনো এঠাইতে সীমাবদ্ধ হৈ থাকে তেতিয়া তাক স্থানীয় ব্যৱসায় বোলা হয়। স্থানীয় গ্ৰাহকৰ চাহিদা অনুসৰি পণ্য উৎপাদন কৰা হয়। ইয়াত প্ৰস্তুতকাৰী আৰু গ্ৰাহক একে ঠাইৰে হয়। স্থানীয় বজাৰত ব্যৱসায় কৰা পণ্যসমূহ সাধাৰণতে দৈনন্দিন ব্যৱহাৰ কৰা আৰু পচনশীল জাতীয় হয়। এনে পণ্যসমূহ হৈছে শাক পাছলি, গাখীৰ, ৰুটি, ইত্যাদি।
- **আঞ্চলিক বা প্ৰাদেশিক ব্যৱসায় (Provincial or State Trade)**ঃ এনে ব্যৱসায়ত স্থায়ী প্ৰকৃতিৰ পণ্যৰ বেপাৰ কৰা হয় আৰু এই পণ্যসমূহ গোটেই ৰাজ্য বা অঞ্চলসমূহলৈ প্ৰেৰণ কৰা হয়। ৰাজ্যিক চাৰিসীমাৰ ভিতৰতে এনে ব্যৱসায় সীমাবদ্ধ হৈ থাকে। ৰাজ্যৰ বাহিৰত এনে পণ্য বিক্ৰী কৰাৰ ক্ষেত্ৰত কেতিয়াবা চৰকাৰে কিছুমান সীমাবদ্ধতা আৰোপ কৰে।

  কেতিয়াবা ৰাজ্যৰ বিশেষ অঞ্চলৰ প্ৰয়োজন, আ ৱ্যশ্যকতা বা প্ৰথা অনুসৰি পণ্য উৎপাদন কৰা হয় আৰু প্ৰয়োজন পূৰণৰ পিছত অতিৰিক্ত পণ্যখিনি ৰাজ্যৰ চাৰি সীমাৰ বাহিৰত বিক্ৰী কৰা হয়।
- **আন্তঃ ৰাজ্যিক ব্যৱসায় (Inter-State Trade)** ঃ দেশৰ ৰাজনৈতিক চাৰিসীমাৰ ভিতৰত গোটেই দেশজুৰি চলোৱা ব্যৱসায়কে আন্ত ঃ ৰাজ্যিক ব্যৱসায় বোলা হয়। এই ব্যৱসায়ত ব্যৱহাৰ কৰা পণ্যসমূহ বেছি দিনলৈ থকা অৰ্থ্যাৎ দীৰ্ঘ স্থায়ী (durable) প্ৰকৃতিৰ হয় আৰু এনে পণ্যক দীৰ্ঘ দিনৰ বাবে মজুত কৰিব পৰা যায়। এনে পণ্যৰ উৎপাদন বৃহৎ পৰিমাণৰ ভিত্তিত কৰা হয় আৰু সিহঁতক দেশৰ সকলো অংশলৈকে পঠোৱা হয়। বিভিন্ন

প্ৰকাৰৰ বোৱা কাপোৰ, কেৰাচিন, পেট্ৰ'ল, লোহা, তীখা আদি আন্ত ঃ ৰাজ্যিক ভিত্তিত ব্যৱসায় কৰা হয়।

(২) **বাহ্যিক বা বৈদেশীক বেহা-বেপাৰ (External Trade or Foreign Trade)**ঃ দুখন দেশৰ ভিতৰত সংঘটিত কৰা ব্যৱসায়কে বৈদেশীক বাণিজ্য বোলা হয়। বৈদেশীক বাণিজ্যত দুখন দেশ জড়িত হয় । স্থান, কাল, বিপদ আশংকা আদি প্ৰতিবন্ধকসমূহ বিভিন্ন কৰ্তৃপক্ষৰ সহায়ত অতিক্ৰম কৰা হয়। বাহ্যিক ব্যৱসায়ত সাধাৰণতে সংশিষ্ট কৰ্তৃপক্ষৰ সহায়ত অতিক্ৰম কৰা হয়। বাহ্যিক ব্যৱসায়ত সাধাৰণতে সংশ্লিষ্ট কৰ্তৃপক্ষ সমূহৰ পৰা অনুমতি লোৱাৰ প্ৰয়োজন হয়। বাহ্যিক ব্যৱসায় আমদানি ব্যৱসায় বা ৰপ্তানি ব্যৱসায় হ'ব পাৰে। বাহিৰৰ দেশৰ পৰা পণ্য কিনিলে ইয়াক আমদানি ব্যৱসায় বোলা হয়। আনহাতে যেতিয়া আন দেশলৈ নিজৰ দেশৰ পণ্য বিক্ৰী কৰি পঠোৱা হয় তাক ৰপ্তানি ব্যৱসায় বোলা হয়।

(৩) **পাইকাৰী আৰু খুচুৰা বেহা-বেপাৰ (Wholesale and Retail Trade)**ঃ পাইকাৰী ব্যৱসায়ত পণ্যসমূহ সৰহ পৰিমাণত ক্ৰয় কৰা হয় আৰু উক্ত পণ্য খুচুৰা ব্যৱসায়ীক বিক্ৰী কৰা হয়। উৎপাদানকাৰী আৰু পাইকাৰী ব্যৱসায়ীৰ লগত গ্ৰাহকৰ সাধাৰণতে পোনপটীয়া সম্বন্ধ নাথাকে।

খুচুৰা ব্যৱসায় অৱশেষত গ্ৰাহকক পণ্য বিক্ৰী কৰাৰ লগত জড়িত হয়। গ্ৰাহকক কম পৰিমাণৰ পণ্য বিক্ৰী কৰা হয়। খুচুৰা ব্যৱসায়ীয়ে পাইকাৰী ব্যৱসায়ীৰ পৰা পণ্য কিনে আৰু গ্ৰাহকক সেই পণ্য বিক্ৰী কৰে। তেওঁ গ্ৰাহক আৰু পাইকাৰী ব্যৱসায়ীৰ মাজত যোগসুত্ৰ স্থাপন কৰে।

(ক) **বেহা-বেপাৰত সহায়কাৰী কাৰ্যসমূহ (Aids to Trade)** ঃ পণ্য বিনিময় কৰোতে বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হ'ব লগাত পৰে। এই সমস্যাসমূহ হৈছে উৎপাদনকাৰীৰ পৰা গ্ৰাহক ৰ ওচৰলৈ পণ্য প্ৰেৰণ কৰোতে হোৱা পৰিবহন ব্যৱস্থা, ব্যৱসায়িক লেনদেনত কৰিবলগীয়া বিত্তৰ যোগান, বিনিময়ৰ লগত জড়িত সমস্যা, পথত হোৱা লোকচানৰ পৰিমাণ সামৰিবৰ বাবে কৰিব লগীয়া বীমা আৰু পণ্যসমূহৰ সংৰক্ষণ কৰাৰ ব্যৱস্থা। এই সকলোবোৰ প্ৰতিবন্ধক বিভিন্ন কৰ্তৃপক্ষৰ সহায়ত অতিক্ৰম কৰিব পাৰি। এই সাহায্য সমূহকে ব্যৱসায়লৈ সাহায্য (Aids to Trade) বোলা হয়। সুষম ব্যৱসায়ৰ বাটত থকা প্ৰতিবন্ধক সমূহ স্থান ব্যক্তি, বিত্ত, সময়, জ্ঞান আৰু বিপদ আশংকালৈ জড়িত।

(খ) **স্থানৰ প্ৰতিবন্ধক (পৰিবহন) (Hindrance of Place) (Transport)** ঃ পণ্য যি ঠাইত উৎপাদন কৰা হয় সেই ঠাইত হয়তো উক্ত পণ্যৰ চাহিদা কম হ'ব পাৰে। এই উৎপাদিত পণ্যসমূহ ভোক্তাৰ ওচৰলৈ লৈ যাব লাগে। পৰিবহনৰ সুবিধাসমূহৰ সহায়ত আমি পণ্যৰ স্থানগত উপযোগিতা (place utility) সৃষ্টি কৰিব পাৰো। যি ঠাইত পণ্যৰ চাহিদা বেছি সেই ঠাইলৈ পণ্যসমূহ পঠোৱা হয়। স্থানগত উপযোগিতাই উৎপাদনকাৰীক উৎপাদন বৃদ্ধি কৰিবলৈ আৰু লাভজনক মূল্য অৰ্জন কৰিবলৈ সুবিধা দিয়ে। গ্ৰাহকসকলেও

পৰিবহনৰ যোগেদি তেওঁলোকে বিচৰা পণ্যসমূহ সহজতে পাব পাৰে। ইয়াৰ অবিহনে তেনে পণ্য তেওঁলোকৰ ওচৰ নাপালেহেঁতেন। পৰিবহনৰ বিভিন্ন ব্যৱস্থা যেনে পথ, ৰেল, সাগৰ , আকাশ আদিয়েও বাণিজ্য আৰু শিল্পৰ উন্নতিত অৰিহণা যোগায়। উৎপাদনকাৰীয়ে চাহিদা থকা পণ্য যিকোনো পৰিমাণৰ উৎপাদন কৰিব পাৰে। গ্ৰাহকৰ বাবে উপযোগী হ'লে বা গ্ৰাহকৰ পছন্দ হ'লে তেনে পণ্যৰ চাহিদা থাকে ।

(গ) **ব্যক্তিৰ প্ৰতিবন্ধক (বিতৰণ) (Hindrance of Persons)(Distribution)**ঃ পণ্য প্ৰস্তুত কৰা উৎপাদনকাৰীৰ লগত গ্ৰাহকৰ পোনপটীয়া সম্বন্ধ স্থাপন কৰিবৰ বাবে সক্ষম নহ'বও পাৰে। উৎপাদনকাৰী গ্ৰাহকৰ ওচৰলৈ প্ৰত্যক্ষ ভাৱে অহা সম্ভৱ নহ'বও পাৰে। আজিৰ পৃথিৱীত গ্ৰাহকৰ সংখ্যা অসংখ্য আৰু গ্ৰাহকসকলক চিনি পোৱাটোও উৎপাদনকাৰীৰ বাবে সম্ভৱ নহয় । সেয়ে উৎপাদনকাৰী আৰু গ্ৰাহকৰ মাজত মধ্যস্থতাকাৰীৰ প্ৰয়োজন। মধ্যস্থতাকাৰী লোকসকলে উৎপাদনকাৰীৰ পৰা পণ্য কিনে আৰু পণ্যসমূহ গ্ৰাহকৰ ওচৰলৈ লৈ যায়। এই ক্ষেত্ৰত দুয়োটা পক্ষই পণ্য বিক্ৰীৰ বাবে চিন্তিত হোৱাৰ পৰা ৰেহাই পায়। পাইকাৰী ব্যৱসায়ী, খুচুৰা ব্যৱসায়ী, দালাল, প্ৰতিনিধি আদি শ্ৰেণীয়ে উৎপাদনকাৰী আৰু গ্ৰাহকৰ মাজত যোগসুত্ৰ স্থাপন কৰি ব্যক্তিৰ প্ৰতিবন্ধকতা দূৰ কৰে।

(ঘ) **বিত্তৰ প্ৰতিবন্ধক (বেংকিং) (Hindrance of Finance) (Banking)** ঃ পণ্য উৎপাদন কৰাৰ পৰা পণ্য বিক্ৰী কৰালৈকে সময়ৰ যথেষ্ট ব্যৱধান থাকে। ব্যৱসায়ীয়ে উৎপাদনকাৰীৰ পৰা পণ্য কিনে আৰু পিছত গ্ৰাহকৰ ওচৰত বিক্ৰী কৰে। বিক্ৰী কাৰ্য সম্পন্ন হোৱাৰ পিছত ধন সংগ্ৰহ কৰোঁতে কিছু সময় লাগে। এই ক্ষেত্ৰত বিত্ত সংক্ৰান্তীয় ব্যৱসায়ৰ কামকাজৰ প্ৰয়োজন হয়। বাণিজ্যিক বেংক সমূহে অধিবিকৰ্ষ (overdraft), ঋণ (loan) বা নগদ ঋণ (cash credit) আদিৰ আকাৰত ধন আগবঢ়াই ব্যৱসায়ীসকলক সহায় কৰে। ব্যৱসায় কৰা পক্ষ দুটাই পৰস্পৰক চিনি নোপোৱা বৈদেশীক বাণিজ্যৰ ক্ষেত্ৰতো বেংকে এক অতি গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। ব্যৱসায়ীসকলে পণ্যৰ লগত জড়িত থকা দলিলসমূহ বেংকৰ যোগেদি ক্ৰেতালৈ পঠাই দিয়ে আৰু উক্ত দলিলত উল্লেখ থকা ধনসমূহ সংগ্ৰহ কৰাৰ পিছত বেংকে দলিলসমূহ ক্ৰেতাপক্ষক হস্তান্তৰ কৰে। সেয়ে বেংকে বিত্তীয় সমস্যাসমূহৰ বাধা অতিক্ৰম কৰাত ব্যৱসায়ীসকলক সহায় কৰে।

(ঙ) **সময়ৰ প্ৰতিবন্ধক (পণ্যগাৰত ৰখা কাম)** (Hindrance of Time) (Warehousing)ঃ পণ্যৰ চাহিদা আশা কৰি উৎপাদনকাৰীয়ে পণ্যসমূহ উৎপাদন কৰে। এই পণ্যসমূহ এনে এটা সময়ত উৎপাদন কৰা হয়, যেতিয়া হয়তো সেইবোৰ গ্ৰাহকে নিবিচাৰিব পাৰে। সেয়ে উৎপাদিত পণ্যসমূহ গ্ৰাহকে ভোগ কৰা সময়লৈকে সংৰক্ষণ কৰি ৰখাৰ প্ৰয়োজন হয়। সময়ৰ প্ৰতিবন্ধক পণ্যাগাৰ তথা গুদামঘৰৰ সহায়ত অতিক্ৰম কৰা হয়। বৈদেশীক বাণিজ্যত পণ্যাগাৰৰ প্ৰয়োজন অতি বেছি । কিয়নো তেনে বাণিজ্যত উৎপাদন আৰু ভোগৰ

মাজত সময়ৰ ব্যৱধান বহু বেছি । কৃষিজাত পণ্যসমূহ ঋতু অনুযায়ী উৎপন্ন হয়, কিন্তু এনে পণ্য সমূহ গোটেই বছৰ জুৰি প্ৰয়োজন তথা ভোগ কৰা হয় । সেয়ে পণ্যসমূহ গুদাম তথা ভঁৰালত সংৰক্ষণ কৰাৰ প্ৰয়োজন হয় যাতে সিঁহতক চাহিদা অনুসৰি যোগান ধৰিব পৰা যায় ।

(চ) **জ্ঞানৰ প্ৰতিবন্ধক (বিজ্ঞাপন আৰু বিক্ৰী কৌশল) (Hindrance of Knowledge) (Advertisement and Salesmanship)** ঃ বজাৰত বিভিন্ন পণ্যৰ অৱস্থিতিৰ বিষয়ে গ্ৰাহকসকল অৱগত নহ'বও পাৰে। পণ্যৰ বিষয়ে তথ্যৰ অভাৱে গ্ৰাহকক পণ্য কিনাত বহু পৰিমাণে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। উৎপাদনকাৰীয়ে তেওঁৰ গ্ৰাহকৰ সংখ্যা বৃদ্ধি কৰিবলৈ ইচ্ছা কৰে। বিজ্ঞাপন আৰু বিক্ৰী কৌশলে বজাৰৰ বিভিন্ন পণ্যৰ উপস্থিতি আৰু সিহঁতৰ উপকাৰিতাৰ বিষয়ে তথ্যৰ সন্ধান গ্ৰাহকক দি সহায় কৰে।

(ছ) **ক্ষয় ক্ষতিৰ সম্ভাৱনাৰ প্ৰতিবন্ধক (বীমা) (Hindrance of Risk) (Insurance)** ঃ এঠাইৰ পৰা আন ঠাইলৈ পণ্য পঠাওঁতে ক্ষয় ক্ষতিৰ সম্ভাৱনা থাকে । পণ্য জুয়ে পুৰিলে বা চুৰি হ'লে ক্ষতি হ'ব পাৰে। যিকোনো কাৰণত পণ্যৰ ওপৰত হ'ব পৰা লোকচানে ব্যৱসায়ৰ উন্নতিত প্ৰতিবন্ধকতা সৃষ্টি কৰে। বীমা কোম্পানীসমূহে পণ্যৰ সকলো প্ৰকাৰৰ লোকচান সামৰি লোৱাৰ ব্যৱস্থা আগবঢ়ায়। বীমাই সামৰা ক্ষয় ক্ষতিৰ সম্ভাৱনাই জাতীয় তথা দেশীয় ব্যৱসায়তে নহয় ই আন্তৰ্জাতিক ব্যৱসায়তো উদ্‌গনি যোগায় ।

(জ) **তথ্যৰ প্ৰতি বন্ধক (যোগাযোগ) (Hindrance of Information) (Communication)** ঃ পাইকাৰী আৰু খুচুৰা স্তৰত ক্ৰেতা আৰু বিক্ৰেতাই তেওঁলোকৰ মাজত তেওঁলোকৰ সংবাদসমূহৰ আদান প্ৰদান কৰিবলৈ বিভিন্ন কৰ্তৃপক্ষৰ সেৱাৰ সহায় লোৱাৰ প্ৰয়োজন হয়। উৎপাদনকাৰীয়ে তেওঁলোকৰ গ্ৰাহকক তেওঁলোকে উৎপাদন কৰা পণ্যৰ বিষয়ে জনায়। পণ্য কিনিবলৈ বিচৰা ক্ৰেতাই উৎপাদনকাৰীলৈ পণ্যৰ যোগান ধৰিবলৈ ফৰমাইচ দিয়ে। ডাকঘৰ, টেলিফোন, টেলিগ্ৰাফ, টেলেক্স আদিৰ সেৱা ব্যৱসায়ৰ লগত জড়িত বিভিন্ন ব্যক্তিৰ মাজত যোগাযোগৰ উদ্দেশ্যে সদ্ব্যৱহাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ প্ৰতিটো প্ৰশ্নৰ লগত থকা উত্তৰসমূহৰ পৰা শুদ্ধ উত্তৰ বাছি উলিয়াওক।

(১) ব্যৱসায় হৈছে এক কাৰ্য, ইয়াক হাতত লোৱা হয়

(ক) লাভৰ বাবে

(খ) অধিক পণ্য উৎপাদন কৰিবৰ বাবে

(গ) সামাজিক সেৱা আগবঢ়াবৰ বাবে।

(২) পণ্য উৎপাদনৰ লগত জড়িত শিল্পসমূহক বোলা হয়

(ক) নিষ্কৰ্ষী শিল্প

(খ) প্ৰাথমিক তথা মৌলিক শিল্প

(গ) পণ্য উৎপাদনকাৰী শিল্প।

(৩) বাণিজ্য বুলিলে বুজায়

(ক) পণ্য উৎপাদন (খ) পণ্য বিনিময় (গ) সেৱা প্ৰদান ।

১.৯ ব্যৱসায় আৰম্ভ কৰোঁতে বিবেচনাত ল'বলগীয়া কাৰকসমূহ (FACTORS TO BE CONSIDERED FOR STARTING A BUSINESS)

ব্যৱসায় আৰম্ভ কৰাৰ আগতে নিম্নলিখিত কাৰকসমূহ বিবেচনাত ল'ব লাগে।

১) কেঁচামালৰ প্ৰাপ্যতা (Availability of raw-materials)

২) পৰিবহনৰ সুবিধা (Transportation facilities)

৩) যোগাযোগৰ সুবিধা (Communication facilities)

৪) বিত্ত যোগানৰ সুবিধা (Financing facilities)

৫) বীমাৰ সুবিধা (Insurance facilities)

৬) পণ্যাগাৰৰ সুবিধা (Warehousing facilities)

৭) বজাৰকৰণৰ সুবিধা (Marketing facilities)

এই কাৰকসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

১) **কেঁচামালৰ প্ৰাপ্যতা (Availibility of raw-materials)** ঃ ব্যৱসায় আৰম্ভ কৰাৰ প্ৰথম আৰু প্ৰধান প্ৰয়োজনীয় বিষয় হৈছে ব্যৱসায়ে উৎপাদন তথা প্ৰস্তুত কৰা বিশেষ দ্ৰব্যৰ বাবে ব্যৱহাৰ কৰা কেঁচামালৰ প্ৰাপ্যতা। যদি ব্যৱসায়টোৱে পণ্য কিনাবেচা কাৰবাৰ কৰে তেনেহ'লে যিবিলাক পণ্য ব্যৱসায়টোৱে কিনাবেচা কৰিব সেইবোৰ সহজে পাব পৰা হ'ব লাগে ।

২) **পৰিবহনৰ সুবিধা (Transportation facilities)** ঃ পৰিবহনৰ সুবিধা নাথাকিলে কোনো ব্যৱসায়ে উন্নতি কৰিব নোৱাৰে। সেয়ে ব্যৱসায়টোৰ পণ্য সংগ্ৰহ আৰু বিতৰণৰ ক্ষেত্ৰত উপলব্ধ হোৱা পৰিবহনৰ সুবিধাসমূহ যথাযথ হ'ব নে নহয় সেই বিষয়ে নিশ্চিত হ'ব লাগে। পৰিবহনৰ সুবিধাই পথ, ৰেল, জল আৰু আকাশী পৰিবহনসমূহ সামৰি লয় আৰু ইহঁতে ব্যৱসায় শক্তিশালী কৰে।

৩) **যোগাযোগৰ সুবিধা (Communication facilities)** ঃ ব্যৱসায়ৰ ক্ষেত্ৰত ব্যৱসায়ৰ লগত জড়িত বিভিন্ন ব্যক্তি তথা পক্ষৰ লগত অবিৰাম কৰণীয় কাম আৰু যথাযথ সম্পৰ্ক ৰাখিব লাগে। ইয়াৰ অৰ্থ হৈছে যি ঠাইত ব্যৱসায়টো স্থাপন কৰা হৈছে তাত ডাক

আৰু তাঁৰ সেৱা উপলব্ধ হ'ব লাগে। পণ্যৰ বাবে ফৰমাইচ দিওঁতে, ব্যৱসায়িক লেনদেনৰ বিষয়ে আলোচনা কৰোঁতে, অভিযোগ আদি দাখিল কৰিবৰ বাবে,ধন পৰিশোধ কৰোঁতে আৰু পৰামৰ্শ আদি আগবঢ়াওঁতে যোগাযোগ ব্যৱস্থাৰ অতি প্ৰয়োজন।

৪) **বিত্ত যোগানৰ সুবিধা (Financing facilities)** ঃ বিত্তক ব্যৱসায়ৰ জীৱনী শক্তিৰ উৎস বুলি কোৱা হয়। ব্যৱসায় আৰম্ভ কৰোঁতে, চলাই থাকোঁতে আৰু ইয়াৰ পৰিসৰ বৃদ্ধি কৰোঁতে বিত্তৰ প্ৰয়োজন হয়। ব্যৱসায় অবিৰামভাৱে চলাই থকা আৰু ইয়াৰ উন্নতিৰ বাবে বেংক আৰু বিত্ত যোগানৰ সুবিধাসমূহ সহজে পাব পৰা হ'ব লাগে।

৫) **বীমাৰ সুবিধা (Insurance facilities)** ঃ ভৱিষ্যত সদায়ে অনিশ্চিত। সেয়ে ব্যৱসায়ত দুৰ্ঘটনা, অনিষ্ট, ক্ষতি, জুয়েপোৱা, আনকি ব্যৱসায়ীজনৰ মৃত্যু হোৱাৰো আশংকা থাকে। উক্ত অঘটনসমূহৰ বাবে হোৱা লোকচানসমূহে ব্যৱসাটোক গ্ৰাস কৰি পেলায়। সেয়ে ব্যৱসায় আৰম্ভ কৰা ঠাইত জীৱন, অগ্নি আৰু দুৰ্ঘটনা বীমা আদিৰ উপযুক্ত সুবিধা থাকিব লাগে।

৬) **পণ্যাগাৰৰ সুবিধা (Warehousing facilities)**ঃ পণ্য উৎপাদন কৰা প্ৰতিষ্ঠানৰ ক্ষেত্ৰত পণ্য উৎপাদন কৰা আৰু সেই পণ্য বিক্ৰী কৰাৰ মাজত এটা সময়ৰ ব্যৱধান থাকে। পণ্য বেচাকিনা কৰা ব্যৱসায়ৰ ক্ষেত্ৰতো পণ্য কিনা আৰু বেচাৰ মাজতো এটা সময়ৰ ব্যৱধান থাকে। পণ্যৰ বিক্ৰী আৰু পণ্যৰ সঠিক সংৰক্ষণৰ বাবে পণ্যাগাৰৰ যথেষ্ট সুবিধা থাকিব লাগে।

৭) **পণ্যৰ বজাৰকৰণৰ সুবিধা (Marketing facilities)** ঃ ব্যৱসায়িক কামকাজৰ শেষ পৰ্যায়ৰ কাম হৈছে পণ্য বিক্ৰী কৰা। পণ্য বিক্ৰী নহ'লে লাভ ন'হব। পণ্য বিক্ৰী নহ'লে ব্যৱসায় জীয়াই থাকিব নোৱাৰে। সেয়ে ব্যৱসায়ীয়ে পণ্য বজাৰত বেচা কিনা কৰিব পৰা সম্ভাৱনীয়তা বিবেচনাত ল'ব লাগে।

ওপৰত উল্লেখ কৰা কাৰক সমূহৰ উপৰিও কিছুমান ব্যক্তিগত কাৰক যেনে ব্যক্তিগত যোগ্যতা, পৰিস্থিতিৰ প্ৰয়োজনসমূহ, বিত্তীয় সুস্থতা, প্ৰচলিত পথা, সংস্কৃতি আদিয়েও ব্যৱসায় আৰম্ভ কৰোঁতে গুৰুত্বপূৰ্ণ ভূমিকা লয়।

১.১০ বিত্তৰ উৎস (SOURCES OF FINANCE)

নিজাকৈ ব্যৱসায় আৰম্ভ কৰাৰ সুযোগ বিচাৰি থকা উদ্যমীসকলে মুখামুখী হ'বলগীয়া হোৱা বৃহৎ প্ৰত্যাহ্বান এটা হ'ল পুঁজি। বিত্ত অবিহনে কোটিটকীয়া ব্যৱসায় পৰিকল্পনা এটাক বাস্তৱ ৰূপ দিব পৰা নাযায়। পৰ্যাপ্ত বিত্ত অবিহনে কোনোৱেই ব্যৱসায় এটা আৰম্ভ কৰিব অথবা আগবঢ়াই নিব নোৱাৰে। অৰ্থাৎ, ব্যৱসায় এটা আৰম্ভ কৰিবলৈ, পৰিচালনা কৰিবলৈ, আধুনিকীকৰণ

ঘটাবলৈ আৰু সম্প্ৰসাৰিত কৰিবলৈ বিত্তৰ প্ৰয়োজন। ব্যৱসায়িক প্ৰতিষ্ঠানবোৰক বিভিন্ন উদ্দেশ্যত বিত্তৰ প্ৰয়োজন হয়। ব্যৱহাৰৰ প্ৰকৃতি আৰু উদ্দেশ্য অনুসৰি বিত্তক তিনিটা ভাগত ভগাব পাৰি-

- **দীৰ্ঘম্যাদী বিত্ত** (Long Term Finance) ঃ কোনো ব্যৱসায়ত এক দীঘলীয়া সময়ৰ বাবে বিনিয়োগ কৰাৰ আৱশ্যকতা থকা (ধৰা হ'ল পাঁচ বছৰতকৈ অধিক সময়) বিত্তক দীৰ্ঘম্যাদী বিত্ত অথবা স্থিৰ মূলধন বোলে। ভূমি, ভৱন, প্ৰকল্প আৰু যন্ত্ৰ-পাতিৰ দৰে স্থিৰ সম্পদ আহৰণ কৰিবলৈ এনে বিত্ত ব্যৱহাৰ কৰা হয়।
- **মধ্যম্যাদী বিত্ত** (Medium Term Finance) ঃ ব্যৱসায় প্ৰতিষ্ঠানবোৰক প্ৰায়েই এবছৰতকৈ দীঘলীয়া কিন্তু পাঁচ বছৰত অথবা তাতোকৈ কম সময়ৰ বাবে মধ্যম্যাদী বিত্তৰ প্ৰয়োজন হয়। এই ধন প্ৰকল্প তথা যন্ত্ৰ-পাতিৰ আধুনিকীকৰণ, নতুন সামগ্ৰী প্ৰস্তুতকৰণ, উৎপাদন অথবা সামগ্ৰী বিতৰণৰ নতুন পদ্ধতিৰ প্ৰচলন অথবা বিজ্ঞাপন অভিযান আদিৰ কামত ব্যৱহাৰ হ'ব পাৰে।
- **হ্ৰস্বম্যাদী বিত্ত** (Short Term Finance) ঃ প্ৰায় এবছৰীয়া চুটি সময় এছোৱাৰ বাবে এনে বিত্তৰ প্ৰয়োজন হয়। দৈনন্দিন প্ৰয়োজন পূৰাবলৈ এনে ধনৰ প্ৰয়োজন হয়। হ্ৰস্বম্যাদী বিত্তক কাৰ্যকাৰী মূলধন (working capital), হ্ৰস্বম্যাদী মূলধন (short term capital) অথবা পৰিসঞ্চাৰিত মূলধন (circulating capital) বুলিও কোৱা হয়।

ব্যৱসায় আৰম্ভ কৰাত সহায় কৰা বিত্ত উৎসসমূহ

উদ্যমী অথবা ব্যৱসায়ীক সহায় কৰা বিত্ত উৎসসমূহক দুটা বহল ভাগত ভগাব পাৰি- বাহ্যিক বিত্তীয় সহায় (external funding) আৰু গৰাকীৰ ইকুইটি (owner's equity)। উদ্যমিতাকেন্দ্ৰিক বাহ্যিক বিত্তীয় সহায়ৰ এক বুজন অংশ আহে ঋণৰ পৰা। গৰাকীৰ ইকুইটি মানে হ'ল উদ্যমীয়ে ব্যৱসায়ত ব্যৱহাৰ কৰিবলৈ নিজৰ ধনেৰে গঢ়ি তোলা পুঁজি। অৱশ্যে ব্যৱসায়ীয়ে নিজৰ জমাধন উলিয়াই দিয়ে বাবে বহুসময়ত এই উৎসটোক বিপদপূৰ্ণ বুলি গণ্য কৰা হয়। ক্ষুদ্ৰ ব্যৱসায় অথবা 'ষ্টাৰ্ট-আপ'বোৰৰ বাবে থকা বিত্ত উৎসবোৰক দুটা ভাগত ভগাব পাৰি- ইকুইটি বিত্তপোষণ (equity financing) আৰু ঋণ বিত্তপোষণ (debt financing)। বিত্তপোষণ ব্যৱসায়ৰ দুটামান সাধাৰণ উৎস হ'ল-

১) **ব্যক্তিগত বিনিয়োগ অথবা ব্যক্তিগত সঞ্চয়** (Personal Investment or Personal Savings) ঃ ব্যৱসায় এটা আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় পুঁজি গোটোৱাৰ প্ৰথম উৎসটো হ'ল ব্যৱসায়ীৰ নিজৰ পুঁজি। এই পুঁজি নগদ ধন অথবা সম্পত্তিৰ বন্ধকী শপতনামাৰ বিপৰীতে সংগ্ৰহ কৰা ধন (collateral of assets) হ'ব পাৰে।

২) **পৰিয়াল আৰু বন্ধুবৰ্গৰ সহায়** (Family and Friends) ঃ ব্যৱসায়ীয়ে নিজ পৰিয়ালৰ সদস্য আৰু বন্ধুমহলৰ পৰাও ব্যৱসায়ৰ বাবে ধন সংগ্ৰহ কৰিব পাৰে। এনে উৎস যিহেতু বৃত্তিজীৰি বিনিয়োগকাৰী নহয়, সেয়েহে এনে উৎসৰ পৰা তৎক্ষণাত আৰু কমখৰছী উপায়েৰে ধন সংগ্ৰহ কৰিব পৰা যায়।

৩) **উদ্যম পুঁজি** (Venture Capital) ঃ ব্যৱসায় আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় ধন সংগ্ৰহ

কৰাৰ আন এক উৎস হ'ল উদ্যম পুঁজি। অৱশ্যে এই পুঁজি সকলো উদ্যমী ব্যৱসায়ীৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়। প্ৰযুক্তিবিদ্যাকেন্দ্ৰিক ব্যৱসায় আৰু তথ্য-প্ৰযুক্তিৰ দৰে উচ্চহাৰৰ বিকাশৰ সম্ভাৱনা বহনকাৰী কোম্পানীবোৰ থকা খণ্ডতহে এই উৎসৰ পৰা ধন সংগ্ৰহ কৰা হয়।

৪) **দূত/অনানুষ্ঠানিক বিনিয়োগকাৰী অথবা ব্যৱসায়িক দূত** (Angel Investors/Business Angels)ঃ এনে বিনিয়োগকাৰীয়ে 'ষ্টাৰ্ট-আপ' ব্যৱসায়বোৰত, সাধাৰণতে এনে ব্যৱসায়ৰ প্ৰাৰম্ভিক পৰ্যায়ত ব্যক্তিগত পুঁজি বিনিয়োগ কৰে।

৫) **ব্যৱসায় ইনকিউবেট'ৰ** (Business Incubators) ঃ ব্যৱসায় ইনকিউবেট'ৰ অথবা ত্বৰান্বিতকাৰীসকলে সাধাৰণতে উচ্চ-প্ৰযুক্তি খণ্ডত মনোনিৱেশ কৰে। এনে বিনিয়োগকাৰীয়ে খণ্ডটোত আত্মপ্ৰকাশ কৰা নতুন ব্যৱসায়বোৰক বিকাশৰ বিভিন্ন পৰ্যায়ত প্ৰয়োজন হোৱা বিত্তীয় সাহায্য আগবঢ়ায়।

৬) **জন-সহযোগিতামূলক পুঁজি** (Crowdfunding) ঃ আধুনিক প্ৰযুক্তিবিদ্যাই মানুহক বিভিন্ন সামাজিক মাধ্যম মঞ্চত নিজৰ সমস্যা ভাগ-বাটোৱাৰ কৰাৰ সুযোগ দিছে। জন-সহযোগিতামূলক সামাজিক মাধ্যম মঞ্চবোৰে মানুহক ব্যৱসায়িক চিন্তা অথবা প্ৰত্যাহ্বানবোৰৰ বিষয়ে বিনিয়োগকাৰী সম্প্ৰদায় নাইবা সহায় কৰিবলৈ ইচ্ছুক ব্যক্তিৰ আগত সদৰি কৰাৰ সুযোগ দিয়ে।

৭) **চৰকাৰৰ সহায়** (Assistance of Government) ঃ চৰকাৰী এজেন্সীবোৰে অনুদান নাইবা ৰাজসাহায্যৰ ৰূপত বিত্তীয় সহায় আগবঢ়ায়। ব্যৱসায়ৰ বাবেও এনে সুবিধা উপলব্ধ হ'ব পাৰে। চৰকাৰে সাধাৰণতে বুজন পৰিমাণৰ ধন বিত্তীয় সাহায্য হিচাপে প্ৰদান কৰে। চৰকাৰী বিত্তীয় সহায়ৰ উদাহৰণ হ'ল *প্ৰধানমন্ত্ৰী মুদ্ৰা ঋণ য়োজনা* নামৰ আঁচনিখন।

৮) **ব্যৱসায়িক বেংক ঋণ আৰু অ'ভাৰড্ৰাফ্ট** (Commercial Bank Loans and Overdraft) ঃ ক্ষুদ্ৰ আৰু মজলীয়া ব্যৱসায় আৰম্ভ কৰাৰ বাবে ব্যৱসায়িক বেংক ঋণ হ'ল অধিকাংশ ব্যৱসায়ীৰে সাধাৰণ বিত্ত উৎস।

৯) **বিত্তীয় স্ব-উত্থান** (Financial Bootstrapping) ঃ ব্যক্তিগতভাৱে জমা কৰা পুঁজি অথবা পৰিয়ালৰ সদস্য আৰু বন্ধুবৰ্গৰ পৰা সংগ্ৰহ কৰা ধন ব্যৱসায়ত খটোৱাৰ প্ৰক্ৰিয়াটোকে স্ব-উত্থান নাইবা স্ব-বিত্তপোষণ বুলি কোৱা হয়।

১০) **বাই-আউট** (Buyouts) ঃ ই হ'ল কৰ্পৰেট বিত্তৰ এটা প্ৰকাৰ। এনে বিত্ত উৎসই কোনো এটা কোম্পানীৰ মালিকীস্বত্বৰ ৰূপ সাল-সলনি কৰিব পাৰে। বাই-আউট হ'ল এক প্ৰকাৰৰ বিনিয়োগ লেনদেন। ইয়াৰ সহায়ত কোনো এটা পক্ষই পোনপটীয়া ক্ৰয় অথবা নিয়ন্ত্ৰণকাৰী ইকুইটি সুত আহৰণ কৰি কোনো কোম্পানীৰ নিয়ন্ত্ৰণ নিজৰ হাতলৈ নিব পাৰে।

১১) **সম্পত্তিভিত্তিক ঋণ** (Asset-based Lending) ঃ ই হ'ল সম্পত্তিৰ আধাৰত দিয়া ঋণৰ এটা প্ৰকাৰ। ই কোনো এটা ব্যৱসায়ক ইয়াৰ সৈতে সংলগ্ন হৈ থকা সম্পত্তিবোৰৰ পৰা নগদ ধন মোকলাই দিয়াৰ সুবিধা দিয়ে। ইয়াক সম্পত্তি পুনঃবিত্তপোষণ পদ্ধতি (asset refinancing) বোলে। সম্পত্তিভিত্তিক বিত্তপোষণৰ আন দুটা ৰূপ হ'ল ভাৰা

ক্ৰয় (hire purchase) আৰু পত্তা বিত্তপোষণ (lease financing)।

১২) **ব্যৱসায় ত্বৰক** (Business Accelerators) ঃ ই এক প্ৰকাৰৰ কাৰ্যসূচী। ইয়াৰ সহায়ত লাহে লাহে গা কৰি উঠা 'ষ্টাৰ্ট-আপ' ব্যৱসায়বোৰক একোটা ক্ষুদ্ৰ বিনিয়োগৰ প্ৰস্তাৱ দিয়া হয়। এই বিনিয়োগৰ বিনিময়ত উপদেষ্টা (mentorship)ৰ পদ, ইকুইটি, কাৰ্যালয় পতাৰ স্থান আৰু ব্যৱসায়টোৱে গঢ়ি তোলা নেটৱৰ্কৰ ব্যৱহাৰ কৰাৰ সুযোগ বিচৰা হয়। এইবোৰে ভৱিষ্যকে ব্যৱসায়টোক বহনক্ষম আৰু আত্মনিৰ্ভৰ কৰি তোলে।

১৩) **সত্যাপন ৰছিদভিত্তিক বিত্তপোষণ** (Invoice Finance) ঃ ই হ'ল শীঘ্ৰে পুঁজি সংগ্ৰহ কৰা আৰু নগদ ধনৰ প্ৰৱাহ নিশ্চিত কৰিব পৰা উপায়। বিশেষকৈ সেৱাখণ্ডৰ কোম্পানীবোৰে এই উপায় ব্যৱহাৰ কৰি ৩০, ৬০ অথবা ৯০ দিনীয়া চৰ্তত দীৰ্ঘম্যাদী সত্যাপন ৰছিদ ধন আদায় প্ৰক্ৰিয়াটো সম্পাদন কৰে।

১৪) **ব্যৱসায়ীক দিয়া অগ্ৰিম নগদ ধন** (Merchant Cash Advance/MCA) ঃ কোম্পানীবোৰে নিজৰ দৈনিক ক্ৰেডিট কাৰ্ড আয়ৰ এক নিৰ্ধাৰিত শতাংশৰ বিনিময়ত অগ্ৰিম নগদ ধনৰ বিত্তপোষণ লাভ কৰে।

১৫) **কৰ ৰেহাই** (Tax Reliefs) ঃ ব্যৱসায়ৰ বাবে আহৰণ কৰিব পৰা পৰোক্ষ পুঁজিৰ এক উদাহৰণ হ'ল কৰ ৰেহাই। কৰৰ পৰিমাণ হ্ৰাস হোৱাৰ লগে লগে বৈ যোৱা ধনখিনি ব্যৱসায়ীয়ে আন কিবা কামত খটুৱাব পাৰে।


১৬) **সমকক্ষীয় ব্যৱসায়ৰ মাজত হোৱা ঋণদান প্ৰক্ৰিয়া** (P2P Lending) ঃ নব্য যুগৰ ঋণদান আৰ্হি এটা হ'ল সমকক্ষ-সমকক্ষ ব্যৱসায় মঞ্চ (Peer-to-Peer Platform/ P2P)। ব্যয়-বাধা (stop-gap) আঁতৰোৱা আৰু কাৰ্যকাৰী মূলধন(working capital)ৰ প্ৰয়োজনীয়তা পূৰ কৰাৰ ই এক ফলপ্ৰসূ বিকল্প। এনে বিত্ত ক্ষিপ্ৰ অনুমোদন আৰু আদায় ব্যৱস্থাৰ দ্বাৰা সংগ্ৰহ কৰিব পাৰি। এই মঞ্চই খুচুৰা বিনিয়োগকাৰীক বিত্তীয় প্ৰযুক্তি(Fintech) কোম্পানীৰ ডিজিটেল মঞ্চ এখনৰ মাধ্যমেৰে সমকক্ষীয় ব্যৱসায়ী অথবা ক্ষুদ্ৰ ব্যৱসায়ীক ঋণ দিয়াৰ সুবিধা আগবঢ়ায়।



১.১১ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো—

- লাভ অৰ্জনৰ উদ্দেশ্যৰে ব্যৱসায় পণ্য আৰু সেৱাৰ উৎপাদন আৰু বিতৰণৰ লগত জড়িত হৈ থাকে।
- ব্যৱসায়ৰ উদ্দেশ্যসমূহ হ'ল —



- ব্যৱসায়ৰ মূল বৈশিষ্টসমূহ হ'ল ঃ
  - এজন উদ্যোগী থাকিব লাগিব
  - আৰ্থিক কাম-কাজ
  - পণ্য আৰু সেৱাৰ বিনিময় হ'ব লাগিব
  - লাভ অৰ্জন কৰা
  - ক্ষয়-ক্ষতিৰ সম্ভাৱনা আৰু অনিশ্চয়তা
  - লেনদেনৰ ধাৰাবাহিকতা
  - উপযোগিতা সৃষ্টি
  - সংগঠন
  - বিত্ত
  - গ্ৰাহকৰ সন্তুষ্টি
  - সামাজিক প্ৰয়োজনীয়তাসমূহ পূৰণ
- ব্যৱসায়ৰ উৎপাদানসমূহক পাঁচোটা ভাগত ভাগ কৰা হয়। সেইবোৰ তলত উল্লেখ কৰা হ'ল ঃ ১) পণ্য উৎপাদনৰ লগত জড়িত কামকাজ ২) সেৱা প্ৰদানৰ লগত জড়িত কামকাজ, ৩) পণ্য বিতৰণৰ লগত জড়িত কামকাজ ৪) সাহায্য বিতৰণৰ লগত জড়িত কামকাজ ৫) বিত্তীয় সাহায্যৰ লগত জড়িত কামকাজ ।
- শিল্প পণ্য যেনে - প্লাষ্টিক, ৰবৰ, এলুমিনিয়াম ইত্যাদিৰ উৎপাদন আৰু সেৱাৰ লগত জড়িত।
- শিল্পক বিভিন্ন ধৰণে ভাগ কৰিব পাৰি— সৃষ্টি সম্বন্ধীয়, নিষ্কৰ্ষী, নিৰ্মাণ।
- বাণিজ্য পণ্য আৰু সেৱাৰ বিনিময়ৰ লগত জড়িত।
- এটা ব্যৱসায় আৰম্ভ কৰিবলৈ বিবেচনাত লোৱা কাৰকসমূহ হ'ল ঃ
  ১) কেঁচামালৰ প্ৰাপ্যতা
  ২) পৰিবহনৰ সুবিধা
  ৩) যোগাযোগৰ সুবিধা
  ৪) বিত্ত যোগানৰ সুবিধা
  ৫) বীমাৰ সুবিধা
  ৬) পণ্যগাৰৰ সুবিধা
  ৭) বজাৰকৰণৰ সুবিধা



১.১২ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh,

New Delhi: Arya Publication.

2) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.
3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.
4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



১.১৩ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ব্যৱসায় এটা বৃত্তি। L.H.Haney ৰ মতে "পণ্য কিনা আৰু বেচাৰ জৰিয়তে সম্পদৰ যোগান বা আহৰণৰ উদ্দেশ্যে পৰিচালনা কৰা মানৱ সম্পৰ্কীয় কাম কাজকে ব্যৱসায় বোলা হয়।" Wheeler ৰ মতে "ব্যক্তিগত মুনাফা লাভৰ বাবে এটা প্ৰতিষ্ঠানে সংগঠন আৰু কাৰ্যকাৰী কৰি সমাজলৈ পণ্য আৰু সেৱা আগবঢ়োৱাকে ব্যৱসায় বোলা হয়। M.C. Naughton ৰ মতে-ব্যৱসায় পদটোৰ অৰ্থ হৈছে পাৰস্পৰিক সুবিধাৰ অৰ্থে পণ্য, মুদ্ৰা বা সেৱাৰ আদান প্ৰদান।"

২ নং প্ৰশ্নৰ উত্তৰঃ পণ্য আৰু সেৱা সহজলভ্য কৰা, গুণগত পণ্যৰ যোগান, গুণগত পণ্য যুক্তিসম্মত দামত যোগান, শিল্প নথকা ঠাইত শিল্পৰ স্থাপন বা অনুন্নত, পিছপৰা আৰু শিল্পবিহীন অঞ্চলত শিল্পৰ স্থাপন।

৩ নং প্ৰশ্নৰ উত্তৰঃ ১। (ক), ২। (গ), ৩। (খ)



১.১৪ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ ব্যৱসায় বুলিলে কি বুজে ? ইয়াৰ উদ্দেশ্যসমূহ আলোচনা কৰক ।

প্ৰশ্ন ২ঃ "লাভ অৰ্জন কৰাটোৱেই ব্যৱসায়ৰ একমাত্ৰ উদ্দেশ্য নহয়"। আলোচনা কৰক।

প্ৰশ্ন ৩ঃ সফল ব্যৱসায় এটাৰ আৱশ্যকীয় বিষয়সমূহ কি কি ?

প্ৰশ্ন ৪ঃ ব্যৱসায়ৰ বিভিন্ন উপাদানসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ঃ বিভিন্ন শিল্পসমূহক আপুনি কেনেকৈ শ্ৰেণীবিভাগ কৰিব ?

প্ৰশ্ন ৬ঃ বাণিজ্য কি ? ইয়াৰ উপাদানসমূহ কি কি ? ব্যৱসায়ৰ বিভিন্ন প্ৰতিবন্ধকসমূহ আৰু বেহা-বেপাৰত সহায়কাৰী কাৰ্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৭ঃ এটা ব্যৱসায় আৰম্ভ কৰোঁতে বিবেচনাত ল'বলগীয়া কাৰকসমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ব্যৱসায় সংগঠন

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ব্যৱসায় সংগঠনৰ অর্থ আৰু কার্যক্ষেত্র
২.৪ ব্যৱসায়িক প্রতিষ্ঠানৰ আভ্যন্তৰীণ সংগঠন
২.৫ বিভাগীয়কৰণ
২.৬ আভ্যন্তৰীণ সংগঠনৰ প্রকাৰসমূহ
২.৭ বাহ্যিক সংগঠন
২.৮ সংগঠন বাছনিৰ কাৰকসমূহ
২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১০ অধিক জানিবলৈ
২.১১ অগ্রগতিৰ খতিয়ান
২.১২ আর্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- ব্যৱসায় সংগঠনৰ অর্থ আৰু কার্যক্ষেত্রসমূহ ব্যাখ্যা কৰিব পাৰিব
- এটা ব্যৱসায় প্রতিষ্ঠানৰ সংগঠনত বিভাগীয়কৰণৰ আৱশ্যকতা সাব্যস্ত কৰিব পাৰিব
- বিভিন্ন আর্হিৰ ব্যৱসায় সংগঠনসমূহ বাছনি কৰিব পাৰিব
- উপযুক্ত আর্হিৰ সংগঠন এটা বাছনি কৰোঁতে প্রভাৱিত কৰা কাৰকসমূহৰ বিষয়ে বর্ণনা কৰিব পাৰিব ।

২.২ পৰিচয়

ইতিমধ্যে আপুনি ব্যৱসায় (business), বাণিজ্য (commerce) আৰু বেহা বেপাৰ (trade) এই পদ কেইটাৰ অর্থ বুজিব পাৰিছে। আপুনি এইটোও জানিব পাৰিছে যে ব্যৱসায় কেৱল মাত্র লাভ অর্জনৰ বাবে শিল্প সম্বন্ধীয় আৰু বাণিজ্যিক কামকাজবোৰ দক্ষতাৰে পৰিচালনা কৰা বৃত্তিয়েই নহয়, ই কিছুমান সামাজিক দায়িত্বও সম্পাদন কৰিব লাগে। ইয়াৰ অর্থ হৈছে ব্যৱসায় এটা সংগঠন যি লাভৰ পৰিমাণ সর্বাধিক কৰিবৰ বাবে আৰু সামাজিক দ্বায়িত্ব সম্পাদন কৰাৰ উদ্দেশ্যে ইয়াৰ কামকাজবোৰ সংগঠিত কৰি ইয়াৰ কর্তব্য যথাযথ ভাৱে সম্পাদন কৰে। এই দৃষ্টি কোণৰ পৰা ব্যৱসায় সংগঠন এটা কলা হিচাপে বিবেচনা কৰা হয়। কিয়নো ই হৈছে

এটা কৌশল যিটো ব্যৱসায়ৰ কার্য নির্বাহকসকলে অনুশীলন কৰিব লাগে। ইয়াক বিজ্ঞানো বুলিব পাৰি যেতিয়া আমি ইয়াক বিভিন্ন নীতি আৰু কৌশল সমূহৰ যুক্তিসন্মত আৰু প্রণালীবদ্ধ অধ্যয়নৰ লগত জড়িত জ্ঞানৰ এটা শাখা হিচাপে বিশ্লেষণ কৰিবলৈ চেষ্টা কৰো। প্রতিষ্ঠান এটাৰ সংগঠন দুটা প্রধান শ্রেণীত বিভক্ত কৰা হয়। যেনে -

(ক) আভ্যন্তৰীণ সংগঠন (Internal Organisation)

(খ) বাহ্যিক সংগঠন বা আইনগত মালিকীস্বত্ব আৰ্হিৰ সংগঠন (External organisation or Legal ownership forms of organisation)

২.৩ ব্যৱসায় সংগঠনৰ অর্থ আৰু কার্যক্ষেত্র (MEANING AND SCOPE OF BUSINESS ORGANISTION)

ব্যৱসায়িক কার্যকলাপ চলাই নিয়াৰ উদ্দেশ্যেৰে গঠন কৰা নিকায় (entity)কে ব্যৱসায় প্রতিষ্ঠান বোলে। অর্থাৎ, এটা ব্যৱসাায় প্রতিষ্ঠান কোনো ব্যৱসায় অথবা ব্যৱসায়িক কার্যকলাপৰ সৈতে জড়িত। ব্যৱসায় প্রতিষ্ঠানে লাভ অর্জনৰ লক্ষ্যত উপনীত হ'বলৈ ব্যৱসায় এটা কেনেকৈ গঢ় দিয়া উচিত সেয়া বর্ণনা কৰে। ব্যৱসায় প্রতিষ্ঠান কেইবাপ্রকাৰৰো হ'ব পাৰে। ব্যৱসায়ীয়ে নিজ প্রয়োজন অনুসৰি উপযুক্ত আৰ্হিটো বাছনি কৰিব পাৰে। তলত ইয়াৰে চাৰিটা প্রধান আৰ্হিৰ বিষয়ে আলোচনা কৰা হ'ল। আলোচনাৰ বাবে গ্রহণ কৰা ব্যৱসায় প্রতিষ্ঠানৰ আৰ্হিকেইটা হ'ল- এক মালিকানাধীন ব্যৱসায় প্রতিষ্ঠান (proprietorship), অংশীদাৰত্বমূলক ব্যৱসায় প্রতিষ্ঠান (partnership), নিগম (corporation) আৰু সীমিত দেনা কোম্পানী (Limited Liability Company)।

ব্যৱসায় সংগঠন হৈছে বেহাবেপাৰ, বাণিজ্য আৰু শিল্পৰ মাজত কার্যকৰী সহযোগিতা স্থাপন কৰা কলা। সেয়ে ইয়াৰ কার্যক্ষেত্র অতি ব্যাপক। ব্যৱসায় সংগঠনৰ কার্যক্ষেত্রৰ ভিতৰত নিম্নলিখিত কার্যৱলীসমূহ অন্তর্ভুক্ত হয় —

(ক) **উৎপাদন বিষয়ক কার্যাৱলী (Manufacturing Activities)**ঃ এই কার্যসমূহ কেঁচামালক প্রস্তুত দ্রব্যলৈ ৰূপান্তৰ কৰাৰ লগত জড়িত হয়। ব্যৱসায় সংগঠনে সঠিক প্রকাৰৰ, উন্নত গুণৰ পণ্য উপযুক্ত সময়ত আৰু যথাসম্ভৱ ন্যূনতম খৰচত উৎপাদন কৰিবলৈ লক্ষ্য স্থিৰ কৰে।

(খ) **পণ্য ক্রয় বিষয়ক কার্যাৱলী (Buying Activities)** ঃ পণ্য ক্রয় সকলো প্রকাৰৰ ব্যৱসায় আৰু শিল্প গোটৰ এক অত্যাৱশ্যকীয় কাম। পণ্য বেচাকিনা কৰাৰ উদ্দেশ্যে বা উৎপাদন কৰিবৰ বাবে পণ্য ক্রয় সম্পাদন কৰা হয়। মজুতকাৰী,পাইকাৰী ব্যৱসায়ী আৰু খুচুৰা ব্যৱসায়ীসকলে কেচাঁমাল আৰু প্রস্তুত দ্রব্য ক্রয় কৰে। বৃহৎ আকাৰৰ ব্যৱসায় প্রতিষ্ঠানসমূহত পণ্য ক্রয়ৰ লগত জড়িত কামকাজসমূহ ক্রয় বিভাগে সম্পাদন কৰে।

(গ) **পণ্য বিক্রী বিষয়ক কার্যাৱলী (Selling Activities)** ঃ বিক্রী হৈছে পণ্যৰ মালিকীস্বত্ব বিক্রেতাৰ হাতৰ পৰা ক্রেতাৰ হাতলৈ হস্তান্তৰ কৰা। কৃতকার্যতাৰে সম্পাদন কৰা বিক্রী কার্যৰ যোগেদি লাভ অর্জন কৰা উদ্দেশ্য বাস্তৱত পৰিণত কৰা হয়। এটা দক্ষ বিক্রী

সংগঠনে ব্যৱসায়ৰ কৃতকার্যতাত প্ৰচুৰ পৰিমাণে অৰিহনা যোগাব পাৰে। বিক্ৰী কার্যাৱলীয়ে মানি বিশিষ্টকৰণ (standardization) আৰু ক্ৰমবিন্যাস (grading), পণ্য সংৰক্ষণ আৰু পণ্যাগাৰ, পৰিবহন, সাম্ভাব্য ক্ষয়ক্ষতি (risk) বহন,বিজ্ঞাপন আদি কামবোৰ সামৰি লয়। এটা ব্যৱসায় প্ৰতিষ্ঠানৰ বিক্ৰী বিভাগে বিক্ৰী সংক্ৰান্ত কামকাজবোৰ চোৱাচিতা কৰে।

(ঘ) **বিত্ত বিষয়ক কার্যৱলী** (**Financial Activities**) ঃ প্ৰতিটো সংগঠনতে বিত্তক এক অতি গুৰুত্বপূৰ্ণ কাৰক হিচাপে বিবেচনা কৰা হয় । ইয়াক ব্যৱসায়ৰ জীৱনীশক্তিৰ উৎস হিচাপে গণ্য কৰা হয়। বিত্তৰ সংগঠনে প্ৰয়োজনীয় মূলধনৰ পৰিমাণ নির্ধাৰণ, বিত্তৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা, ব্যৱসায়ত ব্যৱহাৰ কৰা পুঁজিৰ নিয়ন্ত্ৰণ আৰু প্ৰশাসন ব্যৱস্থা সামৰি লয়। বৃহৎ আকাৰৰ ব্যৱসায়ত এই কামকাজবোৰ কৰিবৰ বাবে পৃথককৈ বিত্ত বিভাগ ৰখা হয়।

(ঙ) **ব্যক্তিৰ বিষয়ক কার্যাৱলী** (**Personnel Activities**) ঃ এইটো সঠিকভাৱেই কোৱা হয় যে এটা প্ৰতিষ্ঠানৰ সকলোবোৰ কামৰ আৰম্ভ আৰু নির্ধাৰণ সেইসকল ব্যক্তিৰ দ্বাৰা কৰা হয় যিসকলে সেই প্ৰতিষ্ঠানটো গঠন কৰে। ব্যৱসায়ৰ উদ্দেশ্যত উপনীত হ'বৰ বাবে মানুহক কার্যৰ উপযোগীভাৱে পৰিকল্পনা কৰাটো অতি আৱশ্যক। কর্মীবৃন্দৰ সংগঠনে কর্মীৰ বাছনি আৰু প্ৰশিক্ষণ যথাযথ কার্যৰ উপযোগী অৱস্থাৰ ব্যৱস্থা কৰা, কর্ম বিশ্লেষণ, মূল্যায়ন আৰু যোগ্যতাৰ মূল্য নির্ধাৰণ, শ্ৰমিকৰ ক্ষতিপূৰণ আদি সামৰি লয়। ডাঙৰ আকাৰৰ প্ৰতিষ্ঠানত কর্মচাৰী নিয়োগ বিভাগে (Personnel Department) এই সকলোবোৰ কামকাজ পৰিচালনা কৰে।

(চ) **কার্যালয় বিষয়ক কার্যাৱলী** (**Office Activities**) ঃ কার্যালয় প্ৰতিটো প্ৰতিষ্ঠানৰে স্নায়ু কেন্দ্ৰ বুলি কোৱা হয়। প্ৰতিটো ব্যৱসায়ৰ বাবে একোটাকৈ কার্যালয় ৰখাটো অপৰিহার্য। কার্যালয়ে পৰিকল্পনা আৰু সকলোবোৰ ব্যৱসায়িক কামকাজৰ সমন্বয় সাধনত সহায় কৰে। কার্যালয়ৰ কামকাজে তথ্য প্ৰাপ্তি, লিপি বদ্ধ কৰা, বিশ্লেষণ আৰু যোগাযোগ কৰা আৰু সম্পদৰ নিৰাপদ আৰু লিপিবদ্ধকৰণ সামৰি লয়।

(ছ) **হিচাপৰক্ষণ বিষয়ক কার্যাৱলী** (**Accounting Activities**) ঃ ব্যৱসায় সংগঠনে হিচাপৰক্ষণ বিষয়ক কামকাজো সামৰি লয়। ব্যৱসায়ৰ বিভিন্ন লেনদেন সমূহৰ উপযুক্ত নথি বা হিচাপ সংৰক্ষণৰ বাবে ব্যৱসায় প্ৰতিষ্ঠানত একোটাকৈ হিচাপৰক্ষণ বিভাগ ৰখা হয়। বিভিন্ন লেনদেনৰ হিচাপৰক্ষণৰ জৰিয়তে ব্যৱসায় এটাৰ নির্দ্দিষ্ট সময়ৰ বাবে লাভ অর্জন ক্ষমতা আৰু এটা নির্দিষ্ট তাৰিখত ইয়াৰ আর্থিক অৱস্থাৰ বিষয়ে জানিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ব্যৱসায় সংগঠনসমূহে সাধাৰণতে কি কি ধৰণৰ কামকাজ সম্পাদন কৰে?

.....

.....

.....

.....

২.৫ ব্যৱসায়িক প্রতিষ্ঠানৰ আভ্যন্তৰীণ সংগঠন (INTERNAL ORGANISATION OF A BUSINESS HOUSE)

Wheeler ৰ ভাষাত কবলৈ গ'লে "আভ্যন্তৰীণ সংগঠন হৈছে কোম্পানীৰ ভিতৰতে বিভিন্ন কামকাজসমূহ সম্পাদন কৰোঁতে প্রয়োজন হোৱা কর্মচাৰীসকলৰ কর্তব্য দায়িত্বৰ গঠন সংক্রান্ত কাঠাম বা ঠাঁচ। ই অপৰিহার্যভাৱে এক কর্ম পৰিকল্পনা যাৰ ফলস্বৰূপে কোম্পানীৰ পৰিচালনাই স্থিৰ কৰা লক্ষ্যত উপনীত হ'বৰ বাবে সম্পাদন কৰা কামৰ এক কার্যসাধনৰ বন্দোবস্ত (Internal organisation is the structural framwork of duties and responsibilities required of personnel in performing various functions within the company. It is essentially a blue print for action resulting in a mechanism for carrying out function to achieve the goals set up by company management)। চমুকৈ ক'বলৈ গ'লে আভ্যন্তৰীণ সংগঠন হৈছে আভ্যন্তৰীণ বিষয়ৰ বাবে এটা ব্যৱসায় প্রতিষ্ঠানৰ সংগঠন। এটা ব্যৱসায় প্রতিষ্ঠানে বিভিন্ন উৎপাদনৰ আহিলা তথা উপাদানসমূহ যেনে- ভূমি, শ্রম, মূলধন আৰু যন্ত্রপাতি আদি সংগঠন কৰি ইহঁতক উৎপাদন কার্যলৈ প্রবাহিত কৰে।

ব্যৱসায়িক কামকাজ সমূহক বিভিন্ন কার্য তথা বিভাগত ভাগ কৰা হয়। এই কার্য সমূহ বিভিন্ন ব্যক্তিৰ মাজ ত অর্পণ কৰা হয়। ব্যক্তিগত বিভিন্ন প্রচেষ্টাসমূহ ব্যৱসায়ৰ সাধাৰণ লক্ষ্য সিদ্ধিত পথ প্রদর্শক হ'ব লাগে। পৰিচালনাই পূর্বে নির্ধাৰিত লক্ষ্যত উপনীত হ'বৰ বাবে বিভিন্ন ব্যৱসায়িক কামকাজ সমূহ একত্রিত কৰিবলৈ চেষ্টা কৰে। এটা ব্যৱসায়িক প্রতিষ্ঠানৰ আভ্যন্তৰীণ সংগঠনৰ দক্ষতা নির্ভৰ কৰে- (১) বিভাগসমূহৰ মাজত উপযুক্তভাৱে কৰা কর্মৰ বিভাজন, (২) প্রতিটো বিভাগৰ উপযুক্ত কর্তব্যাদি পালন, আৰু বিভিন্ন বিভাগৰ মাজত থকা উপযুক্ত সমন্বয়ৰ ওপৰত।

২.৬ বিভাগীয়কৰণ (DEPARTMENTATION)

বিভাগীয়কৰণ হৈছে কামকাজসমূহক বিভিন্ন গোট বা বিভাগত ভাগ কৰা এক প্ৰক্ৰিয়া। এটা বিভাগ হৈছে একে প্ৰকৃতিৰ এটা বিশেষ ব্যৱসায়িক কামকাজৰ সমষ্টিৰ লগত জড়িত ব্যৱসায় প্ৰতিষ্ঠানৰ এক পৃথক শাখা। ব্যৱসায় প্ৰতিষ্ঠানৰ সংগঠন প্ৰক্ৰিয়াত (১) উদ্দেশ্যসমূহ নিৰ্ধাৰণ, (২) কামকাজ সঠিক ভাৱে বৰ্ণনা কৰা, (৩) কাম কাজ সমূহৰ ভাগ আৰু দলবদ্ধ কৰা, (৪) ব্যক্তিসকলক কামত উপযুক্ত কৰা, (৫) কৰ্তৃত্ব আৰু দায়িত্বসমূহ অৰ্পণ কৰা, (৬) সৰ্বাঙ্গীন নিয়ন্ত্ৰণৰ কাৰণে গঠন সংক্ৰান্ত সম্বন্ধৰ স্থাপন আদি অন্তৰ্ভুক্ত হৈ থাকে। এটা ব্যৱসায় প্ৰতিষ্ঠান প্ৰকৃততে কিমান সংখ্যক বিভাগত বিভক্ত কৰা হ'ব সেইটো প্ৰতিষ্ঠানটোৰ আকাৰ আৰু ইয়াৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। এটা বৃহৎ আকাৰৰ ব্যৱসায় প্ৰতিষ্ঠানত সাধাৰণতে এটা সৰু আকাৰৰ ব্যৱসায় প্ৰতিষ্ঠানৰ তুলনাত বেছি সংখ্যক বিভাগ থাকে।

বিভাগীয়কৰণৰ বিভিন্ন সুবিধাসমূহ সংক্ষেপে তলত উল্লেখ কৰা হ'ল—

১। বিভাগীয়কৰণে প্ৰতিষ্ঠানৰ দক্ষতা বৃদ্ধি কৰে। কিয়নো বিভিন্ন কামকাজ সমূহ কাৰ্যক্ষম গোটত দলবদ্ধ কৰা হয়।

২। ইয়াৰ সহায়ত ফলাফলৰ দায়বদ্ধতা স্থিৰ কৰা কাম বৰ সহজ হয়। কিয়নো ইয়াত কামকাজ সমূহ নিৰ্দ্দিষ্ট ক ৰি দিয়া থাকে আৰু দায়িত্বসমূহো স্পষ্টভাৱে উপস্থাপিত কৰা থাকে।

৩। ই সম্পাদিত কাৰ্যৰ মূল্য নিৰূপণৰ মান স্থিৰকৰণৰ বাবে ব্যৱস্থা কৰে আৰু সেয়েই কাৰ্যকাৰী নিয়ন্ত্ৰণ নিশ্চিত কৰে।

৪। ই বিভাগীয় মুৰব্বীয়ে নিজা উদ্যম লবৰ বাবে সুযোগৰ সৃষ্টি কৰে। ইয়াৰ ফলত পৰিচালনা সম্বন্ধীয় সা-সুবিধাৰ সম্প্ৰসাৰণ হয়।

ক্ষমতাৰ হস্তান্তৰকৰণ ঃ ওপৰৱালাৰ পৰা নিম্নস্তৰৰ কৰ্মচাৰীলৈ ক্ষমতা হস্তান্তৰ নিশ্চিত কৰা।

বিভাগীয়কৰণৰ পদ্ধতি বা ভিত্তি (Methods or Basis of Departmentation) ঃ

বিভাগীয়কৰণৰ বিভিন্ন ভিত্তিসমূহ হ'ল—

১। কৰ্ম অনুযায়ী বিভাগীয়কৰণ (Functional Departmentation)

২। দ্ৰব্য ভিত্তিক বিভাগীয়কৰণ (Product-wise Departmentation)

৩। কাৰ্য্যক্ষেত্ৰ সম্বন্ধীয় বা ভৌগোলিক বিভাগীয়কৰণ (Territorial or Geographical Departmentation)

৪। গ্ৰাহক ভিত্তিক বিভাগীয়কৰণ (Customer-wise Departmentation)

৫। প্ৰক্ৰিয়া বা সা-সৰঞ্জাম ভিত্তিক বিভাগীয়কৰণ (Process or Equipment-wise Departmentation)

৬। সংযুক্ত বা যৌগিক আৰ্হিৰ বিভাগীয়কৰণ (Combined or Composit form of Departmentation)

শ্ৰম বিভাজন ঃ এটা কামক কেইবাটাও কৰ্মত বিভাজন কৰিব পাৰি, যি কেইটা বিভিন্ন কৰ্মচাৰীক কৰিবলৈ দিয়া হয়।

কৰ্ম অনুযায়ী বিভাগীয়কৰণ বুলিলে এটা ব্যৱসায় প্ৰতিষ্ঠানৰ কাৰ্যসমূহ যেনে - উৎপাদন, বিক্ৰী, ক্ৰয়, বিত্ত, কৰ্মচাৰী আদিৰ ভি ত্তিত কামকাজসমূহ একেলগ কৰাকে বুজায়। দ্ৰব্য ভিত্তিক

বিভাগীয়কৰণত কামকাজ সমূহ উৎপাদিত দ্রব্যৰ শ্রেণী বিভাজন, নমুনা, জনপ্রিয়তা আৰু মূল্যৰ ভিত্তিত একত্রি ত কৰা হয়।

যেতিয়া প্রতিষ্ঠানৰ বিভিন্ন কামকাজ ভৌগলিকভাৱে বিভিন্ন অৱস্থান, ৰাজ্যৰ বিভিন্ন অঞ্চলত সিচঁৰিত হৈ থাকে তেনে ক্ষেত্রত ভৌগোলিক বিভাগীয়কৰণ অৱলম্বন কৰা হয় । এটা ব্যৱসায় প্রতিষ্ঠানক প্রতিষ্ঠানখনে সেৱা পৰি বেশন কৰা গ্রাহক যেনে -বৃহৎ বা ক্ষুদ্র গ্রাহক, শিল্প সম্বন্ধীয় আৰু চূড়ান্ত গ্রাহক, চৰকাৰ আৰু অন্যান্য গ্রাহক ইত্যাদিৰ ভিত্তিত বিভিন্ন সংখ্যক বিভাগত ভাগ কৰিব পাৰে। গ্রাহক ভিত্তিত বিভাগীয় কৰণৰ বৈশিষ্ট্য সূচক সুবিধা এয়ে যে ইয়াত বিভিন্ন প্রকাৰৰ গ্রাহকৰ প্রতি সম্পূর্ণ মনোযোগ দিয়া হয় আৰু তেওঁলোকৰ অভাৱ-অনাটন, ৰুচি আৰু প্রয়োজনীয়তাসমূহ কার্যকৰীভাৱে পূৰণ কৰিবলৈ চেষ্টা কৰা হয় ।

যিবোৰ প্রতিষ্ঠানৰ উৎপাদন কার্য বিভিন্ন প্রক্রিয়া প্রয়োগ কৰি সামাধা কৰা হয়, তেওঁলোকে প্রক্রিয়া ভিত্তিক বিভাগীয়কৰণ প্রয়োগ কৰি ধাৰাবাহিক ভাৱে উৎপাদনৰ প্রৱাহ চলাই থকাত সহায় কৰে। সেইদৰে যেতিয়া উমৈহতীয়া যন্ত্রপাতিৰ দ্বাৰা কাম সম্পাদন কৰা হয়, তেনে ক্ষেত্রত সা-সৰঞ্জাম ভিত্তিত বিভাগসমূহ গঠন কৰা হয় । যেনে-ঘানি (milling) বিভাগ, চূর্ণন (grinding) বিভাগ, কূণ্ডশাল (lathe) বিভাগ, ইত্যাদি। এই বিভাগীয়কৰণৰ মুখ্য সুবিধা হৈছে এয়ে যে ই বিভিন্ন কামকাজৰ বাবে সা-সৰঞ্জাম সংখ্যা দুগুণ কৰিব নালাগে। তদুপৰি বিশেষ সা-সৰঞ্জাম আৰু বিভাগত কাম কৰিবৰ বাবে বিশেষ ব্যক্তি নিয়োগ কৰিব লাগে। এটা ব্যৱসায় প্রতিষ্ঠানে বিভাগীয়কৰণৰ দুটা বা ততোধিক পদ্ধতি সংলগ্ন কৰি সকলো কেইটা পদ্ধতিৰ উন্নত ব্যৱহাৰ কৰিব পাৰে। এনে পদ্ধতিক বিভাগীয়কৰণৰ সংযুক্ত বা যৌগিক পদ্ধতি বোলা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ এটা ব্যৱসায় প্রতিষ্ঠানৰ সংগঠন প্রক্রিয়াত কি কি পদক্ষেপ জড়িত হৈ থাকে?

.....

.....

.....

.....

২.৭ আভ্যন্তৰীণ সংগঠনৰ প্রকাৰসমূহ (FORMS OF INTERNAL ORGANISATION)

এটা সংগঠনে এটা ব্যৱসায় প্রতিষ্ঠানত ব্যক্তি আৰু ব্যক্তিৰ সমষ্টিৰ প্রচেষ্টাৰ সমন্বয় আৰু সংযোগ সাধন কৰে। প্রতিজন ব্যক্তিৰ কর্তব্য আৰু দায়িত্বসমূহ নির্দিষ্ট কৰি থোৱা হয়। কামৰ সম্পাদন নিশ্চিত কৰিবৰ বাবে ক্ষমতাৰ উপযুক্ত হস্তান্তৰ কৰা হয়। আভ্যন্তৰীণ সংগঠনৰ

কিছুমান গুৰুত্বপূর্ণ ভাগ তলত আলোচনা কৰা হ'ল—

১। **ৰৈখিক সংগঠন (Line Organisation) ঃ** ই ওপৰৱালা আৰু নিম্নপদস্থ বা তলতীয়া কর্মচাৰীৰ মাজত উচ্চ নিম্ন সম্বন্ধ স্থাপন কৰে। প্রত্যেকেই নিজৰ নিজৰ কামৰ বাবে দায়ী থাকে। ই স্কেলাৰ (scalar) নীতিৰ ভিত্তিত প্রতিষ্ঠিত। ই এক আদেশৰ ধাৰাবাহিক সংযোগ (chain of command) গঠন কৰে আৰু সংগঠন উৎপাদন আৰু বিতৰণত বৰঙণি আগবঢ়ায়।

২। **কর্মচাৰী সংগঠন (Staff Organisation) ঃ** ই সংগঠনৰ ভিতৰত পৰামর্শ দিয়া কর্মচাৰীবৃন্দৰ সৃষ্টি কৰে। কর্মচাৰী সংগঠনে কেৱলমাত্র পৰামর্শহে দিয়ে। তেওঁলোকে কার্য সম্পাদন নকৰে। কিবা আঁসোৱাহ থাকিলে তাক ৰৈখিক সংগঠনৰ বুলি গণ্য কৰা হয়। কিয়নো চূড়ান্ত কার্য সম্পাদন ৰৈখিক সংগঠনে সম্পন্ন কৰে।

৩। **কর্তব্যমূলক সংগঠন (Functional Organisation) ঃ** এই সংগঠন শ্রম বিভাজনৰ নীতিৰ ওপৰত প্রতিষ্ঠিত। বিভিন্ন কামসমূহ উক্ত বিষয়ৰ বিশেষ পার্গত ব্যক্তিৰ অধীনত ন্যস্ত কৰা হয়। সম্বন্ধযুক্ত বিষয়সমূহ বিভিন্ন বিভাগৰ অধীনত ন্যস্ত কৰা হয় আৰু বিশেষজ্ঞসকলক এই কামসমূহ কৰিবৰ বাবে দায়িত্ব অর্পণ কৰা হয়।

৪। **ৰৈখিক আৰু কর্মচাৰী সংগঠন (Line and Staff Organisation) ঃ** ই ৰৈখিক আৰু কর্মচাৰী সংগঠনৰ এক সম্মিলিত সংগঠন। বিশেষজ্ঞৰ জ্ঞানৰ সুবিধা আৰু হুকুমৰ একতাৰ সুবিধাসমূহ এই সংগঠনত আয়ত্ব কৰা হয়।

৫। **প্রকল্প সংগঠন (Project Organisation) ঃ** এই সংগঠনত বিভিন্ন বিষয়ৰ বিশেষজ্ঞসকলক এক প্রকল্প পৰিচালকৰ অধীনত ন্যস্ত কৰা হয়। বিভিন্ন ক্ষেত্রৰ বিশেষজ্ঞসকলক কাম-কাজসমূহ চোৱা-চিতা কৰিবৰ বাবে প্রকল্পলৈ পঠোৱা হয়। বিভিন্ন পৰিকল্পনাসমূহ কার্যকৰী কৰিবৰ বাবে প্রকল্প পৰিচালকৰ সম্পূর্ণ দায়িত্ব থাকে।

৬। **সমিতি সংগঠন (Committee Organisation) ঃ** এই সংগঠনক দলবদ্ধ পৰিচালনাও (group management) বোলা হয়। আভ্যন্তৰীণ সংগঠনৰ পৰিপূৰক হিচাপে বিভিন্ন স্তৰত বিভিন্ন সমিতিসমূহ গঠন কৰা হয়।

৭। **বিশেষ উদ্দেশ্যে নিয়োজিত কর্মীদল (Task Forces) ঃ** কোনো এটা বিশেষ কাম কৰিবৰ বাবে বিশেষ কর্মীদল গঠন কৰা হয়। যেতিয়াই কাম সম্পূর্ণ হয় তেতিয়াই কর্মীসকলক ঘূৰাই পঠোৱা হয়। স্থায়ী পদবীত থকা ব্যক্তিসকলক অস্থায়ী ভিত্তিত আন কিছুমান কাম কৰিবৰ বাবে স্থানান্তৰ কৰা হয়। এই সংগঠন সমিতি সংগঠনৰ সৈতে মিলে।

২.৮ বাহ্যিক সংগঠন (EXTERNAL ORGANISATION)

বাহ্যিক সংগঠনে আইনগত বা মালিকীস্বত্ব আর্হিৰ সংগঠনকে বুজায়। এই ধৰণৰ ব্যৱসায়িক সংগঠনক ব্যক্তিগত প্রতিষ্ঠান, সমবায় প্রতিষ্ঠান, ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠান হিচাপে শ্রেণী বিভাজন কৰা হয়।

ব্যৱসায় সংগঠনৰ আৰ্হিৰ ক্ৰমোন্নতি ব্যৱসায় আৰু শিল্পৰ বৃদ্ধিৰ লগত নিবিড়ভাৱে জড়িত। সংগঠনৰ আৰ্হিৰ ক্ৰমোন্নতি ব্যৱসায়ৰ প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰে। বিভিন্ন সময়ত উক্ত আৰ্হিৰ সংগঠনসমূহ ব্যৱসায় খণ্ডৰ চাহিদা পূৰণৰ অৰ্থে প্ৰচলিত হৈছিল। যেতিয়া ব্যৱসায়ৰ কাম-কাজ কম আছিল তেতিয়া এজনীয়া ব্যৱসায় প্ৰচলিত হৈছিল। এই ব্যৱস্থা হৈছে প্ৰাচীন আৰ্হিৰ সংগঠন আৰু ব্যৱসায় আৰম্ভ হোৱা কালৰ পৰাই ই প্ৰচলন হৈ আছে। অধিক পুঁজিৰ প্ৰয়োজন হোৱা বাবে অধিক ব্যক্তিৰ সন্মিলনৰ প্ৰয়োজন হ'ল। ইয়াৰ ফলস্বৰূপে অংশীদাৰী আৰ্হিৰ সংগঠন সম্প্ৰসাৰণ কৰা হয়।

শিল্প বিপ্লৱে আৰ্থিক কাম-কাজ বহু পৰিমাণে বৃদ্ধি কৰিলে। উৎপাদনৰ উন্নত পদ্ধতি, উন্নত কাৰিকৰী ব্যৱস্থা, যাতায়াত, যোগাযোগ আৰু বেংকৰ সুবিধাৰ সম্প্ৰসাৰণৰ ফলত বৃহৎ আকাৰৰ প্ৰতিষ্ঠানৰ উদ্ভৱ হয়। শিল্পজাত দ্ৰব্যৰ চাহিদাই দেশৰ চাৰিসীমা অতিক্ৰম কৰিলে। এজনীয়া ব্যৱসায় আৰু অংশীদাৰী আৰ্হিৰ সংগঠনে প্ৰতিষ্ঠানৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিব নোৱাৰা হ'ল। শিল্পজাত আৰু ব্যৱসায়িক কাম-কাজৰ বৃদ্ধিৰ পৰিণামত যৌথ কাৰবাৰৰ কোম্পানী আৰ্হিৰ সংগঠনৰ উৎপত্তি হয়। কোম্পানী আৰ্হিৰ সংগঠনে পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত অধিক ব্যক্তিৰ সহযোগ সম্ভৱ কৰিলে। পৰিচালনাৰ জটিলতাসমূহ থাকিলেও এই আৰ্হিৰ সংগঠন বহুলভাৱে ব্যৱহাৰ হয় আৰু ব্যক্তিগত আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ বাবেও ই উপযোগী হয়।

ব্যক্তিগত প্ৰতিষ্ঠানসমূহে সঠিক লাভ অৰ্জন কৰাত গুৰুত্ব দিয়ে। এই ধৰণৰ ব্যৱসায়ৰ পৰিবেশত গ্ৰাহকসকলক অৱহেলিত শ্ৰেণী হিচাপে গণ্য কৰা হয়। গ্ৰাহকসকল আৰু সমাজৰ দুৰ্বল শ্ৰেণীক সহায় কৰিবৰ বাবে সমবায় আৰ্হিৰ সংগঠন গঠন কৰা হয়। ইয়াত লাভ সৰ্বাধিক কৰাৰ বিপৰীতে সদস্যসকললৈ সেৱাহে আগবঢ়োৱা হয়। সমবায়সমূহ সমবায় সমিতি বা সমবায় ভাণ্ডাৰ আৰ্হিৰ হয়। এই প্ৰতিষ্ঠানসমূহে সদস্যসকলক সস্তা দামত পণ্য পোৱাত সহায় কৰে আৰু যিখিনি লাভ অৰ্জন কৰে সেই লাভ সদস্যসকলৰ আৰ্থিক উন্নতিৰ হকে খৰচ কৰা হয়।

উদ্যোগী হিচাপে ৰাষ্ট্ৰৰ ভূমিকাক সদায়ে স্বীকৃতি দি অহা হৈছে। ৰাষ্ট্ৰীয় গুৰুত্ব থকা কিছুমান ক্ষেত্ৰত ৰাষ্ট্ৰই উন্নতি সাধিব লাগে আৰু কিছুমান ক্ষেত্ৰ আছে যিবোৰত ব্যক্তিগত খণ্ডই বিনিয়োগ কৰিব নিবিচাৰে। তেনে ক্ষেত্ৰসমূহ ৰাষ্ট্ৰৰ বাবে সংৰক্ষিত কৰা হয়। সুসংহত স্থায়ী ভিত্তিৰ (infrastructural) তথা বুনিয়াদি সুবিধাৰ ক্ৰমোন্নতি কৰাটো ৰাষ্ট্ৰৰ মূল কাম। ৰাজহুৱা প্ৰতিষ্ঠান আৰ্হিৰ সংগঠনে কুৰি শতিকাত প্ৰধানকৈ উন্নতি লাভ কৰে। এই প্ৰতিষ্ঠানসমূহৰ লাভৰ পৰিমাণ সৰ্বাধিকৰণৰ বিপৰীতে সমাজলৈ সেৱা আগবঢ়োৱাহে মুখ্য উদ্দেশ্য।

২.৯ সংগঠন বাছনিৰ কাৰকসমূহ (FACTORS INFLUENCING THE CHOICE OF AN ORGANISATION)

এটা উপযুক্ত আৰ্হিৰ সংগঠন নিৰ্বাচন কৰাটো এটা গুৰুত্বপূৰ্ণ তথা জটিল সমস্যা যিটো উদ্যোগী ব্যক্তিয়ে বহন কৰিব লাগে। সংগঠনৰ আৰ্হিয়ে মালিকীস্বত্ত্বৰ পৰিসৰ তথা বিস্তৃতি

নিৰূপণ কৰে আৰু মালিকৰ দায়িত্বও স্থিৰ কৰে। এবাৰ এটা নির্দিষ্ট সংগঠন নির্বাচন কৰাৰ পিছত ইয়াক পৰিবর্তন কৰাটো কঠিন হৈ পৰে। ই প্রতিষ্ঠানৰ ভৱিষ্যতৰ কর্মসূচী আৰু পৰিকল্পনাত প্রভাৱ পেলায়। সেয়ে সংগঠনৰ আৰ্হি নির্বাচন কৰা সিদ্ধান্ত লওঁতে যথেষ্ট চিন্তা-চর্চা কৰি ল'ব লাগে, অন্যথা তেনে সিদ্ধান্তই গোটটোৰ ভৱিষ্যতৰ ওপৰত অন্ধকাৰ নমাই আনিব পাৰে।

সকলোবোৰ ব্যৱসায়ৰ বাবে একে আৰ্হিৰ সংগঠন উপযুক্ত নহয়। বীমা আৰু বেংক বিষয়ক ব্যৱসায়ৰ দৰে কিছুমান সংগঠনৰ ক্ষেত্রত আন সংগঠনৰ দৰে কাম-কাজ কৰাৰ বাবে উপযুক্ত নহয়। আন আন কাৰকসমূহৰ ভিতৰত মূলধনৰ প্রয়োজনীয়তা, বিনিয়োগকাৰীৰ দেনা, ব্যৱসায়ৰ প্রকৃতি, গোটৰ আকাৰ, চৰকাৰী নিয়ন্ত্রণ আদিকো অন্তর্ভুক্ত কৰা হয়। উপযুক্ত আৰ্হিৰ সংগঠন নির্বাচন কৰোতে প্রভাৱ পেলোৱা কিছুমান মুখ্য কাৰকৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

১। **মূলধনৰ প্রয়োজনীয়তা (Requirement of Capital) ঃ** ব্যৱসায় সংগঠনৰ আৰ্হি এটা নির্বাচন কৰোতে মূলধনক অতি গুৰুত্বপূর্ণ কাৰক হিচাপে গণ্য কৰা হয়। মূলধনৰ প্রয়োজনীয়তা ব্যৱসায়ৰ প্রকৃতি আৰু ক্রিয়া প্রণালীৰ আপেক্ষিক মাত্রাৰ ওপৰত নির্ভৰ কৰে। এটা উৎপাদনকাৰী প্রতিষ্ঠানত এখন খুচুৰা দোকানতকৈ অধিক পৰিমাণৰ মূলধনৰ প্রয়োজন হয়। আনহাতে যদি ব্যৱসায়ৰ ক্রিয়া প্রণালীৰ আপেক্ষিক মাত্রা বিস্তৃত হয় তেনেহ'লে মূলধনৰ প্রয়োজনীয়তাও সৰহ হ'ব। মূলধনৰ প্রয়োজনীয়তা নিৰূপণ কৰাৰ পিছতহে সংগঠনৰ আৰ্হি নির্বাচন কৰিব লাগে। সংগঠনৰ আৰ্হি এনেকুৱা হ'ব লাগে যাতে ই প্রয়োজনীয় পুঁজিৰ পৰিমাণ সংগ্রহ কৰিবলৈ সক্ষম হয়। মূলধনৰ প্রয়োজনীয়তা কম হ'লে এজনীয়া ব্যৱসায় সংগঠন উপযুক্ত হয়। অংশীদাৰী প্রতিষ্ঠানে মধ্যম আকাৰৰ পৰিমাণৰ মূলধনৰ প্রয়োজনীয়তা পূৰণৰ বাবে সক্ষম হ'ব পাৰে। এটা যৌথ কাৰবাৰী কোম্পানী অধিক মূলধনৰ প্রয়োজনীয়তাৰ ক্ষেত্রত উপযুক্ত হয়। এটা কোম্পানীয়ে বাহিৰৰ পৰা পুঁজি সংগ্রহ কৰিব পাৰে। এজনীয়া ব্যৱসায় আৰু অংশীদাৰী ব্যৱসায়ৰ পুঁজি সংগ্রহৰ ক্ষেত্রত সীমিত সামর্থ্য আছে। সেয়ে মূলধনৰ প্রয়োজনীয়তাই সংগঠনৰ আৰ্হি নির্বাচনত প্রত্যক্ষভাৱে প্রভাৱ পেলায়।

২। **পৰিচালনা সংক্রান্তীয় আৰু প্রশাসনিক প্রয়োজনীয়তা (Managerial and Administrative Requirements) ঃ** সংগঠনৰ আৰ্হি নির্বাচন কৰা সিদ্ধান্তত পৰিচালনা সংক্রান্তীয় আৰু প্রশাসনিক প্রয়োজনীয়তাসমূহে প্রভাৱ পেলায়। যেতিয়া প্রতিষ্ঠানখন সৰু হয় আৰু ই কেৱলমাত্র স্থানীয় অভাৱসমূহহে পূৰণ কৰে তেতিয়া এজন ব্যক্তিৰ দ্বাৰা ব্যৱসায়টো পৰিচালনা কৰিবলৈ যথেষ্ট হয়। এনে সৰু ব্যৱসায়ৰ বাবে এজনীয়া ব্যৱসায় প্রতিষ্ঠানৰ আৰ্হিৰ সংগঠন উপযুক্ত হয়। যদি ব্যৱসায়টোৱে অধিক ক্ষেত্র সামৰি লয় তেনেক্ষেত্রত ব্যৱসায়ৰ বিভিন্ন কাম-কাজসমূহ চোৱাচিতা কৰিবৰ বাবে অধিক মানুহৰ প্রয়োজন হয়। এনে ব্যৱসায় প্রতিষ্ঠানৰ বাবে অংশীদাৰী আৰ্হিৰ সংগঠন যথাযোগ্য হয়। তেতিয়া অংশীদাৰসকলে ব্যৱসায়ৰ কাম-কাজসমূহ চোৱাচিতা কৰিব পাৰে। যেতিয়া

এটা ব্যৱসায় বিশাল তথা বৃহৎ আয়তনৰ হয় তেতিয়া বিভিন্ন বিভাগসমূহ পৰিচালনা কৰিবৰ বাবে এনে সংগঠনত বিশেষজ্ঞ ব্যক্তিৰ সেৱাৰ প্ৰয়োজন হয়। এনে প্ৰতিষ্ঠানৰ বাবে কোম্পানী আৰ্হিৰ সংগঠন অতি উপযোগী হয়। এজনীয়া ব্যৱসায় বা অংশীদাৰী ব্যৱসায় কোনোটোৱেই পেশাদাৰী অৰ্হতাসম্পন্ন ব্যক্তিক নিয়োগ কৰিব নোৱাৰে। তদুপৰি অৰ্হতাসম্পন্ন ব্যক্তিয়ে ক্ষুদ্ৰ আকাৰৰ প্ৰতিষ্ঠানত তেওঁলোকৰ কৰ্মজীৱনৰ অগ্ৰগতিৰ (career) সুবিধাসমূহৰ ব্যৱস্থা নথকাৰ বাবে তাত যোগদান কৰিবলৈ ইচ্ছা নকৰিব পাৰে।

৩। **দেনা (Liability) ঃ** এজনীয়া ব্যৱসায় আৰু অংশীদাৰী ব্যৱসায়ৰ মালিকৰ দেনা অসীম। তেওঁলোকৰ দেনা তেওঁলোকে আগবঢ়োৱা মূলধনৰ পৰিমাণতে সীমিত নহয়। তেওঁলোকৰ ব্যক্তিগত সম্পত্তি ব্যৱসায়ৰ দায় তথা দেনা পৰিশোধৰ বাবে আৱোপ কৰা হয়। কোম্পানীৰ ক্ষেত্ৰত অংশপত্ৰধাৰকসকলে ক্ৰয় কৰা অংশপত্ৰৰ অনাদায়ী হৈ থকা ধনৰ পৰিমাণহে পৰিশোধ কৰিব লাগে। অংশপত্ৰধাৰকসকলৰ ব্যক্তিগত সম্পত্তি ব্যৱসায়ৰ লোকচান পূৰণ কৰিবৰ বাবে দায়ী নহয়। যিবিলাক ব্যৱসায়ৰ সম্ভাব্য ক্ষয়-ক্ষতিৰ সম্ভাৱনা বেছি তেনেক্ষেত্ৰত কোম্পানী আৰ্হিৰ সংগঠন বেছি উপযুক্ত হয়। যিবোৰ ব্যৱসায় গোটত সম্ভাব্য ক্ষয়-ক্ষতিৰ সম্ভাৱনা কম সেইবোৰ ব্যৱসায় এজনীয়া বা অংশীদাৰী ভিত্তিত আৰম্ভ কৰিব পাৰে। এটা কোম্পানীত বহুসংখ্যক ব্যক্তি থাকে। এজনীয়া ব্যৱসায়ৰ ব্যৱসায়ীজন আৰু অংশীদাৰী ব্যৱসায়ৰ অংশীদাৰসকলৰ সম্ভাব্য ক্ষয়-ক্ষতিৰ বোজা বহন কৰা ক্ষমতা সীমিত।

৪। **ধাৰাবাহিকতা (Continuity) ঃ** ধাৰাবাহিকতা মালিকীস্বত্ত্বৰ আৰ্হিৰ সিদ্ধান্ত লওঁতে বিবেচনাত লোৱা আন এটা কাৰক। যদি ব্যৱসায় প্ৰতিষ্ঠানখন সুস্থিৰ হয় আৰু তাত ধাৰাবাহিকতা থাকে তেনে ব্যৱসায়ে অধিক পৰিমাণৰ বিনিয়োগ আকৰ্ষণ কৰিব পাৰে। এনে ক্ষেত্ৰত কোম্পানী আৰ্হিৰ সংগঠন উপযুক্ত হয়। কোম্পানী আৰ্হিৰ সংগঠন হৈছে একমাত্ৰ সংগঠনৰ আৰ্হি যি সুস্থিৰতা আৰু ধাৰাবাহিকতা নিশ্চিত কৰে। এজনীয়া ব্যৱসায় এটা ব্যৱসায়ীজনৰ মৃত্যুৰ পিছতেই বন্ধ হৈ যাব পাৰে। যিকোনো ধৰণৰ শাৰীৰিক আৰু বিত্তীয় সমস্যাই এটা ব্যৱসায় বন্ধ কৰিবলৈ বাধ্য কৰিব পাৰে। অংশীদাৰী প্ৰতিষ্ঠানবোৰ চিৰস্থায়ী আয়ুষ্কাল নাথাকে। বিভিন্ন কাৰণত ই বন্ধ হৈ যাব পাৰে। কেৱলমাত্ৰ কোম্পানী আৰ্হিৰ সংগঠনহে ইয়াৰ অংশপত্ৰধাৰকসকলৰ ব্যক্তিগত জীৱনৰ দ্বাৰা প্ৰভাৱান্বিত নহয়। ব্যৱসায়ৰ কাম-কাজৰ স্থিৰতা অপৰিহাৰ্য হ'লে কোম্পানী আৰ্হিৰ সংগঠন উপযোগী হয়।

৫। **কৰৰ দেনা (Tax Liability) ঃ** এজনীয়া ব্যৱসায় আৰু অংশীদাৰী ব্যৱসায়তকৈ যৌথ কাৰবাৰৰ কোম্পানীৰ কৰ দেনা বহু বেছি। এটা যৌথ কাৰবাৰৰ কোম্পানীয়ে দুবাৰ কৰ আৱোপনৰ দেনাৰ সন্মুখীন হ'ব লাগে। এটা কোম্পানীয়ে প্ৰথমে এজন ব্যক্তি হিচাপে কৰ দিব লাগে আৰু অংশপত্ৰধাৰকসকলক লাভাংশ প্ৰদান কৰোতে পুনৰ লাভাংশ পোৱা অংশপত্ৰধাৰকসকলে আয়কৰ দিব লাগে। এটা অংশীদাৰী ব্যৱসায় আৰু এটা এজনীয়া

ব্যৱসায়ৰ ওপৰত পৃথক পৃথকভাৱে কৰ ধার্য্য কৰা নহয়। এটা ক্ষুদ্ৰ আকাৰৰ ব্যৱসায় প্ৰতিষ্ঠানে উচ্চ পৰিমাণৰ কৰ দেনা পৰিহাৰ কৰিবলৈ সক্ষম হ'ব পাৰে।

৬। **চৰকাৰী নিয়ন্ত্ৰণ (Government Regulation) ঃ** সংগঠনৰ আৰ্হিৰ সিদ্ধান্ত লওঁতে উক্ত আৰ্হিটোত প্ৰভাৱ পেলোৱা বিভিন্ন ধৰণৰ বিধি-বিধান আৰু নিয়ন্ত্ৰণসমূহ বিবেচনাত ল'ব লাগে। কোম্পানী এটা পঞ্জীয়ন কৰোতে বিভিন্ন ধৰণৰ আনুষ্ঠানিকতা মানি চলিব লাগে। এটা কোম্পানীয়ে প্ৰতি বছৰে চৰকাৰক বহুসংখ্যক তথ্যৰ যোগান ধৰিব লাগে। বিভিন্ন আইনৰ বিধিবদ্ধ প্ৰয়োজনীয়তাসমূহ পূৰণৰ বাবে ই অভিজ্ঞ ব্যক্তিৰ সেৱা গ্ৰহণ কৰিব লাগে। এজনীয়া ব্যৱসায় এটাই এনে বিধিবদ্ধ প্ৰয়োজনীয়তা পূৰণ কৰিব নালাগে। সেইদৰে এটা অংশীদাৰী ব্যৱসায়ো চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত। আনকি অংশীদাৰী প্ৰতিষ্ঠানৰ পঞ্জীয়নো বাধ্যতামূলক নহয়।

৭। **ব্যৱসায়িক কাম-কাজৰ প্ৰকৃতি (Nature of Business Activities) ঃ** ব্যৱসায়ৰ কাম-কাজৰ প্ৰকৃতি সংগঠনৰ আৰ্হিৰ বিষয়ে সিদ্ধান্ত লওঁতে প্ৰভাৱ পেলোৱা আন এটা কাৰক। যদি ব্যৱসায়টোৱে স্থানীয় বজাৰ, ঋতুজনিত দ্ৰব্য বা পচনশীল দ্ৰব্য বেচা-কিনা কৰে, তেনেক্ষেত্ৰত এজনীয়া ব্যৱসায় উপযুক্ত হয়। এনে ব্যৱসায়ৰ বাবে মূলধনৰ পৰিমাণ কম লাগে আৰু ব্যৱসায়ৰ কাম-কাজৰ পৰিমাণো কম হয়। আনহাতে ব্যৱসায়টোৱে যদি বৃহৎ বজাৰত সোমাবলৈ চেষ্টা কৰে আৰু ব্যৱসায়িক কাম-কাজৰ পৰিসৰো বৃহৎ হয়, তেতিয়া কোম্পানী আৰ্হিৰ সংগঠন উপযোগী হয়। যদি প্ৰতিষ্ঠানখনৰ প্ৰাথমিক উদ্দেশ্য ইয়াৰ সদস্যসকললৈ সেৱা আগবঢ়োৱা হয় তেনেহ'লে এনেক্ষেত্ৰত সমবায় সমিতি অতি উপযোগী হয়।

৮। **মালিকীস্বত্ত্ব আৰু পৰিচালনাৰ মাজৰ সম্পৰ্ক (Relationship between Ownership and Management) ঃ** এজনীয়া ব্যৱসায় আৰু অংশীদাৰী ব্যৱসায়ৰ ক্ষেত্ৰত মালিকীস্বত্ত্ব আৰু পৰিচালনাৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক থাকে। কোম্পানী আৰ্হিৰ সংগঠনত পৰিচালনা আৰু মালিকীস্বত্ব দুটা বেলেগ বেলেগ পক্ষৰ হাতত ন্যস্ত থাকে। মালিক অৰ্থ্যাৎ অংশপত্ৰধাৰকসকল দেশৰ বা বিদেশৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থাকে আৰু তেওঁলোকে প্ৰতিষ্ঠানৰ কাম-কাজত সক্ৰিয় অংশগ্ৰহণ কৰিব নোৱাৰে। তদুপৰি অংশপত্ৰধাৰকসকলে প্ৰতিষ্ঠানৰ দৈনন্দিন কাম-কাজত যোগদান কৰিবও নোৱাৰে। ব্যৱসায় পৰিচালনাৰ দায়িত্ব সঞ্চালকমণ্ডলীৰ হাতত ন্যস্ত কৰা হয়। বিনিয়োগকাৰীয়ে ব্যৱসায় পৰিচালনাৰ দায়িত্ব নিজৰ হাতত ৰাখিবলৈ বিচাৰিলে অংশীদাৰী ব্যৱসায় বা এজনীয়া ব্যৱসায় প্ৰতিষ্ঠান আৰ্হিৰ সংগঠন উপযোগী হয়। যদি ব্যৱসায়ৰ বাবে বিনিয়োগকাৰীসকলে বেছি সময় দিব নোৱাৰে আৰু তেওঁলোকে কেৱলমাত্ৰ বিনিয়োগহে কৰিবলৈ বিচাৰে, তেনেক্ষেত্ৰত কোম্পানী আৰ্হিৰ সংগঠন উপযুক্ত হয়।

৯। **গঠনৰ সহজসাধ্যতা (Ease in Formation) ঃ** ব্যৱসায়ৰ আৰ্হিৰ সংগঠনৰ বিষয়ে সিদ্ধান্ত লওঁতে এখন প্ৰতিষ্ঠান স্থাপন তথা গঠন কৰোঁতে প্ৰয়োজন হোৱা নিয়ম-কানুনৰ

প্রকৃতি আৰু ইয়াৰ বিস্তৃতিয়েও প্ৰভাৱ পেলায়। এটা যৌথ কাৰবাৰৰ কোম্পানী পঞ্জীয়ন কৰোঁতে অৰ্হতাসম্পন্ন ব্যক্তিৰ সেৱাৰ প্ৰয়োজন হয়। কোম্পানী নিবন্ধনৰ সময়ত যথেষ্ট পৰিমাণৰ ধনৰো প্ৰয়োজন হয়। আনহাতে এটা এজনীয়া ব্যৱসায় বিভিন্ন নিয়ম-কানুনৰ মাজেদি নোযোৱাকৈ যিকোনো সময়তে সহজেই আৰম্ভ কৰিব পাৰে। যদি মালিকসকলে বিভিন্ন নিয়মকানুনৰ মাজেদি যাবলৈ নিবিচাৰে তেনেহ'লে তেওঁলোকে কোম্পানী আৰম্ভ কৰিব নালাগে।

ওপৰত উল্লেখ কৰা সকলোবোৰ কাৰক সংগঠনৰ আৰ্হি বাছনি কৰোতে বিবেচনাত ল'ব লাগে। এনে সিদ্ধান্ত লওঁতে যথেষ্ট বিচক্ষণ তথা উত্তম বিচাৰ-বুদ্ধিৰে বিবেচনা কৰিব লাগে, কিয়নো এবাৰ সংগঠনৰ আৰ্হি অৱলম্বন কৰাৰ পিছত উক্ত সংগঠনৰ আৰ্হি পৰিবৰ্তন কৰাটো অতি কঠিন হয়। এই সিদ্ধান্ত লওঁতে কেৱলমাত্ৰ বৰ্তমানৰ বিবেচনাৰ ভিত্তিতে নিৰ্ভৰ নকৰি ভৱিষ্যতৰ সম্ভাৱনাসমূহো বিবেচনাত ল'ব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ উপযুক্ত আৰ্হিৰ সংগঠন বাছনি কৰোঁতে প্ৰভাৱ পেলোৱা তিনিটা কাৰক উল্লেখ কৰক।

১। .....

২। .....

৩। .....



২.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি ব্যৱসায়ক এটা সংগঠন হিচাপে আলোচনা কৰিলোঁ যাৰ অধীনত লাভ অৰ্জন আৰু সামাজিক দায়িত্ব পালনৰ লগত জড়িত বিভিন্ন কাম-কাজ সম্পন্ন হয়। এই অধ্যায়টিত আলোচিত হোৱা প্ৰধান দিশসমূহ হ'ল ঃ

- উৎপাদন বিষয়ক কাৰ্যাৱলী
- পণ্য ক্ৰয় বিষয়ক কাৰ্যাৱলী
- পণ্য বিক্ৰী বিষয়ক কাৰ্যাৱলী
- বিত্ত বিষয়ক কাৰ্যাৱলী
- ব্যক্তিৰ বিষয়ক কাৰ্যাৱলী
- কাৰ্যালয় বিষয়ক কাৰ্যাৱলী

- হিচাপৰক্ষণ বিষয়ক কার্যাৱলী

- এটা ব্যৱসায় প্রতিষ্ঠানৰ আভ্যন্তৰীণ সংগঠনৰ দক্ষতা নির্ভৰ কৰে বিভাগসমূহৰ মাজত উপযুক্তভাৱে কৰা কর্মৰ বিভাজন আৰু প্রতিটো বিভাগৰ উপযুক্ত কর্তব্য পালনৰ ওপৰত।
- বিভাগীয়কৰণৰ বিভিন্ন সুবিধাসমূহ আৰু বিভাগীয়কৰণৰ বিভিন্ন পদ্ধতি।
- উৎপাদনৰ লগত জড়িত কাম-কাজ, ক্রয় কার্যসমূহ, বিত্তীয় কার্যসমূহ, নিয়োগ সম্বন্ধীয় কার্যসমূহ, কার্যালয়ৰ কার্যসমূহ আৰু হিচাপ সম্বন্ধীয় কার্যসমূহ।
- আভ্যন্তৰীণ সংগঠনৰ সাতবিধ প্রকাৰ উল্লেখ কৰা হ'ল ঃ
  - ৰৈখিক সংগঠন
  - কর্মচাৰী সংগঠন
  - কর্তব্যমূলক সংগঠন
  - ৰৈখিক আৰু কর্মচাৰী সংগঠন
  - প্রকল্প সংগঠন
  - সমিতি সংগঠন
  - বিশেষ উদ্দেশ্যে নিয়োজিত কর্মীদল।
- উপযুক্ত আর্হিৰ সংগঠনৰ নির্বাচনত প্রভাৱ পেলোৱা কাৰকসমূহৰ বিষয়ে এই অধ্যায়ত আলোচনা কৰা হৈছে।



২.১১ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.
2) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.
3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.
4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



২.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ উৎপাদনৰ লগত জড়িত কাম-কাজ, ক্রয় কার্যসমূহ, বিত্তীয় কার্যসমূহ, নিয়োগ সম্বন্ধীয় কার্যসমূহ আৰু হিচাপসম্বন্ধীয় কার্যসমূহ।

২ নং প্ৰশ্নৰ উত্তৰঃ ব্যৱসায় প্ৰতিষ্ঠানৰ সংগঠন প্ৰক্ৰিয়াৰ পদক্ষেপসমূহ হ'ল— (১) উদ্দেশ্য নিশ্চিতকৰণ, (২) কামকাজৰ বৰ্ণনা, (৩) কামকাজৰ বিভক্ত আৰু দলবদ্ধকৰণ, (৪) ব্যক্তিসকলক কামত মকৰল কৰা, (৫) কৰ্তৃত্ব আৰু দায়িত্ব অৰ্পণ, (৬) সৰ্বাংগীন নিয়ন্ত্ৰণৰ বাবে গঠন সংক্ৰান্ত সম্বন্ধৰ প্ৰতিষ্ঠা।

৩ নং প্ৰশ্নৰ উত্তৰঃ ১। মূলধনৰ প্ৰয়োজনীয়তা

২। পৰিচালনা আৰু প্ৰশাসনিক প্ৰয়োজনীয়তা

৩। কৰৰ দেনা



২.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ ব্যৱসায় সংগঠনৰ কাৰ্যক্ষেত্ৰ আলোচনা কৰক।

প্ৰশ্ন ২ঃ বিভাগীয়কৰণ বুলিলে কি বুজে? বিভাগীয়কৰণৰ বিভিন্ন সুবিধাসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ আভ্যন্তৰীণ সংগঠনৰ বিভিন্ন প্ৰকাৰসমূহ কি কি?

প্ৰশ্ন ৪ঃ আভ্যন্তৰীণ আৰু বাহ্যিক সংগঠনৰ মাজৰ পাৰ্থক্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ঃ এটা উপযুক্ত আৰ্হিৰ সংগঠন বাছনি কৰোঁতে প্ৰভাৱ পেলোৱা কাৰকসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ মালিকানাধীন ব্যৱসায়

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ মালিকানাধীন ব্যৱসায়ৰ অর্থ

৩.৪ মালিকানাধীন ব্যৱসায়ৰ বৈশিষ্ট্য

৩.৫ ভাৰতত মালিকানাধীন ব্যৱসায় আৰম্ভ কৰাৰ নিয়ম

৩.৬ একক মালিকানাধীন ব্যৱসায় আৰম্ভ কৰাৰ প্ৰক্ৰিয়া

৩.৭ একক মালিকানাধীন ব্যৱসায় আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় পৰীক্ষা-তালিকা

৩.৮ মালিকানাধীন ব্যৱসায়ৰ সুবিধা

৩.৯ মালিকানাধীন ব্যৱসায়ৰ অসুবিধা

৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.১১ অধিক জানিবলৈ

৩.১২ অগ্ৰগতিৰ খতিয়ান

৩.১৩ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মালিকানাধীন ব্যৱসায়ৰ অর্থ আৰু বৈশিষ্ট্য আলোচনা কৰিব পাৰিব
- মালিকানাধীন ব্যৱসায়ৰ সুবিধা আৰু অসুবিধাবোৰ ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

এই অধ্যায়টি পঢ়ি আপুনি মালিকানাধীন ব্যৱসায়ৰ অর্থ বুজি পাব। মাত্ৰ এগৰাকী ব্যক্তিৰ মালিকীস্বত্ব থকা, একক পৰিচালনা আৰু নিয়ন্ত্ৰণৰ অধীন ব্যৱসায়বোৰকে মালিকানাধীন ব্যৱসায় বোলা হয়। অধ্যায়টিত মালিকানাধীন ব্যৱসায়ৰ বিভিন্ন বৈশিষ্ট্যৰ লগতে ইয়াৰ সুবিধা আৰু অসুবিধাবোৰ আলোচনা কৰা হৈছে।

৩.৩ মালিকানাধীন ব্যৱসায়ৰ অর্থ

মাত্ৰ এগৰাকী ব্যক্তিৰ মালিকীস্বত্ব থকা আৰু একক পৰিচালনাৰে চলা ব্যৱসায়বোৰকে মালিকানাধীন ব্যৱসায়, এক ব্যক্তিৰ ব্যৱসায় অথবা ব্যক্তিগত মালিকানাধীন ব্যৱসায় বোলে।

ই ব্যৱসায় সংগঠনৰ ক্ৰমবিৱৰ্তিত ৰূপবোৰৰ প্ৰথম স্তৰটো সূচায়। ইয়াক ব্যৱসায় সংগঠনৰ সবাতোকৈ পুৰণি, সৰল আৰু স্বাভাৱিক ৰূপ বুলি গণ্য কৰা হয়। এনে ব্যৱসায়ত ব্যক্তিয়ে নিজৰ মূলধন খটুৱায় আৰু ব্যৱসায়টো পৰিচালনা কৰাত নিজ দক্ষতা আৰু বুদ্ধিমত্তা প্ৰয়োগ কৰে। ব্যৱসায় অভিযানৰ ফলাফলৰ বাবে একমাত্ৰ মালিকগৰাকীয়েই দায়ী। সমগ্ৰ ব্যৱসায়টো অকলে পৰিচালনা কৰাত মালিকগৰাকী অসমৰ্থ হ'লে তেওঁ অন্য মানুহৰ সহায় লয়। এনে ব্যক্তিক তেওঁ পাৰিশ্ৰমিক হিচাপে দৰমহা দিয়ে। সাধাৰণতে এনে ধৰণৰ ব্যৱসায় একোটা ক্ষুদ্ৰ এলেকাতে সীমাৱদ্ধ হৈ থাকে। মাত্ৰ এগৰাকী ব্যক্তিয়ে অকলে বৃহৎ অঞ্চললৈ ব্যৱসায় সম্প্ৰসাৰিত কৰাতো এক জটিল কাম।

মালিকানাধীন ব্যৱসায় মানে হ'ল মাত্ৰ এগৰাকী ব্যক্তিৰ ওপৰত অসীম দায়ৱদ্ধতা ন্যস্ত হৈ থকা গাইগুটীয়া ব্যৱসায়। সেইবাবে এনে ব্যৱসায়ক একক বেপাৰীৰ ব্যৱসায় অথবা একক মালিকানাধীন ব্যৱসায়ো বোলা হয়। মালিকানাধীন ব্যৱসায় হ'ল অসংবদ্ধ ব্যৱসায়। এনে ব্যৱসায় আৰম্ভ কৰা সহজ আৰু আন আটাইবোৰ প্ৰকাৰৰ মালিকানাধীন ব্যৱসায়তকৈ এনে ব্যৱসায় আৰম্ভ কৰোতে হোৱা ব্যয়ৰ পৰিমাণ কম। সাধাৰণতে ক্ষুদ্ৰ ব্যৱসায়ীসকলে এনে ব্যৱসায় বাছি লয়। ই ব্যৱসায়ৰ সৰলতম ৰূপ। মালিকানাধীন ব্যৱসায় এটা ব্যৱসায়ীয়ে নিজৰ নামত অথবা কোনো কাল্পনিক নামত চলাই থাকিব পাৰে। যেনে ধৰক, 'মামাৰ দোকান'। এই কাল্পনিক নামটো হ'ল সাধাৰণ ব্যৱসায়িক নাম। ই একক মালিকৰ পৰা পৃথক কোনো আইনী সত্ত্বাৰ সৃষ্টি নকৰে। এগৰাকী একক মালিকে কেৱল তেওঁৰ নামটো পঞ্জীয়ন কৰি এখন স্থানীয় ব্যৱসায় অনুজ্ঞাপত্ৰ আহৰণ কৰিব লাগে। এনে ব্যৱসায়ৰ গৰাকীয়ে আহৰণ কৰা লাভ অনুসৰি ব্যক্তিগত আয়কৰ পৰিশোধ কৰে।

একক মালিকানাধীন ব্যৱসায় হ'ল এটা পুৰণি আৰু অতি সৰল ব্যৱসায়ৰ প্ৰকাৰ। মাত্ৰ এগৰাকী ব্যক্তিয়ে এনে ব্যৱসায়ৰ সকলো দিশ চোৱা-চিতা কৰে। মালিকানাধীন ব্যৱসায়ৰ দুটামান সাধাৰণ উদাহৰণ হ'ল গেলামাল দোকান, দৰৱৰ দোকান, বিউটি পার্লাৰ, ফেব্ৰিকেশ্যনৰ দোকান আদি। বিভিন্ন অসুবিধা থকা সত্বেও বহুতো ব্যৱসায়ীয়ে মালিকানাধীন ব্যৱসায় পছন্দ কৰে। বিশেষকৈ ষ্টাৰ্ট-আপ ব্যৱসায় আৰম্ভ কৰাসকলৰ বাবে অন্তৰ্নিহিত লাভ আহৰণৰ সুবিধা থকা এনে ব্যৱসায় প্ৰথম পছন্দ। সামগ্ৰীৰ বাবে সীমিত বজাৰ অথবা ব্যক্তিগতকৃত সেৱা বিচৰা গ্ৰাহক থকা পৰিৱেশ এটাত এনে ব্যৱসায় উপযুক্ত। শাৰীৰিক দক্ষতাৰ প্ৰয়োজন থকা অথবা ব্যৱসায় আৰম্ভ কৰিবলৈ আপেক্ষিকভাৱে কম পৰিমাণৰ মূলধনৰ প্ৰয়োজন হোৱা আৰু অধিক মাত্ৰাত বিপদৰ আশংকা নথকা ব্যৱসায়বোৰৰ বাবেও এই উপায়টো উপযুক্ত।

৩.৪ মালিকানাধীন ব্যৱসায়ৰ বৈশিষ্ট্য

মালিকানাধীন ব্যৱসায়ৰ বৈশিষ্ট্যবোৰ তলত আলোচনা কৰা হ'ল-

১) **একক মালিকীস্বত্ত্ব ঃ** ব্যৱসায়ৰ এই প্ৰকাৰটোত মাত্ৰ এগৰাকী মালিকে সমগ্ৰ ব্যৱসায়টো পৰিচালনা কৰে। ব্যৱসায়টোৰ সৈতে জড়িত সকলো সম্পত্তিৰ মালিক হ'ল মালিকগৰাকী।

একেদৰে তেওঁ ব্যৱসায়টোৰ সৈতে জড়িত সকলো বিপদৰ আশংকা অকলে কঢ়িয়ায়। সেয়েহে, মালিকৰ মৃত্যু হ'লে এনে ব্যৱসায় বন্ধ হয়।

২) **আৰম্ভ কৰিবলৈ সহজ ঃ** মালিকানাধীন ব্যৱসায় এটা আৰম্ভ কৰিবলৈ সহজ আৰু ব্যৱসায়ৰ আটাইবোৰ প্ৰকাৰৰ ভিতৰত সবাতোকৈ কমখৰছী। একক মালিকানাধীন ব্যৱসায় আৰম্ভ, পৰিচালনা আৰু বন্ধ কৰাৰ বাবে আইনী আৱশ্যকতাৰ শূন্য প্ৰয়োজনীয়তা থাকে। এনে ব্যৱসায় আনকি পঞ্জীয়ন নকৰাকৈও চলাব পাৰি। কিন্তু ব্যৱসায় ৰক্ষাৰ উদ্দেশ্যত স্থানীয় স্বায়ত্ব শাসিত কৰ্তৃপক্ষত এনে ব্যৱসায় পঞ্জীয়ন কৰি অনুজ্ঞাপত্ৰ উলিয়াই লোৱা হয়।

৩) **পৃথক আইনী অস্তিত্ব নাথাকে ঃ** এনে ব্যৱসায়ত মালিকৰ বাহিৰে আন কোনো সুকীয়া আইনী অস্তিত্ব উপস্থিত নাথাকে। আইনে এনে ব্যৱসায়ক মালিকৰ এক ধৰণৰ ব্যক্তিগত সম্পত্তি বুলি গণ্য কৰে। এনে ব্যৱসায়ৰ ক্ষেত্ৰত সম্পত্তি আৰু ব্যৱসায়ৰ মাজত কোৱো আইনী পাৰ্থক্য নাথাকে।

৪) **কাৰো সৈতে লাভ-লোকচান ভগাব নালাগে ঃ** একক মালিকানাধীন ব্যৱসায়ৰ যোগেদি আহৰণ কৰা আয় সম্পূৰ্ণৰূপে মালিকৰ প্ৰাপ্য। একেদৰে, মালিকে এনে ব্যৱসায়ত হোৱা লোকচানৰ বোজা অকলে কঢ়িয়াব লাগে। তেওঁ কাৰো সৈতে লাভ-লোকচান ভগাব নালাগে।

৫) **মাত্ৰ এগৰাকী ব্যক্তিৰ মূলধন ঃ** এনে ব্যৱসায়ত মালিকগৰাকীয়ে ব্যৱসায়টো আৰম্ভ তথা পৰিচালনা কৰিবলৈ প্ৰয়োজন হোৱা সমুদায় মূলধন সংগ্ৰহ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। এই ধন তেওঁ ব্যক্তিগত সঞ্চয়ৰ পৰা অথবা বেংক, বিত্তীয় প্ৰতিষ্ঠান, বন্ধুমহল, আত্মীয়-স্বজনৰ পৰা ঋণ লৈ জমা কৰে।

৬) **অসীম দায়ৱদ্ধতা ঃ** একক মালিকানাধীন ব্যৱসায়ৰ এটা প্ৰধান অসুবিধা হ'ল মালিকে বহল কৰিবলগীয়া অসীম দায়ৱদ্ধতা। এনে ব্যৱসায়ত লোকচান হ'লে মালিকৰ ব্যক্তিগত আৰু ব্যৱসায়িক সম্পদবোৰ ব্যৱহাৰ কৰি দেয় ধন পৰিশোধ কৰা হয়।

৭) **ব্যৱস্থাপনা আৰু নিয়ন্ত্ৰণ ঃ** একক মালিকে ব্যৱসায়টো আগবঢ়াই নিবলৈ নিজৰ দক্ষতা, বুদ্ধিমত্তা আৰু ব্যুৎপত্তি প্ৰয়োগ কৰে। এনে ব্যৱসায় সম্পূৰ্ণৰূপে মালিকৰ বিচাৰ-বুদ্ধি নিৰ্ভৰশীল। তেঁৱেই ব্যৱসায়টোৰ সকলো কথাৰ একমাত্ৰ কৰ্তৃত্ব। ব্যৱসায়টোত তেওঁ পৃষ্ঠপোষক, বিত্তীয় সাহায্য প্ৰদানকাৰী আৰু ব্যৱস্থাপকৰ সংযুক্ত ভূমিকা পালন কৰে। ব্যৱসায় চলাবলৈ কোনো সিদ্ধান্ত লোৱাৰ পূৰ্বে অথবা কোনো কাম আৰম্ভ কৰিবলৈ তেওঁ কাৰো দিহা-পৰামৰ্শ লোৱাৰ প্ৰয়োজন নাই।

৮) **স্থায়ীত্ব ঃ** ব্যৱসায়ৰ আন আন প্ৰকাৰবোৰৰ তুলনাত একক মালিকানাধীন ব্যৱসায়ৰ স্থায়ীত্ব কম। বেছিভাগ ক্ষেত্ৰতে মালিকৰ মৃত্যু, মানসিক বিকাৰ অথবা স্থায়ী অসমৰ্থতাত এনে ব্যৱসায় বন্ধ হয়। কোনো অত্যাৱশ্যকীয় ব্যক্তিগত সেৱা আগবঢ়াই থকা ব্যৱসায়ৰ সৈতে অসমৰ্থতাৰ দিশটো জড়িত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ তলৰ উক্তিবোৰ শুদ্ধনে অশুদ্ধ কওক-

ক) মালিকানাধীন ব্যৱসায় দুগৰাকী ব্যক্তিয়ে মিলি আৰম্ভ কৰে।

খ) মালিকানাধীন ব্যৱসায়ৰ কোনো আইনী অস্তিত্ব নাথাকে।

গ) মালিকানাধীন ব্যৱসায়ৰ দায়বদ্ধতা সীমিত।

ঘ) মালিকানাধীন ব্যৱসায় এটা গৰাকীয়ে নিজে পৰিচালনা কৰে।

৩.৫ ভাৰতত মালিকানাধীন ব্যৱসায় আৰম্ভ কৰাৰ নিয়ম

নিজৰ মালিকানা থকা, মাত্ৰ এগৰাকী ব্যক্তিৰ দ্বাৰা নিয়ন্ত্রিত আৰু পৰিচালিত ব্যৱসায় এটা আৰম্ভ কৰিবলৈ কোনো আইনী আনুষ্ঠানিকতা অথবা পঞ্জীয়নৰ প্রয়োজন নাই। অৱশ্যে ৰাজ্য/কেন্দ্রীয় চৰকাৰৰ পৰা এনে ব্যৱসায়ৰ বাবে অনুজ্ঞাপত্র আহৰণ কৰিব লাগে আৰু কৰ বিভাগত পঞ্জীয়ন কৰাব লাগে। ব্যৱসায়ৰ প্রকাৰ অনুসৰি কৰ পঞ্জীয়নৰ লগতে ট্রেডমার্ক পঞ্জীয়নো কৰাবলগীয়া হ'ব পাৰে।

ব্যৱসায়ৰ অনুজ্ঞাপত্র ঃ ব্যৱসায়ৰ প্রকাৰ নির্বিশেষে সকলো ব্যৱসায় আৰম্ভ কৰাৰ আগতে অনুজ্ঞাপত্র আহৰণ কৰিব লাগে। ব্যৱসায় হিচাপে আৰম্ভ কৰিব খোজা কার্যকলাপবোৰক লৈ থকা বিধি-বিধানৰ ৰূপৰেখা সম্পূর্ণকৈ জানি লৈহে সংশ্লিষ্ট স্থানীয়, ৰাজ্যিক অথবা কেন্দ্রীয় কর্তৃপক্ষৰ পৰা প্রাসংগিক অনুজ্ঞাপত্র সংগ্রহ কৰিব লাগে। বিভিন্ন ব্যৱসায়ৰ বাবে প্রাসংগিক অনুজ্ঞাপত্রৰ উদাহৰণ দুটামান হ'ল-

- খাদ্যসামগ্রীৰ ব্যৱসায়ৰ বাবে ফুড বিজনেছ অ'পাৰেটৰৰ অনুজ্ঞাপত্র
- সীমা শুল্ক দালালিৰ ব্যৱসায়ৰ বাবে কাষ্টমচ্ ব্রোকাৰ অনুজ্ঞাপত্র
- নিৰাপত্তা সেৱা প্রদানকাৰী ব্যৱসায়ৰ বাবে চিকিউৰিটি এজেন্সী অনুজ্ঞাপত্র
- দোকান আৰু ব্যৱসায়িক ভৱন পৰিচালনাকাৰী ব্যৱসায়ৰ বাবে শ্বপ্ এণ্ড এষ্টাব্লিচ্মেণ্ট অনুজ্ঞাপত্র

কৰ পঞ্জীয়ন ঃ ব্যৱসায়ৰ কাম-কাজৰ ধৰণ-কৰণৰ ভিত্তি প্রাসংগিক শুল্ক কর্তৃপক্ষৰ কার্যালয়ত কৰ পঞ্জীয়ন কৰাব লাগে। ব্যৱসায়ীয়ে কৰিবলগীয়া কৰ পঞ্জীয়ন দুটামান হ'ল-

- ব্যৱসায়ৰ প্রকাৰ অনুসৰি GSTৰ নির্ধাৰিত সীমাৰ ভিতৰত মুঠ বার্ষিক বিক্রীৰ ভিত্তিত কৰিব খোজা ব্যৱসায়ৰ বাবে GST পঞ্জীয়ন
- ব্যৱসায়ত নিযুক্ত বৃত্তিজীৱিসকলে কৰিবলগীয়া প্র'ফেশ্যনেল কৰ পঞ্জীয়ন
- কর্মচাৰী নিযুক্তি দি চলোৱা ব্যৱসায়ৰ বাবে ESI/PF পঞ্জীয়ন

ট্রেডমার্ক পঞ্জীয়ন ঃ ভাৰতত মালিকানাধীন ব্যৱসায়ৰ বাবে কোনো ধৰণৰ পঞ্জীয়ক অথবা পঞ্জীয়ন বহী নাই। এইটো কাৰণতে মালিকানাধীন ব্যৱসায় এটা সাধাৰণতে যিকোনো নামেৰে পৰিচালিত কৰা হয়। তথাপিও প্রতিটো ব্যৱসায়ৰ বাবে ট্রেডমার্ক পঞ্জীয়ন কৰোৱাৰ

পৰামৰ্শ দিয়া হয়। ব্যৱসায়ৰ বাবে অনন্য নাম বাছনি কৰিলে এথবা ব্যৱসায়টো ব্ৰেণ্ডেড হ'লে এই পঞ্জীয়ন কৰোৱাটো আৱশ্যক। একেদৰে, যদি মালিকানাধীন ব্যৱসায়টোত এক বুজন পৰিমাণৰ ধন আৰু সময় বিনিয়োগ কৰাৰ প্ৰস্তাৱ লোৱা হয় অথবা ব্যৱসায়টোৰ পৰা আহৰিত কোনো দ্ৰব্য নাইবা সেৱাৰ কথা চিনাক্ত কৰিবলৈ বিশেষভাৱে ব্যৱসায়ৰ নামটো ব্যৱহাৰ কৰাৰ সিদ্ধান্ত লোৱা হয়, তেতিয়াও ট্ৰেডমাৰ্ক পঞ্জীয়ন কৰোৱাৰ পৰামৰ্শ দিয়া হয়।

৩.৬ একক মালিকানাধীন ব্যৱসায় আৰম্ভ কৰাৰ প্ৰক্ৰিয়া

একক মালিকানাধীন ব্যৱসায় আৰম্ভ কৰাৰ প্ৰক্ৰিয়াটো তলত দিয়া হ'ল-

- যদি ব্যৱসায় আৰম্ভ কৰিব খোজা ব্যক্তিগৰাকীৰ PAN কার্ড নাই, তেন্তে পোনপ্ৰথমে PAN কার্ডৰ বাবে আবেদন কৰিব লাগে।
- PAN কার্ড হাতত পৰাৰ পাছত একক মালিকানাধীন ব্যৱসায়টোৰ এটা নাম বাছনি কৰিব লাগে।
- ইয়াৰ পাছত ব্যৱসায়টোৰ নামেৰে এটা বেংক একাউণ্ট খুলিব লাগে। ব্যৱসায়টোৰ সকলো ধৰণৰ লেন-দেনৰ বাবে এই একাউণ্টটো ব্যৱহাৰ কৰিব লাগে।
- এনে ব্যৱসায় আৰম্ভ কৰাৰ বাবে কোনো নির্ধাৰিত পঞ্জীয়নৰ প্ৰয়োজন নাই যদিও কেইটামান মৌলিক পঞ্জীয়ন কৰি থ'লে ভাল। এনে পঞ্জীয়নবোৰ হ'ল-
- ব্যৱসায় আৰম্ভ কৰিব খোজা ৰাজ্যখনৰ দোকান আৰু ব্যৱসায় স্থাপন আইনৰ অধীনত পঞ্জীয়ন প্ৰমাণপত্ৰ এখন উলিয়াব লাগে।
- ব্যৱসায়টোৰ মুঠ বার্ষিক বিক্ৰী যদি ২০ লাখ টকাতকৈ অধিক হয়, তেন্তে ব্যৱসায়ীগৰাকীয়ে GST পঞ্জীয়নো কৰাব লাগে।
- এনে ব্যৱসায়ক ক্ষুদ্ৰ, লঘূ আৰু মধ্যম উদ্যমিতা আইন (MSME Act)ৰ অধীনত পঞ্জীয়ন কৰাব পাৰে। এই পঞ্জীয়ন ব্যধ্যতামূলক নহয় যদিও ইয়াৰ দ্বাৰা ব্যৱসায়ী উপকৃত হোৱাৰ অৱকাশ আছে।

৩.৭ একক মালিকানাধীন ব্যৱসায় আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় পৰীক্ষা-তালিকা

- ব্যৱসায়ৰ গৰাকীৰ PAN কার্ড
- আধাৰ কার্ড।
- ব্যৱসায়টোৰ নাম আৰু ঠিকনা।
- ব্যৱসায়টোৰ নামত খোলা বেংক একাউণ্টৰ সবিশেষ।
- ব্যৱসায় আৰম্ভ কৰিব খোজা ৰাজ্যখনৰ দোকান আৰু ব্যৱসায় স্থাপন আইনৰ অধীনত পঞ্জীয়ন প্ৰমাণপত্ৰ।

- ব্যৱসায়টোৰ মুঠ বার্ষিক বিক্রী যদি ২০ লাখ টকাতকৈ অধিক হয়, তেন্তে ব্যৱসায়ৰ GST পঞ্জীয়ন।

৩.৮ মালিকানাধীন ব্যৱসায়ৰ সুবিধা

ব্যৱসায়ৰ অন্য প্রকাৰবোৰৰ তুলনাত মালিকাধীন ব্যৱসায়ৰ তলত উল্লেখ কৰা সুবিধাবোৰ আছে-

১) **সহজে আৰম্ভ কৰিব পাৰি ঃ** এনেধৰণৰ ব্যৱসায় আৰম্ভ কৰাৰ ক্ষেত্রত বহু বেছি আইনী আনুষ্ঠানিকতা নাই। সেয়েহে এনে ব্যৱসায় সহজে আৰম্ভ কৰিব পাৰি।

২) **কাম কৰিবলৈ সহজ ঃ** ওপৰত উল্লেখ কৰা হৈছেই যে এনে ধৰণৰ ব্যৱসায় আইনী হস্তক্ষেপৰ পৰা মুক্ত। এনে ব্যৱসায়ৰ দৈনন্দিন কাম-কাজবোৰ পৰিচালনা কৰাতো অতি সহজ। এই কাৰণতে মালিকানাধীন ব্যৱসায়ক ব্যৱসায়ৰ সবাতোকৈ সৰল ৰূপ বোলা হয়।

৩) **ব্যৱসায়ৰ গোপনীয়তা বর্তাই ৰাখিব পাৰি ঃ** একক মালিকানাধীন ব্যৱসায়ৰ গোপন তথ্যবোৰ লুকুৱাই ৰখাতো সহজ। প্রতিদ্বন্দ্বীয়ে সহজে এনে ব্যৱসায়ৰ গুপ্ত কথাবোৰ, ব্যৱসায় বিকাশ কৰাৰ পদ্ধতিবোৰ, ব্যৱসায়ীৰ বিশেষ দক্ষতা,জ্ঞান, কৌশল অথবা দূৰদৃষ্টিৰ উমান নাপায়।

৪) **তাৎক্ষণিক সিদ্ধান্ত গ্রহণৰ সুবিধা ঃ** এনে ব্যৱসায়ত সকলো ধৰণৰ ব্যৱসায়িক বিষয়ৰ সিদ্ধান্ত তৎক্ষণাত ল'ব পৰা যায়। ব্যৱসায়ীয়ে সিদ্ধান্ত গ্রহণৰ সময়ত বহুতো লোকৰ মতামত গ্রহণ কৰি অপ্রয়োজনীয়ভাৱে সময় খৰছ কৰিব নালাগে। ব্যৱসায়ীয়ে পৰিৱর্তশীল বজাৰত সময়ে সময়ে সৃষ্টি হোৱা লাভ অর্জনৰ সুযোগবোৰ গ্রহণ কৰিবলৈ তাৎক্ষণিক আৰু ফলপ্রসূ সিদ্ধান্ত ল'ব পাৰে।

৫) **পৰিচালনাৰ উৎসাহ ঃ** ব্যৱসায়ৰ গৰাকীয়ে সমস্ত লাভ অকলে উপভোগ কৰে। সেয়েহে ব্যৱসায় উন্নত কৰিবলৈ আৰু অধিক প্রয়াস কৰাৰ বাবে তেওঁৰ মনত এক স্বাভাৱিক ইচ্ছাৰ সৃষ্টি হয়। চেষ্টা আৰু পুৰস্কাৰৰ মাজত থকা প্রত্যক্ষ সম্পর্কই ব্যৱসায়ীৰ বাবে এক শক্তিশালী উদ্দীপকৰ কাম কৰে। ইয়াৰ ফলতেই ব্যৱসায়ীয়ে কঠোৰ পৰিশ্রম কৰে আৰু সমস্যাবোৰ ফলপ্রসূভাৱে সমাধান কৰে।

৬) **ঘনিষ্ঠ ব্যৱসায়িক সম্পর্ক ঃ** ব্যৱসায়ৰ আকাৰ সৰু হোৱাৰ বাবে ব্যৱসায়ীয়ে গ্রাহকৰ সৈতে একোটা ঘনিষ্ঠ সম্পর্ক বর্তাই ৰখাৰ ফলত তেওঁলোকৰ ৰুচি, অভ্যস আৰু বিশেষ মনোভাৱ সহজে বুজি পায়। ইয়াৰ ফলত তেওঁৰ গ্রাহকৰ সৈতে সদিচ্ছামূলক সম্পর্ক গঢ় লৈ উঠে আৰু ব্যৱসায়টোৰ প্রতিষ্ঠা ব্যঢ়ে।

৭) **কর্মচাৰীৰ সৈতে সুসম্পর্ক স্থাপন হয় ঃ** ব্যৱসায়ৰ একক গৰাকীয়ে কর্মচাৰীসকলৰ সৈতে এটা সৌহার্দপূর্ণ পৰিৱেশ গঢ়ি তুলিব পাৰে। ব্যক্তিগত আৰু ঘনিষ্ঠ সম্পর্ক থকাৰ ফলত তেওঁ কর্মচাৰীসকলৰ ওজৰ-আপত্তি সমিলমিলৰ মাধ্যমেৰে সোনকালে নিষ্পত্তি কৰিব

পাৰে।

৮) **পৰিচালনাত মিতব্যয়িতা ঃ** ব্যৱসায়ৰ গৰাকীয়ে নিজেই সকলো কাম-কাজ চোৱা-চিতা কৰে। মাত্ৰ কোনো ব্যতিক্ৰম পৰিস্থিতিতহে তেওঁ ঘনিষ্ট বন্ধু আৰু আত্মীয় স্বজনৰ অথবা বিশ্বাসী বেতনভোগী পক্ষৰ পৰা সহায় বিচাৰিব পাৰে। এইবোৰ কথাৰ ভিত্তিত ক'ব পাৰি যে মালিকানাধীন ব্যৱসায়ৰ ব্যৱস্থাপনা শিতানবোৰৰ বাবদ হোৱা ব্যয় আন ব্যৱসায়তকৈ আপেক্ষিকভাৱে কম।

৯) **অসীম দায়ৱদ্ধতা-এক শক্তি ঃ** অসীম দায়ৱদ্ধতাই ব্যৱসায়ৰ গৰাকীৰ বাবে এক শক্তিউৎসৰ ভূমিকা ল'ব পাৰে। ই ব্যৱসায়ত লোকচান হ'ব পৰা পৰিস্থিতিবোৰ এৰাই চলিবলৈ গৰাকীক অধিক উদ্যম, আগভাগ আৰু দৃঢ়সংকল্পৱদ্ধতাৰে কাম কৰি যোৱাৰ উৎসাহ যোগায়। অসীম দায়ৱদ্ধতাই ঋণদাতাসকলকো আত্মবিশ্বাসী কৰি তোলে। ইয়ে গৰাকীক ব্যৱসায় চলাবলৈ অধিক ধন ধাৰে লোৱাৰ সুযোগ দিয়ে।

১০) **স্ব-নিয়োজনৰ সুবিধা ঃ** মালিকানাধীন ব্যৱসায়ে অইনৰ অধীনত কাম কৰিব নোখোজাসকলক জীৱন যাপনৰ এক উন্নত পথ আৰু জীৱিকা অৰ্জনৰ একোটা উপায় আগবঢ়ায়। এনে ব্যক্তিয়ে সহজে একোটা সৰু ব্যৱসায় আৰম্ভ কৰি উপাৰ্জন কৰিব পাৰে। সেয়েহে মালিকানাধীন ব্যৱসায়বোৰৰ সামাজিক দিশেৰেও এক গুৰুত্ব আছে।

৩.৯ মালিকানাধীন ব্যৱসায়ৰ অসুবিধা

একক মালিকানাধীন ব্যৱসায়ৰ মূল অসুবিধাবোৰৰ কেন্দ্ৰ হ'ল গৰাকীৰ হাতত পৰ্যাপ্ত সমল-সামগ্ৰীৰ লগতে প্ৰয়োজনীয় পৰিচালনা দক্ষতা নথকা। তলত এনে দুটামান অসুবিধা আলোচনা কৰা হ'ল-

১) **সীমিত মূলধন আৰু পৰ্যাপ্ত সমলৰ অভাৱ ঃ** মালিকানাধীন ব্যৱসায়ত ব্যক্তিয়ে প্ৰধানকৈ নিজৰ সঞ্চয়কে ভাৰসা কৰিবলগীয়া হয়। বেংক আৰু অন্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ধন ধাৰে লোৱাতো এক খৰছী আৰু জটিল প্ৰক্ৰিয়া। পৰিৱৰ্তিত সম. আৰু পৰিস্থিতিয়ে দাবী কৰিলেও ব্যৱসায়ীয়ে কেতিয়াবা ব্যৱসায় সম্প্ৰসাৰণ কৰাত অসুবিধাৰ সন্মুখীন হ'ব পাৰে। ফলত তেওঁ ব্যৱসায় সম্প্ৰসাৰণৰ বাবে উৰ্দ্ধমুখী হ'ব পৰা আৰ্থিক স্থিতিৰ সুবিধা গ্ৰহণ কৰিব নোৱাৰে।

২) **অসীম দায়ৱদ্ধতাৰ ভাবুকি ঃ** এনে ব্যৱসায়ত ব্যক্তিগত সম্পত্তি হেৰুওৱাৰ দুঃচিন্তা এটা থাকে। ব্যৱসায়ত লোকচান হোৱাৰ ভয় এটাই ব্যৱসায়ীক সষ্টম কৰি ৰাখে। ইয়াৰ ফলত তেওঁ অতি সাৱধানী আৰু গোড়া হৈ পৰে। কেতিয়াবা ই তেওঁক আৱশ্যকতা থকা সত্বেও ব্যৱসায় সম্প্ৰসাৰণৰ সাহসী সিদ্ধান্ত লোৱাত বাধা দিয়ে।

৩) **সীমিত ব্যৱস্থাপন দক্ষতা ঃ** আধুলিক ব্যৱসায়বোৰ অত্যন্ত জটিল। বজাৰৰ সদা পৰিৱৰ্তলশীল প্ৰকৃতিটোৱেই ইয়াৰ প্ৰধান কাৰণ। ব্যৱসায়ৰ দৈনন্দিন কাম-কাজবোৰ পৰিচালনাৰ বিধি-বিধানবোৰো অহৰহ সলনি হৈ থাকে। এই অসুবিধাবোৰৰ সৈতে

যুঁজিবলৈ ব্যৱসায়ীৰ ব্যৱস্থাপন দক্ষতা উচ্চস্তৰৰ হ'ব লাগে। কিন্তু ব্যক্তিৰ গাত সকলোবোৰ গুণ নাথাকে। তাতে এগৰাকী ব্যৱসায়ী সকলো সময়তে কামৰ বোজাৰে ভাৰাক্রান্ত হৈ থাকে। তেওঁ বিত্তীয় দিশটোৰ লগতে ক্রয়, বিক্রয়, বিজ্ঞাপন, যোগাযোগ ৰক্ষা, হিচাব ৰখা আদি সকলো কাম অকলে কৰিব লাগে। এগৰাকী ব্যক্তি এই সকলো কামতে সমানে দক্ষ হ'ব নোৱাৰে বাবে কার্যদক্ষতাৰ অভাৱ ঘটে। সেয়েহে কেতিয়াবা সিদ্ধান্তবোৰৰ মাজত সমতা হেৰাই যায়। আকৌ, এটা মালিকানাধীন ব্যৱসায়ত **শ্রম** বিভাজন আৰু বিশেষ ব্যুৎপত্তিৰ অনুপস্থিতিয়েও অসুবিধাৰ সৃষ্টি কৰে।

৪) **দৰ-দাম কৰাৰ দুর্বল সামর্থ** ঃ প্রায়েই একক মালিকানাধীন ব্যৱসায়ৰ গৰাকীয়ে ক্রেতা আৰু বিক্রেতা দুয়োটা ৰূপতে বজাৰত কোনো নিয়ন্ত্রক প্রভাৱ খটুৱাব নোৱাৰে। কাৰণ এনে ব্যৱসায়ৰ ব্যাপ্তি আৰু পৰিধি দুয়োটাই সীমিত। সেয়েহে তেওঁ কেতিয়াবা বজাৰত হোৱা সামান্য পৰিৱর্তনৰ দ্বাৰাও প্রভাৱিত হয়।

৫) **সিদ্ধান্তৰ অনিশ্চয়তা** ঃ মালিকানাধীন ব্যৱসায়বোৰ সজায় অস্থিৰতাত আক্রান্ত। এনে ব্যৱসায় দীর্ঘদিন ধৰি চলিব বুলি আশা কৰিব নোৱাৰি। মালিকৰ মৃত্যু, মানসিক বিকাৰ, স্থায়ী দৈহিক অসামর্থতা আদিৰ বাবে এনে ব্যৱসায় এটা চিৰদিনলৈ বন্ধ হৈ যাব পাৰে। তেওঁৰ উত্তৰাধিকাৰীসকল ব্যৱসায়টো চলাই যোৱাৰ পক্ষপাতী নহ'বও পাৰে। ই তেওঁৰ গ্রাহকসকলক গভীৰ অসন্তুষ্টি দিব পাৰে। বছৰ বছৰ ধৰি বর্তাই ৰখা সদিচ্ছা আৰু প্রতিষ্ঠা লাঘৰ হ'লে এটা সময়ত এনে ব্যৱসায় বন্ধ হৈ পৰে।

৬) **নিয়ন্ত্রিত বিকাশ** ঃ ব্যৱসায়ীৰ মূলধন আৰু সামর্থ সীমিত বাবে এনে ব্যৱসায়ৰ স্বাভাৱিক বিকাশ বাধাগ্রস্ত হয়। কিন্তু এটা জৈৱিক সত্ত্বা হিচাপে ব্যৱসায়ৰ আকাৰ বৃদ্ধি হ'বই। এইটো দিশেৰে চালে পৰিৱর্দ্ধিত আৰু সম্প্রসাৰিত হোৱাৰ সম্ভাৱনা থকা ব্যৱসায়বোৰৰ বাবে মালিকানাধীন পদ্ধতিটো উপযুক্ত নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ মালিকানাধীন ব্যৱসায়ৰ সুবিধাবোৰ উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৩ঃ মালিকানাধীন ব্যৱসায়ৰ অসুবিধাবোৰ উল্লেখ কৰক।

.....

.....



৩.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি মালিকানাধীন ব্যৱসায়ৰ বিষয়ে আলোচনা কৰিলোঁ। আলোচনা কৰা মূল কথাবোৰ হ'ল-

- মাত্ৰ এগৰাকী ব্যক্তিৰ মালিকীস্বত্ব থকা আৰু একক পৰিচালনাৰে চলা ব্যৱসায়বোৰকে মালিকানাধীন ব্যৱসায়, এক ব্যক্তিৰ ব্যৱসায় অথবা ব্যক্তিগত মালিকানাধীন ব্যৱসায় বোলে।
- এনে ব্যৱসায়ত ব্যক্তিয়ে নিজৰ মূলধন খটুৱায় আৰু ব্যৱসায়টো পৰিচালনা কৰাত নিজ দক্ষতা আৰু বুদ্ধিমত্তা প্ৰয়োগ কৰে।
- মালিকানাধীন ব্যৱসায় আৰম্ভ কৰিবলৈ সহজ, এনে ব্যৱসায়ৰ গোপনীয়তা ৰক্ষা তথা সিদ্ধান্ত গ্ৰহণ কৰাটোও সহজ।
- মালিকানাধীন ব্যৱসায় আৰম্ভ কৰিবলৈ কোনো আইনী আনুষ্ঠানিকতা অথবা পঞ্জীয়নৰ প্ৰয়োজন নহয়।
- মালিকানাধীন ব্যৱসায় আৰম্ভ কৰিবলৈ ৰাজ্যিক/কেন্দ্ৰীয় চৰকাৰৰ পৰা ব্যৱসায়ৰ অনুজ্ঞাপত্ৰ আহৰণ কৰিব আৰু কৰ বিভাগত পঞ্জীয়ন কৰিব লাগে।



৩.১১ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.
2) Gandhi, Poonam; *Business Studies*; NaiSarak, Delhi: Dhanpat Rai & Co.
3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.
4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



৩.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (১) অ

উত্তৰ ১) ক) অশুদ্ধ খ) শুদ্ধ গ) অশুদ্ধ ঘ) শুদ্ধ

উত্তৰ ২) ক) আৰম্ভ কৰিবলৈ সহজ, খ) তাৎক্ষণিক সিদ্ধান্ত ল'ব পাৰি, গ) ব্যৱসায়িক গোপনীয়তা অক্ষুণ্ণ ৰাখিব পাৰি।

উত্তৰ ৩) ক) সীমিত মূলধন, খ) অসীম দায়ৱদ্ধতা, গ) ব্যৱসায়ৰ অনিশ্চয়তা।



৩.১৩ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ মালিকানাধীন ব্যৱসায় সম্পর্কে এটা চমুটোকা লিখক।

প্রশ্ন ২ঃ মালিকানাধীন ব্যৱসায়ৰ সুবিধাবোৰ কি কি?

প্রশ্ন ৩ঃ ভাৰতত মালিকানাধীন ব্যৱসায় এটা আৰম্ভ কৰাৰ নিয়মবোৰ কি কি?

প্রশ্ন ৪ঃ একক মালিকানাধীন ব্যৱসায় আৰম্ভ কৰাৰ বাবে প্রয়োজনীয় পৰীক্ষা-তালিকাখনত কি কি উপাদান থাকে উল্লেখ কৰক।

*** ***** ***

অধ্যায় ৪ ঃ অংশীদাৰি ব্যৱসায়

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ অংশীদাৰিত্ব ব্যৱসায়ৰ অর্থ আৰু বৈশিষ্ট্য

৪.৪ অংশীদাৰিত্বৰ গুণ আৰু অসুবিধা

৪.৫ অংশীদাৰিত্ব প্রতিষ্ঠানৰ গঠন

৪.৫.১ অংশীদাৰিত্বৰ চুক্তিপত্র

৪.৫.২ অংশীদাৰিত্বৰ পঞ্জীয়ন

৪.৬ সীমিত দায়বদ্ধতা অংশীদাৰিত্ব

৪.৬.১ এল এল পিৰ বৈশিষ্ট্যসমূহ

৪.৬.২ সীমিত দায়বদ্ধতা অংশীদাৰিৰ সুবিধা

৪.৬.৩ সীমিত দায়বদ্ধতা অংশীদাৰিৰ অসুবিধা

৪.৬.৪ এল এল পিৰ পঞ্জীয়নৰ প্রক্রিয়া

৪.৭ সীমিত দায়বদ্ধতা অংশীদাৰিত্ব আৰু অংশীদাৰিত্বৰ মাজৰ পার্থক্য

৪.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

৪.৯ অগ্রগতিৰ খতিয়ান

৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যায়ন কৰি আপুনি-------

- অংশীদাৰিত্বৰ সংজ্ঞা দিব পাৰিব
- অংশীদাৰিত্বৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অংশীদাৰিত্বৰ গুণ আৰু অসুবিধাৰ ৰূপৰেখা দাঙি কৰিব পাৰিব
- অংশীদাৰিত্বৰ চুক্তিখন ব্যাখ্যা কৰিবপাৰিব
- অংশীদাৰিত্ব প্রতিষ্ঠান গঠন আৰু পঞ্জীয়নৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সীমিত অংশীদাৰিত্ব আৰু অংশীদাৰিত্বৰ মাজৰ পার্থক্য আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

আগৰ অধ্যায়ত আপুনি একক মালিকানাধীন ব্যৱসায়ৰ বিষয়ে কিছু ধাৰণা পাইছে। একক মালিকানাধীন ব্যৱসায়ৰ অভাৱ দূৰ কৰিবলৈ ব্যৱসায়ৰ অংশীদাৰিত্বৰ ৰূপটো বিকশিত কৰা হৈছিল। দুজন বা তাতকৈ অধিক ব্যক্তিয়ে নিজৰ আর্থিক আৰু পৰিচালনাৰ দক্ষতা আৰু সম্পদ একত্রিত কৰি ব্যৱসায় চলাবলৈ এই অংশীদাৰিত্ব গঠন কৰে। ক'ব পাৰি যে অংশীদাৰিত্ব হৈছে একক মালিকানাধীনতাৰ সম্প্রসাৰণ। ২০০৮ চনত সীমিত দায়বদ্ধতা অংশীদাৰিত্ব আইন প্রণয়ন কৰা হয় যিয়ে ভাৰতত সীমিত দায়বদ্ধতা অংশীদাৰিত্ব অন্তর্ভুক্ত কৰাৰ পথ প্রশস্ত কৰে।

এই অধ্যায়ত আপুনি অংশীদাৰিত্ব আৰু সীমিত দায়বদ্ধতা অংশীদাৰিত্বৰ বিভিন্ন দিশৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব যেনে ইয়াৰ বৈশিষ্ট্য, গুণ আৰু অসুবিধা, অংশীদাৰিত্ব আৰু সীমিত দায়বদ্ধতা অংশীদাৰিত্বৰ মাজৰ পার্থক্য।

৪.৩ অংশীদাৰিত্ব ব্যৱসায়ৰ অর্থ আৰু বৈশিষ্ট

অংশীদাৰিত্ব হৈছে দুজন বা তাতকৈ অধিক ব্যক্তিৰ স্বেচ্ছামূলক প্রতিষ্ঠানযিয়ে কিছুমান ব্যৱসায় যৌথভাৱে চলাবলৈ সন্মত হয় আৰু ইয়াৰ লাভ-লোকচানৰ অংশীদাৰ হয়। ই এনে এক সংগঠনৰ প্রকাৰ য'ত দুজন বা তাতকৈ অধিক ব্যক্তিয়ে স্বেচ্ছাই যোগদান কৰি কিছুমান বৈধ ব্যৱসায় চলাবলৈ সন্মত হয় আৰু তেওঁলোকে মূলধন বিনিয়োগ কৰে, নিজৰ পৰিচালনা ক্ষমতা ব্যৱহাৰ কৰে আৰু নিজৰ মাজতে লাভ-লোকচানৰ ভাগ-বতৰা কৰে। অংশীদাৰিত্বত প্রৱেশ কৰা ব্যক্তিসকলক ব্যক্তিগতভাৱে "অংশীদাৰ" আৰু সামূহিকভাৱে "অংশীদাৰী প্রতিষ্ঠান" বুলি কোৱা হয়।

বিভিন্ন পণ্ডিতে দিয়া কিছুমান সংজ্ঞা তলত উল্লেখ কৰা হ'ল:

এল.এইচ.হানিৰ মতে,"অংশীদাৰিত্ব হ'ল চুক্তি কৰিবলৈ সক্ষম ব্যক্তিসকলৰ মাজৰ সম্পর্ক, যিসকলে ব্যক্তিগত লাভৰ লক্ষ্যৰে সাধাৰণভাৱে বৈধ ব্যৱসায় চলাবলৈ সন্মত হয়।"

ভাৰতীয় চুক্তি আইন অনুসৰি, "অংশীদাৰিত্ব হ'ল সেই সম্পর্ক যিসকল ব্যক্তিয়ে কোনো ব্যৱসায়ত নিজৰ সম্পত্তি, শ্রম বা দক্ষতা একত্রিত কৰিবলৈ সন্মত হৈছে আৰু তাৰ পৰা পোৱা লাভ তেওঁলোকৰ মাজত ভাগ-বতৰা কৰিবলৈ সন্মত হৈছে।"

কিম্বালৰ মতে, "এটা অংশীদাৰিত্ব বা প্রতিষ্ঠান, যিদৰে ইয়াক সততে কোৱা হয়, হৈছে এনে এটা পুৰুষৰ দল যিয়ে বিচাৰৰ বাবে মূলধন বা সেৱাত যোগদান কৰিছে।"

অংশীদাৰিত্ব ব্যৱসায়ৰ বৈশিষ্ট্য

অংশীদাৰিত্ব ব্যৱসায়ৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল ঃ

দুজন বা তাতকৈ অধিক ব্যক্তি ঃ অংশীদাৰিত্ব গঠন কৰিবলৈ কমেও দুজন বা তাতকৈ অধিক ব্যক্তি থাকিব লাগে। বেংকিং ব্যৱসায়ৰ ক্ষেত্রত সর্বাধিক অংশীদাৰৰ সংখ্যা ১০ আৰু

অন্যান্য ধৰণৰ ব্যৱসায়ত ২০ জন।

অংশীদাৰ হিচাপে কেৱল ব্যক্তিগত ঃ অংশীদাৰিত্বৰ এটা মূল বৈশিষ্ট্য হ'ল কোনো ব্যক্তিয়েহে অংশীদাৰ হ'ব পাৰে আৰু কোনো প্ৰতিষ্ঠান বা প্ৰতিষ্ঠানে নহয়।

চুক্তি ঃ অংশীদাৰিত্ব গঠন কৰিবলৈ অংশীদাৰসকলৰ মাজত চুক্তি হ'ব লাগে। চুক্তিখন মৌখিক বা লিখিত হ'ব পাৰে কিন্তু ইয়াত বৈধ চুক্তিৰ সকলো প্ৰয়োজনীয় বস্তু পূৰণ কৰিব লাগে।

আইনী ব্যৱসায় ঃ অংশীদাৰিত্ব কেৱল ব্যৱসায়ৰ উদ্দেশ্যেহে গঠন কৰিব লাগে আৰু কোনো ধৰণৰ অবৈধ কাম যেনে চুৰি, ডকাইতি, চোৰাং ব্যৱসায় আদিৰ বাবে নহয়। অংশীদাৰসকলে কৰা ব্যৱসায় বৈধ হ'ব লাগে।

লাভৰ উদ্দেশ্য আৰু লাভৰ ভাগ-বতৰা ঃ লাভৰ উদ্দেশ্য আৰু লাভৰ ভাগ-বতৰা পুনৰ অংশীদাৰিত্ব ব্যৱসায়ৰ এটা মূল বৈশিষ্ট্য। লাভসমূহ অংশীদাৰসকলৰ মাজত চুক্তিবদ্ধ অনুপাতত বিতৰণ কৰিব লাগিব। একেদৰে লোকচান অংশীদাৰসকলৰ মাজত ভাগ কৰিব লাগে।

পৰম সদিচ্ছা ঃ অংশীদাৰিত্ব ব্যৱসায়ত বিশ্বাসে পুনৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অংশীদাৰসকলে ব্যৱসায়িক লেনদেনত পৰম সদিচ্ছা পালন কৰিব লাগে। এজনে নিজৰ হাতত থকা সকলো তথ্য আন অংশীদাৰসকলৰ আগত প্ৰকাশ কৰিব লাগিব আৰু ইজনে সিজনৰ প্ৰতি সত্য হ'ব লাগে।

সুত হস্তান্তৰৰ ওপৰত নিষেধাজ্ঞা ঃ অংশীদাৰিত্ব হৈছে পাৰস্পৰিক বিশ্বাস আৰু কোনো অংশীদাৰে আন সকলো ব্যক্তিৰ অনুমোদন অবিহনে প্ৰতিষ্ঠানৰ নিজৰ স্বাৰ্থ হস্তান্তৰ কৰিব নোৱাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অংশীদাৰি ব্যৱসায়ৰ সংজ্ঞা দিয়ক

.....

.....

.....

প্ৰশ্ন নং ২ ঃ অংশীদাৰিত্বৰ যিকোনো তিনিটা বৈশিষ্ট্য উল্লেখ কৰক

.....

.....

.....

৪.৪ অংশীদাৰিত্বৰ গুণ আৰু অসুবিধা

অংশীদাৰিত্ব ব্যৱসায়ৰ গুণসমূহ তলত উল্লেখ কৰা হ'ল—

সুষম সিদ্ধান্ত ঃ অংশীদাৰিত্বত বিভিন্ন গুণ থকা বিভিন্ন মানুহৰ মিশ্ৰণ থাকে, গতিকে যি

সিদ্ধান্ত লোৱা হয়, সেয়া সকলো অংশীদাৰে লোৱা সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি লোৱা হয়।

অধিক ঋণৰ সুবিধা ঃ যিহেতু অংশীদাৰসকলৰ সীমাহীন দায়বদ্ধতা থাকে গতিকে প্ৰতিষ্ঠানখনৰ বাবে ঋণত সামগ্ৰী আৰু সহজ চৰ্তত ঋণ লাভ কৰাটো সহজ হৈ পৰিছে।

সহযোগিতা ঃ জনসাধাৰণে সকলোৰে সুবিধাৰ বাবে উমৈহতীয়া লক্ষ্যত কাম কৰাৰ লগে লগে অংশীদাৰসকলৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু বিশ্বাসৰ অস্তিত্ব থাকে।

ঘনিষ্ঠ তত্ত্বাৱধান ঃ সীমাহীন দায়বদ্ধতাই অংশীদাৰসকলক সতৰ্ক কৰি তোলে আৰু ফলস্বৰূপে তেওঁলোকে অসাৱধানতাৰে লেনদেন এৰাই চলিব পাৰে যিয়ে ব্যৱসায়ৰ কাম-কাজৰ ওপৰত ঘনিষ্ঠ তত্বাৱধানৰ সূচনা কৰে।

বৃহৎ আৰ্থিক সম্পদ ঃ অধিক সংখ্যক অংশীদাৰৰ বাবে ব্যৱসায়ৰ বাবে বৃহৎ পৰিমাণৰ মূলধন সংগ্ৰহ কৰাটো সহজ হৈ পৰে।

সম্প্ৰসাৰণৰ পৰিসৰ ঃ ব্যৱসায়ৰ সম্প্ৰসাৰণ আৰু বৃদ্ধিৰ পৰিসৰ অধিক। ব্যৱসায়ৰ উন্নত আৰু মসৃণ কাৰ্য্যকলাপৰ বাবে বৃদ্ধি পোৱা ব্যৱসায়ৰ প্ৰয়োজনীয়তাৰ বাবে অধিক অংশীদাৰ ল'ব পাৰি।

অংশীদাৰিত্বৰ দোষ ঃ তলত দিয়া সীমাবদ্ধতাৰ বাবে এটা অংশীদাৰিত্ব প্ৰতিষ্ঠানে ক্ষতিগ্ৰস্ত হ'ব পাৰে।

অনিশ্চয়তা ঃ অংশীদাৰিত্বৰ ব্যৱসায় এটা অস্থিৰতা আৰু অনিশ্চয়তাৰ সন্মুখীন হ'ব পাৰে। ঋণহীনতা, উন্মাদনা, অৱসৰ আৰু অংশীদাৰৰ মৃত্যুৰ ফলত ব্যৱসায়ৰ হঠাৎ অন্ত পৰিব পাৰে।

সীমাহীন দায়বদ্ধতা ঃ ব্যৱসায়ৰ ঋণৰ বাবে প্ৰতিজন অংশীদাৰ সম্পূৰ্ণৰূপে দায়বদ্ধ, গতিকে ব্যৱসায়িক দায়বদ্ধতাৰ বাবে ব্যক্তিগত অংশীদাৰসকলে ব্যক্তিগত সম্পত্তি হেৰুৱাৰ আশংকা থাকিব পাৰে।

সংঘাত ঃ ঐক্য আৰু সম্প্ৰীতিৰ অভাৱত অংশীদাৰসকলৰ মাজত সংঘাতৰ সৃষ্টি হ'ব পাৰে। যদি প্ৰতিজন ব্যক্তিৰ সিদ্ধান্ত সকলো অংশীদাৰে গ্ৰহণ নকৰে, তেন্তে সংঘাতৰ সৃষ্টি হয়।

মূলধন ব্লক কৰা ঃ যদি অংশীদাৰৰ কোনোবাই নিজৰ মূলধনৰ অংশ উলিয়াব বিচাৰে, তেন্তে আন অংশীদাৰসকলে সেইটো কৰিবলৈ সন্মতি নিদিয়ালৈকে তেওঁৰ বাবে সেইটো কৰাটো কঠিন হৈ পৰে।

জনবিশ্বাসৰ অভাৱ ঃ কোম্পানীসমূহৰ দৰে অংশীদাৰিত্ব ব্যৱসায়ৰ একাউণ্টসমূহ জনসাধাৰণৰ আগত প্ৰকাশ কৰা নহয়, গতিকে ব্যৱসায়টোৰ প্ৰকৃত অৱস্থান জনসাধাৰণৰ বাবে জনা নাযায়। ব্যৱসায়ৰ প্ৰকৃত অৱস্থাৰ বিষয়ে জনা নাযায় বাবে ঋণদাতাসকলে অংশীদাৰিত্বলৈ ঋণ আগবঢ়াবলৈ দ্বিধাবোধ কৰে। সেয়েহে সাধাৰণ জনতাই ইয়াক সহজ ধন আৰু দ্ৰুত লাভৰ বাবে একত্ৰিত হোৱা ব্যক্তিৰ দল হিচাপে গণ্য কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সঁচা বা মিছা নির্ণয় কৰক

(ক) অংশীদাৰিত্বত ব্যৱসায়িক একাউণ্টসমূহ জনসাধাৰণৰ আগত প্রকাশ কৰা হয়। (সঁচা/মিছা)

(খ) এটা অংশীদাৰিত্ব প্রতিষ্ঠানে কোনো অনিশ্চয়তাৰ সন্মুখীন নহয়। (সঁচা/মিছা)

(গ) ব্যৱসায়ৰ ঋণৰ বাবে প্রতিজন অংশীদাৰ সম্পূর্ণৰূপে দায়বদ্ধ। (সঁচা/মিছা)

প্রশ্ন নং ৪ ঃ অংশীদাৰিত্বৰ যিকোনো দুটা সুবিধা উল্লেখ কৰক।

.....

.....

.....

৪.৫ অংশীদাৰিত্ব প্রতিষ্ঠানৰ গঠন

দুজন বা তাতকৈ অধিক ব্যক্তিৰ মাজত হোৱা চুক্তিৰ জৰিয়তেহে অংশীদাৰিত্ব প্রতিষ্ঠান গঠন কৰিব পাৰি। ওপৰৰ খণ্ডটোত আগতে আলোচনা কৰা অনুসৰি চুক্তিখন লিখিত বা মৌখিকভাৱে হ'ব পাৰে। কিন্তু চুক্তিখন লিখিত ৰূপত পছন্দ কৰা হয় কাৰণ ই ভৰিষ্যতৰ বাবে অভিলেখ হিচাপে কাম কৰে। অংশীদাৰসকলৰ মাজত কিছু ভুল বুজাবুজিৰ বাবে হ'ব পৰা বিবাদ সমাধানত লিখিত নথি-পত্রই সহায় কৰিব পাৰে। গতিকে, কোনো ধৰণৰ বিভ্রান্তি বা ভুল বুজাবুজিৰ পৰা হাত সাৰিবলৈ অংশীদাৰিত্বৰ ডীড কৰা হয়

৪.৫.১ অংশীদাৰিত্বৰ চুক্তিপত্র

অংশীদাৰিত্বৰ লিখিত চুক্তিক অংশীদাৰিত্বৰ ডীড বোলা হয়। অংশীদাৰিত্ব হৈছে এনে এক চুক্তি যিয়ে অংশীদাৰিত্ব নিয়ন্ত্রণ কৰা চর্ত আৰু নিয়মসমূহ নির্দিষ্ট কৰে। অংশীদাৰিত্বৰ ডীডত অংশীদাৰিত্ব গঠন হোৱা সকলো প্রয়োজনীয় চর্ত থাকে। অংশীদাৰিত্বৰ ডীড ৰাজহুৱা নথি নহয়। অংশীদাৰিত্বৰ চুক্তিখনৰ সবিশেষ তলত দিয়া হ'ল।

প্রতিষ্ঠানৰ নাম আৰু ঠিকনা ঃ প্রতিষ্ঠানৰ নাম আৰু ঠিকনা আন প্রতিষ্ঠানৰ সৈতে মিল থাকিব নালাগে, নহ'লে বিভ্রান্তিৰ সৃষ্টি হ'ব।

ব্যৱসায়ৰ প্রকৃতি ঃ অংশীদাৰিত্বৰ চুক্তিপত্রত ব্যৱসায়ৰ প্রকৃতি আৰু পৰিসৰ নির্দিষ্ট কৰিব লাগিব।

ব্যৱসায়ৰ মূল স্থান ঃ অংশীদাৰিত্ব ব্যৱসায়ৰ মূল স্থান ডীডত উল্লেখ কৰিব লাগে, যদিহে প্রতিষ্ঠানটো স্থানীয়, ৰাষ্ট্রীয় বা আন্তঃৰাষ্ট্রীয় পর্যায়ত অৱস্থিত।

অংশীদাৰিত্বৰ সময়সীমা, যদি আছে ঃ অংশীদাৰিত্বটো এটা নির্দিষ্ট সময়ৰ বাবে হওক বা কেৱল কোনো প্রকল্পৰ বাবেই হওক, অংশীদাৰিত্বৰ ডীডত ইয়াৰ উল্লেখ থাকিব লাগে।

অংশীদাৰসকলৰ নাম আৰু ঠিকনা ঃ অংশীদাৰিত্বৰ ডীডত সকলো অংশীদাৰৰ সম্পূর্ণ নাম আৰু ঠিকনা উল্লেখ কৰিব লাগে।

প্রতিজন অংশীদাৰৰ মূলধনৰ অৱদান ঃ ব্যৱসায়ত অংশীদাৰসকলৰ অৱদানৰ কথা ডীডত উল্লেখ কৰিব লাগে আৰু লগতে কোনো সুত নে নহয় আৰু অংশীদাৰসকলক তেওঁলোকৰ মূলধনৰ ওপৰত কিমান দিব লাগে সেইটোও উল্লেখ কৰিব লাগে।

লাভ আৰু লোকচানৰ অনুপাত ঃ লাভ আৰু লোকচানৰ ভাগ-বতৰা ডীডত উল্লেখ কৰিব লাগে আৰু ইয়াক বিনিয়োগ কৰা মূলধন বা অংশীদাৰৰ দক্ষতা বা অভিজ্ঞতাৰ ভিত্তিত অংশৰ অনুপাতত উল্লেখ কৰিব লাগে।

অংশীদাৰৰ কমিচন আৰু দৰমহা ঃ অংশীদাৰিত্বৰ ডীডত সদায় প্রতিষ্ঠানখনৰ ব্যৱসায়ত সময় আৰু দক্ষতাৰ ক্ষেত্রত অৰিহণা যোগোৱা অংশীদাৰসকলক প্রদান কৰিবলগীয়া যিকোনো কমিচন আৰু দৰমহাৰ সংজ্ঞা দিব লাগে।

অংকন আৰু সুত ঃ যিকোনো অংশীদাৰে কৰা অংকনৰ সীমাবদ্ধতা নির্দিষ্ট কৰিব লাগে আৰু ইয়াৰ সুত ডীডত উল্লেখ কৰিব লাগে।

হিচাপৰ বহীৰ নিৰীক্ষণ ঃ হিচাপৰ বহীৰ নিৰীক্ষণৰ ধৰণ আৰু চূড়ান্ত হিচাপ কেনেকৈ প্রস্তুত কৰা হয় সেই বিষয়ে ডীডত উল্লেখ কৰিব লাগে।

অংশীদাৰসকলৰ অধিকাৰ, কর্তব্য আৰু দায়বদ্ধতা ঃ অংশীদাৰিত্বৰ ডীডত অংশীদাৰসকলৰ অধিকাৰ, কর্তব্য আৰু দায়বদ্ধতাৰ সীমা নির্ধাৰণ কৰিব লাগিব।

অংশীদাৰসকলৰ নামভর্তি আৰু অৱসৰ ঃ অংশীদাৰসকলৰ নামভর্তি আৰু অৱসৰ আইনৰ বিধান অনুসৰি হ'ব লাগে যিবোৰ ডীডত স্পষ্টভাৱে উল্লেখ কৰিব লাগে।

সদিচ্ছাৰ মূল্যায়ন ঃ অংশীদাৰিত্বৰ চুক্তিপত্রত সদিচ্ছাৰ মূল্যায়নৰ পদ্ধতি উল্লেখ কৰিব লাগে।

অংশীদাৰিত্ব ভংগ ঃ অংশীদাৰিত্ব প্রতিষ্ঠানটোৱে প্রতিষ্ঠানখন ভংগ হোৱাৰ চর্তসমূহ নির্দিষ্ট কৰিব লাগে।

অংশীদাৰৰ মৃত্যু আৰু তেওঁৰ উত্তৰাধিকাৰ ঃ যেতিয়া কোনো অংশীদাৰৰ মৃত্যু হয় যেতিয়া তেওঁ অংশীদাৰত বিনিয়োগ কৰা মূলধন আৰু চূড়ান্ত হিচাপৰ অধীনত প্রাপ্য ধন মৃত অংশীদাৰৰ উত্তৰাধিকাৰী বা আইনী প্রতিনিধিক দিয়া হয়। যদি বিনিয়োগটো প্রতিষ্ঠানখনত ৰাখিব লাগে, তেন্তে উত্তৰাধিকাৰীক পার্টনাৰ হিচাপে ভর্তি কৰিব লাগিব। এই দফাটো অংশীদাৰিত্বৰ ডীডত স্পষ্টকৈ উল্লেখ কৰিব লাগে। যদিহে মূলধন কিস্তিত

প্ৰতিনিধিক দিব লাগে, তেন্তে ডীডত সুতৰ হাৰ স্পষ্টকৈ উল্লেখ কৰিব লাগে।

অংশীদাৰিত্বৰ নিয়ম উলংঘা ঃ যদি কোনো অংশীদাৰে নিয়ম উলংঘা কৰে তেন্তে ভুল কৰা অংশীদাৰৰ বিৰুদ্ধে লোৱা পদক্ষেপসমূহ অংশীদাৰিত্বৰ ডীডত উল্লেখ কৰিব লাগে।

সালিসী দফা ঃ যদি যদি অংশীদাৰসকলৰ মাজত কোনো বিবাদ বা মতানৈক্য হয়, তেন্তে ইয়াৰ ফলত সালিসী হ'ব আৰু এই কথা অংশীদাৰিত্বৰ ডীডত উল্লেখ কৰিব লাগে আৰু লগতে সালিসীসকলৰ নিযুক্তি আৰু তেওঁৰ অধিকাৰ ডীডত উল্লেখ কৰিব লাগে।

৪.৫.২ অংশীদাৰিত্বৰ পঞ্জীয়ন

১৯৩২ চনৰ অংশীদাৰিত্ব আইন অনুসৰি গঠনৰ বাবে প্ৰতিষ্ঠানটো পঞ্জীয়ন কৰাটো আইনগতভাৱে বাধ্যতামূলক নহয়। কিন্তু যদি পঞ্জীয়ন কৰা নহয় তেন্তে কিছু অসুবিধাৰ সৃষ্টি হ'ব পাৰে। গতিকে, প্ৰতিষ্ঠান পঞ্জীয়ন কৰাটো সদায় উপযোগী। অংশীদাৰিত্ব আইন, ১৯৩২ত উল্লেখ আছে যে যদি অংশীদাৰসকলে ইচ্ছা কৰে, তেন্তে অংশীদাৰিত্ব প্ৰতিষ্ঠানটো যিখন ৰাজ্যত অৱস্থিত সেই ৰাজ্যৰ "প্ৰতিষ্ঠান পঞ্জীয়ক"ৰ ওচৰত তেওঁলোকৰ প্ৰতিষ্ঠানটো পঞ্জীয়ন কৰিব পাৰে।

নিজকে পঞ্জীয়ন কৰিবলৈ হ'লে অংশীদাৰিত্ব প্ৰতিষ্ঠানে নিৰ্দিষ্ট মাচুলৰ সৈতে নিৰ্দিষ্ট প্ৰপত্ৰত আবেদন "ফাৰ্ম পঞ্জীয়ক"ক দাখিল কৰিব লাগিব। আবেদনত তলত দিয়া বিৱৰণসমূহ থাকিব লাগিব:

- প্ৰতিষ্ঠানটোৰ নাম
- ব্যৱসায়ৰ মুখ্য কাৰ্যালয়
- প্ৰতিষ্ঠানটোৰ ব্যৱসায় থকা আন ঠাইবোৰৰ নাম
- অংশীদাৰসকলৰ সম্পূৰ্ণ নাম আৰু ঠিকনা
- প্ৰতিষ্ঠানটোত অংশীদাৰসকলৰ প্ৰৱেশৰ তাৰিখ
- প্ৰতিষ্ঠানটোৰ সময়সীমা, যদি আছে
- প্ৰতিজন অংশীদাৰ বা তেওঁৰ প্ৰতিনিধিৰ স্বাক্ষৰ।

যেতিয়া ফাৰ্মৰ পঞ্জীয়কে তদন্তৰ পিছত বিবৃতিসমূহত সন্তুষ্ট হ'ব, তেতিয়া তেওঁ প্ৰতিষ্ঠানটোৰ পঞ্জীয়নত প্ৰৱেশ কৰিব লাগিব আৰু প্ৰতিষ্ঠানটোৱে পঞ্জীয়ন আৰু প্ৰমাণপত্ৰ লাভ কৰিব যাক "পঞ্জীয়নৰ প্ৰমাণপত্ৰ" বুলি কোৱা হয় যিটো পঞ্জীয়কে প্ৰদান কৰে। পোৱাৰ পিছত ফাৰ্মখন পঞ্জীয়নভুক্ত ফাৰ্ম হৈ পৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ অংশীদাৰিত্বৰ চুক্তিপত্র কি ?

.....

.....

.....

প্রশ্ন নং ৬ ঃ পঞ্জীয়নৰ প্রমাণ পত্র কি ?

.....

.....

.....

৪.৬ সীমিত দায়বদ্ধতা অংশীদাৰিত্ব

সীমিত দায়বদ্ধতা অংশীদাৰিত্ব (এল এল পি) হৈছে এনে অংশীদাৰিত্ব য'ত কিছুমান বা সকলো অংশীদাৰৰ (অধিকাৰক্ষেত্রৰ ওপৰত নির্ভৰ কৰি) সীমিত দায়বদ্ধতা থাকে। ই অংশীদাৰিত্ব আৰু নিগম দুয়োটাৰে উপাদান প্রদর্শন কৰে। এল এল পিত প্রতিজন অংশীদাৰ আন অংশীদাৰৰ অসৎ আচৰণ বা গাফিলতিৰ বাবে দায়ী বা দায়ী নহয়। ইয়াক সীমিত দায়বদ্ধতা অংশীদাৰিত্ব আইন, ২০০৮ৰ দ্বাৰা পৰিচালিত হয়।

এল এল পি হৈছে কর্পৰেট ব্যৱসায়ৰ এক বিকল্প ৰূপ যিয়ে কোম্পানী এটাৰ সীমিত দায়বদ্ধতাৰ সুবিধা আৰু অংশীদাৰিত্বৰ নমনীয়তা ইয়াৰ সদস্যসকলক প্রদান কৰে। ব্যৱসায় চলোৱাৰ ক্ষেত্রত ভৱিষ্যতে হ'ব পৰা যিকোনো ঋণৰ প্রতি অংশীদাৰসকলৰ দায়বদ্ধতা কম। ইয়াত 'এটা কর্পৰেট গাঁথনিৰ লগতে 'এটা অংশীদাৰিত্ব প্রতিষ্ঠান গাঁথনি' দুয়োটাৰে উপাদান থাকে আৰু ইয়াক এটা কোম্পানী আৰু এটা অংশীদাৰিত্বৰ মাজৰ সংকৰ বুলি কোৱা হয়। এল এল পিৰ এটা সুকীয়া আইনী সত্তা আছে, ইয়াৰ সম্পত্তিৰ সম্পূর্ণ পৰিসৰৰ বাবে দায়বদ্ধ কিন্তু অংশীদাৰসকলৰ দায়বদ্ধতা এল এল পিত তেওঁলোকৰ চুক্তিবদ্ধ অৱদানৰ মাজতে সীমাবদ্ধ। অংশীদাৰৰ পৰিৱর্তন নির্বিশেষে এল এল পিয়ে নিজৰ অস্তিত্ব অব্যাহত ৰাখিব পাৰে। ই নিজৰ নামত চুক্তিবদ্ধ হ'বলৈ আৰু সম্পত্তি ধৰি ৰাখিবলৈ সক্ষম। ইয়াৰ উপৰিও, কোনো অংশীদাৰ অন্য অংশীদাৰৰ স্বতন্ত্র বা অকর্তৃত্বশীল কার্য্যৰ বাবে দায়বদ্ধ নহয়, গতিকে ব্যক্তিগত অংশীদাৰক আন অংশীদাৰৰ ভুল ব্যৱসায়িক সিদ্ধান্ত বা অসৎ আচৰণৰ দ্বাৰা সৃষ্টি হোৱা যৌথ দায়বদ্ধতাৰ পৰা ৰক্ষা কৰা হয়।

তুলনামূলকভাৱে শেহতীয়া আইনী প্রতিষ্ঠান এল এল পি। আমেৰিকাৰ প্রায়বোৰ ৰাজ্যতে ইয়াক বহুলভাৱে গ্রহণ কৰা হৈছে। হঠাতে নতুন সীমিত দায়বদ্ধ বাহনৰ উত্থানে সীমিত দায়বদ্ধতাৰ আইনত এক বিপ্লৱৰ ইংগিত দিয়ে।

এল এল পিৰ বৈশিষ্ট্যসমূহ

তলত এল এল পিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰা হ'ল

এল এল পি এটা বডি কৰ্পৰেট ঃ সীমিত দায়বদ্ধতা অংশীদাৰিত্ব আইনৰ ধাৰা ৩ অনুসৰি ২০০৮ (এল এল পি আইন), এল এল পি হৈছে এক কৰ্পৰেট সংস্থা, আইনখনৰ অধীনত গঠন আৰু নিগমিত। ইয়াৰ অংশীদাৰৰ পৰা পৃথক এক আইনী সত্তা।

চিৰন্তন উত্তৰাধিকাৰ ঃ সীমিত দায়বদ্ধতা অংশীদাৰিত্বৰ অস্তিত্বৰ পিছতো অব্যাহত থাকে অৱসৰ, উন্মাদনা, দ্বিধাহীনতা বা আনকি এজন বা ততোধিক অংশীদাৰৰ মৃত্যু। তদুপৰি ই চুক্তিবদ্ধ হ'ব পাৰে আৰু নিজৰ নামত সম্পত্তি ৰাখিব পাৰে।

পৃথক আইনী সত্তা ঃ নিগম বা কোম্পানী এটাৰ দৰেই ই এটা পৃথক আইনী সংস্থা। তদুপৰি ইয়াৰ সম্পত্তিৰ বাবে ই সম্পূৰ্ণৰূপে দায়বদ্ধ। লগতে, অংশীদাৰসকলৰ দায়বদ্ধতাৰ এল এল পিলৈ তেওঁলোকৰ অৱদানৰ কিছুমান সীমাবদ্ধতা আছে। সেয়েহে এল এল পিৰ পাওনাদাৰসকল ব্যক্তিগত অংশীদাৰৰ পাওনাদাৰ নহয়।

এল এল পি চুক্তি ঃ ই সকলো অংশীদাৰৰ মাজত হোৱা চুক্তি যিয়ে ৰ অধিকাৰ আৰু কর্তব্য নিয়ন্ত্রণ কৰে সকলো অংশীদাৰ। এল পি পি চুক্তিৰ অনুপস্থিতিত। এল পি পি আইনখনে সকলো অংশীদাৰৰ পাৰস্পৰিক অধিকাৰ আৰু কর্তব্য নিয়ন্ত্রণ কৰে।

কৃত্রিম আইনী ব্যক্তি ঃ এল এল পি হৈছে আইনৰ দ্বাৰা সৃষ্টি কৰা কৃত্রিম আইনী ব্যক্তি। এক আইনী প্রক্রিয়া ইয়াক সৃষ্টি কৰে আৰু ব্যক্তিৰ সকলো অধিকাৰ আছে।

সাধাৰণ ছীল ঃ যদিও ই বাধ্যতামূলক নহয়, এল এল পিৰ সাধাৰণ ছীল থাকিব পাৰে (ধাৰা ১৪(গ)। কিন্তু যদি এল এল পিয়ে ছীল ৰখাৰ সিদ্ধান্ত লয়, তেন্তে ছীলটো কোনো দায়িত্বশীল বিষয়াৰ জিম্মাত থকাটো প্রয়োজনীয়। সাধাৰণ ছীলটো এল এল পিৰ অন্ততঃ দুজন নির্দিষ্ট অংশীদাৰৰ উপস্থিতিতহে ব্যৱহাৰ কৰিব পাৰিব।

সীমিত দায়বদ্ধতা ঃ আইনৰ ২৬ নং ধাৰা অনুসৰি প্রতিজন অংশীদাৰ এল এলৰ এজেণ্ট। অৱশ্যে তেওঁ আন অংশীদাৰৰ এজেণ্ট নহয়। প্রতিজন অংশীদাৰৰ দায়বদ্ধতাৰ সীমাবদ্ধতা আছে এল এল পিলৈ তেওঁৰ চুক্তিবদ্ধ অৱদানৰ ক্ষেত্রত।

এল এল পিত নূন্যতম আৰু সর্বোচ্চ অংশীদাৰৰ সংখ্যা ঃ প্রতিটো এল এল পিৰ অন্ততঃ দুজন অংশীদাৰ আৰু অন্ততঃ দুজন ব্যক্তি নির্দিষ্ট অংশীদাৰ হিচাপে থাকিব লাগিব। যিকোনো সময়তে অন্ততঃ এজন নির্দিষ্ট অংশীদাৰ ভাৰতত বাসিন্দা হ'ব লাগে। এল এল পিত সর্বাধিক অংশীদাৰৰ সংখ্যাৰ কোনো সর্বোচ্চ সীমা নাই।

ব্যৱসায়িক ব্যৱস্থাপনা আৰু ব্যৱসায়িক গাঁথনি ঃ যদিও এল এল পিৰ সকলো অংশীদাৰে কৰিব পাৰে ব্যৱস্থাপনা কৰা তেওঁলোকৰ ব্যৱসায়, কেৱল নিৰ্দিষ্ট অংশীদাৰসকলেহে আইনী অনুসৰণৰ বাবে দায়বদ্ধ।

কেৱল লাভৰ বাবে ঃ স্বেচ্ছামূলক, দাতব্য বা অলাভজনক উদ্দেশ্যত এল এল পি গঠন কৰিব নোৱাৰিব। এল এল পি লাভৰ লক্ষ্যৰে বৈধ ব্যৱসায় চলাবলৈ গঠন কৰিব পাৰি।

নিৰ্দিষ্ট অংশীদাৰ- ধাৰা ৭ অনুসৰি (১) প্ৰতিটো সীমিত দায়বদ্ধ অংশীদাৰিত্বৰ অন্ততঃ দুজন নিৰ্দিষ্ট অংশীদাৰ থাকিব লাগিব যিসকল ব্যক্তি আৰু ইয়াৰে অন্ততঃ এজন ভাৰতৰ বাসিন্দা হ'ব লাগিব। যদিহে সীমিত দায়বদ্ধতা অংশীদাৰিত্বৰ ক্ষেত্ৰত য'ত সকলো অংশীদাৰ কৰ্পৰেট সংস্থা বা য'ত এজন বা ততোধিক অংশীদাৰ ব্যক্তি আৰু সংস্থা কৰ্পৰেট, তেনে সীমিত দায়বদ্ধ অংশীদাৰিত্বৰ অংশীদাৰ বা এনে সংস্থা কৰ্পৰেটৰ মনোনীত অন্ততঃ দুজন ব্যক্তিয়ে কাম কৰিব লাগিব নিৰ্দিষ্ট অংশীদাৰ হিচাপে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৭ ঃ এল এল পি বুলিলে কি বুজোৱা হৈছে?

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ এল এল পিৰ নূন্যতম সংখ্যক অংশীদাৰ কিমান থাকিব লাগিব?

.....

.....

.....

সীমিত দায়বদ্ধতা অংশীদাৰিৰ সুবিধা

সীমিত দায়বদ্ধতা অংশীদাৰিত্বৰ তলত দিয়া সুবিধাসমূহ আছে:

পৃথক আইনী সত্তা ঃ এল এল পিৰ এটা সুকীয়া আইনী সত্তা থাকে। এল এল পিয়ে নিজৰ নামত সম্পত্তিৰ অধিকাৰী হ'ব পাৰে আৰু মামলা আৰু মামলা কৰিব পাৰে। তদুপৰি এজন সংগী দায়ী নহয় বা...আন অংশীদাৰৰ অসৎ আচৰণ বা গাফিলতিৰ বাবে দায়ী।

মালিক/পৰিচালকৰ কোনো পাৰ্থক্য নাইঃ এল এল পি ব্যৱসায় অংশীদাৰসকলৰ মালিকানাধীন আৰু পৰিচালনা কৰা হয়।

নমনীয় চুক্তি ঃ সীমিত দায়বদ্ধতা অংশীদাৰিত্ব আইন- ২০০৮ৰ বিধানসমূহ মনত ৰাখি এল এল পিৰ অংশীদাৰসকলে নিজৰ ইচ্ছামতে চুক্তিখনৰ খচৰা প্ৰস্তুত কৰিবলৈ স্বাধীন, তেওঁলোকৰ...অধিকাৰ আৰু কৰ্তব্য।

সীমিত দায়বদ্ধতা ঃ অংশীদাৰিত্বত অংশীদাৰসকলৰ দায়বদ্ধতা সীমাহীন। কিন্তু এল এল পিৰ অধীনত অংশীদাৰসকলৰ দায়বদ্ধতা এল এল পিত তেওঁৰ অৱদানৰ পৰিসৰত সীমাবদ্ধ। যদিহে জালিয়াতি ধৰা পৰা নাই, তেন্তে অংশীদাৰৰ ব্যক্তিগত সম্পত্তিসমূহ কোনো ধৰণৰ দায়বদ্ধতাৰ পৰা সুৰক্ষিত কৰা হয় এল এল পি।

কম অনুসৰণৰ প্ৰয়োজনীয়তা ঃ এতিয়ালৈকে আইনী অনুসৰণৰ বিষয় এটা এল এল পিয়ে বছৰি মাত্ৰ দুটা অনুসৰণ বজাই ৰাখিব লাগিব। লে। প্ৰতি বছৰে ৩০ মে'ৰ ভিতৰত এল এল পিৰ বাৰ্ষিক ৰিটাৰ্ণ দাখিল কৰা আৰু প্ৰতি বছৰে ৩০ অক্টোবৰৰ ভিতৰত ছলভেন্সি ষ্টেটমেণ্ট দাখিল কৰা।

সহজে উইণ্ড-আপ কৰা ঃ কেৱল আৰম্ভ কৰাটো সহজেই নহয়, এল এল পি এটা উইণ্ড-আপ কৰাটোও সহজ। প্ৰায়েই নহয় ঘনিষ্ঠ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হ'বলৈ দুমাহৰ পৰা তিনিমাহ সময় লাগে।

সীমিত দায়বদ্ধতা অংশীদাৰিৰ অসুবিধা

এল এল পি ৰূপত ব্যৱসায় চলোৱাৰ তলত দিয়া অসুবিধা আছে--

গোপনীয়তা বজাই ৰখাটো কঠিন ঃ অংশীদাৰিত্বৰ দৰে এল এল পিৰ বাবে গোপনীয়তা বজাই ৰখাটো কঠিন। এমচিএ পৰ্টেলৰ জৰিয়তে দাখিল কৰা নথি-পত্ৰ ৰাজহুৱা নথি। যিকোনো ব্যক্তিয়ে এল এল পি চুক্তিৰ বাহিৰে ৫০ টকাৰ সামান্য মাচুল দি এনে সকলো নথি-পত্ৰৰ প্ৰতিলিপি লাভ কৰিব পাৰিব।

সীমিত পুঁজিৰ বিকল্প ঃ এল এল পিৰ সীমিত পুঁজিৰ বিকল্প আছে। এল এল পিয়ে হয় বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ ল'ব পাৰে নহয় অংশীদাৰৰ পৰা ঋণৰ জৰিয়তে ঋণ ল'ব পাৰে। এল এল পি গাঁথনিত বিনিয়োগ কৰিবলৈ অনিচ্ছুক ভেঞ্চাৰ কেপিটেলিষ্ট। কাৰণ এল এল পিৰ সকলো 'শ্বেয়াৰহোল্ডাৰ' এল এল পিৰ অংশীদাৰ হ'ব লাগিব। যিবোৰৰ সত্তাৰ প্ৰতি কিছুমান দায়িত্ব থাকে। কোনো ভিচিয়েই এনে কোনো দায়িত্ব নিবিচাৰে। লগতে এল এল পিত প্ৰত্যক্ষ বিদেশী বিনিয়োগ (এফ ডি আই) অধিক বাধাপ্ৰাপ্ত

অমান্যতাৰ বাবে শাস্তি ঃ যদিও এল এল পিৰ বাবে অনুসৰণৰ প্ৰয়োজনীয়তা পঁন্যতম। সেইবোৰ মানি চলাটো কঠোৰভাৱে গুৰুত্বপূৰ্ণ, নহ'লে ইয়াৰ ফলত গধুৰ শাস্তি হ'ব পাৰে। এল এল পিৰ বাবে বছৰি ফৰ্ম ৮ আৰু ফৰ্ম ৰৰ জমা দিয়াটো বাধ্যতামূলক। অমান্য হ'লে প্ৰতিদিনে ১০০ টকা অতিৰিক্ত মাচুল আৰোপ কৰা হয়, প্ৰতিটো প্ৰ-পত্ৰৰ বাবে।

অন্যান্য শাস্তি ঃ "সীমিত দায়বদ্ধতা অংশীদাৰিত্ব" শব্দটোৰ অনুচিত ব্যৱহাৰ জৰিমনা বিহা হ'ব যিটো ৫০ লাখ টকাতকৈ কম নহ'ব। ৫০ হাজাৰ টকা কিন্তু যিটো ৫০ হাজাৰ টকালৈকে বৃদ্ধি পাব পাৰে। ৫,০০.০০০ টকা। ভুৱা নিগম নথি দাখিল কৰাৰ শাস্তি ২ বছৰলৈকে কাৰাদণ্ড আৰু জৰিমনা ৫০ টকাতকৈ কম নহ'ব। ১০ হাজাৰ টকা কিন্তু যিটো ৫০ হাজাৰ টকালৈকে বৃদ্ধি পাব পাৰে। ৫,০০,০০০ টকা।

এল এল পিৰ পঞ্জীয়নৰ প্রক্রিয়া

ভাৰতত এল এল পি পঞ্জীয়নৰ বাবে তলত দিয়া প্রক্রিয়াটো জড়িত হৈ থাকে—

১) **নাম সংৰক্ষণ ঃ** এল এল পিৰ নাম কর্পৰেট পৰিক্রমা মন্ত্রালয়ে (এম চি এ) RUN-LLP আবেদনৰ জৰিয়তে অনুমোদন জনায়। MCA একাউণ্টত লগইন কৰাৰ পিছত RUN-LLP বিকল্পত ক্লিক কৰি নাম সংৰক্ষণৰ বাবে আবেদন কৰিব পাৰি। তলত উল্লেখ কৰা সবিশেষ প্রপত্রত উল্লেখ কৰিব লাগিব ঃ

- সত্তাৰ ধৰণ LLP
- LLPIN (LLPIN (আৰু ইয়াক কেৱল তেতিয়াহে প্রৱেশ কৰিব লাগিব যেতিয়া কোনো বর্তমানৰ কোম্পানীয়ে ইচ্ছা কৰে ইয়াৰ নাম সলনি কৰক আৰু এটা নতুন নাম সংৰক্ষণ কৰিবলৈ RUN ব্যৱহাৰ কৰি আছে)
- ২ প্রস্তাৱিত নাম
- এল এল পিৰ মূল বস্তু
- আন যিকোনো সংলগ্ন, যদি প্রয়োজন হয় প্রস্তাৱিত নামটোৰ বাবে NOC ৰ দৰে যদি ই যিকোনো বর্তমানৰ কোম্পানী/এল এল পিৰ যিকোনো নামৰ সৈতে মিল খায়। পূর্বতে উল্লেখ কৰা সবিশেষ প্র-পত্রত প্রৱেশ কৰাৰ পিছত আমি পর্টেলত প্র-পত্র জমা দি নির্ধাৱিত মাচুল অর্থাৎ ৫০ টকা পৰিশোধ কৰিব পাৰো। নাম সংৰক্ষণ মাচুলৰ দিশত ১,০০০.০০ টকা। অনুমোদন পোৱাৰ পিছত নামটো নাম অনুমোদনৰ তাৰিখৰ পৰা ৯০ দিনৰ বাবে বৈধ হ'ব।

২) **নিগমৰ নথি প্রস্তুত কৰা ঃ** এবাৰ এমচি এই নামটোৰ অনুমোদন দিলে। এল এল পিৰ অন্তর্ভুক্তিৰ বাবে প্র-পত্র দাখিল কৰাৰ আগতে তলত দিয়া নথিপত্রসমূহ সংকলন কৰিব লাগিব।

- ইউটিলিটি বিলৰ কপি (বিদ্যুৎ বিল/টেলিফোন বিল/অন্য যিকোনো ইউটিলিটি) ২ মাহতকৈ পুৰণি নহয়।
- এল এল পিৰ প্রস্তাৱিত পঞ্জীয়নভুক্ত কার্যালয়ৰ ঠিকনাৰ প্রমাণ (ভাড়া চুক্তি/কনভেয়েন্স ডীড/লিজ ডীড)

- সকলো অংশীদাৰৰ দ্বাৰা যথাযথভাৱে স্বাক্ষৰিত আৰু এজন প্ৰেকটিচিং চার্টার্ড একাউণ্টেণ্ট বা কোম্পানী সচিবৰ দ্বাৰা প্ৰমাণিত গ্ৰাহক পত্ৰ।
- পেন কার্ডৰ কপি, পৰিচয় প্ৰমাণ (ভোটাৰ আইডি/পাছপ'র্ট/ড্ৰাইভিং লাইচেন্স)। সকলো অংশীদাৰৰ বাবে ঠিকনাৰ প্ৰমাণ (টেলিফোন বা বিদ্যুৎ বিলৰ কপি /বেংক ষ্টেটমেণ্টৰ কপি- দুয়োটা চ মাহতকৈ পুৰণি নহয)।
- অংশীদাৰসকল ইতিমধ্যে অংশীদাৰ / পৰিচালক যথাযথভাৱে স্ব-প্ৰতিজন অংশীদাৰৰ দ্বাৰা প্ৰমাণিত।
- সকলো অংশীদাৰৰ ডিজিটেল স্বাক্ষৰ।

৩) **নিগম প্ৰ-পত্ৰ দাখিল কৰা ঃ** এমচিএই এলএলপিৰ অন্তৰ্ভুক্তিৰ বাবে ..... নামৰ একক উইণ্ড' ফর্ম প্ৰৱর্তন কৰিছে। ওপৰত উল্লেখ কৰা নথি-পত্ৰৰ সৈতে প্ৰ-পত্ৰত প্ৰয়োজনীয় সবিশেষ এল এল পিৰ অন্তৰ্ভুক্তিৰ বাবে এম চি এত দাখিল কৰিব লাগিব। এই ই-ফর্মে অংশীদাৰসকলৰ বাবে নির্দিষ্ট অংশীদাৰ চিনাক্তকৰণ নম্বৰ (ডিপিআইএন)ৰ বাবেও আবেদন কৰিবলৈ সক্ষম কৰে। অধীনত এই ই-ফর্মত নাম সংৰক্ষণৰ বাবেও আবেদন কৰিব পাৰি। এমচিএই সফলতাৰে প্ৰ-পত্ৰ দাখিল আৰু নথি-পত্ৰ পৰীক্ষণৰ পিছত এমচিএই সীমিত দায়বদ্ধতা অংশীদাৰিৰ নিগমৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে

৪) **এল এল পি চুক্তি দাখিল কৰা ঃ** এল এল পিৰ নিগমৰ প্ৰমাণ পত্ৰ লাভ কৰাৰ পিছত। এটা এল এল পি চুক্তিখন ডাকটিকট কাগজত কার্যকৰী কৰাটো প্ৰয়োজন। ৰাজ্যিক ষ্টাম্প শুল্ক আইন অনুসৰি ডাকটিকট শুল্কৰ পৰিমাণ নির্ধাৰণ কৰা হ'ব।

৪.৭ সীমিত দায়বদ্ধতা অংশীদাৰিত্ব আৰু অংশীদাৰিত্বৰ মাজৰ পার্থক্য

সীমিত দায়বদ্ধতা অংশীদাৰি আৰু অংশীদাৰি ব্যৱসায়ৰ মাজত কিছুমান পার্থক্য তলত উল্লেখ কৰা হ'ল ঃ

আইন	সীমিত দায়বদ্ধতা অংশীদাৰি আইন, ২০০৮ য়ে এল এল পিক নিয়ন্ত্ৰণ কৰে।	ভাৰতীয় অংশীদাৰি আইন, ১৯৩২ অংশীদাৰি প্ৰতিষ্ঠানসমূহ পৰিচালনা কৰে।
পঞ্জীয়ন	এল এল পিৰ পঞ্জীয়ন বাধ্যতামূলক	অংশীদাৰিত্বৰ পঞ্জীয়ন ভাৰতীয় অংশীদাৰিত্ব আইন অনুসৰি প্ৰতিষ্ঠানটো স্বেচ্ছামূলক।
পঞ্জীয়ন কর্তৃপক্ষ	এল এল পিয়ে পঞ্জীয়ন প্ৰ-পত্ৰ আৰু পৰৱর্তী সকলো ই-ফর্ম কোম্পানী পঞ্জীয়কৰ ওচৰত জমা দিব লাগে।	অংশীদাৰি প্ৰতিষ্ঠানটোৱে প্ৰতিষ্ঠানৰ পঞ্জীয়কৰ ভিতৰত পঞ্জীয়ন প্ৰ-পত্ৰ আৰু পৰৱর্তী অন্যান্য প্ৰ-পত্ৰ দাখিল কৰিব লাগিব
সৃষ্টি	এল এল পি আইনৰ দ্বাৰা সৃষ্টি কৰা হয়	চুক্তিৰ দ্বাৰা এটা অংশীদাৰি প্ৰতিষ্ঠান সৃষ্টি কৰা হয়

বাইণ্ডিং নথিপত্র	এল এল পি চুক্তি হৈছে এল এল পিৰ চার্টাৰ নথিপত্র	অংশীদাৰিত্বৰ ডীড হৈছে অংশীদাৰি প্রতিষ্ঠানৰ চার্টাৰ নথিপত্র
বার্ষিক প্র-পত্র পূৰণ	এল এল পিয়ে প্রতি বছৰে কোম্পানী পঞ্জীয়কৰ ওচৰত বার্ষিক একাউণ্ট আৰু ছলভেন্সিৰ বিৱৰণী আৰু বার্ষিক ৰিটার্ণ দাখিল কৰিব লাগিব	অংশীদাৰি প্রতিষ্ঠান এটাই প্রতিষ্ঠানৰ পঞ্জীয়কৰ ওচৰত কোনো বার্ষিক ৰিটার্ণ দাখিল কৰাৰ প্রয়োজন নাই
চুক্তিবদ্ধ হোৱাৰ ক্ষমতা	এটা এল এল পিৰ নামত চুক্তিবদ্ধ হৈছে নোৱাৰে	অংশীদাৰি প্রতিষ্ঠানে নিজৰ নামত চুক্তি কৰিব
পৃথক আইনী সত্তা	আইনৰ অধীনত এল এল পিৰ এটা সুকীয়া আইনী সত্তা থাকে	অংশীদাৰিত্বৰ অংশীদাৰসকলৰ বাহিৰেও কোনো পৃথক আইনী মর্যাদা নাথাকে



৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- অংশীদাৰিত্ব হৈছে দুজন বা তাতকৈ অধিক ব্যক্তিৰ স্বেচ্ছামূলক সংস্থা যিয়ে যৌথভাৱে কোনো ব্যৱসায় চলাবলৈ সন্মত হয় আৰু ইয়াৰ লাভ-লোকচানৰ অংশীদাৰ হয়। অংশীদাৰিত্বৰ বৈশিষ্ট্যসমূহ হ'ল (ক) দুজন বা তাতকৈ অধিক ব্যক্তি, (খ) কেৱল ব্যক্তিগতভাৱে এক সংগী, (গ) চুক্তি, (ঘ) আইনী ব্যৱসায়, (ঙ) লাভৰ উদ্দেশ্য আৰু লাভৰ ভাগ-বতৰা। (চ) পৰম সদ্ভাৱ, (ছ) সুত হস্তান্তৰৰ ওপৰত নিষেধাজ্ঞা।
- অংশীদাৰিত্বৰ লিখিত চুক্তিক অংশীদাৰিত্বৰ ডীড বোলা হয়। অংশীদাৰিত্ব হৈছে এনে এক চুক্তি যিয়ে অংশীদাৰিত্ব নিয়ন্ত্রণ কৰা চর্ত আৰু নিয়মসমূহ নির্দিষ্ট কৰে।
- ১৯৩২ চনৰ অংশীদাৰিত্ব আইন অনুসৰি গঠনৰ বাবে প্রতিষ্ঠানটো পঞ্জীয়ন কৰাটো আইনগতভাৱে বাধ্যতামূলক নহয়।
- সীমিত দায়বদ্ধতা অংশীদাৰিত্ব (LLP) হৈছে এনে এটা অংশীদাৰিত্ব য'ত কিছুমান বা সকলো অংশীদাৰৰ (অধিকাৰ ক্ষেত্রৰ ওপৰত নির্ভৰ কৰি) সীমিত দায়বদ্ধতা থাকে।
- এল এল পিৰ এটা সুকীয়া আইনী সত্তা থাকে।
- এমচিএই অন্তর্ভুক্ত কৰাৰ বাবে FiLLiP নামৰ এটা একক উইণ্ড' ফর্ম প্রৱর্তন কৰা হৈছে এল এল পিৰ বাবে।

৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অংশীদাৰিত্ব হ'ল দুজন বা তাতকৈ অধিক ব্যক্তিৰ স্বেচ্ছামূলক

সংস্থা যিয়ে যৌথভাৱে কোনো ব্যৱসায় চলাবলৈ সন্মত হয় আৰু ইয়াৰ লাভ-লোকচানৰ অংশীদাৰ হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ অংশীদাৰিত্বৰ বৈশিষ্ট্যসমূহ:

(ক) দুজন বা তাতকৈ অধিক ব্যক্তি

(খ) অংশীদাৰ হিচাপে কেৱল ব্যক্তিগত

(গ) অতি সদ্ভাৱ

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) মিছা, (খ) মিছা, (গ) সঁচা

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) সুষম সিদ্ধান্ত, (খ) অধিক ঋণৰ সুবিধা

৫ নং প্রশ্নৰ উত্তৰ ঃ অংশীদাৰিত্বৰ লিখিত চুক্তিক অংশীদাৰিত্বৰ ডীড বোলা হয়

৬ নং প্রশ্নৰ উত্তৰ ঃ অংশীদাৰিত্ব ফার্মখনৰ পঞ্জীয়নৰ পিছত পঞ্জীয়কে ফার্মখনৰ পঞ্জীয়নত প্ৰৱেশ কৰে আৰু ফার্মখন পঞ্জীয়ন হয় আৰু প্রমাণপত্রখনক "পঞ্জীয়নৰ প্রমাণপত্র" বুলি কোৱা হয় যিটো পঞ্জীয়কে প্রদান কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ সীমিত দায়বদ্ধতা অংশীদাৰিত্ব (LLP) হ'ল এনে অংশীদাৰিত্ব য'ত কিছুমান বা সকলো অংশীদাৰৰ (অধিকাৰক্ষেত্রৰ ওপৰত নির্ভৰ কৰি) সীমিত দায়বদ্ধতা থাকে। এল এল পিত প্রতিজন অংশীদাৰ আন অংশীদাৰৰ অসৎ আচৰণ বা গাফিলতিৰ বাবে দায়ী বা দায়ী নহয়।

৮ নং প্রশ্নৰ উত্তৰ ঃ দুটা



৪.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অংশীদাৰিত্বৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ ঃ সমবায় সংস্থাৰ বিষয়ে আপুনি কি বুজি পায়?

প্রশ্ন ৩ ঃ অংশীদাৰিত্ব প্রতিষ্ঠানত অংশীদাৰৰ নূন্যতম আৰু সর্বাধিক সংখ্যা কিমান?

প্রশ্ন ৪ ঃ অংশীদাৰিত্বৰ পঞ্জীয়ন প্রয়োজনীয় নেকি?

প্রশ্ন ৫ ঃ অংশীদাৰিত্বৰ যিকোনো চাৰিটা বৈশিষ্ট্য ব্যাখ্যা কৰক।

প্রশ্ন ৬ ঃ অংশীদাৰিত্বৰ গুণ আৰু অসুবিধা লিখক।

প্রশ্ন ৭ ঃ অংশীদাৰিত্ব আৰু এল এল পি পঞ্জীয়নৰ পদ্ধতিৰ ৰূপৰেখা দাঙি ধৰক।

প্রশ্ন ৮ ঃ এল এল পিৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্রশ্ন ৯ ঃ এল এল পিৰ সুবিধা আৰু অসুবিধা কি কি?

প্রশ্ন ১০ ঃ এল এল পি আৰু অংশীদাৰিত্বৰ মাজৰ পার্থক্য ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ ধাৰণা

৫.৪ এটা যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত প্ৰয়োগ কৰা ব্যৱস্থা

৫.৫ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সদস্যপদ লাভৰ নিয়ম

৫.৬ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় আৰম্ভ কৰাৰ নিয়ম

৫.৭ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ অধীনত দায়ৱদ্ধতা

৫.৮ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ এগৰাকী সাধাৰণ অংশীদাৰ হিচাপে কৰ্তাৰ ভূমিকা

৫.৯ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বৈশিষ্ট্য

৫.১০ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ উদাহৰণ

৫.১১ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সুবিধা

৫.১২ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ অসুবিধা

৫.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.১৪ অধিক জানিবলৈ

৫.১৫ অগ্ৰগতিৰ খতিয়ান

৫.১৬ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যায়ন কৰি আপুনি-------

- যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ ধাৰণা আৰু বৈশিষ্ট্যসমূহ বৰ্ণনা কৰিব পাৰিব
- যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বৈশিষ্ট সমূহ বৰ্ণনা কৰিব পাৰিব।
- যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সুবিধা আৰু অসুবিধাবোৰৰ মূল্যাংকন কৰিব পাৰিব।

৫.২ পৰিচয়

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ অর্থ বুজি পাব। যৌথ হিন্দু পৰিয়াল এটাৰ সকলো সদস্যই লগ লাগি খোলা আৰু পৰিচালনা কৰা ব্যৱসায় এটাকে যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় বোলে। অধ্যায়টিত আমি এনে ব্যৱসায়ৰ বিভিন্ন বৈশিষ্ট্য, সুবিধা আৰু অসুবিধাবোৰৰ বিষয়ে আলোচনা কৰিম।

৫.৩ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ ধাৰণা

যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় (Joint Hindu Family Business)ক অবিভক্ত হিন্দু পৰিয়ালৰ ব্যৱসায় (Hindu Undivided Family Business) বুলিও কোৱা হয়। এই বিশেষ ধৰণৰ ব্যৱসায়টোৰ অস্তিত্ব কেৱল ভাৰততহে আছে। ই দেশখনত প্ৰচলিত ধ্ৰুপদী ব্যৱসায় গাঁথনিটোৰ অন্তৰ্গত এটা পদ্ধতি। হিন্দু আইন (হিন্দু আইন (উত্তৰাধিকাৰ) আইন, ১৯৫৬)ৰ অধীনত এই পদ্ধতিৰ ব্যৱসায় চলোৱা হয়। ব্যক্তিয়ে জন্মসূত্ৰে এনে ব্যৱসায়ৰ সদস্যপদ লাভ কৰে। তিনিটা ক্ৰমিক প্ৰজন্মক এনে ব্যৱসায়ৰ সদস্য বুলি ধৰা হয়। পৰিয়ালৰ ব্যৱসায় আৰু সা-সম্পত্তি চোৱা-চিতা আৰু ৰক্ষণাবেক্ষণৰ দায়িত্ব পৰিয়ালৰ সৰ্বজ্যেষ্ঠ পুৰুষ সদস্যগৰাকীয়ে পালন কৰে। তেওঁক কৰ্তা বুলি কোৱা হয়। কৰ্তাগৰাকী হ'ল পৰিয়ালটোৰ মুৰব্বী। তেওঁ সমগ্ৰ ব্যৱসায়টো পৰিচালনা কৰে। পৰিয়ালৰ আন সদস্যসকলে তেওঁৰ সিদ্ধান্ত বাধ্যতামূলকভাৱে মানি চলে। পৰিয়ালটোৰ প্ৰতিগৰাকী সদস্যৰে পূৰ্বপুৰুষে এৰি যোৱা সম্পত্তিত সমান অধিকাৰ থাকে। পৰিয়ালৰ আন সদস্যসকলক সহভাগী (coparcenary) বুলি জনা যায়। সম্পত্তি ধাৰকৰ তিনিটা প্ৰজন্মৰ পুৰুষ সদস্যসকলৰ অটুট শৃংখলাটোৰে এটা সমভাগী গোট গঠন কৰে (দেউতাক, ককাক আৰু আজোককাকৰ পৰা উত্তৰাধিকাৰী হিচাপে লাভ কৰা সম্পত্তি)। ১৯৬১ চনৰ আয়কৰ আইনে যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ক স্বীকৃতি দিছে।

৫.৪ এটা যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত প্ৰয়োগ কৰা ব্যৱস্থা

যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সদস্যপদ লাভৰ প্ৰক্ৰিয়াটোক দুটা প্ৰধান ব্যৱস্থা অথবা ধাৰাই নিয়ন্ত্ৰণ কৰে। ইয়াৰে এটাক দায়ভাগ ব্যৱস্থা আৰু আনটোক মিতাক্ষৰা ব্যৱস্থা বোলে।

১) **দায়ভাগ ব্যৱস্থা ঃ** দায়ভাগ ব্যৱস্থা কেৱল অসম আৰু পশ্চিম বংগত প্ৰযোজ্য। ই হ'ল হিন্দু আইনৰ সবাতোকৈ পুৰণি পৰম্পৰাগত ধাৰা। এই নিয়মে ল'ৰা আৰু ছোৱালী উভয় সন্তানকে পৈত্ৰিক সম্পত্তিৰ সমভাগী বুলি মান্যতা দিয়ে। ২০০৫ চনৰ হিন্দু উত্তৰাধিকাৰ (সংশোধিত) আইনে হিন্দু মহিলাক সম্পত্তিৰ সহভাগী হোৱাৰ অথবা পুৰুষ উত্তৰাধিকাৰীৰ সমানে যুটীয়া ন্যায়িক উত্তৰাধিকাৰী হোৱাৰ অধিকাৰ প্ৰদান কৰিছে। আনহাতে, মিতাক্ষৰা ব্যৱস্থা মতে ল'ৰা সন্তানৰ সম্পত্তিৰ উত্তৰাধিকাৰী হোৱাৰ স্বাভাৱিক অধিকাৰ থাকে, যদিহে জন্মসূত্ৰে তেওঁ এই অধিকাৰ লাভৰ যোগ্য। অৰ্থাৎ, কোনো পৰিয়ালত ল'ৰা সন্তান জন্মা মানেই হ'ল তেওঁ আপোনা-আপুনি পৰিয়ালৰ সকলো সম্পত্তিৰ সহঃ-গৰাকী হৈ পৰে। দায়ভাগ ব্যৱস্থাত পিতৃৰ মৃত্যু হ'লেহে সন্তানে বংশানুক্ৰমিক সম্পত্তিৰ অধিকাৰী হয়।

২) **মিতাক্ষৰা ব্যৱস্থা ঃ** এই ব্যৱস্থাটো ভাৰতৰ আন সকলো অংশতে প্ৰযোজ্য। এই নিয়মে পৰিয়ালৰ পুৰুষ সদস্যসকলকহে সম্পত্তিৰ সহভাগী হোৱাৰ অধিকাৰ দিয়ে। এই নিয়মত পিতৃগৰাকী জীয়াই থাকোতেই জন্মসূত্ৰে সম্পত্তিৰ ভাগ পোৱা সন্তানৰ মাজত সহভাগীতাৰ

উৎপত্তি হয়। এই ব্যৱস্থাৰ পোষকতা কৰিবলৈ দেশত আন চাৰিটা উপ-ধাৰা প্ৰচলিত. সেইবোৰক বেনাৰচ মিতাক্ষৰা ব্যৱস্থা, মিথিলা মিতাক্ষৰা ব্যৱস্থা, মহাৰাষ্ট্ৰ অথবা বোম্বে মিতাক্ষৰা ব্যৱস্থা আৰু দ্ৰাৱিড় অথবা মাদ্ৰাজ মিতাক্ষৰা ব্যৱস্থা নামেৰে জনা যায়।

৫.৫ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সদস্যপদ লাভৰ নিয়ম

যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় এটা হিন্দু আইনৰ নীতি-নিয়ম অনুসৰি পৰিচালিত। জন্মসূত্ৰে এনে ব্যৱসায়ৰ সদস্যপদ লাভ কৰিব পাৰি। অৰাথাৎ, ব্যৱসায়ী পৰিয়ালটোত জন্ম লাভ কৰিলেহে এনে ব্যৱসায়ৰ সদস্যৰ আসন পাব পাৰি। এটা অবিভক্ত হিন্দু পৰিয়ালৰ ব্যৱসায়ত পৰিয়ালটোৰ তিনিটা ক্ৰমিক প্ৰজন্মৰ সদস্য থাকে। এনে ব্যৱসায় পৰিয়ালৰ মুৰব্বীগৰাকীয়ে (সৰ্বজ্যেষ্ঠ সদস্য) পৰিচালনা কৰে। তেওঁক কৰ্তা নামেৰে জনা যায়।

৫.৬ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় আৰম্ভ কৰাৰ নিয়ম

তলত উল্লেখ কৰা চৰ্তবোৰৰ অধীনত এটা যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় আৰম্ভ কৰা হয়।

- যৌথ পৰিয়ালটোৰ সদস্যসকলৰ হাতত পূৰ্বপুৰুষৰ পৰা উত্তৰাধিকাৰীসূত্ৰে পোৱা সম্পত্তি থাকিব লাগিব।
- ব্যৱসায়টোত অতি কমেও দুগৰাকী পুৰুষ সদস্য থাকিব লাগিব।
- ব্যৱসায়টোৰ সদস্যসকলৰ সম্পত্তিৰ ওপৰত সমান অধিকাৰ থাকিব লাগিব।
- যৌথ হিন্দু পৰিয়ালত জন্মা প্ৰতিটো শিশুৱেই হিন্দু অবিভক্ত পৰিয়ালৰ ব্যৱসায়ৰ সদস্য হ'ব পাৰিব।
- এনে ব্যৱসায়ৰ সদস্য হ'বলৈ কোনো চুক্তিপত্ৰৰ প্ৰয়োজন নাই। ব্যৱসায়ী পৰিয়ালটোত জন্ম লোৱাটোৱেই ইয়াৰ বাবে যথেষ্ট।

৫.৭ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ অধীনত দায়ৱদ্ধতা

এটা হিন্দু অবিভক্ত পৰিয়ালৰ কৰ্তাগৰাকীয়ে হ'ল হিন্দু অবিভক্ত পৰিয়ালৰ ব্যৱসায়ৰ সাধাৰণ অংশীদাৰ। এটা অংশীদাৰত্বমূলক ব্যৱসায়ৰ সাধাৰণ অংশীদাৰসকলৰ থকাৰ দৰে যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত কৰ্তাগৰাকীৰো অসীম দায়ৱদ্ধতা থাকে। আন সদস্য অথবা সহভাগীসকলৰ দায়ৱদ্ধতা সীমিত। অৱশ্যে, কৰ্তা আৰু পৰিয়ালৰ আন সদস্যসকলৰ এনে ব্যৱসায়ৰ অধীন সম্পত্তিত সমান অধিকাৰ আৰু শ্বেয়াৰ থাকে।

৫.৮ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ এগৰাকী সাধাৰণ অংশীদাৰ হিচাপে কর্তাৰ ভূমিকা

যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ এগৰাকী কর্তাৰ ব্যৱসায় সংক্রান্তীয় সকলো ধৰণৰ প্রয়োজনীয় সিদ্ধান্ত লোৱাৰ সম্পুর্ণ অধিকাৰ থাকে। তেওঁ ব্যৱসায়টো সম্পুর্ণ নিজৰ নিয়ন্ত্রণাধীন কৰি ৰাখিব পাৰে। অৱশ্যে তেওঁ পৰিয়ালৰ সকলো সদস্যৰ পৰা মতামত বিচাৰিব পাৰে। কিন্তু ব্যৱসায়টো আগবঢ়াই নিয়াত তেওঁ এনে মতামত অথবা সিদ্ধান্তবোৰ গ্রহণ কৰিবলৈ বাধ্য নহয়।

৫.৯ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বৈশিষ্ট্য

যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ কিছুমান অনন্য বৈশিষ্ট্য আছে। তলত ইয়াৰে প্রধান বৈশিষ্ট্য কেইটামান চমুকৈ উল্লেখ কৰা হ'ল-

১) **গঠন ঃ** এনে ব্যৱসায় গঠন কৰিব খোজা পৰিয়ালটোত অতি কমেও দুগৰাকী সদস্য থাকিব লাগিব আৰু তেওঁলোকে উত্তৰাধিকাৰীসূত্রে পূর্বপুৰুষৰ পৰা কিছু সম্পত্তি লাভ কৰিব লাগিব। এই সদস্যসকলৰ মাজত কোনো ধৰণৰ চুক্তিপত্র স্বাক্ষৰিত নহয়। ১৯৫৬ চনৰ হিন্দু আইন (উত্তৰাধিকাৰ)ৰ অধীনত এনে ব্যৱসায় পৰিচালিত। সকলো সদস্যই ব্যৱসায়ৰ সম্পত্তি ভোগ কৰে আৰু ব্যৱসায়ত তেওঁলোকৰ সমান শ্বেয়াৰ থাকে।

১) **সদস্যপদ ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত এটা হিন্দু অবিভক্ত পৰিয়ালৰ পুৰুষ সদস্যসকলেহে জন্মসূত্রে সদস্য হ'ব পাৰে (দায়ভাগ পদ্ধতি ইয়াৰ ব্যতিক্রম)। অর্থাৎ, এনে ব্যৱসায়ত কেৱল পুৰুষেহে ভাগ ল'ব পাৰে। এনে ব্যৱসায়ত আনকি পৰিয়ালৰ নাবালক সকলকো ব্যৱসায়ৰ সদস্য হিচাপে ধৰা হয়। ব্যৱসায়ী পৰিয়ালটোত জন্মলাভ কৰা যিকোনো ল'ৰা সন্তানকে ব্যৱসায়ৰ সদস্য বুলি গণ্য কৰা হয়। সদস্যসকলৰ মাজত কোনো চুক্তিপত্র স্াক্ষৰিত নহয়।

৩) **নাবালক সদস্য ঃ** এটা হিন্দু অবিভক্ত পৰিয়ালত জন্ম লোৱা প্রতিটো শিশুৱেই পৰিয়ালৰ ব্যৱসায়ৰ সদস্য হৈ পৰে।

৪) **দায়ৱদ্ধতা ঃ** এটা হিন্দু অবিভক্ত পৰিয়ালৰ ব্যৱসায়ৰ সদস্য অথবা সহভাগীসকলৰ দায়ৱদ্ধতা তেওঁলোকৰ শ্বেয়াৰক ভিত্তি কৰি সীমাৱদ্ধ হৈ থাকে। পৰিয়ালৰ মুৰব্বী কর্তাৰ দায়ৱদ্ধতা অসীম। কেতিয়াবা তেওঁৰ ব্যক্তিগত সম্পত্তিকো ব্যৱসায়ৰ দেনা ধন পৰিশোধৰ কামত ব্যৱহাৰ কৰা হ'ব পাৰে। সকলো বোৰ সহভাগীৰে এনে ব্যৱসায়ৰ সম্পত্তিৰ ওপৰত সমান অধিকাৰ আৰু শ্বেয়াৰ থাকে।

৫) **ধাৰাবাহিকতা ঃ** কর্তা অথবা আন কোনো সদস্যৰ মৃত্যু হ'লে এনে ব্যৱসায় বন্ধ হৈ নাযায়। এনে ব্যৱসায়ত যদি কর্তগৰাকীৰ মৃত্যু হয়, তেন্তে বয়সত ঠিক তেওঁৰ পিছত থকা পৰিয়ালটোৰ বয়োজ্যেষ্ঠ সদস্যগৰাকীয়ে কর্তাৰ আসনত বহে। মৃত সদস্যগৰাকীৰ শ্বেয়াৰবোৰ তেওঁৰ ন্যায়সংগত উত্তৰাধিকাৰীৰ হাতলৈ যায়।

৬) **বিলোপ সাধন ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় এটা ভাগ ভাগ কৰি সদস্যসকলৰ পাৰস্পৰিক সহমতৰ মাধ্যমেৰে বন্ধ কৰা হয়। সদস্যসকলে নিজৰ মাজতে বুজাবুজিৰ মাধ্যমেৰে অথবা আদালতত ভাগ-বাটোৱাৰৰ চুক্তি কৰি এনে ব্যৱসায় এটাৰ বিলোপ সাধন ঘটায়।

৭) **ব্যৱস্থাপনা আৰু নিয়ন্ত্রণ ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ মুৰব্বী হিচাপে কর্তাগৰাকীৰ হাতত এনে ব্যৱসায়ৰ সম্পূর্ণ নিয়ন্ত্রণ আৰু কর্তৃত্ব থাকে। তেওঁ নিজ ইচ্ছামতে এনে ব্যৱসায় এটা পৰিচালনা কৰিব পাৰে। পৰিয়ালৰ আন সদস্যসকলৰ ব্যৱসায় ব্যৱস্থাপনা সংক্রান্তত মাত মতাৰ কোনো অধিকাৰ নাথাকে। অৱশ্যে কর্তাই বিভিন্ন বিষয়ত আন সদস্যৰ মতামত বিচাৰিব পাৰে। কিন্তু তেনে মতামত গ্রহণ কৰিবলৈ তেওঁ বাধ্য নহয়।

৮) **লাভৰ ভাগ-বাটোৱাৰা ঃ** ব্যৱসায়ত হোৱা লাভ প্রতিগৰাকী সহভাগীৰ মাজত সমানে ভগোৱা হয়।

৯) **পঞ্জীয়ন ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় এটাৰ পঞ্জীয়ন কৰোৱাতো বাধ্যতামূলক নহয়।

৫.১০ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ উদাহৰণ

- **ৰিলায়েন্স ইণ্ডাষ্ট্রীজ লিমিটেড ঃ** মুম্বাইত মুখ্য কার্যালয় থকা ৰিলায়েন্স ইণ্ডাষ্ট্রীজ লিমিটেড হ'ল যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ এটা সফল উদাহৰণ। এই ব্যৱসায়ৰ প্রতিষ্ঠাপক হ'ল ধীৰুভাই অম্বানি। তেওঁৰ বৰপুত্র মুকেশ অম্বানি হ'ল বর্তমান এই ব্যৱসায়ৰ কর্তা। পৰিয়ালৰ আন সদস্যসকলো এই ব্যৱসায়ৰ সদস্য।
- **টাটা ছন্স প্রাইভেট লিমিটেড ঃ** মুম্বাইতে মুখ্য কার্যালয় থকা ভাৰতৰ আন এটা সফল যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ উদাহৰণ হ'ল টাটা ছন্স প্রাইভেট লিমিটেড । ১৮৬৮ চনত জামশ্বেদজী টাটাই এই ব্যৱসায় প্রতিষ্ঠা কৰিছিল। বর্তমানৰ কর্তা হ'ল ৰতনলাল জামশ্বেদজী টাটা। এই পৰিয়ালৰ সকলো প্রজন্মই টাটা ব্যৱসায়ৰ সদস্য।
- **মহিন্দ্রা এণ্ড মহিন্দ্রা লিমিটেড ঃ** ১৯৪৫ চনত এই বাহন নির্মাণকাৰী ব্যৱসায়টোৰ পাতনি মেলা হৈছিল। মুম্বাইত সদৰ কার্যালয় থকা কোম্পানীটোৰ পূর্বৰ নাম আছিল মুহম্মদ এণ্ড মহিন্দ্রা। প্রতিষ্ঠাপক জগদীশ চন্দ্র মহিন্দ্রাৰ নাতি আনন্দ মহিন্দ্রা বর্তমান মহিন্দ্রা গ্রুপৰ অধ্যক্ষ। প্রতিষ্ঠাপকৰ পৰৱর্তী প্রজন্মৰ সদস্যসকলে ব্যৱসায়টো পৰিচালনা কৰি আছে।
- **হল্দীৰামছ্ প্রাইভেট লিমিটেড ঃ** ১৯৩৭ চনত শ্রী গংগা ভিষেন আগৰৱালে ৰাজস্থানৰ বিকানেৰত প্রতিষ্ঠা কৰা এই ব্যৱসায়ৰ মুখ্য কার্যালয় মহাৰাষ্ট্রৰ নাগপুৰত। এই ব্যৱসায়ৰ বর্তমান মুৰব্বী হ'ল ৰাজেন্দ্র আগৰৱাল আৰু পৰিয়ালৰ আন সদস্যসকল কোম্পানীৰ প্রধান ষ্টেক হ'ল্ডাৰ।

৫.১১ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সুবিধা

তলত যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সুবিধা কিছুমান আলোচনা কৰা হ'ল।

- **কার্যকৰী নিয়ন্ত্রণ ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত কর্তাই সর্বেসর্বা। তেওঁৰ হাতত ব্যৱসায় নিয়ন্ত্রণৰ সম্পুর্ণ কর্তৃত্ব থাকে। তেওঁ প্রয়োজন সাপেক্ষে খৰতকীয়া সিদ্ধান্ত ল'ব পাৰে। পৰিয়ালৰ আন সদস্যই তেওঁৰ সিদ্ধান্ত মানি চলিবলৈ বাধ্য। কর্তাৰ সিদ্ধান্তত কোনেও হস্তক্ষেপ কৰিব নোৱাৰে। সেয়েহে এনে ব্যৱসায়ত সদস্যৰ মাজত মতবিৰোধ হোৱাৰ সম্ভাৱনা কম।
- **খৰতকীয়া সিদ্ধান্ত ঃ** কর্তাৰ হাতত যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় আগবঢ়াই নিয়াৰ সম্পূর্ণ কর্তৃত্ব থকাৰ বাবে প্রয়োজনৰ সময়ত বিনা হস্তক্ষেপে তাৎক্ষণিক সিদ্ধান্ত গ্রহণ কৰিব পৰা যায়।
- **সীমিত দায়ৱদ্ধতা ঃ** কর্তাৰ বাহিৰে এনে ব্যৱসায়ত বাকী সহভাগী সদস্যসকলৰ দায়ৱদ্ধতা সীমিত। এনে দায়ৱদ্ধতা কেৱল ব্যৱসায়ত থকা শ্বেয়াৰ অনুসৰিহে ভাগত পৰে। ইয়াৰ বাবে সদস্যসকলে মুক্তমনেৰে ব্যৱসায়টো পৰিচালনা কৰাৰ সুযোগ পায়। ব্যৱসায় বন্ধ কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হ'লে কেৱল কর্তাৰ ব্যক্তিগত সম্পত্তি আৰু শ্বেয়াৰকহে দায়ৱদ্ধ কৰা হয়।
- **সুস্থিৰতা ঃ** একক মালিকানাধীন আৰু অংশীদাৰী ব্যৱসায়ৰ তুলনাত এটা যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় অধিক সুস্থিৰ। এনে ব্যৱসায়ক কর্তা অথবা আন সদস্যৰ মৃত্যুই প্রভাৱিত নকৰে। এগৰাকী কর্তাৰ মৃত্যু হ'লে পৰিয়ালৰ পৰৱর্তী বয়োজ্যেষ্ঠ সদস্যগৰাকীয়ে কর্তাৰ আসনত বহে। ফলত ব্যৱসায়ৰ কাম-কাজ বিনা কোনো ভাবুকিৰে বাধাহীন আৰু অবিৰতভাৱে চলি থাকে।
- **গোপনীয়তা ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত কর্তাই কোনো সদস্যৰ মতামত নোলোৱাকৈ যিকোনো সিদ্ধান্ত ল'ব পাৰে। সেয়েহে, এনে ব্যৱসায়ৰ গোপন তথ্য ফাদিল হোৱাৰ সম্ভাৱনা নিচেই কম।
- **ন্যায়িক আনুষ্ঠানিকতাৰ পৰা মুক্ত ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় এটা তেনেই সামান্য পৰিমাণৰ ন্যায়িক আনুষ্ঠানিকতাৰে আৰম্ভ কৰিব পাৰি। এনে ব্যৱসায়ৰ পঞ্জীয়ন কৰোৱাতো বাধ্যতামূলক নহয়।
- **আনুগত্য আৰু সহযোগিতাৰ পৰিসৰ বহল ঃ** এনে ব্যৱসায়ৰ সকলো কাম-কাজ পৰিয়ালৰ সদস্যসকলেই সন্মিলিতভাৱে পৰিচালনা কৰে। ই সদস্যসকলৰ মাজত বিনা বাধাই গভীৰ আনুগত্য আৰু সহযোগিতাৰ মনোভাৱ গঢ়ি তোলে। কর্তা আৰু আন সদস্যসকলৰ সহযোগিতাৰ মাজেৰে ব্যৱসায়ৰ সকলো লক্ষ্যকে বাস্তৱ ৰূপ দিয়া হয়।

৫.১২ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ অসুবিধা

যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ কিছুমান অসুবিধাও আছে. তলত সেইবোৰ চমুকৈ আলোচনা কৰা হ'ল।

ক) **সীমিত সমল ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত পুঁজি জমা কৰাৰ সুযোগ সীমিত। এনে ব্যৱসায় বেছিভাগ সময়তে পূৰ্বপুৰুষৰ পৰা উত্তৰাধিকাৰীসূত্রে লাভ কৰা সম্পত্তি নিৰ্ভৰ। এনে ব্যৱসায়ত সদস্যসকলে ব্যক্তিগত মুলধন বিনিয়োগ নকৰে।

খ) **সীমিত ব্যৱস্থাপনা সামৰ্থ ঃ** এনে ব্যৱসায় ব্যৱস্থাপনাৰ সমস্ত ভাৰ কৰ্তাৰ হাতত ন্যস্ত থাকে। তেওঁ ব্যৱসায়ৰ সকলো দিশ পৰিচালনা কৰিব পৰাকৈ সমৰ্থ নহ'বও পাৰে। এনে অৱস্থাত ব্যৱসায় এটা বিফলহোৱাৰ অথবা লোকচানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা থাকে।

গ) **কৰ্তাৰ অসীম দায়ৱদ্ধতা ঃ** যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত কৰ্তাগৰাকীয়ে সকলো ধাৰ-ঋণ আৰু লোকচানৰ বোজা বহন কৰিব লাগে। এইটো কাৰণতে ব্যৱসায়টোৰ বৃদ্ধি ৰোধ কৰিব পৰা ধৰণৰ সিদ্ধান্ত ল'বলৈ কৰ্তাই সংকোচ কৰে।

ঘ) **দায়িত্ব আৰু পুৰস্কাৰৰ মাজত কোনো সম্পৰ্ক নাথাকে ঃ** ব্যৱসায়ৰ সকলো দিশ পৰিচালনা কৰা কৰ্তা গৰাকীয়ে সকলো ধৰণৰ বিপদৰ আশংকা আৰু দায়িত্বৰ বোজা বহন কৰে। ব্যৱসায়ৰ বাবে লোৱা ধাৰ-ঋণৰ বাবে তেওঁ ব্যক্তিগতভাৱে দায়ী। কিন্তু ইয়াৰ বাবে তেওঁ ব্যৱসায়টোৰ পৰা কোনো অতিৰিক্ত ধন লাভ নকৰে। পৰিয়ালৰ আন সদস্যবোৰৰ দৰেই কৰ্তায়ো কেৱল লাভৰ অংশটোহে পায়।

ঙ) **ক্ষমতাৰ অপব্যৱহাৰ হোৱাৰ সম্ভাৱনা ঃ** এনে ব্যৱসায় সম্পুৰ্ণৰূপে কৰ্তাৰ নিয়ন্ত্রণাধীন হোৱাৰ ফলত তেওঁ কেতিয়াবা ক্ষমতাৰ অপপ্রয়োগ কৰিব পাৰে। এনে কার্যকলাপে সহভাগীসকলৰ মাজত সংঘাত সৃষ্টি কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ যিকোনো তিনিটা বৈশিষ্ট্য উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ যিকোনো তিনিটা অসুবিধা বর্ণনা কৰক।



৫.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় সম্পর্কে আলোচনা কৰা হ'ল। আলোচনাৰ প্রধান বিষয়বোৰৰ সাৰাংশ এনেধৰণৰ-

- যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় হ'ল কেৱল ভাৰততহে প্রচলিত এক বিশেষ ধৰণৰ ব্যৱসায়।

- হিন্দু আইনৰ অধীনত এই ব্যৱসায়ৰ কাম-কাজ নিৰীক্ষণ কৰা হয়।
- যিকোনো হিন্দু পৰিয়াল এটাৰ সকলো সদস্যই মিলি এনে ব্যৱসায় আৰম্ভ কৰিব পাৰে।
- পৰিয়ালৰ ব্যৱসায় আৰু সম্পত্তিৰ তত্বাৱধান লোৱা সবাতোকৈ বয়সত ডাঙৰ সদস্যগৰাকীক কৰ্তা বুলি কোৱা হয়।
- এনে ব্যৱসায়ৰ পৰিয়ালৰ প্ৰতিগৰাকী সদস্যৰে পূৰ্বপুৰুষৰ সম্পত্তিত সমান অধিকাৰ থাকে আৰু ব্যৱসায়টোত তেওঁলোকক সহভাগী বুলি ধৰা হয়।
- ১৯৬১ চনৰ আয়কৰ আইনে স্বীকৃতি দিয়া যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় এটা ১৯৫৬ চনৰ হিন্দু আইন (উত্তৰাধিকাৰী)ৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়।



৫.১৪ অধিক জানিবলৈ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.
2) Gandhi, Poonam; *Business Studies*; NaiSarak, Delhi: Dhanpat Rai & Co.
3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.
4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



৫.১৫ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত এটা হিন্দু অবিভক্ত পৰিয়ালৰ পুৰুষ সদস্যসকলেহে জন্মসূত্ৰে সদস্য হ'ব পাৰে। অৰ্থাৎ, এনে ব্যৱসায়ত কেৱল পুৰুষেহে ভাগ ল'ব পাৰে।

খ) এই ব্যৱসায়ত কৰ্তাৰ দায়ৱদ্ধতা অসীম। কেতিয়াবা তেওঁৰ ব্যক্তিগত সম্পত্তিকো ব্যৱসায়ৰ দেনা ধন পৰিশোধৰ কামত ব্যৱহাৰ কৰা হ'ব পাৰে।

গ) কৰ্তা অথবা আন কোনো সদস্য ৰ মৃত্যু হ'লে ওনে ব্যৱসায় বন্ধ হৈ নাযায়। এনে ব্যৱসায়ত যদি কৰ্তগৰাকীৰ মৃত্যু হয়, তেন্তে বয়সত ঠিক তেওঁৰ পিছত থকা পৰিয়ালটোৰ বয়োজ্যেষ্ঠ সদস্যগৰাকীয়ে কৰ্তাৰ আসনত বহে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ

ক) যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত পুঁজি জমা কৰাৰ সুযোগ সীমিত।

খ) এই ব্যৱসায়ত কৰ্তাৰ দায়ৱদ্ধতা অসীম।

গ) এনে ব্যৱসায় সম্পুৰ্ণৰূপে কৰ্তাৰ নিয়ন্ত্ৰণাধীন হোৱাৰ ফলত তেওঁ কেতিয়াবা ক্ষমতাৰ অপপ্ৰয়োগ কৰিব পাৰে।



৫.১৬ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ ধাৰণা আৰু বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ত প্ৰয়োগ কৰা ব্যৱস্থাবোৰ কি কি?

প্ৰশ্ন ৩ ঃ এটা যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় পৰিচালনা কৰাৰ উপায়বোৰ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সদস্যপদ লাভৰ প্ৰক্ৰিয়াটোৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ ঃ এটা যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় আৰম্ভ কৰাৰ নিয়মবোৰ আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ অধীনত দায়ৱদ্ধতাৰ বিন্যাসটো কেনে বৰ্ণনা কৰক।

প্ৰশ্ন ৭ ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ বৈশিষ্ট্যসমূহ বহলাই আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায়ৰ সুবিধা আৰু অসুবিধাবোৰ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৬ ঃ সমবায় সমিতি

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ সমবায় সমিতিৰ অর্থ আৰু সংজ্ঞা

৬.৪ সমবায় সমিতিৰ বৈশিষ্ট্য

৬.৫ সমবায় সমিতিৰ গঠন

৬.৬ ৰাহি/লাভৰ বিক্রয়

৬.৭ সমবায় সমিতিৰ প্রকাৰ

৬.৮ সমবায় সমিতিৰ সুবিধা আৰু অসুবিধাসমূহ

৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.১০ অধিক জানিবলৈ

৬.১১ অগ্রগতিৰ খতিয়ান

৬.১২ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সমবায় সমিতিৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- সমবায় সমিতিৰ বৈশিষ্ট্যবোৰ আলোচনা কৰিব পাৰিব
- বিভিন্ন প্রকাৰৰ সমবায় সমিতিৰ বর্ণনা আগবঢ়াব পাৰিব
- সমবায় সমিতিবোৰৰ সুবিধা আৰু অসুবিধাসমূহ ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

বিংশ শতিকাৰ আৰম্ভণিতে বৃটিছ চৰকাৰে ভাৰতত সমবায় সমিতি গঠন প্রক্রিয়াৰ পৃষ্ঠপোষকতা কৰিছিল। গ্রাম্য ঋণগ্রস্ততাৰ সমস্যাৰ সৈতে যুঁজিবলৈ এনে সমিতিবোৰ গঠন কৰা হৈছিল। তেতিয়াৰে পৰা আজিলৈ ভাৰতৰ উন্নয়নত সমবায় সমিতিবোৰে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। বর্তমান দেশত বহুতো সফল সমবায় সমিতি আছে। অবশ্যে নিষ্ক্রিয় হৈ থকা সমবায় সমিতিৰ সংখ্যাও কম নহয়। অর্থাৎ, সমবায় সমিতিবোৰে ভাৰতত এক মিশ্র সফলতা দেখুৱাইছে। এই অধ্যায়টিত সমবায় সমিতিৰ বিভিন্ন দিশ আলোচনা কৰা হ'ব।

৬.৩ সমবায় সমিতিৰ অর্থ আৰু সংজ্ঞা

ৰামু অসমৰ এখন প্রত্যন্ত গাঁৱৰ এজন খেতিয়ক। তেওঁৰ এজাক হাঁহ আছে আৰু হাঁহজাকৰ পৰা দৈনিক বিশটাকৈ কণী পায়। পৰিয়ালত ব্যৱহাৰ কৰাৰ পাছত প্রতিদিনে ইয়াৰে পোন্ধৰটা কণী ৰাহি হয়। তেওঁ এই ৰাহি হোৱা পোন্ধৰটা কণী সদায় কি কৰিব? কণীকেইটা বিক্রী কৰিব পাৰে, কিন্তু গাঁৱত নিতৌ কণী কিনা গ্রাহক নোলাবও পাৰে। তেওঁ ওচৰৰ চহৰলৈ গৈ কণীকেইটা বিক্রী কৰাৰ চেষ্টা কৰিব পাৰে। কিন্তু সদায় চহৰলৈ যাবলৈ ধন যোগাৰ কৰাটো তেওঁৰ বাবে এক সমস্যা হ'ব পাৰে। ৰামুৰ বাবে এই সমস্যাটোৰ সমাধান নাই। কিন্তু তেওঁ এদিন কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এনে এগৰাকী শিক্ষার্থীক লগ পালে যিজনে এই অধ্যায়টো পঢ়িছে। শিক্ষার্থীগৰাকীয়ে খেতিয়কজনৰ সমস্যাটো শুনিলে আৰু গম পালে যে গাওঁখনৰ আন কেইগৰাকীমান বাসিন্দাৰো একেই সমস্যা হৈছে। তেওঁ কথাটো সকলোৰে সৈতে আলোচনা কৰিলে। তেওঁৰ উপদেশ অনুসৰি গাওঁখনৰ বাসিন্দাসকলে নিতৌ পুৱা ৰাহি কণীবোৰ নির্দিষ্ট এঠাইত জমা কৰিবলৈ ল'লে। কণীবোৰ লৈ এজন নাইবা দুজন গঞ্চাই পাল পাতি ওচৰৰ চহৰখনলৈ যাবলৈ আৰম্ভ কৰিলে। সন্ধিয়া পুনৰ এঠাইত মিলিত হৈ তেওঁলোকে যাতায়াতৰ খৰছ বাদ দি কণী বিক্রী কৰি পোৱা ধন কণীৰ সংখ্যা অনুসৰি গৰাকীক উলিয়াই দিয়ে। গাওঁখনৰ মানুহে আন গাঁৱৰ বাসিন্দাৰ সৈতে বুদ্ধিটো ভাগ-বাটোৱাৰা কৰিবলৈ ল'লে। ওচৰ-পাজৰৰ আন গাঁৱৰ ৰাইজে বুদ্ধিটো ভাল পালে আৰু একেলগে কাম কৰিবলৈ সন্মত হ'ল। তেওঁলোকে এখন কণী উৎপাদকৰ সমিতি গঠন কৰিলে। তেওঁলোকে পুৱা কণী সংগ্রহ কৰি সেয়া ওচৰৰ চহৰবোৰলৈ বিক্রীৰ বাবে লৈ যায়। এতিয়া আৰু তেওঁলোকৰ ৰাহি হোৱা কণী বিক্রী কৰাৰ সমস্যা নাই।

ওপৰৰ উদাহৰণটোত আমি দেখিলো যে গাঁৱৰ সকলো কণী উৎপাদক একগোট হ'ল, ৰাহি হোৱা কণী সংগ্রহ কৰিবলৈ আৰম্ভ কৰিলে, ওচৰৰ চহৰবোৰত বিক্রী কৰিবলৈ ল'লে আৰু উপার্জন কৰা আৰম্ভ কৰিলে। তেওঁলোকে একেলগে আগবাঢ়ি আহি সমবায় সমিতি এখন গঠন কৰাৰ সিদ্ধান্ত ল'লে বাবেহে এই কথা সম্ভৱ হ'ল। মানুহে বিভিন্ন উদ্দেশ্যত এইদৰে বিভিন্ন প্রকাৰৰ সমবায় সমিতি গঠন কৰিব পাৰে।

সাধাৰণ অর্থত সহযোগিতা মানে হ'ল ইজনে সিজনক সহায় কৰি সামূহিকভাৱে কাম কৰা। সমবায় সমিতিবোৰ ব্যক্তিয়ে স্বৈচ্ছিকভাৱে গঠন কৰা সংগঠন। সদস্যসকলৰ সামূহিক কল্যাণ সাধনেই এনে সমিতিৰ লক্ষ্য। ইয়াৰ আধাৰ নীতি হ'ল আত্মসহায়, সমতা, গণতন্ত্র আৰু স্বাধীনতা।

তলত সমবায় সমিতিৰ দুটামান সংজ্ঞা আগবঢ়োৱা হ'ল-

এইছ. চি. কালভার্টৰ মতে, " ব্যক্তিৰ গোট একোটাই নিজৰ আর্থিক স্বার্থৰ পৃষ্ঠপোষকতা কৰাৰ উদ্দেশ্যেৰে সমতাৰ আধাৰত স্বৈচ্ছিকভাৱে মিলিত হৈ গঢ় দিয়া সংগঠনবোৰেই হ'ল সমবায় সমিতি।"

ভাৰতীয় সমবায় সমিতি আইন,১৯১২ ত উল্লেখ কৰা সংজ্ঞা অনুসৰি " সহযোগিতাৰ

নীতিৰ আধাৰত সদস্যসকলৰ আর্থিক স্বার্থৰ পৃষ্ঠপোষকতা কৰাৰ উদ্দেশ্যেৰে গঠিত সমাজবোৰেই হ'ল সমবায় সমিতি।"

৬.৪ সমবায় সমিতিৰ বৈশিষ্ট্য

তলত সমবায় সমিতিৰ বৈশিষ্ট্য কিছুমান আলোচনা কৰা হ'ল-

- **সমবায় সমিতিবোৰ স্বৈচ্ছিক সংস্থা ঃ** সমবায় সমিতিবোৰ সাধাৰণতে স্বৈচ্ছিকভাৱে গঠিত সংস্থা। ইয়াৰ সদস্যসকলৰ সামূহিক কার্যৰ জৰিয়তে নিজৰ আর্থিক স্থিতি উন্নত কৰাৰ উমৈহতীয়া স্বার্থ থাকে। সদস্য এগৰাকীয়ে যেতিয়াই প্রয়োজন অনুভৱ কৰে এনে সমিতিৰ সৈতে জড়িত হ'ব আৰু যেতিয়াই মন কৰে এনে সমিতিৰ সদস্যপদ এৰি যাব পাৰে।
- **বাধ্যতামূলক পঞ্জীয়ন ঃ** সমবায় সমিতিবোৰৰ পঞ্জীয়ন কৰোৱাটো বাধ্যতামূলক। 'সমবায় সমিতিৰ পঞ্জীয়কৰ কার্যালয়'ত এই পঞ্জীয়ন কৰোৱা হয়।
- **আইনী স্থিতি ঃ** সমবায় সমিতি এখন 'সমবায় সমিতি পঞ্জীয়ন আইন,১৯১২'ৰ অধীনত পঞ্জীয়ন কৰিব লাগে। পঞ্জীয়নৰ পাছত সমিতিখন ইয়াৰ সদস্যসকলৰ এক পৃথক সংস্থা হৈ পৰে। লগতে ই স্বায়ত্ব শাসিত আৰু স্ব-নিয়ন্ত্রিত সংস্থাৰ বৈশিষ্ট্য আহৰণ কৰে। সমিতিখনে ইয়াৰ নামত কোনো পক্ষৰ বিৰুদ্ধে গোচৰ তৰিব পাৰে এথবা আন কোনো পক্ষই সমিতিখনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাব পাৰে। সমবায় সমিতিৰ কোনো সদস্যৰ মৃত্যু, দেউলীয়া অৱস্থা নাইবা মানসিত বিকৃতিয়ে সমিতিখনৰ অস্তিত্বক প্রভাৱিত নকৰে। ই আন পক্ষৰ সৈতে চুক্তিৱদ্ধ হ'ব পাৰে আৰু সমিতিয়ে নিজৰ নামত সম্পত্তি ক্রয়-বিক্রয় কৰিব পাৰে।
- সীমিত দায়ৱদ্ধতা ঃ সমবায় সমিতিবোৰৰ সদস্যসকলৰ দায়ৱদ্ধতা সীমিত।
- ৰাজ্য প্রশাসনৰ নিয়ন্ত্রণ ঃ সমবায় সমিতি এখনৰ সদস্যসকলৰ স্বার্থ সুৰক্ষিত ৰাখিবলৈ সংশ্লিষ্ট ৰাজ্যৰ চৰকাৰে পঞ্জীয়ন পদ্ধতিৰ দ্বাৰা সমিতিবোৰৰ বাবে নীতি-নিয়ম বান্ধি দিয়ে আৰু এইবোৰক নিয়ন্ত্রণ কৰে।
- মুক্ত আৰু স্বৈচ্ছিক সদস্যপদ ঃ সমবায় সমিতিবোৰৰ সদস্যপদ সকলোৰে বাবে মুকলি। উমৈহতীয়া স্বার্থ থকা যিকোনো ব্যক্তি এনে সমিতিৰ সদস্য হ'ব পাৰে। সদস্যপদৰ সৈতে সংলগ্ন হৈ থকা দায়িত্ববোৰ গ্রহণ কৰিবলৈ ইচ্ছুক যিকোনো ব্যক্তিয়ে কোনো ধৰণৰ সামাজিক, দর্মীয় অথবা ৰাজনৈতিক বৈষম্যৰ বলি নোহোৱাকৈ সমবায় সমিতিবোৰৰ সদস্য হ'ব পাৰে। সমবায় সমিতি আইনৰ নীতি অনুসৰি অতি কমেও দহগৰাকী সদস্যেৰে সমবায় সমিতি এখন গঠন কৰিব পাৰি। এনে সমিতিৰ সর্বাধিক সদস্যৰ ক্ষেত্রত কোনো নির্দিষ্ট সীমা নাই।
- সেৱাৰ অভিপ্রায় ঃ সমবায় সমিতিবোৰৰ প্রধান লক্ষ্য লাভ আহৰণ কৰাটো নহয়, সদস্যসকলৰ প্রতি সেৱা আগবঢ়োৱাহে। যেনে- এখন ঋণদাতা সমবায় সমিতিয়ে ইয়াৰ সদস্যসকলৰ পৰা একোটা নির্দিষ্ট পৰিমাণৰ ধন জমা ৰাখে আৰু সদস্যক প্রয়োজনৰ

সময়ত এটা যুক্তিসংগত হাৰৰ সুতত ধন ধাৰলৈ দিয়ে।

- বিত্তৰ উৎস ঃ সমবায় সমিতি এখনৰ মূলধন সদস্যসকলৰ অৰিহণাৰে জমা কৰা হয়। পঞ্জীয়নৰ পাছত সমিতি এখনে ঋণ গ্ৰহণ কৰিব অথবা চৰকাৰৰ পৰা অনুদান বিচাৰিব পাৰে।
- গণতান্ত্ৰিক ব্যৱস্থাপনা ঃ সমবায় সমিতিবোৰ গণতান্ত্ৰিক সংস্থা। এনে সমিতিবোৰ নিৰ্বাচিত সদস্যৰ দল একোটাই পৰিচালনা কৰে। তেওঁলোকৰ মণ্ডতীটোক নিৰ্দেশকৰ বোৰ্ড বোলা হয়। সমিতিৰ প্ৰতিগৰাকী সদস্যৰে একক ভোট দানৰ অধিকাৰ থাকে। সমিতিত সদস্যৰ শ্বেয়াৰৰ সংখ্যাই ভোট দিয়াৰ অধিকাৰ কম নাইবা বেছি নকৰে।
- পাৰস্পৰিক সহযোগিতাৰ মাধ্যমেৰে আত্ম-সহায় ঃ সমবায় সমিতিবোৰ হ'ল আৰ্থিকভাৱে দুৰ্বল সামাজিক শ্ৰেণীৰ লোকে গঠন কৰা সংস্থা। এই সমিতিবোৰ পাৰস্পৰিক সহযোগিতা আৰু আত্ম-সহায়ৰ নীতিৰে আগবাঢ়ে। সমবায় সমিতিৰ মৌলিক আদৰ্শটো হ'ল 'প্ৰত্যেকেই সকলোৰে বাবে আৰু সকলোৱেই প্ৰত্যেকৰ বাবে'। পাৰস্পৰিক সহযোগিতা আৰু আত্ম-সহায়ৰ নীতিৰে সমিতিবোৰে সদস্যসকলৰ দুৰ্বলতাক শক্তিলৈ সলনি কৰে।

৬.৫ সমবায় সমিতিৰ গঠন

সমবায় সমিতি এখন 'সমবায় সমিতি পঞ্জীয়ন আইন, ১৯১২'ৰ অধীনত পঞ্জীয়ন কৰিব লাগে। অতি কমেও দহগৰাকী সদস্যেৰে সমবায় সমিতি এখন গঠন কৰিব পাৰি। এনে সমিতিৰ সৰ্বাধিক সদস্যৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট সীমা নাই। সংশ্লিষ্ট ৰাজ্যৰ সমবায় সমিতি পঞ্জীয়কৰ কাৰ্যালয়ত সমিতি বিষয়ক সকলো প্ৰয়োজনীয় তথ্য দি নিৰ্দিষ্ট আৰ্হিৰ আবেদন পত্ৰ পূৰণ কৰি জমা দিব লাগে। আবেদন পত্ৰৰ সৈতে জমা দিবলগীয়া নথিসমূহ হ'ল-

ক) পৃষ্ঠপোষক সদস্যৰ নামৰ তালিকা
খ) বেংকৰ প্ৰমাণ পত্ৰ (সমিতিৰ নামত বেংক একাউণ্ট খোলাৰ প্ৰমাণ)
গ) সমিতিৰ কাৰ্য সম্পাদন পদ্ধতিৰ বিস্তৃত বিৱৰণ
ঘ) সমিতিৰ প্ৰস্তাৱিত উপ-আইনবোৰৰ চাৰিটা প্ৰতিলিপি
ঙ) পঞ্জীয়ন মাছুল জমা দিয়াৰ প্ৰমাণ
চ) আদালতত দাখিল কৰা শপতনামাৰ প্ৰতিলিপি, ক্ষতিপূৰ্তি ব'ণ্ডৰ প্ৰতিলিপি, পঞ্জীয়কৰ কাৰ্যালয়ে ধৰি দিয়া আন যিকোনো প্ৰকাৰৰ নথি ইত্যাদি।

আবেদনৰ 'ফ'ৰ্ম-বি' ভাগত থকা শিতানবোৰত পঞ্জীয়কৰ কাৰ্যালয়ে সমিতিখনৰ লাগতিয়াল তথ্যবোৰ পূৰ কৰিব আৰু এটা ক্ৰমিক নম্বৰ ভৰাব। তাৰ পাছত আবেদনকাৰী পক্ষক সেই ক্ৰমিক নম্বৰটোৰে সৈতে এখন প্ৰাপ্তি ৰচিদ দিব। পঞ্জীয়ন হৈ যোৱাৰ পাছত পঞ্জীয়কে চৰকাৰী ৰাজপত্ৰত সমিতিখনৰ নাম সদৰি কৰি জাননী দিব আৰু সমিতিখনে পঞ্জীয়ন প্ৰমাণ-পত্ৰ লাভ কৰিব।

৬.৬ ৰাহি/লাভৰ বিক্রয়

প্রতিখন সমবায় সমিতিয়ে সদস্যসকললৈ সেৱা আগবঢ়াই থকাৰ লগতে ব্যৱসায় কৰি গৈ থাকে। ব্যৱসায়ত সমিতিবোৰে লাভ আহৰণ কৰিব পাৰে। অৱশ্যে সাধাৰণ ব্যৱসায়ৰ ক্ষেত্রত লাভৰ ধাৰণাটো যেনেদৰে ব্যৱহাৰ হয় সমবায় সমিতিবোৰৰ ক্ষেত্রত সেয়া প্রযোজ্য নহয়। ইয়াত লাভৰ সলনি ৰাহি সংজ্ঞাটোহে খাপ খায়। ব্যৱসায়ত ৰাহি হোৱা ধন সমবায় সমিতিবোৰে সদস্যৰ শ্বেয়াৰৰ সমানুপাতিকভাৱে আৰু ব্যৱসায়ত সদস্যৰ সক্রিয় অংশগ্রহণৰ ভিত্তিত ভগাই লয়। নিয়ম অনুসৰি ৰাহি হোৱা ধনৰ এটা বুজন অংশ সাধাৰণ সঞ্চয় পুঁজিলৈ স্থানান্তৰ কৰা হয়।




অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতত কোনখন আইনৰ অধীনত সমবায় সমিতিবোৰৰ পঞ্জীয়ন কৰা হয়?

৬.৭ সমবায় সমিতিৰ প্রকাৰ

কামৰ প্রকৃতি অনুসৰি সমবায় সমিতিবোৰক বিভিন্ন শিতানত বিভক্ত কৰা হয়। তলত সমিতিবোৰৰ প্রকাৰবোৰ উল্লেখ কৰা হ'ল-



- **উপভোক্তা সমবায় সমিতি (Consumer Co-operative Societies) ঃ** ব্যৱসায়ী আৰু মধ্যভোগীৰ শোষণৰ পৰা পৰিত্রাণ বিচৰা উপভোক্তাই মিলি এনে সমিতি গঠন কৰে। এনে সমিতিবোৰে মধ্যভোগীক আঁতৰাই উপভোক্তা আৰু উৎপাদকৰ মাজত পোনপটীয়া সম্বন্ধ স্থাপন কৰে। এনেধৰণৰ সমিতিবোৰৰ প্রধান উদ্দেশ্য হ'ল দ্রব্যৰ অবিৰত যোগান নিশ্চিত কৰা আৰু এটা গ্রহণযোগ্য দৰত উচ্চমানৰ দ্রব্য উপলব্ধ কৰোৱা। এনে সমিতিবোৰে উৎপাদক অথবা পাইকাৰী বিক্রেতাৰ পৰা একে থূপতে যথেষ্ট সংখ্যক দ্রব্য ক্রয় কৰে আৰু সদস্যসকলক বিক্রী কৰে। অৱশ্যে এনে দ্রব্য সমিতিৰ সদস্য নোহোৱা ব্যক্তিয়েও ক্রয় কৰিব পাৰে। কিন্তু দ্রব্যৰ নাটনি হোৱাৰ সময়ত সমিতিৰ সদস্যসকলে অগ্রাধিকাৰ পায়। সদস্যসকলক ক্রয় আৰু বিনিয়োগৰ সমানুপাতত বোনাচ আৰু লাভৰ অংশ দিয়া হয়।
- **উৎপাদকৰ সমবায় সমিতি (Producers' Co-operative Societies) ঃ** ক্ষুদ্র উৎপাদকে মিলি এনেধৰণৰ সমবায় সমিতিবোৰ গঠন কৰে। ইয়াৰ উদ্দেশ্য হ'ল

প্রতিযোগিতাৰ মুখামুখি হোৱা আৰু উৎপাদন বৃদ্ধি কৰা। এনে সমিতিবোৰৰ সহায়ত ক্ষুদ্ৰ উৎপাদকসকলে সহজে কেঁচামাল সংগ্ৰহ কৰিব পাৰে, উৎপাদিত সামগ্ৰীৰ গুণগত উৎকৰ্ষ সাধন কৰিব পাৰে আৰু বৃহৎ মাত্ৰাৰ উৎপাদন পৰা হোৱা লাভ নিশ্চিতভাৱে নিজৰ হাতত ৰাখিব পাৰে।

- **বিপণন সমবায় সমিতি (Co-operative Marketing Societies) ঃ** হস্তশিল্পজাত সামগ্ৰী নিৰ্মাণকাৰী আৰু ক্ষুদ্ৰ উৎপাদকে মিলি স্বৈচ্ছিকভাৱে গঠন কৰা সমিতি। এনে সমিতিবোৰে সদস্যসকলক নিজৰ উৎপাদনৰ লাভপ্ৰদ মূল্য (remunerative price) নিজৰ হাততে ৰখাৰ সুযোগ দিয়ে। এনে সমিতিয়ে সদস্যৰ দৰদাম কৰাৰ ক্ষমতা আৰু প্ৰতিযোগিতামূলক স্থিতি সবল কৰাত সহায় কৰে। এনে সমিতিবোৰে সদস্যৰ কামত অহাকৈ সামগ্ৰী পৰিবহন, পেকে'জিং, সামগ্ৰীক মান প্ৰদান আৰু বজাৰ অধ্যয়ন আদিৰ দৰে কামবোৰো কৰে। ইয়াৰ উপৰি এনে সমিতিবোৰে ব্যৱসায়িক লেনদেনত হ'ব পৰা বিভিন্ন প্ৰৱঞ্চনামূলক কাৰ্য, যেনে- হিচাবৰ বহীত কৰা হেৰফেৰ আৰু ওজনৰ উদ্দেশ্যপ্ৰণোদিত তাৰতম্য আদিৰ দৰে কথাবোৰতো দৃষ্টি ৰাখে। বিপণন সমবায় সমিতিৰ এটা অনুকৰণীয় উদাহৰণ হ'ল 'আমূল গাখীৰ'ৰ লেবেলৰ অধীনত বিভিন্ন দুগ্ধজাত সামগ্ৰী বিক্ৰেতা গুজৰাট কো-অপাৰেটিভ মিল্ক মার্কেটিং ফেডাৰেশ্যন।
- **ঋণদাতা সমবায় সমিতি (Co-operative Credit Societies) ঃ** সীমিত আৰ্থিক সমল থকা ব্যক্তিৰ গোটে এনে সমিতি গঠন কৰে। এই সমিতিবোৰে সদস্যসকলক সঞ্চয় কৰিবলৈ আৰু খৰছত মিতব্যয়ী হ'বলৈ অনুপ্ৰাণিত কৰে। হস্তশিল্পজাত সামগ্ৰী প্ৰস্তুতকাৰী, ঔদ্যোগিক প্ৰতিষ্ঠানত কৰ্মৰত শ্ৰমিক, কৃষিজীৱি অথবা দৰমহাভোগী কৰ্মচাৰীয়ে মিলি এনে সমবায় সমিতি গঠন কৰে। ই সদস্যসকলক ধন ধাৰে দিওঁতাৰ শোষণৰ পৰা আঁতৰি থকাত সহায় কৰে। সদস্যসকলে প্ৰয়োজনত সমিতিৰ পৰা নিচেই কম সুতৰ হাৰত ধন ধাৰে ল'ব পাৰে। ঋণদাতা সমবায় সমিতিৰ দুটা উদাহৰণ হ'ল অসম কো-অপাৰেটিভ এপেক্স বেংক লিমিটেড আৰু দ্য কো-অপাৰেচিভ চিটি বেংক লিমিটেড।
- **কৃষি সমবায় সমিতি (Co-operative Farming Societies) ঃ** ক্ষুদ্ৰ খেতিয়কৰ গোটে এনে সমবায় সমিতি গঠন কৰে। এই খেতিয়কসকল বৃহৎ পৰিমাণৰ পুঁজি বিনিয়োগ কৰি খেতি কৰিবলৈ অসমর্থ। তেওঁলোকৰ লক্ষ্য হ'ল কৃষিজাত সামগ্ৰী বিক্ৰী কৰি লাভ আহৰ- কৰা আৰু খেতিৰ উৎপাদনশীলতা সর্বাধিক কৰি তোলা। এয়াৰ মূল উদ্দেশ্য হ'ল সমবায়ভিত্তিক খেতি কৰিবলৈ উৎসাহ যোগোৱা আৰু খেতিৰ বাবে প্ৰয়োজনীয় আধুনিক কৃষি সৰঞ্জাম, উচ্চমানৰ বীজ তথা সাৰৰ যোগান ধৰা।
- **আৱাস সমবায় সমিতি (Co-operative Housing Societies) ঃ** নিজ ঘৰৰ গৰাকী হ'ব খোজা অথবা ন্যায্য ভাৰাত ভাৰাতীয়া হৈ থাকিব খোজা সাধাৰণ লোকে মিলি এনেধৰণৰ সমিতি গঠন কৰিব পাৰে। বাসগৃহৰ সমস্যা থকা ডাঙৰ ডাঙৰ নগৰ-চহৰত বাস কৰা দুখীয়া আৰু মধ্যবিত্ত পৰিয়ালবোৰে লগ হৈ এনে সমিতি সংগঠিত

কৰে। আৱাস সমবায় সমিতিবোৰে সংশ্লিষ্ট পৌৰ কর্তৃপক্ষৰ পৰা ভূমি ক্রয় কৰে, তাত ঘৰ সাজে আৰু সেই ঘৰবোৰ সমিতিৰ সদস্যৰ নামত আৱণ্টন কৰে। এনে ঘৰত সকলোবোৰ আধুনিক সা-সুবিধা সংলগ্ন কৰা হয় আৰু সদস্যসকলক সমিতিয়ে কম সুতৰ হাৰত গৃহঋণৰ সুবিধা আগবঢ়ায়।

৬.৮ সমবায় সমিতিৰ সুবিধা আৰু অসুবিধাসমূহ

সমবায় সমিতিৰ সুবিধাসমূহ-

- **সহজ গঠন প্রণালী ঃ** অন্য ব্যৱসায়িক অনুষ্ঠান-প্রতিষ্ঠান গঢ়ি তোলাতকৈ সমবায় সমিতি গঠন কৰাৰ কামটো সহজ। যিকোনো দহগৰাকী ব্যক্তিয়ে মিলি এনে সমিতি একোখন গঠন কৰিব পাৰে।
- **সদস্যপদ গ্রহণত কোনো বাধা নাই ঃ** সমবায় সমিতিৰ সদস্যপদ সকলোৰে বাবে মুকলি। জাতি-ধর্ম-বর্ণ-লিংগ আদিৰ ভিত্তিক কাকো সদস্য পদ গ্রহণত বাধা দিব পৰা নাযায়।
- **সীমিত দায়ৱদ্ধতা ঃ** অধিকাংশ সময়তে সমবায় সমিতিৰ সদস্যসকলৰ দায়ৱদ্ধতা মূলধন পুঁজিলৈতেওঁলোকে আগবঢ়োৱা ব্যক্তিগত অৰিহণা অনুসৰি সীমাৱদ্ধ কৰা হয়। সেয়েহে ইয়াত সমিতি এখনৰ আর্থিক লোকচান হ'লেও সদস্যৰ ব্যক্তিগত সম্পত্তিৰ ক্ষতি হোৱাৰ সম্ভাৱনা নাথাকে।
- **সেৱাৰ অভিপ্রায় ঃ** সমবায় সমিতিৰ সদস্যসকলক সদায় উন্নতমানৰ দ্রব্য আৰু সেৱা ন্যায্য দামত আগবঢ়োৱা হয়। সমিতিয়ে সদস্যক প্রয়োজনত আর্থিক সাহায্যও প্রদান কৰে।
- **গণতান্ত্রিক ব্যৱস্থাপনা ঃ** সমবায় সমিতি এখন নির্বাচিত সদস্যৰ মণ্ডলী এটাই পৰিচালনা কৰে। সদস্যসকলে নিজৰ মাজৰ পৰাই এই মণ্ডলীটো নির্বাচিত কৰে। প্রতিগৰাকী সদস্যই একক ভোটদানৰ সম-অধিকাৰ পায়। সমিতিৰ নীতি নির্ধাৰণ প্রক্রিয়াতো সকলোকে সমানে ভাগ লোৱাৰ সুযোগ দিয়া হয়। অর্থাৎ, সমবায় সমিতি এখনৰ সকলো সদস্যকে সমানে গুৰুত্বপূর্ণ বুলি ধৰা হয়।
- **সুস্থিৰতা আৰু অবিৰততা ঃ** কোনো সদস্যৰ মৃত্যু, দেউলীয়া অৱস্থা, মানসিক বিকৃতি আৰু স্থায়ী অসমর্থতাৰ বাবে এখন সমবায় সমিতি ভংগ হৈ নাযায়। সেয়েহে এনে সমিতিবোৰক সুস্থিৰ আৰু দীর্ঘদিনীয়া বুলি ধৰা হয়।
- **মিতব্যয়ী কাম-কাজ ঃ** মধ্যভোগী নথকাৰ বাবে সমবায় সমিতিবোৰৰ কাম-কাজবোৰত যথেষ্ট কম ধন খৰছ হয়। সমিতিৰ সদস্যসকলেই ন্যূনতম ব্যয়ত মধ্যভোগীয়ে কৰা কামবোৰ সম্পাদন কৰে।
- **কৰ ৰেহাইৰ সুবিধা ঃ** সমবায় সমিতিবোৰে চৰকাৰী নিয়ম অনুসৰি উপার্জনৰ বিপৰীতে কৰ ৰেহাইৰ সুবিধা লাভ কৰে।

- **ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতা ঃ** সমবায় সমিতিবোৰক সফলভাৱে নিজ লক্ষ্যত উপনীত হোৱাত চৰকাৰে বিশেষ সহায় আগবঢ়ায়।

  অৱশ্যে ওপৰত উল্লেখ কৰা সুবিধাবোৰৰ লগতে সমবায় সমিতিবোৰৰ কিছুমান অসুবিধাও আছে। **সমবায় সমিতিৰ অসুবিধাসমূহ তলত দিয়া হ'ল-**

- **সীমিত সমল ঃ** সমবায় সনিতিবোৰৰ বিত্তীয় সবলতাৰ প্ৰধান আধাৰ হ'ল সদস্যসকলে মূলধন পুঁজিলৈ আগবঢ়োৱা অৰিহণা আৰু ৰাজ্যিক সমবায় বেংকবোৰৰ পৰা ঋণ আহৰণ কৰাৰ ক্ষমতা। সদস্যপদত যোগদান কৰাৰ বাবদ নিচেই কম পৰিমাণৰ মাচুল লোৱা হয় বাবে ইয়াৰ সহায়ত বৃহৎ পৰিমাণৰ পুঁজি জমা কৰাতো সম্ভৱ নহয়। সমবায় সমিতিবোৰৰ অধিকাংশ সদস্যই সমাজৰ নিম্ন আৰু মধ্যবিত্ত শ্ৰেণীৰ লোক।

- **অনুপযুক্ত ব্যৱস্থাপনা ঃ** সমবায় সমিতি এখন সদস্যসকলে নিজে পৰিচালনা কৰে। সদস্যসকলৰ কোনো বিশেষ পৰিচালন দক্ষতা নাথাকিবও পাৰে। ইয়াক সমবায় সমিতিবোৰৰ এটা প্ৰধান দুৰ্বলতা বুলি ধৰিব পাৰি।

- **গোপনীয়তাৰ অভাৱ ঃ** সমবায় সমিতিবোৰে ব্যৱসায়ত কোনো গোপনীয়তা অৱলম্বন নকৰে। সমিতিবোৰৰ সকলো কাৰ্যকলাপ বৈঠকবোৰত মুকলিকৈ আলোচনা কৰা হয়।

- **নগদ ধনেৰে কৰা ব্যৱসায় ঃ** সমবায় সমিতিবোৰে সমিতিৰ বাহিৰৰ লোকক নিজৰ সামগ্ৰী বিক্ৰী কৰাৰ সময়ত কেৱল নগদ ধনৰ লেনদেন কৰে। কিন্তু এনে ক্ৰেতা সাধাৰণতে দুখীয়া শ্ৰেণীৰ লোক। তেওঁলোকে বস্তু কিনাৰ সময়ত বাকী কৰাৰ সুযোগ বিচাৰে। সমবায় সমিতিবোৰে সামগ্ৰী বাকীত দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰে।

- **মাত্ৰাধিক চৰকাৰী হস্তক্ষেপ ঃ** চৰকাৰে সমবায় সমিতিবোৰৰ পৰিচালন বোৰ্ডত নিজাকৈ মনোনীত সদস্য অৰ্ন্তভুক্ত কৰে। এনে সদস্যই বোৰ্ডৰ সিদ্ধান্তক প্ৰভাৱিত কৰে। এই কাৰ্য সমিতিৰ স্বাৰ্থৰ অনুকূল হ'বও পাৰে নহ'বও পাৰে।

- **অনুপ্ৰেৰণাৰ অভাৱ ঃ** সমবায় সমিতিবোৰ নিয়ন্ত্ৰণ কৰা নীতি-নিয়মবোৰৰ দ্বাৰা প্ৰতিফল দৰ (rate of return)ত কিছুমান বাধা-নিষেধ আৰোপ কৰা হৈছে। এইবোৰে সদস্যসকলক সিমান উৎসাহিত নকৰিবও পাৰে। কাম আৰু সুফলৰ মাজত কোনো সম্পৰ্ক নাথাকে বাবে সদস্যসকলে সমিতিৰ কাম-কাজত অধিক উৎসাহেৰে অংশগ্ৰহণ নকৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ সমবায় সমিতিৰ প্ৰকাৰবোৰ কি কি?

প্ৰশ্ন নং ৩ ঃ সমবায় সমিতিৰ দুটা অসুবিধাৰ বিষয়ে লিখক।



৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- কোনো উমৈহতীয়া স্বার্থ সিদ্ধিৰ বাবে সমতাৰ আধাৰত স্বৈচ্ছিকভাৱে একগোট হৈ একাধিক ব্যক্তিয়ে গঠন কৰা সংস্থাবোৰকে সমবায় সমিতি বোলা হয়।
- সমবায় সমিতিৰ বৈশিষ্ট্য কেইটামান হ'ল- (ক) ই এক স্বৈচ্ছিক সংস্থা, (খ) এনে সংস্থাৰ পঞ্জীয়ন বাধ্যতামূলক, (গ) ইয়াৰ এটা ন্যায়িক স্থিতি থাকে, (ঘ) ইয়াৰ সদস্যসকলৰ দায়ৰদ্ধতা সীমিত, (ঙ) ৰাজ্য প্রশাসনে এই সংস্থাবোৰ নিয়ন্ত্রণ কৰে আৰু (চ) ৰাহি/লাভৰ ধন সদস্যসকলে নিজৰ মাজত ভগাই লয়।
- সমবায় সমিতিৰ প্রকাৰবোৰ হ'ল- (ক) উপভোক্তা সমবায় সমিতি, (খ) উৎপাদকৰ সমবায় সমিতি, (গ) বিপণন সমবায় সমিতি, (ঘ) ঋণদাতা সমবায় সমিতি, (ঙ) কৃষি সমবায় সমিতি আৰু (চ) আৱাস সমবায় সমিতি।



৬.১০ অধিক জানিবলৈ

1) Chhabra, T.N. and Chhabra, Sandhya ; *Business Studies*. Karol Bagh, New Delhi : Arya Publication.
2) Gandhi, Poonam ; *Business Studies* ; Nai Sadak, Delhi : Dhanpat Rai & Co.
3) Pathak, R.K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi : S. Chand & Company Ltd.
4) Robbins and Coulter ; *Management* ; Delhi : Prentice Hall.



৬.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সমবায় সমিতি আইন,১৯১২।

২ নং প্রশ্নৰ উত্তৰ ঃ সমবায় সমিতিৰ প্রকাৰবোৰ হ'ল- (ক) উপভোক্তা সমবায় সমিতি, (খ) উৎপাদকৰ সমবায় সমিতি, (গ) বিপণন সমবায় সমিতি, (ঘ) ঋণদাতা সমবায় সমিতি, (ঙ) কৃষি সমবায় সমিতি আৰু (চ) আৱাস সমবায় সমিতি।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) সীমিত সমল, (খ) অনুপযুক্ত ব্যৱস্থাপনা।



৬.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ সমবায় সমিতি বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ উপভোক্তা সমবায় সমিতি মানে কি?

প্ৰশ্ন ৩ ঃ সমবায় সমিতিৰ লাভৰ ধন কেনেদৰে ভগোৱা হয়?

প্ৰশ্ন ৪ ঃ সমবায় সমিতিৰ সীমীৱদ্ধতা আৰু অসুবিধাবোৰ উল্লেখ কৰক।

প্ৰশ্ন ৫ ঃ সমবায় সমিতি আৰু অংশীদাৰত্বমূলক ব্যৱসায়ৰ মাজৰ প্ৰভেদবোৰ উল্লেখ কৰক।

*** ***** ***

অধ্যায় ৭ ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ধাৰণা

৭.৪ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বৈশিষ্ট্য

৭.৫ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ উদাহৰণ

৭.৬ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ প্ৰকাৰ

৭.৭ ভাৰতৰ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ অৱদান

৭.৮ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ সমস্যা

৭.৯ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ব্যক্তিগতকৰণ

- ৭.৯.১ ব্যক্তিগতকৰণৰ উদ্দেশ্য
- ৭.৯.২ ব্যক্তিগতকৰণৰ পন্থা
- ৭.৯.৩ ব্যক্তিগতকৰণৰ সুবিধা
- ৭.৯.৪ ব্যক্তিগতকৰণৰ অসুবিধা

৭.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১১ অধিক জানিবলৈ

৭.১২ অগ্রগতিৰ খতিয়ান

৭.১৩ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ৰাজহুৱা খণ্ডৰ উদ্যোগৰ অর্থ বুজি পাব
- ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বৈশিষ্ট্য আৰু প্ৰকাৰবোৰৰ বিষয়ে জানিব পাৰিব
- ভাৰতীয় ৰাজহুৱা খণ্ডৰ অৱদান আলোচনা কৰিব পাৰিব
- ৰাজহুৱা খণ্ডৰ উদ্যোগৰ সমস্যাবোৰ ব্যাখ্যা কৰিব পাৰিব
- ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ব্যক্তিগতকৰণৰ অর্থ আৰু উদ্দেশ্য বর্ণনা কৰিব পাৰিব
- ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ব্যক্তিগতকৰণৰ সৈতে জড়িত হৈ থকা সুবিধা আৰু অসুবিধাবোৰ আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

ভাৰতীয় অৰ্থনীতিৰ এটা তাৎপৰ্যপূৰ্ণ অংশ হ'ল ৰাজহুৱা খণ্ডৰ উদ্যোগ (Public Sector Enterprises/PSEs)সমূহ। দেশৰ উদ্যোগ আৰু বাণিজ্যৰ পৃষ্ঠপোষকতা কৰাৰ উপৰি PSEবোৰে দেশীয় আন্তঃগাঁথনি নিৰ্মাণতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। চৰকাৰৰ মালিকানাধীন ব্যৱসায়িক প্ৰতিষ্ঠানবোৰকে ৰাজহুৱা খণ্ডৰ উপক্ৰম বোলে। এই উদ্যোগবোৰ কোনো নিগম, বিধিগত নিগম (Statutory corporation) অথবা ৰাষ্ট্ৰীয়কৃত বেংক হ'ব পাৰে। এনে প্ৰতিষ্ঠানত কাম কৰা লোকসকল চৰকাৰী কৰ্মচাৰী। এই অধ্যায়ত ৰাজহুৱা খণ্ডৰ উপক্ৰমবোৰৰ বিভিন্ন দিশ আলোচনা কৰা হ'ব।

৭.৩ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ধাৰণা

ভাৰতত চৰকাৰৰ মালিকানাধীন উদ্যোগবোৰকে ইংৰাজীত Public Sector Undertakings/PSUs অথবা Public Sector Enterprises/PSEs বোলা হয়। এনে উদ্যোগবোৰত ৫১ শতাংশ অথবা ততোধিক আদায় দিয়া শ্বেয়াৰ মূলধনৰ গৰাকী হ'ল কেন্দ্ৰীয় চৰকাৰ অথবা যিকোনো ৰাজ্য চৰকাৰ অথবা আংশিকভাৱে কেন্দ্ৰীয় চৰকাৰ অথবা আংশিকভাৱে এক নাইবা একাধিক ৰাজ্য চৰকাৰ।

PSEsবোৰে দেশত উদ্যোগিক বিকাশৰ এক সবল ভেটি গঢ়ি তুলিছে। দেশৰ ৰাজহুৱা খণ্ডটোৰ লক্ষ্য লাভ আহৰণ কৰা নহয়। সেয়েহে এই খণ্ডটোৱে দেশ নিৰ্মাণ প্ৰক্ৰিয়াত এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰিছে। ই দেশৰ অৰ্থনীতিক সঠিক পথেৰে আগবঢ়াই লৈ গৈ আছে।

এ.এইছ. হেন্সনৰ মতে, "ৰাজহুৱা খণ্ডৰ উদ্যোগ বুলিলে ঔদ্যোগিক, বিত্তীয় আৰু ব্যৱসায়িক উদ্যোগসমূহত ৰাষ্ট্ৰৰ মালিকীস্বত্ব তথা পৰিচালনা ক্ষমতা থকাটোক বুজায়।"

অধ্যাপক হান্সেনৰ নিৰীক্ষণ অনুসৰি "উন্নয়নশীল দেশবোৰ ৰাজহুৱা খণ্ডৰ উদ্যোগ নিৰ্ভৰ হ'বই লাগিব, কাৰণ এই উদ্যোগবোৰ নাথাকিলে দেশখনৰ অৰ্থনীতিয়ে গতিশীল ৰূপ ল'ব নোৱাৰিব।"

সকলোবোৰ ৰাষ্ট্ৰাধীন উদ্যোগকেই ৰাজহুৱা খণ্ডৰ উপক্ৰম বোলা হয়। এইবোৰৰ গৰাকী চৰকাৰ আৰু চৰকাৰেই এই উদ্যোগবোৰ পৰিচালনা কৰে। ইয়াৰ উদ্দেশ্য হ'ল লাভ আহৰণৰ লগতে সামাজিক কল্যাণ সাধন কৰা।

৭.৪ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বৈশিষ্ট্য

তলত ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বৈশিষ্ট্যবোৰ দিয়া হ'ল-

ক) **ৰাষ্ট্ৰৰ মালিকীস্বত্ব ঃ** ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ মালিকীস্বত্ব চৰকাৰৰ হাতত থাকে। উদ্যোগবোৰৰ মালিক সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰ অথবা যিকোনো ৰাজ্য চৰকাৰ অথবা

আংশিকভাৱে কেন্দ্রীয় চৰকাৰ অথবা আংশিকভাৱে এক নাইবা একাধিক ৰাজ্য চৰকাৰ হ'ব পাৰে।

খ) **ৰাষ্ট্ৰৰ নিয়ন্ত্রণাধীন ঃ** এনে উদ্যোগবোৰৰ পৰিচালনা আৰু কার্য সম্পাদনৰ দিশ দুটা চৰকাৰে নিয়ন্ত্রণ কৰে। উদ্যোগবোৰৰ সকলো কার্য পৰিক্রমা পৰিচালনাৰ পোনপটীয়া দায়িত্ব চৰকাৰে পালন কৰিব লাগে। বিভিন্ন অভিকৰণ (Agency)ৰ যোগেদি চৰকাৰে এই দায়িত্ব পালন কৰে।

গ) **ৰাজহুৱা ভাৰসাযোগ্যতা ঃ** ৰাজহুৱা ধনেৰে গঠন কৰা এই উদ্যোগবোৰে ৰাইজক ভাৰসাযোগ্যতা প্রদর্শন কৰাৰ বাবে দায়ৰদ্ধ। বিভিন্ন বিধান আৰু এইবোৰৰ অধীনত গঠন কৰা বিভিন্ন সমিতি, মন্ত্রী পৰিষদ, গাণনিক প্রতিষ্ঠান আৰু অন্য বিশেষীকৃত অভিকৰণে এই ভাৰসাযোগ্যতাক বাস্তৱ ৰূপ দিয়ে।

ঘ) **পৰিসৰ ঃ** ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰে বিত্ত বিষয়ক সকলো ক্ষেত্র তথা কার্য-কলাপ সামৰি লয়। দেশত এই উদ্যোগবোৰৰ দ্বাৰা সামৰি নোলোৱা কোনো অর্থনৈতিক কার্য-কলাপ নাই বুলিয়েই ক'ব পাৰি।

ঙ) **বিত্তীয় স্বাধীনতা ঃ** ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ সকলোবোৰ বিত্তীয় প্রয়োজনীয়তা চৰকাৰৰ মূলধন বিনিয়োগৰ দ্বাৰা পূৰণ কৰা হয়।

চ) **সমন্বয়পূর্ণ ঔদ্যোগিক সম্পর্ক ঃ** ব্যক্তিগত খণ্ডৰ উদ্যোগবোৰত কাম কৰা কর্মচাৰীৰ তুলনাত ৰাজহুৱা খণ্ডৰ কর্মচাৰীসকলৰ প্রতি অধিক উদাৰবাদী মনোভাৱ প্রদর্শন কৰা হয়। এনে উদ্যোগে গ্রহণ কৰা নীতি-নিয়মবোৰ কর্মচাৰী, উপভোক্তা আৰু সমাজ আটাইৰে বাবে লাভজনক।

ছ) **একাধিপত্যতা ঃ** কিছুমান ক্ষেত্রত ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ একাধিপত্য আছে। ইয়াৰ উদাহৰণ হ'ল ৰে'লৰে আৰু ডাক সেৱা।

৭.৫ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ উদাহৰণ

তলত ভাৰতৰ ৰাজহুৱা খণ্ডৰ উদ্যোগ কেইটামানৰ উদাহৰণ দিয়া হ'ল-

- তেল আৰু প্রাকৃতিক গেছ আয়োগ (ONGC)
- ভাৰতীয় ষ্টেট বেংক
- ভাৰতীয় তেল নিগম (Indian Oil Corporation)
- বেংক অব্ বৰোদা
- হিন্দুস্তান ক'পাৰ লিমিটেড
- ভাৰতীয় তীখা প্রাধিকৰণ লিমিটেড (Steel Authority of India limited/SAIL)
- ভাৰত পেট্র'লিয়াম
- ভাৰতীয় পাৱাৰ গ্রীড নিগম

৭.৬ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ প্ৰকাৰ

ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰে ৰাজহুৱা উদ্যোগ আৰু চৰকাৰৰ মাজত আন্তঃসম্পৰ্ক স্থাপনৰ ৰূপৰেখা যুগুত কৰি দিয়ে। তলত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰৰ কেইটামান মুখ্য প্ৰকাৰ উল্লেখ কৰা হ'ল।

ক) **বিভাগীয় প্ৰতিষ্ঠান ঃ** প্ৰতিষ্ঠানৰ এই ৰূপটোৰ অধীনত ৰাজহুৱা খণ্ডৰ উপক্ৰম এটাই চৰকাৰী বিভাগ এটাৰ দৰে কাম কৰে। যেনে- ডাক সেৱা হ'ল ভাৰত চৰকাৰৰ তথ্য আৰু সংযোগ মন্ত্ৰালয়ৰ অধীনস্থ এটা বিভাগ। একেদৰে, চিত্তৰঞ্জন ল'ক'মোটিভ ৱৰ্কচ্ আৰু ইণ্টিগ্ৰেল কোচ্চ ফেক্টৰী হ'ল ৰেলৱে' মন্ত্ৰালয়ৰ অধীনস্থ উপক্ৰম। বিভাগীয় উদ্যোগৰ আন কেইটামান উদাহৰণ হ'ল অৰ্ডনেন্স ফেক্টৰী, গান কেৰেজ ফেক্টৰী, দিল্লী দুগ্ধ আঁচনি, তাৰাপুৰ আনৱিক শক্তি প্ৰকল্প, অল ইণ্ডিয়া ৰেডিঅ', দূৰদৰ্শন, চৰকাৰী ছপাশাল আৰু টাকশাল ইত্যাদি।

খ) **বিধিসন্মত নিগম ঃ** ৰাজহুৱা খণ্ডৰ উদ্যোগৰ স্বনিয়ন্ত্ৰিত ৰূপ হ'ল বিধিসন্মত নিগম। বিধান সভা নাইবা সংসদত কোনো বিশেষ আইন গৃহীত কৰি এনে উপক্ৰম গঠন কৰা হয়। ইয়াৰ বাবে নিৰ্ণয় কৰা বিধিত সংশ্লিষ্ট উদ্যোগে মানিবলগীয়া নীতি-নিয়ম, পৰিকল্পনা আৰু নীতি, অধিকাৰ আৰু ক্ষমতা, সীমাৱদ্ধতা আৰু পৰিসৰ সকলোবোৰ স্পষ্টকৈ সংজ্ঞাৱদ্ধ কৰা থাকে। এনে উদ্যোগবোৰ প্ৰধানকৈ বিশেষ আইনৰ অধীনত পৰিচালিত হয় যদিও ২০১৩ চনৰ কোম্পানী আইনৰ বিভিন্ন নীতি-নিয়মো এইবোৰৰ ক্ষেত্ৰত প্ৰযোজ্য। কেৱল সেৱাৰ লক্ষ্যেৰে এনে উদ্যোগবোৰ গঠন কৰা হয়। ভাৰতীয় ষ্টেট বেংক, ভাৰতীয় জীৱন বীমা নিগম, ইউনিট ট্ৰাষ্ট অব্ ইণ্ডিয়া আদি হ'ল বিধিসন্মত নিগমৰ উদাহৰণ।

গ) **চৰকাৰী কোম্পানী ঃ** কোম্পানী আইনৰ অধীনত পঞ্জীয়নভুক্ত কৰা আৰু ন্যূনতম ৫১ শতাংশ আদায় দিয়া শ্বেয়াৰ কেন্দ্ৰীয় অথবা ৰাজ্য চৰকাৰৰ নামত থকা ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰকে চৰকাৰী কোম্পানী বোলা হয়।

ঘ) **যুটীয়া উপক্ৰম ঃ** ব্যক্তিগত খণ্ডৰ সৈতে মিলি কাম কৰিবলৈ গঠন কৰা বিশেষ ৰাজহুৱা উদ্যোগবোৰকে একেলগে যুটীয়া উদ্যোগ বোলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ২ ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ তিনিটা উদাহৰণ দিয়ক-

ক)

.....

খ) .....

গ) .....

প্ৰশ্ন নং ৩ ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ প্ৰকাৰবোৰ কি কি ?

৭.৭ ভাৰতৰ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ অৱদান

ভাৰতীয় অৰ্থনীতিৰ বিকাশত ৰাজহুৱা খণ্ডই তাৎপৰ্যপূৰ্ণ অৱদান আগবঢ়াই আহিছে। অৰ্থনৈতিক বিকাশৰ এক শক্তিশালী আহিলাত পৰিণত হোৱা ৰাজহুৱা খণ্ডটোৱে দেশৰ অৰ্থনীতি বিকাশ কৰাত তলত উল্লেখ কৰা অৱদানবোৰ আগবঢ়াইছে-

- **আন্তঃগাঁথনিৰ বিকাশ ঃ** উন্নত আন্তঃগাঁথনি হ'ল অৰ্থনৈতিক উন্নয়নৰ পূৰ্বচর্ত। উদাহৰণ হিচাপে কৃষি উন্নয়নৰ কথাই ধৰা হ'ল। ইয়াৰ বাবে জলসিঞ্চন ব্যৱস্থাৰ পৰ্যাপ্ত সম্প্ৰসাৰণ, উপযুক্ত ধৰণৰ বিদ্যুতশক্তি আৰু উদ্যোগী শক্তি যোগান ধৰাতো অতি গুৰুত্বপূৰ্ণ। একেদৰে, উপযুক্ত পৰিবহন আৰু সংযোগ ব্যৱস্থাৰ লগতে ইন্ধন, শক্তি তথা বেংকিং পদ্ধতি অবিহনে ব্যৱসায়-বাণিজ্য আৰু ঔদ্যোগিকীকৰণৰ দ্ৰুত বিকাশ আশা কৰিব নোৱাৰি। সদ্যস্বাধীন ভাৰতত বৃটিছে শাসনৰ নামত একেবাৰে দুৰ্বল কৰি থৈ যোৱা আন্তঃগাঁথনি এটাহে আছিল। সেই সময়ছোৱাত দেশখনৰ ব্যক্তিগত খণ্ডটো অৰ্থনৈতিক দশা উন্নত কৰিব পৰাকৈ সবল নাছিল। দেশৰ আন্তঃগাঁথনি আৰু গুৰু উদ্যোগৰ বিকাশ ঘটাব পৰা একমাত্ৰ খণ্ডটো আছিল ৰাজহুৱা খণ্ড অথবা চৰকাৰ। তেতিয়াৰে পৰা বৰ্তমানলৈকে দেশখনৰ ৰাজহুৱা খণ্ডই আন্তঃগাঁথনিৰ বিকাশত সৰ্বাধিক অৰিহণা আগবঢ়াই আহিছে। ইয়াৰ সহায়তে ভাৰতৰ অৰ্থনৈতিক বিকাশ দ্ৰুত হৈছে।
- **আঞ্চলিক উন্নয়নত সমতা স্থাপন ঃ** ৰাজহুৱা খণ্ডই ভাৰতৰ সেইবোৰ অঞ্চলকো স্পৰ্শ কৰিছে যিবোৰত প্ৰাথমিক স্তৰৰ সা-সুবিধা গঢ়ি উঠা নাছিল। বহুতো অঞ্চলত পানী যোগান, বিদ্যুৎ সেৱা, চহৰ পৰিসৰ আদিৰ দৰে ঔদ্যোগিক সা-সুবিধা বুলিবলৈ একো নাছিল। যেনে- দূৰ্গাপুৰ, ভিলাই আৰু ৰাউৰকেলাত তীখা প্ৰকল্প নিৰ্মাণৰ কাম আৰম্ভ হোৱাৰ লগে লগে সেই পিছপৰা অঞ্চলকেইটাৰ অৰ্থনৈতিক বিকাশ সম্ভৱ হৈছিল।
- **ৰাষ্ট্ৰীয় ৰাজকোষলৈ অৱদান ঃ** ভাৰতীয় চেম্বাৰ অব্ কমার্ছৰ মতে ৰাজহুৱা খণ্ডটোৱে দেশৰ ২০ শতাংশতকৈও অধিক কৰ (প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োধৰণৰ কৰ) সংগ্ৰহ কৰে। অৰ্থাৎ, খণ্ডটোৱে দেশৰ পৰিকল্পিত বিকাশৰ বাবে প্ৰয়োজন হোৱা ধন একত্ৰিত কৰে।
- **নিযুক্তি ঃ** ৰাজহুৱা খণ্ডই আজিলৈকে লাখ লাখ কৰ্মসংস্থাপন সুযোগৰ সৃষ্টি কৰিছে। ই দেশৰ নিবনুৱা সমস্যা কম কৰাত সহায় কৰিছে।
- **মূলধনী সামগ্ৰীত থকা ব্যৱধান পূৰণ ঃ** স্বাধীনতা লাভৰ পাছত ভাৰতৰ ঔদ্যোগিক গাঁথনিত লক্ষণীয় ব্যৱধান আছিল। দেশত তীখা, তেল শোধনাগাৰ, ৰাসায়নিক সাৰ, অন্য ৰাসায়নিক দ্ৰব্য আৰু আন বহুতো লাগতীয়াল বস্তু উৎপাদনকাৰী উদ্যোগ নাছিল। কিন্তু দেশৰ দ্ৰুত ঔদ্যোগিকীকৰণে এই কথাবোৰ সম্ভৱ কৰি তুলিছে।

- **বৈদেশিক উপার্জন আৰু ৰপ্তানীৰ পৃষ্ঠপোষকতা ঃ** বছৰ বাগৰাৰ লগে লগে ভাৰতৰ বৈদেশিক মুদ্রা বিনিময়ৰ জৰিয়তে হোৱা উপার্জন লক্ষণীয়ভাৱে বৃদ্ধি পাইছে। ইয়াৰ উপৰি ষ্টেট ট্রেডিং কোম্পানী, হিন্দুস্থান ষ্টীল লিমিটেড, ভাৰত ইলেক্ট্রনিকচ্ লিমিটেড, মিনাৰেলচ্ এণ্ড মেটেলচ্ ট্রেডিং কৰ্পৰেশ্যনৰ দৰে ৰাজহুৱা মালিকীস্বত্ব থকা কোম্পানীবোৰে ভাৰতত ৰপ্তানীৰ পৃষ্ঠপোষকতাকাৰী বিভিন্ন কাম কৰি আছে।
- **আমদানি বিকল্প ঃ** তেল আৰু প্রাকৃতিক গেছ আয়োগ, ভাৰত ইলেক্ট্রিকেল লিমিটেড আৰু ভাৰতীয় তেল নিগম লিমিটেডৰ দৰে ৰাজহুৱা খণ্ডৰ কোম্পানীবোৰে দেশতেই উৎপাদন আৰম্ভ কৰাৰ ফলত পূর্বতে তেল, গেছ আদিৰ দৰে সামগ্রী বিদেশৰ পৰা আমদানি কৰাৰ নামত হোৱা বিপুল পৰিমাণৰ ধন ৰাহি হ'বলৈ ধৰিলে।
- **গৱেষণাৰ পৰিমাণ আৰু উন্নয়নৰ মাত্রা বৃদ্ধি ঃ** ৰাজহুৱা খণ্ডৰ অধিকাংশ উদ্যোগেই গুৰু উদ্যোগ তথা উচ্চমানৰ প্রযুক্তিবিদ্যাকেন্দ্রিক কার্য। এই কথাই গৱেষণা আৰু উন্নয়নৰ প্রয়োজনীয়তা বৃদ্ধি কৰিছে। ভাৰতৰ ৰাজহুৱা খণ্ডই গৱেষণা তথা উন্নয়ন উর্দ্ধমুখী কৰাত এক গুৰুত্বপূর্ণ ভূমিকা লৈছে।

৭.৮ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ সমস্যা

ৰাজহুৱা উদ্যোগবোৰৰ সৈতে জড়িত প্রধান সমস্যা দুটামানৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

১) **ক্ষমতাৰ প্রয়োজনতকৈ কম প্রয়োগ ঃ** অধিকাংশ ৰাজহুৱা খণ্ডৰ উদ্যোগৰেই এক সাধাৰণ সমস্যা। প্রয়োজনতকৈ কম ক্ষমতা প্রয়োগৰ ফলত লাভপ্রদতাৰ স্তৰো নিম্নগামী হয়। অপৰিহার্য সমলৰ নাটনি আৰু অর্থনীতিৰ সকলো ক্ষেত্রতে দৃষ্টিগোচৰ হোৱা ঘাটিৰ পৰিপ্রেক্ষিতত ক্ষমতা উপযোগীকৰণ অতি প্রয়োজনীয় হৈ পৰিছে। ইয়াৰ আধাৰতে কোনো এটা উদ্যোগৰ পাৰদর্শিতা বিচাৰ কৰি চাব পাৰি। বেছিভাগ সময়তে ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ নির্মাণ এককবোৰত সংলগ্ন কৰা ক্ষমতাৰ অধিকাংশই অব্যৱহৃত হৈ ৰৈ যায়। তীখা প্রকল্পবোৰত যদি ক্ষমতা উপযোগীকৰণ প্রক্রিয়াটো ৭০ শতাংশৰ কম হয়, তেন্তে স্থানীয় দৰতকৈ আঢ়ৈ গুণ অধিক মূল্য দি বিদেশৰ পৰা দুই মিলিয়ন তীখা আমদানি কৰিবলগীয়া হ'ব পাৰে।

২) **অনাকাংক্ষিত আমোলাতান্ত্রিক হস্তক্ষেপ ঃ** ৰাষ্ট্রীয় অর্থনৈতিক পৰিকল্পনাৰ অংশ হিচাপে ৰাজহুৱা খণ্ড গঠন কৰাৰ লগে লগে চৰকাৰে এনে এটা প্রণালীৰ উত্থানত জোৰ দিলে যিটোৱে উদ্যোগ এটাৰ পর্যাপ্ত নিৰীক্ষণো কৰিব আৰু উদ্যোগটোক পর্যাপ্ত স্বতন্ত্রতাও দিব যাতে ই ক্ষিপ্রতাৰে আৰু ফলপ্রসূভাৱে কাম কৰিব পাৰে। কিন্তু সময় বাগৰাৰ লগে লগে সকলো ৰাজহুৱা খণ্ডৰ উদ্যোগকে আমোলা-বিষয়াই বিভাগীয় উপক্রমবোৰক কৰাৰ দৰে ব্যৱহাৰ কৰিবলৈ লৈছে।দেশৰ ৰাজহুৱা খণ্ডটো লাহে লাহে অসামৰিক সেৱা সংস্কৃতিৰ ৰূপ ল'বলৈ আৰম্ভ কৰিছে।

৩) **উৎপাদনত স্থবিৰতা ঃ** কিছুমান গুৰুত্বপূর্ণ ৰাজহুৱা খণ্ডৰ উদ্যোগত উৎপাদন কম-বেছি পৰিমাণে স্থবিৰ হৈ পৰিছে। উদাহৰণ স্বৰূপে কয়লাখনিৰ কথাই ধৰক। বিশাল পৰিমাণৰ পুঁজি বিনিয়োগ আৰু কালক্রমত ৰাষ্ট্রীয়কৰণ ঘটাৰ পাছতো কয়লা উদ্যোগৰ উৎপাদন স্থবিৰতা একেই হৈ আছে। ইয়াৰ ফলত দেশত কয়লা সংকটৰ সৃষ্টি হৈছে। এই নাটনিৰ বাবে শক্তি উৎপাদন আৰু ঔদ্যোগিক উৎপাদনো নিম্নগামী হৈছে।

৪) **ৰাজনৈতিক হস্তক্ষেপ ঃ** ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ কার্য সম্পাদন আৰু সিদ্ধান্ত গ্রহণ প্রক্রিয়াত হস্তক্ষেপ কৰাটো ভাৰতীয় ৰাজনৈতিক নেতাৰ বাবে এক পৰম্পৰাত পৰিণত হৈছে। এই উপক্রমবোৰৰ উচ্চতম পদবীবোৰৰ অধিকাংশতে বৃত্তিগত সামর্থ আৰু প্রশাসনীয় দক্ষতা থকা ব্যক্তিক নিযুক্তি দিয়া নহয়। এনে পদক্তে নিযুক্তি প্রদানৰ সময়ত বিভিন্ন ৰাজনৈতিক দৰ-দাম, হিচাব-নিকাচ চলে। ৰাজহুৱা খণ্ডটোৰ সর্বাত্মক কল্যাণক জলাঞ্জলি দি এই কাম কৰা হয়।

৭.৯ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ ব্যক্তিগতকৰণ

ভাৰতীয় অর্থনীতি হ'ল মিশ্র অর্থনীতি। ইয়াৰ অর্থ হ'ল অর্থনীতি জড়িত থকা বহুতো ক্ষেত্রত ব্যক্তিগত আৰু ৰাজহুৱা দুয়ো ধৰণৰ উপক্রম সক্রিয় হৈ আছে। এনে ক্ষেত্র কেইখনমান হ'ল- শিক্ষা, স্বাস্থ্যযত্ন, বেংকিং, পথ পৰিবহন, টেলিকম আৰু নির্মাণ ইত্যাদি। বহুতো ৰাজহুৱা খণ্ডৰ উদ্যোগে আনকি লোকচানো ভৰিছে। এই উদ্যোগবোৰলৈ পূর্ণ সমর্থন আগবঢ়োৱাটো চৰকাৰৰ দায়িত্ব। ইয়াৰ আন এটা অর্থ হ'ল এনে বহু উপক্রমক বিভিন্ন কৰ পৰিশোধ কৰোঁতাৰ ধনেৰে সমর্থন আগবঢ়োৱা হয়। কিন্তু বর্তমান সময়ত এয়া সম্ভৱো নহয়, ইয়াৰ প্রয়োজনো নাই। সেয়েহে চৰকাৰে ব্যক্তিগতকৰণক সময়ৰ দাবী বুলি অনুভৱ কৰিছে। বিশ্বৰ আন দেশত আৰম্ভ হোৱা ধাৰা অনুসৰণ কৰি ভাৰত চৰকাৰেও ১৯৯০ৰ দশকত ব্যক্তিগতকৰণ নীতি গ্রহণ কৰিছিল।

কোনো প্রতিষ্ঠানৰ ব্যক্তিগতকৰণ মানে হ'ল ইয়াৰ কর্তৃত্ব ক্ষমতা চৰকাৰৰ হাতৰ পৰা ব্যক্তিগত পৰিচালকৰ হাতলৈ যোৱা। ৰাজহুৱা খণ্ডৰ উদ্যোগৰ মালিকীস্বত্ব, ব্যৱস্থাপনা আৰু নিয়ন্ত্রণ ব্যক্তিগত খণ্ডক হস্তান্তৰ কৰা প্রক্রিয়াটোৱেই হ'ল ব্যক্তিগতকৰণ। হস্তান্তৰকৰণ প্রক্রিয়াটো আৰম্ভ হোৱাৰ লগে লগে উদ্যোগটোৰ ব্যক্তিগতকৰণ ঘটাৰ জাননী জাৰি কৰা হয় অথবা সাধাৰণ নাগৰিকক ইয়াৰ শ্বেয়াৰ বিক্রী নাইবা পোনে পোনে বিতৰণ কৰা হয়। ব্যক্তিগতকৰণ হ'ল ৰাষ্ট্র আৰু ব্যক্তিগত খণ্ডৰ মাজৰ সম্পর্ক সলনি কৰাৰ এক উপায়। ইয়াৰ মাধ্যমেৰে ৰাষ্ট্রীয় অর্থনীতি আগবঢ়াই নিয়াত ব্যক্তিগত খণ্ডৰ ভূমিকা সামগ্রিকভাৱে বৃদ্ধি কৰা হয়।

৭.৯.১ ব্যক্তিগতকৰণৰ উদ্দেশ্য

ব্যক্তিগতকৰণ মানে হ'ল চৰকাৰী সেৱা অথবা সম্পত্তি হস্তান্তৰকৰণ। অর্থনৈতিক পাৰদর্শিতা বৃদ্ধি কৰাৰ লগতে ব্যক্তিগতকৰণৰ জৰিয়তে আন কেইবাটাও

লক্ষ্য পূৰণ কৰাৰ প্ৰয়াস কৰা হয়। ব্যক্তিগতকৰণৰ সাধাৰণ উদ্দেশ্যবোৰ হ'ল-

- ৰাজহুৱা ধাৰ আৰু সুতৰ বৃহৎ বোজা লাঘৱ কৰা,
- চৰকাৰৰ বাবে এককালীন ৰাজহ সৃষ্টি কৰা,
- ব্যৱসায়িক বিপদসংকুলতা ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰি সক্ষম প্ৰকল্পত চৰকাৰী পুঁজি বিনিয়োগ কৰা,
- উদ্যোগবোৰক চৰকাৰী নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰি দিয়া আৰু কৰ্প'ৰেট পৰিচালনা পদ্ধতিৰ প্ৰচলন ঘটোৱা,
- বিদেশী প্ৰত্যক্ষ বিনিয়োগৰ অন্তঃপ্ৰৱাহৰ বাবে অনুকূল সবল ভেটি এটা গঢ়ি তোলা,
- ক্ষিপ্ৰ অৰ্থনৈতিক বিকাশ আৰু উন্নয়ন সম্ভৱপৰ কৰি তুলিবলৈ ব্যক্তিগত খণ্ডৰ উপক্ৰমবোৰক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ দি উদ্যোগবোৰৰ পাৰদৰ্শিতা উন্নত কৰা,
- কৰ্মসংস্থাপন সৃষ্টি কৰি আৰু অৰ্থনৈতিক বিকাশ সুনিশ্চিত কৰি অৰ্থনীতিত ব্যক্তিগত খণ্ডৰ গুৰুত্ব বৃদ্ধি কৰা,
- শিক্ষা, স্বাস্থ্য, গৃহ, পৰিবহন আৰু অন্য আন্তঃগাঁথনি বিকাশ প্ৰকল্পৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰবোৰত ব্যৱহাৰৰ বাবে বিনামূলীয়া সমলৰ যোগান ধৰা আৰু
- ৰাজসাহায্যৰ বোজা ন্যূনতম কৰি ৰাজহুৱা খণ্ডৰ বিত্ত দশা উন্নত কৰা।

৭.৯.২ ব্যক্তিগতকৰণৰ পন্থা

তলৰ উপায়বোৰ অৱলম্বন কৰি চৰকাৰী কোম্পানীবোৰক ব্যক্তিগত কোম্পানীৰ ৰূপ দিয়া হয়-

১) **মালিকীস্বত্বৰ হস্তান্তৰ ঃ** দুই ধৰণে চৰকাৰী কোম্পানীবোৰে ব্যক্তিগত কোম্পানীক মালিকীস্বত্ব হস্তান্তৰ কৰে।

- মালিকীস্বত্ব আৰু ব্যৱস্থাপনা বিভাগৰ পৰা চৰকাৰৰ নাম প্ৰত্যাহাৰ কৰি আৰু
- ৰাজহুৱা খণ্ডৰ উদ্যোগটো পোনে পোনে বিক্ৰী কৰি।

২) **নিৰ্বিনিয়োগ ঃ** ৰাজহুৱা কোম্পানীবোৰৰ ইকুইটিৰ অংশ ব্যক্তিগত খণ্ডক বিক্ৰী কৰাটোকে নিৰ্বিনিয়োগ বুলি কোৱা হয়। এনে বিক্ৰীৰ প্ৰধান উদ্দেশ্য হ'ল বিত্তীয় দিশ উন্নত কৰা আৰু আধুনিকীকৰণৰ পথ সুচল কৰি তোলা।

৩) **শ্বেয়াৰ বিক্ৰী ঃ** কোনো এক ৰাজহুৱা খণ্ডৰ উপক্ৰমৰ ইকুইটি শ্বেয়াৰ ষ্টক এক্‌চেঞ্জৰ মাধ্যমেৰে বিক্ৰী কৰি উদ্যোগটোৰ ব্যক্তিগতকৰণ ঘটোৱা হয়। শ্বেয়াৰৰ ৰাজহুৱা বিক্ৰীৰ জৰিয়তে ৰাষ্ট্ৰই কোনো কোম্পানীৰ অৰ্থনৈতিক কাৰ্য-কলাপৰ ওপৰত থকা ইয়াৰ সম্পূৰ্ণ কৰ্তৃত্ব হস্তান্তৰ কৰে।

৪) **ৰাজহুৱা নীলাম ঃ** কোনো এটা ৰাজহুৱা উপক্ৰমৰ শ্বেয়াৰ অথবা দীৰ্ঘম্যাদী

সম্পত্তিবোৰ নীলাম কৰা হ'ব পাৰে। চৰকাৰৰ মালিকীস্বত্ব থকা কোনো সম্পত্তিৰ সর্বাধিক মূল্য আহৰণ কৰিবলৈ এনে ৰাজহুৱা নীলামৰ আয়োজন কৰা হয়।

৫) **ৰাজহুৱা নিবিদা ঃ** আগ্রহী ঠিকাদাৰৰ পৰা ঠিকাভিত্তিক কাম কৰাৰ প্রস্তাৱ সংগ্রহ কৰিবলৈ ৰাজহুৱা নিবিদা জাননী জাৰি কৰা হয়। ইয়াৰ বৈশিষ্ট্যও নীলামৰ দৰেই। সবাতোকৈ লাভদায়কভাৱে কাম কৰাৰ প্রস্তাৱ আগবঢ়োৱাৰ নিবিদা জমা কৰাজনকে এনে ঠিকা দিয়া হয়।

৬) **প্রত্যক্ষ আলাপ-আলোচনা ঃ** ৰাষ্ট্রৰ মালিকানাধীন সম্পত্তি ব্যক্তিগত মালিকক হস্তান্তৰ কৰিবলৈ চৰকাৰৰ প্রতিনিধি সংশ্লিষ্ট ব্যক্তিগত প্রতিষ্ঠানৰ প্রতিনিধিৰ সৈতে মিলিত হয় আৰু আলোচনা কৰে। অংশগ্রহণকাৰী পক্ষবোৰৰৰ বাবে এনেধৰণৰ আলাপ-আলোচনা অধিক উপযোগী।

৭) **ক্রয় অধিকাৰৰ সৈতে প্রতিষ্ঠান ভাৰাত চলাবলৈ দিয়া ঃ** এই পদ্ধতিত ব্যক্তিগত কোম্পানী এটাক ৰাষ্ট্রই চলাই থকা কোম্পানী এটাৰ পৰিচালনা ভাৰ আৰু প্রয়োগ ক্ষমতা অর্পণ কৰা হয়। কিন্তু ইয়াৰ বাবে ব্যক্তিগত কোম্পানীটোৱে কিছুমান চর্ত পূৰণ কৰিব লাগে। পৰৱর্তী সময়ত কোম্পানীটোৱে এই ভাৰা ব্যৱস্থাটো মালিকীস্বত্বলৈ সলনি কৰাৰ বিকল্পবোৰ অনুশীলন কৰিব পাৰে। ইয়াৰ বাবে কোম্পানীটোৱে প্রয়োজনীয় ধন আদায় দিব আৰু কিছুমান বিশেষ চর্ত অনুসৰণ কৰিব লাগে।

৭.৯.৩ ব্যক্তিগতকৰণৰ সুবিধা

- **ফলপ্রসূতা উন্নত কৰে ঃ** ৰাজহুৱা খণ্ডৰ উপক্রমবোৰে অর্থনৈতিক কল্যাণ সাধন কৰাতকৈ ৰাজনৈতিক অভিপ্রায় পূৰণৰ কামতহে নিয়োজিত হৈ থাকিবলগীয়া হয়। এই কথাই খণ্ডটোৰ অধীনস্থ কোম্পানীবোৰৰ ফলপ্রসূতা বাধাগ্রস্ত হয় আৰু বিকাশৰ পথ ৰুদ্ধ হৈ পৰে। ব্যক্তিগতকৰণে চৰকাৰী হস্তক্ষেপত বাধা দিয়ে। ব্যক্তিগত খণ্ডৰ কোনো ৰাজনৈতিক অভিপ্রায় নাথাকেবাবে ই অর্থনৈতিক বিকাশৰ পথ সুচল কৰি তোলে। ব্যক্তিগতকৰণে কোম্পানীবোৰৰ বিকাশ তথা ফলপ্রসূতা বৃদ্ধিত মনোনিৱেশ কৰে।
- **উপভোক্তাক উন্নত সেৱা আগবঢ়ায় ঃ** ব্যক্তিগত উপক্রমবোৰৰ চালিকা শক্তি হ'ল লাভ আহৰণ কৰা আৰু প্রতিযোগিতামূলক বজাৰত কাম কৰি যোৱা। সেয়েহে এনে কোম্পানীৰ প্রাথমিক মনোযোগ ক্ষেত্রখন হ'ল উপভোক্তালৈ ফলপ্রসূ সেৱা আগবঢ়োৱা। অপ্রয়োজনীয় আমোলাতান্ত্রিক হস্তক্ষে নাইকিয়া কৰি ব্যক্তিগত খণ্ডই উপভোক্তা সেৱা কার্যসূচীবোৰ উন্নতমানৰ কৰি তোলাৰ প্রয়াস কৰে।

- **ব্যৱস্থাপনা উন্নত কৰে ঃ** ব্যক্তিগতকর্ণ উদ্যোগ এটাৰ ব্যৱস্থাপনাৰ দিশটো উন্নত কৰি তোলে। এনে উদ্যোগৰ পৰিচালক অথবা ব্যৱস্থাপকসকল উপক্রমৰ গৰাকীৰ ওচৰত জবাবদিহি। সেয়েহে ফলপ্রসূ ব্যৱস্থাপনা নিশ্চিত কৰাটো তেওঁলোকৰ দায়িত্ব।
- **প্রতিযোগিতা বৃদ্ধি কৰে ঃ** ৰাষ্ট্রৰ দ্বাৰা পৰিচালিত উদ্যোগবোৰে একচেটীয়া আধিপত্যৰে কাম কৰে। এনে উদ্যোগক বজাৰৰ প্রতিযোগিতাই স্পর্শ কৰিব নোৱাৰে। ব্যক্তিগত খণ্ডৰ উপক্রমবোৰ বজাৰত অধিক সক্রিয় আৰু এইবোৰে প্রতিযোগিতাক উৎসাহিত কৰে। ইয়াৰ ফলস্বৰূপে সামগ্রিক ঔদ্যোগিক আৰু অর্থনৈতিক বিকাশৰ গতি তৰান্বিত হয়। এই উদ্যোগবোৰে বজাৰক একচেটীয়া আধিপত্যই সৃষ্টি কৰা আলস্যৰ পৰা আঁতৰত ৰাখে।
- **বজাৰৰ গতিশীলতাৰ পৃষ্ঠপোষকতা কৰে ঃ** ব্যক্তিগতকৰণে অর্থনীতিক ৰাষ্ট্রৰ নিয়ন্ত্রণৰ পৰা মুক্ত কৰে। চৰকাৰী হস্তক্ষেপমুক্ত বজাৰ এখনে অধিক গতিশীল ৰূপ লয়। এনে বজাৰে উপভোক্তাৰ পৰা অধিক সঁহাৰি লাভ কৰে আৰু অধিক ৰাজহ সৃষ্টি কৰে।
- **ৰাজহ সৃষ্টিত সহায় কৰে ঃ** চৰকাৰক কোনো প্রকল্প অথবা সামাজিক কার্যসূচী চলাবলৈ যদি ধনৰ আৱশ্যক হয়। তেন্তে উপক্রমবোৰৰ ব্যক্তিগতকৰণে তাৎক্ষণিকভাৱে পুঁজি সৃষ্টি কৰিব পাৰে। চৰকাৰী উপক্রম এটা বিক্রী কৰাৰ অর্থ হ'ল তৎক্ষণাত এককালীন ৰাজহ সংগ্রহ কৰা। বহপতো চৰকাৰে বিত্তীয় সংকটৰ জোৰা মাৰিবলৈ ব্যক্তিগতকৰণৰ পন্থা অৱলম্বন কৰাৰ উদাহৰণ আছে।
- **উৎপাদনশীলতা বৃদ্ধি কৰে ঃ** ব্যক্তিগত ব্যৱসায়ে লাভ অর্জনক অগ্রাধিকাৰ দিয়ে। এনে ব্যৱসায়ে ফলপ্রসূতা বৃদ্ধি কৰিব পাৰে। ব্যক্তিগত মালিকানা আৰু পৰিচালনাধীন উদ্যোগ এটাই অধিক লাভ অর্জনত মনোনিৱেশকাৰী ব্যৱস্থাপনা পদ্ধতি প্রয়োগ কৰে।
- **কোনো ৰাজনৈতিক হস্তক্ষেপ নাথাকে ঃ** চৰকাৰী উদ্যোগ এটাৰ ব্যক্তিগতকৰণ ঘটাৰ লগে লগে সকলো ৰাজনৈতিক প্রভাৱৰ পৰা ই মুক্ত হৈ পৰে।

৭.৯.৪ ব্যক্তিগতকৰণৰ অসুবিধা

- **স্বাভাৱিক একাধিপত্য ঃ** উদ্যোগৰ ব্যক্তিগতকৰণে মাত্র এটা ব্যক্তিগত কোম্পানীৰ একাধিপত্য প্রতিষ্ঠিত কৰিব পাৰে। কোনো উদ্যোগৰ ক্ষেত্রত কোম্পানীটোৰ একাধিপত্য থকাৰ ফলত কোম্পানীটোৱে বাধাহীনভাৱে উৎপাদনৰ গুণগত মান নিম্ন কৰিব আৰু সামগ্রীৰ দাম বৃদ্ধি কৰিব পাৰে।
- **ৰাজহুৱা স্বার্থৰ প্রতি মনোযোগ কমি যায় ঃ** ব্যক্তিগত ব্যৱসায়বোৰ লাভ অর্জনমুখী, ৰাজহুৱা কল্যাণমুখী নহয়। ব্যক্তিগত মালিকানাধীন উদ্যোগে স্বাস্থ্য

আৰু শিক্ষাৰ দৰে ৰাজহুৱা স্বাৰ্থজড়িত বিষয়বোৰত ৰাইজৰ স্বাৰ্থক আওকাণ কৰিব পাৰে।

- **নিয়ন্ত্রক নীতি-নিয়মৰ অভাৱ ঃ** ব্যক্তিগতকৰণে উদ্যোগবোৰৰ বিত্ত তথা ব্যৱস্থাপনা সংক্রান্তীয় কথাবোৰত পছন্দৰ দিশটো নিয়ন্ত্রণ কৰাৰ ক্ষমতা চৰকাৰৰ হাতৰ পৰা ব্যক্তিগত মালিকৰ হাতলৈ হস্তান্তৰিত কৰে। এনে উদ্যোগবোৰৰ সিদ্ধান্ত গ্রহণ প্রক্রিয়াত চৰকাৰৰ প্রভাৱ তেনেই সীমিত অথবা একেবাৰে নাথাকে। সেয়েহে এনে উদ্যোগবোৰৰ কার্য সম্পাদন নীতি নিয়ন্ত্রণ কৰিব পৰাকৈ চৰকাৰে কোনোধৰণৰ তাৎপর্যপূর্ণ বিধি-বিধান ধৰি দিব নোৱাৰে।
- **জৱাবদিহিতাৰ ওপৰত প্রভাৱ ঃ** ব্যক্তিগতকৰণে জৱাবদিহিতাত বিৰূপ প্রভাৱ পেলায়। কাৰণ, বিনিয়োগকাৰীৰ হাতত যি ইচ্ছা তাকে কৰাৰ সম্পূর্ণ কর্তৃত্ব থাকে।
- **অনিশ্চিত সফলতা ঃ** কোনো একক গোটৰ সফলতাৰ বিষয়ত ব্যক্তিগতকৰণে কোনো নিশ্চয়তা প্রদান নকৰে। সেয়েহে বহু সময়ত ব্যক্তিগত খণ্ডৰ কোম্পানীয়ে বৃহৎ পৰিমাণৰ লোকচান ভৰিবলগীয়া হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ খালী ঠাই পূৰণ কৰক-

ক) ৰাজহুৱা কোম্পানীবোৰৰ ইকুইটিৰ অংশ ব্যক্তিগত খণ্ডক বিক্রী কৰাটোকে ..... বুলি কোৱা হয়।

খ) ..... মানে হ'ল চৰকাৰী সেৱা অথবা সম্পত্তি হস্তান্তৰকৰণ।



৭.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ভাৰতত চৰকাৰৰ মালিকানাধীন উদ্যোগবোৰকে ইংৰাজীত Public Sector Undertakings/PSUs অথবা Public Sector Enterprises/PSEs বোলা হয়। এনে উদ্যোগবোৰত ৫১ শতাংশ অথবা ততোধিক আদায় দিয়া শ্বেয়াৰ মূলধনৰ গৰাকী হ'ল কেন্দ্রীয় চৰকাৰ অথবা যিকোনো ৰাজ্য চৰকাৰ অথবা আংশিকভাৱে কেন্দ্রীয় চৰকাৰ অথবা আংশিকভাৱে এক নাইবা একাধিক ৰাজ্য চৰকাৰ।
- ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰ নাগৰিকৰ ওচৰত দায়ৱদ্ধ। কাৰণ, ৰাইজৰ ধনেৰে এনে উপক্রম গঠন কৰা হয়।

- ভাৰতৰ ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰে অর্থনৈতিক বিকাশত উল্লেখযোগ্য অৱদান আগবঢ়াইছে।
- ৰাজহুৱা উদ্যোগবোৰৰ সৈতে জড়িত প্রধান সমস্যা দুটামান হ'ল- ১) ক্ষমতাৰ প্রয়োজনতকৈ কম প্রয়োগ, ২) অনাকাংক্ষিত আমোলাতান্ত্রিক হস্তক্ষেপ, ৩) উৎপাদনত স্থবিৰতা আৰু ৪) ৰাজনৈতিক হস্তক্ষেপ।
- কোনো প্রতিষ্ঠানৰ ব্যক্তিগতকৰণ মানে হ'ল ইয়াৰ কর্তৃত্ব ক্ষমতা চৰকাৰৰ হাতৰ পৰা ব্যক্তিগত পৰিচালকৰ হাতলৈ যোৱা।
- ৰাজহুৱা খণ্ডৰ উদ্যোগৰ মালিকীস্বত্ব, ব্যৱস্থাপনা আৰু নিয়ন্ত্রণ ব্যক্তিগত খণ্ডক হস্তান্তৰ কৰা প্রক্রিয়াটোৱেই হ'ল ব্যক্তিগতকৰণ।



৭.১১ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.

2) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.

3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.

4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



৭.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ যিবোৰ উদ্যোগত ৫১ শতাংশ অথবা ততোধিক আদায় দিয়া শ্বেয়াৰ মূলধনৰ গৰাকী হ'ল কেন্দ্রীয় চৰকাৰ অথবা যিকোনো ৰাজ্য চৰকাৰ অথবা আংশিকভাৱে কেন্দ্রীয় চৰকাৰ অথবা আংশিকভাৱে এক নাইবা একাধিক ৰাজ্য চৰকাৰ তেনেবোৰ উদ্যোগকে ৰাজহুৱা খণ্ডৰ উপক্রম বোলে।

২ নং প্রশ্নৰ উত্তৰ ঃ ভাৰতৰ ৰাজহুৱা খণ্ডৰ উদ্যোগ তিনিটাৰ উদাহৰণ হ'ল-- তেল আৰু প্রাকৃতিক গেছ আয়োগ (ONGC), ভাৰতীয় ষ্টেট বেংক আৰু ভাৰতীয় তেল নিগম (Indian Oil Corporation)।

৩ নং প্রশ্নৰ উত্তৰ ঃ বিভাগীয় প্রতিষ্ঠান, ৰাজহুৱা নিগম, চৰকাৰী কোম্পানী আৰু যুটীয়া উদ্যোগ।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) নির্বিনিয়োগ, (খ) ব্যক্তিগতকৰণ।



৭.১৩ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগ বুলিলে কি বুজে?

প্রশ্ন ২ ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগৰ বৈশিষ্ট্য আৰু প্রকাৰবোৰ বর্ণনা কৰক।

প্রশ্ন ৩ ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰে ভাৰতীয় অর্থনীতিলৈ আগবঢ়োৱা অৱদান সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৪ ঃ ভাৰতত ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰে সন্মুখীন হোৱা সমস্যাবোৰ ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰৰ ব্যক্তিগতকৰণৰ অর্থ আৰু উদ্দেশ্য বর্ণনা কৰক।

প্রশ্ন ৬ ঃ ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰ ব্যক্তিগতকৰণৰ সুবিধা আৰু অসুবিধাবোৰ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ যৌথ কাৰবাৰ কোম্পানী

অধ্যায় গাথঁনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ কোম্পানী সংগঠন
৮.৪ যৌথ কাৰবাৰ কোম্পানীৰ বৈশিষ্ট্যসমূহ
৮.৫ কোম্পানীৰ প্ৰকাৰ
৮.৬ যৌথ কাৰবাৰ কোম্পানীৰ সুবিধাসমূহ
৮.৭ যৌথ কাৰবাৰ কোম্পানীৰ অসুবিধাসমূহ
৮.৮ এক ব্যক্তি কোম্পানী
৮.৯ বিভিন্ন ব্যৱসায়িক সংগঠনৰ ব্যৱহাৰৰ উপযোগিতা
৮.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.১১ অধিক জানিবলৈ
৮.১২ অগ্রগতিৰ খতিয়ান
৮.১৩ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কোম্পানী সংগঠনৰ অৰ্থৰ বিষয়ে আলোচনা কৰিব পাৰিব
- কোম্পানী সংগঠনৰ বৈশিষ্ট্যসমূহৰ ব্যাখ্যা দাঙি ধৰিব পাৰিব
- বিভিন্ন প্ৰকাৰৰ কোম্পানীৰ বৰ্ণনা দিব পাৰিব
- কোম্পানী আৰ্হিৰ সংগঠনৰ সুবিধা আৰু অসুবিধাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

দ্বিতীয় অধ্যায়টোত আমি ব্যৱসায় সংগঠনৰ পৰিসৰ, বিভাগীয়কৰণৰ বিভিন্ন পদ্ধতি আৰু লগতে বিভিন্ন প্ৰকাৰৰ বাহ্যিক সংগঠনৰ বিষয়ে আলোচনা কৰিলোঁ। তৃতীয় আৰু চতুৰ্থ অধ্যায়ত ক্ৰমে আমি এজনীয়া ব্যৱসায় আৰু অংশীদাৰী ব্যৱসায় সংগঠনৰ বিষয়েও আলোচনা কৰিলোঁ। এই অধ্যায়টোত আমি অন্য প্ৰকাৰৰ ব্যৱসায় সংগঠন যেনে কোম্পানী সংগঠনৰ বিষয়ে আলোচনা কৰিম।

৮.৩ কোম্পানী সংগঠন (THE COMPANY ORGANISATION)

কিছুমান উমৈহতীয়া উদ্দেশ্যে, মূলধনৰ পৰিমাণক কিছুমান এককত ভাগ কৰি, যাক অংশ বোলা হয় আৰু সীমিত দেনাৰ সৈতে কিছুমান ব্যক্তিয়ে স্ব-ইচ্ছাই সন্মিলিত হৈ কোম্পানী গঠন কৰে। এনে কোম্পানী একোটাক আইনত ব্যক্তি হিচাপে গণ্য কৰা হয়, কিন্তু ইয়াৰ স্বাভাৱিক ব্যক্তিত্ব (কায়িক অৱস্থিতি) নাই। চিৰন্তন অনুক্রম (perpetual succession) আৰু উমৈহতীয়া তথা সাধাৰণ ছীল-মোহৰ থকা ই এক কৃত্রিম ব্যক্তিহে।

সেয়ে, সৰল অর্থত কোম্পানীৰ সংজ্ঞা এনেদৰে দিব পাৰি যে 'সাধাৰণ ছীল-মোহৰ আৰু চিৰন্তন অনুক্রম থকা আইনৰ দ্বাৰা কৃত্রিম ব্যক্তি হিচাপে গঠিত নিগমকৃত ব্যক্তিৰ সংঘকে কোম্পানী বোলা হয়। (An incorporated association which is an artificial person created by law having a common seal and perpetual succession)। Lord Justice Lindley-এ কোম্পানীৰ সংজ্ঞা এনেদৰে দিছে 'উমৈহতীয়া পুঁজিত ধন বা ধনৰ সমমূল্যৰ পৰিমাণেৰে বৰঙণি আগবঢ়োৱা ব্যক্তিসকলৰ এক সংঘ আৰু এই পুঁজি কিছুমান উমৈহতীয়া উদ্দেশ্যৰ বেহাবেপাৰ বা ব্যৱসায়ত বিনিয়োগ কৰা হয় আৰু ইয়াৰ পৰা পোৱা লাভ বা লোকচান তেওঁলোকে ভগাই ল'ব। মুদ্রা মূল্যত সংগৃহীত উমৈহতীয়া ধন কোম্পানীৰ মূলধন হ'ব। যিসকল ব্যক্তিয়ে বৰঙণি আগবঢ়ায় তেওঁলোকক সদস্য বোলা হয়। প্রতিজন সদস্যই আগবঢ়োৱা সমানুপাতিক মূলধনৰ পৰিমাণকে তেওঁৰ অংশ বোলা হয়। অংশপত্রসমূহ সদায় হস্তান্তৰযোগ্য হয় যদিও সিহঁতক হস্তান্তৰ কৰা ক্ষমতা কম-বেছি পৰিমাণে প্রায়ে সীমাবদ্ধ হৈ থাকে (An association of many persons who contribute money or money's worth to a common stock, and employ it in some common trade or business (i.e. for a common purpose) and who share the profit or loss (as the case may be) arising therefrom, The common stock so contributed is denoted in money and is the capital of the company. The person who contribute are the members. The proportion of capital to which each member is entitled is his share. Shares are always transferable, although the right to transfer them is often more or less restricted).

১৯৫৬ চনৰ ভাৰতীয় কোম্পানী আইনৰ 3(i) আৰু (ii) ধাৰা অনুসৰি কোম্পানী হৈছে 'এই আইনৰ অধীনত গঠিত আৰু পঞ্জীয়ন হোৱা কোম্পানী বা এটা বিদ্যমান কোম্পানী (a company formed and registered under this Act or an existing company)। এটা বিদ্যমান কোম্পানী বুলিলে পূর্বৰ যিকোনো কোম্পানী আইনৰ অধীনত গঠিত আৰু পঞ্জীয়ন হোৱা কোম্পানীকে বুজায়।

কোম্পানীৰ সংজ্ঞা (Definition of company)

Haneyৰ মতে "যৌথ কাৰবাৰ কোম্পানী হৈছে এক স্বেচ্ছাধীন সংঘ যাৰ মূলধন

কিছুমান হস্তান্তৰযোগ্য অংশৰ দ্বাৰা বিভাজিত আৰু মালিকীস্বত্ব পাবৰ বাবে ইয়াৰ সদস্য পদ পাব লাগে (A joint stock company is a voluntary association whose capital is divided into transferable shares and ownership is required for its membership)। Kimbal আৰু Kimbel ৰ মতে "কোম্পানী হৈছে আইনৰ দ্বাৰা বিশেষ উদ্দেশ্যে গঠিত বা কর্তৃত্বাধীন নিগম প্রকৃতিৰ এক কৃত্রিম ব্যক্তি (Corporation by nature is an artificial person, which is created by law for specific purpose as authorised)"।

এটা যৌথ কাৰবাৰ কোম্পানী হৈছে স্থায়ী মূলধন, বিভাজনীয় অংশপত্রত বিভক্ত, চিৰন্তন অনুক্রম আৰু উমৈহতীয়া ছীল-মোহৰ থকা আইনৰ দ্বাৰা গঠিত এক কৃত্রিম ব্যক্তি। কোম্পানীৰ এক আইনগত পৃথক সত্তা আছে। ইয়াক বাধ্যতামূলকভাৱে পঞ্জীয়ন কৰিব লাগে। অংশ ক্রয় কৰা অংশধাৰকসকল কোম্পানীৰ অধিকাৰী তথা গৰাকী হয়। অংশধাৰকসকলে নির্বাচন কৰি দিয়া প্রতিনিধি হিচাপে সঞ্চালকমণ্ডলীৰ দ্বাৰা কোম্পানী পৰিচালনা কৰা হয়। এইদৰে পৰিচালনা আৰু মালিকীস্বত্ব ব্যৱহাৰিকভাৱে পৃথক হোৱা বাবে কোম্পানীৰ কার্যকাল চিৰস্থায়ী হয়। এই কার্যকালৰ ভিতৰত কোম্পানীৰ কোনো সদস্যৰ মৃত্যু, দেউলীয়া অৱস্থা বা বলিয়ালীয়ে কোম্পানীৰ ওপৰত কোনো প্রভাৱ পেলাব নোৱাৰে। এজন নির্দিষ্ট অংশধাৰকে কিনা অংশৰ লিখিত মূল্যৰ পৰিমাণলৈকে অংশধাৰকসকলৰ দেনা সীমিত হৈ থাকে।

৮.৪ যৌথ কাৰবাৰ কোম্পানীৰ বৈশিষ্ট্যসমূহ (FEATURES OF JOINT STOCK COMPANY)

যৌথ কাৰবাৰ কোম্পানীত নিম্নলিখিত প্রধান বৈশিষ্ট্যসমূহ পৰিলক্ষিত হয়—

১। **কৃত্রিম ব্যক্তি (Artificial Person) ঃ** কোম্পানী এটাৰ পৃথক আইনগত সত্তা আছে। ই নিজৰ নামত পণ্য ক্রয় আৰু বিক্রয় কৰিব পাৰে; ই নিজৰ নামত খৰচ পৰিশোধ আৰু আয় সংগ্রহ কৰিব পাৰে। ই আনৰ ওপৰত মোকর্দমা তৰিব পাৰে আৰু আনেও কোম্পানীৰ নামৰ ওপৰত মোকর্দমা তৰিব পাৰে। সেয়ে কোম্পানীক মানুহৰ দৰে বিবেচনা কৰা হয়, যদিও প্রকৃততে ই স্বাভাৱিক মানুহ নহয়। সেয়ে ইয়াক কৃত্রিম ব্যক্তি বোলা হয়।

২। **আইনৰ দ্বাৰা সৃষ্ট (Created by law) ঃ** এটা কোম্পানী আইনৰ নিয়মাৱলী অনুসৰণ কৰি গঠন, ব্যৱসায় চলোৱা আৰু ব্যৱসায় অৱসানো কৰা হয়। নিবন্ধন পত্র পাবৰ বাবে স্মাৰকলিপি, আভ্যন্তৰীণ নিয়মাৱলী আৰু অনুষ্ঠানপত্র আদি সহ কোম্পানীয়ে ৰাজ্যৰ কোম্পানী পঞ্জীয়কৰ ওচৰ চাপিব লাগে। অন্যান্য দলিলসমূহ পূৰণ কৰি দলিলসমূহ দাখিল কৰাৰ পিছত পঞ্জীয়কৰ পৰা কোম্পানীয়ে ব্যৱসায় নিবন্ধনৰ প্রমাণপত্র (Certificate of Incorporation) পাব।

৩। **স্থিৰ মূলধন (Fixed Capital) ঃ** কোম্পানীৰ মূলধনৰ পৰিমাণ স্থিৰ থাকে আৰু ইয়াক কোম্পানীৰ স্মাৰকলিপিত উল্লেখ কৰা থাকে। এই মূলধন কিছুমান হস্তান্তৰযোগ্য

অংশপত্রত বিভক্ত কৰা হয়। এই মূলধন সম্পূর্ণকৈ আদায়ীকৃত নহ'বও পাৰে। ই হৈছে কোম্পানীৰ অনুমোদিত মূলধন যি পৰিমাণৰ মূলধন কোম্পানীৰ জীৱন কালত সংগ্রহ কৰিবৰ বাবে কর্তৃত্ব দিয়া হয়।

৪। **সীমিত দেনা (Limited Liability) ঃ** যৌথ কাৰবাৰ কোম্পানীৰ বৈশিষ্ট্য হৈছে ইয়াৰ অংশধাৰকসকলৰ দেনা তেওঁলোকক আবণ্টন কৰা অংশৰ লিখিত মূল্যৰ পৰিমাণেৰে সীমিত। উদাহৰণস্বৰূপে যদি এজন অংশধাৰকক দহটা দহটকীয়া অংশপত্র আবণ্টন কৰা হৈছে তেনেহ'লে তেওঁৰ দেনা এশ টকালৈকে সীমিত হ'ব, যদিও কোম্পানীয়ে কেইবাকোটি টকাৰো লোকচান ভৰিব পাৰে।

৫। **চিৰন্তন অনুক্রম (চিৰস্থায়ী জীৱনকাল) [Perpetual succession (Permanent life] ঃ** কোম্পানীৰ জীৱনকাল চিৰস্থায়ী। ইয়াৰ অংশধাৰকৰ মৃত্যু, অক্ষমতা, বলিয়া আৰু দেউলীয়া হ'লেও কোম্পানীৰ ব্যৱসায় চলিয়েই থাকে। কোম্পানী এটাৰ ইয়াৰ অংশধাৰকসকলৰ পৰা পৃথক স্পষ্ট আইনগত পৰিচয় আৰু অস্তিত্ব আছে। কোম্পানীৰ মালিকীস্বত্ব আৰু ইয়াৰ পৰিচালনাৰ মাজত বিচ্ছিন্নতা আছে। অংশধাৰকসকল কোম্পানীৰ অধিকাৰী হয় আৰু ইয়াক অংশধাৰকসকলৰ দ্বাৰা মনোনীত কৰা ব্যক্তিসকল, তথা সঞ্চালকমণ্ডলীয়ে পৰিচালনা কৰে।

৬। **গণতান্ত্রিক পৰিচালনা (Democratic Management) ঃ** কোম্পানী গণতান্ত্রিক ধৰণেৰে পৰিচালনা কৰা হয়। গণতন্ত্রক ৰাইজৰ, ৰাইজৰ বাবে আৰু ৰাইজৰ দ্বাৰা শাসিত চৰকাৰ হিচাপে সংজ্ঞা দিয়া হয়। একেদৰে কোম্পানী এটা অংশধাৰকসকলে প্রতিষ্ঠা কৰে আৰু কোম্পানীয়ে অংশধাৰকসকলৰ বাবে কাম কৰে। কোম্পানী অংশধাৰকসকলৰ দ্বাৰা নির্বাচিত ব্যক্তিসকল তথা সঞ্চালকমণ্ডলীৰ দ্বাৰা পৰিচালিত হয়।

৭। **উমৈহতীয়া ছীল-মোহৰ (Common Seal) ঃ** প্রতিটো কোম্পানীৰ নিজা উমৈহতীয়া ছীল-মোহৰ আছে। এই উমৈহতীয়া ছীল-মোহৰত কোম্পানীৰ নাম খোদিত কৰা হয়। কোম্পানীৰ সকলোবোৰ দলিলতে এই ছীল-মোহৰ মাৰিব লাগে। কোম্পানী এটা কৃত্রিম ব্যক্তি, সেয়ে উমৈহতীয়া ছীল-মোহৰে কোম্পানীৰ স্বাক্ষৰৰ প্রতীক হিচাপে প্রাধান্য পায়। কোম্পানীৰ হৈ কোনো ব্যক্তিয়ে কাম কৰিলে কাম কৰা দলিলসমূহত তেওঁ স্বাক্ষৰ কৰি কোম্পানীৰ ছীল-মোহৰ মৰাটো বাধ্যতামূলক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ যৌথ কাৰবাৰ কোম্পানীৰ পাঁচটা প্রধান বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৮.৫ কোম্পানীৰ প্ৰকাৰ (TYPE OF COMPANIES)

কোম্পানীসমূহক তলত দিয়া ধৰণে বিভক্ত কৰা হয়—

১। নিবন্ধনৰ ভিত্তিত যৌথকাৰবাৰ কোম্পানীসমূহক নিম্নলিখিত ধৰণেৰে শ্ৰেণী বিভাগ কৰা হয়—

(ক) চনদীয় কোম্পানী (Chartered Companies)

(খ) বিধিবদ্ধ কোম্পানী (Statutory Companies)

(গ) পঞ্জীভুক্ত কোম্পানী (Registered Companies)

২। দেনাৰ ভিত্তিত কোম্পানীসমূহক নিম্নলিখিত ধৰণেৰে শ্ৰেণীবিভাগ কৰা হয়—

(ক) অসীম দেনাৰ কোম্পানী (Unlimited liability company)

(খ) সীমিত দেনাৰ কোম্পানী (Limited liability company)

- অংশপত্ৰৰ দ্বাৰা সীমিত কোম্পানী (Companies limited by shares)
- প্ৰতিশ্ৰুতিৰ দ্বাৰা সীমিত কোম্পানী (Companies limited by guarantee)

৩। মালিকীস্বত্ত্বৰ ভিত্তিত কোম্পানীসমূহক নিম্নলিখিত ধৰণেৰে শ্ৰেণীবিভাগ কৰা হয়—

(ক) ৰাজহুৱা কোম্পানী (Public company) আৰু

(খ) ব্যক্তিগত কোম্পানী (Private company)

এই অধ্যায়ত আমি ৰাজহুৱা আৰু ব্যক্তিগত কোম্পানীৰ বিষয়ে আলোচনা কৰিম।

(ক) ৰাজহুৱা কোম্পানী (PUBLIC COMPANY)

বৈশিষ্ট্য (Features) ঃ ৰাজহুৱা কোম্পানীৰ প্ৰধান বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

(১) ন্যূনতম সদস্য সংখ্যা সাতজন আৰু সৰ্বাধিক সদস্যসংখ্যা মুঠ অংশপত্ৰ সংখ্যাৰ দ্বাৰা সীমিত।

(২) অংশপত্ৰ হস্তান্তৰকৰণত কোনো সীমাবদ্ধতা তথা বাধানিষেধ নাই।

(৩) অনুষ্ঠানপত্ৰ বিলি আৰু অংশ আৰু ঋণপত্ৰৰ বাবে আবেদন আমন্ত্ৰণত সম্পূৰ্ণ স্বাধীনতা।

ৰাজহুৱা কোম্পানীৰ উদাহৰণ ঃ Bajaj Auto Ltd, Associate Cement Companies Ltd, Oswal Agro Limited ইত্যাদি।

(খ) ব্যক্তিগত কোম্পানী (Private Company)

বৈশিষ্ট্য ঃ ব্যক্তিগত কোম্পানীৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল ঃ

(১) অংশ (যদি থাকে) হস্তান্তৰৰ স্বাধীনতাত সীমাবদ্ধতা বা বাধানিষেধ।

(২) বৰ্তমান বা অতীতৰ কৰ্মচাৰী বাদ দি ইয়াৰ সদস্যৰ সংখ্যা ৫০ জনতে সীমাবদ্ধ ৰখা।

(৩) কোম্পানীৰ অংশ আৰু ঋণপত্ৰ কিনিবৰ বাবে জনসাধাৰণক আমন্ত্ৰণত বাধা।

(৪) ই অংশীদাৰী আৰু ৰাজহুৱা কোম্পানীৰ মিশ্ৰ আৰ্হি। ভাৰতীয় কোম্পানী আইনৰ অধীনত পঞ্জীয়ন হোৱা ই সীমিত দেনাৰ কোম্পানী। এই কোম্পানীৰ নামৰ শেষত "প্ৰাইভেট লিমিটেড (Private Limited) শব্দকেইটা লিখা প্ৰয়োজন।

ভাৰতীয় কোম্পানী আইনৰ 3(i) (iv) ধাৰা অনুসৰি "এটা ৰাজহুৱা (public) কোম্পানী হৈছে

এটা কোম্পানী যিটো প্ৰাইভেট কোম্পানী নহয় (A public company is one which is not a private company)"। প্ৰাইভেট কোম্পানীৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱা সদস্যসকলৰ সংখ্যা, অংশৰ হস্তান্তৰযোগ্যতা আৰু অনুষ্ঠানপত্ৰ বিলি কৰা ব্যৱস্থাৱলীত থকা সীমাবদ্ধতাসমূহ ৰাজহুৱা (public) কোম্পানীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। আন কথাত ক'বলৈ গ'লে এটা ৰাজহুৱা কোম্পানী য'ত সদস্যসকলৰ সংখ্যা, অংশৰ হস্তান্তৰযোগ্যতা আৰু অনুষ্ঠানপত্ৰ বিলি কৰাত প্ৰাইভেট লিমিটেড কোম্পানীত থকা বাধাসমূহ নাথাকে।

৮.৬ যৌথ কাৰবাৰ কোম্পানীৰ সুবিধাসমূহ (MERITS OF JOINT STOCK COMPANY)

এটা যৌথ কাৰবাৰ কোম্পানী আৰ্হিৰ ব্যৱসায় সংগঠনত নিম্নলিখিত সুবিধাসমূহ উপলব্ধ হয়—

১। **স্থায়ী অস্তিত্ব (Permanent existence) ঃ** কোম্পানীৰ জীৱনকাল স্থায়ী। অংশপত্ৰধাৰকসকলৰ মৃত্যু, অক্ষমতা, বলিয়ালী আৰু দেউলীয়াই ইয়াৰ জীৱন কালক কোনো প্ৰকাৰে প্ৰভাৱিত কৰিব নোৱাৰে। ইয়াৰ আইনগত পৃথক সত্বা আছে। কোম্পানী অৱসান নঘটোৱাকৈ ইয়াৰ মালিকীস্বত্ব আৰু কোম্পানীৰ পৰিচালনাৰ সাল-সলনি কোনো বিঘিনি নোহোৱাকৈ সমাধা কৰিব পাৰি।

২। **সীমিত দেনা (Limited liability) ঃ** কোম্পানীৰ অংশধাৰকসকলৰ সর্বাধিক দেনা দায়িত্ব তেওঁলোকে ক্ৰয় কৰা অংশৰ লিখিত মূল্যৰ পৰিমাণতে সীমাবদ্ধ হৈ থাকে। অংশধাৰকসকলৰ ব্যক্তিগত সা-সম্পত্তি কোম্পানীয়ে বহিঃব্যক্তিসকলক দিবলগীয়া থকা দেনাৰ দাবীৰ নিষ্পত্তিৰ লগত সংলগ্ন কৰিব নোৱাৰে।

৩। **বৃহৎ পৰিমাণৰ মূলধনৰ প্ৰাচুর্যতা (Availability of large capital) ঃ** কোম্পানীৰ মূলধন ইয়াৰ অংশধাৰকসকলে যোগান ধৰে। অংশধাৰকসকলৰ সংখ্যা সীমিত নহয়। এই সংখ্যা কোম্পানীয়ে বিচৰা সংখ্যাৰ পৰিমাণৰ ভিতৰতহে সীমিত থাকে। অংশসমূহৰ লিখিত মূল্য তেনেই নামমাত্ৰ আৰু অংশধাৰকসকলৰ দেনা সীমিত। এই অংশসমূহ সহজে বিক্ৰী কৰি কোম্পানীয়ে প্ৰয়োজনীয় মূলধন সংগ্ৰহ কৰিব পাৰে।

৪। **অংশৰ হস্তান্তৰযোগ্যতা (Transferability of Shares) ঃ** কোম্পানীৰ অংশসমূহ সহজে হস্তান্তৰ কৰিব পাৰি। যেতিয়াই অংশধাৰকসকলে বিনিয়োগ কৰা ধন ঘূৰাই পাবলৈ বিচাৰে তেতিয়াই তেওঁৰ অংশসমূহ বিক্ৰী কৰি তেওঁ ধন সংগ্ৰহ কৰিব পাৰে। এই বিশেষ বৈশিষ্ট্যই কোম্পানীক নিশ্চিত কৰে যে কোম্পানীয়ে মূলধন ফিৰৎ দিব নালাগে। কোম্পানীৰ অংশসমূহ ষ্টক বিনিময় বজাৰত বা মুক্ত বজাৰত কিনা-বেচা কৰা হয়।

৫। **বৃহৎ পৰিসৰৰ মিতব্যয়িতা (Economies of large-scale) ঃ** বৃহৎ পৰিমাণৰ মূলধন আৰু পেশাদাৰী পৰিচালনাৰ বাবে কোম্পানী আৰ্হিৰ ব্যৱসায় সংগঠনে বৃহৎ আকাৰৰ ব্যৱসায় কৰিব পাৰে। সেয়ে কোম্পানী আৰ্হিৰ সংগঠনে বৃহৎ পৰিসৰৰ ব্যৱসায়ৰ আভ্যন্তৰীণ আৰু বাহ্যিক সা-সুবিধাসমূহ উপভোগ কৰি মিতব্যয়িতা অৱলম্বন কৰিব

পাৰে।

৬। **কৰ ৰেহাই (Tax relief)** ঃ কৰ আইনে কিছুমান উন্নয়নমূলক ৰেহাই, ৰপ্তানি বৃদ্ধিৰ বাবে কিছুমান পণ্যৰ ওপৰত মূল্য ৰেহাই আৰু পিছপৰা অঞ্চলত স্থাপন কৰা শিল্পৰ বাবে কিছুমান ৰেহাই অনুমোদন কৰিছে। কোম্পানীৰ ওপৰত একহাৰত (flat rate) আয়কৰ ধাৰ্য কৰা হয়। সেয়ে উচ্চ আয়ৰ কোম্পানীৰ কৰৰ দেনাৰ পৰিমাণ তুলনামূলকভাৱে কম হয়।

৭। **সম্ভাব্য বিপদৰ সুবিস্তৃতি (Diffused risk)** ঃ ব্যৱসায়ৰ সম্ভাব্য বিপদ অগনন অংশধাৰকসকলৰ মাজত ভগাই দিয়া হয়। সেয়ে প্রতিজন অংশধাৰকে নামমাত্র পৰিমাণৰ সম্ভাব্য বিপদত অংশগ্রহণ কৰিব লাগে। এনে সুবিধা এজনীয়া ব্যৱসায় বা অংশীদাৰী ব্যৱসায়ৰ ক্ষেত্রত পোৱা নাযায়। এনে লোকচান এজনীয়া ব্যৱসায়ত মালিকজনে অকলে আৰু অংশীদাৰী ব্যৱসায়ৰ ক্ষেত্রত সীমিত সংখ্যক অংশীদাৰকেইজনে গাইগুটীয়াভাৱে বা যৌথভাৱে বহন কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ যৌথ কাৰবাৰ কোম্পানীৰ পাঁচটা প্রধান সুবিধা উল্লেখ কৰক।

.....

.....

.....

.....

.....

৮.৭ যৌথ কাৰবাৰ কোম্পানীৰ অসুবিধাসমূহ (LIMITATIONS OF JOINT STOCK COMPANY)

যৌথ কাৰবাৰ কোম্পানীৰ সীমাবদ্ধতা তথা অসুবিধাসমূহ তলত উল্লেখ কৰা হ'ল—

১। **অত্যধিক আইনৰ আনুষ্ঠানিকতা (Excessive legal formalities)** ঃ কোম্পানী গঠন কৰোঁতে বহুতো আইনৰ নিয়ম-কানুন অনুসৰণ আৰু বহুতো দলিল পঞ্জীয়কৰ ওচৰত দাখিল কৰিব লাগে। ই এক সময় খৰচী আৰু ব্যয়বহুল ব্যৱস্থা। কোম্পানীৰ প্রতিবেদনসমূহ সময়মতে দাখিল নকৰিলে শাস্তি বা জৰিমনা ভৰিব লাগে। এই সকলোবোৰ আনুষ্ঠানিকতাই কোম্পানীৰ গঠন কঠিন কৰি তোলে।

২। **প্রৱর্তকৰ দ্বাৰা প্রৱঞ্চনা (Fraud by promoters)** ঃ কেতিয়াবা কোম্পানীৰ গঠন প্রক্রিয়াত প্রবর্তকসকলে প্রতাৰণা কৰে। তেওঁলোকে কিছুমান দৰকাৰী তথ্য লুকু�ৱাই

ৰাখে আৰু অংশধাৰকসকলক প্ৰতাৰণা কৰে। তেওঁলোকে হিচাপৰ বহীসমূহত তেওঁলোকৰ অনুকূলে সুবিধাজনক কৰি লয়। প্ৰৱৰ্তকসকল সাধাৰণতে ধনী ব্যক্তি হয়। তেওঁলোকে অংশধাৰকসকলৰ নিয়োজিত পুঁজিৰ বিনিময়ত অভিজ্ঞতা অৰ্জন কৰে, কিয়নো তেওঁলোকে ইয়াৰ বাবে কোনো লোকচান ভৰিব নালাগে।

৩। **অংশপত্ৰত ফট্‌কা (Speculation in shares) ঃ** কোম্পানীৰ অংশসমূহ মুকলি বজাৰত কিনা-বেচা কৰা হয়। এই ব্যৱস্থাই অনৈতিক কামত ইন্ধন যোগায়।

৪। **গোপনীয়তাৰ অভাৱ (Lack of secrecy) ঃ** কোম্পানীত গোপনীয়তা ৰক্ষা কৰাটো অতি কঠিন কাম। প্ৰতিটো বিষয় বহুল পৰিসৰত আলোচনা কৰিব লাগে। ইয়াত পৰিচালনা আৰু কৰ্মীবৃন্দৰ মাজত স্বাৰ্থৰ বিবাদ ঘটি থাকে। ইয়াৰ ফলস্বৰূপে ধৰ্মঘট আৰু তলাবন্ধ কোম্পানীত এক নিয়মীয়া বৈশিষ্ট্যত পৰিণত হয়।

৮.৮ এক ব্যক্তি কোম্পানী (One Person Company/ OPC)

এক ব্যক্তি কোম্পানীবোৰ হ'ল এক মালিকানাধীন ব্যৱসায় আৰু এটা কোম্পানীৰ সংকৰ (hybrid) ৰূপ। ২০১৩ চনৰ কোম্পানী আইনৰ জৰিয়তে এই নতুন ধৰণৰ কোম্পানী গঠনৰ ধাৰণাটোৰ প্ৰচলন আৰম্ভ কৰা হৈছে। ধাৰণটোৱে একক গৰাকীক পৃথক বিধিগত সত্বাৰ স্থিতি (seperate legal entity status)ৰ সৈতে কোম্পানী স্থাপন কৰাৰ সুযোগ দিয়ে। ২০১৩ চনৰ কোম্পানী আইনৰ অধীনত স্থাপন কৰা এক ব্যক্তি কোম্পানীবোৰত এক মালিকানাধীন ব্যৱসায় আৰু সীমিত ব্যক্তিগত কোম্পানীৰ বৈশিষ্ট্য মিহলি হৈ থাকে। ইয়াক সীমিত দেয়তাৰ ব্যক্তিগত কোম্পানী (private company with limited liability) বুলি গণ্য কৰা হয়। এনে কোম্পানীয়ে ছমাহৰ মূৰে মূৰে অতি কমেও এখনকৈ পৰিচালনা বোৰ্ডৰ বৈঠক অনুষ্ঠিত কৰিব লাগে।

OPC ৰ সুবিধাসমূহ-

- মাত্ৰ এগৰাকী মালিক আৰু মাত্ৰ এগৰাকী মনোনীত ব্যক্তি থাকে বাবে OPCবোৰৰ চামিলকৰণ প্ৰক্ৰিয়াটো সহজ।
- ব্যক্তিগত কোম্পানী হোৱাৰ বাবে OPCবোৰৰ ক্ষেত্ৰত মূলধন/পুঁজি সংগ্ৰহ কৰাৰ কামটো সহজ।
- সদস্যৰ দেয়তা কেৱল নিজৰ শ্বেয়াৰতে সীমাৱদ্ধ, কোম্পানীৰ লোকচানৰ বাবে তেওঁ ব্যক্তিগতভাৱে দেয় নহয়।
- সীমিত ব্যক্তিগত কোম্পানী অতবা সীমিত দেয় অংশীদাৰত্ব কোম্পানী (LLP)বোৰৰ তুলনাত OPCবোৰৰ বাধ্যবাধকতা কম।
- মাত্ৰ এগৰাকী সদস্য থাকিলেও OPCবোৰৰ চিৰস্থায়ী উত্তৰাধিকাৰ থাকে।
- ২০১৩ চনৰ কোম্পানী আইনৰ অধীনত গঠন কৰা হয় বাবে ব্যৱসায় হিচাপে OPCবোৰৰ সম্পূৰ্ণ ভাৰসাযোগ্যতা থাকে।

OPC ৰ অসুবিধাসমূহ-

- OPCবোৰৰ সর্বাধিক সদস্য সংখ্যা মাত্র এগৰাকী। সেয়েহে এনে কোম্পানী কেৱল ক্ষুদ্র ব্যৱসায়িক সংৰচনা পৰিচালনা কৰাৰ বাবেহে উপযুক্ত।
- যিহেতু কোম্পানীৰ একমাত্র সদস্যগৰাকীয়েই ইয়াৰ নির্দেশক, সেয়েহে কোম্পানীৰ মালিকীস্বত্ব আৰু ব্যৱস্থাপনাৰ মাজত কোনো স্পষ্ট পার্থক্য নাথাকে।
- একমাত্র গৰাকীয়ে ব্যৱসায়ত হোৱা লাভ আৰু লোকচান উভয়ৰে ফল ভোগ কৰে।
- বেংক আৰু আন ধাৰ দিওতাসকলে সহজে এনে ব্যৱসায়ত বিনিয়োগ কৰিব নিবিচাৰে। সেয়েহে গৰাকীৰ বাবে প্রয়োজনীয় বিত্ত অথবা ঋণ লাভ কৰাটো এক কঠিন কাম হৈ পৰে।

এক ব্যক্তি কোম্পানী বনাম এক মালিকানাধীন ব্যৱসায়

এক ব্যক্তি কোম্পানী (OPC) আৰু এক মালিকানাধীন ব্যৱসায় (proprietorship) একে যেন লাগে। কিন্তু দুয়োবিধ ব্যৱসায়ৰ কার্য সম্পাদন পদ্ধতি পৃথক। দুয়োধৰণৰ কোম্পানীতে মাত্র এগৰাকী সদস্য/গৰাকী থাকে যদিও বৈশিষ্ট্যবোৰ বেলেগ বেলেগ। OPC এটাই সাধাৰণ কোম্পানীৰ বৈশিষ্ট্যবোৰ প্রদর্শন কৰে, কিন্তু এক মালিকানাধীন ব্যৱসায়ত এই বৈশিষ্ট্যবোৰ অনুপস্থিত। আকৌ, এক মালিকানাধীন ব্যৱসায়ত মালিকৰ অসীম দেয়তা (unlimited liability) থাকে। তলত দুয়োবিধ ব্যৱসায়ৰ প্রধান পার্থক্যবোৰ দিয়া হ'ল-

ক্রমিক নং	কার্য বিৱৰণ	OPC	Proprietorship
১	পঞ্জীয়ন	MCA আৰু কোম্পানী আইন,২০১৩ৰ অধীনত পঞ্জীয়ন কৰিব লাগে	পঞ্জীয়ন বাধ্যতামূলক নহয়
২	সদস্যৰ দেয়তা	সীমিত	অসীম
৩	আইনী স্থিতি	পৃথক বিধিগত সত্বা থাকে	পৃথক বিধিগত সত্বা নাথাকে
৪	নির্দেশক	অতি কমেও এগৰাকী	প্রয়োজন নাই
৫	মনোনীত ব্যক্তি	অতি কমেও এগৰাকী	প্রয়োজন নাই
৬	হস্তান্তৰসাধ্যতা	মনোনীত ব্যক্তিক হস্তান্তৰ কৰিব পাৰি	অহস্তান্তৰসাধ্য
৭	অস্তিত্ব বর্তাই ৰখাৰ উপায়	অস্তিত্ব সদস্যনির্ভৰ নহয়। সদস্যৰ মৃত্যুত মনোনীত সদস্য অথবা নির্দেশকে ব্যৱসায়টো চলাই নিব	একমাত্র মালিকৰ অৱসৰ গ্রহণ অথবা মৃত্যুত ব্যৱসায়টো বন্ধ হৈ যাব
৮	কৰ পৰিশোধ	বিৰাম কাল আৰু অধিঃশুল্কৰ সৈতে লাভৰ ৩০ শতাংশ	ব্যক্তিগতভাৱে দিবলগীয়া শুল্ক
৯	বার্ষিক ফাইলিং	২০১৩ চনৰ কোম্পানী আইন আৰু আয়কৰ আইনৰ অধীনত কোম্পানীবোৰৰ পঞ্জীয়কৰ কার্যালয়ত জমা দিব লাগে	কেৱল আয়কৰ ৰিটার্ণ ফাইলিং কৰিব লাগে

সংযুক্ত ষ্টক কোম্পানী বনাম অংশীদাৰী কোম্পানী

লাভ অর্জনৰ লক্ষ্য বান্ধি লৈ স্বৈচ্ছিকভাৱে গঠন কৰা একাধিক ব্যক্তিৰ দল এটাই কোম্পানী আইনৰ অধীমত সংযুক্ত ষ্টক কোম্পানী (Joint Stock Company) একোটা খুলিব পাৰে। আনহাতে, অংশীদাৰী কোম্পানী (Partnership Firm) হ'ল দুগৰাকী অথবা ততোধিক ব্যক্তিৰ মালিকীস্বত্ব থকা তথা তেনেদৰে পৰিচালিত ব্যৱসায় প্রতিষ্ঠান। তলত দুয়োধৰণৰ কোম্পানীৰ মাজত থকা প্রধান পার্থক্যবোৰ উল্লেখ কৰা হ'ল।

ক্রমিক নং	কার্য বিৱৰণ	সংযুক্ত ষ্টক কোম্পানী	অংশীদাৰী কোম্পানী
১	ন্যূনতম সদস্যৰ সংখ্যা	ব্যক্তিগত কোম্পানীৰ বাবে ২ আৰু ৰাজহুৱা কোম্পানীৰ বাবে ৭ গৰাকী সদস্য	ন্যূনতম ২ গৰাকী
২	সর্বাধিক সদস্য সংখ্যা	ব্যক্তিগত কোম্পানীৰ বাবে ৫০ গৰাকী, ৰাজহুৱা কোম্পানীৰ বাবে কোনো ধৰাবন্ধা সীমা নাই	সাধাৰণ ব্যৱসায়ৰ বাবে ২০ আৰু বেংকিং ব্যৱসায়ৰ বাবে ১০ গৰাকী
৩	পঞ্জীয়ন	বাধ্যতামূলক	বাধ্যতামূলক নহয়
৪	পৃথক আইনী স্থিতি	সংযুক্ত ষ্টক কোম্পানীক আইনৰ দ্বাৰা সৃষ্ট কৃত্রিম ব্যক্তি বুলি ধৰা হয়। সেয়েহে ইয়াৰ পৃথক বিধিগত সত্বা থাকে	অংশীদাৰী কোম্পানী আৰু অংশীদাৰ একেই বাবে কোনো পৃথক বিধিগত সত্বাৰ প্রয়োজন নাথাকে
৫	বিধান	কোম্পানী আইন,১৯৫৬ৰ অধীনত নিয়ন্ত্রিত	অংশীদাৰত্ব আইন,১৯৩২ৰ অধীনত নিয়ন্ত্রিত
৬	মূলধন	বিপুল পৰিমাণৰ মূলধন সংগ্রহ কৰিব পাৰে	বিপুল পৰিমাণৰ মূলধন সংগ্রহ কৰিব নোৱাৰে
৭	দেয়	প্রতিগৰাকী শ্বেয়াৰহোল্ডাৰৰ দেয় সীমাৱদ্ধ	প্রতিগৰাকী শ্বেয়াৰহোল্ডাৰৰ দেয় অসীম
৮	শ্বেয়াৰ হস্তান্তৰ	বাধাহীনভাৱে শ্বেয়াৰ হস্তান্তৰ কৰিব পাৰি	আটাইবোৰ অংশীদাৰৰ সন্মতি নাথাকিলে শ্বেয়াৰ হস্তান্তৰ কৰাটো সম্ভৱ নহয়
৯	ব্যৱস্থাপনা	নির্বাচিত নির্দেশকে ব্যৱস্থাপনাৰ দিশটো চোৱা-চিতা কৰে	অংশীদাৰসকলে মিলি ব্যৱস্থাপনা পৰিচালনা কৰে
১০	আয়-ব্যয় পৰীক্ষা	বাধ্যতামূলক	বাধ্যতামূলক নহয়
১১	চিৰস্থায়ী উত্তৰাধিকাৰ	অবিৰতভাৱে অস্তিত্ব বর্তি থাকে	অস্তিত্ব অবিৰত প্রকৃতিৰ নহয়

৮.৯ বিভিন্ন ব্যৱসায়িক সংগঠনৰ উপযোগিতা (SUITABILITY OF DIFFERENT BUSINESS ORGANISATIONS)

এটা বিশেষ আৰ্হিৰ সংগঠন নিৰ্বাচন কৰোতে বিবেচনাত ল'বলগীয়া কাৰকসমূহৰ বিষয়ে ইতিমধ্যে আলোচনা কৰা হৈছে। বিভিন্ন সংগঠনৰ উপযুক্ততাৰ কাৰকসমূহৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

এজনীয়া মালিকীস্বত্ব (Sole Trade Business) ঃ নিম্নলিখিত চৰ্তত এই আৰ্হিৰ সংগঠন উপযুক্ত হয়—

(ক) ব্যৱসায়টো সৰু হ'লে।

(খ) সীমিত পৰিমাণৰ বিত্তৰ প্ৰয়োজন হ'লে।

(গ) ব্যৱসায়ৰ কাম-কাজসমূহৰ গোপনীয়তা ৰক্ষা কৰিবলৈ বিচাৰিলে।

(ঘ) পৰিচালনাৰ প্ৰয়োজনসমূহ সীমিত হ'লে।

(ঙ) কাৰ্যক্ষেত্ৰৰ ক্ষেত্ৰফল তথা পৰিসৰ সীমিত হ'লে।

অংশীদাৰী ব্যৱসায় (Partnership Firm) ঃ

(ক) যেতিয়া কামকাজৰ পৰিসৰ অতি বেছি আৰু অতি কম নহৈ মধ্যম ধৰণৰ হ'লে।

(খ) পুঁজিৰ প্ৰয়োজনৰ পৰিমাণ অধিক হ'লে।

(গ) দেনাসমূহ আনৰ লগত ভাগ কৰিব বিচাৰিলে।

(ঘ) পৰিচালনাৰ প্ৰয়োজনসমূহ অধিক হ'লে।

(ঙ) ব্যৱসায়ৰ কামকাজৰ নিৰাপত্তা গুৰুত্বপূৰ্ণ হ'লে।

যৌথ কাৰবাৰৰ কোম্পানী (Joint stock company) ঃ

(ক) যেতিয়া কাম-কাজৰ পৰিসৰ অতি বৃহৎ হয়।

(খ) সদস্যসকলৰ দেনা সীমিত কৰিব লাগিলে।

(গ) বিত্ত প্ৰয়োজনৰ পৰিমাণ বহুত বেছি হ'লে।

(ঘ) মালিকীস্বত্ব আৰু পৰিচালনাৰ পৃথিকীকৰণ আৱশ্যক হ'লে।

(ঙ) সম্ভাব্য বিপদৰ আশংকা (risk) বেছি হ'লে।

সমবায় সংগঠন (Co-operative Organisation) ঃ

(ক) লাভ অৰ্জন কৰাতকৈ সদস্যসকলক সেৱা প্ৰদানৰ প্ৰতি বেছি গুৰুত্ব দিলে।

(খ) উৎপাদনকাৰী আৰু গ্ৰাহকৰ মাজত থকা মধ্যস্থকাৰী ব্যক্তি পৰিহাৰ কৰিবলৈ বিচাৰিলে।

(গ) সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ কল্যাণ আৰু আৰ্থিক উন্নতি কৰিবলৈ বিচাৰিলে।

ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান (Public Enterprise) ঃ

(ক) প্ৰতিৰক্ষা, শক্তি আদি কৌশলী ক্ষেত্ৰৰ (strategic field) লগত জড়িত হ'লে।

(খ) বিনিয়োগৰ পৰিমাণ অতি বেছি হ'লে।

(গ) ব্যক্তিগত খণ্ড আগবাঢ়ি নাহিলে।

(ঘ) যেতিয়া ব্যক্তিগত খণ্ডৰ একচেতীয়া সুবিধা পৰিহাৰ কৰিব বিচৰা হয়।

(ঙ) লাভ সর্বাধিক কৰাৰ পৰিবর্তে সমাজক সেৱা আগবঢ়োৱাটো মুখ্য উদ্দেশ্য হয়।

(চ) যেতিয়া ৰাস্তাঘাট, ৰে'লপথ, যোগাযোগ, বেংকিং, বীমা আদি বুনিয়াদি বিষয়ক (Infrastructural) সা-সুবিধাৰ জৰিয়তে শিল্পখণ্ডৰ উন্নতি সাধন কৰিবলৈ বিচৰা হয় তেতিয়া ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠান অপৰিহার্য হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ তলৰ উক্তিসমূহ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

১) সমবায় সংগঠনসমূহ লাভ উপার্জন কৰাৰ উদ্দেশ্যে গঠন কৰা হয়।

২) যৌথ কাৰবাৰ কোম্পানীৰ ক্ষেত্রত, অংশধাৰকসকলৰ দেনা সীমিত।

৩) ৰাজহুৱা প্রতিষ্ঠানত ব্যক্তিগত খণ্ডই সর্বাধিক বিনিয়োগ কৰে।

৪) ব্যৱসায়ৰ কাম-কাজৰ পৰিসৰ সৰু হ'লে যৌথ কাৰবাৰ কোম্পানীৰ আৰ্হি উপযুক্ত হয়।



৮.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়ত আমি নিম্নলিখিত দিশসমূহ আলোচনা কৰিলো—

- কোম্পানী হৈছে উমৈহতীয়া কার্য সম্পাদনৰ বাবে গঠন কৰা এক স্বেচ্ছাধীন সংঘ, যাৰ মূলধন বিভাজিত ৰূপত সংগ্রহ কৰা হয় আৰু প্রতিটোকে অংশ হিচাপে জনা যায়।
- কোম্পানী হৈছে কৃত্রিম বৃত্তি। ইয়াৰ জীৱনকাল স্থিৰস্থায়ী। ইয়াৰ উমৈহতীয়া ছীল-মোহৰ থাকে।
- যৌথ কাৰবাৰ কোম্পানীৰ বৈশিষ্ট্যসমূহ যেনে— সীমিত দেনা, গণতান্ত্রিক পৰিচালনা, উমৈহতীয়া ছীল-মোহৰ ইত্যাদি।
- কোম্পানীসমূহ নিবন্ধন, দেনা আৰু মালিকীস্বত্বৰ ভিত্তিত বিভক্ত কৰিব পাৰি।
- যৌথ কাৰবাৰ কোম্পানীৰ সুবিধাসমূহ হ'ল— স্থায়ী অস্তিত্ব, সীমিত দেনা, বৃহৎ পৰিমাণৰ মূলধনৰ প্রাচুর্যতা আদি।
- যৌথ কাৰবাৰ কোম্পানীৰ অসুবিধাসমূহ হ'ল— অত্যাধিক আইনী আনুষ্ঠানিকতা, গোপনীয়তাৰ অভাৱ ইত্যাদি।
- বিভিন্ন ব্যৱসায় সংগঠনৰ উপযোগিতা।



৮.১০ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.

2) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.

3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.

4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



৮.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ আইনৰ দ্বাৰা সৃষ্ট কৃত্ৰিম ব্যক্তি, সীমিত দেনা, চিৰন্তন অনুক্ৰম (স্থায়ী জীৱনকাল), গণতান্ত্ৰিক পৰিচালনা, উমৈহতীয়া ছীল-মোহৰ।

২ নং প্ৰশ্নৰ উত্তৰঃ স্থায়ী অস্তিত্ব, সীমিত দেনা, পৰ্যাপ্ত পৰিমাণৰ মূলধন, অংশৰ হস্তান্তৰযোগ্যতা, বৃহৎ পৰিসৰৰ মিতব্যয়িতা, কৰ ৰেহাই, সম্ভাব্য ক্ষয়-ক্ষতিৰ তথা বিপদৰ সুবিস্তৃতি।

৩ নং প্ৰশ্নৰ উত্তৰঃ (১) অশুদ্ধ (২) শুদ্ধ (৩) অশুদ্ধ (৪) অশুদ্ধ



৮.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ ব্যক্তিগত আৰু ৰাজহুৱা কোম্পানীৰ নিম্নতম আৰু সৰ্বাধিক সদস্যৰ সংখ্যা উল্লেখ কৰক।

প্ৰশ্ন ২ঃ মলিকীস্বত্বৰ ভিত্তিত বিভিন্ন প্ৰকাৰৰ কোম্পানীৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ ব্যক্তিগত কোম্পানীৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৪ঃ ৰাজহুৱা কোম্পানী কি?

প্ৰশ্ন ৫ঃ দেনাৰ ভিত্তিত কোম্পানীসমূহ শ্ৰেণীবিভাগ কৰক।

প্ৰশ্ন ৬ঃ ব্যক্তিগত কোম্পানীৰ তিনিটা বিশেষ বৈশিষ্ট্য কি কি?

প্ৰশ্ন ৭ঃ কৃত্ৰিম ব্যক্তি হিচাপে এটা যৌথ কাৰবাৰ কোম্পানীৰ অৱস্থিতি বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ বহুজাতিক নিগম

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ বহুজাতিক নিগমৰ ধাৰণা
৯.৪ বহুজাতিক নিগমৰ গঠন
৯.৫ বহুজাতিক নিগমৰ প্রকাৰ
৯.৬ বহুজাতিক নিগমৰ উদ্দেশ্য
৯.৭ বহুজাতিক নিগমৰ বৈশিষ্ট্য
৯.৮ বহুজাতিক কোম্পানীৰ উত্থানৰ কাৰণ
৯.৯ বহুজাতিক নিগমৰ সমর্থনত আগবঢ়োৱা যুক্তিসমূহ
৯.১০ বহুজাতিক নিগমৰ বিপক্ষে অভিযোগ
৯.১১ ভাৰতবর্ষত বহুজাতিক নিগম
৯.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.১৩ অধিক জানিবলৈ
৯.১৪ অগ্রগতিৰ খতিয়ান
৯.১৫ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বহুজাতিক নিগমৰ অর্থ আৰু ধাৰণাৰ বিষয়ে জানিব পাৰিব
- বহুজাতিক নিগমসমূহৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- বহুজাতিক নিগমসমূহৰ উত্থানৰ কাৰণসমূহ জানিব পাৰিব
- বহুজাতিক নিগমৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিসমূহ জানিব পাৰিব।

৯.২ পৰিচয়

আপোনালোকে নিশ্চয় মন কৰিছে যে ভাৰতবর্ষত বিভিন্ন কোম্পানী যেনে— Philips, Siemens, Hyundai, LG, Ford, Nestle, Coca Cola, Sony, McDonald's, City Bank, Good Air ইত্যাদিয়ে ব্যৱসায় কৰি আহিছে। এই কোম্পানীসমূহে অকল ভাৰতবর্ষতে যে ব্যৱসায় কৰিছে তেনে নহয়। পৃথিৱীৰ বিভিন্ন প্রান্তলৈ গ'লে আপুনি এই কোম্পানীসমূহ বা ইয়াৰ উৎপাদিত সামগ্রীবোৰ দেখা পাব। তেনে কোম্পানীসমূহকে বহুদেশীয় বা বহুজাতিক

নিগম বোলা হয়। বহুজাতিক নিগমসমূহে অধ্যয়নৰ এক বিষয় হিচাপে ব্যৱসায়িক প্ৰতিষ্ঠান, কোম্পানী, অনুষ্ঠান আনকি বিভিন্ন দেশৰো গুৰুত্ব লাভ কৰিছে। এই অধ্যায়টিত আমি বহুজাতিক নিগমৰ বৈশিষ্ট্যৰ লগতে ইয়াৰ বিভিন্ন সুবিধা-অসুবিধাসমূহ আৰু অন্যান্য দিশসমূহ আলোচনা কৰিম।

৯.৩ বহুজাতিক নিগমৰ ধাৰণা (CONCEPT OF MULTINATIONAL CORPORATIONS)

বহুজাতিক নিগমসমূহ ঃ

বহুজাতিক নিগমসমূহক বিভিন্ন নাম যেনে —Transnational Corporations, Super National Enterprises, Global Companies, Cosmocorps ইত্যাদিৰূপেও জনা যায়।

প্ৰফেছাৰ জন্ এইডচ্ ডানিঙৰ মত অনুসৰি, 'বহুজাতিক উদ্যোগবোৰ হ'ল সেইবোৰ উদ্যোগ যিবোৰে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ অৰ্জন কৰাত জড়িত হয়। অৰ্থাৎ যিয়ে এখনতকৈ অধিক দেশত আয় সংগ্ৰহ কৰে, সম্পত্তি অধিকাৰ অথবা নিয়ন্ত্ৰণ কৰে আৰু এই কাৰ্য সম্পাদন কৰোঁতে মূল দেশৰ উপৰিও অন্য দেশত পণ্য তথা সেৱাৰ উৎপাদনত বা চমুকৈ আন্তৰ্জাতিক উৎপাদনৰ লগত জড়িত হয়।'

আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংগঠনৰ মতে 'বহুজাতিক নিগমৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো হ'ল যে ইয়াৰ প্ৰশাসনিক মুখ্য কাৰ্যালয় এখন দেশত অৱস্থিত আৰু অন্যহাতে এনে নিগমে বিভিন্ন দেশত ইয়াৰ কাম-কাজ চলাই যায়। সাধাৰণ অৰ্থত বহুজাতিক নিগম হ'ল সেই সমূহ নিগম যিবোৰৰ মুখ্য কাৰ্যালয় এখন দেশত অৱস্থিত, যাক ঘৰুৱা দেশ বুলি কোৱা হয়। অন্যহাতে এই নিগমসমূহে বিশ্বৰ বিভিন্ন দেশত কাম-কাজ পৰিচালনা কৰে যিবোৰক পৃষ্ঠপোষক দেশ বোলা হয়।

আজিকালি, আন্তৰ্জাতিক অৰ্থনৈতিক কাৰ্য্য ক্ষেত্ৰত এই বহুজাতিক নিগমসমূহ এক গুৰুত্বপূৰ্ণ অনুষ্ঠান। বহুজাতিক নিগমৰ ক্ষেত্ৰত সাধাৰণতে চাৰি প্ৰকাৰৰ অংশগ্ৰহণকাৰী থাকে, যেনে— প্ৰথমে বহুজাতিক নিগমসমূহ, দ্বিতীয়তে স্বাগতিক দেশ (Host country), তাৰ পিছত গৃহ দেশ (Home country) আৰু শেষত আন্তৰ্জাতিক পৰিৱেশ।

৯.৪ বহুজাতিক নিগমৰ গঠন (STRUCTURE OF MNC)

বহুজাতিক নিগমসমূহৰ তলত দিয়া ধৰণৰ তিনিটা গঠন দেখা যায়—

১) **পথালিকৈ সংহত বহুজাতিক নিগম ঃ** এনেধৰণৰ নিগমসমূহে একেধৰণৰ সামগ্ৰী প্ৰস্তুত কৰিবলৈ বিভিন্ন দেশত কাৰখানা স্থাপন কৰে। উদাহৰণস্বৰূপে Dominos, McDonald's.

২) **উলম্বভাৱে সংহত বহুজাতিক কোম্পানী ঃ** এনে ধৰণৰ নিগমসমূহে এখন বা বহুতো

দেশত থকা কাৰখানাত কেঁচামাল যোগান ধৰিবলৈ আন দেশত উৎপাদন কেন্দ্ৰ স্থাপন কৰে।

৩) **বহুমুখী বহুজাতিক নিগম ঃ** বহুমুখী বহুজাতিক নিগমসমূহে বিভিন্ন দেশত উৎপাদন কেন্দ্ৰ চলায়, যিবোৰ পথালিকৈ সংহতও নহয় বা উলম্বভাৱে সংহতও নহয়।

৯.৫ বহুজাতিক নিগমৰ প্ৰকাৰ (TYPES OF MNC)

কাৰ্যৰ ভিত্তিত বহুজাতিক নিগমসমূহক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—

গোষ্ঠীকেন্দ্ৰীক ঃ এই ধৰণৰ বহুজাতিক নিগমৰ ঘৰুৱা দেশৰপ্ৰতি যথেষ্ঠ আনুগত্য থাকে। এনে নিগমসমূহে ঘৰুৱা দেশৰ ব্যক্তিসকলক বেছি দক্ষ বুলি বিবেচনা কৰে আৰু উচ্চ পদবীবোৰত দেশীয় মানুহ নিযুক্তি কৰে।

বহুকেন্দ্ৰীক ঃ এই ধৰণৰ বহুজাতিক নিগমসমূহে পৃষ্ঠপোষক দেশসমূহৰ প্ৰতি যথেষ্ঠ আনুগত্য দেখুৱাই। এনে কোম্পানীসমূহে ঘৰুৱা দেশৰ পৰা খুব কম সংখ্যক লোকক নিয়োগ কৰে আৰু বাকী কৰ্মচাৰীসকলক পৃষ্ঠপোষক দেশৰ পৰা নিয়োগ কৰে।

ভূ-কেন্দ্ৰীক ঃ এনেধৰণৰ বহুজাতিক কোম্পানীসমূহে ঘৰুৱা দেশক কোনো পক্ষপাতিত্ব নকৰাকৈ কোম্পানীটোৰ সমগ্ৰ পৃথিৱীত চলি থকা কাম-কাজক ঐক্যবদ্ধ কৰিবলৈ চেষ্টা চলায়। এনে নিগমসমূহে সমগ্ৰ পৃথিৱীৰ ব্যৱসায়ৰ কথা আগত ৰাখি সিদ্ধান্তসমূহ গ্ৰহণ কৰে। বিভিন্ন দেশৰ পৰা দক্ষ কৰ্মীসকলক নিয়োগ কৰে।

৯.৬ বহুজাতিক নিগমৰ উদ্দেশ্য (OBJECTIVES OF MNC)

বহুজাতিক নিগমসমূহৰ উদ্দেশ্যবিলাক তলত দিয়া ধৰণৰ—

- নিগমৰ ব্যৱসায়িক কাম-কাজ ঘৰুৱা দেশৰ বাহিৰলৈ সম্প্ৰসাৰিত কৰি বৃহৎ পৰিমাণৰ মুনাফা অৰ্জন কৰা।
- যিবোৰ দেশত উৎপাদন খৰচ কম তেনে দেশসমূহত সামগ্ৰী উৎপাদন কৰা।
- স্থানীয় বজাৰত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত দক্ষতাৰ বিকাশ কৰা আৰু পিছলৈ সামগ্ৰী ৰপ্তানি কৰা।
- আন্তঃৰাষ্ট্ৰীয় প্ৰতিচ্ছবি গঢ়ি তোলা।
- আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰা।
- প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ লাভ আদায় কৰা।

৯.৭ বহুজাতিক নিগমৰ বৈশিষ্ট্য (CHARACTERISTICS OF MNC)

বহুজাতিক নিগমসমূহৰ কিছুমান বৈশিষ্ট্য তলত আলোচনা কৰা হ'ল—

(১) **বৃহৎ আকৃতি ঃ** বহুজাতিক নিগমসমূহৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল এইবিলাকৰ বৃহৎ আকৃতি। এই বহুজাতিক নিগমসমূহে বৃহৎ পৰিমাণৰ সম্পত্তি আৰু বিক্রীৰ লগত জড়িত হৈ বহু নিযুত টকাৰ মুনাফা সৃষ্টি কৰে। এটি সংজ্ঞা অনুসৰি এটা বহুজাতিক নিগম হ'ল এনে এটা প্রতিষ্ঠান যাৰ বিক্রী ফিৰৎ অতিকমেও ১০ কোটি টকা হয়। এই বহুজাতিক নিগমসমূহে সাধাৰণতে অতি শক্তিশালী প্রতিষ্ঠান হিচাপে নিজকে প্রতিপন্ন কৰে। ১৯৭১ চনত, পৃথিৱীৰ ৯০টা সর্বোচ্চ সম্পদ উৎপাদনকাৰীৰ ভিতৰত ২৯টাই আছিল বহুজাতিক নিগম। ব্যৱসায়ৰ বাহিৰেও বহুজাতিক নিগমসমূহে একে সময়তে বিভিন্ন দেশলৈ নিজৰ আকাৰো সম্প্রসাৰণ কৰে।

(২) **আন্তর্জাতিক কার্য ঃ** বহুজাতিক নিগমৰ এটা মৌলিক বৈশিষ্ট্য হ'ল ইয়াৰ নিয়ন্ত্রণ এটা মাত্র কোম্পানীৰ হাতত ন্যস্ত থাকে, কিন্তু ইয়াৰ কার্য তথা স্বার্থই দেশীয় সীমা অতিক্রম কৰে। উদাহৰণ স্বৰূপে, আমেৰিকাস্থিত পেপ্চি কোলা কোম্পানী একেসময়তে ১১৪খন দেশত কার্য সম্পাদন কৰি আছে। এনেধৰণৰ বহুজাতিক নিগম এটাই গৃহ দেশত অৱস্থিত এটা মূল কোম্পানীৰ দ্বাৰা কার্য সম্পাদন কৰে। মূল কোম্পানীটোৱে হয়তো স্বাগতিক দেশত এটা সহকাৰী বা শাখা গঠন কৰিব পাৰে। যদি শাখা গঠন কৰে, তেন্তে কোনো স্থানীয় মূলধন অথবা পৰিচালন সহকাৰী অবিহনে মূল কোম্পানীৰ হৈ শাখাটোৱে কার্য সম্পাদন কৰে। আনহাতে, যদি বহুজাতিক নিগম এটাই সহকাৰী কোম্পানী গঠন কৰে, (যদিও স্বাগতিক দেশত ইয়াৰ পঞ্জীয়ন হয়) ইয়াৰ অধিকতৰ নিয়ন্ত্রণ মূল বিদেশী কোম্পানীৰ হাতত ন্যস্ত থাকে। এনেধৰণৰ কোম্পানী সাধাৰণতে ৫১ শতাংশৰ পৰা ১০০ শতাংশ পর্যন্ত বৈদেশিক নিয়ন্ত্রণৰ অধীনত থকা দেখা যায়। গতিকে, এই ক্ষেত্রত ক'ব পাৰি যে বহুজাতিক কোম্পানীৰ মালিকীস্বত্ব নিয়ন্ত্রণৰ লগত সংযুক্ত।

(৩) **বজাৰত স্বল্পবিক্রেতাৰ প্রাধান্য ঃ** বহুজাতিক নিগমবোৰ অধিকতৰ সময় একত্রীকৰণ আৰু অধিগ্রহণ আদি প্রক্রিয়াৰ লগত জড়িত হৈ থাকে। এইদৰে এই নিগমসমূহে ভালেখিনি শক্তি আহৰণ কৰে। নিগমসমূহৰ বৃহৎ আকাৰৰ লগত সংযুক্ত হৈ এই শক্তিয়ে নিগমবোৰক অপ্রতিদ্বন্দ্বী কৰি গঢ়ি তোলে। গতিকে এইদৰে ই বৃহৎ পৰিমাণৰ মুনাফা অর্জন কৰিবলৈ সক্ষম হয়। অৱশ্যে, এই অল্প প্রতিদ্বন্দ্বী কাঠামোৰ বাবে বহুজাতিক নিগমসমূহ বহু সময়ত কিছু পাতকী কার্যৰ লগত জড়িত হৈ পৰা বুলি অভিযোগ শুনা যায়।

(৪) **উচ্চ প্রযুক্তিৰ প্রয়োগ ঃ** বহুজাতিক নিগমসমূহে গৱেষণা আৰু উন্নয়নৰ নামত প্রচুৰ ধন বিনিয়োগ কৰে। উচ্চ প্রযুক্তিৰ ব্যৱহাৰত তেওঁলোকে যথেষ্ট গুৰুত্ব আৰোপ কৰে। উন্নয়নশীল দেশসমূহত থকা শাখা বা অন্যান্য কোম্পানীৰ জৰিয়তে এই প্রযুক্তিৰ বিকাশ ঘটে।

(৫) **উচ্চমানৰ দক্ষতাসম্পন্ন ঃ** বহুজাতিক নিগমসমূহ তেওঁলোকৰ কার্য্যাৱলী পৰিচালনাৰ যথেষ্ট দক্ষ হয়। ব্যৱস্থাপনাৰ নিত্য নতুন কৌশলসমূহ প্রয়োগ কৰি, সময়ত আৰু কম সম্পদেৰে বহুজাতিক নিগমসমূহে অধিক বিক্রী কৰিব পাৰে।

(৬) **গুণ সচেতনতা ঃ** বহুজাতিক নিগমসমূহৰ কৰ্মপদ্ধতিত আৰু উৎপাদিত সামগ্ৰীসমূহত গুণতাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়ে। তাৰ ফলত সাধাৰণতে উৎপাদিত সামগ্ৰীসমূহ উচ্চ মানবিশিষ্ট হয়।

৯.৮ বহুজাতিক কোম্পানীৰ উত্থানৰ কাৰণ (REASONS FOR GROWTH OF MNC)

বৃহৎ বিত্তীয় সম্পদ, শেহতীয়া প্ৰযুক্তিবিদ্যা, বৰ্ধিত আৰু বিশ্বজোৰা কাম-কাজেৰে বহুজাতিক কোম্পানীসমূহে সমগ্ৰ বিশ্বতে বিশেষকৈ উন্নয়নশীল দেশসমূহত তেওঁলোকে বজাৰ বিস্তাৰ কৰিছে। বহুজাতিক নিগমৰ বিস্তাৰৰ কাৰণসমূহ তলত দিয়া ধৰণৰ—

(ক) বহুজাতিক নিগমসমূহে তেওঁলোকৰ বজাৰ আৰু উৎপাদন কেন্দ্ৰসমূহ ভৌগলিক সীমাৰ পৰিধি ভাঙি বিভিন্ন দেশলৈ বিস্তাৰ কৰে। বহুজাতিক নিগমে উৎপাদন কৰা সামগ্ৰীসমূহ উন্নয়নশীল আৰু অনুন্নত দেশসমূহৰ অৰ্থনৈতিক অগ্ৰগতিৰ কাৰণে তেনে দেশসমূহত এক বৃহৎ বজাৰ দখল কৰিছে। বজাৰৰ এনে সম্প্ৰসাৰণৰ বাবে বহুজাতিক নিগমসমূহ বিস্তাৰ হৈ গৈ আছে।

(খ) বিশ্বব্যাপি থকা বৃহৎ পৰিব্যষ্টনি বজাৰত থকা সুনাম, ফলপ্ৰসূ বজাৰকৰণ আৰু উন্নত পণ্যগাৰৰ সুবিধা বহুজাতিক নিগমসমূহে ভোগ কৰিব পাৰে।

(গ) বহুজাতিক নিগমসমূহে উন্নয়নশীল দেশসমূহে ব্যৱহাৰ কৰা প্ৰযুক্তিবিদ্যাতকৈ বহুত উন্নত। প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ ফলত বহুজাতিক নিগমে উৎপাদন কৰা সামগ্ৰীসমূহৰ মানদণ্ড উন্নত মানৰ হয়।

(ঘ) বহুজাতিক কোম্পানীসমূহে বিভিন্ন প্ৰকাৰৰ গ্ৰাহকৰ প্ৰয়োজন পুৰাব পৰাকৈ সামগ্ৰী তৈয়াৰ কৰিবলৈ অবিৰতভাৱে গৱেষণা কৰি থাকে।

(ঙ) বৃহৎ পুঁজি মজুত থকা বাবে বহুজাতিক নিগমসমূহে বৃহৎ বৃহৎ কামসমূহ অনায়সে কৰিব পাৰে। বৃহৎ পুঁজিৰ উপস্থিতিৰে এনে নিগমসমূহে ব্যৱসায়িক পৰিস্থিত নিজৰ উপকাৰৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

এনেবোৰ কাৰণে বহুজাতিক নিগমসমূহৰ সফলতাৰ উপাদান বুলি আমি বিবেচনা কৰিব পাৰোঁ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ বহুজাতিক নিগমৰ সংজ্ঞা দিয়ক।

.....

.....

প্ৰশ্ন নং ২ঃ বহুজাতিক নিগমৰ তিনিটা বৈশিষ্ট্য লিখক।

.....

.....

৯.৯ বহুজাতিক নিগমৰ সমর্থনত আগবঢ়োৱা যুক্তিসমূহ (ARGUMENTS IN FAVOUR OF MNC)

বহুজাতিক নিগমসমূহে পৃষ্ঠপোষক দেশলৈ তলত দিয়া সুবিধাসমূহ কঢ়িয়াই আনে—

১) বহুজাতিক নিগমৰ কার্য-কলাপৰ বাবে পৃষ্ঠপোষক দেশৰ বিনিয়োগ, নিয়োগ তথা আয়ৰ পৰিমাণ বৃদ্ধি হয়।

২) বহুজাতিক নিগমসমূহে উন্নত দেশসমূহৰ অত্যাধুনিক যন্ত্র-পাতিৰ লগতে সুক্ষ্ম প্রযুক্তিবিদ্যা উন্নয়নশীল দেশসমূহলৈ লৈ আহে। তেনে প্রযুক্তিবিদ্যা পৃষ্ঠপোষক দেশৰ উৎপাদনশীলতা বঢ়োৱাৰ বাবে প্রয়োজনীয়।

৩) বহুজাতিক নিগমসমূহে পৃষ্ঠপোষক দেশসমূহলৈ উদ্যমিতা শৈলী, পৰিচালনা কৌশল আৰু অভিজ্ঞতা, উন্নত কর্ম পদ্ধতি লৈ আহে আৰু দেশখনৰ মানব সম্পদৰ উন্নয়ন সাধন কৰে।

৪) বহুজাতিক নিগমসমূহৰ কার্যকলাপৰ বাবে পৃষ্ঠপোষক দেশসমূহত ঘৰুৱা ব্যৱসায়ৰ মাত্রা আৰু ব্যৱসায়ীৰ সংখ্যা বৃদ্ধি হয়।

৫) বহুজাতিক নিগমসমূহে ঘৰুৱা কোম্পানীসমূহৰ মাজত প্রতিযোগিতাৰ সৃষ্টি কৰে। যিয়ে কোম্পানীসমূহৰ কার্যদক্ষতা বৃদ্ধি কৰে।

৬) বহুজাতিক নিগমৰ কাম-কাজৰ বাবে পৃষ্ঠপোষক দেশৰ আমদানিৰ পৰিমাণ কমিব পাৰে আৰু ৰপ্তানিৰ পৰিমাণ বৃদ্ধি পাব পাৰে। যাৰ ফলত দেশখনৰ বিদেশী মুদ্রাৰ ভাণ্ডাৰ টনকীয়াল হয়।

৭) বহুজাতিক নিগমৰ কাম-কাজৰ বাবে দেশ এখনত অর্থনৈতিক আৰু উদ্যোগীক উন্নয়ন ক্ষীপ্র হয়।

৮) ৰাজহ আৰু কৰ আদায় দি বহুজাতিক নিগমসমূহে পৃষ্ঠপোষক দেশৰ ৰাজকোষ টনকীয়াল কৰে।

৯) বহুজাতিক নিগমসমূহে পৃষ্ঠপোষক দেশৰ নাগৰিকসকলৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হোৱাত সহায় কৰে।

১০) বহুজাতিক নিগমসমূহে উচ্চ লভ্যাংশ প্রদান কৰি বিনিয়োগকাৰীসকলক অধিক বিনিয়োগ কৰিবলৈ উৎসাহিত কৰে।

বহুজাতিক কোম্পানীয়ে ঘৰুৱা দেশসমূহলৈ তলত দিয়া সুবিধাসমূহ কঢ়িয়াই আনে—

১) দেশ এখনৰ (ঘৰুৱা দেশ) উৎপাদন কৰা সামগ্রীসমূহ বহুজাতিক নিগম এটাই বিভিন্ন দেশৰ বজাৰত বিক্রী কৰে।

২) বহুজাতিক নিগমসমূহে ঘৰুৱা দেশৰ লোকসকলৰ বাবে নিজ দেশৰ লগতে অন্য দেশতো নিয়োগৰ ব্যৱস্থা কৰে।

৩) বহুজাতিক নিগমসমূহৰ বাবে দেশখনৰ ঔদ্যোগিক ক্ষেত্রখনৰ গুৰুত্ব বৃদ্ধি পায়।

৪) বহুজাতিক নিগমসমূহে পৃষ্ঠপোষক দেশসমূহৰ পৰা ঘৰুৱা দেশসমূহলৈ মুনাফা বা স্বত্বকৰ হিচাপে বৃহৎ পৰিমাণৰ ধনৰ লেনদেন কৰে যাৰ ফলত ঘৰুৱা দেশখনৰ Balance of payment ৰ অৱস্থাৰ যথেষ্ট উন্নতি হয়।

৫) বহুজাতিক নিগমসমূহে ঘৰুৱা দেশসমূহৰ লগত বিদেশৰ সংস্কৃতিৰ যোগসূত্ৰ স্থাপন কৰে।

৯.১০ বহুজাতিক নিগমৰ বিপক্ষে আগবঢ়োৱা যুক্তিসমূহ (ARGUMENTS AGAINST MNC)

যদিও বহুজাতিক নিগমসমূহে বিভিন্ন সুবিধা আগবঢ়ায়, এইবোৰৰ বিৰুদ্ধে বিভিন্ন অভিযোগো আছে। সেইবোৰ তলত দিয়া ধৰণৰ—

পৃষ্ঠপোষক দেশত বহুজাতিক নিগমে তলত দিয়া অসুবিধাসমূহৰ সৃষ্টি কৰে—

১) বহুজাতিক নিগমসমূহে ঘৰুৱা দেশৰ অপ্রচলিত প্রযুক্তি পৃষ্ঠপোষক দেশত পুনৰ স্থাপন কৰে।

২) বহুজাতিক কোম্পানীসমূহে শ্রমিকৰ অত্যাধিক যোগান থকা দেশসমূহত অত্যাধুনিক প্রযুক্তিবিদ্যাৰ প্রচলন ঘটায়। যাৰ ফলত নিয়োগ হ্রাস হয়। নিবনুৱা সমস্যা অধিক গভীৰ হয়।

৩) বহুজাতিক নিগমসমূহ ইমান শক্তিশালী যে বহুক্ষেত্রত এনে নিগমসমূহে পৃষ্ঠপোষক দেশৰ সার্বভৌমত্বলৈ শংকা কঢ়িয়াই আনে। সার্বভৌম দেশ এখন বহুজাতিক কোম্পানীৰ বহতীয়া হোৱা বুলি অভিযোগ শুনা যায় (ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত স্থাপন কৰা ২০০ বছৰীয়া উপনিৱেশৰ কথাও আমি মনত পেলাব পাৰো)।

৪) বহুজাতিক নিগমসমূহে পৃষ্ঠপোষক দেশৰ বজাৰত একচেতীয়া অধিকাৰ স্থাপন কৰি ঘৰুৱা উদ্যোগীক গাঁথনি ধ্বংস কৰিব পাৰে।

৫) বহুজাতিক নিগমসমূহৰ মূল উদ্দেশ্য হ'ল মুনাফা উপার্জন কৰা। পৃষ্ঠপোষক দেশৰ অর্থনৈতিক উন্নয়ন সাধন কৰাত তেনে নিগমসমূহে গুৰুত্ব নিদিয়ে।

৬) বহুজাতিক নিগমসমূহে প্রত্যক্ষ বা পৰোক্ষভাৱে দেশৰ প্রশাসনিক আৰু ৰাজনৈতিক ব্যৱস্থাত হাত দিয়ে।

৭) অধিক মুনাফা লাভৰ আশাত বহুজাতিক নিগমসমূহে পৃষ্ঠপোষক দেশৰ প্রাকৃতিক সম্পদসমূহৰ অত্যাধিক ব্যৱহাৰ কৰিব পাৰে যাৰ বাবে দেশখনৰ সম্পদৰ অপব্যয় হ'ব পাৰে।

৮) পৃষ্ঠপোষক দেশৰ পৰা এক বৃহৎ পৰিমাণৰ ধন লাভ, লভ্যাংশ তথা ৰাজহৰ ৰূপত বিদেশলৈ ওলাই যায়।

ঘৰুৱা দেশত বহুজাতিক নিগমসমূহে তলত দিয়া অসুবিধাসমূহ সৃষ্টি কৰে—

১) বহুজাতিক নিগমসমূহে ঘৰুৱা দেশৰ মূলধন বিভিন্ন দেশলৈ হস্তান্তৰ কৰে ফলত আমদানি ৰপ্তানিৰ তুলনামূলক ঘাটি (Balance of payment) বৃদ্ধি হ'ব পাৰে।

২) যদিহে বহুজাতিক নিগমসমূহে ভূ-কেন্দ্রীয় পথ (Geocentric way) অনুসৰণ কৰে তেন্তে ই গৃহ দেশৰ মানুহৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি নকৰিবও পাৰে।

৩) যিহেতু বিদেশত বিনিয়োগ কৰাতো অধিক লাভজনক, সেয়েহে বহুজাতিক নিগমসমূহে গৃহ দেশৰ উদ্যোগিক তথা অর্থনৈতিক উন্নতিক অৱহেলা কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ পৃষ্ঠপোষক দেশৰ বাবে বহুজাতিক নিগমসমূহৰ সপক্ষে দুটা যুক্তি দিয়া।

.....

.....

প্রশ্ন নং ৪ঃ গৃহ দেশৰ বাবে বহুজাতিক নিগমসমূহৰ বিৰুদ্ধে দুটা যুক্তি দিয়া।

.....

.....

৯.১১ ভাৰতবর্ষত বহুজাতিক নিগম (MNC IN INDIA)

বহুজাতক নিগমসমূহৰ বাবে ভাৰতবর্ষ এখন যথেষ্ঠ সুবিধাজনক লক্ষ্যস্থান। কেইবা দশকৰ আগতে বিশ্বৰ আগশাৰীৰ বহুজাতিক নিগম যেনে— Microsoft, Nestle, Procter and Gamble, Pepsi co, Sony, Coca-cola ইত্যাদিয়ে ভাৰতবর্ষৰ বজাৰত প্রৱেশ কৰিছে। ভাৰতবর্ষত প্রৱেশ কৰা প্রথমটো বহুজাতিক কোম্পানী আছিল ইষ্ট ইণ্ডিয়া কোম্পানী, যিয়ে পিছলৈ ভাৰতবর্ষ শাসন কৰিছিল। স্বাধীনতাৰ বহুবছৰ পিছলৈ ভাৰতবর্ষই বিদেশী বিনিয়োগৰ ক্ষেত্রত কিছু বাধা প্রয়োগ কৰিছিল। কিন্তু ১৯৯১ চনত লোৱা উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু গোলকীকৰণ নীতিৰ অৱলম্বন কৰাৰ পিছত পৰিস্থিতি যথেষ্ট সলনি হৈছে। ১৯৯১ চনত অর্থনৈতিক নীতিৰ পিছত ভাৰতবর্ষৰ অর্থনীতিলৈ যথেষ্ট পৰিৱর্তন আহিছে আৰু বহুতো বিদেশী কোম্পানীয়ে ভাৰতবর্ষত ব্যৱসায় আৰম্ভ কৰিছে। ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈ ভাৰতবর্ষত সর্বমুঠ ৪১৭০ টা বিদেশী কোম্পানীৰ পঞ্জীয়ন হৈছে। ভাৰতবর্ষলৈ বহুজাতিক নিগমসমূহ অহাৰ বিভিন্ন কাৰণ আছে। তাৰ কিছুমান তলত আলোচনা কৰা হ'ল—

(ক) বৃহৎ বজাৰৰ সম্ভাৱনা ঃ ১.২ বিলিয়ন জনসংখ্যাৰ চীনৰ পিছতে ভাৰতবর্ষ পৃথিৱীৰ দ্বিতীয় বৃহৎ জনসংখ্যাৰ দেশ। কিন্তু এতিয়াও ভাৰতবর্ষৰ এক বৃহৎসংখ্যক মানুহ মৌলিক প্রয়োজন যেনে— বিদ্যুৎ, শিক্ষা, স্বাস্থ্য, গৃহ, পুষ্টি আদিৰ পৰা বঞ্চিত। সেয়েহে ভাৰতীয় অর্থনীতিৰ প্রতিতো ক্ষেত্রতে একোখন বৃহৎ বজাৰৰ সম্ভাৱনা আছে।

(খ) ক্ষীপ্র উন্নয়ন আৰু বর্দ্ধিত ক্রয় ক্ষমতা ঃ ভাৰতবর্ষ পৃথিৱীৰ ভিতৰতে দ্বিতীয় উন্নয়নশীল ৰাষ্ট্র। বর্তমান সময়ত ভাৰতৰ উন্নয়নৰ হাৰ ৭ শতাংশতকৈ বেছি। ভাৰতবর্ষত মধ্যবিত্ত শ্রেণীৰ লোকৰ জনসংখ্যা বঢ়াৰ লগতে তেওঁলোকৰ আয়ৰ পৰিমাণও বৃদ্ধি পাইছে। ২০৪০

চনলৈ ভাৰতবৰ্ষত মধ্যবিত্ত শ্ৰেণীৰ লোকৰ সংখ্যা ৯০% হ'ব বুলি ধাৰণা কৰা হৈছে। ইয়াৰ ফলত ভাৰতবৰ্ষত মৌলিক প্ৰয়োজনীয় সামগ্ৰীৰ লগতে বিলাসী সামগ্ৰীৰ চাহিদাও যথেষ্ট পৰিমাণে বৃদ্ধি পাব, যাৰ বাবে বিশ্বৰ বৃহৎ বৃহৎ কোম্পানীসমূহে ভাৰতবৰ্ষৰ ওপৰত নজৰ দি আছে।

(গ) দক্ষ মানৱ সম্পদ ঃ ১.২ বিলিয়ন জনসংখ্যাৰে ভাৰতবৰ্ষ এখন জনবহুল দেশ। ভাৰতবৰ্ষৰ প্ৰায় ৫০% জনসংখ্যা ২৮ বছৰৰ তলৰ যিটো পৃথিৱীৰ বাবে এক বৃহৎ কৰ্মীৰ বল। ইয়াৰ প্ৰায় সংখ্যক ইংৰাজী ক'ব পৰা, শিক্ষিত আৰু কুশলী হ'ব। ইয়াৰ বাহিৰেও উন্নত দেশসমূহতকৈ ভাৰতবৰ্ষত শ্ৰমিকৰ মজুৰি যথেষ্ট কম। ই বহুজাতিক নিগমসমূহৰ বাবে এক বৃহৎ সুবিধা হ'ব আৰু ভাৰতবৰ্ষ এখন উৎপাদন কেন্দ্ৰলৈ ৰূপান্তৰিত হ'ব এনে ধৰণৰ আশা এটা কৰিব পাৰি।

(ঘ) চৰকাৰী সমৰ্থন ঃ ভাৰতবৰ্ষত বিদেশী বিনিয়োগৰ গুৰুত্ব বুজি ভাৰতবৰ্ষৰ চৰকাৰে বিদেশী বিনিয়োগৰ লগতে বহুজাতিক নিগমসমূহক উৎসাহিত কৰিবৰ বাবে বিভিন্ন নীতি হাতত লৈছে। তেনে কিছুমান নীতি হ'ল—

(১) গৱেষণা আৰু উন্নয়নৰ ক্ষেত্ৰত ৰাজহ আৰু মূলধনী খৰচ দুয়োটা কৰ আইনৰ অধিনত কৰমুক্ত। তাৰ ফলত নিগমসমূহে গৱেষণা আৰু উন্নয়নত অধিক বিনিয়োগ কৰিবলৈ আগ্ৰহী হয়।

(২) যিবোৰ কোম্পানীৰ মুখ্য উদ্দেশ্য গৱেষণা আৰু উন্নয়ন তেনে কোম্পানীবোৰক আৰম্ভণীৰ পৰা প্ৰথম দহ বছৰ আয়কৰ ৰেহাই দিয়া হয়। ঘৰুৱা প্ৰযুক্তি ব্যৱহাৰ কৰি কল-কাৰখানা স্থাপন কৰিলে উচ্চ হাৰত অবক্ষয় ধাৰ্য কৰিব দিয়া হয়।

(৩) গৱেষণা আৰু উন্নয়নৰ বাবে খৰচ কৰা মূলধনী খৰচ বা দৈনিক খৰচৰ বাবে আবকাৰী শুল্ক মাফ।

(৪) উৎপাদন ক্ষেত্ৰৰ লগতে অন্য বহুতো ক্ষেত্ৰত automatic routeৰ দ্বাৰা এশ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগ।

(৫) ৭১খন দেশৰ সৈতে দ্বৈত কৰ বৰ্জন চুক্তি সম্পাদন।



৯.১২ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বহুজাতিক নিগম হ'ল সেই সমূহ নিগম যিবোৰৰ মুখ্য কাৰ্যালয় এখন দেশত অৱস্থিত, যাক ঘৰুৱা দেশ বুলি কোৱা হয়। অন্যহাতে এই নিগমসমূহে বিশ্বৰ বিভিন্ন দেশত কাম-কাজ পৰিচালনা কৰে যিবোৰক পৃষ্ঠপোষক দেশ বোলা হয়।
- বহুজাতিক নিগমসমূহ তলত দিয়া তিনিটা গঠনৰ হয়— পথালিকৈ সংহত বহুজাতিক

নিগম, উলম্বভাৱে সংহত বহুজাতিক নিগম আৰু বহুমুখী বহুজাতিক নিগম।

- ঘৰুৱা দেশ আৰু পৃষ্ঠপোষক দেশ দুয়োখনতে বহুজাতিক নিগমৰ কু-প্ৰভাব আৰু সুপ্ৰভাব পৰে।
- কাৰ্যৰ ভিত্তিত বহুজাতিক নিগমসমূহক তিনিটা ভাগত ভগোৱা হৈছে— গোষ্ঠীকেন্দ্ৰীক, বহুকেন্দ্ৰীক আৰু ভূ-কেন্দ্ৰীক।
- বৃহৎ বিত্তীয় সম্পদ, শেহতীয়া প্ৰযুক্তিবিদ্যা, বৰ্ধিত আৰু বিশ্বজোৱা কাম-কাজেৰে বহুজাতিক কোম্পানীসমূহে সমগ্ৰ বিশ্বতে বিশেষকৈ উন্নয়নশীল দেশসমূহত তেওঁলোকে বজাৰ বিস্তাৰ কৰিছে।
- বহুজাতিক নিগমসমূহৰ সমৰ্থনত বিভিন্ন যুক্তি আগবঢ়োৱা হয়। লগতে বহুজাতিক নিগমসমূহ সন্দৰ্ভত বিভিন্ন অভিযোগো শুনা যায়।



৯.১৩ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.
2) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.
3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.
4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



৯.১৪ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ বহুজাতিক উদ্যোগবোৰ হ'ল সেইবোৰ উদ্যোগ যিবোৰে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ অৰ্জন কৰাত জড়িত হয়। অৰ্থাৎ যিয়ে এখনতকৈ অধিক দেশত আয় সংগ্ৰহ কৰে, সম্পত্তি অধিকাৰ অথবা নিয়ন্ত্ৰণ কৰে আৰু এই কাৰ্য সম্পাদন কৰোতে মূল দেশৰ উপৰিও অন্য দেশত পণ্য তথা সেৱাৰ উৎপাদনত বা চমুকৈ আন্তৰ্জাতিক উৎপাদনৰ লগত জড়িত হয়।

২ নং প্ৰশ্নৰ উত্তৰঃ বহুজাতিক নিগমসমূহৰ তিনিটা বৈশিষ্ট্য হ'ল— বৃহৎ আকাৰ, উচ্চ প্ৰযুক্তিৰ প্ৰয়োগ, গুণ সচেতনতা।

৩ নং প্রশ্নৰ উত্তৰঃ পৃষ্ঠপোষক দেশৰ বাবে বহুজাতিক নিগমসমূহৰ সপক্ষে দুটা যুক্তি হ'ল—

ক) বহুজাতিক নিগমৰ কার্য-কলাপৰ বাবে পৃষ্ঠপোষক দেশৰ বিনিয়োগ, নিয়োগ তথা আয়ৰ পৰিমাণ বৃদ্ধি হয়।

(খ) বহুজাতিক নিগমসমূহে উন্নত দেশসমূহৰ অত্যাধুনিক যন্ত্র-পাতিৰ লগতে সুক্ষ্ম প্রযুক্তিবিদ্যা উন্নয়নশীল দেশসমূহলৈ লৈ আহে। তেনে প্রযুক্তিবিদ্যা পৃষ্ঠপোষক দেশৰ উৎপাদনশীলতা বঢ়োৱাৰ বাবে প্রয়োজনীয়।

৪ নং প্রশ্নৰ উত্তৰঃ গৃহ দেশৰ বাবে বহুজাতিক নিগমসমূহৰ বিৰুদ্ধে দুটা যুক্তি হ'ল—

(ক) বহুজাতিক নিগমসমূহে ঘৰুৱা দেশৰ মূলধন বিভিন্ন দেশলৈ হস্তান্তৰ কৰে ফলত আমদানি ৰপ্তানিৰ তুলনামূলক ঘাটি (Balance of payment) বৃদ্ধি হ'ব পাৰে।

(খ) যদিহে বহুজাতিক নিগমসমূহে ভূ-কেন্দ্রীয় পথ (Geocentric way) অনুসৰণ কৰে তেন্তে ই গৃহ দেশৰ মানুহৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি নকৰিবও পাৰে।



৯.১৫ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ বহুজাতিক নিগমৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ বহুজাতিক নিগমৰ বৈশিষ্ট্যসমূহ বিশদভাৱে আলোচনা কৰক।

প্রশ্ন ৩ঃ বহুজাতিক নিগমৰ বিকাশৰ কাৰণসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ অর্থ আৰু শ্রেণীবিভাজন

১০.৪ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ ভূমিকা/গুৰুত্ব/ কার্য্য

১০.৫ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়ন

- ১০.৫.১ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়ন প্রক্রিয়া
- ১০.৫.২ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়নৰ বাবে প্রয়োজনীয় নথিপত্র
- ১০.৫.৩ অনলাইন ফর্ম পূৰণ কৰাৰ সময়ত মনত ৰাখিবলগীয়া পইণ্ট

১০.৬ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়নৰ সুবিধা

১০.৭ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ খণ্ডই সন্মুখীন হোৱা প্রত্যাহ্বান

১০.৮ ভাৰতত সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ সমূহৰ প্রসাৰৰ বাবে চৰকাৰী আঁচনি

- ১০.৮.১ ঋণ আৰু আর্থিক সাহায্য আঁচনি
- ১০.৮.২ উদ্যোগীকৰণ-সহ-দক্ষতা বিকাশ কার্যসূচী
- ১০.৮.৩ আন্তঃগাঁথনি সমর্থন আঁচনি
- ১০.৮.৪ প্রযুক্তি উন্নীতকৰণ আঁচনি
- ১০.৮.৫ ক্রয় আৰু বিপণন সহায়ক আঁচনি

১০.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

১০.১০ অধিক জানিবলৈ

১০.১১ অগ্রগতিৰ খতিয়ান

১০.১২ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ অর্থ আৰু গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়ন প্রক্রিয়া জানিব পাৰিব
- সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়নৰ সুবিধাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ প্রসাৰৰ বাবে ভাৰত চৰকাৰে গ্রহণ কৰা বিভিন্ন

আঁচনিৰ বিষয়ে জানিব পাৰিব

- ভাৰতত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সমূহে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

ভাৰতৰ আৰ্থ-সামাজিক বিকাশত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে অতি উল্লেখযোগ্য ভূমিকা পালন কৰিছে। স্বাধীনতাৰ পিছত অতি সোনকালেই পৰিকল্পনাকাৰীসকলে এই খণ্ডৰ গুৰুত্ব অনুধাবন কৰিছিল আৰু সেই অনুসৰি এই খণ্ডটোক দেশৰ ঔদ্যোগিক নীতিত এক গুৰুত্বপূৰ্ণ স্থান দিয়া হৈছিল। সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ এনে এক খণ্ড য'ত বৰ্তমানৰ ক্ষুদ্ৰ ব্যৱসায়ীসকল আন্তৰ্জাতিক ব্যৱসায়ী হোৱাৰ সম্ভাৱনা আছে।

যোৱা পাঁচ দশকত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডই ভাৰতীয় অৰ্থনীতিৰ এক গতিশীল আৰু সজীৱ খণ্ড হিচাপে আত্মপ্ৰকাশ কৰিছে। দেশৰ আৰ্থ-সামাজিক উন্নয়নত সূকঞ্জম্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডই বিপুল অৰিহণা যোগাইছে। সমগ্ৰ দেশতে ৩ কোটি এনে গোটে প্ৰায় ৭ কোটি লোকক কৰ্মসংস্থাপন প্ৰদান কৰি দেশৰ কৃষিৰ পিছত ই আটাইতকৈ ডাঙৰ নিয়োগকৰ্তা। বিশ্বজুৰি সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডই হৈছে চাকৰি সৃষ্টিৰ মূল বাহন। ভাৰত চৰকাৰৰ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ৰ মতে দেশৰ মুঠ ঘৰুৱা উৎপাদনত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ অংশ প্ৰায় ৩০%। ভাৰতৰ (২০২২) মুঠ ৰপ্তানিৰ প্ৰায় ৫০% ও সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে অৰিহণা যোগায়।

সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ প্ৰসাৰ আৰু উন্নয়নৰ প্ৰধান দায়িত্ব ৰাজ্য চৰকাৰসমূহৰ। কিন্তু ভাৰত চৰকাৰে, বিভিন্ন পদক্ষেপৰ জৰিয়তে ৰাজ্য চৰকাৰসমূহৰ প্ৰচেষ্টাক পৰিপূৰক কৰে।

এই অধ্যায়টিত আমি সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ অৰ্থ, সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়ন প্ৰক্ৰিয়া, সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়নৰ সুবিধা, সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ গুৰুত্ব আৰু ইয়াৰ প্ৰসাৰৰ বাবে কিছুমান চৰকাৰী আঁচনিৰ বিষয়ে আলোচনা কৰিম।

১০.৩ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ অৰ্থ আৰু শ্ৰেণীবিভাজন

সময়ৰ লগে লগে সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ সংজ্ঞা আৰু ইয়াৰ শ্ৰেণীবিভাজনত কেইবাটাও পৰিৱৰ্তন হৈছে। এই গোটসমূহক সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। এই গোটসমূহ হয় উৎপাদন বা সেৱা প্ৰদান ইউনিট হ'ব পাৰে। এম এছ এম ইৰ বেছিভাগেই শ্ৰম নিবিড় যদিও ইয়াৰে কিছুমানে প্ৰযুক্তিগতভাৱে উন্নত উৎপাদন পদ্ধতি ব্যৱহাৰ কৰে।

২০০৬ চনত ভাৰত চৰকাৰে সক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ উন্নয়ন (MSMED) আইন প্রণয়ন কৰি MSMED আইনৰ অধীনত MSME ৰ নতুন সংজ্ঞা দিয়ে। এই আইন অনুসৰি সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ সমুহক ব্যাপকভাৱে দুটা ভাগত ভাগ কৰা হৈছে ঃ

১) যিকোনো উদ্যোগৰ সৈতে জড়িত সামগ্রী উৎপাদনত নিয়োজিত উদ্যোগ;

২) সেৱা প্রদান কৰাত নিয়োজিত উদ্যোগ

(ক) উৎপাদন উদ্যোগ ঃ উদ্যোগ (উন্নয়ন আৰু নিয়ন্ত্রণ) আইন, ১৯৫১ৰ প্রথম সূচীত উল্লেখ কৰা যিকোনো উদ্যোগৰ সৈতে জড়িত সামগ্রী উৎপাদনত নিয়োজিত উদ্যোগ যিবোৰক যন্ত্রপাতিত কৰা বিনিয়োগ অনুযায়ী সংজ্ঞায়িত কৰা হয়।

(খ) সেৱা উদ্যোগ ঃ সেৱা প্রদানত নিয়োজিত উদ্যোগ যিবোৰক সঁজুলিত কৰা বিনিয়োগ অনুযায়ি সংজ্ঞায়িত কৰা হয়।

সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ উন্নয়ন (MSMED) আইনৰ ধাৰা ৭ অনুসৰি সূক্ষ্ম, ক্ষুদ্র বা মজলীয়া উদ্যোগ হিচাপে শ্রেণীভুক্ত হ'বলগীয়া বিনিয়োগৰ সীমা তলত দিয়া ধৰণৰ:

উদ্যোগ আৰু যন্ত্রপাতি বা সঁজুলি আৰু টার্ণঅভাৰত বিনিয়োগৰ ওপৰত চিলিং

Ceiling on investment in Plant & Machinery or Equipment and Turnover				
শ্রেণীবিভাজন উৎপাদন খণ্ড	সূক্ষ্ম ২৫ লাখ টকালৈকে	ক্ষুদ্র ২৫ লাখ টকাৰ ওপৰত- ৫ কোটি টকালৈকে	মজলীয়া ৫ কোটি টকাৰ ওপৰত ১০ কোটি টকালৈকে	বিনিয়োগৰ প্রকাৰ উদ্যোগ আৰু যন্ত্রপাতিত
সেৱা খণ্ড	১০ লাখ টকা পর্যন্ত	১০ লাখ টকাৰ ওপৰত ২ কোটি টকালৈকে	২ কোটি টকাৰ ওপৰত- ৫ কোটি টকালৈকে	সঁজুলিত

১০.৪ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ ভূমিকা/গুৰুত্ব/ কার্য্য

ভাৰতৰ আর্থ-সামাজিক বিকাশৰ ক্ষেত্রত সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ সমূহে গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আছে। ই ভাৰতীয় অর্থনীতিৰ অন্যতম গুৰুত্বপূর্ণ খণ্ড। ভাৰতীয় অর্থনীতিত সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ ভূমিকা/গুৰুত্ব/কার্য্যসমূহ তলত দিয়া ধৰণে সামৰি ল'ব পাৰি: -

১। **নিয়োগ সৃষ্টি ঃ** সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া খণ্ড দেশৰ অন্যতম প্রধান নিয়োগকর্তা। ২০১৫-১৬ বর্ষৰ সময়ছোৱাত ৰাষ্ট্রীয় নমুনা জৰীপ কার্যালয়ে চলোৱা ৰাষ্ট্রীয় নমুনা জৰীপ (National Sample Survey) ৰ ৭৩ সংখ্যক ৰাউণ্ড অনুসৰি, সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া খণ্ডই সমগ্র দেশৰ গ্রাম্য আৰু চহৰ অঞ্চলত ১১.১০ কোটি চাকৰিৰ সৃষ্টি কৰিছে।

২। **দেশৰ মুঠ ঘৰুৱা উৎপাদনত অৱদান ঃ** ভাৰতীয় অর্থনীতিত সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া খণ্ডৰ অৱদান অতি বৃহৎ। ভাৰতৰ ৬৩ মিলিয়নতকৈ অধিক সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া

গোটে ২০১৯ চনত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ ৩৫.৫% আৰু ২০২০ চনত ৩০% অৰিহণা যোগাইছিল।

৩। **ৰপ্তানিৰ প্ৰসাৰ ঃ** ভাৰতৰ ৰপ্তানি উপাৰ্জনত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডই বিপুল অৱদান আগবঢ়াই আহিছে। ভাৰতৰ মুঠ ৰপ্তানিৰ ৪০% তকৈ অধিক সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ সামগ্ৰী। ২০২১ চনত ভাৰতৰ মুঠ ৰপ্তানিৰ ৪৯.৫% সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ সামগ্ৰীৰ ৰপ্তানি। ভাৰতীয় সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডই ৰপ্তানি কৰা প্ৰধান সামগ্ৰীৰ ভিতৰত বস্ত্ৰ, কাপোৰ, বিভিন্ন ধৰণৰ জোতা, চাউল আৰু কেষ্টাৰ অইল অন্যতম।

৪। **জীৱন ধাৰণৰ মান উন্নত কৰা ঃ** দেশৰ বিভিন্ন প্ৰান্তৰ জনসংখ্যাৰ বিপুল অংশক কৰ্মসংস্থাপন প্ৰদান কৰি ভাৰতৰ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডই মানুহক দৰিদ্ৰতাৰ পৰা উলিয়াই আনি তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাত মূল ভূমিকা পালন কৰে।

৫। **ভাৰসাম্য আঞ্চলিক উন্নয়নক প্ৰসাৰ কৰা ঃ** ২০২১-২২ চনৰ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ বাৰ্ষিক প্ৰতিবেদন অনুসৰি ভাৰতত মুঠ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ মুঠ উদ্যোগ সংখ্যা ৬,৩৩,৮৮,০০০ যাৰ ভিতৰত ৩,২৪,৮৮,০০০ গোট (৫১.২৫%) গ্ৰাম্য অঞ্চলত আৰু ৩,০৯,০০,০০০ লাখ গোট (৪৮.৭৫%) চহৰ অঞ্চলত আছে। সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ মুঠ নিয়োগৰ ভিতৰত ৪৫% গ্ৰাম্য অঞ্চলৰ। এইবোৰে দেশৰ আঞ্চলিক উন্নয়নৰ মাজত ভাৰসাম্য ৰক্ষা কৰাত অৰিহণা যোগায়।

৬। **পুঁজিৰ সংগঠন আৰু উদ্যোগীকৰণৰ প্ৰসাৰ ঃ** সমগ্ৰ দেশতে সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগ বিয়পি আছে। তেওঁলোকে জনসাধাৰণৰ অব্যৱহৃত সঞ্চয়ক ভালদৰে সংগঠিত কৰিব পাৰে। বৃহৎ সংখ্যক ক্ষুদ্ৰ উদ্যোগীৰ দক্ষতাও ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিব পাৰে। এই উদ্যোগসমূহে প্ৰতিযোগিতামূলক ক্ষমতা আৰু উদ্যোগীকৰণৰ মনোভাৰক প্ৰসাৰিত কৰে।

৭। **বৃহৎ উদ্যোগসমূহক সমৰ্থন ঃ** সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ড হৈছে বৃহৎ পৰিসৰৰ উদ্যোগসমূহলৈ বিশেষকৈ উৎপাদন ইউনিটসমূহে উৎপাদন কাৰ্য্যত ব্যৱহাৰ কৰা সামগ্ৰীসমূহ উৎপাদন কৰা আনুষংগিক খণ্ড। সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডই বৃহৎ পৰিসৰৰ উদ্যোগসমূহক অহৰহ উপাদান, অতিৰিক্ত অংশ, মধ্যৱৰ্তী সামগ্ৰী যোগান ধৰে।

৮। **কৃষি খণ্ডলৈ সহায় ঃ** সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডই কৃষিজাত সামগ্ৰী ক্ৰয় কৰি কৃষি খণ্ডক সহায় আগবঢ়ায় যিবোৰ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডই কেঁচামাল হিচাপে ব্যৱহাৰ কৰে। শিথিল বতৰত কৃষি শ্ৰমিকক কৰ্মসংস্থাপন দি ঋতুভিত্তিক নিবনুৱা সমস্যা ৰোধ কৰাত সহায় কৰে।

৯। **দূৰৱৰ্তী অঞ্চলসমূহক দেশৰ বাকী অংশৰ সৈতে সংযোগ কৰা ঃ** সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডই বিশ্বৰ বিভিন্ন অঞ্চলৰ বৃহৎ চহৰসমূহত অৱস্থিত বৃহৎ উদ্যোগসমূহলৈ কেঁচামাল বা অন্যান্য সঁজুলি আৰু অংশ যোগান ধৰে। ইয়াৰ দ্বাৰা দুৰ্গম আৰু পিছপৰা অঞ্চলৰ

সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডই এই অঞ্চলসমূহক দেশ আৰু বিশ্বৰ বাকী অংশৰ সৈতে সংযোগ কৰাত সহায় কৰে।

১০। **বিত্তীয় অন্তর্ভুক্তিক প্রসাৰ কৰা ঃ** সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডই মানুহৰ বাবে বেংকিং সেৱা আৰু সামগ্রী ব্যৱহাৰ কৰাৰ সুযোগ সৃষ্টি কৰাত সহায় কৰে, যিটো অর্থনীতিৰ বাবে সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ অৱদান ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ক্ষুদ্ৰ উদ্যোগৰ সংজ্ঞা দিয়া।

.....

.....

প্রশ্ন নং ২ ঃ ভাৰতীয় অর্থনীতিৰ দুটা ক্ষেত্র উল্লেখ কৰা য'ত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডই অৰিহণা যোগাইছে।

.....

.....

১০.৫ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়ন

সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে উদ্যম পঞ্জীয়ন পর্টেলৰ জৰিয়তে পঞ্জীয়নৰ বাবে অনলাইন আবেদন কৰিব পাৰিব। ব্যৱসায়িক আকাৰ আৰু প্রকাৰ নির্বিশেষে সকলো ধৰণৰ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে এম এছ এমই পঞ্জীয়নৰ বাবে আবেদন কৰিব পাৰে। যদিও, সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ পঞ্জীয়ন বাধ্যতামূলক নহয়। এম এছ এম ই আইনৰ অধীনত পঞ্জীয়নৰ বাবে আবেদন কৰাটো ব্যৱসায়ৰ মালিক বা ব্যৱসায়ৰ মুৰব্বীৰ বিবেচনাধীন। অৱশ্যে সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ পঞ্জীয়ন কৰিলে বহু সুবিধা আছে। এম এছ এম ইৰ পঞ্জীয়ন বিনামূলীয়া আৰু আত্ম ঘোষণাৰ ওপৰত ভিত্তি কৰি কৰা হয়। এম এছ এম ই মন্ত্রালয়ে জাৰি কৰা শেহতীয়া অধিসূচনা অনুসৰি সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ পঞ্জীয়নৰ বাবে কোনো পৃথক নথি-পত্র, প্রমাণপত্র বা প্রমাণ আপলোড কৰাৰ প্রয়োজন নাই।

১০.৫.১ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়ন প্রক্রিয়া

সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়ন প্রক্রিয়াত তলত দিয়া সহজ পদক্ষেপসমূহ জড়িত হৈ থাকে:

স্তৰ ১ ঃ এম এছ এম ই পঞ্জীয়ন ৱেবছাইট (https://eudyogaadhaar.org)

চাওক।

স্তৰ ২ ঃ এম এছ এম ই পঞ্জীয়ন প্ৰ-পত্ৰত প্ৰয়োজনীয় সকলো তথ্য পূৰণ কৰক। সকলো বিৱৰণ সঠিকভাৱে দিয়াটো নিশ্চিত কৰক।

স্তৰ ৩ ঃ সকলো বিৱৰণ সঠিকভাৱে দিয়াৰ পিছত আপোনাৰ এম এছ এম ই পঞ্জীয়ন আবেদনৰ বাবে অনলাইন পেমেণ্ট কৰক।

স্তৰ ৪ ঃ পঞ্জীয়ন কার্যবাহীসকলৰ এজনে আপোনাৰ এম এছ এম ই পঞ্জীয়ন প্ৰক্ৰিয়াৰ আবেদন প্ৰক্ৰিয়াকৰণ কৰিব।

স্তৰ ৫ ঃ ১-২ ঘণ্টাৰ ভিতৰত আপুনি আপোনাৰ পঞ্জীয়নভুক্ত ইমেইল ঠিকনাত আপোনাৰ MSME পঞ্জীয়ন প্ৰমাণপত্ৰ লাভ কৰিব।

১০.৫.২ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়নৰ বাবে প্ৰয়োজনীয় নথিপত্ৰ

এম এছএম ইৰ অধীনত পঞ্জীয়ন কৰিবলৈ তলত দিয়া নথি-পত্ৰসমূহ থাকিব লাগে।

১। আধাৰ নম্বৰ

২। পেন নম্বৰ

৩। কোনো কোম্পানী বা সীমিত দায়বদ্ধতা অংশীদাৰিত্বৰ ক্ষেত্ৰত জি এছ টি আই এন (GSTIN)

১০.৫.৩ অনলাইন ফৰ্ম পূৰণ কৰাৰ সময়ত মনত ৰাখিবলগীয়া পইণ্ট

আবেদনকাৰীৰ নাম ঃ আবেদনকাৰীয়ে নিজৰ নাম সম্পূৰ্ণকৈ লিখিব লাগিব।

মোবাইল নম্বৰ ঃ দেশৰ ক'ড এৰি আবেদনকাৰীৰ শুদ্ধ মোবাইল নম্বৰ দিব লাগিব।

ইমেইলৰ ঠিকনা ঃ আবেদনকাৰীৰ সঠিক ই-মেইল আইডি দিব লাগিব, কিয়নো প্ৰমাণপত্ৰ আৰু স্বীকৃতি পঞ্জীয়নভুক্ত মেইল আইডিলৈ প্ৰেৰণ কৰা হয়।

কার্যালয়ৰ ঠিকনা ঃ আবেদনকাৰীয়ে নিজৰ কার্যালয়ৰ ঠিকনা ৰাজ্যি আৰু পিন ক'ড সহ পূৰণ কৰিব লাগিব।

সামাজিক শ্ৰেণী ঃ আবেদনকাৰীয়ে প্ৰদত্ত বিকল্পৰ পৰা সামাজিক শ্ৰেণী বাছি ল'ব লাগিব।

পান কার্ড নম্বৰ ঃ আবেদনকাৰীয়ে নিজৰ পান কার্ড নম্বৰ উল্লেখ কৰিব লাগিব। (একক মালিকনাধিনৰ ব্যবসায়ৰ ক্ষেত্ৰত স্বত্বাধিকাৰীৰ পেন নম্বৰ)।

বেংক একাউণ্ট নম্বৰ ঃ পাছবুকত উল্লেখ কৰা ধৰণে আবেদনকাৰীৰ বেংক একাউণ্ট নম্বৰ পূৰণ কৰিব লাগিব।

আই এফ এছ চি ক'ড ঃ পাছবুকত উল্লেখ কৰা ধৰণে আবেদনকাৰী বেংকৰ

আই এফ এছ চি ক'ড পূৰণ কৰিব লাগিব।

ব্যৱসায় আৰম্ভ হোৱাৰ তাৰিখ ঃ ব্যবসায়ৰ আৰম্ভ বা পঞ্জীয়নৰ তাৰিখ পূৰণ কৰিব লাগিব, যিটো udyam প্ৰমাণপত্ৰত ছপা কৰা হ'ব।

সংস্থাৰ ধৰণ ঃ প্ৰদত্ত বিকল্পসমূহৰ পৰা সংস্থাৰ ধৰণ নিৰ্ব্বাচন কৰিব লাগিব, কাৰণ ই প্ৰমাণপত্ৰত প্ৰিণ্ট হ'ব।

মূল ব্যৱসায়িক কাৰ্যকলাপ ঃ প্ৰদত্ত বিকল্পসমূহৰ পৰা মূল ব্যৱসায়িক কাৰ্য্যকলাপ নিৰ্বাচন কৰিব লাগিব।

ব্যৱসায়ৰ বিষয়ে অতিৰিক্ত বিৱৰণ ঃ যদি আপুনি বিচাৰে তেন্তে আপুনি আপোনাৰ ব্যৱসায়ৰ বিষয়ে অধিক বিৱৰণ ইয়াত উল্লেখ কৰিব পাৰে।

কৰ্মচাৰীৰ সংখ্যা: আপোনাৰ প্ৰতিষ্ঠানত সক্ৰিয় কৰ্মচাৰীৰ সংখ্যা দিব লাগিব।

উদ্যোগ আৰু যন্ত্ৰপাতি / সঁজুলিত বিনিয়োগ ঃ আবেদনকাৰীৰ উদ্যোগ, যন্ত্ৰপাতি, আৰু সঁজুলি আদিত মুঠ বিনিয়োগ উল্লেখ কৰিব লাগিব।

আবেদন জমা দিয়া ঃ আবেদনকাৰীয়ে জমা দিয়া বুটামটো ক্লিক কৰিলে আপলোড কৰা সকলো বিৱৰণ আৰু নথিপত্ৰ জমা দিয়া হয়।

১০.৬ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ পঞ্জীয়নৰ সুবিধা

যদিও সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ পঞ্জীয়ন বাধ্যতামূলক নহয়, কিন্তু বেংক আৰু চৰকাৰৰ বিভিন্ন সুবিধা লাভৰ বাবে যদিও সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ পঞ্জীয়ন গুৰুত্বপূৰ্ণ। এটা পঞ্জীয়নভুক্ত যদিও সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে তলত দিয়া সুবিধাসমূহ লাভ কৰিব পাৰে—

ৰাজ্য চৰকাৰৰ পৰা লাভ ঃ যদিও সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ প্ৰসাৰৰ বাবে ৰাজ্য চৰকাৰসমূহে বিদ্যুতৰ ওপৰত ৰাজসাহায্য, পৰিবহণ ৰাজসাহায্য, ৰেহাই হাৰত মাটি, বিক্ৰী কৰত ৰেহাই, প্ৰযুক্তিৰ বাবে ক্ৰেডিট লিংকড কেপিটেল ৰাজসাহায্য আদি বিভিন্ন আঁচনিৰ ঘোষণা কৰে। এই আঁচনিসমূহৰ সুবিধা লাভৰ বাবে সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগটো পঞ্জীয়নভুক্ত হ'ব লাগিব।

কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ ঃ কেৱল এম এছ এম ই মন্ত্ৰালয়েই নহয় ভাৰত চৰকাৰৰ আন বহুতো মন্ত্ৰালয় যেনে দক্ষতা বিকাশ আৰু উদ্যোগীকৰণ মন্ত্ৰালয়, শ্ৰম আৰু নিয়োগ আঁচনি মন্ত্ৰালয়, উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন মন্ত্ৰালয়, আঞ্চলিক আঁচনি আদিয়ে সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ প্ৰসাৰ আৰু বৃদ্ধিৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰে। পঞ্জীয়নভুক্ত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সমুহে এনে আঁচনিৰ সুবিধা ল'ব পাৰে।

বেংকৰ পৰা লাভ ঃ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ সমুহ অগ্ৰাধিকাৰ খণ্ডৰ অন্তৰ্গত। গতিকে ঋণ দিয়া বেংকসমূহে এই খণ্ডক অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়োজন আছে। সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ প্ৰশাৰৰ উদ্দেশ্যে ঋণ প্ৰদানকাৰী বেংকে সময়ে সময়ে কিছুমান আঁচনি

ঘোষণা কৰে। পঞ্জীয়নভুক্ত এম এছ এম ইয়ে এনে আঁচনিৰ সুবিধা ল'ব পাৰে।

কেঁচামালৰ সহায় ঃ এই আঁচনিৰ লক্ষ্য হৈছে কেঁচামাল (থলুৱা আৰু আমদানিকৃত দুয়োটা) ক্রয়ৰ বাবে বিত্তীয় সাহায্যৰ জৰিয়তে সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ সমূহক সহায় কৰা। এই আঁচনিৰ অধীনত পঞ্জীয়নভুক্ত সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগে ৯০ দিনলৈকে কেঁচামাল ক্রয়ৰ বাবে আর্থিক সাহায্যৰ বাবে আবেদন কৰিব পাৰে।

আই এছ অ' (ISO) প্রমাণীকৰণৰ বাবে পৰিশোধ ঃ পঞ্জীয়নভুক্ত সূক্ষ্ম , ক্ষুদ্র আৰু মজলীয়া উদ্যোগসমূহ আই এছ অ' প্রমাণীকৰণ চার্জৰ পৰিশোধৰ বাবে যোগ্য। আঁচনিখনত আই এছ অ'-৯০০০/ আই এছ অ'-১৪০০১/ এইচ এ চি চি পি প্রমাণপত্র লাভৰ বাবে চার্জৰ পৰিশোধৰ পৰিকল্পনা কৰা হৈছে, যিটো ব্যয়ৰ ৭৫% পৰিসৰলৈকে প্রতিটোৰ ক্ষেত্রতে সর্বাধিক ৭৫ হাজাৰ টকা।

পেটেণ্ট আৰু জি আইৰ বাবে আর্থিক সহায় ঃ পঞ্জীয়নভুক্ত ভাৰতীয় সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ সমুহে ৫০ লাখ টকালৈকে সীমিত এককালীন আর্থিক সহায়ৰ বাবে যোগ্য। ঘৰুৱা পেটেণ্ট প্রদানৰ ক্ষেত্রত ২৫,০০০ আৰু বিদেশী পেটেণ্টৰ বাবে ২ লাখ টকা। আন্তঃৰাষ্ট্রীয় পেটেণ্ট দাখিল কৰাৰ বাবে প্রযুক্তি ষ্টার্ট-আপ ইউনিটৰ বাবে পৰিশোধৰ দ্বাৰা মুঠ পেটেণ্ট খৰচৰ ৫০% পর্যন্ত আর্থিক পৰিশোধ উপলব্ধ, যিটো সর্বাধিক ১৫ লাখ টকা হব পাৰে। সামগ্রী আইন ভৌগোলিক সূচক (জি আই)ৰ অধীনত পঞ্জীয়নৰ বাবে এক লাখ টকা পর্যন্ত সীমিত এককালীন আর্থিক সহায় এই আঁচনি যোগে দিয়া হয়।

১০.৭ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ খণ্ডই সন্মুখীন হোৱা প্রত্যাহ্বান

অর্থনীতিৰ বৃদ্ধি আৰু বিকাশৰ দিশত অপৰিসীম অৰিহণা যোগোৱা ভাৰতীয় সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ সমূহৰ প্রসাৰৰ বাবে চৰকাৰসমূহে বহু পদক্ষেপ গ্রহণ কৰা সত্ত্বেও ভাৰতীয় সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া খণ্ডৰ উদ্যোগ সমূহে বিভিন্ন প্রত্যাহ্বানৰ সন্মুখীন হৈছে। ভাৰতীয় সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া খণ্ডৰ উদ্যোগ সমূহে সন্মুখীন হোৱা কিছুমান ডাঙৰ প্রত্যাহ্বান হ'ল-

১। **ব্যৱসায় কৰাত অসুবিধা ঃ** আমাৰ ব্যৱসায়িক পৰিৱেশ অতি দুর্বল। ব্যৱসায় আৰম্ভ কৰিবলৈ বহু বিভাগৰ পৰা অনুমতি আৰু ক্লিয়াৰেন্স ল'ব লাগিব। ইয়াৰ মূল কাৰণ হৈছে অসংখ্য নিয়ম, জটিল পদ্ধতি আৰু আমোলাতন্ত্রিক পাক চক্র। এয়া ভাৰতৰ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া খণ্ডৰ উদ্যোগসমূহে সন্মুখীন হোৱা অন্যতম প্রধান প্রত্যাহ্বান।

২। **পুৰণি প্রযুক্তিৰ ব্যৱহাৰ ঃ** ভাৰতৰ সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া খণ্ডৰ উদ্যোগসমূহৰ অধিকাংশই এতিয়াও পুৰণি প্রযুক্তি ব্যৱহাৰ কৰি আছে। মূলতঃ ধনৰ অভাৱৰ বাবে তেওঁলোকে শেহতীয়া প্রযুক্তিৰ খৰচ বহন কৰিব নোৱাৰে। নতুন যুগৰ প্রযুক্তিৰ প্রৱর্তন আৰু সমগ্র খণ্ডটোত প্রযুক্তি হস্তান্তৰ কার্যকৰী কৰাটো সময়ৰ প্রয়োজনীয়তা। আধুনিক

আৰু শেহতীয়া প্ৰযুক্তি ব্যৱহাৰ কৰি ভাৰতীয় সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগসমূহে নিজৰ কাৰ্যক্ষমতা বৃদ্ধি কৰিব পাৰে আৰু বিশ্ব পৰিৱেশৰ সৈতে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব পাৰে।

৩। **দুৰ্বল আন্তঃগাঁথনি ঃ** যিকোনো ব্যৱসায় সফল হ'বলৈ হ'লে পথ, পৰিবহণ, গুদাম, বেংকিং আদি আন্তঃগাঁথনি অতি প্ৰয়োজনীয়। কিন্তু ভাৰতত এতিয়াও ব্যৱসায় আৰম্ভ কৰিবলৈ মৌলিক আন্তঃগাঁথনি এটা ডাঙৰ বিষয়। যদিও দেশৰ কিছুমান অঞ্চলত কিছুমান আন্তঃগাঁথনিৰ সুবিধা উপলব্ধ, তথাপিও ই সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগ সমূহৰ আকাংক্ষিত বৃদ্ধিৰ বাবে যথেষ্ট নহয় কাৰণ ভাৰতীয় সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগ সমূহ দেশৰ প্ৰতিটো কোণত বিয়পি আছে।

৪। **পুঁজিৰ অভাৱ ঃ** ভাৰতীয় সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগ সমূহে পুঁজিৰ সমস্যাৰ সন্মুখীন হৈছে। প্ৰয়োজনৰ সময়ত বিত্তীয় সাহায্যৰ অভাৱৰ বাবে বেছিভাগ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগে ঋনদাতাৰ আশ্ৰয় লয়। ঋণৰ ফান্দ ভাৰতৰ এম এছ এম ই সমূহৰ অন্যতম ডাঙৰ সমস্যা। তাৰোপৰি; সময়মতে বিত্তীয় সাহায্যৰ অভাৱে সময়মতে কেঁচামাল ক্ৰয়, দক্ষ জনশক্তি আহৰণ, আৰু উন্নত প্ৰযুক্তিগত সঁজুলিৰ সুবিধা লাভ কৰাত বাধাৰ সৃষ্টি কৰে।

আনহাতে ভাৰতীয় সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগৰ মাজত বিত্তীয় সাক্ষৰতা অতি কম। বেছিভাগ সময়তে তেওঁলোকে আঁচনি আৰু ঋণৰ উপলব্ধতাৰ বিষয়ে অৱগত নহয়। কম মাত্ৰাৰ সজাগতা আৰু কম বেংকৰ সমস্যা গ্ৰাম্য অঞ্চলত অধিক তীব্ৰ।

ইয়াৰ উপৰিও ভাৰতীয় সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগ সমুহৰ সাধাৰণতে কম ঋণযোগ্য কাৰণ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগসমূহৰ বেংকক জামিন হিচাপে দিবলৈ কোনো সম্পত্তি নাথাকে বা ই সিমিত।

৫। **দক্ষ মানব সম্পদৰ অভাৱ ঃ** ভাৰত বেছিভাগ শ্ৰমিক হৈছে অদক্ষ আৰু অৰ্ধদক্ষ। বেছিভাগৰে আনুষ্ঠানিক প্ৰশিক্ষণ কম বা একেবাৰেই নাই। মানৰ উন্নয়ন প্ৰতিবেদন (HDR) ২০২০ অনুসৰি শ্ৰমিক শক্তিৰ প্ৰতি পাঁচজন ভাৰতীয়ৰ ভিতৰত এজনহে দক্ষ। ইয়াৰ ফলত এম এছ এম ই খণ্ডৰ বৃদ্ধিৰ সম্ভাৱনাত প্ৰভাৱ পৰে।

৬। **বিপণনৰ প্ৰত্যাহ্বান ঃ** ভাৰতীয় সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগসমূহে উৎপাদন কৰা সামগ্ৰীৰ বিপণনৰ বাবে কৌশলী ৰণ নীতিৰ অভাৱ এই খণ্ডৰ উন্নতিৰ বাবে এক বাধা । মাৰ্কেটিং হৈছে অন্যতম জটিল ক্ষেত্ৰ য'ত এম এছ এম ইসমূহে সামগ্ৰীৰ পাৰ্থক্য, ব্ৰেণ্ড বিল্ডিং, কাষ্টমাইজড টেইলাৰমেড সেৱা, ক্লায়েণ্টেল বিল্ডিং, বিক্ৰৱ পিচৰ সেৱা আদি সমস্যাৰ সন্মুখীন হয়। বজাৰৰ জ্ঞানৰ অভাৱত বহু উদ্যোগীয়ে ৰপ্তানিৰ ক্ষেত্ৰত প্ৰৱেশ কৰা নাই।

৭। **সমন্বয়ৰ অভাৱ ঃ** ভাৰতত সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া খণ্ডৰ উদ্যোগৰ প্ৰসাৰ আৰু বৃদ্ধিৰ বাবে কাম কৰা বহুতো কেন্দ্ৰীয় আৰু ৰাজ্যিক সংস্থা আৰু বিত্তীয় প্ৰতিষ্ঠান আছে। এম

এছ এম ইৰ প্রসাৰৰ লগত জড়িত বিভিন্ন সংস্থাসমূহৰ মাজত সমন্বয়ৰ অভাৱ আৰু ব্যক্তিগত খণ্ডৰ প্রতিষ্ঠানিক অংশীদাৰসকলৰ সৈতে দুর্বল সংযোগে এম এছ এম ইৰ বৃদ্ধিত বাধাৰ সৃষ্টি কৰিছে।

৮। **নির্ভৰযোগ্য তথ্যৰ অনুপলব্ধতা ঃ** বিকাশৰ পদক্ষেপসমূহ নিৰীক্ষণ কৰাত সহায়ক হোৱাকৈ নির্ভৰযোগ্য আৰু নবীকৃত তথ্যৰ ভিত্তিৰ অভাৱ আৰু বৈষম্যপূর্ণ হিতাধিকাৰীসকলৰ ভিন্নতামূলক প্রয়োজনীয়তা পূৰণৰ বাবে উপযুক্ত আঁচনি প্রণয়ন কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ এম এছ এম ই ইউনিটৰ পঞ্জীয়নৰ দুটা সুবিধা উল্লেখ কৰা।

প্রশ্ন নং ৪ ঃ ভাৰতীয় এম এছ এম ই সমূহে সন্মুখীন হোৱা দুটা সমস্যাৰ কথা উল্লেখ কৰা।

১০.৮ ভাৰতত সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগসমূহৰ প্রসাৰৰ বাবে চৰকাৰী আঁচনি

ভাৰতীয় অর্থনীতিত সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া খণ্ডৰ উদ্যোগ সমূহৰ গুৰুত্বৰ প্রতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে এই খণ্ডৰ বৃদ্ধি আৰু প্রসাৰৰ বাবে বিভিন্ন ব্যৱস্থা গ্রহণ কৰিছে। এম এছ এম ই খণ্ডত বিভিন্ন সা-সুবিধা প্রদানৰ বাবে চৰকাৰে সময়ে সময়ে বিভিন্ন আঁচনি ঘোষণা কৰি আহিছে।

১০.৮.১ ঋণ আৰু আর্থিক সাহায্য আঁচনি

১। **প্রধানমন্ত্রীৰ নিয়োগ সৃষ্টি কার্যসূচী** (Prime Minister's Employment Generation Programme) ঃ এই আঁচনিৰ লক্ষ্য হৈছে অকৃষি খণ্ডত নতুন আত্মনিয়োগ প্রকল্প/ক্ষুদ্র উদ্যোগ স্থাপনৰ জৰিয়তে দেশৰ গ্রাম্য আৰু চহৰ অঞ্চলত কর্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰা। প্রকল্প/ইউনিটৰ সর্বোচ্চ ব্যয় যোগ্য: উৎপাদন খণ্ডৰ ক্ষেত্রত ২৫ লাখ আৰু ব্যৱসায় !সেৱা খণ্ডৰ ক্ষেত্রত ১০ লাখ টকা। পিএমইজিপিৰ অধীনত ৰাজসাহায্য (প্রকল্পৰ খৰচৰ)/সাধাৰণ শ্রেণী ১৫% (নগৰীয়া), ২৫% (গ্রাম্য) /বিশেষ শ্রেণী (অনুসূচিত জাতি/ অনুসূচিত জনজাতি/অবিচি/সংখ্যালঘু/মহিলা, প্রাক্তন সৈনিক, শাৰীৰিকভাৱে অক্ষম, এনইআৰ, পাহাৰ আৰু সীমান্তকে ধৰি অঞ্চল আদি) ২৫% (নগৰীয়া), ৩৫% (গ্রাম্য)।

২। **প্ৰযুক্তি উন্নীতকৰণৰ বাবে ঋণ সংযুক্ত মূলধনী ৰাজসাহায্য** (Credit Linked Capital Subsidy for Technology Upgradation) ঃ নিৰ্দিষ্ট আৰু অনুমোদিত ৫১টা উপ-খণ্ড/উৎপাদনত সুপ্ৰতিষ্ঠিত আৰু প্ৰমাণিত প্ৰযুক্তিৰ প্ৰৱৰ্তনৰ বাবে প্ৰতিষ্ঠানিক वित्तীয় সাহায্যৰ জৰিয়তে এমএছইসমূহক প্ৰযুক্তিৰ সুবিধা প্ৰদান কৰা। উন্নীতকৰণ প্ৰকল্প (সম্প্ৰসাৰণৰ সৈতে বা অবিহনে) আৰু নতুন প্ৰকল্প দুয়োটা যোগ্য। এই আঁচনিৰ অধীনত অনুমোদিত নিৰ্দিষ্ট ৫১টা উপখণ্ড/উৎপাদনত সুপ্ৰতিষ্ঠিত আৰু উন্নত প্ৰযুক্তিৰ প্ৰৱৰ্তনৰ বাবে ১৫ শতাংশ (তেওঁলোকে লাভ কৰা ১ কোটি টকা পৰ্যন্ত প্ৰতিষ্ঠানিক वित्तীয় সাহায্যৰ ওপৰত) আগধন মূলধনী ৰাজসাহায্য প্ৰদান কৰা হয়। (অৰ্থাৎ ১৫.০০ লাখ টকাৰ ৰাজসাহায্যৰ সীমা) প্ৰদান কৰা হ'ব।

৩। **ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ বাবে ঋণ নিশ্চয়তা পুঁজিৰ ন্যাস** (Credit Guarantee Fund Trust for Micro and Small Enterprises) ঃ সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডলৈ জামিনমুক্ত ঋণ উপলব্ধ কৰাৰ বাবে ভাৰত চৰকাৰে ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ উদ্যোগৰ বাবে ঋণ নিশ্চয়তা আঁচনি (CGS) আৰম্ভ কৰিছিল। বৰ্তমান আৰু নতুন উদ্যোগ দুয়োটা ঋণৰ যোগ্য আৰু/বা কাৰ্য্যকৰী মূলধন জামিনমুক্ত।

৪। **২% সুত ৰাজসাহায্য আঁচনি (২%) ঃ**(2% Interest Subvention Scheme) ঃ এই আঁচনিখন আৰম্ভ কৰা হৈছিল উৎপাদন আৰু সেৱা উদ্যোগ উভয়ৰে উৎপাদনশীলতা বৃদ্ধিৰ বাবে উৎসাহিত কৰিবলৈ আৰু এমএছএমইসমূহক জিএছটি প্লেটফৰ্মত সংযোগ কৰিবলৈ। যিয়ে অৰ্থনীতিৰ আনুষ্ঠানিককৰণ, একে সময়তে ঋণৰ খৰচ হ্ৰাস কৰাত সহায় কৰিব।

১০.৮.২ উদ্যোগীকৰণ-সহ-দক্ষতা বিকাশ কাৰ্যসূচী

১। **উদ্যোগীকৰণ আৰু দক্ষতা বিকাশ কাৰ্যসূচী** (Entrepreneurship and Skill Development Programme) ঃ এই আঁচনিসমূহৰ লক্ষ্য হৈছে সমাজৰ বিভিন্ন শ্ৰেণীক প্ৰতিনিধিত্ব কৰা যুৱক-যুৱতীসকলক প্ৰেৰণা যোগাই নতুন উদ্যোগসমূহক প্ৰসাৰিত কৰা, বৰ্তমানৰ এম এছ এম ইসমূহৰ সামৰ্থ্য বিকাশ আৰু দেশত উদ্যোগীকৰণ সংস্কৃতি গঢ়ি তোলা। এই কাৰ্যসূচীৰ অধীনত ঔদ্যোগিক প্ৰেৰণাদায়ক অভিযান, উদ্যোগীকৰণ সজাগতা কাৰ্যসূচী, পৰিচালনা উন্নয়ন কাৰ্যসূচী আৰু মেগা ইভেণ্ট, উদ্যোগীকৰণ-সহ-দক্ষতা বিকাশ কাৰ্যসূচী আদি অনুষ্ঠিত কৰাৰ বাবে এম এছ এম ই সমূহক/তাৰ বাবে আৰ্থিক সাহায্য প্ৰদান কৰা হয়।

২। **প্ৰযুক্তি কেন্দ্ৰ (সঁজুলি কক্ষ আৰু প্ৰযুক্তি উন্নয়ন কেন্দ্ৰ) ঃ** প্ৰযুক্তি কেন্দ্ৰ সমূহ

গুণগত সঁজুলি, উদ্যোগৰ বাবে প্ৰস্তুত জনশক্তি, সঁজুলি আৰু আনুষংগিক ক্ষেত্ৰত পৰামৰ্শ আৰু প্ৰক্ৰিয়া আৰু পণ্য উন্নয়ন প্ৰদান কৰি এমএছএমইৰ সংহত উন্নয়নত সহায়ক হোৱাকৈ স্থাপন কৰা হৈছে।

১০.৮.৩ আন্তঃগাঁথনি সমৰ্থন আঁচনি

১। **পৰম্পৰাগত উদ্যোগৰ পুনৰুৎপাদনৰ বাবে পুঁজিৰ আঁচনি** (Scheme of Fund for Regeneration of Traditional Industries) ঃ এই আঁচনিৰ উদ্দেশ্য হৈছে পৰম্পৰাগত উদ্যোগ আৰু শিল্পীসকলক প্ৰতিযোগিতামূলক কৰি তুলিবলৈ আৰু ইয়াৰ দীৰ্ঘম্যাদী বহনক্ষমতাৰ বাবে সহায় আগবঢ়াবলৈ ক্লাষ্টাৰত সংগঠিত কৰা। বিভিন্ন ক্লাষ্টাৰৰ বাবে চৰকাৰী সাহায্য: নিয়মীয়া ক্লাষ্টাৰ (৫০০ শিল্পীলৈকে) — ২.৫০ কোটি পৰ্যন্ত। প্ৰতিটো থুপত; ডাঙৰ ক্লাষ্টাৰ (৫০০ জনতকৈ অধিক শিল্পী) — ৫.০০ কোটিলৈকে। প্ৰতিটো থুপত।

২। **উদ্ভাৱন, গ্ৰাম্য উদ্যোগ আৰু উদ্যোগীকৰণৰ প্ৰসাৰৰ বাবে এখন আঁচনি** (A Scheme for Promotion of Innovation, Rural Industry and Entrepreneurship) ঃ এই আঁচনিৰ উদ্দেশ্য হৈছে চাকৰিৰ সৃষ্টি আৰু নিবনুৱা সমস্যা হ্ৰাস কৰাৰ লক্ষ্যৰে জীৱিকা ব্যৱসায়িক ইনকিউবেটৰ (এলবিআই) আৰু প্ৰযুক্তি ব্যৱসায়িক ইনকিউবেটৰ (টিবিআই)ৰ নেটৱৰ্ক স্থাপন কৰা কৃষি-গ্ৰাম্য খণ্ডত উদ্যোগীকৰণ আৰু উদ্ভাৱনৰ সংস্কৃতিক প্ৰসাৰিত কৰি। ৰাষ্ট্ৰীয় ক্ষুদ্ৰ উদ্যোগ নিগম (এন এছ আই চি), খাদী আৰু গ্ৰামোদ্যোগ আয়োগ (কে ভি আই চি), কয়াৰ ব'ৰ্ড বা চৰকাৰ/ৰাজ্য চৰকাৰৰ অন্য কোনো সংস্থা। এল বি আই স্থাপন কৰিব পাৰে। ব্যক্তিগত অংশীদাৰ প্ৰতিষ্ঠান আৰু সত্তাসমূহেও পূৰ্বতে উল্লেখ কৰা প্ৰতিষ্ঠান বা চৰকাৰ/ৰাজ্য চৰকাৰৰ অন্য যিকোনো প্ৰতিষ্ঠান/সংস্থা/এজেন্সীৰ সৈতে পিপিপি মোডৰ অধীনত এলবিআই স্থাপন কৰিব পাৰে।

৩। **সূক্ষ্ম আৰু ক্ষুদ্ৰ উদ্যোগৰ ক্লাষ্টাৰ ডেভেলপমেণ্ট** (Micro & Small Enterprises Cluster Development) ঃ এই আঁচনিৰ লক্ষ্য হৈছে সূক্ষ্ম, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডৰ বহনক্ষমতা বৃদ্ধিত সহায় কৰা প্ৰযুক্তি, দক্ষতা আৰু গুণগত মান উন্নত কৰা, বজাৰত প্ৰৱেশ আদিৰ দৰে বিষয়সমূহ আৰু আত্মসহায়ক গোট, কনচৰ্টিয়াম গঠন, সংঘৰ উন্নীতকৰণ আদিৰ জৰিয়তে সাধাৰণ সহায়ক কাৰ্য্যৰ বাবে এমএছইসমূহৰ সামৰ্থ্য গঢ়ি তোলা। ইয়াৰ লক্ষ্য হৈছে আন্তঃগাঁথনিগত সৃষ্টি/উন্নীতকৰণ, এমএছইৰ নতুন/বৰ্তমানৰ ঔদ্যোগিক অঞ্চল/থুপসমূহত সুবিধাসমূহ স্থাপন কৰা আৰু সাধাৰণ সুবিধা কেন্দ্ৰসমূহ স্থাপন কৰা (পৰীক্ষা, প্ৰশিক্ষণ, কেঁচামাল ডিপো, এফ্লুৱেণ্ট পৰিশোধন, পৰিপূৰক

উৎপাদন প্রক্রিয়া আদিৰ বাবে)।

৪। **প্রযুক্তি কেন্দ্র (সঁজুলি কক্ষ আৰু প্রযুক্তি উন্নয়ন কেন্দ্র) ঃ** প্রযুক্তি কেন্দ্র সমূহ গুণগত সঁজুলি, উদ্যোগৰ বাবে প্রস্তুত জনশক্তি, সঁজুলি আৰু আনুষংগিক ক্ষেত্রত পৰামর্শ আৰু প্রক্রিয়া আৰু পণ্য বিকাশ প্রদান কৰি এমএছএমইৰ সংহত উন্নয়নত সহায়ক হোৱাকৈ স্থাপন কৰা হৈছে। টিচিসমূহে সমগ্র দেশতে টুলিং, মল্ড, ডাই, ফাউণড্রিৰ এণ্ড ফর্জিং, ইলেক্ট্ৰনিক্স, ইলেক্ট্রিৰকেল মেজাৰিং ইনষ্ট্রুমেণ্ট, ফ্রেগ্রেন্স এণ্ড ফ্লেভাৰ, গ্লাছ, স্পর্ট গুডছ আৰু জুতা ডিজাইনিং খণ্ডত কাম কৰে।

৫। **উত্তৰ পূর্বাঞ্চল আৰু ছিকিমত এম এছ এম ইৰ প্রসাৰ ঃ** ছিকিমকে ধৰি উত্তৰ-পূব অঞ্চলত এম এছ এম ই সমূহক প্রচাৰৰ উদ্দেশ্যে ভাৰত চৰকাৰে সময়ে সময়ে বিভিন্ন আঁচনি গ্রহণ কৰি আছে ইয়াৰে কেইটামান আঁচনি হ'ল-

- বর্তমানৰ মিনি টেকন'লজি চেণ্টাৰসমূহৰ নতুন আৰু আধুনিকীকৰণ: সাহায্যৰ পৰিমাণ যন্ত্রপাতি/ সঁজুলি/অট্টালিকাৰ খৰচৰ ৯০ যিটো ১০ কোটি টকাতকৈ অধিক নহ'ব।
- নতুন আৰু বর্তমানৰ ঔদ্যোগিক পামমূহৰ উন্নয়নঃ বর্তমানৰ ঔদ্যোগিক পামমূহৰ উন্নয়নৰ বাবে আন্তঃগাঁথনিৰ সুবিধাসমূহৰ ৮০% ব্যয়(সৰ্ব্বোচ্চ ৮.০০ কোটি টকাতকৈ অধিক নহয) অনুমোদন কৰা হ'ব। আন্তঃগাঁথনিৰ সুবিধাসমূহৰ ভিতৰত থাকিব বিদ্যুৎ বিতৰণ ব্যৱস্থা, পানী, দূৰসংযোগ, নিষ্কাশন আৰু প্রদূষণ নিয়ন্ত্রণৰ সুবিধা, পথ, বেংক, ষ্ট'ৰেজ, মার্কেটিং আউটলেট আদি।
- বিষয়াৰ সামর্থ্য বিকাশ: প্রশিক্ষণ (ঘৰুৱা আৰু আন্তঃৰাষ্ট্রীয়) মাচুলৰ দিশত ব্যয় আৰু বর্ডিং/লজিং খৰচ এই আঁচনিৰ অধীনত ভাৰত চৰকাৰে বহন কৰিব আৰু প্রশিক্ষণ প্রতিষ্ঠানসমূহক পোনপটীয়াকৈ প্রদান কৰা হ'ব। ব্যয়ৰ সীমা প্রতিজন অংশগ্রহণকাৰীৰ বাবে ১.৫ লাখ টকা।

১০.৮.৪ প্রযুক্তি উন্নীতকৰণ আঁচনি

১। **উৎপাদন খণ্ডৰ এমএছএমই লৈ ডিজাইনৰ বিশেষজ্ঞ ঃ** এই আঁচনিৰ লক্ষ্য হৈছে ভাৰতীয় উৎপাদন খণ্ড আৰু ডিজাইন বিশেষজ্ঞ/ ডিজাইনৰ সৈতে জড়িত ব্যক্তি সকলক এক উমৈহতীয়া মঞ্চলৈ অনা আৰু বাস্তৱত বিশেষজ্ঞৰ পৰামর্শ আৰু সমাধান প্রদান কৰা । এই আঁচনিৰ অধীনত ডিজাইন হস্তক্ষেপৰ বাবে ডিজাইন পৰামর্শদাতা নিয়োজিত কৰাৰ বাবে এম এছ এম ইসমূহক আর্থিক সাহায্য (সূক্ষ্ম উদ্যোগৰ বাবে ৭৫%, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ বাবে ৬০%,

১৫ লাখৰ পৰা ৪০ লাখ টকাৰ প্ৰকল্পৰ বাবে) প্ৰদান কৰা হয়। ।

২। **লিন মেনুফেকচাৰিং কম্পিটিটিভনেছ আঁচনি (এল এম চি এছ) ঃ** এই আঁচনিৰ লক্ষ্য হৈছে আৱৰ্জনা হ্ৰাস কৰি বিভিন্ন লিন মেনুফেকচাৰিং (এল এম) কৌশল প্ৰয়োগৰ জৰিয়তে এম এছ এম ই সমূহৰ উৎপাদন প্ৰতিযোগিতামূলক ক্ষমতা বৃদ্ধি কৰা; উৎপাদনশীলতা বৃদ্ধি কৰা; সামগ্ৰিক প্ৰতিযোগিতামূলক ক্ষমতা উন্নত কৰাৰ বাবে উদ্ভাৱনীমূলক পদ্ধতিৰ প্ৰৱৰ্তন, ভাল পৰিচালনা ব্যৱস্থাৰ খেতি কৰা; আৰু নিৰন্তৰ উন্নতিৰ সংস্কৃতি গ্ৰহণ কৰা।

৩। ডিজিটেল এম এছ এম ই আঁচনি: এই আঁচনিৰ মূল উদ্দেশ্য হৈছে এমএছএমইসমূহক ডিজিটেলভাৱে শক্তিশালী কৰা আৰু ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত তেওঁলোকৰ প্ৰতিযোগিতামূলক ক্ষমতা উন্নত কৰাৰ লক্ষ্যৰে তেওঁলোকৰ উৎপাদন আৰু ব্যৱসায়িক প্ৰক্ৰিয়াত আইচিটি সঁজুলি আৰু প্ৰয়োগ গ্ৰহণ কৰিবলৈ প্ৰেৰণা দিয়া।

৪। **জেড (Zed) প্ৰমাণীকৰণ আঁচনি ঃ** আঁচনিখনে এমএছএমই মাজত শূন্য দোষ আৰু শূন্য প্ৰভাৱ (Zero Defect and Zero Effect) উৎপাদনক প্ৰসাৰিত কৰাৰ পৰিকল্পনা কৰিছে যাতে তেওঁলোকৰ মূল্যায়নে:

ক) শেহতীয়া প্ৰযুক্তিৰ সঁজুলি ব্যৱহাৰ কৰি মানসম্পন্ন সামগ্ৰী নিৰ্মাণৰ বাবে এমএছএমইসমূহক উৎসাহিত আৰু সক্ষম কৰা আৰু পৰিৱেশৰ ওপৰত কম প্ৰভাৱ পেলোৱা উচ্চ উৎপাদনশীলতা আৰু উচ্চমানৰ লাভৰ বাবে তেওঁলোকৰ প্ৰক্ৰিয়াসমূহ অহৰহ উন্নীত কৰিবলৈ।

খ) এম এছ এম ইসমূহত শূন্য দোষ শূন্য প্ৰভাৱ উৎপাদনৰ বাবে এটা পৰিৱেশ ব্যৱস্থা গঢ়ি তোলা, প্ৰতিযোগিতামূলক ক্ষমতা বৃদ্ধি আৰু ৰপ্তানি সক্ষম কৰাৰ বাবে।

গ) d(দ্বড্রড্ড) ৰেটিঙৰ জৰিয়তে জিৰ' ডিফেক্ট আৰু জিৰ' ইফেক্ট প্ৰডাক্টৰ দাবীৰ ওপৰত জনসচেতনতা বৃদ্ধি কৰা।

এই আঁচনিৰ অধীনত এম এছ এম ইয়ে দ্বড্রড্ড... প্ৰমাণীকৰণৰ খৰচৰ সূক্ষ্ম বাবে ৮০%, সৰুৰ বাবে ৬০ শতাংশ আৰু মধ্যমীয়াৰ বাবে ৫০% ঘুৰাই লাভ কৰিব পাৰিব।

৫) বৌদ্ধিক সম্পত্তিৰ অধিকাৰৰ ওপৰত সজাগতা গঢ়ি তোলা

এই আঁচনিৰ উদ্দেশ্যসমূহ হ'ল-

ক) ভাৰতীয় অৰ্থনীতিত সৃষ্টিশীল বৌদ্ধিক প্ৰচেষ্টাক উৎসাহিত কৰিবলৈ এম এছ এম ইসমূহৰ মাজত বৌদ্ধিক সম্পত্তিৰ অধিকাৰ (Intellectual Property Rights) ৰ সজাগতা বৃদ্ধি কৰা;

খ) এম এছ এম ই সমূহে বিকশিত কৰা ধাৰণাসমূহৰ, প্ৰযুক্তিগত উদ্ভাৱন

আৰু জ্ঞান-চালিত ব্যৱসায়িক কৌশল সমুহৰ সুৰক্ষাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাচ

গ) এম এছ এম ই খণ্ডৰ সুবিধাৰ বাবে বৌদ্ধিক সম্পত্তি শচআই পিণ্ন সুৰক্ষা আৰু বাণিজ্যিকীকৰণৰ বাবে উপযুক্ত সুবিধা আৰু সমর্থন প্রদান কৰা;

এই আঁচনিৰ অধীনত পেটেণ্ট /জি আই পঞ্জীয়ন/ট্রেডমার্কৰ বাবে, আই পি সুবিধা কেন্দ্র, ইন্টাৰেক্টিভ চেমিনাৰ কর্মশালা/প্রদর্শনী আৰু সজাগতা কার্যসূচী স্থাপনৰ বাবে পৰিশোধ উপলব্ধ।

১০.৮.৫ ক্রয় আৰু বিপণন সহায়ক আঁচনি

১) সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ খণ্ডক ক্রয় আৰু বিপণন সহায়

এই আঁচনিৰ উদ্দেশ্য হৈছে-

ক) সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ খণ্ডৰ সামগ্রী আৰু সেৱাৰ বজাৰযোগ্যতা বৃদ্ধি কৰা।

খ) নতুন বজাৰ প্ররেশৰ পদক্ষেপক প্রসাৰ কৰা, সজাগতা সৃষ্টি কৰা আৰু এমএছএমইসমূহক বিভিন্ন বিপণন প্রাসংগিক বিষয়ৰ বিষয়ে জ্ঞান দিয়া

গ) বাণিজ্য মেলা, ডিজিটেল বিজ্ঞাপন, ই-মার্কেটিং, জি এছ টি, জি এম পর্টেল, ৰাজহুৱা ক্রয় নীতি আৰু অন্যান্য আনুষংগিক বিষয় আদিৰ বিষয়ে অধিক সজাগতা সৃষ্টি কৰা।

এই আঁচনিৰ অধীনত ঘৰুৱা বাণিজ্য মেলা/প্রদর্শনী, আয়োজন/ বাণিজ্য মেলা/প্রদর্শনী (আঞ্চলিক/ ৰাষ্ট্রীয়/আন্তঃৰাষ্ট্রীয়) ত অংশগ্রহণ/ মন্ত্রালয়/ ডিচি কার্যালয় (এমএছএমই)/চৰকাৰী সংস্থা, আধুনিক পেকেজিং কৌশল বিকাশ, বিপণন হাটছৰ বিকাশ, ভেণ্ডৰ ডেভেলপমেণ্ট প্রগ্রেম আদিৰ বাবে আর্থিক সাহায্য উপলব্ধ ।

২ । সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া খণ্ডৰ উদ্যোগৰ বাবে ৰাজহুৱা ক্রয় নীতি (পিপিপি), 2012(Public Procurement Policy (PPP) for MSEs Order, 2012)

সক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগক বিপণন সহায় আগবঢ়াবলৈ এম এছ এমই মন্ত্রালয়ে MSMED আইন, ২০০৬১ অধীনত সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ (এমএছই)ৰ বাবে ৰাজহুৱা ক্রয় নীতি, অর্ডাৰ, ২০১২ অধিসূচনা কৰিছে যিটো ২০১২ চনৰ ১ এপ্রিলৰ পৰা কার্যকৰী হ'ব আৰু ই. এপ্রিল ২০১৫১ পৰা বাধ্যতামূলক। এই নীতি অনুসৰি কেন্দ্রীয় মন্ত্রালয়, বিভাগ/কেন্দ্রীয় ৰাজহুৱা খণ্ডৰ উদ্যোগৰ দ্বাৰা সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পৰা ২৫% বার্ষিক ক্রয়ৰ নির্দেশ দিয়ে য'ত অনুসূচিত জাতি !জনজাতিৰ মালিকানাধীন সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পৰা ৪% আৰু মহিলা উদ্যোগীসকলৰ মালিকানাধীন সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পৰা ৩%

ক্রয় কৰা হয়।

এই নীতিৰ অধীনত সকলো পঞ্জীয়নভুক্ত সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগক তলত দিয়া সুবিধাসমূহ দিয়া হয়—

ক) আৰ্নেষ্ট মানি ডিপ'জিটৰ ধন পৰিশোধৰ পৰা ৰেহাই

খ) বিনামূলীয়াকৈ নিবিদা দিয়া।

গ) সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগৰ পৰা একচেটিয়া ক্রয়ৰ বাবে সংৰক্ষিত ৩৫৮ টা বস্তু।



১০.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ সমুহে দেশৰ কর্মসংস্থাপন, জিডিপি বৃদ্ধি, ৰপ্তানি বৃদ্ধি আদি কৰি দেশৰ আর্থ-সামাজিক বিকাশত বিপুল অৰিহণা যোগায়।
- এম এছ এম ই ইউনিটসমূহক ক্ষুদ্র, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ হিচাপে শ্রেণীভুক্ত কৰা হৈছে।
- সূক্ষ্ম, ক্ষুদ্র আৰু মজলীয়া উদ্যোগ সমুহে উদ্যম পঞ্জীয়ন পর্টেলৰ জৰিয়তে পঞ্জীয়নৰ বাবে অনলাইন আবেদন কৰিব পাৰিব।
- এম এছ এম ইৰ পঞ্জীয়ন বাধ্যতামূলক নহয়।
- বেংক আৰু চৰকাৰৰ বিভিন্ন সুবিধা লাভৰ বাবে এম এছ এম ইৰ পঞ্জীয়ন গুৰুত্বপূর্ণ।
- ভাৰতীয় এম এছ এম ই খণ্ডত পুঁজিৰ অভাৱ, অপর্যাপ্ত আন্তঃগাঁথনি, আওপুৰণি প্রযুক্তি ইত্যাদি বিভিন্ন প্রত্যাহ্বানৰ সন্মুখীন হৈছে।
- ভাৰতীয় অর্থনীতিত এমএছএমইৰ গুৰুত্বৰ প্রতি লক্ষ্য ৰাখি চৰকাৰে সময়ে সময়ে এমএছএমই খণ্ডত বিভিন্ন সা-সুবিধা প্রদানৰ বাবে বিভিন্ন আঁচনি ঘোষণা কৰি আহিছে ।



১০.১০ অধিক জানিবলৈ

১) Taxmann, Micro, Small and Medium Enterprises (MSMEs), Published by Indian Institute of Banking & Finance, Edition April 2022.



১০.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ উদ্যোগ আৰু যন্ত্রপাতিত ২৫ লাখ টকা পর্যন্ত বিনিয়োগ থকা এটা উৎপাদন ইউনিট আৰু এটা সেৱা খণ্ডৰ ইউনিটে সঁজুলিত ১০ লাখ টকা পর্যন্ত বিনিয়োগ কৰিলে ক্ষুদ্ৰ উদ্যোগ বুলি অভিহিত কৰা হ'ব।

২ নং প্রশ্নৰ উত্তৰ ঃ নিয়োগ সৃষ্টি আৰু ৰপ্তানি প্রসাৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ বেংক আৰু কেন্দ্রীয়/ৰাজ্য চৰকাৰৰ পৰা বিভিন্ন সুবিধা লাভ কৰিবলৈ।

৪ নং প্রশ্নৰ উত্তৰ ঃ দুর্বল আন্তঃগাঁথনি আৰু পুৰণি প্রযুক্তিৰ ব্যৱহাৰ



১০.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ MSME Act, ২০০৬ ৰ অধীনত MSME ৰ বিভিন্ন শ্রেণীবিভাজন কি কি?

প্রশ্ন ২ ঃ ভাৰতীয় প্রেক্ষাপটত এম এছ এম ই খণ্ডৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা।

প্রশ্ন ৩ ঃ এম এছ এম ই ইউনিটৰ পঞ্জীয়ন প্রক্রিয়াৰ বিষয়ে ব্যাখ্যা কৰা।

প্রশ্ন ৪ ঃ এম এছ এম ই ইউনিটৰ পঞ্জীয়ন কিয় গুৰুত্বপূর্ণ? আলোচনা কৰা

প্রশ্ন ৫ ঃ ভাৰতীয় এম এছ এম ই সমূহে কি কি প্রত্যাহ্বানৰ সন্মুখীন হৈছে?

*** ***** ***

অধ্যায় ১১ ঃ উদ্যমিতা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ উদ্যমীৰ অর্থ

১১.৪ এগৰাকী উদ্যমীৰ বৈশিষ্ট্য

১১.৫ উদ্যমিতাৰ ধাৰণা

১১.৬ উদ্যমী শ্রেণীৰ অভ্যুত্থান

১১.৭ উদ্যমিতাৰ তত্ত্ব

- ১১.৭.১ অর্থনৈতিক তত্ত্ব
- ১১.৭.২ সমাজতাত্ত্বিক তত্ত্ব
- ১১.৭.৩ গতিশীল উদ্যমিতা উদ্ভাৱন তত্ত্ব
- ১১.৭.৪ লেইবেনষ্টাইনৰ এক্স-কার্যদক্ষতা তত্ত্ব
- ১১.৭.৫ লাভৰ তত্ত্ব

১১.৮ অর্থনৈতিক বিকাশত উদ্যমীৰ ভূমিকা

১১.৯ উদ্যমিতাৰ প্রক্রিয়া

১১.১০ ব্যৱসায়ৰ চিন্তা-ধাৰণাৰ উৎস

১১.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.১২ অধিক জানিবলৈ

১১.১৩ অগ্রগতিৰ খতিয়ান

১১.১৪ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- উদ্যমী আৰু উদ্যমিতাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- এগৰাকী উদ্যমীৰ থাকিবলগীয়া বৈশিষ্ট্যবোৰ আলোচনা কৰিব পাৰিব
- উদ্যমী শ্রেণীটোৰ উত্থানৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- উদ্যমিতাৰ সৈতে জড়িত বিভিন্ন তত্ত্ব ব্যাখ্যা কৰিব পাৰিব
- উদ্যমিতা প্রক্রিয়াবোৰৰ কার্যঢাপসমূহ ব্যাখ্যা কৰিব পাৰিব
- অর্থনৈতিক বিকাশত উদ্যমীৰ ভূমিকা বর্ণনা কৰিব পাৰিব।

১১.২ পৰিচয়

আলফ্ৰেড ন'র্থ হোৱাইটহেডে কৈছিল, "উদ্ভাৱনবোৰ উদ্ভাৱন কৰাটোৱেই হ'ল সবাতোকৈ মহান উদ্ভাৱন।" উক্তিটো সন্দর্ভত মন্তব্য কৰি জোছেফ আৰ. মাৰ্কুচ'ই লিখিছে, "যদি এই উক্তিটোত সত্যতা আছে তেন্তে কোনো এক উদ্ভাৱনক বিশ্ববাসীৰ সৈতে পৰিচয় কৰাই দিয়া ব্যক্তিগৰাকী, অর্থাৎ উদ্যমীগৰাকীয়েও এই মহানতাৰ ভাগ পোৱা উচিত। উদ্যমী হ'ল এনে এগৰাকী ব্যক্তি যিয়ে একো নথকা অৱস্থা এটাৰ পৰা সক্রিয় ব্যৱসায় এটাৰ জন্ম দিয়ে।" এক অর্থত, উদ্যমীসকল হ'ল জাতি আৰু দেশ নির্মাতা। তেওঁলোকে নিজৰ উদ্ভাৱনীমূলক ভৱিষ্য দৃষ্টি, গতিশীল নেতৃত্ব আৰু সৃজনাত্মক সিদ্ধান্ত আচৰণেৰে মানৱীয়তা গঢ়ি তোলে। উদ্যমীসকল হ'ল অর্থনৈতিক কার্যকলাপৰ কেন্দ্রীয় চৰিত্র আৰু উন্নয়নৰ তৰান্বিতকাৰী।

এই অধ্যায়টোত আমি উদ্যমীৰ অর্থ আলোচনা কৰিম। এগৰাকী উদ্যমী কি কি গুণ আৰু বৈশিষ্ট্যৰ অধিকাৰী হোৱা উচিত অধ্যায়টোত সেয়াও আলোচনা কৰা হ'ব। অধ্যাটোৰ আন এক আলোচ্য বিষয় হ'ল উদ্যমী শ্রেণীটোৰ উত্থান।

উদ্যমিতা বিষয়ৰ বহুতো তত্ত্ব আছে। তত্ত্ববোৰ অর্থনৈতিক, সমাজতাত্ত্বিক আৰু মনোবৈজ্ঞানিক দৃষ্টিকোণেৰে বিবেচনা কৰি চাব পৰা যায়। উদ্যমিতাৰ কেইটামান গুৰুত্বপূর্ণ তত্ত্বও অধ্যায়টোত আলোচনা কৰা হ'ব।

আগতেই কৈ অহা হৈছে যে উদ্যমীসকল হ'ল অর্থনৈতিক বিকাশৰ ভেটি নির্মাণ কৰোঁতা। অধ্যায়টোৰ শেষ অংশত উদ্যমীসকলৰ এই ভূমিকাটোৰ বিষয়ে আলোচনা কৰা হ'ব।

১১.৩ উদ্যমীৰ অর্থ

উদ্যমী বুজোৱা ইংৰাজী শব্দ 'Enterpreneur' ৰ অর্থ হ'ল নিজৰ চৌপাশৰ পৰিৱেশত নতুন পৰিস্থিতি বিচাৰি উলিওৱা আৰু তেনে পৰিস্থিতিৰ মূল্যাংকন কৰিব পৰা ব্যক্তি। উদ্যমী এগৰাকীয়ে প্রয়োজনীয় বুলি ভবাধৰণে অর্থনৈতিক প্রণালীবোৰত অনুকূল সমাযোজন ঘটাব পাৰে। পৰিস্থিতিৰ সৈতে খাপ খোৱা উদ্যোগ আৰম্ভ কৰাৰ ধাৰণা উদ্যমীৰ মনতেই উদয় হয় আৰু তেওঁ এই ধাৰণাক বাস্তৱ ৰূপ দিয়ে। এই সমগ্র প্রক্রিয়াটো আগবঢ়াই লৈ গৈ থকাৰ সময়ত উদ্যমী এগৰাকীয়ে তলত উল্লেখ কৰা কামবোৰৰ এটা অথবা এটাতকৈ অধিক কামো সম্পাদন কৰে।

- লাভদায়ক বিনিয়োগৰ সুবিধা অনুমান কৰি লয়,
- কোনো উদ্যোগ আৰম্ভ কৰাৰ সম্ভাৱনাবোৰৰ অন্বেষণ কৰে,
- প্রয়োজনীয় ঔদ্যোগিক অনুজ্ঞাপত্র আহৰণ কৰে,
- প্রথম অৱস্থাত প্রয়োজন হ'ব পৰা পুঁজি জমা কৰে,
- বিত্তীয় প্রতিষ্ঠানবোৰক ব্যক্তিগত নিশ্চিতি প্রদান কৰে,
- পুঁজি নাটনিৰ অভাৱ পূৰণ কৰাৰ প্রতিশ্রুতি দিয়ে আৰু

- কাৰিকৰী জ্ঞানৰ যোগান ধৰে।

ওপৰৰ কথাবোৰৰ পৰা গম পোৱা গ'ল যে উদ্যমীসকল হ'ল সম্ভাব্য বিপদৰ দায়িত্ব মূৰ পাতি লওঁতা, উৎপাদনৰ বিভিন্ন দিশৰ মাজত সংযোগ স্থাপনকাৰী আৰু সম্পত্তি তথা কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিকাৰী।

১১.৪ এগৰাকী উদ্যমীৰ বৈশিষ্ট্য

এগৰাকী উদ্যমী সাধাৰণতে অত্যন্ত সফলতাকামী, উৎসাহী আৰু কর্মপ্রাণ প্রকৃতিৰ হোৱা দেখা যায়। যাৰ তলত উল্লেখ কৰা বৈশিষ্ট্য থাকে।

- **মানসিক সামর্থ ঃ** উদ্যমী এগৰাকী যথেষ্ট বুধিয়ক হ'ব লাগে। তেওঁৰ চিন্তাধাৰা সৃজনাত্মক হ'ব লাগে। তেওঁৰ বজাৰ, উপভোক্তাৰ মনোভাৱ, প্রযুক্তিগত বিকাশ, চৰকাৰী নীতি আদিৰ সম্ভাব্য পৰিৱর্তনৰ বিষয়ে সঠিক অনুমান কৰাৰ সামর্থ থাকিব লাগে। তেওঁ সময়সাপেক্ষ সিদ্ধান্ত গ্রহণত দক্ষ হ'ব লাগে।
- **স্পষ্ট উদ্দেশ্য ঃ** কোনো উদ্যেগ আৰম্ভ কৰাৰ আগতে উদ্যমীয়ে কৰিব খোজা কামবোৰৰ বাবে স্পষ্ট উদ্দেশ্য বান্ধি ল'ব লাগে। উদ্দেশ্য স্পষ্ট নহ'লে প্রতিষ্ঠানগত লক্ষ্য স্থিৰ কৰিব নোৱাৰি।
- **গোপনীয়তা ঃ** এগৰাকী উদ্যমীৰ ব্যৱসায়িক গোপনীয়তা ৰক্ষা কৰি চলিব পৰা গুণ থকা উচিত। ব্যৱসায়িক গোপনীয়তা ফাদিল হোৱাৰ অর্থ হ'ল সমস্যা সৃষ্টি কৰিবলৈ অনবৰতে সাজু হৈ থকা প্রতিদ্বন্দ্বী ব্যৱসায়ীক সুযোগ দিয়া।
- **মানৱীয় সম্পর্ক স্থাপনকাৰী দৃষ্টিভংগী ঃ** ব্যৱসায়ৰ সর্বাংগীন বিকাশৰ বাবে এগৰাকী উদ্যমীয়ে সহযোগিতা আৰু সমন্বয়ৰ বাতাৰৰণ সৃষ্টি কৰি লোৱা উচিত। ইয়াৰ বাবে তেওঁ সংশ্লিষ্ট সকলো পক্ষৰ লগত সৌহার্দ্যপূর্ণ সম্পর্ক বর্তাই ৰাখিব লাগিব।
- **সংযোগ স্থাপনৰ সামর্থ ঃ** গ্রাহক, কর্মচাৰী, সামগ্রী যোগনিয়াৰ আৰু ঋণদাতা সকলোৰে সৈতে ফলপ্রসূ সংযোগ স্থাপন কৰিব পৰা উদ্যমীৰ ব্যৱসায়ত সফল হোৱাৰ সম্ভাৱনা অধিক।
- **কাৰিকৰী জ্ঞান ঃ** উদ্যমীয়ে যিটো কাম আৰম্ভ কৰে সেই কামৰ সৈতে জড়িত কাৰিকৰী দিশবোৰৰ পর্যাপ্ত জ্ঞান থাকিব লাগে।
- **কঠোৰ পৰিশ্রম ঃ** কোনো এটা ব্যৱসায়ৰ ধাৰণা মনত উদয় হোৱাৰ পৰা উদ্যমীয়ে কঠোৰ পৰিশ্রম কৰে আৰু ইপাছলৈ তেওঁৰ অভ্যাসত পৰিণত হয়। নিৰলসভাৱে পৰিশ্রম কৰি যাব পৰা দৃঢ়সংকল্পৰদ্ধ ব্যৱসায়ী এগৰাকীয়ে পৰি অহা ব্যৱসায় এটাকো পুনৰ উজ্জীৱিত কৰি তুলিব পাৰে।
- **উদ্ভাৱনমূলক চিন্তাৰ গৰাকী ঃ** উদ্যমীয়ে নতুন চিন্তা-ধাৰণাত বিশ্বাস কৰে। অদূৰ ভৰিষ্যতে হ'ব পৰা পৰিৱর্তনবোৰৰ কথা ভাবি উদ্যমীয়ে উদ্ভাৱনীমূলক কাম-কাজৰ পাতনি মেলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উদ্যমীৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ এজন উদ্যোগীয়ে তেওঁৰ প্রকল্পক বাস্তৱত পৰিণত কৰাৰ ক্ষেত্রত কৰা তিনিটা কামৰ কথা উল্লেখ কৰক।

১১.৫ উদ্যমীতাৰ ধাৰণা

উদ্যমীৰ বৈশিষ্ট্যবোৰ আলোচনা কৰাৰ পাছত এই বাৰ আমি 'উদ্যমিতা' (Enterpreneurship) ৰ অর্থ বুজাৰ চেষ্টা কৰোঁ আহকচোন ! এতিয়ালৈকে উদ্যমী আৰু উদ্যমিতা- এই দুয়োটা অভিধা সম্পর্কে অধ্যয়নকাৰীসকল একমত হ'ব পৰা নাই। ওপৰৰ শিতানত আমি এগৰাকী উদ্যমীৰ থাকিবলগীয়া বৈশিষ্ট্য কেইটামানৰ বিষয়ে আলোচনা কৰিলো। এই বৈশিষ্ট্যবোৰক ভিত্তি কৰি তেওঁলোকে যিবোৰ ব্যৱসায়কেন্দ্রিক কার্যকলাপ সম্পাদন কৰে সেইবোৰকে বহলভাৱে উদ্যমিতা কার্যকলাপ অথবা সৰলকৈ উদ্যমিতা বুলিব পাৰি।

উদ্যমিতা এটা গতিশীল ধাৰণা। সময় বাগৰাৰ লগে লগে ইয়াৰ পৰিৱর্তন হৈছে আৰু আগলৈও এই ক্রমবিকাশ অব্যাহত থাকিব। কিছুমান বিশেষজ্ঞই উদ্যমিতাৰ বিপদৰ সম্ভাৱনা গা পাতি ল'ব পৰা বৈশিষ্ট্যটোক আৰু আন কিছুমানে ইয়াৰ উদ্ভাৱনৰ দিশটোক গুৰুত্ব প্রদান কৰে।

শ্বাম্পিটাৰে উদ্যমিতাক 'সৃজনাত্মক বিনাশ' (creative destruction) বুলি অভিহিত কৰিছিল (learn.saylor.org)।

উদ্যমিতা অভিধাটোৰে সাধাৰণভাৱে কোনো নতুন ব্যৱসায় আৰম্ভ কৰাৰ প্রক্রিয়াটোক বুজোৱা হয়। বর্তমান ইয়াক 'ষ্টার্ট-আপ কোম্পানী' বুলি কোৱা হয়। উদ্যমিতাৰ সৈতে জড়িত আন এটা দিশ হ'ল অভিধাটো কেৱল লাভ আহৰণকাৰী ব্যৱসায়বোৰৰ কথা বুজাবলৈকে ব্যৱহাৰ কৰা নহয়। উদ্ভাৱনীমূলক উপায়েৰে সামাজিক সমস্যা সমাধান কৰাৰ প্রয়াসবোৰকো উদ্যমিতাকেন্দ্রিক কার্যকলাপ বুলি ধৰা হয়। এনে কার্যকলাপক 'সামাজিক উদ্যমিতা' (social enterpreneurs) বোলা হয়।

১১.৬ উদ্যমী শ্রেণীৰ অভ্যুত্থান

দুটা প্রধান শিতানৰ অধীনত উদ্যমী শ্রেণীৰ অভ্যুত্থানৰ বিষয়টো অধ্যয়ন কৰিব পাৰি।

ক) বিভিন্ন সমাজত উদ্যমিতাকেন্দ্রিক বিকাশ বিশ্লেষণৰ তাত্ত্বিক দৃষ্টিভংগী আৰু

খ) ভাৰতত উদ্যমিতাৰ দৃশ্যপট

ক) তাত্ত্বিক দৃষ্টিভংগী

বিভিন্ন সম্প্রদায় আৰু সমাজত উদ্যমিতাৰ ঐতিহাসিক বিকাশত বিভিন্ন কাৰকৰ অৱদান আছে। তলত এইবোৰ চমুকৈ আলোচনা কৰা হ'ল-

- **উদ্যমিতাকেন্দ্রিক বিকাশৰ নৈতিক ব্যৱস্থাৰ প্ৰভাৱ**

  সংশ্লিষ্ট সমাজৰ নৈতিক প্ৰমূল্য ব্যৱস্থাটোৱে উদ্যমিতাকেন্দ্রিক বিকাশ নিয়ন্ত্ৰণ কৰে বুলি পোনপ্ৰথমে মেক্স ৱেবাৰে আঙুলিয়াই দেখুৱাইছিল। তেওঁ কৈছিল যে প্ৰযুক্তিবিদ্যাৰ যুক্তিসংগত প্ৰয়োগ, ধন আহৰণ আৰু উৎপাদনশীলতা তথা ধনৰ পৰিমাণ বৃদ্ধিকৰণত ইয়াৰ যুক্তিসংগত প্ৰয়োগ হ'ল দ্ৰুত ঔদ্যোগিক বিকাশ সম্ভৱ কৰি তোলা দুটা কাৰক। এই উপাদানবোৰ আকৌ ব্যক্তিৰ সুনিৰ্দিষ্ট প্ৰমূল্য অভিবিন্যাস (specific value orientation) নিৰ্ভৰশীল। ৱেবাৰে প্ৰ'টেষ্টাণ্ট মতাৱলম্বীৰ নীতিশাস্ত্ৰ আৰু পুঁজিবাদৰ সাৰবস্তুৰ মাজত এটা সম্পৰ্ক বিচাৰি পাইছিল। তেওঁৰ মতে এই প্ৰৱণতাটো হিন্দু, জৈন আৰু জুদাৰ দৰে আন বহুতো ধৰ্ম মতাৱলম্বী সম্প্ৰদায়ৰ মাজতো পৰিলক্ষিত হয়। ৱেবাৰৰ মতে প্ৰ'টেষ্টাণ্টসকলে দ্ৰুত গতিত পুঁজিবাদৰ প্ৰসাৰ ঘটাবলৈ সক্ষম হৈছিল। কাৰণ, তেওঁলোকৰ বাবে স্বীকৃত নৈতিক প্ৰমূল্য প্ৰণালীটোৱে তেওঁলোকক এক যুক্তিসংগত অৰ্থনৈতিক মনোভাৱৰ গৰাকী কৰি তুলিছিল। ৰ'বাৰ্ট কেনেডী আৰু য়েলৰ দৰে তাত্ত্বিকৰ মতেও যিবোৰ সমাজৰ স্বীকৃত নৈতিক প্ৰমূল্যসমূহে সদস্যসকলক সিদ্ধান্ত গ্ৰহণৰ স্বতন্ত্ৰ ক্ষমতা প্ৰদান কৰে সেই সমাজবোৰত উদ্যমিতাৰ দ্ৰুত বিকাশ ঘটে। এই দৃষ্টিভংগীবোৰত কিছু সত্যতা আছে যদিও এইবোৰ সাৰ্বজনীনভাৱে গৃহীত দৃষ্টিভংগী নহয়।

- **উদ্যমিতাকেন্দ্রিক বিকাশত সংখ্যালঘূ গোটবোৰৰ প্ৰভাৱ**

  হেগেন (১৯৬২ চন) মতে সমাজৰ বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত সংখ্যালঘূ গোটবোৰেই বেছিভাগ সময়ত উদ্যমিতাৰ উৎস হিচাপে কাম কৰে। ফ্ৰেয়াৰৰ দৰে আন কেইবাগৰাকীও পণ্ডিতে এই মনোবলটো ব্যাখ্যা কৰাৰ প্ৰয়াস কৰিছিল। একেদৰে, পাৰ্ক (১৯৫০ চন) আৰু ষ্টোনকিষ্ট (১৯৩৭ চন)-এও আঙুলিয়াই দিছিল যে বেছিভাগ সময়তে আনসকলতকৈ সাংস্কৃতিক দিশেৰে প্ৰান্তীয় সম্প্ৰদায়ৰ সদস্যৰ দ্বাৰা প্ৰযুক্তিবিদ্যাগত উদ্ভাৱনবোৰ কৰা হৈছে। আন এগৰাকী তাত্ত্বিক মেক্‌ক্লেলেণ্ড (১৯৭১ চন)ৰ মতে জৈন সম্প্ৰদায়টো আনসকলতকৈ অধিক ব্যৱসায়কেন্দ্রিক। ইয়াৰ কাৰণ হ'ল তেওঁলোক একে সময়তে সংখ্যালঘূ কিন্তু বুদ্ধি-বৃত্তিৰে উন্নততৰ গোট বুলি সচেতন। এই সচেতনতাই তেওঁলোকক সফলতা লাভৰ প্ৰতি অধিক উদ্বুদ্ধ কৰি তোলে।

- **উদ্যমিতাকেন্দ্রিক বিকাশত সফলতা লাভৰ প্ৰয়োজনীয়তাই সৃষ্টি কৰা প্ৰেৰণাৰ প্ৰভাৱ**

  মেক্‌ক্লেলেণ্ডৰ মতে সাফল্য লাভৰ প্ৰেৰণা হ'ল উদ্যমিতাৰ সূত্ৰপাত হোৱাৰ তাৎক্ষণিক কাৰণ। তেওঁ উদ্যমিতাকেন্দ্রিক বিকাশক সাফল্য লাভৰ প্ৰেৰণাৰ মাত্ৰাৰে জুখি চাইছিল। অধ্যয়নৰ পৰা তেওঁ জানিব পাৰিছিল যে সফলতা লাভৰ প্ৰয়োজনীয়তা আৰু সফল অৰ্থনৈতিক কাৰ্যকলাপৰ মাজত এক ঘনিষ্ঠ সহঃসম্পৰ্ক আছে।

- **উদ্যমিতাকেন্দ্রিক বিকাশত নতুন চিন্তা-ধাৰণা আৰু সুযোগ উন্মোচিত হোৱাৰ প্ৰভাৱ**

  কিছুমান অধ্যয়নৰ পৰা গম পোৱা গৈছে যে নতুন চিন্তা-ধাৰণা আৰু সুযোগ উন্মোচিত হোৱা মানেই নিৰ্মাণ আৰু ঔদ্যোগিক কাৰ্যকলাপৰ আৰম্ভণি হোৱা। ভাৱতত

উদ্যমিতাকেন্দ্রিক বিকাশ সম্পর্কে অধ্যয়ন কৰা তাত্তিবক ত্রিপাঠীৰ মতে ধর্মই নহয়, নতুন চিন্তা-ধাৰণা আৰু সুযোগ উন্মোচিত হোৱাৰ পৰিৱেশটোৱেহে পাচী আৰু হিন্দু উদ্যোগীসকলক নির্মাণ কার্যত জড়িত হ'বলৈ উদ্‌গনি যোগাইছিল।

- **উদ্যমিতাকেন্দ্রিক বিকাশত ৰাজনৈতিক ব্যৱস্থাৰ প্রভাৱ**

  একাংশ গৱেষকৰ মতে দেশ এখনৰ ৰাজনৈতিক ব্যৱস্থাটোৰ কথা বিবেচনা নকৰাকৈ দেশখনৰ উদ্যমিতাৰ বিকাশ সম্পূর্ণকৈ ব্যাখ্যা কৰিব পৰা নাযাব। ফ্রান্স আৰু ৰাছিয়াত উদ্যমিতাৰ বিকাশ ঘটাত দেশ দুখনৰ ৰাজনৈতিক সংৰচনাই নির্ণায়কৰ ভূমিকা লৈছিল বুলি ব'ল্ডিঙে মত পোষণ কৰিছিল। একেদৰে, হ'চেলিটৰ্ৰ যুক্তি অনুসৰি ফ্রান্সৰ অর্থনৈতিক অনগ্রসৰতাৰ কাৰণ হ'ল উদ্যমীসকলক পর্যাপ্ত উৎসাহ বর্দ্ধনকাৰী সা-সুবিধা আৰু সুৰক্ষা প্রদানত দেশখনৰ সামাজিক সংৰচনাটো ব্যর্থ হৈছিল। মেধোৰাৰ মতে ভাৰতত উদ্যমিতাৰ বিকাশ ঘটাত পলম হোৱাৰ কাৰণ উদ্যমিতাকেন্দ্রিক প্রেৰণাৰ অভাৱ নহয়, দেশৰ ৰাজনৈতিক সংৰচনাটোৱে প্রদর্শন কৰা অনা-দায়ৰদ্ধত মনোভাৱহে। ভাৰতত উদ্যমিতাকেন্দ্রিক বিকাশত ৰাজহুৱা নীতিবোৰৰ প্রভাৱ অধ্যয়ন কৰা দুগৰাকী গৱেষক হ'ল এ. কে. শর্মা আৰু মিশ্র।

- **উদ্যমিতাকেন্দ্রিক বিকাশত আঞ্চলিক ঔদ্যোগিক বাতাৰৰণৰ প্রভাৱ**

  বিভিন্ন অধ্যয়নৰ পৰা গম পোৱা গৈছে যে ভাৰতত পাচী ব্যৱসায়ীসকলৰ পাছতেই গুজৰাটী আৰু মাৰৱাৰী বৈশ্য সম্প্রদায়কেইটাই উদ্যমিতাকেন্দ্রিক কার্যকলাপত প্রাধান্য বিস্তাৰ কৰি আছে। সম্প্রদায়কেইটাৰ ব্যৱসায়িক সফলতাৰ কাৰণ হিচাপে তেওঁলোকৰ ধর্মীয় প্রমূল্য আৰু কিছুমান বিশেষ দলীয় বৈশিষ্ট্যক চিনাক্ত কৰা হৈছে। কিন্তু বিষয়টোৰ আন এগৰাকী গৱেষক পণ্ডিত (১৯৫৭)এ এই কথাক প্রত্যাহ্বান জনাই কৈছে যে গুজৰাটী আৰু মাৰৱাৰী বৈশ্য সম্প্রদায়কেইটাৰ ঔদ্যোগিক প্রাধান্যৰ মূল কাৰণ হ'ল অঞ্চলটোৰ ঔদ্যোগিক বাতাৰৰণ। তেওঁৰ মতে বিভিন্ন কাৰণত গুজৰাটৰ পৰিৱেশ ব্যৱসায় আৰু উদ্যোগৰ বাবে অনুকূল। একেটা প্রসংগতে আন এক যুক্তি দাঙি ধৰি তেওঁ কৈছে যে পাচীসকলে উচ্চস্তৰৰ উদ্যমিতা প্রৱণতা দেখুওৱাৰ প্রধান কাৰণ হ'ল তেওঁলোকো মূলতঃ গুজৰাটৰ বাসিন্দা। অৱশ্যে আন বহুতো গৱেষকে আলোচনা কৰা উদ্যমিতাকেন্দ্রিক কার্যকলাপত দলীয় কাৰকৰ প্রভাৱক সম্পূর্ণৰূপে আওকাণ কৰিব নোৱাৰি।

খ) ভাৰতত উদ্যমী শ্রেণীৰ অভ্যুত্থান

প্রাচীন ভাৰতৰ বাৰাণসী, এলাহাবাদ, গয়া, পুৰী আৰু মির্জাপুৰ আদিৰ দৰে কেইখনমান নগৰ-চহৰত চাৰু-কাৰু শিল্পভিত্তিক উদ্যমিতাৰ অস্তিত্ব আছিল বুলি গম পোৱা গৈছে। এই আটাইকেইখন স্থান নদীৰ পাৰত অৱস্থিত। গতিকে স্থানকেইখনত ব্যৱসায়-বাণিজ্যৰ বাবে সুচল পৰিবহন ব্যৱস্থা একোটা আছিল। কিন্তু ঔপনিৱেশবাদী ৰাজনৈতিক কর্তৃপক্ষৰ উৎসাহ বর্দ্ধনকাৰী কার্যকলাপ তথা উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত এনে উদ্যমিতাবোৰৰ পূর্ণ বিকাশ নঘটিল।

প্রাচীন ভাৰতত বিভিন্ন ব্যৱসায়-বাণিজ্যভিত্তিক উদ্যমিতাৰো প্ৰচুৰ উপস্থিতি আছিল। কিন্তু এসময়ত বহুতো ব্যৱসায়ী আৰু ধন ধাৰে দিওতাই ভাৰত এৰি বাৰ্মা, মালেইচিয়া, চিংগাপুৰ আৰু কেনিয়াৰ দৰে দেশলৈ গৈ থিতাপি লৈছিল। এই ব্যৱসায়ীসকলে চীন আৰু হংকঙৰ সৈতে বিস্তৃত ব্যণিজ্যিক সম্পৰ্ক গঢ়ি তুলিছিল। ভাৰতত উদ্যমিতাই আৰম্ভণিতে বৃদ্ধি হোৱা নাছিল। ইয়াৰ মন্থৰ বিকাশৰ প্ৰধান কাৰণবোৰ হ'ল-

- মূলধনৰ অভাৱ
- ৰাজনৈতিক একতাৰ অভাৱ
- বিস্তৃত জালিকাসদৃশ সীমা শুল্কৰ বাধা
- আঞ্চলিক বজাৰ
- শুল্ক নীতি
- বাৱসায়ীৰ নিম্ন সামাজিক প্ৰতিষ্ঠা

ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্ৰৱেশ কৰাৰ পাছত নিৰ্মাণকেন্দ্ৰিক উদ্যমিতাৰ সূচনা হৈছিল। ই ভাৰতীয় ব্যৱসায়ীক আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰখনত ভৰি থ'বলৈ উৎসাহিত কৰিছিল। কোম্পানীয়ে বিশেষভাৱে পাচী সম্প্ৰদায়টোৰ ব্যৱসায়ৰ বাবে উদ্‌গনি যোগাইছিল। সম্প্ৰদায়টোৱে ইষ্ট ইণ্ডিয়া কোম্পানীৰ সৈতে সম্পৰ্ক থকা বহুতো বাণিজ্য পৰিচালনা কৰিছিল আৰু ব্যৱসায়িক বৃত্তি গ্ৰহণ কৰিছিল। পাচীসকলে বৃটিছৰ সৈতে সুসম্পৰ্ক স্থাপন কৰাত সফল হৈছিল। তেওঁলোকে ব্ৰোকাৰ, পণ্যদ্ৰব্য যোগনিয়াৰ আৰু জাহাজ নিৰ্মাণ উদ্যোগত মিস্ত্ৰী-শিল্পী আদিৰ কাম কৰিছিল। বৃটিছৰ এজেন্সী হাউছবোৰেও ভাৰতত উদ্যমিতাৰ বিকাশ ঘটোৱাত অৱদান আগবঢ়াই গৈছে। অষ্টাদশ শতিকাৰ শেষ দশকত এজেন্সী হাউছে ক'লকাতা, মুম্বাই আৰু চেন্নাইত বহুতো উদ্যমীক অনুপ্ৰাণিত কৰিছিল। এই হাউছবোৰে আগ্ৰহীসকলক উদ্যমিতা অনুকূল সামৰ্থৰে উপযুক্ত কৰি তুলিছিল আৰু মূলধনৰ যোগান ধৰিছিল। ১৮১৩ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা ভাৰতত ব্যৱসায়-বাণিজ্য কৰাৰ একচেটীয়া অধিকাৰ গুছি যোৱাৰ পাছত এই উদ্যমিতাবোৰে ব্যৱসায়-বাণিজ্য, বেংকিং আৰু ভাপ চালিত জাহাজ নিৰ্মাণ খণ্ডত প্ৰৱেশ কৰিছিল। ঔদ্যোগিক বিপ্লৱৰ সূচনা হোৱাৰ পাছত এজেন্সী হাউছবোৰে নীল উৎপাদন, চামৰাৰ সামগ্ৰী নিৰ্মাণ আৰু তীখা উদ্যোগত ভাৰতীয় উদ্যমীসকলৰ প্ৰৱেশৰ পৃষ্ঠপোষকতা কৰিছিল। ব্ৰীমাৰৰ মতে এজেন্সী হাউছবোৰৰ পৰিচালনাকাৰী এজেন্টসকল আছিল ভাৰতৰ প্ৰকৃত উদ্যমী। তেওঁলোকে আনসকলক উৎপাদনৰ নতুন পদ্ধতিৰ সৈতে চিনাকী কৰাই দিছিল, কেঁচামালৰ নতুন উৎসৰ সন্ধান দিছিল, নতুন সামগ্ৰীৰ তথ্য যোগান ধৰিছিল আৰু নতুন বজাৰৰ সৈতে পৰিচয় কৰাই দিছিল। ভাৰতীয় এজেন্সী হাউছবোৰে সৰ্বাধিক লাভ আহৰণ কৰিবলৈ কোম্পানীবোৰক নিজৰ নিয়ন্ত্ৰণাধীন কৰি ৰাখিছিল।

চাহ, কফী আদিৰ দৰে ৰোপণ ব্যৱসায়ৰ ক্ষেত্ৰত বৃটিছসকলেও উদ্যমিতাৰ পাতনি মেলিছিল। বৃটিছ উদ্যমীসকল ভাৰতীয় কপাহ, বস্ত্ৰ আৰু তীখাৰ ব্যৱসায় কৰিবলৈ আগ্ৰহী নাছিল। ১৮৫০ চনৰ পৰাহে ভাৰতত আধুনিক কাৰখানা প্ৰণালীৰ বিকাশ ঘটিছিল। ১৯১৫

চনলৈ দেশত মুঠ ৯৬টা কল-কাৰখানা স্থাপিত হৈছিল। ইয়াৰে ৪১টাৰ মালিক আছিল পাৰ্চী, ২৩টাৰ হিন্দু, ১০টাৰ মুছলমান আৰু ২২টা আছিল বৃটিছ মালিকৰ কল-কাৰখানা। পাৰ্চীসকলে লাহে লাহে বস্ত্র উদ্যোগ, লো আৰু তীখা ব্যৱসায়ত আধিপত্য বিস্তাৰ কৰিছিল। অর্থাৎ, পাৰ্চীসকলে ভাৰতত উদ্যমিতাৰ বিকাশ ঘটা সময়ৰে পৰাই এই খণ্ডটোত আধিপত্য দেখুৱাই আহিছে। এসময়ত ব্রাহ্মণ সম্প্রদায়েও নির্মাণ খণ্ডত প্রৱেশ কৰিছিল।

প্রথম মহাসমৰৰ সময়ছোৱাত আৰু তাৰপাছত ভাৰতত উদ্যমিতাৰ দ্বিতীয় পর্যায়টো আৰম্ভ হৈছিল। এই পর্যায়ত চিমেণ্ট আৰু চেনী উদ্যোগৰ দ্রুত বিকাশ ঘটিছিল। পাৰ্চীসকলৰ আপেক্ষিক গুৰুত্বই নির্মাণ খণ্ডক আগবঢ়াই নিছিল। একেদৰে, মাৰৱাৰীসকলৰ আপেক্ষিক গুৰুত্বই তেওঁলোকক ব্যৱসায় সম্প্রসাৰণৰ বাবে সমগ্র ভাৰততে বিয়পি পৰাৰ সুযোগ দিছিল। এইখিনি সময়তে স্ব-নির্মিত উদ্যমীৰ দল এটাৰো উত্থান ঘটিছিল। ব্যক্তিগত মূলধন বিনিয়োগ কৰি তেওঁলোকে উচ্চহাৰৰ লাভ আহৰণ কৰিছিল। কিন্তু এই সময়ছোৱাত উদ্ভাৱনীমূলক উদ্যমিতাৰ উপযুক্ত বিকাশ ঘটা নাছিল। দ্বিতীয় মহাসমৰৰ কালছোৱাত উদ্যমিতা বিকাশ প্রক্রিয়াটোৱে এক নতুন গতি লাভ কৰিছিল। তেতিয়াৰে পৰা ভাৰতীয় অর্থনীতিয়েও দ্রুত পৰিৱর্তনৰ মাজেৰে গতি কৰিছে। যুদ্ধ চলি থকাৰ সময়ত উদ্যমীসকলে নতুন উদ্যোগ স্থাপন কৰিবলৈ নানা উৎসাহ বৃদ্ধিকাৰী সা-সুবিধা লাভ কৰিছিল।

দ্রুত ঔদ্যোগিক বিকাশে তিনিটা গুৰুত্বপূর্ণ প্রভাৱ পেলাইছিল-

- পাৰ্চী আৰু বৈশ্য সম্প্রদায়ৰ দৰে দুটামান বিশেষ সামাজিক স্তৰৰ উদ্যোগীসকলে সমগ্র ভাৰতীয় ঔদ্যোগিক পৰিৱেশটোত আধিপত্য বিস্তাৰ কৰিছিল।
- দেশৰ মাত্র কেইটামান ঔদ্যোগিক কেন্দ্র, যেনে-মুম্বাই, আহমেদাবাদ, ক'লকাতা আৰু কানপুৰত ঔদ্যোগিক বিকাশ স্থানাৱদ্ধ হৈ পৰিছিল।
- যুদ্ধৰ প্রয়োজনীয়তা পূৰাব পৰা উদ্যোগবোৰৰহে দ্রুত বিকাশ ঘটিছিল। ফলত ঔদ্যোগিক বিকাশৰ সামগ্রিকতা সীমাৱদ্ধ হৈ পৰিছিল।

ভাৰত স্বাধীন হোৱাৰ পাছত চৰকাৰে মিশ্র অর্থনীতিৰ জৰিয়তে উদ্যোগৰ সমতাপূর্ণ বিকাশ ঘটোৱাৰ প্রয়াস কৰিছিল। এই উদ্দেশ্যত সফল হ'বলৈ তলৰ কার্যকলাপবোৰত জোৰ দিয়া হৈছিল-

- বিভিন্ন খণ্ডৰ মাজত আয়ৰ উপযুক্ত বিতৰণক উদ্‌গনি যোগোৱা হৈছিল।
- উদ্যমিতাৰ প্রসাৰ ঘটাই ঔদ্যোগীকৰণৰ পৃষ্ঠপোষকতা কৰা হৈছিল।
- ঔদ্যোগিক সম্ভাৱনা থকা অধিক সংখ্যক লোকৰ মাজত উদ্যমিতা বিয়পাই দিয়াৰ চেষ্টা কৰা হৈছিল।

উল্লিখিত কথাবোৰ বাস্তৱ কৰি তুলিবলৈ চৰকাৰে গাঁও, নগৰ-চহৰ সকলোতে কুটীৰ শিল্পগোট স্থাপন তথা বিকাশৰ বাবে প্রয়োজনীয় পৃষ্ঠপোষকতা আগবঢ়াইছিল। পঞ্চবার্ষিক পৰিকল্পনাৰ অধীনত চৰকাৰে সম্ভাব্য উদ্যমীলৈ মূলধন, কাৰিকৰী জ্ঞান, বজাৰ আৰু মাটিৰ যোগান ধৰিছিল। নতুন উদ্যমীক অনুপ্রাণিত কৰিবলৈ চৰকাৰে বহুতো অনুষ্ঠান-প্রতিষ্ঠান স্থাপন

কৰিছিল। ইয়াৰ ফলত দেশত যথেষ্ট সংখ্যক ক্ষুদ্ৰ উদ্যোগে গাঢ় কৰি উঠিছিল।

ব্যৱসায়, বাণিজ্য আৰু ঔদ্যোগীকৰণৰ বিভিন্ন পর্যায় পাৰ কৰিহে ভাৰতত আধুনিক উদ্যমিতাই আজিৰ পর্যায় পাইছেহি। বর্তমান ইয়াক সহায় কৰিছে দ্ৰুতগতিত সম্প্রসাৰিত হ'বলৈ ধৰা ব্যৱসায় আৰু উদ্যোগে। ঔদ্যোগীকৰণৰ ক্ষেত্ৰত এটা কথা জানিব পৰা গৈছে যে এবাৰ ইয়াৰ শিপাই খোপনি পোতাৰ পাছত অন্যান্য বৃত্তিত জড়িত হৈ থকা লোকেও উদ্যমিতা প্রয়াস আৰম্ভ কৰাৰ কথা ভাবিবলৈ লৈছে।

১১.৭ উদ্যমিতাৰ তত্ত্ব

উদ্যমিতাৰ বিভিন্ন তত্ত্ব আছে। অর্থনৈতিক, সমাজতাত্ত্বিক আৰু মনোবৈজ্ঞানিক দৃষ্টিকোণেৰে এই তত্ত্ববোৰ ব্যাখ্যা কৰা হয়। প্রায় আঢ়ৈ শতিকা আগৰে পৰা চলি থকা বিভিন্ন অধ্যয়ন আৰু গৱেষণাৰ সময়ত বিভিন্ন চিন্তাবিদ-তাত্ত্বিকে এই তত্ত্ববোৰ আগবঢ়াইছে। এইবোৰৰ মাজৰে দুটামান প্রধান তত্ত্ব তলত আলোচনা কৰা হ'ল।

১১.৭.১ অর্থনৈতিক তত্ত্ব

অর্থনীতিবিদসকলৰ মতে সবাতোকৈ অনুকূল নির্দিষ্ট অর্থনৈতিক চর্ত পূৰণ হোৱা পৰিস্থিতিবোৰত উদ্যমিতা আৰু অর্থনৈতিক বিকাশ সংঘটিত হয়। এই তত্ত্বৰ প্রধান পৃষ্ঠপোষক দুগৰাকী হ'ল জি.এফ. পাপানেক আৰু জে.আৰ. হেৰিচ। তেওঁলোকৰ মতে অর্থনৈতিক উৎসাহৱর্দ্ধনকাৰী সা-সুবিধা সৃষ্টি হ'ল উদ্যমিতাৰ কাম-কাজক প্রেৰণা যোগাব পৰা প্রধান চালিকা শক্তি। কিছুমান ক্ষেত্ৰত দৃষ্টিগোচৰ নোহোৱাকৈ ৰৈ যোৱা উদ্যমীৰ আন্তৰিক ইচ্ছাকো অর্থনৈতিক লাভালাভৰ দিশটোৰ সৈতে সংযুক্ত কৰিব পাৰি। যেতিয়া ব্যক্তিয়ে দেখিব যে কোনো সামগ্রীৰ বজাৰে অথবা কোনো সেৱাই ভাৰসাম্যতা হেৰুৱাইছে, তেন্তে তেওঁ প্রচলিত দৰত সামগ্রীবিধ ক্রয় অথবা উৎপন্ন কৰিব আৰু সবাতোকৈ অধিক মূল্য দিবলৈ ৰাজী হোৱাজনক বিক্রী কৰিব।

১১.৭.২ সমাজতাত্ত্বিক তত্ত্ব

সমাজতাত্ত্বিকসকলৰ যুক্তি অনুসৰি উদ্যমিতাৰ সম্ভৱতঃ কোনো এটা নির্দিষ্ট সামাজিক সংস্কৃতিৰ অধীনত উত্থান ঘটিছে। তেওঁলোকৰ মতে সাংস্কৃতিক প্রমূল্য আৰু ভূমিকা পালনৰ প্রত্যাশাক উদ্যমিতাৰ উত্থানৰ কাৰক বুলিব পাৰি। কোচ্চ্বানৰ মতে উদ্যমীয়ে সমাজৰ আদর্শ ব্যক্তিত্বৰ প্রতিনিধিত্ব কৰে। উদ্যমীৰ পাৰদর্শিতা নিজৰ বৃত্তিটোৰ প্রতি তেওঁ দেখুওৱা মনোভাৱ, অনুমোদন প্রদানকাৰী দলবোৰৰ ভূমিকা পালনৰ প্রত্যাশা আৰু কামৰ বৃত্তিগত আৱশ্যকতা আদি কাৰক নির্ভৰশীল। মনোভাৱ আৰু ভূমিকা পালনৰ প্রত্যাশা নির্ণয় কৰাত সামাজিক প্রমূল্যবোৰে সবাতোকৈ গুৰুত্বপূর্ণ ভূমিকা

পালন কৰে। ৰেবাৰৰ মতে ধৰ্মীয় বিশ্বাসে ব্যক্তিক বৃত্তিগত লক্ষ্যত উপনীত হ'বলৈ কৃচ্ছ্রসাধনা কৰিবলৈ, লক্ষ্যত উপনীত হোৱাৰ উপায়বোৰ প্রণালীৱদ্ধ ক্রমত সজাই ল'বলৈ আৰু সম্পত্তি আহৰণ কৰিবলৈ শিকায়। এনে বিশ্বাসে উদ্যমিতাকেন্দ্রিক বিকাশ ঘটোৱাৰ এক জাগৰণৰ সৃষ্টি কৰিব পাৰে। বহুতো দেশৰ উদ্যমী শ্রেণীটো একোটা নির্দিষ্ট আর্থ-সামাজিক শ্রেণীৰ মাজৰ পৰা ওলোৱা ব্যক্তিৰ সমষ্টি।

ষ্ট'কৰ মতে সমাজ-সাংস্কৃতিক প্রমূল্যবোৰে ব্যক্তিৰ অর্থনৈতিক কার্যবোৰক একোটা বিশেষ ৰূপত গঢ় দিয়ে। তেওঁ কৈছিল যে ব্যক্তি, সামাজিক সুযোগ আৰু আৱশ্যকীয় মনোবৈজ্ঞানিক বৈশিষ্ট্য বিতৰণৰ উপস্থিতিক ঔদ্যোগিক উদ্যমিতাৰ ক্ষেত্রত ব্যক্তিগত আন্দোলন গঢ়ি তোলাৰ প্রধান চর্ত বুলি ক'ব পাৰি।

১১.৭.৩ গতিশীল উদ্যমিতা উদ্ভাৱন তত্ত্ব

১৯৪৯ চনত শ্বাম্পিটাৰে এই তত্ত্বটো বিকশিত কৰিছিল। তেওঁৰ মতে উদ্যমিতা হ'ল এনে এক অনুঘটক যিটোৱে অর্থনীতিৰ স্থিৰ চক্রীয় প্রৱাহত ব্যাঘাত জন্মায় আৰু এনেকৈয়ে বিকাশ প্রক্রিয়াৰ সূত্রপাত কৰে তথা প্রক্রিয়াটো বর্তাই ৰাখে। শ্বম্পিটাৰে সংক্ষিপ্তভাৱে 'উদ্ভাৱন' অভিধাৰে সামৰি থোৱা এই ব্যৱসায়বোৰে উৎপাদন কাৰকৰ কিছুমান 'নতুন সংযুটী' প্রয়োগ কৰে। উদ্যমীসকল এনেদৰে অর্থনৈতিক বিকাশৰ এক নতুন স্তৰত উপনীত হয়। উদ্ভাৱনৰ ধাৰণাটোৰ সৈতে তলৰ প্রকার্যবোৰ জড়িত হৈ থাকে-

১) কোনো এক নতুন সামগ্রী অথবা সেৱাৰ আত্মপ্রকাশ নাইবা সামগ্রী/সেৱাৰ উন্নত সংস্কৰণ

২) উৎপাদনৰ নতুন কৌশল বিচাৰি উলিওৱা অথবা নতুন কৌশল বজাৰত মুকলি কৰি দিয়া

৩) নতুন বজাৰ অথবা বজাৰৰ শাখাত কোনো সামগ্রী/সেৱা মুকলি কৰি দিয়া

৪) কেঁচামাল যোগানৰ নতুন উৎস বিচাৰি উলিওৱা আৰু

৫) যিকোনো উদ্যোগৰ এটা নতুন প্রতিষ্ঠানৰ কাম-কাজ চলাই নিয়া

শ্বাম্পিটাৰৰ উদ্ভাৱনৰ ধাৰণাটোৱে সম্ভাব্য বিপদৰ সন্মুখীন হোৱাৰ দায়িত্ব লোৱা, কার্য তদাৰক আৰু সমন্বয় সাধনৰ দিশবোৰো সামৰি লয়।

১১.৭.৪ লেইবেনষ্টাইনৰ এক্স-কার্যদক্ষতা তত্ত্ব

এক্স-কার্যদক্ষতা তত্ত্ব (X-efficiency theory) হ'ল এটা ব্যৱসায়িক প্রতিষ্ঠানৰ ভিতৰুৱা সমলবোৰ ব্যৱহাৰ কৰাত প্রতিষ্ঠানটোৱে দেখুওৱা অদক্ষতাৰ মাত্রা। ব্যৱসায়িক প্রতিষ্ঠান এটাই নিজৰ উৎপাদন সম্ভাৱনীয়তাক বাস্তৱ ৰূপ দিয়াত

কিমানখিনি ব্যর্থতাৰ পৰিচয় দিছে সেয়া এই তত্ত্বৰ সহায়ত জোখা হয়। যদি ব্যৱসায়িক প্ৰতিষ্ঠানটোৱে উপযুক্ত ধৰণে সমলবোৰ ব্যৱহাৰ নকৰে অথবা সমলৰ অপচয় কৰে, অৰ্থাৎ, সমল একেবাৰেই ব্যৱহাৰ নকৰে, তেন্তে এক্স-কাৰ্যদক্ষতা সৃষ্টি হয়।

লেইবেনষ্টাইনে উদ্যমীৰ দুটা প্ৰধান ভূমিকা নিৰূপণ কৰিছে। প্ৰথমটো হ'ল নতুন উৎপাদন পদ্ধতি প্ৰচলনৰ পথ সুচল কৰি তুলিবলৈ প্ৰচলিত উৎপাদন পদ্ধতিবোৰৰ কাৰ্যদক্ষতা উন্নত কৰি তোলা উৎপাদক সামগ্ৰী উপলব্ধ কৰা। যদি এই উৎপাদক সামগ্ৰীবোৰে কাৰ্যদক্ষতা উন্নত কৰে, তেন্তে ই প্ৰতিষ্ঠানটোৰ ভিতৰৰ তথ্য প্ৰৱাহকো সামৰি ল'ব পাৰে।

উদ্যমীৰ আনটো ভূমিকা হ'ল ব্যৱধান আঁতৰ কৰা। ইয়াৰ কিৰ্ৱনাৰ (Kirzner)এ কোৱা প্ৰতিভূতি পত্ৰ বিষয়ক প্ৰকাৰ্যৰ সৈতে সামঞ্জস্য আছে। লেইবেনষ্টাইনে ব্যৱধান দূৰীকৰণৰ এটা স্পষ্ট বিৱৰণ আগবঢ়াইছে। তেওঁ অৰ্থনীতিক গাঁঠি আৰু সুৰুঙা থকা জাল এখনৰ দৰে বুলি বৰ্ণনা কৰিছিল। এই তত্ত্বটো প্ৰথমে আন এক উদ্দেশ্য আগত ৰাখি বিকশাইতোলা হৈছিল। বৰ্তমান ইয়াক উদ্যমীৰ ভূমিকা বিশ্লেষণৰ কামত প্ৰয়োগ কৰা হয়।

১১.৭.৫ লাভৰ তত্ত্ব

নাইটে উদ্যমীসকল বিশুদ্ধ লাভ প্ৰাপক বুলি অভিহিত কৰিছিল। বিশুদ্ধ লাভ (pure profit) অভিধাটোৰে তেওঁ অনিশ্চয়তাৰ ব্যয় বহন কৰাৰ বাবদ হোৱা লাভৰ কথা বুজাইছিল। অনিশ্চয়তাৰ অৰ্থ ব্যাখ্যা কৰি তেওঁ কৈছিল যে ই হ'ল এনে এক পৰিস্থিতি য'ত পূৰ্বসিদ্ধ বিচাৰ অথবা পৰিসাংখ্যিক অনুমানেৰে বিকল্প ফলাফলৰ সম্ভাৱিতা নিৰ্ণয় কৰিব নোৱাৰি। কোনো অনন্য ঘটনা জড়িত হৈ থকা অৰ্থনৈতিক পৰিস্থিতিত পূৰ্বসিদ্ধ বিচাৰ অপ্ৰাসংগিক। নাইটে কৈছিল যে ব্যৱসায়ৰ অনিশ্চয়তা 'একীকৰণ' (consolidation)ৰ দ্বাৰা হ্ৰাস কৰিব পৰা যায়। গাইগুটিয়া ঘটনাবোৰক একেলগ কৰি মুঠ অনিশ্চয়তা হ্ৰাস কৰাৰ পদ্ধতিটোকে একীকৰণ বোলা হয়। লাভৰ পৰিমাণ আৰু উদ্যমীৰ সংখ্যা বৃদ্ধিকাৰী সবাতোকৈ গুৰুত্বপূৰ্ণ উপাদানটো হ'ল আত্মবিশ্বাসৰ স্তৰ।

১১.৮ অৰ্থনৈতিক বিকাশত উদ্যমীৰ ভূমিকা

প্ৰতিখন দেশেই অৰ্থনৈতিক বিকাশৰ পোষকতা কৰে। উদ্যমীসকলে এই বিকাশত এক তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰে। এখন দেশৰ অৰ্থনৈতিক বিকাশত উদ্যমীসকলে পালন কৰা ভূমিকাবোৰ তলত দিয়া শিতানবোৰত ভগাব পাৰি-

- **সমন্বয়ৰক্ষীৰ ভূমিকা ঃ** উদ্যমীসকলে কৰিবলগীয়া এটা প্ৰধান কাম হ'ল উৎপাদনৰ বিভিন্ন উপাদানৰ মাজত সমন্বয় সাধন কৰা। সমন্বয়ে উপযুক্ত ধৰণৰ উৎপাদক উপাদান বাছনি কৰা, প্ৰতিটো উপাদান উপযুক্ত মাত্ৰাত প্ৰয়োগ অথবা নিয়োগ ক ৰা, সৰ্বোত্তম প্ৰযুক্তি

ব্যৱহাৰ কৰা, শ্ৰম বিভাজন কৰা আদি কাৰ্যক সামৰি লয়। সমন্বয়ৰক্ষীয়ে এই কথালৈ লক্ষ্য ৰাখিব লাগে যাতে উৎপাদন প্ৰক্ৰিয়াৰ বাবে উৎপাদক উপাদানবোৰৰ সৰ্বশ্ৰেষ্ঠ যুটীবোৰ উপলব্ধ হৈ থাকে। শ্বাম্পিটাৰৰ মতে অৰ্থনৈতিক উন্নয়নে তেতিয়াহে বাস্তৱ ৰূপ ল'ব যেতিয়া উৎপাদকৰ উপাদানৰ নতুন নতুন যুটীবোৰ প্ৰয়োগ কৰা হ'ব। উদ্যমীয়ে সমন্বয় স্থাপনকাৰীৰ ভূমিকা পালন নকৰিলে দেশ এখনৰ উৎপাদকৰ উপাদানবোৰ অব্যৱহৃত হৈ ৰ'ব।

- **প্ৰতিনিধিৰ ভূমিকা ঃ** উদ্যমীসকলক 'পৰিৱৰ্তনৰ প্ৰতিনিধি' বোলা হয়। সুযোগৰ অন্বেষণ আৰু সেই সুযোগৰ কাৰ্যৰূপায়ণ কৰি উদ্যমীসকলে অৰ্থনৈতিক বিকাশত এক অনুঘটক অথবা প্ৰতিনিধিৰ ভূমিকা পালন কৰে।
- **উদ্ভাৱনকাৰীৰ ভূমিকা ঃ** উদ্ভাৱন হ'ল উদ্যমিতাৰ মূল। কোনো এটা অভিনৱ বস্তুৰ ব্যৱসায়িক প্ৰয়োগকে উদ্ভাৱন বুলি ক'ব পৰা যায়। উদ্ভাৱনীমূলক উদ্যমিতাই দেশ এখনৰ উৎপাদন প্ৰকাৰ্যৰ ৰেহৰূপ সলনি কৰি উন্নয়নক তৰান্বিত কৰিব পাৰে।
- **বিপদ পূৰ্বানুমানকাৰীৰ ভূমিকা ঃ** উদ্যমীৰ সবাতোকৈ গুৰুত্বপূৰ্ণ কামটো হ'ল বিপদৰ পূৰ্বানুমান কৰা। বিপদৰ সন্মুখীন হোৱাৰ অৰ্থনৈতিক পুৰস্কাৰ হ'ল লাভ। উৎপাদনমুখী ব্যৱসায়বোৰত হ'ব পৰা বিপদৰ কথা অনুমান কৰিও আগবাঢ়ি অহা উদ্যমীসকলে অৰ্থনৈতিক বিকাশ দ্ৰুতগামী কৰি তোলে।
- **মূলধন সংগ্ৰহকাৰীৰ ভূমিকা ঃ** উদ্যমীয়ে ৰাইজৰ হাতত এনেয়ে জমা হৈ থকা সঞ্চয়ৰ ধন একত্ৰিত কৰি মুলধন ভাণ্ডাৰ এটা গঢ়ি তোলাত সহায় কৰে। উদ্যমিতাৰ জৰিয়তে আহৰণ কৰা লাভ হ'ল সম্পদৰ সঞ্চয়। ইয়ো এক প্ৰকাৰৰ মূলধন ভাণ্ডাৰ। মূলধন জমা নকৰিলে অৰ্থনৈতিক বিকাশক বাস্তৱ ৰূপ দিয়া সম্ভৱ নহয়।
- **কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টিকাৰীৰ ভূমিকা ঃ** উচ্চস্তৰৰ সফলতা প্ৰৱণতাৰে পৰিচালিত উদ্যমীয়ে ব্যৱসায় আৰম্ভ কৰে অথবা ঔদ্যোগিক কাৰ্যকলাপত হাত দিয়ে। এইবোৰত তৎক্ষণাত বৃহৎসংখ্যককৰ্মসংস্থাপন সুযোগৰ সৃষ্টি হয়।
- **ৰপ্তানী পোষকতাকাৰীৰ ভূমিকা ঃ** উদ্যমীয়ে দেশ এখনৰ ৰপ্তানী বাণিজ্য সম্প্ৰসাৰিত কৰাৰ পোষকতা কৰে। ই অৰ্থনৈতিক বিকাশৰ এক গুৰুত্বপূৰ্ণ উপাদান। - অনুকৰণকাৰীৰ ভূমিকা

উন্নয়নশীল দেশবোৰৰ উদ্যমীয়ে সাধাৰণতে উন্নত দেশৰ উদ্ভাৱক উদ্যমীসকলে তৈয়াৰ কৰা সামগ্ৰীবোৰৰ নকল কৰে। অনুন্নত দেশবোৰৰ উদ্যমিতা খণ্ডৰ দুৰ্বলতাবোৰ নাইকিয়া কৰাৰ ই হ'ল সৰ্বোত্তম প্ৰতিকাৰক। অনুকৰণে তাৎপৰ্যপূৰ্ণ অৰ্থনৈতিক বিকাশ সাধন কৰিব পাৰে।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে উদ্যমীয়ে সদায় অৰ্থনৈতিক ব্যৱস্থাটোক এক গতিশীল ৰূপ দিয়াৰ সুযোগ বিচাৰি থাকে। তেওঁলোকে উদ্যমিতাকেন্দ্ৰিক কাৰ্যকলাপেৰে দেশক আগুৱাই লৈ যায়। উদ্যমৰ মূল লক্ষ্য হ'ল অৰ্থনৈতিক বিকাশ। উদ্যমীয়ে অনুন্নত অৰ্থনীতিক ইন্নত অৰ্থনীতিলৈ সলনি কৰাৰ সম্ভাৱনা বহন কৰে।



৫০টা

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উদ্যমীসকলে দেশ এখনৰ অর্থনৈতিক বিকাশত কেনেধৰণৰ ভূমিকা পালন কৰে ব্যাখ্যা কৰক। (প্রায় মান শব্দত উত্তৰ দিয়ক)



চিন্তা-চর্চা কৰক

এগৰাকী উদ্যমী হিচাপে আপুনি কেনেধৰণৰ ব্যৱসায় আৰম্ভ কৰিব খোজে আৰু কিয়?

১১.৯ উদ্যমিতাৰ প্রক্রিয়া

এই শিতানত আমি উদ্যমিতাৰ প্রক্রিয়াবোৰৰ বিষয়ে আলোচনা কৰিম। এগৰাকী উদ্যমীয়ে ঔদ্যোগিক কার্যকলাপবোৰ আগবঢ়াই নিবলৈ গ্রহণ কৰা বিভিন্ন ব্যৱস্থাকেই সাধাৰণভাৱে উদ্যমিতাৰ প্রক্রিয়া বুলি ক'ব পাৰি। সকলোবোৰ ঔদ্যোগিক কার্যকলাপ ভৱিষ্যৎ চিন্তা আৰু প্রস্তুতিৰ সৈতে জড়িত। আপুনি এই বিষয়ে অৱগত যে ব্যৱসায়িক কাম-কাজত শংকা আৰু অনিশ্চয়তা জড়িত হৈ থাকে আৰু ব্যৱসায়িক বাতাৱৰণ সঘনাই সলনি হৈ থাকে। ভৱিষ্যতৰ অনিশ্চয়তাবোৰৰ বিষয়ে অনুমান কৰি লৈ এগৰাকী উদ্যমীয়ে ব্যৱসায়িক পৰিকল্পনা প্রস্তুত কৰি ল'ব লাগে। এই ব্যৱসায়িক পৰিকল্পনাবোৰ চলিত ব্যৱসায় নাইবা কোনো 'ষ্টার্ট-আপ', অর্থাৎ নতুন ব্যৱসায়ৰ বাবে হ'ব পাৰে। এনে পৰিকল্পনাত উদ্যমীয়ে ব্যৱসায়িক বাতাৱৰণৰ সৈতে জড়িত ভৱিষ্যৎ ঘটনাসমুহৰ পূর্বানুমান কৰিব লাগে। উদ্যমীগৰাকীয়ে ব্যৱসায়িক বাতাৱৰণত থকা সাংগঠনিক নীতি, কায়িক আৰু বিত্তীয় সমল আদিৰ দৰে কিছুমান কাৰক নিজে নিয়ন্ত্রণ কৰিব পাৰে। অৱশ্যে বিভিন্ন অর্থনৈতিক, ৰাজনৈতিক, আইনী আৰু সামাজিক কাৰক উদ্যমীৰ ব্যক্তিগত নিয়ন্ত্রণৰ বাহিৰত থাকে। এই কাৰকসমূহ সঘন পৰিৱর্তনশীল প্রকৃতিৰ বাবে উদ্যমীয়ে এইবোৰৰ সম্ভাব্য সাল-সলনিবোৰ পূর্বানুমান কৰি ব্যৱসায়িক পৰিকল্পনা যুগুত কৰা উচিত।

ব্যৱসায়িক বাতাৱৰণৰ সৈতে মোকাবিলা কৰা আৰু তাৰ মাজতেই ব্যৱসায়িক পৰিকল্পনা প্রস্তুত কৰা উদ্যমীৰ বাবে এক প্রত্যাহ্বান। এই পটভূমিত উদ্যনিতাৰ প্রক্রিয়া এটাই কি কি ঢাপ অতিক্রম কৰে সেয়া তলত আলোচনা কৰা হ'ল।

- **চিন্তা-ধাৰণাৰ সৃষ্টি ঃ** এই প্রক্রিয়াটোৰে অর্থনীতি, সমাজ আৰু সংস্কৃতি আদিৰ সাম্প্রতিক ধাৰৰ সৈতে জড়িত বিভিন্ন ডেটা সংগ্রহ, বুজা আৰু বিশ্লেষণ কৰা আদিৰ দৰে কামবোৰ সামৰি লোৱা হয়। ইয়াৰ সহায়ত ব্যৱসায়ৰ সুযোগ চিনাক্ত কৰা হয়। উদ্যমীয়ে অভিনৱ, লাভ আহৰণৰ সুযোগ থকা আৰু সমাজে বিচৰা ধৰণৰ উদ্ভাৱনীমূলক ব্যৱসায়ৰ ধাৰণা চিনাক্ত কৰি উলিয়ায়।

- **পৰিৱেশ পৰীক্ষা ঃ** উদ্যমীৰ মনত ধাৰণাটোৱে খোপনি পোতাৰ পাছত ব্যৱসায়টোৰ সৈতে জড়িত পৰিৱেশটো পৰীক্ষা কৰি চোৱা হয়। পৰীক্ষাকালত ধাৰণাটোৰ সৈতে জড়িত বিভিন্ন দিশৰ কথা বুজাৰ প্ৰয়াস কৰা হয়। এনে পৰীক্ষাৰ অন্তত উদ্যমীয়ে গম পায় কোনবোৰ কাৰক তেওঁৰ নিয়ন্ত্ৰণাধীন আৰু কোনবোৰ নিয়ন্ত্ৰণৰ বাহিৰৰ। এয়া চিনাক্ত কৰি লোৱাৰ পাছত কিছুমান চিন্তাৰ পুনৰ মূল্যাংকন কৰা হয় আৰু কিছুমান চিন্তা বাদ দিয়া হয়।
- **ব্যৱসায়িক চিন্তাবোৰৰ ব্যৱহাৰ্যতা নিৰ্ণয় ঃ** এগৰাকী উদ্যমীৰ মনত বিভিন্ন ব্যৱসায় কৰাৰ কথা খেলাব পাৰে। সকলোবোৰ চিন্তা চালি জাৰি চাই তাৰ মাজৰে এটা নাইবা একাধিক চিন্তাৰ চূড়ান্ত পৰীক্ষা কৰা হয়। চূড়ান্ত কৰা চিন্তাবোৰৰ আধাৰ হ'ল-
  - ***বিনিয়োগৰ পৰিমাণ ঃ*** এগৰাকী উদ্যমীয়ে ব্যৱসায়িক চিন্তা এটাক বাস্তৱ ৰূপ দিবলৈ কিমান পৰিমাণৰ ধন যোগাৰ কৰিব পাৰিব পোনপ্ৰথমে সেয়া ঠিক কৰি ল'ব লাগে। উদ্যমীৰ বিত্তীয় ক্ষমতাৰ বাহিৰৰ চিন্তাবোৰক ব্যৱসায়ৰ ৰূপ দিয়াৰ ইচ্ছা পৰিহাৰ কৰাটো ভাল।
  - ***স্থান নিৰ্বাচন ঃ*** উদ্যমীয়ে ব্যৱসায়টো আৰম্ভ কৰাৰ বাবে উপযুক্ত স্থান বাছি উলিয়াব লাগে। ব্যৱসায়ৰ আধাৰত এই স্থান বজাৰৰ সমীপত অথবা কেঁচামাল উৎসৰ সমীপত হোৱা উচিত।
  - ***প্ৰযুক্তিৰ ব্যৱহাৰ ঃ*** ব্যৱসায়ৰ চিন্তাটোৰ সৈতে জড়িত আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল প্ৰযুক্তিগত আৱশ্যকতাবোৰ বিশ্লেষণ কৰা। প্ৰযুক্তিবিধ স্থানীয়ভাৱে উপলব্ধ হয়নে নহয়, ইয়াৰ বাবদ হ'ব পৰা ব্যয়, চলিত ব্যৱসায় এটাত ব্যৱহৃত হৈ থকা প্ৰযুক্তিত ঘটিব পৰা সাল-সলনি আদি কথা এই স্তৰতে ভালদৰে চিন্তা কৰি লোৱা হয়।
  - ***বজাৰত থকা প্ৰতিদ্বন্দ্বিতা ঃ*** উদ্যমীয়ে নিৰ্বাচন কৰা ধাৰণাটোক বাস্তৱ ৰূপ দিব খোজা বজাৰখনত থকা প্ৰতিদ্বন্দ্বিতাবোৰৰ কথা ভালদৰে বিশ্লেষণ কৰি লোৱা উচিত। ব্যৱসায় আৰম্ভ কৰাৰ আগতে প্ৰতিদ্বন্দ্বী, তেওঁলোকৰ বিজ্ঞাপন নীতি, ছেনেল অংশীদাৰ আদিৰ বিষয়ে ভালদৰে জনা উচিত।
  - ***এটা বিশেষ ব্যৱসায়ৰ চিন্তা বাছনি কৰা ঃ*** ওপৰৰ কথাবোৰ বিতংকৈ বিশ্লেষণ কৰাৰ পাছত উদ্যমীয়ে কোনো এটা বিশেষ চিন্তাক ব্যৱসায়ৰ ৰূপ দিবলৈ বাছি ল'ব। কেতিয়াবা মনত উদয় হোৱা সকলোবোৰ চিন্তা বিভিন্ন পৰীক্ষা আৰু বিশ্লেষণৰ শেষত বাদ দি পুনৰ নতুনকৈ চিন্তা কৰিবলগীয়া হ'ব পাৰে।
  - ***কাৰ্যৰূপায়ণ ঃ*** উদ্যমীয়ে চিন্তা এটাক চূড়ান্তভাৱে গ্ৰহণ কৰাৰ পাছৰ পৰ্যায়টো হৈছে কাৰ্যৰূপায়ণ। এই স্তৰত সামগ্ৰী অথবা সেৱাৰ উৎপাদন অথবা সৃষ্টিৰ বাবে প্ৰয়োজন হোৱা সকলোবোৰ বিত্তীয়, মানৱিক আৰু ভৌতিক সমল সংগঠিত কৰি লোৱা হয়। তাৰপাছত উদ্যমীয়ে এখন *প্ৰকল্প প্ৰতিবেদন* প্ৰস্তুত কৰে। এই

প্রতিবেদনত প্রস্তাৱিত ব্যৱসায়টোৰ স্থিৰ মূলধন আৰু কার্যৰূপায়ণত প্রয়োজন হ'ব পৰা ধন, আনুমানিক লাভ-লোকচান আদিৰ দৰে সকলোবোৰ প্রয়োজনীয় তথ্য অন্তর্ভুক্ত কৰা হয়। এই প্রতিবেদনৰ ভিত্তিত উদ্যমীয়ে বেংক অথবা অন্য বিত্তীয় উৎসৰ পৰা প্রয়োজনীয় ধনৰাশি সংগ্রহ কৰে। পূর্ণাংগ ব্যৱসায়িক উৎপাদন আৰম্ভ কৰাৰ আগতে উদ্যমীয়ে সামগ্রী অথবা সেৱাবিধৰ পৰীক্ষামূলক বিপণন কৰি চাব পাৰে। ইয়াৰ বাবে এখন প্রতিনিধিত্বমূলক বজাৰ বাছি ল'ব লাগে আৰু গ্রাহকৰ সঁহাৰি সংগ্রহ কৰিবলৈ সামগ্রী অথবা সেৱাবিধ মুকলি কৰিব লাগে। এই সঁহাৰিৰ ভিত্তিত উদ্যমীয়ে বৃহৎ পৰিসৰত ব্যৱসায় আৰম্ভ কৰি বজাৰৰ প্রতিযোগিতাত জয়ী হোৱাৰ চেষ্টা কৰা উচিত।

১১.১০ ব্যৱসায়ৰ চিন্তা-ধাৰণাৰ উৎস

এই শিতানত আমি ব্যৱসায় অথবা সামগ্রী উৎপাদনৰ চিন্তা-ধাৰণাবোৰৰ উৎপত্তি উৎস কেইটামান আলোচনা কৰিম।

- **বজাৰৰ বৈশিষ্ট্য ঃ** সামগ্রী আৰু সেৱাৰ চাহিদা পূৰণৰ ব্যর্থতাই নতুন সামগ্রী অথবা সেৱাক বজাৰত মুকলি কৰি দিয়াৰ চিন্তা বিকশিত কৰে।
- **ব্যৱসায়ৰ নীতি ঃ** ঔদ্যোগিক নীতি, এক্সিম নীতি আদিৰ দৰে ব্যৱসায়িক নীতিবোৰে উদ্যমীক নতুন সামগ্রী আৰু সেৱাৰ বিষয়ে ভাবিবলৈ অনুপ্রাণিত কৰে।
- **নতুন প্রযুক্তিবিদ্যা আৰু বিজ্ঞানসন্মত কাৰিকৰী জ্ঞানৰ উত্থান ঃ** থলুৱা সামগ্রী অথবা সেৱাৰ ব্যৱসায়িক শোষণ নাইবা আমদানি কৰা প্রযুক্তি আৰু বিজ্ঞানসন্মত কাৰীকৰি জ্ঞান হ'ল প্রকল্প ডেটাৰ আন এক উৎস।
- **সামাজিক আৰু অর্থনৈতিক ধাৰা ঃ** মানুহৰ সামাজিক আৰু আর্থিক স্থিতি সদায় গতিশীল প্রকৃতিৰ। ই বিভিন্ন সুযোগ-সুবিধাৰ উৎস। উদ্যমীয়ে এনে স্থিতিলৈ অহা পৰিৱর্তনবোৰ সাৱধানে নিৰীক্ষণ কৰি তাৰ পৰা নতুন ব্যৱসায়িক চিন্তাৰ উৎস বিচাৰি উলিয়াব লাগে।
- **অন্যৰ আসোঁৱাহসমূহত চকু ঃ** এনে নিৰীক্ষণে উদ্যমীক নিজৰ কার্যদক্ষতা উন্নত আৰু ব্যৱসায়ত নতুন বৈশিষ্ট্য সংযোজিত কৰাত সহায় কৰে।
- **জ্ঞাত সামগ্রী নতুন ধৰণে ব্যৱহাৰ কৰাৰ উপায় ঃ** বজাৰত আগৰে পৰা থকা সামগ্রীক নতুন ধৰণে ব্যৱহাৰ কৰাৰ উপায় বিচাৰি উলিওৱাটোও এক নতুন ব্যৱসায় হ'ব পাৰে।
- **বাণিজ্য মেলা আৰু ব্যণিজ্য আলোচনী আদিৰ সহায় ঃ** আলোচনী, জার্ণে'ল, উদ্যোগ আৰু বাণিজ্য মেলা আদিয়েও নতুন ব্যৱসায়িক সুযোগ মুকলি কৰে।
- **বাণিজ্যিক সন্মিলন ঃ** সময়ে সময়ে ব্যণিজ্যিক আৰু ব্যৱসায়িক সংস্থাবোৰে আয়োজন কৰা ব্যণিজ্যিক সন্মিলনবোৰতো বিভিন্ন ধৰণৰ নতুন ব্যৱসায়ৰ চিন্তা আলোচিত হয়।
- বিভিন্ন বজাৰ গৱেষণা প্রতিবেদন পঢ়া, পৰামর্শদাতাৰ সহায় লোৱা, পৰীক্ষাগাৰ আৰু শৈক্ষিক সংস্থাবোৰৰ পৰাও নতুন ব্যৱসায়িক চিন্তাৰ বীজ আহৰণ কৰিব পৰা যায়।

- গুপ্তচৰ ব্যৱহাৰ কৰিও কেতিয়াবা অন্য কোম্পানীৰ ব্যবসায়িক চিন্তাবোৰ চুৰি কৰা হয়। আমি জানিলোঁ যে এগৰাকী উদ্যমীৰ মনত বিভিন্ন চিন্তাৰ উদ্রেক হ'ব পাৰে। কিন্তু তেওঁ সদায় ব্যৱহার্যতা থকা আৰু লাভজনক কামকহে ব্যৱসায়ৰ ৰূপ দিয়া উচিত। ইয়াৰ বাবে তেওঁ চিন্তাবোৰৰ মূল্যায়ন কৰিব লাগিব আৰু চাহিদা-যোগানৰ মাজত থকা ব্যৱধানটো বিশ্লেষণ কৰিব লাগিব। মূল্যায়ন প্রক্রিয়াত তলৰ কথাবোৰলৈ মন দিয়া হয়-

- বিভিন্ন ব্যৱসায় সুযোগৰ বিপৰীতে থকা চৰকাৰী নীতি-নিয়ম আৰু বিধি-বিধানৰ অধ্যয়ন,
- সম্ভাৱনাপূর্ণ বিনিয়োগ সুযোগবোৰৰ বিস্তৃত অধ্যয়ন,
- ব্যৱসায়টোৰ SWOT বিশ্লেষণ
- বজাৰ সমীক্ষা

SWOT বিশ্লেষণ ঃ ব্যৱসায় এটাৰ শক্তি, দুর্বলতা, সুযোগ আৰু ভাবুকি (Strength,Weaknesses, Op portunities and Threats) বোৰৰ বিশ্লেষণ।



১১.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- উদ্যমিতা আৰু উদ্যমী সম্পর্কে কোনো সর্বজনগ্রাহ্য সংজ্ঞা নাই। উদ্যমী বুলিলে আমি সেইগৰাকী ব্যক্তিৰ কথা বুজো যিগৰাকী বিপদৰ সন্মুখীন হ'বলৈ সাজু, অনুমান কৰা সুবিধাবোৰক বাস্তৱ ৰূপ দিবলৈ উৎপাদন ৰ উপাদানবোৰৰ সংযুটী প্রস্তুত কৰে আৰু ইয়াৰ জৰিয়তে চাহিদা-সম্পদ তথা সংস্থাপন সুবিধাৰ সৃষ্টি কৰে।
- উদ্যমীৰ বৈশিষ্ট্যবোৰক চাৰিটা প্রধান ভাগত ভগাব পাৰি- নেতৃত্ব, বিপদৰ গ্রহণ কৰোঁতা, সিদ্ধান্ত গ্রহণ কৰোঁতা আৰু ব্যৱসায়ৰ পৰিকল্পনা প্রস্তুতকাৰী।
- যিকোনো সময়তে ঘটা উদ্যমী শ্রেণীটোৰ অভ্যুত্থানৰ অন্তৰালত থকা কাৰণবোৰক আর্থ-সামাজিক, মনোবৈজ্ঞানিক, সাংস্কৃতিক আৰু আন বহুতো কথাই প্রভাৱিত কৰে।
- অর্থনীতিবিদ, সমাজতাত্ত্বিক আৰু মনোবৈজ্ঞানিকসকলে উদ্যমিতাৰ ভিন ভিন সংজ্ঞা আগবঢ়াইছে।
- কর্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰি, আয় বৃদ্ধি কৰি, জীৱন যাপনৰ মান উন্নত কৰি, উৎপাদকৰ সকলোবোৰ উপাদান ব্যৱহাৰ কৰি উদ্যমীয়ে অর্থনৈতিক বিকাশলৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়ায়।



১১.১২ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.
2) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.
3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.
4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



১১.১৩ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ক) উদ্ভাৱনীমূলক, খ) কঠোৰ পৰিশ্ৰমী।

২ নং প্ৰশ্নৰ উত্তৰ ঃ উদ্যমীয়ে উদ্ভাৱনীমূলক চিন্তা-ধাৰণাৰ অন্বেষণ কৰে, উৎপাদনৰ উপাদানবোৰ সংগঠিত কৰে আৰু সেইবোৰ উৎপাদন প্ৰক্ৰিয়াত প্ৰয়োগ কৰে। কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰি, আয় বৃদ্ধি কৰি, জীৱন যাপনৰ মান উন্নত কৰি, উৎপাদকৰ সকলোবোৰ উপাদান ব্যৱহাৰ কৰি উদ্যমীয়ে অৰ্থনৈতিক বিকাশলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়।



১১.১৪ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ উদ্যমীৰ সংজ্ঞা লিখক।

প্ৰশ্ন ২ ঃ উদ্যমিতাৰ সংজ্ঞা লিখক।

প্ৰশ্ন ৩ ঃ এগৰাকী উদ্যমীৰ কি কি বৈশিষ্ট্য থাকে?

প্ৰশ্ন ৪ ঃ ভাৰতত উদ্যমী শ্ৰেণীটোৰ অভ্যুত্থান সম্পৰ্কে লিখক।

প্ৰশ্ন ৫ ঃ উদ্যমিতাৰ সংজ্ঞাবোৰ কি কি?

প্ৰশ্ন ৫ ঃ চমুটোকা লিখক ঃ

ক) গতিশীল উদ্যমিতা উদ্ভাৱন তত্ত্ব

খ) লেইবেনষ্টাইনৰ এক্স-কাৰ্যদক্ষতা তত্ত্ব

প্ৰশ্ন ৭ ঃ এখন দেশৰ অৰ্থনৈতিক বিকাশত এগৰাকী উদ্যমীয়ে কেনে ভূমিকা পালন কৰে?

*** ***** ***

অধ্যায় ১২ ঃ কল্পিত বিষয়, বিশেষ লক্ষ্য আৰু উদ্দেশ্য

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ কল্পিত বিষয়ৰ অর্থ
১২.৪ কল্পিত বিবৃতিৰ বৈশিষ্ট্য
১২.৫ ভাগীদাৰী প্ৰমূল্য
১২.৬ ভাগীদাৰী প্ৰমূল্যৰ উদ্দেশ্য
১২.৭ বিশেষ লক্ষ্যৰ ধাৰণা
১২.৮ বিশেষ লক্ষ্যৰ বিবৃতিৰ বৈশিষ্ট্য
১২.৯ বিশেষ লক্ষ্যৰ বিবৃতিৰ গুৰুত্ব
১২.১০ বিশেষ লক্ষ্যৰ বিবৃতিৰ নির্ধাৰণ
১২.১১ কল্পিত বিষয় আৰু বিশেষ লক্ষ্যৰ পার্থক্য
১২.১২ উদ্দেশ্যৰ ধাৰণা
১২.১৩ উদ্দেশ্যৰ ভূমিকা
১২.১৪ আদর্শমূলক উদ্দেশ্যৰ বাবে নির্দেশাৱলী
১২.১৫ উদ্দেশ্যৰ খাপ বা স্তৰ
১২.১৬ উদ্দেশ্য নির্ধাৰণ
১২.১৭ উদ্দেশ্য আৰু লক্ষ্য
১২.১৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.১৯ অধিক জানিবলৈ
১২.২০ অগ্ৰগতিৰ খতিয়ান
১২.২১ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কল্পিত বিষয়, বিশেষ লক্ষ্য আৰু উদ্দেশ্যৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- বিশেষ লক্ষ্য নির্ধাৰণৰ বিষয়ে জানিব পাৰিব
- বিশেষ লক্ষ্যৰ বৈশিষ্ট আৰু গুৰুত্ব বর্ণনা কৰিব পাৰিব
- কল্পিত বিষয় আৰু বিশেষ লক্ষ্যৰ পার্থক্য দেখুৱাব পাৰিব

- উদ্দেশ্যৰ ধাৰণা আৰু ভূমিকাৰ বিষয়ে বুজিব পাৰিব
- আদর্শ উদ্দেশ্যৰ নির্দেশাৱলী ব্যাখ্যা কৰিব পাৰিব
- উদ্দেশ্যৰ খাপ বা স্তৰসমূহ আলোচনা কৰিব পাৰিব
- উদ্দেশ্য নির্ধাৰণৰ স্তৰসমূহ বর্ণনা কৰিব পাৰিব
- উদ্দেশ্য আৰু লক্ষ্যৰ পার্থক্য দেখুৱাব পাৰিব।


১২.২ পৰিচয়

এটা সংগঠন স্থাপন কৰোতে প্ৰৱর্তকসকলে ইয়াৰ কল্পিত বিষয়, বিশেষ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। ইয়াৰ অবিহনে এটা সংগঠন মাস্তুল (radder)নোহোৱা জাহাজৰ দৰে হ'ব। ই আকাংক্ষিত দিশত বৃদ্ধি আৰু সম্প্ৰসাৰণ ঘটাবলৈ অক্ষম হ'ব। গতিকে, এটা প্ৰতিষ্ঠানৰ দীর্ঘকালীন সফলতাৰ বাবে কল্পিত বিষয়, বিশেষ লক্ষ্য আৰু উদ্দেশ্য বৰ গুৰুত্বপূর্ণ বুলি মানি লোৱা হয়।

এই অধ্যায়টিয়ে আপোনালোকক কল্পিত বিষয়, বিশেষ লক্ষ্য আৰু উদ্দেশ্য এই পদকেইটা বুজাত আৰু সকলো প্ৰকাৰৰ সংগঠনত তাৰ গুৰুত্ব সম্পর্কে বুজাত সহায় কৰিব। আপোনালোকে এই তিনিটা পদক শব্দৰ মাজত পার্থক্য দেখুৱাবলৈকো সমর্থবান হ'ব।

১২.৩ কল্পিত বিষয়ৰ অর্থ (MEANING OF VISION)

কৌশল ব্যৱস্থাপনা (strategic management) প্ৰক্ৰিয়াৰ প্ৰথম কার্য হ'ল সংগঠনৰ কল্পিত বিষয় আৰু বিশেষ লক্ষ্যৰ বিবৃতি নির্ধাৰণ কৰা। এই বিবৃতিবোৰে প্ৰতিষ্ঠানটোৰ সাংগঠনিক উদ্দেশ্য ব্যাখ্যা কৰে। উদ্দেশ্যৰ সৈতে সেইবোৰ 'লক্ষ্যৰ খাপ' (hierarchy of goals) হিচাপে ৰূপ লয়।



চিত্ৰ ঃ লক্ষ্যৰ খাপ

এটা কল্পিত বিষয়ে বিশেষ লক্ষ্যযুক্ত বিবৃতি প্ৰস্তুত কৰাত সহায় কৰে, যিয়ে বহিঃ আৰু

আভ্যন্তৰীণ পৰিৱেশ বিশ্লেষণ কৰি উদ্দেশ্য নির্ধাৰণত সহায় আগবঢ়ায়। যদিও কল্পিত বিষয়, বিশেষ লক্ষ্য আৰু উদ্দেশ্যই একেলগে প্রতিষ্ঠানটোৰ 'কৌশলী আকাংক্ষা'ক প্রতিফলিত কৰে; সেইবোৰৰ নিজাববীয়া বৈশিষ্ট্য আছে আৰু 'কৌশলী ব্যৱস্থাপনাত' (strategic management) গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

কল্পিত বিষয়ক (Vision) এটা সংগঠনৰ ভৱিষ্যতৰ সম্ভাব্য আৰু আকাংক্ষিত মানসিক প্রতিচ্ছবি হিচাপে ব্যাখ্যা কৰিব পাৰি। এটা কোম্পানীয়ে ভৱিষ্যতে কি হ'ব বিচাৰে তাৰে এক স্পষ্ট বর্ণনাত্মক প্রতিচ্ছবিয়ে হ'ল কল্পিত বিষয়। কল্পিত বিষয়ে কোম্পানীৰ নির্দেশনা আৰু দৃষ্টিপাতৰ বিষয়ে শীর্ষ ব্যৱস্থাপনাৰ আশা-আকাংক্ষাক প্রতিনিধিত্ব কৰে। প্রত্যেক সংগঠনে ভৱিষ্যতৰ বাবে এটা কল্পিত বিষয় উদ্ধাৱন কৰা আৱশ্যক।

কল্পিত বিষয়ক বিভিন্ন ধৰণে সংজ্ঞা দিয়া হৈছে। ৰিছার্ড লিংকৰ (Richard Lynch) মতে, 'কল্পিত বিষয় হ'ল এটা সংগঠনৰ ভৱিষ্যতৰ ভূমিকা আৰু উদ্দেশ্য সম্পর্কে এখন প্রত্যাহ্বানমূলক আৰু কল্পিত ছবি।'

ই. আই. নামাকীয়ে (E. I. Namaki) ইয়াক এনেদৰে ব্যাখ্যা কৰিছে, 'এটা সংগঠনে ইয়াৰ বহল সময়সীমাৰ ভিতৰত সৃষ্টি কৰিব বিচৰা এক পৰিৱেশৰ বিষয়ে মানসিক ধাৰণা আৰু এই ধাৰণাক বাস্তবায়িত কৰিবলৈ স্থিতাৱস্থাত থকা অৱস্থা।'

কোটলাৰে ইয়াৰ সংজ্ঞা দিছে এনেদৰে, (এটা সংগঠন, কোম্পানীৰ সাংস্কৃতিক পৰিৱেশ, এটা ব্যৱসায়, এটা প্রযুক্তিবিদ্যা, এটা কর্ম) কিবা এটাৰ ভৱিষ্যতৰ বিষয়ে বর্ণনা দিয়া।'

গতিকে, কল্পিত বিষয়কএখন ছবি বা প্রতিচ্ছৱিৰ ৰূপত উপস্থাপন কৰিব পাৰি যিয়ে নির্দেশ বা লক্ষ্য হিচাপে কাম কৰে। সংজ্ঞাসমূহৰ ওপৰত নির্ভৰ কৰি ইয়াক অনুপ্রাণিতকৰণ, মনোবৃত্তি গঠন, আবেগিক আৰু বিশ্লেষণাত্মক হিচাপে উনুকিয়াব পাৰি।

১২.৪ কল্পিত বিষয়ৰ বিবৃতিৰ বৈশিষ্ট্য (CHARACTERISTICS OF VISION STATEMENT)

ওপৰৰ আলোচনা আৰু সংজ্ঞাসমূহৰ পৰা কল্পিত বিষয় সম্পর্কে ভালেমান বৈশিষ্ট্য চিনাক্ত কৰিব পৰা যায়। থম্পছন (Thompson) আৰু ষ্ট্রীক্‌লেণ্ডৰ (Strickland) মতে এখন সফল কল্পিত বিষয়ৰ বিবৃতিৰ গুৰুত্বপূর্ণ বৈশিষ্ট্যসমূহ এনেধৰণৰ—

i) ই সহজে যোগাযোগ কৰিব পৰা হ'ব লাগে। সকলোৱে ইয়াক স্পষ্টভাৱে বুজি পোৱা উচিত।

ii) ই চিত্রিত ৰূপত (graphic) হ'ব লাগে। ইয়াৰ দ্বাৰা ব্যৱস্থাপনাই সৃষ্টি কৰিব বিচৰা কোম্পানীটোৰ এখন চিত্র আঁকিব লাগে।

iii) ই নির্দেশনাযুক্ত হ'ব লাগে। ই কোম্পানীৰ যাত্রা বা লক্ষ্য সম্পর্কে কিবা এটা ক'বই লাগিব।

iv) ই সম্ভৱপূর্ণ (feasible) হ'ব লাগে। ই এনেধৰণৰ হ'ব লাগে যিটো কোম্পানীয়ে যথা

সময়ত যুক্তিযুক্তভাৱে ঢুকি পাবলৈ আশা কৰিব পাৰে।

v) ই আলোকপাত (focus) কৰিব পাৰিব লাগে। ই ব্যৱস্থাপকসকলক সিদ্ধান্ত গ্ৰহণত নির্দেশনা দিব পৰাকৈ সুনির্দিষ্ট হ'ব লাগে।

vi) ই স্বার্থজড়িত পক্ষসমূহৰ (stakcholders) দীর্ঘকালীন স্বার্থলৈ আকর্ষিত বা আবেদন জনাব পৰা হ'ব লাগে।


vii) ই নমনীয় হ'ব লাগে। ঘটনাসমূহ ঘটি যোৱা আৰু পৰিস্থিতি সলনি হোৱাৰ লগে লগে ই কোম্পানীক ভৱিষ্যতৰ পথ সলনি কৰিবলৈ অনুমোদন দিব লাগে।

১২.৫ ভাগীদাৰী প্ৰমূল্য (SHARED VALUE)

কল্পিত বিষয়ক মূল্যবোধৰ বিবৃতি হিচাপেও জনা যায়। প্ৰমূল্য ভিত্তিক ব্যৱস্থাপনা হ'ল এটা ব্যৱস্থাপনাৰ ধাৰণা য'ত ব্যৱস্থাপকসকলে এটা সংগঠনৰ ভাগীদাৰী মান নির্ধাৰণ, প্ৰৱর্তন আৰু অভ্যাস কৰে। এটা সংগঠন মূল্যবোধে ই কিহৰ বাবে তিষ্ঠি আছে আৰু ই কিহৰ ওপৰত বিশ্বাস কৰে সেইটো প্ৰতিফলিত কৰে। সংগঠনৰ প্ৰমূল্যই সংগঠনটোৰ সংস্কৃতিৰ ৰূপ নির্ণয় কৰে আৰু কর্মচাৰীসকলে কিদৰে আচৰণ কৰে আৰু সংগঠনটোৱে কি উপায়ে কাম-কাজ পৰিচালিত কৰে তাৰ ওপৰত প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে, বহিঃ খেল-ধেমালি আৰু সাজ-পোচা নির্মাণ কৰা পেণ্টাগোনিয়াই (pantagonia) পৰিৱেশ সংৰক্ষণৰ বিষয়টোত গুৰুত্ব দিয়ে। পৰিৱেশৰ প্ৰতি ইয়াৰ শক্তিশালী উৎসর্গীকৃত মনোভাৱে পণ্য আৰ্হি প্ৰস্তুতৰ (design) পৰা বজাৰকৰণলৈ আৰু জাহাজত প্ৰেৰণ কৰালৈকে কর্মচাৰীসকলৰ কাম-কাজ আৰু সিদ্ধান্তক প্ৰভাৱিত কৰে। ইয়াৰ উপৰিও পেণ্টাগ'নিয়াই ইয়াৰ লাভৰ ১০ শতাংশ পাৰিপার্শ্বিক বিষয়সমূহক সহায় কৰিবলৈ আৰু ইয়াৰ গ্ৰাহকসকল আৰু যোগনিয়াৰ (suppliers) সকলক পাৰিপার্শ্বিকতা সম্পর্কে শিক্ষা প্ৰদান কৰিবলৈ আগবঢ়ায়। কোম্পানীটোৱে মূল্যবোধৰ ওপৰত জীয়াই আছে আৰু মূল্যবোধ বাস্তৱত প্ৰয়োগ কৰিছে।

১২.৬ ভাগীদাৰী প্ৰমূল্যৰ উদ্দেশ্য (PURPOSES OF SHARED VALUE)

সংগঠনৰ সদস্যসকলে ভগাই লোৱা প্ৰমূল্যই তলত দেখুওৱা ধৰণৰ অতি কমেও চাৰিটা উদ্দেশ্য পূৰণ কৰে ঃ



১) **ব্যৱস্থাপকসকলৰ সিদ্ধান্ত আৰু কর্মক পথ দেখুৱায় (Guide Manager's Decisions and Actions) ঃ** ভাগীদাৰী প্ৰমূল্যৰ প্ৰথম উদ্দেশ্য হ'ল যে ই ব্যৱস্থাপনাৰ সিদ্ধান্ত আৰু কর্মৰ নির্দেশক হিচাপে কাম কৰে। উদাহৰণ স্বৰূপে, 'Tom's of Maine' নামৰ প্ৰাকৃতিক ব্যক্তিগত যত্নৰ পণ্য প্ৰস্তুতকাৰীয়ে উল্লেখ কৰিছে যে 'আমি তেনবোৰ পণ্যত বিশ্বাস ৰাখো যিবোৰ সুৰক্ষিত, ফলদায়ক আৰু প্ৰাকৃতিক উপাদানৰ পৰা নির্মিত।' বিশ্বাসৰ এই বিবৃতিটোৱে কোম্পানীৰ ব্যৱস্থাপকক তেওঁলোকৰ কর্ম কৰোতে নির্দেশক হিচাপে কাম কৰে।

২) **কর্মচাৰীসকলৰ আচৰণ গঢ় দিয়ে (Shape Employees' Behaviour) ঃ** ভাগীদাৰী প্ৰমূল্যৰ আন এটা উদ্দেশ্য হ'ল যে এইবোৰে কর্মচাৰীসকলৰ আচৰণ গঢ় দিয়াত সহায় কৰে। উদাহৰণ স্বৰূপে, Herman Miller নামৰ কার্যালয়, বাসস্থান আৰু স্বাস্থ্যৰ যতন লোৱা আচবাব পত্ৰৰ নির্মাণকাৰী প্ৰতিষ্ঠানৰ ভাগীদাৰী প্ৰমূল্য হ'ল—

ক) উদ্ভাৱনমূলক আৰু আপোচবিহীন গুণাগুণৰ প্ৰতি সমর্পিত,

খ) অংশগ্ৰহণকাৰী ব্যৱস্থাপনা, আৰু

গ) পাৰিপার্শ্বিকতাৰ তদাৰক কৰোতা।

গোটেই পৃথিৱীজুৰি আচবাব পত্ৰ নক্সা প্ৰস্তুত আৰু নির্মাণ কৰোতে ব্যৱস্থাপক আৰু কর্মচাৰীসকলে এই প্ৰমূল্য মানি চলে।

৩) **বজাৰকৰণ প্ৰচেষ্টাক প্ৰভাৱিত কৰে (Influence Marketing Efforts) ঃ** কোম্পানীৰ ভাগীদাৰী প্ৰমূল্যই বজাৰকৰণ প্ৰচেষ্টাকো প্ৰভাৱিত কৰে। উদাহৰণস্বৰূপে, 'Avon products'ৰ ব্যৱস্থাপনাই স্তন কেন্সাৰৰ প্ৰতি মহিলাসকলক শিক্ষিত কৰি তোলাৰ ক্ষেত্ৰত সমর্পিত। এই কার্যক্ৰমনিকাৰ অধীনত কোম্পানীয়ে মহিলাসকলক সুধিছিল যে তেওঁলোকৰ এক নম্বৰ স্বাস্থ্য উদ্বিগ্নতা কি আৰু স্তন কেন্সাৰেই আছিল ইয়াৰ উত্তৰ। কোম্পানীৰ বিশ্বজুৰি থকা বিক্ৰেতাসকলে বিক্ৰীৰ বাবে দেখা কৰা সময়ত ব্ৰউছাৰৰ (brouchers) সহায়ত এই বেমাৰটোৰ বিষয়ে মহিলাসকলক শিক্ষাদান কৰে। এনেদৰে, এভ'নে (Avon) এটা গুৰুত্বপূর্ণ সামাজিক সমস্যাৰ সৈতে নিজকে সংযোগ কৰাৰ এটা উপায় বিচাৰি পাইছে আৰু একে সময়তে ইয়াৰ বজাৰকৰণ প্ৰচেষ্টাক উন্নত কৰিব পাৰিছে।

৪) **দলীয় শক্তি গঠন কৰে (Build Team Spirit) ঃ** শেহত, ভাগীদাৰী প্ৰমূল্য হ'ল এটা সংগঠনত দলীয় শক্তি গঠনৰ এক উপায়। কি ধৰণে কামটো কৰা হয় তাত ভাগীদাৰী প্ৰমূল্যই প্ৰভাৱ পেলায়। তেওঁলোকে বিশ্বাস কৰা প্ৰমূল্যত এটা দল হিচাপে একেলগে কাম কৰিবলৈ কর্মচাৰীসকল অধিক উৎসাহী হৈ পৰে। Tom's of Maine, Avon, Herman Miller আৰু এনে অসংখ্য কোম্পানীত তেওঁলোকৰ কামৰ পৰা কি বিচৰা হৈছে সেইটো কর্মচাৰীসকলে ভালদৰে জানে। তেওঁলোকে কিধৰণে কাম কৰিব তাক গঢ় দিওঁতে তেওঁলোকে নিগমৰ ভাগীদাৰী প্ৰমূল্য প্ৰয়োগ কৰে।

এটা সুস্থ নিগমীয়া প্ৰমূল্য বিবৃতি প্ৰস্তুত কৰিবলৈ কেইটিমান বিশেষ পৰামৰ্শ তলত আগবঢ়োৱা হ'ল ঃ

i) কোম্পানীৰ প্ৰত্যেককে জড়িত কৰা।

ii) প্ৰতিটো বিভাগ বা গোটক প্ৰমূল্যক নিজৰ ধৰণে গ্ৰহণ কৰিবলৈ (customising) অনুমতি প্ৰদান কৰা।

iii) কৰ্মচাৰীসকলৰ পৰা বাধা আহিব বুলি ধৰি লোৱা আৰু তাক গ্ৰহণ কৰা।

iv) গুৰুত্বহীন বিবৃতি দিয়াৰ পৰা বিৰত থকা।

v) বিবৃতিটো চুটি কৰি ৰখা।

vi) ধৰ্মীয় প্ৰসংগ এৰাই চলা।

vii) প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰা।

viii) ইয়াৰ সৈতে সহাৱস্থান কৰা।

যিবোৰ কোম্পানীয়ে প্ৰমূল্য ভিত্তিক ব্যৱস্থাপনা মতে কাম কৰে তেওঁলোকে সামাজিকভাৱে দায়বদ্ধ হ'বলৈ আৰু সামাজিকভাৱে সঁহাৰি দিবলৈ তেওঁলোকৰ সমৰ্পনৰ ক্ষেত্ৰত এক বহল দৃষ্টিভংগী গ্ৰহণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ কল্পিত বিষয় (vision) শব্দটো ব্যাখ্যা কৰক।

.....

.....

প্ৰশ্ন নং ২ঃ কল্পিত বিষয়ৰ দুটা বৈশিষ্ট্যৰ বিষয়ে লিখক।

.....

.....

১২.৭ বিশেষ লক্ষ্যৰ ধাৰণা (CONCEPT OF MISSION)

বিশেষ লক্ষ্য হ'ল মেৰুদণ্ড স্বৰূপ যাৰ চৌপাশে নিগমৰ কৌশল ঘূৰি থাকে। যদিও কল্পিত বিষয়ে (Vision) আৰু বিশেষ লক্ষ্য (Mission) শব্দ দুটা প্ৰায়েই একে অৰ্থত ব্যৱহাৰ কৰা হয়; কেতিয়াবা ইয়াৰ মাজত পাৰ্থক্য দেখুওৱা হয় য'ত কল্পিত বিষয়ৰ পৰা বিশেষ লক্ষ্য উদ্ভাৱন হয়।

ফ্ৰেড ডেভিডে (Fred David) ধাৰণা কৰে যে, 'এটা বিশেষ লক্ষ্যৰ বিবৃতিয়ে এটা সংগঠনৰ দীৰ্ঘকালীন কল্পিত বিষয়ৰ কথা দেখুৱায় য'ত কোৱা হয় ই কি হ'ব বিচাৰে আৰু ই কাক সেৱা আগবঢ়াব বিচাৰে।'

থম্প্ছনে (Thompson) ইয়াৰ সংজ্ঞা এনেদৰে দিছে— 'সংগঠনৰ প্ৰয়োজনীয় উদ্দেশ্য, যি বিশেষভাৱে জড়িত থাকে ই কিহৰ বাবে তিষ্ঠি আছে, ই কেনে প্ৰকৃতিৰ ব্যৱসায়ত জড়িত

আৰু ই কেনেধৰণৰ গ্ৰাহকক সেৱা আগবঢ়াব আৰু সন্তুষ্ট কৰিব বিচাৰে।'

এটা বিশেষ লক্ষ্যৰ বিবৃতিৰ কেতবোৰ আৱশ্যকীয় উপাদান আছে। ব্যৱসায়ৰ এটা আদর্শ বিশেষ লক্ষ্যৰ বিবৃতিয়ে ইয়াৰ গ্ৰাহক, পণ্য বা সেৱা, বজাৰ, প্ৰযুক্তিবিদ্যা, দর্শন আৰু আত্ম ধাৰণাৰ ব্যাখ্যা কৰিব লাগে।

১২.৮ বিশেষ লক্ষ্যৰ বিবৃতিৰ বৈশিষ্ট্য (CHARACTERISTICS OF MISSION STATEMENT)

এটা ভাল বিশেষ লক্ষ্য বিবৃতি চুটি, স্পষ্ট আৰু সহজে বুজি পোৱা ধৰণৰ হ'ব লাগে। গতিকে ইয়াত তলৰ বৈশিষ্ট্যসমূহ থকা উচিত ঃ

১) **দীঘলীয়া হ'ব নালাগে (Not Lengthy)** ঃ বিশেষ লক্ষ্যত বিবৃতি চুটি হোৱা উচিত।

২) **স্পষ্টভাৱে প্ৰস্তুত কৰা (Clearly Articulated)** ঃ ইয়াক বুজিবলৈ সহজ হ'ব লাগে যাতে প্ৰমূল্য, উদ্দেশ্য আৰু লক্ষ্য সংগঠনৰ প্ৰত্যেকে স্পষ্টভাৱে বুজি পায় আৰু তেওঁলোকৰ বাবে নির্দেশক হ'ব পাৰে।

৩) **বহল, কিন্তু অতি সাধাৰণ নহয় (Broad, but not too general)** ঃ বিশেষ লক্ষ্যৰ বিবৃতিয়ে নির্দিষ্ট আৰু সাধাৰণৰ মাজত এক সন্তুলন ৰক্ষা কৰিব লাগে।

৪) **প্ৰেৰণাদায়ক (Inspiring)** ঃ বিশেষ লক্ষ্যৰ বিবৃতিয়ে পটুৱৈসকলক কর্ম কৰাৰ বাবে অনুপ্ৰাণিত কৰিব লাগে। এনে সংগঠনৰ বাবে কাম কৰি কর্মচাৰীসকলে যথাযোগ্য বুলি ভাবিব লাগে।

৫) **অনুভৱ আৰু আবেগ (Feelings and emotions)** ঃ সংগঠনৰ বিষয়ে কর্মচাৰী আৰু বহিঃপক্ষৰ মাজত ই অনুকুল অনুভৱ আৰু আবেগ জগাই তোলা উচিত।

৬) **প্ৰতিষ্ঠানৰ মূল্যৰ প্ৰতিফলন (Reflect the firm's worth)** ঃ বিশেষ লক্ষ্যৰ বিবৃতি এনে এক ধাৰণাৰ সৃষ্টি কৰিব লাগে যে প্ৰতিষ্ঠানটো সফল, এটা গতি আছে আৰু সমর্থন তথা বিনিয়োগৰ বাবে যোগ্য।

৭) **প্ৰাসংগিক (Relevant)** ঃ এটা বিশেষ লক্ষ্যৰ বিবৃতি সংগঠনৰ ইতিহাস, সংস্কৃতি আৰু ভাগীদাৰী প্ৰমূল্যৰ লগত যথাযোগ্য হোৱা উচিত।

৮) **চলিত (Current)** ঃ এটা বিশেষ লক্ষ্যৰ বিবৃতি কিছু সময়ৰ পিছত অপ্ৰচলিত হৈ যাব পাৰে। পাৰিপার্শ্বিক উপাদান আৰু সাংগঠনিক উপাদানৰ পৰিৱর্তনৰ ফলত বিশেষ লক্ষ্যৰ বিবৃতিৰ সংশোধন আৱশ্যক হ'ব পাৰে।

৯) **একক (Unique)** ঃ এটা সংগঠনৰ বিশেষ লক্ষ্যৰ বিবৃতিয়ে কোম্পানীৰ ব্যক্তিত্ব আৰু এককত্ব (uniqueness) প্ৰতিষ্ঠা কৰিব লাগে।

১০) **স্থায়িত্বতা (Enduring)** ঃ এটা বিশেষ লক্ষ্যৰ বিবৃতিয়ে ধাৰাবাহিকভাৱে সংগঠনৰ লক্ষ্যৰ

প্ৰতি নিৰ্দেশনা আৰু অনুপ্ৰেৰণা যোগোৱা উচিত। ইয়াক সম্পূৰ্ণৰূপে ঢুকি নাপাব পাৰে, কিন্তু ই ব্যৱস্থাপক আৰু কৰ্মচাৰীসকলৰ বাবে প্ৰত্যাহ্বানমূলক হোৱা উচিত।

১১) **গতিশীল (Dynamic) ঃ** বিশেষ লক্ষ্যৰ বিবৃতি গতিশীল হোৱা উচিত যিয়ে আটাইতকৈ সম্ভাৱনাপূৰ্ণ লক্ষ্যটো বিচাৰ কৰি চাবলৈ অনুমতি দিয়ে।

১২) **নিৰ্দেশনাৰ ভিত্তি (Basis for guidance) ঃ** কৌশলী বিকল্প (strategic options) উদ্ভাৱন আৰু মূল্যায়ন কৰিবলৈ এটা বিশেষ লক্ষ্যৰ বিবৃতিয়ে উপযোগী ভিত্তি আগবঢ়ায়।

১৩) **গ্ৰাহক-মুখী (Customer orientation) ঃ** এটা ভাল বিশেষ লক্ষ্যৰ বিবৃতিয়ে গ্ৰাহকসকলৰ প্ৰতি এটা প্ৰতিষ্ঠানৰ পণ্য আৰু সেৱাৰ উপযোগিতা চিনাক্তকৰণ কৰে আৰু প্ৰতিষ্ঠানৰ প্ৰতি গ্ৰাহকক আকৰ্ষিত কৰে।

১৪) **সামাজিক নীতিৰ ঘোষণা (A declaration of Social Policy) ঃ** এটা বিশেষ লক্ষ্যৰ বিবৃতিয়ে স্বাৰ্থজড়িত পক্ষসমূহ আৰু বৃহত্তৰ সমাজকে ধৰি সামাজিক দায়ৱদ্ধতাৰ প্ৰতি ইয়াৰ দৰ্শন সামৰি ল'ব লাগে।

১৫) **প্ৰমূল্য, বিশ্বাস আৰু দৰ্শন (Values, beliefs and philosophy) ঃ** বিশেষ লক্ষ্যৰ বিবৃতিয়ে সাধাৰণতে ইয়াত অন্তৰ্ভুক্ত প্ৰতিষ্ঠানটোৰ প্ৰমূল্য আৰু কোম্পানীৰ দৰ্শন বা কোম্পানীৰ ধৰ্মমতৰ (company creed) ওপৰত গুৰুত্ব দিব লাগে।

১২.৯ বিশেষ লক্ষ্যৰ বিবৃতিৰ গুৰুত্ব (IMPORTANCE OF MISSION STATEMENT)

বিশেষ লক্ষ্যৰ বিবৃতিৰ উদ্দেশ্য হ'ল কোম্পানীটো কিহৰ বাবে তিষ্ঠি আছে আৰু ই কোন দিশে গতি কৰিছে সেই বিষয়ে সংগঠনৰ আভ্যন্তৰীণ তথা বহিঃ স্বাৰ্থজড়িত পক্ষসমূহক অৱগত কৰোৱা। তলত উল্লেখিত কাৰণসমূহৰ বাবে বিশেষ লক্ষ্যৰ বিবৃতি প্ৰস্তুত কৰাটো গুৰুত্বপূৰ্ণঃ

১। ই সংগঠন ভিতৰত উদ্দেশ্যসমূহৰ দ্বিমত নোহোৱাটো সুনিশ্চিত কৰে।

২। ই সংগঠনৰ সম্পদসমূহ বণ্টন কৰাৰ ক্ষেত্ৰত এটা ভিত্তি বা মানদণ্ড প্ৰদান কৰে।

৩। ই এটা সাধাৰণ মনোভাৱ বা সাংগঠনিক সংস্কৃতি প্ৰতিষ্ঠা কৰে।

৪। ই ব্যক্তিসকলক সংগঠনৰ উদ্দেশ্য আৰু নিৰ্দেশনাৰ সৈতে চিনাক্ত কৰিবলৈ এটা কেন্দ্ৰবিন্দু হিচাপে কাম কৰে।

৫। ই সংগঠনৰ ভিতৰত থকা মানুহখিনিক অৰ্পণ কৰা উদ্দেশ্যখিনি কৰ্মলৈ ৰূপান্তৰ কৰাত সহায় কৰে।

৬। ই সংগঠনৰ অভিপ্ৰায়সমূহ সুনিৰ্দিষ্ট কৰে আৰু তাৰ পিছত এই অভিপ্ৰায়ক এনেদৰে উদ্দেশ্যলৈ ৰূপান্তৰিত কৰাত সহায় কৰে। যাতে ব্যয়, সময় আৰু পাৰদৰ্শিতাৰ মাপকাঠী মূল্যায়ন আৰু নিয়ন্ত্ৰণ কৰিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ তলৰ বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(i) এটা বিশেষ লক্ষ্যৰ বিবৃতি দীঘলীয়া হ'ব লাগে।

(ii) এটা বিশেষ লক্ষ্যৰ বিবৃতিয়ে এটা সংগঠনৰ দীর্ঘকালীন কল্পিত বিষয়ক উদঙাই দেখুৱায়।

(iii) এটা বিশেষ লক্ষ্যৰ বিবৃতি কিছু সময়ৰ পিছত অপ্রচলিত হৈ পৰিব পাৰে।

(iv) এটা বিশেষ লক্ষ্যৰ বিবৃতি স্থিৰ হোৱা উচিত।

(v) এটা বিশেষ লক্ষ্যৰ বিবৃতিৰ এটা গুৰুত্বপূর্ণ উপাদান হ'ল গ্রাহকসকল।

প্রশ্ন নং ৪ঃ বিশেষ লক্ষ্যৰ বিবৃতিৰ দুটা গুৰুত্ব উল্লেখ কৰক।

(i) .....

(ii) .....

১২.১০ বিশেষ লক্ষ্যৰ বিবৃতিৰ নির্ধাৰণ (FORMULATION OF MISSION STATEMENT)

বিশেষ লক্ষ্যৰ বিবৃতি প্রস্তুত কৰাৰ বাবে কোনো মানদণ্ডৰ পদ্ধতি নাই। ইয়াৰ বাবে বেলেগ বেলেগ প্রতিষ্ঠানে বেলেগে বেলেগ উপায় অৱলম্বন কৰে। এটা বিশেষ লক্ষ্যৰ বিবৃতি প্রস্তুত কৰোঁতে ইয়াৰ প্রক্রিয়াত যিমান সম্ভৱ সিমান ব্যৱস্থাপকক জড়িত কৰিব লাগে। এয়া এই কাৰণে যে জড়িত হোৱাৰ যোগেদি মানুহে সংগঠনৰ বিশেষ লক্ষ্যৰ প্রতি সমর্পিত হয়।

বিশেষ লক্ষ্যৰ বিবৃতি সাধাৰণতে তলত দিয়া ধৰণে প্রস্তুত কৰা হয়।

১) বহু ক্ষেত্রত, বিশেষ লক্ষ্য পৰম্পৰাগতভাৱে পোৱা যায়, অর্থাৎ প্রতিষ্ঠাপকগৰাকীয়ে বিশেষ লক্ষ্য স্থিৰ কৰে। যিটো বহু বছৰ ধৰি অপৰিৱর্তিত হৈ থাকে বা পৰিস্থিতি সলনি হ'লে তাক সংশোধন কৰা হয়।

২) কোনো কোনো ক্ষেত্রত, বিশেষ লক্ষ্যৰ বিবৃতি মুখ্য কার্যবাহী বিষয়া আৰু সঞ্চালক মণ্ডলীয়ে বা এই অভিপ্রায়েৰে গঠিত কৌশলী কমিটী এখনে প্রস্তুত কৰে।

৩) বিশেষ লক্ষ্যৰ বিবৃতি প্রস্তুত কৰাৰ বাবে বিশেষজ্ঞ নিয়োগ কৰাটোও সচৰাচৰতে দেখা যায়।

৪) বহুতো কোম্পানীয়ে বিশেষ লক্ষ্যৰ বিবৃতি প্রস্তুত কৰাৰ বাবে জ্যেষ্ঠ বিষয়াসকলৰ মাজত 'মগজুৰ চিন্তন' (Brain storming) সভা পাতে। কর্মচাৰীৰ মতামত বিচৰাটোও সাধাৰণতে দেখা যায়।

৫) ফ্রেড আৰ ডেভিডৰ (Fred R-David) মতে এটা বিশেষ লক্ষ্যৰ বিবৃতি প্রস্তুতকৰাৰ উপযুক্ত উপায় হ'ল বিশেষ লক্ষ্যৰ বিবৃতিৰ কেবাটাও প্রৰন্ধপাতি বাছনি কৰা আৰু সকলো ব্যৱস্থাপকক এইবোৰ পটভূমিৰ তথ্য হিচাপে অধ্যয়ন কৰিবলৈ কোৱা। তাৰ পিছত

ব্যৱস্থাপকসকলক সংগঠনৰ বাবে এখন বিশেষ বিবৃতিৰ খছৰা প্ৰস্তুত কৰিবলৈ দিয়া। এগৰাকী সহায়কাৰী বা শীৰ্ষ ব্যৱস্থাপকৰ এখন কমিটীয়ে এই বিবৃতিসমূহ একত্ৰিত কৰি এখন তথ্য কৰা আৰু এই বিশেষ লক্ষ্যৰ বিবৃতিৰ খছৰাখন সকলো ব্যৱস্থাপকৰ মাজত বিতৰণ কৰা।

তাৰ পিছত এখন সভাত সকলো ব্যৱস্থাপকৰ পৰা মতামত গ্ৰহণ কৰি বিশেষ লক্ষ্যৰ বিবৃতিখনক চূড়ান্ত ৰূপ দিয়া। এনেদৰে, বিশেষ লক্ষ্যৰ বিবৃতি প্ৰস্তুতিৰ প্ৰক্ৰিয়াই কৌশল ৰচনাৰ সুযোগ দিয়ে আৰু প্ৰতিষ্ঠানৰ সকলো ব্যৱস্থাপকৰ প্ৰয়োজনীয় সমৰ্থন আদায় কৰে।

৬) যেতিয়া তথ্যখন (document) ইয়াৰ চূড়ান্ত পৰ্যায়ত থাকে, ব্যৱস্থাপক, কৰ্মচাৰী আৰু সংগঠনৰ বৰ্হিঃ (external) অঙ্গসমূহক কিদৰে অৱগত কৰোৱা হ'ব তাৰ বাবে সিদ্ধান্ত গ্ৰহণৰ আৱশ্যক হয়। কেতবোৰ সংগঠনে আনকি বিশেষ লক্ষ্যৰ বিবৃতি ব্যাখ্যা কৰিবলৈ আৰু ইয়াক কিদৰে প্ৰস্তুত কৰা হৈছে তাকে দেখুৱাবলৈ ভিডিঅ' টেপৰ (videotape) সহায় লয়।

৭) ভাৰতবৰ্ষৰ কোম্পানীসমূহে আলোচনা-অংশগ্ৰহণৰ পথ অৱলম্বন কৰে। উদাহৰণ স্বৰূপে, মহেন্দ্ৰ এণ্ড মহেন্দ্ৰ কোম্পানীত সংগঠনৰ ভিতৰত নিগমৰ পৰিকল্পনা দলটোক সহায়কাৰী হিচাপে লৈ দুটা স্তৰত কৰ্মশালা (workshops) পতা হয়। এখোপ ওপৰলৈ গৈ ভাৰতীয় ষ্টেট বেংকে এই ব্যৱস্থাত শ্ৰমিক সংঘক (labour unions) অংশগ্ৰহণৰ বাবে আহ্বান কৰে। সত্যম কম্পিউটাৰে আৰু কিছু উদ্ধৰ্লৈ গৈ তেওঁলোকৰ যৌথ অংশীদাৰীত্বৰ কোম্পানী (joint venture) আৰু বৈদেশিক গ্ৰাহকক এই প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰে।

১২.১১কল্পিত বিষয় আৰু বিশেষ লক্ষ্যৰ পাৰ্থক্য (DISTINCTIONS BETWEEN VISION AND MISSION)

বিশেষ লক্ষ্যৰ বিবৃতিয়ে সংগঠনটো বৰ্তমান কিদৰে আছে তাকে বৰ্ণনা কৰে, কিন্তু কল্পিত বিষয়ে সংগঠনটোৱে কি হ'ব বিচাৰে তাৰ বৰ্ণনা দাঙি ধৰে। কল্পিত বিষয়ৰ বিবৃতিয়ে 'আমি কোন দিশে গতি কৰিছোঁ, আৰু 'আমি কি হ'বলৈ বিচাৰো' তাৰে নিৰ্দেশনা দিয়ে। আনহাতে, কোম্পানীৰ বিশেষ লক্ষ্যই সংগঠনটোৰ 'ব্যৱসায়ক অভিপ্ৰায়' (business purpose) বহলৰূপত আঙুলিয়াই দিয়ে।

কল্পিত বিষয় আৰু বিশেষ লক্ষ্যৰ মাজৰ পাৰ্থক্য তলত দিয়া ধৰণে সামৰিব পাৰি ঃ

কল্পিত বিষয় (Vision)	**বিশেষ লক্ষ্য (Mission)**
১) ই হ'ল সংগঠনটোৰ সম্ভাব্য আৰু আকাংক্ষিত এটা মানসিক প্ৰতিচ্ছবি ২) ই হ'ল এটা সপোন।	১) ই হ'ল দৰ্শনৰ এক স্থায়ী বিবৃতি, বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল বিবৃতি। ২) ই হ'ল প্ৰতিষ্ঠানৰ অস্তিত্বৰ বাবে এটা অভিপ্ৰায় বা কাৰণ।

৩) ইয়াৰ প্ৰকৃতি বিস্তৃত।	৩) ই কল্পিত বিষয়তকৈ অধিক সুনিৰ্দিষ্ট।
৪) 'আমি কি হ'ব বিচাৰোঁ'— ইয়াৰ উত্তৰ ইয়াত পোৱা যায়।	৪) 'আমি কি ব্যৱসায়ত লিপ্ত'— তাৰ উত্তৰ ইয়াত পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ কল্পিত বিষয় আৰু বিশেষ লক্ষ্যৰ মাজত পাৰ্থক্য দেখুৱাওক।

১).....

২) .....

৩) .....

৪) .....

১২.১২ উদ্দেশ্যৰ ধাৰণা (CONCEPT OF OBJECTIVES)

এটা সংগঠনৰ কাৰ্য চলাবলৈ উদ্দেশ্যই ভিত্তি প্ৰদান কৰে। মুঠ কথা, উদ্দেশ্যই এটা সংগঠনক ইয়াৰ পৰিবেশৰ সৈতে ব্যাখ্যা কৰিবলৈ সহায় কৰে।

উইলিয়াম নিউমেন আৰু ছাৰ্লছ ই ছামাৰৰ (William Newman and Charles E. Summer) মতে, 'উদ্দেশ্য হ'ল সেইটো শেষ সীমা যাক সংগঠনটোৱে ইয়াৰ অস্তিত্ব আৰু কাম-কাজৰ দ্বাৰা পাব বিচাৰে।'

বহল অৰ্থত ব্যৱহাৰ কৰিলে উদ্দেশ্য শব্দটোৱে কোম্পানীৰ দীৰ্ঘকালীন লক্ষ্য, অধিক সুনিৰ্দিষ্ট বিভাগীয় লক্ষ্য আৰু আনকি ব্যক্তিগত দায়িত্ব অৰ্পনক সামৰি লয়। এনেদৰে, উদ্দেশ্য এটা প্ৰতিষ্ঠানৰ বহল বা ঠেক অংশৰ সৈতে জড়িত, আৰু সেইবোৰ দীৰ্ঘকালীন বা হ্ৰস্বকালীন দুয়োধৰণৰ হ'ব পাৰে। অইন অৰ্থত ক'বলৈ হ'লে, উদ্দেশ্যক এটা সংগঠনে ইয়াৰ মূল বিশেষ লক্ষ্যত উপনীত হ'বলৈ দীৰ্ঘকালীন ফলাফল হিচাপে ব্যাখ্যা কৰিব পাৰি।

উদ্দেশ্য দৃশ্যমান (tangible) বা অদৃশ্যমান (intangible) হ'ব পাৰে। দৃশ্যমান উদ্দেশ্যই তথ্যগত বা সংখ্যাগত লক্ষ্যত উপনীত হোৱাটো সূচায়। অদৃশ্যমান উদ্দেশ্যই পৰিচয় চিহ্ন (brand) বা কোম্পানীৰ ভাবমূৰ্তি, কৰ্মচাৰীসকলৰ নৈতিকতা আদি উপাদানবোৰ সামৰি লয়।

উদ্দেশ্য স্থিৰ হ'ব নালাগে, এইবোৰ গতিশীল হোৱা উচিত। অৰ্থাৎ, পাৰিপাৰ্শ্বিকতাৰ পৰিৱৰ্তন বা সংগঠনৰ শক্তি আৰু দুৰ্বলতাই উদ্দেশ্যৰ সংশোধন দাবী কৰিব পাৰে।

১২.১৩উদ্দেশ্যৰ ভূমিকা (ROLE OF OBJECTIVES)

কৌশলী ব্যৱস্থাপনাত (strategic management) উদ্দেশ্যই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। কৌশল ৰচনা আৰু প্রয়োগত ই অতি দৰকাৰী। তলৰ তথ্যখিনিয়ে উদ্দেশ্যৰ গুৰুত্ব বা ভূমিকা বহলাই ব্যাখ্যা কৰে ঃ

১) **সংগঠন এটাৰ ন্যায়সংগত প্রতিপন্ন কৰে (Justify the organisation) ঃ** উদ্দেশ্যই অভিপ্রায় আৰু লক্ষ্যৰ কথা উনুকিয়ায় আৰু তাৰ দ্বাৰা এটা সংগঠনৰ অস্তিত্বৰ সামাজক ন্যায়সংগত প্রতিপন্ন কৰে

২) **নির্দেশনা দিয়ে (Provide Direction) ঃ** উদ্দেশ্যই এটা সংগঠনৰ কাম-কাজ চলাবলৈ নির্দেশনা দিয়ে। যেতিয়া উদ্দেশ্য স্পষ্ট হয়, সংগঠনৰ বিভিন্ন ব্যক্তিৰ লক্ষ্যই সমূহীয়া অভিপ্রায়ত উপনীত হোৱাটোও সামৰি লয়।

৩) **কৌশলী পৰিকল্পনা/ব্যৱস্থাপনাত সহায় কৰে (Helps strategic planning/ Management) ঃ** কৌশলী পৰিকল্পনা বা ব্যৱস্থাপনা নিঃসন্দেহে উদ্দেশ্য সাধনৰ এক উপায়। গতিকে, উদ্দেশ্যই এটা বিশেষ পৰিস্থিতিত সংগঠনৰ ফলদায়ক কার্যকলাপত সহায় কৰে।

৪) **উদ্দেশ্যধর্মী ব্যৱস্থাপনাৰ ভিত্তি (Basis for Management by objectives) ঃ** স্পষ্টভাৱে নির্ধাৰিত উদ্দেশ্যই উদ্দেশ্যধর্মী ব্যৱস্থাপনাৰ ভিত্তি ৰচনা কৰে যিটো ফলাফলৰ বাবে ব্যৱস্থাপনাৰ (management by results) এটা পথ।

৫) **সমন্বয় সাধনত সহায় কৰে (Help co-ordination) ঃ** গ্লুইকে (Glueck) আঙুলিয়াই দিছে যে কর্মচাৰীসকলৰ আকাংক্ষিত মানৰ আচৰণৰ প্রতি মনোযোগ আঙুলিয়াই দি উদ্দেশ্যই সিদ্ধান্ত আৰু সিদ্ধান্ত গ্রহণকাৰীসকলৰ মাজত সমন্বয় সাধনত সহায় কৰে। সকলো কর্মচাৰীয়ে উদ্দেশ্য কি সেইটো জানিলে সিদ্ধান্ত গ্রহণত বিবাদ হ্রাস কৰিব পাৰি।

৬) **মূল্যায়ন আৰু নিয়ন্ত্রণৰ মানৰ ব্যৱস্থা কৰে (Provide standards for Assessment and Control) ঃ** কি ফলাফল হোৱা উচিত সেইটো স্পষ্ট কৰি দি উদ্দেশ্যই সংগঠনৰ পাৰদর্শিতা নিয়ন্ত্রণ আৰু মূল্যায়নৰ বাবে ভিত্তি আগবঢ়ায়। উদ্দেশ্য অবিহনে সংগঠনৰ কৃতকার্যতা মূল্যায়নৰ বাবে কোনো বস্তুনিষ্ঠ ভিত্তি নাই।

৭) **বিকেন্দ্রীকৰণত সহায় কৰে (Help Decentralisation) ঃ** সংগঠনৰ বিভিন্ন উপাদানবোৰলৈ সংগঠনটোৰ উদ্দেশ্য স্পষ্ট কৰি দি উদ্দেশ্যই বিকেন্দ্রীকৰণ ফলদায়ক হোৱাত সহায় কৰে। সিদ্ধান্তগ্রহণৰ দায়িত্ব তলৰ স্তৰৰ কর্মীবৃন্দক অর্পণ কৰি, বিকেন্দ্রীকৰণে তলতীয়া বিষয়া বা কার্য ৰূপায়ণকর্তাক তেওঁ কেনেদৰে কার্য কৰিব সেই সিদ্ধান্ত গ্রহণত বিকেন্দ্রীকৰণে বুজন পৰিমাণৰ স্বাধীনতা প্রদান কৰে।

১২.১৪ আদর্শমূলক উদ্দেশ্যৰ বাবে নির্দেশাৱলী (GUIDELINES FOR IDEAL OBJECTIVES)

উদ্দেশ্য সফল হ'বলৈ হ'লে কেতবোৰ গুণ থাকিব লাগে আৰু সেইবাবে উদ্দেশ্য নির্ধাৰণ কৰোতে কিছুমা গুৰুত্বপূর্ণ উপাদান বিবেচনা কৰিব লাগে। উদ্দেশ্য নিৰূপণ কৰোতে বিবেচনা কৰিব লগীয়া নির্দেশাৱলী বা নীতিসমূহ তলত দিয়া হ'ল ঃ

১) **অংশগ্রহণ (Participation)** ঃ যিমানদূৰ সম্ভৱ, উদ্দেশ্য সাধনৰ বাবে দায়ৱদ্ধ গুৰুত্বপূর্ণ ব্যক্তিসকলক উদ্দেশ্য নির্ধাৰণ কৰোতে অংশগ্রহণ কৰাৰ সুবিধা দিয়া উচিত। অংশগ্রহণৰ অনুভৱে উদ্দেশ্য সাধনৰ বাবে অনুপ্রেৰণা আৰু নৈতিক দায়িত্ব প্রদান কৰে।

২) **স্পষ্টতা (Clarity)** ঃ উদ্দেশ্য অর্থহীন আৰু উচ্চাকাংক্ষী হোৱা উচিত নহয়। ইয়াক স্পষ্টভাৱে ব্যাখ্যা কৰিব লাগে। তাৰোপৰি, এইবোৰ সেইসকল লোকক জনাই দিব লাগে যিয়ে ইয়াক সাধন কৰাৰ বাবে কাম কৰে।

৩) **বাস্তৱবাদী (Realism)** ঃ উদ্দেশ্য বাস্তৱধর্মী হোৱা উচিত। এই অর্থতে উদ্দেশ্যসমূহ যুক্তিপূর্ণ হ'ব লাগে যে পৰিৱেশ অনুসৰি সেইবোৰ প্রচেষ্টাৰ যোগেদি উপনীত হ'ব পাৰিব লাগে। একে সময়তে, কোম্পানীৰ সম্পদ আৰু দক্ষতাৰ পূর্ণ ব্যৱহাৰৰ বাবে উদ্দেশ্য উচ্চ পর্যায়ৰ হ'ব লাগে।

৪) **নমনীয়তা (Flexibility)** ঃ উদ্দেশ্যসমূহ অধিক কটকটীয়া হ'ব নালাগে, সেইবোৰ নমনীয় হোৱা উচিত। পৰিবেশৰ সালসলনিৰ লগে লগে উদ্দেশ্যসমূহ সংশোধন কৰাৰ আৱশ্যক হয়। উদাহৰণস্বৰূপে, কোম্পানীৰ পৰিৱেশৰ ধাৰাবাহিক পৰিৱর্তনৰ লগে লগে উদ্দেশ্যসমূহ অপ্রচলিত হৈ পৰিব পাৰে। যেতিয়াই পৰিৱেশৰ পৰিৱর্তনে দাবী কৰে, কোম্পানীয়ে ইয়াৰ উদ্দেশ্যসমূহ সুবিধাজনকভাৱে সংশোধন কৰিব লাগে।

৫) **সামঞ্জস্যপূর্ণ (Consistency)** ঃ সমগ্র সংগঠন জুৰি উদ্দেশ্যসমূহ পাৰস্পৰিকভাৱে সামঞ্জস্যপূর্ণ হ'ব লাগে। অর্থাৎ, সংগঠনৰ ভিতৰৰ সকলো উদ্দেশ্যই প্রতিষ্ঠানৰ সামগ্রিক উদ্দেশ্যক সহায় কৰিব লাগে।

৬) **স্থানপ্রদান (Ranking)** ঃ বহুমুখী উদ্দেশ্য থকা সংগঠনে উদ্দেশ্যসমূহক আপেক্ষিক অগ্রাধিকাৰ দিব লাগে আৰু প্রতিটো উদ্দেশ্যত কিমান সময়ৰ ভিতৰত উপনীত হ'ব পৰা যাব তাক উল্লেখ কৰিব লাগে।

৭) **পৰীক্ষণৰ যোগ্য (Verifiability)** ঃ উদ্দেশ্যসমূহ পৰীক্ষা কৰি চোৱাৰ বাবে বা জোখ লোৱাৰ বাবে উপযোগী হ'ব লাগে। উদাহৰণস্বৰূপে, যথাযোগ্য লাভৰ বাবে উদ্দেশ্য নির্ধাৰণ কৰিলে তাক প্রকৃত কার্য পাৰদর্শিতাৰ সৈতে পৰীক্ষা কৰি চাব নোৱাৰি। আনহাতে, বিনিয়োগৰ ওপৰত ১৫ শতাংশ প্রতিদানৰ লক্ষ্যটো পৰীক্ষা কৰি চাব পাৰি।

৮) **সন্তুলন (Balance)** ঃ এটা সংগঠনৰ বিভিন্ন উদ্দেশ্যৰ মাজত এক সঠিক সন্তুলন থকা উচিত। উদাহৰণস্বৰূপে, লাভযোগ্যতা, কর্মচাৰীৰ কল্যাণ, গ্রাহকৰ কল্যাণ আৰু সমাজৰ

কল্যাণৰ মাজত এক উপযুক্ত সন্তুলন থাকিব লাগে। যিকোনো এটাৰ ওপৰত গুৰুত্ব কমাই দিলে আনবোৰৰ ওপৰত কুপ্রভাৱ পৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ তলৰ বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(i) উদ্দেশ্যসমূহ অতি কটকটীয়া হ'ব লাগে।

(ii) উদ্দেশ্যই মূল্যায়ন আৰু নিয়ন্ত্রণৰ বাবে মানদণ্ডৰ ব্যৱস্থা কৰে।

(iii) উদ্দেশ্যসমূহ দৃশ্যমান বা অদৃশ্যমান হ'ব পাৰে।

(iv) কৌশল নির্ধাৰণৰ বাবে উদ্দেশ্যসমূহ আৱশ্যকীয় নহয়।

(v) উদ্দেশ্যসমূহ বাস্তৱধর্মী হ'ব লাগে।

প্রশ্ন নং ৭ঃ উদ্দেশ্যৰ দুটা ভূমিকা বা গুৰুত্ব উল্লেখ কৰক।

(i) .....

(ii) .....

১২.১৫ উদ্দেশ্যৰ খাপ বা স্তৰ (HIERARCHY OF OBJECTIVES)

যিবোৰ সংগঠনে কর্তৃত্ব বা ক্ষমতাৰ জখলাৰ গাঁথনিৰে কার্য সম্পাদন কৰে, অর্থাৎ ব্যৱস্থাপনাৰ বেলেগ স্তৰ যেনে শীর্ষস্তৰ, মধ্যস্তৰ আৰু নিম্নস্তৰ থাকে, তাত বিভিন্ন স্তৰৰ বাবে উদ্দেশ্যৰ জখলা বা খাপ থাকে। সেইবোৰ তলত ব্যাখ্যা কৰা হ'ল ঃ



চিত্র ঃ উদ্দেশ্যৰ ক্ষমতাৰ জখলা

১) **বিশেষ লক্ষ্য (Mission) ঃ** জখলাৰ একেবাৰে শীৰ্ষত থাকে সংগঠনৰ বিশেষ লক্ষ্য যিটোক প্ৰৱৰ্তকসকলৰ বিশেষ লক্ষ্য আৰু মূল্যবোধ অংশধাৰকসকলৰ আশা-আকাংক্ষা আৰু পাৰিপাৰ্শ্বিক উপাদানে গঢ় দিয়ে।

২) **নিগমৰ লক্ষ্য (Corporate objectives) ঃ** বিশেষ লক্ষ্যৰ তলত থাকে সংগঠনৰ সামগ্ৰিক উদ্দেশ্য বা নিগমৰ উদ্দেশ্য, যিবোৰ দীৰ্ঘকালীন বা কৌশলী উদ্দেশ্য। নিগমৰ উদ্দেশ্যসমূহ সঞ্চালক মণ্ডলী আৰু শীৰ্ষতম ব্যৱস্থাপনাই নিৰ্ধাৰণ আৰু পালন কৰিব লাগে।

সামগ্ৰিক উদ্দেশ্যই জখলাৰ পৰৱৰ্তী স্তৰলৈ আগবঢ়াই নিয়ে যিটো অধিক সুনিৰ্দিষ্ট উদ্দেশ্য যেনে— বিনিয়োগৰ ওপৰত কিবা এটা প্ৰতিদানৰ হাৰ, এক বিশেষ সময় সীমাৰ ভিতৰত বজাৰৰ অংশ (market share) কোনো এটা হাৰত বৃদ্ধি হোৱা আদিৰ দ্বাৰা গঠিত হয়।

৩) **কৌশলী ব্যৱসায়িক গোটৰ উদ্দেশ্য (SBU objectives) ঃ** এটা বহুমুখী কৌশলী ব্যৱসায়িক গোটৰ (Strategic Business Unit) সংগঠনত জখলাৰ পৰৱৰ্তী স্তৰ হ'ল কৌশলী ব্যৱসায়িক গোটৰ উদ্দেশ্য। প্ৰতিটো কৌশলী ব্যৱসায়িক গোটৰ সংগঠনত, উদ্দেশ্যসমূহ সুকীয়াভাৱে নিৰ্দ্ধাৰণ কৰিব লাগে।

৪) **আঞ্চলিক উদ্দেশ্য (Divisional objectives) ঃ** কৌশলী ব্যৱসায়িক গোটৰ উদ্দেশ্যৰ ভিত্তিত প্ৰতিটো আঞ্চলিক কাৰ্যালয়ৰ বাবে উদ্দেশ্য নিৰ্ধাৰণ কৰিব লাগে।

৫) **বিভাগীয় উদ্দেশ্য (Departmental objectives) ঃ** আঞ্চলিক উদ্দেশ্যৰ অধীনত বিভাগীয় উদ্দেশ্যসমূহ থাকে অৰ্থাৎ উৎপাদন, বিত্ত, বজাৰকৰণ, কৰ্মীবৃন্দৰ ব্যৱস্থাপনা, গৱেষণা আৰু বিকাশ আদি বিভিন্ন বিভাগৰ উদ্দেশ্যসমূহে নিগমৰ উদ্দেশ্যত উপনীত হোৱাত সহায় কৰে।

৬) **ব্যক্তিগত উদ্দেশ্য (Individual objectives) ঃ** এটা বিভাগৰ অধীনত বহুতো শাখা বা গোট থাকিব পাৰে। উদাহৰণ স্বৰূপে, বজাৰকৰণ বিভাগৰ বহুকেইটা ভৌগোলিক বিভাজন থাকিব পাৰে যেনে— উত্তৰাঞ্চল মণ্ডল, পূৰ্বাঞ্চল মণ্ডল, দক্ষিণাঞ্চল মণ্ডল আৰু পশ্চিমাঞ্চল মণ্ডল ইত্যাদি বা পণ্য-ক, পণ্য-খ, পণ্য-গ ইত্যাদিও হ'ব পাৰে। এনে প্ৰতিটো শাখাৰ ইয়াৰ নিজস্ব উদ্দেশ্য থাকে যিয়ে বিভাগীয় উদ্দেশ্যত উপনীত হোৱাত অৱিহণা যোগায়। প্ৰতিটো শাখাত উদ্দেশ্য পূৰণৰ বাবে দায়ৱদ্ধ বহুতো লোক থাকিব পাৰে। উদাহৰণ স্বৰূপে, এটা বজাৰকৰণৰ উপ-বিভাগৰ অধীনত বহুতো বিক্ৰেতা থাকিব পাৰে য'ত প্ৰতিজন বিক্ৰীৰ লক্ষ্যৰ দৰে বিশেষ উদ্দেশ্য সাধন কৰিব লাগে।

এটা জখলাযুক্ত বা স্তৰীভূত সংগঠনৰ উদ্দেশ্যৰ জখলা থাকে আৰু সংগঠনৰ সামগ্ৰিক উদ্দেশ্য পূৰণৰ বাবে বিভিন্ন স্তৰত উদ্দেশ্যসমূহৰ নক্সা বা আৰ্হি প্ৰস্তুত কৰা হয়।

১২.১৬ উদ্দেশ্য নির্ধাৰণ (SETTING OF OBJECTIVES)

উদ্দেশ্য নির্দ্ধাৰণৰ দুটা উপায় বা পদ্ধতি আছে। সেইবোৰ হ'ল—

১) শীর্ষৰ পৰা তললৈ গতি কৰা পদ্ধতি (Top-down Approach)

২) নিম্নৰ পৰা শীর্ষলৈ গতি কৰা পদ্ধতি (Bottom-up Approach)

১) **শীর্ষৰ পৰা তললৈ গতি কৰা পদ্ধতি (Top-down Approach) ঃ** এই পদ্ধতিত প্রথমতে কোম্পানীটোক সামৰি উদ্দেশ্য নির্দ্ধাৰণ কৰা হয় আৰু তাৰ পিছত ব্যৱসায়িক গোট, আঞ্চলিক কার্যালয়, বিভাগীয় কার্যাৱলী আৰু কার্যকৰণ গোটসমূহৰ বাবে বিত্তীয় আৰু কৌশলী উদ্দেশ্য স্থিৰ কৰা হয়।

শীর্ষৰ পৰা নিম্নস্তৰলৈ গতি কৰা পদ্ধতিৰ সমর্থকসকলে যুক্তি আগবঢ়ায় যে এই পদ্ধতিৰ দুটা শক্তিশালী সুবিধা আছে—

(i) ই সংগঠনৰ বিভিন্ন অংশসমূহৰ মাজত থকা উদ্দেশ্য আৰু কৌশলৰ মাজত সম্বন্ধ স্থাপন কৰে, আৰু

(ii) ই বাছনি কৰা কৌশলী ব্যৱস্থাৰে কোম্পানীটোৰে আগলৈ গতি কৰাৰ বাবে আভ্যন্তৰীণ প্রচেষ্টাক একত্রিত কৰাত সহায় কৰে।

২) **নিম্নৰ পৰা তললৈ গতি কৰা পদ্ধতি (Bottom-up Approach) ঃ** এই পদ্ধতিত উদ্দেশ্য নির্দ্ধাৰণ প্রথমতে সংগঠনৰ তলৰ স্তৰত আৰম্ভ হয় আৰু কোম্পানীৰ উদ্দেশ্যই সেইটোকে প্রতিফলিত কৰে যিটো নিম্নস্তৰৰ পৰা বুৰবুৰণিৰ দৰে ওপৰলৈ উঠে। নিম্নৰ পৰা শীর্ষলৈ উঠা পদ্ধতিটোৰ সমর্থকসকলে যুক্তি আগবঢ়ায় যে শীর্ষ ব্যৱস্থাপনাই নিম্নস্তৰৰ পৰা তথ্যপাতি গোটাব লাগে আৰু ইয়ে উদ্দেশ্যসমূহক অধিক বাস্তৱসন্মত আৰু গ্রহণযোগ্য কৰি তোলে। তেওঁলোকে আৰু যুক্তি দিব খোজে যে তলতীয়া কর্মচাৰীসকলে তেওঁলোকৰ ওপৰত জাপি দিয়া লক্ষ্যতকৈ নিজে আগভাগ লোৱা লক্ষ্যত অধিক অনুপ্রাণিত আৰু সমর্পিত হয়। এই যুক্তিটো সবল হোৱা সত্বেও, উদ্দেশ্য নির্ধাৰণৰ বাবে নিম্নৰ পৰা শীর্ষলৈ গতি কৰা পদ্ধতিটো সাধাৰণতে অনুসৰণ কৰা নহয়।

যদিহে সংগঠনৰ সদস্যসকলৰ স্বার্থত শীর্ষ ব্যৱস্থাপনাই নিম্নস্তৰৰ উদ্দেশ্য নির্ধাৰণ কৰিবলৈ অনুমতি দিয়ে, তেতিয়া তেওঁলোকে নির্দেশক হিচাপে কোম্পানীৰ পাৱদর্শিতাৰ উপকাৰ লাভ কৰিব নোৱাৰিব বা কর্মচাৰীসকলৰ পাৱদর্শিতাৰ লক্ষ্যক কোম্পানীৰ সৈতে সংলগ্ন কৰাৰ ভিত্তি নাথাকিব। তাৰ ফলত কৌশলী পৰিকল্পনাখন সামঞ্জস্যহীন, ভগ্ন আৰু সমন্বয়হীন হৈ পৰিব পাৰে। শীর্ষৰ পৰা নির্দেশনা নথকা নিম্নৰ পৰাও ওপৰলৈ স্থিৰ কৰা উদ্দেশ্যসমূহে শীর্ষস্তৰৰ ব্যৱস্থাপকৰ কৌশলী নেতৃত্বৰ অভাৱকে সূচায়।

১২.১৭ উদ্দেশ্য আৰু লক্ষ্য (OBJECTIVES AND GOALS)

'লক্ষ্য'' আৰু 'উদ্দেশ্য' শব্দ দুটা বিভিন্ন প্রকাৰে ব্যৱহাৰ কৰা হয়, কেতিয়াবা বিতর্কমূলক

ভাবেও।

'লক্ষ্য' শব্দটো প্ৰায়েই 'উদ্দেশ্য' শব্দটোৰ সলনা সলনিকৈ ব্যৱহাৰ কৰা হয়। কিন্তু কিছুমান গ্ৰন্থকাৰে দুয়োটা শব্দক পৃথক কৰাত অগ্ৰাধিকাৰ দিয়ে।

'লক্ষ্য' হ'ল কোনো পৰিমাণ নিৰ্দ্ধাৰণ নকৰাকৈ আৰু কেতিয়া সম্পূৰ্ণ কৰিব তাৰে সময় স্থিৰ নকৰাকৈ উপনীত হোৱাৰ বাবে প্ৰস্তুত কৰা এখন মুক্তমুখী বিবৃতি। উদাহৰণ স্বৰূপে, 'লাভযোগ্যতা বৃদ্ধি কৰা'ৰ (increased profitability) বাবে এখন সাধাৰণ বিবৃতি হ'ল 'লক্ষ্য', উদ্দেশ্য নহয়। কাৰণ কিমানখিনি লাভ প্ৰতিষ্ঠানটোৱে উপাৰ্জন কৰিব বিচাৰে সেইটো ইয়াত উল্লেখ নাই। উদ্দেশ্য হ'ল পৰিকল্পিত কাৰ্যৰ শেষ ফলাফল। ইয়াত কেতিয়া কিমানখিনি কাৰ্য সমাপন কৰা হ'ব সেইটো উল্লেখ থাকে। উদাহৰণ স্বৰূপে, 'যোৱা বছৰ ১০ শতাংশ লাভ বৃদ্ধি হৈছে'— এইটো এটা উদ্দেশ্য

ওপৰত দেখা গ'ল যে 'লক্ষ্যই' এটা সংগঠনে ভৱিষ্যতৰ এক সময়সীমাৰ ভিতৰত কি সমাধা কৰাৰ আশা কৰে সেইটো সূচায়। বৰ্তমানে চলোৱা প্ৰচেষ্টাৰ ভৱিষ্যত ফলাফল কি হ'ব ই তাকে প্ৰতিফলিত কৰে। উদ্দেশ্যই লক্ষ্যত কিদৰে উপনীত হ'ব পাৰি তাকে নিৰ্দিষ্টকৈ উল্লেখ কৰে। এই অৰ্থত, উদ্দেশ্যই লক্ষ্যক কাৰ্যকৰী কৰে। লক্ষ্য সৰলীকৃত (generalised) হোৱাৰ বিপৰীতে উদ্দেশ্যসমূহ বাস্তৱ আৰু সুনিৰ্দিষ্ট। লক্ষ্য হ'ল গুণগত, কিন্তু উদ্দেশ্য হ'ল সংখ্যাগত, নিৰ্ণায়ক আৰু তুলনাৰ যোগ্য।

লক্ষ্য	উদ্দেশ্য
১) এইবোৰ হ'ল সৰলীকৃত বিবৃতি	১) এইবোৰ হ'ল সুনিৰ্দিষ্ট বিবৃতি
২) এইবোৰ গুণগত	২) এইবোৰ সংখ্যাগত, গণনাৰ যোগ্য
৩) এইবোৰ হ'ল সমগ্ৰ সংগঠনক সামৰি লোৱা বহল লক্ষ্য।	৩) এইবোৰ হ'ল কাৰ্যকৰী বিভাগে স্থিৰ কৰা ঠেক লক্ষ্য।
৪) এইবোৰ দীৰ্ঘকালীন ফলাফলৰ সৈতে জড়িত।	৪) এইবোৰ তৎকালীনভাৱে পাব পৰা হ্ৰস্বকালীন লক্ষ্যৰ সৈতে জড়িত।
৫) এইবোৰ কৌশল প্ৰয়োগৰ বাবে প্ৰয়োজন।	৫) এইবোৰ কৌশল ৰচনা কৰাৰ বাবে প্ৰয়োজন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ঃ তলৰ বিবৃতিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(i) উদ্দেশ্যৰ জখলাৰ একেবাৰে শীৰ্ষত বিশেষ লক্ষ্য থাকে।

(ii) কৌশলী লক্ষ্য হ'ল হ্ৰস্বকালীন লক্ষ্য।

(iii) প্ৰতিটো কৌশলী ব্যৱসায়িক গোটৰ সংগঠনৰ বাবে উদ্দেশ্য পৃথকভাৱে নিৰ্দ্ধাৰণ কৰিব লাগে।

(iv) এটা সংগঠনৰ প্ৰতিটো শাখাত এজনকৈ ব্যক্তি থাকিব পাৰে।

(v) বেলেগ বেলেগ স্তৰৰ উদ্দেশ্যই সংগঠনৰ সামগ্রিক উদ্দেশ্য সাধনত সহায় কৰে।

প্রশ্ন নং ৯ঃ উদ্দেশ্য নির্দ্ধাৰণৰ দুটা পদ্ধতিৰ বিষয়ে লিখা।

(i) .....

(ii) .....



১২.১৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- কল্পিত বিষয় আৰু বিশেষ লক্ষ্যৰ বিবৃতিয়ে উদ্দেশ্যৰ সৈতে সংগঠনৰ অভিপ্রায় ব্যাখ্যা কৰে।
- প্রয়োগযোগ্যতা, নমনীয়তা, নির্দেশনামূলক, যোগাযোগৰ উপযোগী, আকার্ষণীয় আদি কল্পিত বিষয়ৰ কেতবোৰ গুৰুত্বপূর্ণ বৈশিষ্ট্য।
- কল্পিত বিষয়ক প্রমূল্যৰ বিবৃতি হিচাপেও জনা যায়, যিয়ে ব্যৱস্থাপকৰ কর্ম, কর্মচাৰীৰ আচৰণ, বজাৰকৰণৰ প্রচেষ্টা আৰু দলীয় শক্তিক প্রভাৱিত কৰে।
- বিশেষ লক্ষ্যৰ বিবৃতি চমু, স্পষ্ট, প্রেৰণাদায়ক, প্রাসংগিক, গতিশীল আৰু একক হোৱা উচিত।
- সংগঠনৰ সম্পদসমূহ বণ্টন কৰাৰ বাবে এটা মানদণ্ড বা ভিত্তি প্রদান কৰিবলৈ বিশেষ লক্ষ্যৰ বিবৃতি প্রস্তুত কৰিব লাগে।
- এটা সংগঠনৰ কাম-কাজ চলাবলৈ উদ্দেশ্যই ভিত্তি প্রদান কৰে।
- কৌশলী ব্যৱস্থাপনাত উদ্দেশ্যসমূহে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- উদ্দেশ্য নির্দ্ধাৰণ কৰোতে স্পষ্টতা, নমনীয়তা, সামঞ্জস্যপূর্ণ, সন্তুলিত আদি কেতবোৰ নীতি অনুসৰণ কৰিব লাগে।
- উদ্দেশ্য নির্দ্ধাৰণৰ দুটা পদ্ধতি আছে।
- লক্ষ্য হ'ল গুণগত, আনহাতে উদ্দেশ্য হ'ল সংখ্যাগত আৰু জোখ ল'ব পাৰি।



১২.১৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.

2) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.

3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.

4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.

১২.২০ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ কল্পিত বিষয়ক এটা সংগঠনৰ ভৱিষ্যতৰ সম্ভাব্য আৰু আকাংক্ষিক মানসিক প্ৰতিচ্ছবি হিচাপে সংজ্ঞা দিব পাৰি।

২ নং প্ৰশ্নৰ উত্তৰঃ কল্পিত বিষয়ৰ দুটা বৈশিষ্ট্য হ'ল ঃ

(ক) ইয়াক সহজে যোগাযোগ কৰিব পৰা হ'ব লাগে।

(খ) ই বাস্তৱ সন্মত হ'ব লাগে।

৩ নং প্ৰশ্নৰ উত্তৰঃ (i) অশুদ্ধ (ii) শুদ্ধ (iii) শুদ্ধ (iv) অশুদ্ধ (v) শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰঃ বিশেষ লক্ষ্যৰ বিবৃতিৰ দুটা গুৰুত্ব হ'ল—

(i) ই সংগঠনৰ ভিত্তিৰত অভিপ্ৰায়ৰ বিৰোধিতা নোহোৱাটো সুনিশ্চিত কৰে।

(ii) ই সংগঠনৰ সম্পদসমূহ বণ্টনৰ ক্ষেত্ৰত এটা মান বা ভিত্তিৰ ব্যৱস্থা কৰে।

৫ নং প্ৰশ্নৰ উত্তৰঃ কল্পিত বিষয় আৰু বিশেষ লক্ষ্যৰ মাজত তলত দিয়া ধৰণে পাৰ্থক্য দেখুৱাব পাৰি—

(i) কল্পিত বিষয় হ'ল এটা সপোন, বিশেষ লক্ষ্য হ'ল অভিপ্ৰায়।

(ii) কল্পিত বিষয় বহল, বিশেষ লক্ষ্য সুনিৰ্দিষ্ট।

(iii) কল্পিত বিষয় হ'ল এটা মানসিক প্ৰতিচ্ছবি, বিশেষ লক্ষ্য হ'ল দৰ্শনৰ এটা বিবৃতি।

(iv) কল্পিত বিষয়ে 'আমি কি কৰিব বিচাৰো' আৰু বিশেষ লক্ষ্যই 'আমাৰ ব্যৱসায় কি' তাৰে সমাধান আগবঢ়ায়।

৬ নং প্ৰশ্নৰ উত্তৰঃ (i) অশুদ্ধ (ii) শুদ্ধ (iii) শুদ্ধ (iv) অশুদ্ধ (v) শুদ্ধ।

৭ নং প্ৰশ্নৰ উত্তৰঃ উদ্দেশ্যৰ দুটা ভূমিকা বা গুৰুত্ব হ'ল—

(i) উদ্দেশ্যই এটা সংগঠনৰ কাৰ্যকলাপত নিৰ্দেশনা প্ৰদান কৰে।

(ii) উদ্দেশ্যই সংগঠনৰ পাৰদৰ্শিতাৰ মূল্যায়ন আৰু নিয়ন্ত্ৰণৰ বাবে মানদণ্ড প্ৰদান কৰে।

৮ নং প্ৰশ্নৰ উত্তৰঃ (i) অশুদ্ধ (ii) অশুদ্ধ (iii) শুদ্ধ (iv) অশুদ্ধ (v) শুদ্ধ।

৯ নং প্ৰশ্নৰ উত্তৰঃ উদ্দেশ্য নিৰ্দ্ধাৰণৰ দুটা পদ্ধতি হ'ল—

(i) শীৰ্ষৰ পৰা নিম্নলৈ গতি কৰা পদ্ধতি(ii) নিম্নৰ পৰা শীৰ্ষলৈ গতি কৰা পদ্ধতি।



১২.২১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ কল্পিত বিষয় আৰু বিশেষ লক্ষ্যৰ অৰ্থ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ কল্পিত বিষয়ৰ বিবৃতিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ ভাগীদাৰী প্ৰমূল্য মানে কি?

প্ৰশ্ন ৪ঃ ভাগীদাৰী প্ৰমূল্যৰ অভিপ্ৰায়সমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ৫ঃ বিশেষ উদ্দেশ্যৰ বিবৃতিৰ বৈশিষ্ট্যসমূহ চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ঃ বিশেষ লক্ষ্যৰ বিবৃতিৰ গুৰুত্বসমূহ কি কি?

প্ৰশ্ন ৭ঃ বিশেষ লক্ষ্যৰ বিবৃতি প্ৰস্তুত কৰা প্ৰণালী আলোচনা কৰক।

প্ৰশ্ন ৮ঃ উদ্দেশ্যৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৯ঃ কৌশলী ব্যৱস্থাপনাত উদ্দেশ্যৰ ভূমিকা চমুকৈ লিখক।

প্ৰশ্ন ১০ঃ আদৰ্শ উদ্দেশ্যৰ বাবে থকা নিৰ্দেশাৱলীসমূহ কি কি?

প্ৰশ্ন ১১ঃ উদ্দেশ্যৰ জখলা সম্বন্ধে আলোচনা কৰক।

প্ৰশ্ন ১২ঃ উদ্দেশ্য নিৰ্দ্ধাৰণৰ বাবে কি কি পদ্ধতি আছে?

প্ৰশ্ন ১৩ঃ উদ্দেশ্য আৰু লক্ষ্যৰ মাজত পাৰ্থক্য দেখুৱাওক।

*** ***** ***

অধ্যায় ১৩ ঃ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ পৰিচয়

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ ধাৰণা

১৩.৪ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ উপাদানসমূহ

১৩.৫ ব্যৱসাৰ নীতিশাস্ত্ৰৰ আৱশ্যকতা

১৩.৬ ব্যৱসায়ৰ নীতিশাস্ত্ৰক প্ৰভাৱিত কৰা কাৰকসমূহ

১৩.৭ অনৈতিক ব্যৱসায়িক আচৰণ

১৩.৮ নীতিশাস্ত্ৰ বনাম আইন

১৩.৯ নীতিশাস্ত্ৰৰ তত্ত্বসমূহ

১৩.১০ গোলকীয় পটভূমিত নীতিশাস্ত্ৰ

১৩.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.১২ অধিক জানিবলৈ

১৩.১৩ অগ্ৰগতিৰ খতিয়ান

১৩.১৪ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ অৰ্থ আৰু বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ নীতিসমূহ ব্যাখ্যা কৰিব পাৰিব
- ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ আৱশ্যকতা ব্যাখ্যা কৰিব পাৰিব
- ব্যৱসায়ৰ নীতিশাস্ত্ৰত প্ৰভাৱ পেলোৱা কাৰকসমূহ বৰ্ণনা কৰিব পাৰিব
- নৈতিক আৰু অনৈতিক আচৰণৰ বিষয়ে বুজিব পাৰিব
- নীতিশাস্ত্ৰৰ তত্ত্বসমূহ ব্যাখ্যা কৰিব পাৰিব
- গোলকীয় পটভূমিত নীতিশাস্ত্ৰৰ বিষয়ে জানিব পাৰিব।

১৩.২ পৰিচয়

নীতিশাস্ত্ৰ শব্দটো গ্ৰীক শব্দ 'Ethos' ৰ পৰা উৎপত্তি হৈছে। যিয়ে এক আদৰ্শগত মানদণ্ড সম্পন্ন আচৰণৰ কথা বুজায়।

সাধাৰণ অৰ্থত ক'বলৈ হ'লে আদৰ্শ, ভাল, শুদ্ধ, উচিত, সততা আদি শব্দবোৰ

নীতিশাস্ত্ৰৰ সমতুল্য। সাধাৰণতে, নীতিশাস্ত্ৰই বেয়াতকৈ ভালৰ সৈতেহে বেছি সম্পৰ্ক ৰাখে। অৱশ্যে নৈতিক চিন্তাৰ সমৰ্থনকাৰীসকলৰ ওপৰত নিৰ্ভৰ কৰি একেটা কাম নৈতিক বা অনৈতিক হ'ব পাৰে। আকৌ, আমাৰ সমাজত যিটো নৈতিক, আন ঠাইত অনৈতিক হ'ব পাৰে।

সহজ অৰ্থত ক'বলৈ হ'লে, নীতিশাস্ত্ৰই কোনটো শুদ্ধ বা অশুদ্ধ, ভাল বা বেয়া, ন্যায়িক বা অন্যায় তাকে সূচায়। ব্যৱসায় ক্ষেত্ৰত ব্যৱহাৰ কৰিলে নীতিশাস্ত্ৰ মানে হ'ল সমাজৰ দৃষ্টিৰে বাঞ্ছনীয় বুলি ভবা ব্যৱসায়িক পদ্ধতি।

এই অধ্যয়নটিত আমি ব্যৱসায়ীক নীতিশাস্ত্ৰৰ ধাৰণা, ইয়াত আৱশ্যকতা, তত্ত্ব, ব্যৱসায়ীক নীতিশাস্ত্ৰত প্ৰভাৱ পেলোৱা কাৰকসমূহ ইত্যাদি বিষয়বোৰ আলোচনা কৰিম।


১৩.৩ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ ধাৰণা (CONCEPT OF BUSINESS ETHICS)

সাধাৰণ নীতিশাস্ত্ৰৰ ধাৰণাটোৰ এক সম্প্ৰসাৰণ হ'ল ব্যসায়ৰ নীতিশাস্ত্ৰ। ব্যসায়িক কাম-কাজ পৰিচালত কৰা সামাজিকভাৱে নিৰ্ধাৰিত নৈতিক নীতিসমূহকে নীতিশাস্ত্ৰ হিচাপে ব্যাখ্যা কৰিব পাৰি।

বি. অ' হুইলৰে (B. O. Wheeler) ব্যৱসায়ৰ নীতিশাস্ত্ৰ শব্দটোৰ সংজ্ঞা তলত দিয়া ধৰণে দিছে—

'ব্যৱসায়ৰ নীতিশাস্ত্ৰ হ'ল সমাজ, ইয়াৰ বিভিন্ন দলসমূহ আৰু অনুষ্ঠানৰ সৈতে ঐক্যৱদ্ধ সম্পৰ্ক ৰক্ষা কৰাৰ এটা কলা বা বিজ্ঞান, লগতে ব্যৱসায়ৰ শুদ্ধতা বা অশুদ্ধতাৰ প্ৰতি নৈতিক দায়িত্ব মানি লোৱা।'

ব্যৱসায় হ'ল সমাজৰ এটা অঙ্গ আৰু সেইবাবে ই সমাজৰ নৈতিক আচাৰ-বিধি মানি চলা উচিত। সমাজে শুদ্ধ বুলি বিবেচনা কৰা নীতিবোৰৰ দ্বাৰা ই পৰিচালিত হোৱা উচিত। ব্যৱসায়িক কাৰ্য ৰূপায়ণৰ সৈতে নৈতিক মূল্যবোধক সমন্বিত কৰাটো প্ৰতিটো ব্যৱসায়ৰ পৰা আশা কৰা যায়।



চিত্ৰ ঃ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ ধাৰণা

ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ উদাহৰণ

প্ৰত্যেক ব্যৱসায়ে নৈতিকভাৱে বা সমাজে আশা কৰা মতে ইয়াৰ কাম-কাজ চলাব বুলি আশা কৰা যায়।

নৈতিকভাৱে ব্যৱসায়িক কাৰ্য চলোৱাৰ কেইটিমান উদাহৰণ তলত দিয়া হ'ল ঃ

(১) ভোক্তাৰ পৰা উচিত মূল্য আদায় কৰা।
(২) পণ্য সামগ্ৰীৰ জোখ ল'বলৈ সঠিক ওজন ব্যৱহাৰ কৰা।
(৩) চৰকাৰক সাধুতাৰে কৰ পৰিশোধ কৰা।
(৪) ভোক্তাৰ পৰা সঠিক লাভ আদায় কৰা।
(৫) কৰ্মচাৰীসকলক সঠিকভাৱে চোৱাচিতা কৰা।

১৩.৪ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ উপাদানসমূহ (ELEMENTS OF BUSINESS ETHICS)

ব্যৱসায় প্ৰতিষ্ঠান এটা চলাই নিবলৈ নীতিশাস্ত্ৰৰ কিছুমান মৌলিক উপাদানৰ প্ৰয়োজন। সেইবোৰ তলত আলোচনা কৰা হ'ল।

১। **শীৰ্ষ ব্যৱস্থাপনাৰ প্ৰতিশ্ৰুতি (Top management commitment) ঃ** এটা ব্যৱসায় প্ৰতিষ্ঠানে নৈতিকতা মানি চলাৰ ক্ষেত্ৰত সংগঠনটোৰ শীৰ্ষ ব্যৱস্থাপনাই এক বিশেষ ভূমিকা গ্ৰহণ কৰে। ব্যৱসায় প্ৰতিষ্ঠান এটাই ইয়াৰ লক্ষ্যত উপনীত হ'বলৈ প্ৰতিষ্ঠানটোৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু অন্যান্য উচ্চ পৰ্যায়ৰ বিষয়াসকলে নৈতিকতা বজাই ৰাখি কামত অগ্ৰসৰ হ'ব লাগে। প্ৰতিষ্ঠানটোৰ মূল্যবোধৰ বিকাশ আৰু উন্নতিত এওঁলোকে সুদৃঢ় নেতৃত্ব প্ৰদান কৰা উচিত।

২। **আচৰণবিধিৰ প্ৰকাশ (Publication of a code) ঃ** যিবিলাক ব্যৱসায় প্ৰতিষ্ঠানে নীতিশাস্ত্ৰ অনুসৰি কৰ্মসূচী যুগুত কৰে, সেইবিলাকে ব্যৱসায় পৰিচালনা কৰিবলৈ কিছুমান আচৰণবিধি লিখিত নথি আকাৰত প্ৰকাশ কৰি উলিয়ায়। এনেবোৰ লিখিত নথিপত্ৰক আচৰণবিধিৰ সংকলন বুলি জনা যায়। মৌলিক সাধুতা, আৰু আইনৰ প্ৰতি আনুগত্য প্ৰকাশ, দ্ৰব্য সামগ্ৰীৰ গুণগত মান, কৰ্মস্থলীত কৰ্মচাৰীসকলৰ স্বাস্থ্যজনিত সুৰক্ষা, বিক্ৰী বা বিপণন প্ৰণালীত উচিত কাৰ্যপন্থা গ্ৰহণ, বিত্তীয় খতিয়ান প্ৰদান ইত্যাদিবোৰকে এই আচৰণবিধিয়ে সামৰি লয়।

৩। **আজ্ঞা পালনৰ বিশেষ পদ্ধতি স্থাপন (Establishment of compliance mechanisms) ঃ** ব্যৱসায় প্ৰতিষ্ঠান এটাই নিৰ্দিষ্ট কৰা নৈতিক মানদণ্ড অনুযায়ী যে ইয়াৰ সিদ্ধান্ত আৰু কাৰ্যপন্থা গ্ৰহণ কৰা হৈছে তাক নিশ্চিত কৰিবলৈ এটা উপযুক্ত পদ্ধতি গ্ৰহণ কৰা উচিত। এনেকুৱা কিছুমান পদ্ধতিৰ উদাহৰণ হৈছে কৰ্মচাৰীসকলৰ ক্ষেত্ৰত নিৰ্দিষ্ট মূল্যবোধ আৰু নৈতিকতাৰ প্ৰতি গুৰুত্ব আৰোপ কৰা, কৰ্মচাৰী প্ৰশিক্ষণৰ ক্ষেত্ৰত নীতিশাস্ত্ৰৰ ওপৰত গুৰুত্ব প্ৰদান ইত্যাদি।

৪। **সকলো স্তৰৰে কৰ্মচাৰীসকলক জড়িত কৰা (Involving employes at all levels) ঃ** ব্যৱসায়ৰ নৈতিকতাক প্ৰকৃত ৰূপ দিবলৈ সকলো স্তৰৰে কৰ্মচাৰীসকলক নীতিশাস্ত্ৰ বিষয়ক কাম-কাজ সম্পৰ্কে সচেতন কৰা দৰকাৰ। কাৰণ ব্যৱসায়ৰ কাম-কাজসমূহৰ লগত ইয়াৰ কৰ্মচাৰীসকলেহে ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। গতিকে এওঁলোকৰ

পূৰ্ণ সহযোগিতা অবিহনে ব্যৱসায় প্ৰতিষ্ঠানৰ নৈতিকতাৰ দিশটোত সফলতা অসম্ভৱ। এই বিষয়ত কৰ্মচাৰীসকলক সচেতন কৰিবলৈ এওঁলোকৰ মাজত সৰু সৰু গোটৰ সৃষ্টি কৰি ব্যৱসায়ৰ নৈতিক দিশ সম্পৰ্কে আলোচনা কৰা উচিত আৰু কৰ্মচাৰীসকলৰ উক্ত বিষয়ৰ প্ৰতি মনোভাৱ জনাটো দৰকাৰ।

৫। **ফলাফলৰ জোখ-মাপ (Measuring Results) ঃ** যদিও নীতিশাস্ত্ৰ বিষয়ক কৰ্মসূচীৰ শেষ ফলাফলৰ সঠিক জোখমাপ এক জটিল বিষয় তথাপিও ব্যৱসায়ৰ কাম-কাজসমূহ নৈতিকভাৱে পালন কৰা হৈছে নে নাই তাক নিৰীক্ষণৰ ব্যৱস্থা ব্যৱসায় প্ৰতিষ্ঠানসমূহে কৰিব পাৰে। ইয়াৰ উপৰিও শীৰ্ষ ব্যৱস্থাপনাৰ লগত জড়িত ব্যক্তিসকল আৰু অন্যান্য কৰ্মচাৰীসকলে ব্যৱসায়ৰ নৈতিক দিশটোৰ ফলাফল সম্পৰ্কে আলোচনা কৰি এই বিষয়ে ভৱিষ্য কাৰ্যপন্থা গ্ৰহণ কৰা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ তলৰ উক্তিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

(i) 'Ethics' শব্দটো লেটিন শব্দ 'ethos' ৰ পৰা উদ্ভৱ হৈছে।

(ii) ব্যৱসায়ৰ নীতিশাস্ত্ৰ হ'ল এক প্ৰকাৰৰ স্ব-আৰোপিত অনুশাসন।

(iii) চৰকাৰক সাধুতাৰ কৰ পৰিশোধ কৰাটো অনৈতিক।

(iv) ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ মূল আদৰ্শ হ'ল সৰ্বাধিক সামাজিক কল্যাণ।

(v) ব্যৱসায়ৰ নীতিশাস্ত্ৰত শীৰ্ষ ব্যৱস্থাপনাৰ কোনো ভূমিকা পালন কৰিব লগীয়া নাথাকে।

প্ৰশ্ন নং ২ঃ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক—

(i) .....

(ii) .....

১৩.৫ ব্যৱসাৰ নীতিশাস্ত্ৰৰ আৱশ্যকতা (NEED FOR BUSINESS ETHICS)

সমগ্ৰ বিশ্বব্যাপী ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ আৱশ্যকতা দেখা যায়। ব্যৱসায় গোষ্ঠী আৰু পেচাদাৰীলোকে যাতে জনসাধাৰণৰ সুৰক্ষা আৰু কল্যাণৰ বাবে নৈতিক আচৰণ দেখুৱায় তাৰ বাবে বাণিজ্য সংস্থাবোৰে পেচাদাৰী আচৰণ বিধি প্ৰস্তুত কৰিছে।

তলত উল্লেখিত কাৰণসূহৰ বাবে ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ আৱশ্যক ঃ

১। **ভোক্তাৰ মনোবল বৃদ্ধি কৰে (Improve the confidence of customers) ঃ** নীতিশাস্ত্ৰৰ আচৰণ বিধি প্ৰকাশ কৰিলে ভোক্তা, মক্কেল, কৰ্মচাৰী আদিয়ে আশাকৰা সেৱাৰ গুণমান সম্পৰ্কে মনোবল বৃদ্ধি কৰে।

২। **সদস্যসকলৰ পাৰস্পৰিক সম্পৰ্ক পৰিচালিত কৰে (Govern the interrelationship of the members)** ঃ ব্যৱসায়িক আচৰণ বিধিয়ে সদস্যসকলৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক পৰিচালিত কৰে। আচৰণবিধিৰ মানদণ্ডৰ ওপৰত নিৰ্ভৰ নকৰাকৈ ব্যৱসায় চলাব পৰা নাযায়।

৩। **স্বাৰ্থৰ সুৰক্ষা (Protection of Interests)** ঃ ব্যৱসায়ৰ সৈতে জড়িত অংশধাৰক, কৰ্মচাৰী, প্ৰতিদ্বন্দ্বী, বিক্ৰেতা আৰু যোগান ধৰোঁতাসকলৰ স্বাৰ্থ অনৈতিক লেনদেন আৰু শোষণৰ পৰা সুৰক্ষা প্ৰদান কৰিব লাগিব।

৪। **শক্তিশালী গ্ৰাহক সংস্থাৰ সংগঠন (Organisation of powerful consumer associations)** ঃ গ্ৰাহকসকল কোনোপধ্যেই ব্যৱসায় প্ৰতিষ্ঠানৰ অনুগ্ৰহত জীয়াই নাথাকে। তেওঁলোকে ব্যৱসায়িক প্ৰতিষ্ঠানবোৰক অনুশাসনৰ মাজত ৰাখিবলৈ শক্তিশালী গ্ৰাহক সংস্থা গঠন কৰিছে। গ্ৰাহক সংস্থাবোৰৰ সৈতে মত বিৰোধ এৰাই চলিবলৈ ব্যৱসায়ে নৈতিক প্ৰণালী অনুসৰণ কৰাটো বাঞ্ছনীয়।

৫। **সামাজিক বিষয়ৰ প্ৰধান পক্ষসমূহৰ সৈতে মুখামুখি (Confrontation with major groups of social issues)** ঃ আজিকালি ব্যৱসায়ে কেতবোৰ সামাজিক বিষয়ৰ প্ৰধান পক্ষৰ যেনে— পৰিৱেশ সুৰক্ষা, শক্তিৰ সংকট, জনমুখী ব্যৱস্থাপনা আদিৰ সৈতে মুখামুখি হ'ব লাগে। এই বিষয়সমূহ ইটোৰ সৈতে সিটো জড়িত হোৱা বাবে এইবোৰৰ মুখামুখি হ'বলৈ ব্যৱসায়ে দায়বদ্ধতা অনুভৱ কৰা উচিত।

৬। **চৰকাৰী হস্তক্ষেপ (Intervention of government)** ঃ বিভিন্ন আইনে সমাজৰ নীতিশাস্ত্ৰৰ প্ৰতিফলন ঘটায়। যদিহে এটা ব্যৱসায় নৈতিক নহয় তেন্তে চৰকাৰৰ হস্তক্ষেপ আৰু আইন আদালতৰ হস্তক্ষেপ আহি পৰিব।

ই-ব্যৱসায়ত মানি চলিবলগীয়া নৈতিক দিশবোৰ

ব্যৱসায়িক লেনদেনত ইণ্টাৰনেট আৰু কম্পিউটাৰ অথবা মোবাইল এপ্লিকেশ্যনৰ ব্যবহাৰেই হ'ল সহজ অর্থত ই-ব্যৱসায় (E-business)। ই-ব্যৱসায়ে ক্ষুদ্ৰ ব্যৱসায়বোৰক এখন বৃহত্তৰ উপভোক্তা বজাৰ দিয়ে। ইয়াৰ সহায়ত ক্ষুদ্ৰ ব্যৱসায়বোৰে বৃহৎ ব্যৱসায়ৰ সৈতে ফেৰ মৰাৰ সুযোগ পায়। ই-ব্যৱসায়ৰ পৰিসৰ ব্যাপক হৈ পৰাৰ ফলত পূৰ্বতকৈ অধিক সুযোগ-সুবিধাৰে ব্যৱসায় কৰিব পৰা হৈছে। অৱশ্যে পৰম্পৰাগত ভৱনকেন্দ্ৰিক ব্যৱসায়ৰ দৰে ই-ব্যৱসায়ো নানা নীতিগত সমস্যাৰ সৈতে যুঁজিবলগীয়া হৈছে। ভাৰসাযোগ্য ই-ব্যৱসায় প্ৰতিষ্ঠা কৰিবলৈ নৈতিক আদর্শ কিছুমানৰ প্ৰয়োজন আছে। এইবোৰৰ সহায়তহে এটা সময়ত উপভোক্তাৰ আনুগত্য কর্ষণ কৰিব পৰা যাব। ই-ব্যৱসায়ৰ ক্ষেত্ৰত নৈতিক কথাবোৰে কোম্পানী এটাই নিজৰ গ্ৰাহকক কেনেকৈ সেৱা আগবঢ়াব আৰু কর্মচাৰীসকলক কেনে ব্যৱহাৰ কৰিব তাৰ দিক্-নির্দেশনা প্ৰদান কৰে তথা এই দিশবোৰক প্ৰভাৱিত কৰে।

বর্তমান সাধাৰণভাৱে প্ৰযুক্তিবিদ্যা আৰু বিশেষকৈ ইণ্টাৰনেট প্ৰায় সকলো ব্যৱসায়ৰে একোটা গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে। বহুতো ব্যৱসায়ীয়ে বিভিন্ন ক্ষেত্ৰত নতুন নতুন নীতিগত

দোমোজাৰ সৈতে যুঁজিবলগীয়া হৈছে। এই সমস্যা নাইকিয়া কৰিবলৈ কিছুমান ব্যৱসায়িক প্ৰতিষ্ঠানে নৈতিক উপদেষ্টাৰ সহায় লোৱা আৰম্ভ কৰিছে। ই-ব্যৱসায়ত জড়িত কোম্পানীবোৰে নৈতিক ব্যৱসায়িক অনুশীলন কৰা উচিত। এনে কোম্পানীবোৰে নৈতিক অনুশীলন সহকাৰে ব্যৱসায় কৰি আছেনে নাই সেয়া নিৰ্ণয় কৰিবলৈ কেইটামান বিশ্বজনীনভাৱে স্বীকৃত পৰিমাপ আছে। ইয়াৰে গুৰুত্বপূৰ্ণ পৰিমাপ দুটামান তলত উল্লেখ কৰা হ'ল-

- **স্বচ্ছতা ঃ** নৈতিকভাৱে সবল ব্যৱসায়ৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল স্বচ্ছতা। এক স্বচ্ছ ব্যৱসায় নীতিয়ে এই কথাৰ নিশ্চিতি দিয়ে যে ব্যৱসায়ত কি ডেটা ব্যৱহাৰ কৰা হৈছে সেয়া গ্ৰাহকক অৱগত কৰোৱা হৈছে। ইয়াৰ ফলত গ্ৰাহক আৰু ব্যৱসায়ৰ মাজত আস্থা স্থাপন হয়। স্বচ্ছতাৰ অনুশীলনৰ অংশ হ'ল সত্য কথাৰ উপস্থাপন, কোম্পানীয়ে কৰা কামৰ সৈতে সত্যবাদিতা আৰু স্পষ্ট যোগাযোগৰ মাধ্যমেৰে সম্পৰ্ক ৰাখি চলা।
- **সংহতি ঃ** অন্‌লাইন ব্যৱসায়ৰ ক্ষেত্ৰত স্পষ্ট নীতি, দিক্ নিৰ্দেশনা আৰু আনুষংগিক শিকন সামগ্ৰীৰ পৰিসৰৰ ভিতৰতে ব্যৱসায়টোৰ সংহতি গঠন কৰি লোৱা হয়। ই-বাণিজ্যৰ অন্তৰ্গত ব্যৱসায়বোৰত মানি চলা নৈতিক প্ৰমূল্যৰ অনুশীলনে ইয়াত কৰ্মৰত ব্যক্তিক দৈনিক কাৰ্যকলাপতো এই স্বীকৃত প্ৰমূল্যসমূহ প্ৰয়োগ কৰিবলৈ অনুপ্ৰাণিত কৰে। সংহতিয়ে ই-বাণিজ্যৰ অন্তৰ্গত ব্যৱসায়বোৰক নিজ নিজ মৌলিক সিদ্ধান্তত অটল হৈ থকাৰ বাবে প্ৰয়োজনীয় দিক্ নিৰ্দেশনা প্ৰদান কৰে।
- **ভাৰসাযোগ্যতা ঃ** ই-ব্যৱসায়ত গ্ৰাহকে সাধাৰণতে নিৰ্ভৰযোগ্য আৰু আদৰ্শনিষ্ঠ বুলি বিশ্বাস কৰা কোম্পানীবোৰৰ পৰাহে সামগ্ৰী ক্ৰয় কৰে। সেয়েহে এনে ব্যৱসায়ত ভাৰসাযোগ্যতা অতি গুৰুত্বপূৰ্ণ। ভাৰসাযোগ্যতা হ'ল কোনো এটা ব্যৱসায়ৰ গ্ৰাহকৰ প্ৰতি থকা দায়ৱদ্ধতা আৰু গ্ৰাহকক দিয়া প্ৰতিশ্ৰুতি পালন কৰা কাৰ্য।
- **আনুগত্য ঃ** ই-ব্যৱসায়ত আনুগত্য হ'ল কৰ্মচাৰী, বিনিয়োগকাৰী আৰু গ্ৰাহকৰ মাজত বৰ্তি থকা অবিৰত আৱেগিক সম্পৰ্ক। এগৰাকী গ্ৰাহকে কোনো কোম্পানীৰ পৰা আহৰণ কৰা ইতিবাচক অভিজ্ঞতাৰ পাৰ্শ্ব-উৎপাদন হ'ল আনুগত্য। ই আস্থাৰ ভাৱনা সৃষ্টি কৰে। সময়ত ই কোম্পানী আৰু কৰ্মচাৰীৰ উন্নতি সাধনকাৰী ব্যৱসায়িক লাভত পৰিণত হয়।
- **সন্মান ঃ** ই-বাণিজ্যৰ অন্তৰ্গত ব্যৱসায়বোৰৰ বাবে এটা গুৰুত্বপূৰ্ণ নৈতিক মান হ'ল উপভোক্তাৰ অধিকাৰ, গোপনীয়তা আৰু মৰ্যাদাৰ প্ৰতি প্ৰদৰ্শন কৰা সন্মান।
- **পক্ষপাতহীনতা ঃ** কোম্পানী এটাৰ ব্যৱসায়িক অভিযানবোৰত পক্ষপাতহীনতা আৰু সমতা প্ৰতিফলিত হ'ব লাগে। পক্ষপাতহীনতা হ'ল ব্যৱসায়িক কাৰ্যকলাপবোৰ ন্যায্যভাৱে আগবঢ়াই নিয়া আৰু উপভোক্তাৰ প্ৰতি সেৱা আগবঢ়াবলৈ নিজৰ বৈধ ক্ষমতা প্ৰয়োগ কৰাৰ বাবে দায়ৱদ্ধতা প্ৰদৰ্শন কৰা। ই-বাণিজ্যৰ অন্তৰ্গত কোম্পানীবোৰে নিজৰ প্ৰতিদ্বন্দ্বী কোম্পানীবোৰক চেৰ পেলাবলৈ স্বচ্ছ তথা সন্মানীয় পদ্ধতি অৱলম্বন কৰিব লাগে।
- **দায়িত্ববোধ ঃ** উচ্চ নৈতিক মান বান্ধি লৈ কাম কৰা ই-ব্যৱসায়বোৰে সদায় নিজৰ গ্ৰাহক তথা কৰ্মচাৰীৰ প্ৰতি থকা দায়িত্ববোধক স্বীকৃতি দিয়ে।

- **সহানুভূতি ঃ** এই গুণটোৱে ব্যৱসায়িক প্ৰতিষ্ঠানবোৰৰ পৰিচালকসকলক কৰ্মচাৰীৰ মনোভাৱ আৰু আৱেগ বুজাত তথা তেওঁলোকৰ সৈতে সুসম্পৰ্ক বৰ্তাই ৰখাত সহায় কৰে।

- **আইন মানি চলাৰ প্ৰৱণতা ঃ** ই-ব্যৱসায়ে মানি চলিবলগীয়া কিছুমান গুৰুত্বপূৰ্ণ কথা হ'ল কৰ পৰিশোধ, কৰ্মচাৰীৰ সপৰক্ষাৰ প্ৰতি দৃষ্টি ৰখা তথা নিয়োগ আৰু শ্ৰমিক আইনৰ প্ৰতি শ্ৰদ্ধা। আইন ব্যৱস্থাৰ মাজত থাকি কাম কৰা ব্যৱসায়বোৰে সম্প্ৰদায় আৰু গ্ৰাহকৰ পৰা অধিক ভাৰসাযোগ্যতা তথা সন্মান অৰ্জন কৰে ।

১৩.৬ ব্যৱসায়ৰ নীতিশাস্ত্ৰক প্ৰভাৱিত কৰা কাৰকসমূহ (FACTORS EFFECTING BUSINESS ETHICS)

ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ প্ৰধান নিৰ্ণয়কাৰীসমূহ হ'ল তলত দিয়া ধৰণৰ—

১। **সামাজিক প্ৰমূল্য (Social Values) ঃ** সামাজিক প্ৰমূল্যই নৈতিক নীতি বা নৈতিক মূল্য বা সমাজৰ বিশ্বাসৰ কথা বুজায়। যিবোৰ সমাজত মানুহৰ নৈতিক মূল্য উচ্চ, তাত ব্যৱসায়ীসকলেও নৈতিক আচৰণ মানি চলিব লাগে। কাৰণ সামাজিক শক্তিবোৰে ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়।

২। **ব্যক্তিগত প্ৰমূল্য (Personal Values) ঃ** উচ্চ নৈতিক প্ৰমূল্য আৰু নীতি আদৰ্শ থকা ব্যৱসায়ীজনে নৈতিক আচৰণ কাৰ্যকৰী কৰে। এটা সংগঠনত কাম কৰা লোকসকলৰ ব্যক্তিগত বিশ্বাসেও ব্যৱসায়ৰ নীতিশাস্ত্ৰত প্ৰভাৱ পেলায়। সাধাৰণতে কৰ্মচাৰীসকলে তেওঁলোকৰ ওপৰ খাপৰ লোকক অনুকৰণ কৰে আৰু তেওঁলোকৰ মূল্যবোধ তথা কাৰ্যক গ্ৰহণ কৰিব বিচাৰে। ব্যৱসায়ৰ প্ৰতিদ্বন্দ্বী আৰু সহযোগীসকলৰ আচৰণেও ব্যৱসায়ৰ নীতি শাস্ত্ৰক গঢ় দিয়ে।

৩। **উদ্যোগৰ বিধি ব্যৱস্থা (Industry Norms) ঃ** কিছুমান উদ্যোগ আৰু বেহা-বেপাৰে এটা আচৰণ বিধি মানি চলে। উদ্যোগসমূহৰ এটা নৈতিক বাতাবৰণ থাকে যিয়ে তেওঁলোকৰ কৰ্মচাৰীসকলৰ আচৰণ বিধি পৰিচালিত কৰে। পেচাদাৰিত্বৰ ফালে এটা ধাৰা প্ৰৱাহিত হোৱা বাবে ব্যৱস্থাপকসকলৰ তুলনাত পেচাদাৰী ব্যৱস্থাপকসকলৰ নৈতিক মানদণ্ড উচ্চ পৰ্যায়ৰ হোৱাটো পৰিলক্ষিত হয়।

৪। **চৰকাৰী নীতি নিয়ম (Government Rules and Regulations) ঃ** চৰকাৰৰ দ্বাৰা নিৰ্ধাৰিত নীতি নিয়মে ব্যৱসায়ীসকলক নৈতিক আচৰণ আৰু উচ্চ পৰ্যায়ৰ আচৰণবিধি মানিবলৈ বাধ্য কৰে। উদাহৰণ স্বৰূপে, সুৰা আৰু ধঁপাত উৎপাদনকাৰী কোম্পানীবোৰে 'মদ খোৱা বা ধঁপাত সেৱন কৰাটো স্বাস্থ্যৰ বাবে ক্ষতিকৰ বা কেন্সাৰৰ কাৰক হ'ব পাৰে' বুলি দ্ৰব্যটোৰ ওপৰত বিধিৰদ্ধ সতৰ্কবাণী লিখাটো বাধ্যতামূলক।

৫। **আইন-কানুন (Legislations) ঃ** চৰকাৰে এখন আইন বলবৎ কৰি ব্যৱসায়ীসকলক

নৈতিক আচৰণ মানি চলাৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ আৰোপ কৰিব পাৰে। উদাহৰণ স্বৰূপে, গ্ৰাহক সুৰক্ষা আইন, অত্যাৱশ্যকীয় সামগ্ৰী আইন আদি ব্যৱসায়ীসকলৰ অনৈতিক আচৰণ প্ৰতিৰোধ কৰিবলৈ চৰকাৰে বলবৎ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ তলৰ উক্তিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

(i) পেচাদাৰী আচৰণ বিধিসমূহৰ ব্যৱসায় সংস্থাসমূহে বিকাশ সাধন কৰিছে।

(ii) নৈতিক মানদণ্ডৰ ওপৰত ভৰষা নৰখাকৈ ব্যৱসায় চলাই যাব পাৰি।

(iii) সামাজিক মূল্যবোধে সমাজৰ নৈতিক মূল্য বা বিশ্বাসৰ কথা সূচায়।

(iv) সাধাৰণতে কৰ্মচাৰীসকলে তেওঁলোকৰ ওপৰ মহলক অনুসৰণ নকৰে।

(v) ব্যৱসায়ীসকলৰ ওপৰত চৰকাৰৰ কোনো নিয়ন্ত্ৰণ নাথাকে।

প্ৰশ্ন নং ৪ঃ চৰকাৰী হস্তক্ষেপ বুলিলে কি বুজে?

.....

.....

১৩.৭ অনৈতিক ব্যৱসায়িক আচৰণ (UNETHICAL BUSINESS BEHAVIOUR)

দুৰ্নীতি আৰু অনৈতিক আচৰণ সমভাৱে গতি কৰে আৰু এটাই আনটোৰ কাষত স্থিতি লাভ কৰে। ব্যৱসায়ে অপেক্ষা কৰি থাকিব নোৱাৰে আৰু ধাৰাবাহিকতা ৰক্ষা কৰি চলিব লাগে ৰবে দুৰ্নীতিয়ে প্ৰশ্ৰয় পায়। চৰকী ৰঙা ফিটাৰ মেৰপাকে অধিক সময় লয়। সমাজৰ বিভিন্ন শ্ৰেণীয়ে তেওঁলোকৰ নিজৰ লক্ষ্য আৰু স্বাৰ্থ সিদ্ধিৰ বাবে অনৈতিক আচৰণৰ আশ্ৰয় লয়। তাৰে কেতবোৰ উদাহৰণ তলত দিয়া হ'ল ঃ

(ক) শ্ৰমিকৰ প্ৰতি অনৈতিক আচৰণ (Unethical Behaviour to Workers) ঃ

(i) কৰ্ম সম্পাদন কৰাবলৈ ঔদ্যোগিক সুৰক্ষাৰ নীতি নিয়মবোৰ অৱজ্ঞা কৰা।

(ii) প্ৰাপ্য পদোন্নতি দিবলৈ অস্বীকাৰ কৰা।

(iii) জাতি, লিংগ বা ধৰ্মৰ ভিত্তিত শ্ৰমিকসকলক ভাগ ভাগ কৰা।

(iv) দৰিদ্ৰ শ্ৰমিকসকলৰ প্ৰতি অমানৱীয় ব্যৱহাৰ কৰা।

(খ) ভোক্তাৰ প্ৰতি অনৈতিক আচৰণ (Unethical Behaviour to Consumers) ঃ

(i) ভোক্তাক আকৰ্ষিত কৰিবলৈ নগ্ন আৰু মিথ্যাচাৰী বিজ্ঞাপনত লিপ্ত হোৱা।

(ii) বিক্ৰীৰ পিছৰ সেৱা আগবঢ়োত অবহেলা কৰা।

(iii) অধিক মূল্যত কম ওজনৰ সামগ্ৰী যোগান ধৰা।

(গ) বিনিয়োগকাৰী/অংশধাৰকসকলৰ প্ৰতি অনৈতিক আচৰণ (Unethical Behaviour

to Investors/Shareholders) ঃ

(i) অর্থপূর্ণ খা-খবৰৰ যোগান ধৰাৰ পৰা বিৰত থকা।

(ii) অসুস্থ ফটকা লেনদেনত (speculation) লিপ্ত হোৱা লভ্যাংশ পৰিশোধ বন্ধ কৰক।

(iii) লভ্যাংশ পৰিশোধ বন্ধ কৰা।

(ঘ) চৰকাৰৰ প্ৰতি অনৈতিক আচৰণ (Unethical Behaviour to Government) ঃ

(i) কৰ ফাঁকি দিবলৈ এই প্ৰকাৰৰ হিচাপ-নিকাচৰ বহী ৰক্ষণ কৰা।

(ii) চৰকাৰী বিভাগক ভুল বা বিপথে পৰিচালিত কৰিব পৰা তথ্য যোগান ধৰা।

(iii) চৰকাৰক ইয়াৰ আর্থিক আৰু সামাজিক নীতি প্ৰয়োগত ইচ্ছাকৃতভাৱে অসহযোগ কৰা।

(ঙ) বৃহত্তৰ সমাজৰ প্ৰতি অনৈতিক আচৰণ (Unethical Behaviour to Society at Large) ঃ

(i) অবাঞ্ছিত সঁহাৰি লাভ কৰিবলৈ চৰকাৰী বিষয়াক উপঢৌকন দিয়া।

(ii) বায়ু, পানী, শব্দ প্ৰদূষণৰ দ্বাৰা পৰিবেশ প্ৰদূষিত কৰা।

(iii) পণ্যৰ কলা বজাৰ আৰু চোৰাং মজুত কৰা।

(iv) জনস্বাস্থ্যৰ প্ৰতি ক্ষতিকাৰক পণ্য উৎপাদন কৰা।

১৩.৮ নীতিশাস্ত্ৰ বনাম আইন (ETHICS V. LAW)

আইনমতে প্ৰয়োজনীয় আচৰণতকৈ নৈতিক আচৰণ থাকে। আইন আৰু আৰু নীতিশাস্ত্ৰ উভয়ে কোনটো শুদ্ধ আৰু কোনটো অশুদ্ধ সেইটো স্থিৰ কৰে। আইনে সমাজৰ নৈতিক মূল্যবোধ প্ৰতিফলিত কৰে, অর্থাৎ সমাজত কোনধৰণৰ আচৰণক অনুমতি প্ৰদান কৰা হয় আৰু কোনটোক অনুমতি দিয়া নহয়। আইন ভঙ্গকাৰীক শাস্তি বা জৰিমনা প্ৰদান কৰা হয়।

ব্যৱসায়ৰ নীতিশাস্ত্ৰয়ো সমাজৰ বাবে ব্যৱসায়ীসকলৰ কি আচৰণ আকাংক্ষিত আৰু কি আচৰণ আকাংক্ষিত নহয় সেইটো স্থিৰ কৰে। খাদ্যত ভেজালকৰণ, কলা বজাৰ আদি কিছুমান অনৈতিক ব্যৱসায়িক কার্য শাস্তিৰ যোগ্য কিন্তু কিছুমান কাম-কাজ অনৈতিক হ'লেও আইনৰ অধীনত শাস্তিৰ যোগ্য নহয়। উদাহৰণ স্বৰূপে, যুক্তিহীনভাৱে অধিক মূল্য ধার্য কৰাটো অনৈতিক কিন্তু আইনৰ দ্বাৰা শাস্তিযোগ্য নহয়। সেইবাবে আমি ক'ব পাৰো যে নীতিশাস্ত্ৰ আইনৰ উর্দ্ধত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ তলৰ উক্তিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক—

(i) দুখীয়া শ্ৰমিকসকলক অমানৱীয় ব্যৱহাৰ কৰাটো অনৈতিক আচৰণ।

(ii) বিক্ৰীৰ পিছৰ সেৱাক অৱহেলা কৰাটো এটা নৈতিক আচৰণ।

(iii) অংশধাৰকসকললৈ লভ্যাংশ পৰিশোধ বন্ধ ৰখাটো অনৈতিক কার্য।

(iv) চৰকাৰক ভুল তথ্য যোগান ধৰাটো নৈতিক কার্য।

(v) পণ্যৰ কলা বজাৰ আৰু চোৰাং মজুত কৰাটো অনৈতিক কার্য।

প্রশ্ন নং ৬ঃ সমাজৰ প্রতি ব্যৱসায়ৰ দুটা অনৈতিক আচৰণ চিনাক্ত কৰক।

(i) .....

(ii) .....

১৩.৯ নীতিশাস্ত্ৰৰ তত্ত্বসমূহ (THEORIES OF ETHICS)

ব্যৱসাৰ নীতিশাস্ত্ৰৰ চাৰিটা সূত্র বা মতবাদ আছে। সেইবোৰ হ'ল—

১। উপযোগবাদী সূত্র (Theory of utilitarian view)

২। অধিকাৰযুক্ত সূত্র (Theory of Rights)

৩। ন্যায় প্রদানৰ সূত্র (Theory of Iustice view)

৪। অখণ্ড সামাজিক চুক্তিৰ সূত্র (Theory of Integrative social contracts)

সেইবোৰ তলত ব্যাখ্যা কৰা হ'ল ঃ

১। **উপযোগবাদী সূত্র (Theory of utilitarian view) ঃ** নীতিশাস্ত্ৰৰ উপযোগবাদী সূত্রটোৱে কয় যে নৈতিক সিদ্ধান্তমূলক ইয়াৰ ফলাফল বা প্রভাৱৰ ভিত্তিত গ্রহণ কৰা হয়। উপযোগবাদী সূত্রটোৱে নীতিগত সিদ্ধান্ত গ্রহণত সংখ্যাগত পদ্ধতি (quantitative method) অৱলম্বন কৰে। উদাহৰণ স্বৰূপে, এগৰাকী কাৰখানাৰ ব্যৱস্থাপকে ২০ শতাংশ শ্রমিকক কাৰখানাৰ পৰা অব্যহতি দিব পাৰে। কাৰণ ইয়াৰ ফলত বাকী ৮০ শতাংশৰ বাবে কাৰখানাৰ লাভযোগ্যতা বাঢ়িব, চাকৰিৰ নিৰাপত্তা উন্নত হ'ব।

উপযোগবাদী সূত্রটোৱে কার্যকুশলতা আৰু উৎপাদনশীলতাক উৎসাহিত কৰে। অৱশ্যে, ইয়াৰ ফলস্বৰূপে সম্পদৰ পক্ষপাতযুক্ত বিতৰণ হ'ব পাৰে। উপযোগবাদী মতবাদটোৱে কেতবোৰ স্বার্থজড়িত পক্ষৰ অধিকাৰৰ প্রতি আওকাণ কৰিব পাৰে।

২। **অধিকাৰযুক্ত সূত্র (Theory of Rights) ঃ** এই সূত্রটো গোপনীয়তাৰ অধিকাৰ, ঐক্যমতত উপনীত হোৱাৰ স্বাধীনতা, বাক স্বাধীনতা, জীৱন আৰু নিৰাপত্তা আদি ব্যক্তিগত স্বাধীনতা আৰু সা-সুবিধাবোৰক সন্মান জনোৱা তথা সুৰক্ষা প্রদান কৰাৰ সৈতে জড়িত। এই সূত্রটোৰ ইতিবাচক দিশ এইটোৱে যে ই ব্যক্তিসকলৰ মৌলিক অধিকাৰসমূহক সুৰক্ষা প্রদান কৰে। কিন্তু সংগঠনবোৰৰ বাবে মৌলিক অধিকাৰসমূহক সুৰক্ষা প্রদান কৰে। কিন্তু সংগঠনবোৰৰ বাবে ইয়াৰ নেতিবাচক দিশো আছে। ই কাম সম্পাদ কৰাৰ পৰিৱর্তে ব্যক্তিগত অধিকাৰ সুৰক্ষিত কৰাৰ ওপৰত গুৰুত্ব দিয়াৰ এক বাতাবৰণ সৃষ্টি কৰি অধিক উৎপাদনশীলতা আৰু কুশলতাত বাধা আৰোপ কৰে।

৩। **ন্যায় প্রদানৰ সূত্র (Theory of Justice view) ঃ** ইয়াৰ পিছৰ সূত্রটো হ'ল নীতিশাস্ত্ৰৰ ন্যায় প্রদানৰ সূত্র। এই সূত্রটোৰ অধীনত ব্যৱস্থাপকসকলে নীতি-নিয়মবোৰ ন্যায়সংগতভাৱে

আৰু নিৰপেক্ষতাৰে জাপি দিব আৰু কার্যকৰী কৰিব লাগে। উদাহৰণ স্বৰূপে, এগৰাকী ব্যৱস্থাপকে দক্ষতাৰ স্তৰ, পাৰদর্শিতা বা দায়িত্ব আদি চাই লিঙ্গ, ব্যক্তিত্ব, জাতি-বর্ণ আদি ব্যতিৰেকে ব্যক্তিসকলক একে হাৰত দৰমহা দিব লাগে। ন্যায়ৰ মানদণ্ড প্রয়োগৰ ক্ষেত্রতো যোগাত্মক বা বিয়োগাত্মক দিশ আছে। ই সেইসকল স্বার্থজড়িত পক্ষক সুৰক্ষা প্রদান কৰে যাৰ শক্তিৰ অভাৱ। সি যি কি নহওঁক, ই কর্মচাৰীসকলৰ বিপদ-শংকা গ্রহণ, উদ্ভাৱন আৰু উৎপাদনশীলতা হ্রাস কৰে।

৪। **অখণ্ড সামাজিক চুক্তিৰ সূত্র (Theory of Integrative social contracts) ঃ** এই সূত্রটোৱে ক'ব খোজে যে নৈতিক সিদ্ধান্তসমূহ অভিজ্ঞতাজনিত (কি হয়) চিন্তামূলক (কি হোৱা উচিত) উপাদানৰ ওপৰত ভিত্তি কৰা হ'ব লাগে। নীতিশাস্ত্রৰ এই মতবাদটো দুটা চুক্তিৰ অখণ্ডতাৰ ওপৰত ভিত্তি কৰা ঃ

(ক) সাধাৰণ সামাজিক চুক্তি যিয়ে ব্যৱসায়ক কাম-কাজ চলাবলৈ আৰু গ্রহণযোগ্য মূল নীতিসমূহ ব্যাখ্যা কৰিবলৈ অনুমতি প্রদান কৰে।

(খ) এখন সমাজৰ সদস্যসকলৰ মাজত অতি নির্দিষ্ট চুক্তি যিয়ে গ্রহণযোগ্য আচৰণৰ পথ উলিয়ায়।

উদাহৰণ স্বৰূপে, এটা নতুন কাৰখানাৰ শ্রমিকসকলক কি মজুৰি প্রদান কৰা হ'ব সেইটো সিদ্ধান্ত লওঁতে ব্যৱস্থাপকে অখণ্ড সামাজিক সূত্রমতে সমাজত বর্তমানে প্রচলিত মজুৰি স্তৰৰ ওপৰত ভিত্তি কৰিব লাগিব। ব্যৱসায়ৰ নীতিশাস্ত্রৰ এই সূত্রটোৱে পৰামর্শ দিয়ে যে শুদ্ধ বা অশুদ্ধ সিদ্ধান্ত বা কর্ম কিহেৰে গঠিত হয় সেইটো স্থিৰ কৰিবলৈ ব্যৱস্থাপকসকলে উদ্যোগ আৰু কোম্পানীৰ প্রচলিত নৈতিক আচৰণ বিধিসমূহ ভালদৰে নিৰীক্ষণ কৰিব লাগে।

বহুতো ব্যৱসায়ী লোকে নীতিশাস্ত্রৰ উপযোগবাদী তত্ত্বটো মানি চলে। এইটো এই কাৰণতে যে এই তত্ত্বটো ব্যৱসায়ৰ লক্ষ্য যেনে— দক্ষতা, উৎপাদনশীলতা আৰু মুনাফা আদিৰ সৈতে সামঞ্জস্যপূর্ণ। অৱশ্যে, ব্যক্তিগত অধিকাৰ, সামাজিক ন্যায় আৰু সমাজৰ মানদণ্ডৰ ধাৰাই ইয়াকে বুজায় যে ব্যৱস্থাপকসকলৰ বাবে অ-উপযোগীবাদী (non-utilitarian) মাপকাঠীৰ ওপৰত ভিত্তি কৰা নীতিশাস্ত্রৰ মানদণ্ডৰ আৱশ্যক। ইয়াৰ ফলাফল হৈছে এয়ে যে ব্যৱস্থাপকসকলে ক্রমান্বয়ে নীতিশাস্ত্রক লৈ দোধো�ৰ মোধো�ৰ অৱস্থাত পৰি নিজে সংঘর্ষ কৰিবলগীয়া হৈছে।

১৩.১০ গোলকীয় পটভূমিত নীতিশাস্ত্র (ETHICS IN GLOBAL CONTEXT)

দেশসমূহৰ মাজৰ সামাজিক আৰু সাংস্কৃতিক পার্থক্য নৈতিক আৰু অনৈতিক আচৰণ নির্ধাৰণকাৰী গুৰুত্বপূর্ণ পাৰিপার্শ্বিক উপাদান। উদাহৰণস্বৰূপে, মেক্সিকান প্রতিষ্ঠানৰ এগৰাকী ব্যৱস্থাপকে এটা লাভজনক চৰকাৰী ঠিকা পাবলৈ মেক্সিকো নগৰৰ উচ্চ পদবীধাৰী চৰকাৰী বিষয়াক উপঢৌকন দিব লগে। যুক্তৰাষ্ট্রত এই ধৰণৰ কার্যপন্থাক বে-আইনী বুলি নধৰিলেও

অনৈতিক হিচাপে চোৱা হয়। কিন্তু মেক্সিকোত ই হ'ল এক মানদণ্ডযুক্ত ব্যৱসায়িক বৃত্তি।

চৌদি আৰবৰ কোকা-কোলাৰ কৰ্মচাৰীয়ে আমেৰিকাৰ মানদণ্ড মানি চলা উচিত নে তেওঁলোকে স্থানীয় গ্ৰহণযোগ্য আচৰণৰ মানদণ্ড মানি চলা উচিত? প্ৰধান সমস্যাটো হৈছে কিছুমান ব্যৱসায়িক বৃত্তি আমেৰিকা যুক্তৰাষ্ট্ৰত সঠিক নহয় কিন্তু অন্য দেশত সেই একেটাকে সঠিক হিচাপে ধৰা হয়।

বৈদেশিক বিষয়াক বা ৰাজনীতিবিদক পৰিশোধৰ খেলত প্ৰভাৱিত কৰিবলৈ যুক্তৰাষ্ট্ৰৰ ব্যৱস্থাপকসকলৰ বাবে আইনী নিৰ্দেশাৱলী আছে। যুক্তৰাষ্ট্ৰৰ প্ৰতিষ্ঠানৰ বাবে বৈদেশিক বিষয়াক জ্ঞাতভাৱে দুৰ্নীতিপৰায়ন কৰাৰ ক্ষেত্ৰত 'বৈদেশিক দুৰ্নীতি বৃত্তি আইনে' ইয়াক বে-আইনী গণ্য কৰিছে। উদাহৰণ স্বৰূপে কিছুমান লেটিন আমেৰিকাৰ দেশত চৰকাৰী আমোলাসকলক অদ্ভূত ধৰণে নিম্ন দৰমহা দিয়ে। কাৰণ আবকাৰী বিভাগৰ মতে তেওঁলোকে যাক সেৱা কৰে তেওঁলোকৰ পৰা ক্ষুদ্ৰ পৰিমাণে আয় উপাৰ্জন কৰে।

এই চৰকাৰী আমোলাসকলক দিয়া প্ৰতিদানে চৰকাৰী প্ৰশাসন যন্ত্ৰটোক গুৰুত্বপূৰ্ণ কৰি তোলে আৰু কৰ্ম সম্পাদন সুনিশ্চিত কৰে। বৈদেশিক দুৰ্নীতি বৃত্তি আইনখনে যিবোৰ চৰকাৰী কৰ্মচাৰীৰ কৰ্তব্য প্ৰধানকৈ প্ৰশাসনিক বা কেৰেণীৰ তেওঁলোকক কম পৰিমাণে প্ৰতিদান দিয়াৰ ক্ষেত্ৰত প্ৰকাশ্যভাৱে বাধা আৰোপ কৰা নাই যদিহে এনে প্ৰতিদানক সেইখন দেশত ব্যৱসায় কৰাৰ এটা অংগ হিচাপে গ্ৰহণ কৰা হয়।

বৈদেশিক সংস্কৃতিত কাম কৰা প্ৰতিজন ব্যৱস্থাপকে ব্যৱসায়ৰ ওপৰত প্ৰভাৱ পেলোৱা বিভিন্ন সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু আইনগত কথাবোৰ চিহ্নিত কৰাটো অতি গুৰুত্বপূৰ্ণ। গোলকীয় সংগঠনবোৰে তেওঁলোকৰ নীতিশাস্ত্ৰৰ নিৰ্দেশাৱলী স্পষ্ট কৰিব লাগে যাতে বৈদেশিক স্থানত কাম কৰোতে কৰ্মচাৰীসকলে জানে যে তেওঁলোকৰ পৰা কি আশা কৰা হৈছে।

গোলকীয়ভাৱে ব্যৱসায় কৰোতে মানৱ অধিকাৰ, শ্ৰমিকৰ মানদণ্ড আৰু পাৰিপাৰ্শ্বিকতাৰ ক্ষেত্ৰত নটা নীতি আছে—

গোলকীয় ব্যৱসায়ৰ নটা নীতি (Nine Principles of Global Business)

(ক) মানৱ অধিকাৰ (Human Rights) :

নীতি ১ঃ নিজৰ প্ৰভাৱৰ গণ্ডীৰ ভিতৰত থাকি আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ সুৰক্ষাক সমৰ্থন আৰু সন্মান জনোৱা।

নীতি ২ঃ মানৱ অধিকাৰ অপপ্ৰয়োগত ব্যৱসায়িক নিগমবোৰে যাতে সহায় নকৰে সেইটো সুনিশ্চিত কৰা।

(খ) শ্ৰমিকৰ মানদণ্ড (Labour Standards) :

নীতি ৩ঃ সংস্থা স্থাপনৰ স্বাধীনতা আৰু সমষ্টিগত দৰ-দাম কৰাৰ অধিকাৰক সফল স্বীকৃতি প্ৰদান।

নীতি ৪ঃ সকলো প্ৰকাৰৰ বলপূৰ্বক আৰু বাধ্যতামূলক শ্ৰমৰ অৱসান ঘটোৱা।

নীতি ৫ঃ শিশু শ্ৰমিকৰ সফল বিলুপ্তি ঘটোৱা।

নীতি ৬ঃ নিযুক্তি আৰু পদবীৰ ক্ষেত্ৰত থকা ভেদাভেদ আঁতৰোৱা।

(গ) **পাৰিপাৰ্শ্বিকতা (Environment) :**

নীতি ৭ঃ পাৰিপাৰ্শ্বিকতাৰ প্ৰত্যাহ্বানৰ প্ৰতি সৰ্তকতামূলক ব্যৱস্থাক সমৰ্থন জনোৱা।

নীতি ৮ঃ বৃহত্তৰ পৰিৱেশমূলক দায়িত্ব বৃদ্ধি কৰিবলৈ আগভাগ লোৱা।

নীতি ৯ঃ পৰিৱেশৰ প্ৰতি বন্ধুত্বমূলক প্ৰযুক্তিৰ বিকাশ আৰু প্ৰসাৰণক উৎসাহিত কৰা।

উৎস ঃ The Global Compact Website, August 14, 2000

যদিহে তেওঁলোকৰ সংগঠনত অনৈতিক আচৰণ হ্ৰাস কৰাৰ বাবে ব্যৱস্থাপকসকল সচেতন হয় তেন্তে ব্যৱস্থাপকসকলে বহু কাম সমাধা কৰিব পাৰে—

(i) তেওঁলোকে উচ্চমানৰ নৈতিক মানদণ্ডৰ ব্যক্তিৰ সেৱা লাভ কৰিবলৈ বিচাৰিব পাৰে।

(ii) নীতিশাস্ত্ৰৰ বিধি আৰু সিদ্ধান্ত গ্ৰহণৰ নিয়ম প্ৰতিষ্ঠা কৰিব পাৰে।

(iii) উদাহৰণসহ আনক নেতৃত্ব দিব পাৰে।

(iv) নৈতিক প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব পাৰে।

(v) সামাজিক হিচাপ-নিকাচ চলাব পাৰে।

(vi) নৈতিক দোধোৰ-মোধোৰ অৱস্থাৰ সন্মুখীন হোৱা ব্যক্তিসকলক সহায় আগবঢ়াব পাৰে।



১৩.১১ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- নীতিশাস্ত্ৰ (ethics) শব্দটো গ্ৰীক শব্দ 'Ethos' ৰ পৰা উৎপত্তি হৈছে। যিয়ে এক আদৰ্শগত মানদণ্ড সম্পন্ন আচৰণৰ কথা বুজায়।
- সাধাৰণ নীতিশাস্ত্ৰৰ ধাৰণাটোৰ এক সম্প্ৰসাৰণ হ'ল ব্যৱসায়ৰ নীতিশাস্ত্ৰ (business ethics)। ব্যৱসায়িক কাম-কাজ পৰিচালিত কৰা, সামাজিকভাৱে নিৰ্ধাৰিত নৈতিক নীতিসমূহকে নীতিশাস্ত্ৰ হিচাপে ব্যাখ্যা কৰিব পাৰি।
- ব্যৱসায় প্ৰতিষ্ঠান এটা চলাই নিবলৈ নীতিশাস্ত্ৰৰ কিছুমান মৌলিক উপাদানৰ প্ৰয়োজন।
- তলত উল্লেখিত কাৰণসমূহৰ বাবে ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ আৱশ্যক।

  i) ভোক্তাৰ মনোবল বৃদ্ধি কৰিবলৈ

  ii) সদস্যসকলৰ মাজত পাৰস্পৰিক সম্পৰ্ক পৰিচালিত কৰিবলৈ

  iii) ব্যৱসায়ৰ সৈতে জড়িত পক্ষসমূহৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ

  iv) শক্তিশালী গ্ৰাহক সংস্থা গঠন কৰিবলৈ

v) বিভিন্ন সামাজিক বিষয়সমূহৰ প্ৰতি দায়বদ্ধতা অনুভৱ কৰিবলৈ

vi) চৰকাৰী হস্তক্ষেপৰ পৰা আঁচৰি থাকিবলৈ।

- ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ চাৰিটা তত্ত্ব (theories) বা মতবাদ আছে। সেইবোৰ হ'ল উপযোগবাদী তত্ত্ব, অধিকাৰযুক্ত তত্ত্ব, ন্যায় প্ৰদানৰ তত্ত্ব আৰু অখণ্ড সামাজিক চুক্তিৰ তত্ত্ব। সৰহভাগ ব্যৱসায়ীলোকে উপযোগবাদী তত্ত্বটো মানি চলে। যদিহে অনৈতিক আচৰণ হ্ৰাস কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হয় তেন্তে সংগঠনৰ নৈতিক বাতাবৰণ যথেষ্ট উন্নত হ'ব পাৰে।



১৩.১২ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.
2) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.
3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.
4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



১৩.১৩ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ (i) অশুদ্ধ (ii) শুদ্ধ (iii) অশুদ্ধ
(iv) শুদ্ধ (v) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰঃ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ দুটা বৈশিষ্ট্য হ'ল—

(i) এইবোৰ হ'ল আদৰ্শগত নীতি যিয়ে ব্যৱসায়িক আচৰণক পথ দেখুৱায়।

(ii) ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ মৌলিক দৰ্শন হ'ল সৰ্বাধিক সামাজিক কল্যাণ সাধন কৰা।

৩ নং প্ৰশ্নৰ উত্তৰঃ (i) শুদ্ধ (ii) অশুদ্ধ (iii) শুদ্ধ
(iv) অশুদ্ধ (v) অশুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰঃ বিভিন্ন আইনে সমাজৰ নীতিশাস্ত্ৰৰ প্ৰতিফলন ঘটায়। যদি এটা ব্যৱসায় নৈতিক নহয়, ই চৰকাৰৰ আৰু আদালতৰ হস্তক্ষেপ আকৰ্ষিত কৰে।

৫ নং প্ৰশ্নৰ উত্তৰঃ (i) শুদ্ধ (ii) অশুদ্ধ (iii) অশুদ্ধ
(iv) অশুদ্ধ (v) শুদ্ধ

৬ নং প্ৰশ্নৰ উত্তৰঃ সমাজৰ প্ৰতি ব্যৱসায়ৰ দুটা অনৈতিক আচৰণ হ'ল—

(i) অনাকাংক্ষিত অনুকম্পা লাভ কৰিবলৈ চৰকাৰী বিষয়াক উপঢৌকন দিয়া।

(ii) পণ্যৰ কলা বজাৰ আৰু চোৰাং মজুত কৰা।



১৩.১৪ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ ব্যৱসায়ৰ নীতিশাস্ত্ৰ বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ৩ঃ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ নীতিসমূহ আলোচনা কৰক।

প্ৰশ্ন ৪ঃ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ আৱশ্যকতা ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ঃ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ প্ৰধান নিৰ্ধাৰণকাৰীসমূহ চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৬ঃ কিছু উদাহৰণৰ সৈতে ব্যৱসায়ৰ অনৈতিক আচৰণৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৭ঃ নীতিশাস্ত্ৰ আৰু আইনৰ মাজত তুলনা কৰক।

প্ৰশ্ন ৮ঃ ব্যৱসায়ৰ নীতিশাস্ত্ৰৰ বিভিন্ন সূত্ৰ বা তত্ত্বসমূহ চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৯ঃ গোলকীয় পটভূমিত নীতিশাস্ত্ৰৰ বিষয়ে এটি টোকা লিখক।

*** ***** ***

অধ্যায় ১৪ ঃ ব্যৱসায়ৰ সামাজিক দায়বদ্ধতা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ সামাজিক দায়বদ্ধতাৰ অর্থ
১৪.৪ কর্পৰেটৰ সামাজিক দায়বদ্ধতা
১৪.৫ ব্যৱসায়ৰ সামাজিক দায়বদ্ধতাৰ পৰিসৰ
১৪.৬ ভাৰতবর্ষৰ ব্যৱসায় সংগঠনৰ সামাজিক দায়বদ্ধতা
১৪.৭ ব্যৱসায়িক কামকাজ প্রভাবান্বিত কৰা কাৰকসমূহ
১৪.৮ চৰকাৰ আৰু ব্যৱসায় সংগঠনৰ মাজৰ সম্পর্ক
১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.১০ অধিক জানিবলৈ
১৪.১১ অগ্রগতিৰ খতিয়ান
১৪.১২ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ব্যৱসায়ৰ সামাজিক দায়বদ্ধতাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ব্যৱসায়ৰ সামাজিক দায়বদ্ধতাৰ পৰিসৰ বর্ণনা কৰিব পাৰিব
- ভাৰতবর্ষৰ ব্যৱসায়িক প্রতিষ্ঠানবোৰৰ সামাজিক দায়বদ্ধতা ৰূপায়ণৰ এখন ছবি দাঙি ধৰিব পাৰিব
- ব্যৱসায়ৰ কামকাজ প্রভান্বিত কৰা কাৰকসমূহ ব্যাখ্যা কৰিব পাৰিব
- চৰকাৰ আৰু ব্যৱসায় প্রতিষ্ঠানৰ মাজৰ সম্পর্ক বর্ণনা কৰিব পাৰিব।

১৪.২ পৰিচয়

বর্তমান যুগত ব্যৱসায়ৰ সামাজিক দায়বদ্ধতা বিষয়টোৱে যথেষ্ট গুৰুত্ব লাভ কৰিছে আৰু এই অধ্যায়টোত আমি সেই বিষয়ে কিছু কথা আলোচনা কৰিম। ব্যৱসায় সংগঠনৰ পৰা সমাজে যি বিচাৰে বা কামনা কৰে সেয়াই হ'ল সামাজিক দায়বদ্ধতা। মুনাফা বা লাভ উপার্জন কৰাৰ যি উদ্দেশ্য তাৰ উপৰিও ব্যৱসায় সংগঠনবোৰে সমাজৰ কথাও চিন্তা কৰিব লাগে।

ইয়াৰ পিছতে আমি সামাজিক দায়বদ্ধতাৰ পৰিসৰ আৰু ভাৰতবর্ষৰ কিছুসংখ্যক ব্যৱসায় সংগঠনৰ সামাজিক দায়বদ্ধতা ৰূপায়ণ সম্পর্কে আলোচনা কৰিম। চৰকাৰ আৰু ব্যৱসায় সংগঠনৰ মাজৰ সম্পর্কৰ বিষয়েও আলোচনা আগবঢ়াম আৰু এই আলোচনাৰ পৰা বেহা-বেপাৰ, বাণিজ্য তথা উদ্যোগৰ বিকাশত চৰকাৰৰ ভূমিকা সম্পর্কে আমি জানিব পাৰিম।

১৪.৩ সামাজিক দায়বদ্ধতাৰ অর্থ

ব্যৱসায়ৰ সামাজিক দায়বদ্ধতা বহু চর্চিত আৰু সমর্থিত এটা বিষয়। যোৱা কেইটামান দশকত ভাৰত আৰু পৃথিৱীৰ অন্যান্য ঠাইত ই এনেভাৱে বিস্তাৰিত হৈ পৰিছে যে পৃথিৱীৰ যিকোনো বস্তুৱে বর্তমান সামাজিক দায়বদ্ধতাৰ অন্তর্গত।

তত্ত্বগতভাৱে, প্রতিষ্ঠানৰ আর্থিক আৰু কাৰিকৰী স্বার্থৰ বাহিৰে আন সকলো বস্তুকে সামাজিক দায়বদ্ধতাই সামৰি লয়। সামাজিক কল্যাণ আৰু মানৱীয় সমৃদ্ধিৰ লগত সামাজিক দায়বদ্ধতা জড়িত হৈ আছে। সমাজ আৰু মানৱৰ কল্যাণ সাধিবলৈ যাওঁতে এটা ব্যৱসায় প্রতিষ্ঠানে মানৱ সমাজৰ অনিষ্ট হ'ব পৰা সকলো ধৰণৰ কার্যকলাপ পৰিত্যাগ কৰিব লাগে।

সামাজিক দায়বদ্ধতাৰ স্পষ্ট সংজ্ঞা এতিয়াও দিয়া হোৱা নাই। (Adolh A. Berle) এডল্‌ফ এ বার্লেৰ মতে জনসাধাৰণৰ ঐক্যমতৰ প্রতি পৰিচালকৰ প্রতিক্রিয়াই হ'ল সামাজিক দায়বদ্ধতা। তাৰ দ্বাৰা এইটোৱে বুজা যায় যে সকলো সময়তে সকলো দেশত একে প্রকাৰৰ সামাজিক দায়বদ্ধতা প্রযোজ্য হ'ব নোৱাৰে। কোনো এখন সমাজত এটা নির্দিষ্ট সময়ত জনসাধাৰণৰ ঐক্যমতৰ দ্বাৰা ই নির্ধাৰিত হয়।

Keith Davisৰ মতে সামাজিক দায়বদ্ধতা মানে দুই প্রকাৰৰ ব্যৱসায়িক দায়বদ্ধতা, সেয়া হ'ল—

(ক) আর্থ-সামাজিক দায়বদ্ধতা (Socio-economic obligation) আৰু

(খ) মানৱ-সামাজিক দায়বদ্ধতা (Socio-human obligation)।

আর্থ-সামাজিক দায়বদ্ধতা মানে হ'ল নিয়োগ সুবিধাৰ সম্প্রসাৰণ কৰা। প্রত্যেক ব্যৱসায়ৰ মানৱ-সামাজিক দায়বদ্ধতা মানে হ'ল মানৱতা মূল্যবোধৰ উন্নয়ন সাধন কৰা। মানৱতা মূল্যবোধে কামত উদ্যম, সহযোগ, মনোবৃত্তি গঠন (motivation) আৰু কামত আত্মতুষ্টি লভা কার্যক সামৰি লয়।

প্রায়োগিক দিশৰ পৰা চালে বিভিন্ন স্বার্থজড়িত মহল, যেনে— কর্মচাৰী, ভোক্তা, অংশধাৰক আৰু বৃহত্তৰ সমাজৰ সৈতে ব্যৱসায়ৰ যি সমিলমিল আৰু আদান-প্রদান, তাকে আমি সামাজিক দায়বদ্ধতা বুলি ক'ব পাৰো।

১৪.৪ কর্পৰেটৰ সামাজিক দায়বদ্ধতা

বিশ্বায়নৰ যুগত বেহা-বেপাৰ লগত জড়িত সকলো ক্ষেত্রত সমগ্র বিশ্বতে এক নতুনত্বৰ সৃষ্টি হৈছে। বিংশ আৰু একবিংশ শতিকাৰ পৰিবর্তিত পৰিস্থিতিত কর্পে'ৰেটসমূহে এটা অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব লাগিব। বহুজাতিক নিগম আৰু অন্য বৃহৎ কোম্পানীসমূহে বিশ্বৰ চুকে-কোণে ব্যৱসায় বিস্তাৰৰ সুযোগ পাইছে, যিটো আগতে সম্ভৱপৰ হৈ উঠা নাছিল। প্রতিযোগিতাৰ এই যুগত নিজৰ উদ্দেশ্য আহৰণৰ বাবে ভাৰতবর্ষ আগুৱাই গৈ আছে।

কর্প'ৰেটৰ সামাজিক দায়বদ্ধতাৰ ধাৰণাটো এক নতুন ধাৰণা নহয় যদিও ব্যৱসায়িক আৰু

সামাজিক আৱশ্যকতাসমূহৰ পৰিবৰ্তনৰ ফলস্বৰূপে কৰ্পোৰেটৰ সামাজিক দায়বদ্ধতাৰ কেন্দ্ৰবিন্দুৰো সাল-সলনি ঘটিছে।

সাধাৰণতে, কৰ্পোৰেট সামাজিক দায়বদ্ধতাই সমাজৰ উত্তৰণ আৰু পৰিৱেশৰ সুৰক্ষাৰ দিশসমূহৰ ওপৰত আলোকপাত কৰে। এই ধাৰণাৰ অন্তৰ্গত ব্যৱসায়িক সংগঠনসমূহে স্বেচ্ছামূলকভাৱে তেওঁলোকৰ ব্যৱসায়িক কাৰ্য্যকলাপৰ দ্বাৰা এখন উত্তম সমাজ আৰু নিকা পৰিৱেশৰ প্ৰতি নিজৰ অৱদান আগবঢ়ায়। সামাজিক ব্যৱস্থাৰ ওপৰত কৰ্পোৰেটৰ সামাজিক দায়বদ্ধতাই এক বিশেষ প্ৰভাৱ পেলাইছে।

১৯২০ চনত কৰ্পোৰেটৰ সামাজিক দায়বদ্ধতাৰ ধাৰণাটো সৃষ্টি হৈছিল। কিন্তু প্ৰথম বিশ্বযুদ্ধৰ অতিশয় বেয়া পৰিস্থিতিৰ বাবে এই ধাৰণাই থন ধৰি উঠা নাছিল। ১৯৫০ চনৰ ওচৰে-পাজঁৰেহে এই ধাৰণাই এক গ্ৰহণযোগ্যতা পাইছিল। হাওয়ার্ড বোয়েনে (Howard Bowen) "ব্যৱসায়ীৰ সামাজিক দায়বদ্ধতা" (Social Responsibility of Business) প্ৰকাশনত এই ধাৰণাৰ বিষয়ে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল।

কেৰল (Carrel) নামৰ আন এজন ব্যক্তিয়ে ১৯৭৯ চনত এক তাত্ত্বিক আৰ্হি আগবঢ়াইছিল যিটো ব্যৱসায়িক সংগঠনসমূহে গ্ৰহণ কৰিছিল। বৰ্তমান ব্যৱসায়িক সংগঠনসমূহে তেওঁলোকৰ সামাজিক দায়বদ্ধতাৰ পদক্ষেপসমূহ ব্যৱসায়িক কৌশলৰ ওপৰত আলোকপাত কৰিছে।

কৰ্পোৰেটৰ সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰত ব্যৱসায় সংগঠনসমূহে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক বিভিন্ন ধৰণে নিজৰ অৱদান আগবঢ়াব পাৰে।

কৰ্পোৰেটৰ সামাজিক দায়বদ্ধতাক এনেকুৱা এটা পন্থা হিচাপে বিৱেচনা কৰিব পাৰি যিটোৰ জৰিয়তে কোম্পানীসমূহে নিজৰ সামাজিক, পাৰিপাশ্চিক, সিদ্ধান্ত গ্ৰহণ আৰু কাৰ্যকাৰিতা সমাজৰ উৎকৰ্ষ সাধনৰ বাবে একত্ৰিত কৰিব পাৰে।


সময়ৰ লগে লগে কৰ্পোৰেটৰ সামাজিক দায়বদ্ধতাৰ ধৰণ আৰু পৰিসৰৰ সলনি হৈছে। পূৰ্বৰ কৰ্পোৰেটৰ সামাজিক দায়বদ্ধতাৰ ধাৰণাই কেৱল 'পৰোপকাৰী' দিশটোহে সামৰি লৈছিল, এতিয়া এই দাৰণা সলনি হৈছে আৰু চাৰিটা দিশ ইয়াতে সামৰি লোৱা হৈছে —

- অৰ্থনৈতিক
- নৈতিক
- আইনগত
- পৰোপকাৰী।

১৪.৫ ব্যৱসায়ৰ সামাজিক দায়বদ্ধতাৰ পৰিসৰ

ব্যৱসায়ৰ সামাজিক দায়বদ্ধতাৰ বিষয়ে আলোচনা কৰাৰ পিছত আমি এতিয়া সামাজিক দায়বদ্ধতাৰ পৰিসৰৰ বিষয়ে আলোচনা কৰিম। সমাজৰ আন্তঃজড়িত বিভিন্ন দল বা পক্ষৰ সৈতে ব্যৱসায় জড়িত। অংশধাৰক, গ্ৰাহক, কৰ্মচাৰী আৰু সমাজ ইত্যাদিয়ে হ'ল এই বিভিন্ন প্ৰকাৰৰ পক্ষসমূহ। ইয়াৰ উপৰিও বিতৰণকাৰী আৰু খুচুৰা ব্যৱসায়ী, প্ৰতিযোগী, শ্ৰমিক সংগঠন আৰু চৰকাৰৰ প্ৰতিও ব্যৱসায়ৰ দায়বদ্ধতা আছে। ব্যৱসায়ৰ সৈতে বিভিন্ন ধৰণে জড়িত বিভিন্ন পক্ষসমূহৰ

প্ৰতি এজন ব্যৱসায়ীৰ সামাজিক দায়বদ্ধতা চমুকৈ তলত আলোচনা কৰা হ'ল ঃ



১। **পৰিবেশৰ প্ৰতি দায়বদ্ধতা ঃ** পৃথিৱীৰ বিভিন্ন প্ৰান্তত বসবাস কৰা লোকসমূহৰ প্ৰতি বৰ্তমানৰ বায়ু আৰু পানী প্ৰদূষণ এক সাংঘাতিক ভাবুকি স্বৰূপ হৈ পৰিছে। কিছুমান উদ্যোগ আৰু বজাৰে (Market place) বিৰাট প্ৰদূষণৰ সৃষ্টি কৰিছে। এনেকুৱা পৰিস্থিতিত উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰসমূহ পৰিষ্কাৰ আৰু স্বাস্থ্যকৰ কৰি ৰখাটো ব্যৱসায় সম্প্ৰদায়ৰ এটা দায়িত্ব। পাৰিপাৰ্শ্বিকতাৰ লগত জড়িত বিশেষ দায়িত্বসমূহ হৈছে—

(ক) চহৰ আৰু মহানগৰৰ পৰা দূৰত নতুন উদ্যোগ প্ৰতিষ্ঠা কৰিব লাগে।

(খ) কাৰখানাবিলাকত প্ৰদূষণ বিৰোধী উপায় অৱলম্বন কৰিব লাগে। প্ৰদূষণ বিৰোধী উপায় অৱলম্বন কৰি কাৰখানাসমূহ প্ৰদূষণমুক্ত কৰিব লাগে।

(গ) নগৰ পৰিকল্পনা, নলা-নৰ্দমাৰ ব্যৱস্থা আৰু পৰিচৰ্যামূলক (maintenance work) কাম কৰোতে স্থায়ী প্ৰশাসনক সহায় কৰিব লাগে।

২। **প্ৰাকৃতিক সম্পদ ৰক্ষণাবেক্ষণৰ দায়বদ্ধতা ঃ** ব্যৱসায়ীসকলে প্ৰাকৃতিক সম্পদসমূহ আহৰণ কৰি কেঁচামাল হিচাপে ব্যৱহাৰ কৰা কাৰ্যই সাংঘাটিক ভাবুকিৰ সৃষ্টি কৰিছে। পৰিবেশ-ভাৰসাম্যতা বজাই ৰাখিবলৈ হ'লে বন-বননি, পাহাৰ-পৰ্বত, জীৱ-জন্তু আৰু পশু-পক্ষী ইত্যাদিক ৰক্ষণাবেক্ষণ দিব লাগিব। এই সম্পৰ্কত আইন আছে যদিও তাৰ সঠিক কাৰ্যকৰীকৰণ হোৱা নাই। উদ্যোগপতিসকলে তেওঁলোকৰ দায়বদ্ধতা অনুধাৱন (realise) কৰিব লাগে আৰু বহুমূলীয়া প্ৰাকৃতিক সম্পদ আৰু পশু-পক্ষী ৰক্ষণাবেক্ষণ দিয়াত চৰকাৰক সহযোগ কৰিব লাগে।

৩। **ভোক্তাৰ প্ৰতি দায়বদ্ধতা ঃ** আধুনিক বজাৰ ব্যৱস্থাত গ্ৰাহকক ৰজা বুলি গণ্য কৰা হয়। ভোক্তাসকলে কি বিচাৰে আৰু তাৰ দ্বাৰা তেওঁলোক কেনেকৈ সৰ্বোৎকৃষ্টভাৱে উপকৃত হয়, তাক জানিবলৈ হ'লে এটা প্ৰতিষ্ঠানে সাৱধানে আৰু সংগঠিতভাৱে প্ৰচেষ্টা চলাব লাগে।

ব্যৱসায় ভোক্তাৰ চাহিদাৰ লগতে সমাজৰ মান আৰু আশা-আকাংক্ষাক পূৰণ কৰাটো সমাজে ব্যৱসায়ৰ পৰা আশা কৰিব পাৰে।

সঠিক সময়ত, সঠিক ঠাইত, সঠিক দৰত ভোক্তাক পণ্য আৰু সেৱাৰ যোগান ধৰাটো ব্যৱসায়ীসকলৰ এটা দায়িত্ব। তেওঁলোকে নিশ্চয়তা দিব লাগে যে—

(ক) ভোক্তাৰ চাহিদা পূৰণ কৰাৰ অর্থে সঠিক সংখ্যাত পণ্যবস্তু উৎপাদন কৰা হৈছে।

(খ) ভোক্তাই বিচৰাৰ লগে লগে পণ্যবস্তু যোগান ধৰা হয়।

(গ) পণ্যবস্তুসমূহ গুণগত মানৰ।

(ঘ) বিজ্ঞাপনসমূহত ভুলপথে পৰিচালনা কৰিব পৰা কোনো উপাদান নাথাকে আৰু এইবোৰ সম্পূর্ণ শুদ্ধ।

(ঙ) বিক্রীৰ পাছৰ সেৱাৰ প্রতিশ্রুতি দিলে, তাক প্রদান কৰা হয়।

(চ) ক'লা বজাৰ আৰু মজুতকৰণ কৰা নহয়।

৪। **অংশধাৰকৰ প্রতি দায়বদ্ধতা ঃ** অংশধাৰকসকলে তেওঁলোকৰ বিনিয়োগৰ পৰা এটা যুক্তিসংগত আয় পাবলৈ আশা কৰে। অংশধাৰকসকলক যুক্তিসংগত লভ্যাংশ প্রদান কৰাটো কোম্পানীৰ পৰিচালক (management) সকলৰ দায়বদ্ধ। গোটেই ৰাজ্য বা দেশজুৰি সিঁচৰিত হৈ থকা ক্ষুদ্র অংশধাৰকসকলৰ স্বার্থ ৰক্ষা কৰিব লাগে।

৫। **কর্মচাৰীৰ প্রতি দায়বদ্ধতা ঃ** কর্মচাৰীৰ প্রতি ব্যৱসায়ৰ গুৰু দায়িত্ব তলত দিয়া ধৰণৰ।

(ক) সময় মতে দৰমহা আৰু মজুৰি আদায় দিয়া।

(খ) ভাল কর্ম-পৰিবেশৰ নিশ্চয়তা প্রদান কৰা।

(গ) কর্মচাৰীসকলৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা।

(ঘ) কোনো কর্মচাৰী আঘাতপ্রাপ্ত হ'লে বা মৃত্যু মুখত পৰিলে, বলবৎ হৈ থকা আইন মতে ক্ষতিপূৰণ আদায় দিব লাগে।

(ঙ) কর্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালবর্গক বহুখিনি সুবিধা প্রদান কৰিব লাগে। এই সুবিধাসমূহৰ ভিতৰত আছে থকা ঘৰৰ সুবিধা, শিক্ষাৰ সুবিধা, স্বাস্থ্য সেৱাৰ সুবিধা, যাতায়তৰ সুবিধা ইত্যাদি।

৬। **ৰাষ্ট্রৰ প্রতি দায়বদ্ধতা ঃ** বিধানমণ্ডলী, কার্যপালিকা আৰু ন্যায় পালিকাৰ জৰিয়তে এখন ৰাষ্ট্র পৰিচালিত হয়। এই তিনিটাৰ লগত বিভিন্ন কাৰণত ব্যৱসায়ে যোগাযোগ ৰাখিব লাগে। ব্যৱসায় ৰাষ্ট্রৰ প্রতিও দায়বদ্ধ। ই ৰাষ্ট্রৰ আইন-কানুন মানি চলিব লাগে, কৰ-কাটল আদায় দিব লাগে, দৰকাৰী তথ্যপাতি বা নথি শুদ্ধভাৱে জমা দিব লাগে আৰু কোনো অনৈতিক কার্যকলাপৰ সহায় ল'ব নালাগে।

৭। **অনুষ্ঠানৰ প্রতি দায়বদ্ধতা ঃ** বিভিন্ন অনুষ্ঠানে বহু যুৱক-যুৱতীক শিক্ষা দান কৰি ব্যৱসায়ৰ বাবে উপযুক্ত কৰি তোলে। এনে অনুষ্ঠান আৰু ব্যৱসায়ী গোষ্ঠীৰ মাজত সহযোগিতা থকাটো নিতান্তই প্রয়োজনীয়। যোগ্য ছাত্র-ছাত্রীক কর্মক্ষেত্রত প্রশিক্ষণ দি, (practical training) বৃত্তি প্রদান কৰি, নিম্নতম/অলপ দৰমহা (ষ্টাইপেন্দ্) দি ঔদ্যোগিক গোষ্ঠীয়ে ব্যৱসায় আৰু আর্থিক অনুষ্ঠানৰ লগত সহযোগ কৰিব লাগে। উদাহৰণস্বৰূপে ক'ব পাৰি যে ভাৰতত টাটা, বিৰলা আৰু অন্যান্য উদ্যোগপতিয়ে স্থাপন কৰা উচ্চ শিক্ষা আৰু

গৱেষণাৰ প্ৰতিষ্ঠানে বিজ্ঞান, কাৰিকৰী জ্ঞান, সমাজ বিজ্ঞান আৰু আন আন ক্ষেত্ৰত প্ৰভুত বৰঙণি আগবঢ়াইছে।

৮। **গাঁওবাসীৰ প্ৰতি দায়বদ্ধতা ঃ** গাঁওবাসীয়ে ঔদ্যোগিক গোষ্ঠী আৰু ব্যৱসায়ীসকলক মানৱ শক্তি (man power) আৰু কেঁচামালৰ যোগান ধৰে। লগতে গাঁওবাসীয়ে ঔদ্যোগিক উৎপাদনসমূহ ক্ৰয় কৰে। সেই কাৰণে ঔদ্যোগিক গোষ্ঠী আৰু ব্যৱসায়ীসকল গাঁওবাসীৰ প্ৰতি দায়বদ্ধ হ'ব লাগে। গ্ৰাম্য অঞ্চলৰ উন্নয়নৰ বাবে তেওঁলোকে তলত দিয়া প্ৰকল্পসমূহ স্থাপন কৰা (হাতত লোৱা) উচিত।

(ক) স্কুল, ক্ষুদ্ৰ কাৰিকৰী (vocational) প্ৰশিক্ষণ কেন্দ্ৰ, চিকিৎসালয় খোলা আৰু চলোৱা।

(খ) গ্ৰাম্য অঞ্চলত পথ নিৰ্মাণ কৰা আৰু তাৰ চোৱা-চিতা কৰা, খোৱা-পানীৰ সুবিধা প্ৰদান কৰা ইত্যাদি।

(গ) গ্ৰাম্য বৈদ্যুতিকৰণ।

(ঘ) দুগ্ধশিল্প আৰু হাঁহ-কুকুৰা পালন কেন্দ্ৰৰ উন্নয়ন সাধন কৰা।

(ঙ) কুটিৰ আৰু গ্ৰাম্য উদ্যোগ স্থাপন আৰু চলোৱাত সহায় কৰা।

৯। **বৃহত্তৰ সমাজৰ প্ৰতি দায়বদ্ধতা ঃ** ব্যৱসায়ী শ্ৰেণীটোৱে সমাজৰ আটাইতকৈ ধনী শ্ৰেণী। সামাজিক ৰীতি-নীতি আৰু পৰম্পৰাৰ ওপৰত ইয়াৰ প্ৰভাৱ যথেষ্ট। ব্যৱসায় সম্প্ৰদায়ে ধনৰ অপ-ব্যৱহাৰ কৰি সমাজৰ পৰম্পৰা আৰু সংস্কৃতিৰ ওপৰত আঘাত হানিব নালাগে। বৃহত্তৰ সমাজৰ প্ৰতি তেওঁলোক দায়বদ্ধ। সেইকাৰণে তেওঁলোকে কিছুমান নিয়ম আৰু নৈতিক মূল্যবোধ (moral values) পালন কৰি চলিব লাগে আৰু শিক্ষা, স্বাস্থ্য, খেলা-ধূলা আৰু অন্যান্য সা-সুবিধাৰ উন্নয়নৰ বাবে সহায় কৰিব লাগে। তেওঁলোকে আমাৰ শিল্পী, সংগীতজ্ঞ, কবি, লেখক আৰু পণ্ডিতসকলক উৎসাহ দিয়া উচিত। এটা ভাল পৰিবেশ সৃষ্টি কৰিবলৈ, জনসাধাৰণৰ জীৱনধাৰণৰ মান উন্নত কৰিবলৈ আৰু ব্যৱসায়-ধাৰণা (image of the business) উন্নত কৰিবলৈও ব্যৱসায়ীসকল দায়বদ্ধ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ভোক্তাৰ প্ৰতি ব্যৱসায়ৰ দায়বদ্ধতাসমূহ আলোচনা কৰক। (৫০-টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....

.....

১৪.৬ ভাৰতবৰ্ষৰ ব্যৱসায় সংগঠনৰ সামাজিক দায়বদ্ধতা

এতিয়া আমি ভাৰতবৰ্ষৰ ব্যৱসায় সংগঠনবোৰৰ দ্বাৰা সামাজিক দায়বদ্ধতা ৰূপায়ণ সম্পৰ্কে আলোচনা কৰিম।

সকলো দেশতে প্ৰগতিবাদী সংগঠনসমূহ সামাজিক ভূমিকা পালন কৰিবলৈ আগ্ৰহী। তেওঁলোকে নিকায় নাগৰিক (corporate citizen) হিচাপে নতুন পদ্ধতিৰে তেওঁলোকৰ ভূমিকা পালন কৰিবলৈ আগবাঢ়ি আহিছে। International Business Machine (IBM) হ'ল বৃহত্তম কম্পিউটাৰ অনুষ্ঠান। এই অনুষ্ঠানে পৃথিৱী ব্যাপী সামাজিক প্ৰকল্প হাতত লোৱাৰ নীতি গ্ৰহণ কৰিছে। অৱশ্যে যি দেশত তেওঁলোকে ব্যৱসায় কৰে, তেনে দেশতহে এনে প্ৰকল্প হাতত লয়। এইবোৰৰ সামাজিক প্ৰকল্পৰ ভিতৰত ইণ্ডোনেছিয়াৰ বুদ্ধ মন্দিৰ নৱনিৰ্মাণ, সাগৰ খহনীয়াৰ (sea erosion) পৰা ইটালিয়ান মহানগৰ এখন ৰক্ষা কৰা ইত্যাদিৰ কথা ক'ব পাৰি। জাৰ্মানৰ আটাইতকৈ ডাঙৰ মহাকাশ-উৰণ (aerospace) কোম্পানী এম বি বি (MBB) য়ে নতুন দিল্লীৰ চিকিৎসালয় এখনক এটা অত্যাধিক দামী যন্ত্ৰ দান কৰিছে। দুটা ডাঙৰ চুইচ কোম্পানী ব্ৰাউন বভেৰি (Brown Boveri) আৰু মিগৰ্চ (Migors) ভোক্তা শিক্ষাৰ লগত ঘনিষ্ঠভাৱে জড়িত।

ভাৰততো বহুতো ব্যৱসায় সংগঠন এই ক্ষেত্ৰত পিছ পৰি থকা নাই। এচোচিয়েটেড চিমেণ্ট কোম্পানীয়ে (ACC) যোৱা কেইটামান দশক ধৰি সামাজিক সেৱা আগবঢ়াই আহিছে। ১৯৫২ চনত ই এখন সামাজিক কল্যাণ আঁচনি হাতত লৈছিল। এই আঁচনিৰ লক্ষ্য আছিল নিযুক্তিৰ সুবিধা দিয়া আৰু গ্ৰাম্য জীৱনৰ মান উন্নত কৰা। ইয়াৰ বাবে তেওঁলোকে গ্ৰাম্য অঞ্চলত স্কুল, স্বাস্থ্য কেন্দ্ৰ, সমবায় সমিতি ইত্যাদি প্ৰতিষ্ঠা কৰিছিল।

সামাজিক দায়িত্ব ৰূপায়ণৰ ক্ষেত্ৰত মফৎলাল গোষ্ঠীয়ে সামান্য বেলেগ ধৰণৰ আঁচনি হাতত লয়। দুখীয়া মানুহক সহায় কৰাৰ কাৰণে গ্ৰাম্য কল্যাণ আঁচনিত এটা বৃহৎ অংকৰ পুঁজি খৰচ কৰে। ই গ্ৰাম্য অঞ্চলত গৃহহীনৰ বাবে ঘৰ সাজি দিয়া, খোৱা পানীৰ সুবিধা কৰি দিয়া, কিতাপ-পত্ৰ আৰু জলপানী বিতৰণ কৰা ইত্যাদি কাম কৰে।

টাটা আৰু বিৰলা ঔদ্যোগিক গোষ্ঠীয়ে দেশখনত ধৰ্মস্থান, বিজ্ঞান আৰু কাৰিকৰী বিদ্যা, খেলা-ধূলা ইত্যাদিৰ উন্নয়নৰ বাবে বহুতো আঁচনি হাতত লৈছে। কেডবেৰি ইণ্ডিয়া আৰু গ্লাক্সো এণ্ড ৰিচার্ডচন (Cadbury India and Glaxo and Richardson) ইত্যাদিয়ে কৃষকক শস্য উৎপাদন বৃদ্ধিৰ বাবে কেঁচামালৰ যোগান ধৰে।

এচকোৰ্ট ঔদ্যোগিক গোষ্ঠীয়ে ১৯৮৮ চনত এচকোৰ্ট হাৰ্ট ইন্সটিটিউট এণ্ড ৰিচার্চ চেণ্টাৰ প্ৰতিষ্ঠা কৰিছে। এই অনুষ্ঠানত হৃদপিণ্ডৰ বেমাৰৰ চিকিৎসা কৰা হয়। শিক্ষামূলক অনুষ্ঠান, চিকিৎসালয়, মাওৰা ল'ৰা-ছোৱালীৰ আশ্ৰয়স্থল ইত্যাদিৰ সম্প্ৰসাৰণ আৰু চোৱা-চিতা কামত এচকোৰ্ট গোষ্ঠীৰ প্ৰভূতঃ বৰঙণি আছে। এইবিলাক কাম তেওঁলোকে বিশেষভাৱে উত্তৰ ভাৰতত সমাপন কৰিছে।

ৰাজহুৱা খণ্ডত ভাৰত হেভি ইলেক্ট্রিকেলচ্ লিমিটেডে সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। নগৰ আৰু তাৰ দাঁতি কাষৰীয়া অঞ্চলত বসবাস কৰা কৰ্মচাৰীৰ কল্যাণৰ বাবে BHELৰ সকলো শাখাই বিস্তাৰিত আঁচনি হাতত লৈছে। BHEL এ কৰা কামৰ ভিতৰত খোৱা-পানীৰ সুবিধা প্ৰদান, ময়লা ওলাই যোৱা লোৰ বা নলা নিৰ্মাণ, ৰাস্তা আৰু কালভাৰ্ট নিৰ্মাণ, স্বাস্থ্য-সুবিধা প্ৰদান কৰা, শিক্ষাৰ সুবিধা সম্প্ৰসাৰণ কৰা ইত্যাদিৰ সামৰি লোৱা হয়।

ভাৰতত ব্যৱসায় সংগঠনবোৰে তলত উল্লেখ কৰা ক্ষেত্ৰসমূহত বৰঙণি যোগাই সামাজিক উন্নয়ন সাধন কৰিব পাৰে—

১। ব্যৱসায়ে নিযুক্তিৰ ক্ষেত্ৰত বৰঙণি যোগাব পাৰে। মানুহ নিযুক্তিৰ বাবে ব্যৱসায়ে যথেষ্ট নিয়োগৰ সুবিধা সৃষ্টি কৰিব লাগে। নতুন কামৰ সৃষ্টি কৰাটো এটা সমস্যা নহয়, প্ৰত্যাহ্বানহে, যিটো ব্যৱসায়ে গ্ৰহণ কৰা উচিত।

২। আঞ্চলিক বৈষম্য দূৰ কৰাটোও ব্যৱসায়ৰ এটা দায়িত্ব। আগতে অৱহেলিত হৈ থকা ঠাইবোৰত ব্যৱসায়ে নতুন ব্যৱসায় কেন্দ্ৰ স্থাপন কৰিব লাগে।

৩। গ্ৰাম্য অঞ্চলসমূহৰ উন্নয়ন সাধন কৰিব লাগে যাতে তাত বাস কৰা লোকসকলে উন্নয়নৰ পৰা হোৱা সুবিধাসমূহ ভোগ কৰিব পাৰে। কুটীৰ আৰু ক্ষুদ্ৰ উদ্যোগসমূহক উৎসাহ যোগাব লাগে। ইয়াৰ দ্বাৰা গ্ৰাম্য অঞ্চলৰ জীৱনৰ মান উন্নত হ'ব।

৪। প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে ব্যৱসায়ে সঠিক প্ৰচেষ্টা চলাব লাগিব যাতে পৰিবেশৰ ভাৰসাম্য ৰক্ষা পৰে।

৫। বৃহৎ ঔদ্যোগিক গোটবোৰে তেওঁলোকে ব্যৱসায় কৰা ঠাইত স্কুল, কলেজ, চিকিৎসালয় খুলিব পাৰে, পথ নিৰ্মাণ কৰিব পাৰে আৰু মনোৰঞ্জনৰ সুবিধাৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ দ্বাৰা কৰ্মচাৰীসকলৰ লগতে সেই অঞ্চলত বসবাস কৰা লোকসমূহো উপকৃত হয়।

অসমত অৱস্থিত ব্যৱসায়িক গোটবোৰেও সামাজিক উন্নয়নৰ বাবে বৰঙণি যোগাইছে। কিন্তু এনে গোটৰ সংখ্যা বৰ সীমিত। অইল ইণ্ডিয়া লিমিটেড, ইণ্ডিয়ান অইল কৰ্পৰেচন, অ এন জি চি (ONGC), চাহ উদ্যোগ আৰু অন্যান্য কিছু সংগঠনৰ বাহিৰে, সামগ্ৰিকভাৱে ব্যৱসায়ীয়ে সমাজৰ প্ৰতি দায়বদ্ধতা অনুধাৱন কৰিব পৰা নাই। অইল কোম্পানী আৰু চাহ উদ্যোগে অসমত সামাজিক উন্নয়নৰ বাবে কিছুমান প্ৰকল্প হাতত লৈছে। তাৰ ভিতৰত আছে— স্কুল, চিকিৎসালয়, পথ, কালভাৰ্ট নিৰ্মাণ, খোৱা পানীৰ যোগান, স্থানীয় সাহিত্যিকক পুৰস্কৃত কৰা, বৃহৎ ক্ৰীড়া সমাৰোহ আয়োজনত সাহাৰ্য্য আগবঢ়োৱা ইত্যাদি। অৱশ্যে গৱেষণা কেন্দ্ৰ স্থাপন, চিকিৎসালয় নিৰ্মাণ আৰু চোৱাচিতা কৰা, কাৰিকৰী অনুষ্ঠান খোলা, ষ্টেডিয়াম নিৰ্মাণ, গ্ৰাম্য অৰ্থনীতিৰ উন্নয়ন ঘটোৱা ইত্যাদিৰ দৰে ডাঙৰ প্ৰকল্প তেওঁলোকে হাতত লোৱা নাই। অসমৰ জনসাধাৰণ বিশেষকৈ গ্ৰাম্য অঞ্চলৰ জনসাধাৰণে অদূৰ ভৱিষ্যতে আৰ্থ-সামাজিক উন্নয়নৰ বাবে ব্যৱসায়ীৰ পৰা বহুখিনি বৰঙণি আশা কৰে।



চিন্তা-চর্চা কৰক

সমাজৰ কল্যাণৰ বাবে ব্যৱসায় সংগঠনবোৰে ৰূপায়ণ কৰিব পৰা কেতবোৰ ক্রিয়া-কলাপ নির্ণয় কৰক।

.....

.....

.....

.....

.....

.....


.....

১৪.৭ ব্যৱসায়ীক কামকাজ প্রভাৱান্বিত কৰা কাৰকসমূহ

এটা ব্যৱসায় সংগঠনে কিছুমান পাৰিপার্শ্বিক শক্তিৰ গাঁথনিৰ ভিত্তিত ব্যৱসায়িক সিদ্ধান্ত ল'ব লাগে। পাৰিপার্শ্বিক শক্তিসমূহক দুটা প্রধান ভাগত বিভক্ত কৰা হৈছে—

(ক) আভ্যন্তৰিণ পাৰিপার্শ্বিকতা।

(খ) বহিঃ পাৰিপার্শ্বিকতা।



— অন্যান্য উপাদান

— প্ৰাকৃতিক পৰিবেশ
— কায়িক আৰু প্ৰযুক্তি মূলক পৰিবেশ
— আন্তৰ্জাতিক পৰিবেশ

(ক) **আভ্যন্তৰিণ শক্তিসমূহ ঃ** আভ্যন্তৰিণ শক্তিসমূহ সাধাৰণতে এটা ব্যৱসায় সংগঠনৰ নিয়ন্ত্ৰণৰ ভিতৰত। সংগঠনটোৰ পৰিচালনা ব্যৱস্থাৰ দ্বাৰা এনে শক্তিসমূহক সময় আৰু প্ৰয়োজন সাপেক্ষে সাল-সলনি কৰিব পাৰি। উদাহৰণ স্বৰূপে সংগঠনটোৰ আন্তঃগাঁথনি, সংগঠনটোত জড়িত কৰ্মশক্তি (man power), উৎপাদনৰ হ্ৰাস-বৃদ্ধি, বিতৰণ ব্যৱস্থা ইত্যাদিৰ সাল-সলনি ঘটাব পাৰি। পৰিবেশৰ লগত খাপ খুৱাবলৈ এনে সাল-সলনি ঘটোৱা হয়।

এটা ব্যৱসায় সংগঠনৰ সিদ্ধান্তত প্ৰভাৱ পেলোৱা কেইটামান কাৰক (Force) শক্তি তলত উল্লেখ কৰা হ'ল—

১। **মূল্য বোধ** (Value system) ঃ ব্যৱসায়ৰ পচন্দ, সংগঠনৰ লক্ষ্য আৰু উদ্দেশ্য, ব্যৱসায় নীতি আৰু কাৰ্যাৱলীৰ সতে মূল্যবোধৰ এটা গুৰুত্বপূৰ্ণ সম্পৰ্ক আছে। এটা সংগঠনৰ প্ৰত্যেকে মূল্যবোধৰ যি পৰিমাণ পৰ্যন্ত ভগাই লয়, সেইটোৱে কৃতকাৰ্যতাত বৰঙণি যোগোৱা কাৰক। এই কথাটো বহুলভাৱে গৃহীত।

২। **লক্ষ্য আৰু উদ্দেশ্য** (Mission and Objectives) ঃ কোম্পানী এটাৰ ব্যৱসায় কাৰ্যক্ষেত্ৰ, অগ্ৰাধিকাৰ, ব্যৱসায় দৰ্শন আৰু ব্যৱসায় নীতি ইত্যাদি কথাবিলাক কোম্পানীৰ লক্ষ্য আৰু উদ্দেশ্যৰ দ্বাৰা পৰিচালিত হয়।

৩। **পৰিচালনা গাঁথনি আৰু প্ৰকৃতি ঃ** ব্যৱসায়ৰ সাংগঠনিক গাঁথনি, সঞ্চালক মণ্ডলী কেনেকৈ গঠন কৰা হৈছে, পৰিচালনাৰ লগত জড়িত মানুহৰ পেছাদাৰী মনোভাৱ ইত্যাদিবোৰ ব্যৱসায়িক সিদ্ধান্তত প্ৰভাৱ পেলোৱা গুৰুত্বপূৰ্ণ কাৰক।

৪। **আভ্যন্তৰিণ শক্তিৰ সম্বন্ধ** (Internal power relationship) ঃ ব্যৱসায়ৰ শীৰ্ষ পৰিচালনাক নিম্ন পৰিচালনা, কৰ্মচাৰী আৰু অংশধাৰক ইত্যাদিয়ে কৰা সহায়ে ব্যৱসায় সিদ্ধান্ত আৰু তাৰ কাৰ্যকৰীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সঞ্চালকসকলৰ লগত থকা সম্পৰ্কটোকো এটা জটিল কাৰকৰ গণ্ডীত ধৰা হয়।

৫। **মানৱ সম্পদ ঃ** মানৱ সম্পদৰ বিশেষত্ববোৰ, যেনে— নিপুণতা, গুণ, উদ্যম, কামত মনপুতি লগা ইত্যাদিবোৰ কোনো এটা সংগঠনৰ শক্তি বা দুৰ্বলতা হ'ব পাৰে।

৬। **অন্যান্য উপাদন ঃ** ব্যৱসায় সংগঠনৰ কাৰ্যাৱলীত প্ৰভাৱ পেলোৱা অন্যান্য কিছুমান কাৰক আছে। সেই কাৰকৰ প্ৰভাৱত কোনো এটা ব্যৱসায় সংগটন কৃতকাৰ্য হ'ব পাৰে বা ব্যৰ্থ হ'ব পাৰে। সেই কাৰকসমূহ হ'ল—

(ক) কায়িক পৰিসম্পত্তি আৰু সা-সুবিধাসমূহ।

(খ) গৱেষণা আৰু উন্নয়ন আৰু প্ৰযুক্তিমূলক সক্ষমতা।

(গ) বজাৰকৰণৰ সা-সম্পদ।

(ঘ) বিত্তীয় উপাদান ইত্যাদি।

বহিঃ শক্তি/কাৰকসমূহ ঃ কোম্পানী পৰিচালনাই ঢুকি নোপোৱা কাৰকসমূহক বহিঃ কাৰক/শক্তি বোলা হয়। আৰ্থিক শক্তি, সংস্কৃতি — সামাজিক শক্তি, চৰকাৰ আৰু আইনৰ ওপৰত পৰিচালনাৰ কোনো নিয়ন্ত্ৰণ নাথাকে। সেইকাৰণে এইবোৰক নিয়ন্ত্ৰণ কৰিব নোৱাৰা কাৰক বুলি গণ্য কৰা হয়। ব্যৱসায় সংগঠনত প্ৰভাৱ পেলোৱা বহিঃ কাৰকসমূহক দুটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। সেই দুটা হ'ল— সূক্ষ্ম আৰু বৃহৎ পাৰিপাৰ্শ্বিক কাৰক (Micro and Marco forces)।

(ক) সূক্ষ্ম পাৰিপাৰ্শ্বিক কাৰক (Micro Environmental Forces) ঃ সূক্ষ্ম পাৰিপাৰ্শ্বিক শক্তি/কাৰকসমূহ কোম্পানীৰ সৈতে ওতঃপ্ৰোতঃভাৱে জড়িত। যোগানকাৰী, ভোক্তা, প্ৰতিযোগী, বজাৰকৰণৰ মধ্যস্থতাকাৰী (marketing intermediaries) আৰু জনসাধাৰণক এই শক্তি/কাৰকসমূহে সামৰি লয়। সেইবোৰৰ প্ৰত্যেকৰে চমু বৰ্ণনা তলত দিয়া হ'ল—

১। **যোগানকাৰী ঃ** কোম্পানীৰ মসৃণ গতিৰ বাবে নিৰ্ভৰযোগ্য যোগান অতি প্ৰয়োজনীয়। কোম্পানীক কেঁচামাল ইত্যাদি যিয়ে যোগান ধৰে সিহঁতক যোগানকাৰী বোলা হয়। যোগানকাৰীসকল কোম্পানীৰ সূক্ষ্ম পাৰিপাৰ্শ্বিকতাত এক প্ৰকাৰৰ গুৰুত্বপূৰ্ণ কাৰক/শক্তি।

২। **ভোক্তা ঃ** ব্যৱসায় বৰ্তি থাকে মাত্ৰ ভোক্তাৰ বাবে। ভোক্তা বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। যেনে— ব্যক্তি, অনুষ্ঠান, চৰকাৰ ইত্যাদি। ব্যৱসায় সংগঠনৰ কৃতকাৰ্যতাৰ বাবে গ্ৰাহক মহল (segment) খুব সাৱধানে নিৰ্বাচন কৰিব লাগে।

৩। **প্ৰতিযোগী ঃ** এটা প্ৰতিষ্ঠানে কোনো এটা দ্ৰব্য বজাৰকৰণ কৰোতে দুই ধৰণৰ প্ৰতিযোগিতাৰ সন্মুখীন হ'ব পাৰে—

(ক) একে ধৰণৰ পণ্য দ্ৰব্য উৎপাদন আৰু বিক্ৰী কৰা প্ৰতিষ্ঠানৰ লগত।

(খ) কিছুমান পণ্যত ভোক্তাই তেওঁৰ আয়ৰ এটা নিৰ্দিষ্ট অংশ খৰচ কৰিব বিচাৰে। এনে পণ্যদ্ৰব্য উৎপাদন কৰা প্ৰতিষ্ঠানৰ লগত এটা প্ৰতিষ্ঠানে প্ৰতিযোগিতাৰ সন্মুখীন হ'ব পাৰে।

সীমিত উপাৰ্জনৰ দেশসমূহত ওপৰোক্ত দ্বিতীয় প্ৰকাৰৰ প্ৰতিযোগিতা বেছিকৈ পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে ক'ব পাৰি এটা টি ভি উৎপাদন কৰা কোম্পানীয়ে আন টি ভি উৎপাদন কৰা কোম্পানীৰ লগত প্ৰতিযোগিতাত লিপ্ত হ'বলগীয়া হ'ব পাৰে। আন বস্তুৰ ভিতৰত দুচকীয়া যান, ফ্ৰিজ, টেপ ৰেকৰ্ডাৰ ইত্যাদিৰ নাম ল'ব পাৰি। এজন বজাৰকাৰীয়ে (marketer) এনে চাহিদাৰ সঠিক বিচাৰ কৰিব লাগে আৰু সেই মতে পণ্যদ্ৰব্য উৎপাদন আৰু বিতৰণ কৰিব লাগে।

৪। **বেচা-কিনাৰ মধ্যস্থতাকাৰী** (Marketing Intermediaries) ঃ মধ্যভোগী, যেনে— এজেণ্ট আৰু সদাগৰসকলে বেচা-কিনাৰ মধ্যস্থতাকাৰী হিচাপে কাম কৰে। এওঁলোকে

ভোক্তা বিচৰাত কোম্পানীক সহায় কৰে নতুবা বিক্রী কার্য সম্পাদন কৰায়। বিজ্ঞাপন এজেন্সী, বজাৰ-গৱেষণা প্রতিষ্ঠান, প্রচাৰ প্রতিষ্ঠান (media firm, consultancy firm) আৰু বিত্তীয় মধ্যস্থাতাকাৰীক বেচা-কিনাৰ মধ্যস্থতাকাৰীৰ ভিতৰত সামৰি ল'ব পাৰি।

কোম্পানী আৰু ভোক্তাৰ মাজত গুৰুত্বপূর্ণ সংযোগকাৰী হ'ল বেচা-কিনাৰ মধ্যস্থতাকাৰীসকল। এনে মধ্যস্থতাকাৰী নির্বাচন কৰোতে ভুল হ'লে কোম্পানীয়ে বৃহৎ লোকচান ভৰিবলগীয়া হ'ব পাৰে।

৫। **জনসাধাৰণ ঃ** কোনো এটা সংগঠনে ইয়াৰ স্বার্থত উপনীত হোৱাৰ সামর্থ্যৰ ওপৰত যিবিলাক গোষ্ঠী বা দলৰ প্রভাৱ বা স্বার্থজড়িত থাকে তাকে জনসাধাৰণ বুলি কোৱা হয়। এনে গোষ্ঠী বা জনসাধাৰণ কেইটিমান উদাহৰণ হ'ল— প্রচাৰ মাধ্যম গোষ্ঠী, সচেতন নাগৰিক গোষ্ঠী, স্থানীয় জনসাধাৰণ ইত্যাদি।

কেতবোৰ কোম্পানীৰ কার্যকলাপ এইবিলাক গোষ্ঠীৰ দ্বাৰা সাংঘাতিক ধৰণে প্রভাৱিত হয়। অৱশ্যে সকলো গোষ্ঠীয়ে ব্যৱসায়ৰ বাবে ভাবুকিৰ সৃষ্টিকাৰক বুলি ধৰি ল'লে ভুল কৰা হ'ব। কেতবোৰ গোষ্ঠীয়ে ব্যৱসায়ৰ বাবে নতুন সুযোগৰহে সৃষ্টি কৰে। উদাহৰণ স্বৰূপে প্রচাৰ মাধ্যম গোষ্ঠীয়ে (টি ভি, বাতৰ-কাকত ইত্যাদি) ব্যৱসায় সংগঠনৰ বাবে অতি প্রয়োজনীয় খা-খবৰ আৰু তথ্যৰ যোগান ধৰে।

(খ) **বৃহৎ পা�ৰিপার্শ্বিক কাৰকসমূহ** (Macro Environmental forces) ঃ বৃহৎ পাৰিপার্শ্বিক কাৰকসমূহে কোম্পানীক সুযোগ প্রদান কৰে আৰু কোম্পানীৰ প্রতি ভাবুকিৰো সৃষ্টি কৰে। ক্ষুদ্র/সূক্ষ্ম পাৰিপার্শ্বিক কাৰকসমূহতকৈ বৃহৎ পাৰিপার্শ্বিক কাৰকসমূহ অধিক অনিয়ন্ত্রণযোগ্য। গুৰুত্বপূর্ণ বৃহৎ পাৰিপার্শ্বিক কাৰক কিছুমান তলত দিয়া হ'ল—

১। **আর্থিক পৰিবেশ ঃ** ব্যৱসায়ৰ আর্থিক পৰিবেশে কিছুমান গুৰুত্বপূর্ণ উপাদানক সামৰি লয়। তাৰ ভিতৰত আর্থিক অৱস্থা, আর্থিক নীতি আৰু আর্থিক ব্যৱস্থাৰ কথা উল্লেখ কৰিব পাৰি।

এখন দেশৰ অর্থব্যৱস্থা, যেনে— অর্থনীতিৰ প্রকৃতি, আয়ৰ স্তৰ, আয়ৰ বিতৰণ ইত্যাদিবোৰ ব্যৱসায়িক পদক্ষেপৰ গুৰুত্বপূর্ণ নির্ণেয়ক। তাৰোপৰি ব্যৱসায়ৰ ওপৰত চৰকাৰে লোৱা অর্থনৈতিক নীতিৰো প্রভাৱ থাকে। তেনেদৰে চৰকাৰে অনুসৰণ কৰা বিভিন্ন নীতি, যেনে— নিষেধাত্মক বা উদাৰীকৰণ আমদানি নীতি, ঘৰুৱা উদ্যোগৰ সুৰক্ষা প্রদানৰ নীতি আদিয়েও ব্যৱসায়ৰ ওপৰত বেলেগ বেলেগ ধৰণৰ প্রভাৱ পেলাব পাৰে।

২। **আভ্যন্তৰিণ শক্তিৰ সম্বন্ধ ঃ** চৰকাৰ আৰু ৰাজনৈতিক পৰিবেশ অর্থনৈতিক ব্যৱস্থা আৰু অর্থনৈতিক নীতিৰ লগত ওতঃপ্রোতভাৱে জড়িত।

ব্যৱসায় নিয়ন্ত্রণৰ বাবে অর্থব্যৱস্থাত বহুতো আইন বলবৎ হৈ আছে। এই আইনবোৰে পণ্যদ্রব্যৰ মান, পেকেজিং, পণ্য উন্নতকৰণ/সম্প্রসাৰণ (promotion) ইত্যাদিৰ কথা

সামৰি লয়। ঔদ্যোগিক নীতি, ৰাজস্ব নীতি, শুল্ক নীতি ইত্যাদিৰ পৰিৱৰ্তনে ব্যৱসায়ৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। কিছুমান নীতি কাৰ্যকৰী কৰাৰ ফলত ব্যৱসায়ত সুযোগৰ লগতে ভাবুকিৰো সৃষ্টি হয়।

৩। **সাংস্কৃতিক-সামাজিক পৰিৱেশ ঃ** ব্যৱসায়িক নীতি নিৰ্ধাৰণ কৰা সময়ত সাংস্কৃতিক-সামাজিক পৰিবেশৰ বিশ্লেষণ কৰাটো অতি প্ৰয়োজনীয়। কোনো ক্ষেত্ৰতে ব্যৱসায়ে মানুহৰ ৰীতি-নীতি, পৰম্পৰা, ৰুচি-অভিৰুচিক অবহেলা কৰা উচিত নহয়। মানুহৰ ক্ৰয় অভ্যাস, ভোগ অভ্যাস, তেওঁলোকৰ ভাষা, বিশ্বাস আৰু মূল্যবোধ, শিক্ষা— এই সকলোবোৰ উপাদানে ব্যৱসায়ত প্ৰভাৱ পেলায়। ব্যৱসায় এটা কৃতকাৰ্য হ'বলৈ ইয়াৰ নীতিসমূহ সাংস্কৃতিক-সামাজিক পৰিবেশৰ লগত খাপ-খোৱা হ'ব লাগে।

৪। **জনগাঁথনিৰ পৰিবেশ ঃ** এখন দেশৰ জনগাঁথনিৰ পৰিবেশ বা উপাদান, যেনে— জনসংখ্যাৰ আকাৰ, বৃদ্ধিৰ হাৰ, বয়স, পুৰুষ-মহিলাৰ অনুপাত, পৰিয়ালৰ আকাৰ, শিক্ষাৰ স্তৰ, ভাষা, জাতি-ধৰ্ম আদিয়েও ব্যৱসায়ৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। এই উপাদানবোৰে দ্ৰব্য আৰু সেৱাৰ চাহিদাৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। সেইমতে ব্যৱসায়ীসকলে মূলধন আৰু স্বয়ংচালিত যন্ত্ৰপাতিৰ প্ৰয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

৫। **প্ৰাকৃতিক পৰিবেশ ঃ** ভৌগোলিক আৰু প্ৰাকৃতিক উপাদানবোৰৰো ব্যৱসায় স্থাপনৰ ক্ষেত্ৰত যথেষ্ট সম্পৰ্ক আছে। প্ৰাকৃতিক সম্পদ, বতৰ আৰু জলবায়ুৰ অৱস্থা, ভূ-পৃষ্ঠৰ উপৰি ভাগৰ অৱস্থা, যেনে— জান-জুৰি, নদী-পৰ্বত ইত্যাদি, বন্দৰৰ সা-সুবিধা আদি এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য।

৬। **কায়িক আৰু প্ৰযুক্তিমূলক পৰিবেশ ঃ** কিছুমান কায়িক সুবিধাৰ প্ৰাচুৰ্যতাৰ ওপৰতো ব্যৱসায়ৰ সমৃদ্ধি নিৰ্ভৰ কৰে। যিবিলাক ঠাইত টি. ভি. দ্বাৰা অনুষ্ঠান প্ৰচাৰিত হয়, তেনে অঞ্চলতহে টি. ভি. বিক্ৰী কৰিব পাৰি। বৈদ্যুতিকীকৰণ আৰু বিজুলী যোগানৰ ওপৰত ফ্ৰিজৰ চাহিদা নিৰ্ভৰ কৰে। গেছ সংযোগৰ বৃদ্ধিৰ হাৰ অনুপাতে এল পি জি গেছ ষ্টোভৰ চাহিদা বৃদ্ধি পায়।

প্ৰযুক্তিৰ উন্নয়নে কিছুমান বিদ্যমান দ্ৰব্যৰ চাহিদা বৃদ্ধি কৰিব পাৰে। উদাহৰণস্বৰূপে খাদ্য প্ৰস্তুতকৰণ আৰু সংৰক্ষণ, পেকেজিং ইত্যাদিৰ কুশলতা (technique) উন্নত হোৱা কাৰণে এইবোৰ দ্ৰব্যৰ বিক্ৰী বৃদ্ধি কৰিছে।

প্ৰযুক্তিৰ উপাদানে কেতিয়াবা সমস্যাৰ সৃষ্টি কৰে। কোনো প্ৰতিষ্ঠানে প্ৰযুক্তিৰ পৰিৱৰ্তনৰ ফলত হোৱা অৱস্থাৰ লগত মোকাবিলা কৰিব নোৱাৰিলে ই বৰ্তি থাকিব নোৱাৰে।

৭। **আন্তৰ্জাতিক পৰিবেশ ঃ** কিছু প্ৰকাৰ ব্যৱসায়ৰ ফালৰ পৰা আন্তৰ্জাতিক পৰিবেশ বৰ গুৰুত্বপূৰ্ণ। ৰপ্তানি বা আমদানিৰ ওপৰত প্ৰত্যক্ষভাৱে নিৰ্ভৰ কৰা উদ্যোগৰ বাবে ই বিশেষভাৱে গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে বিদেশৰ বজাৰত মুদ্ৰা সংকোচন আৰম্ভ হ'লে, আন ৰাষ্ট্ৰসমূহে সুৰক্ষামূলক নীতি গ্ৰহণ কৰিলে, আমদানি ইত্যাদি শিথিলকৰণ কৰিলে

বৈদেশিক বাণিজ্য বহু পৰিমাণে প্ৰভাৱিত হয়। বৈদেশিক বজাৰত উন্নয়ন হ'লে, ৰপ্তানিকাৰী কোম্পানী এটাই তাৰ ফল ভোগ কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ ব্যৱসায়ৰ কামকাজ প্ৰভাৱান্বিত কৰা তিনিটা বৃহৎ পাৰিপাৰ্শ্বিক কাৰক উল্লেখ কৰক।

১) .....

২) .....

৩) .....

১৪.৮ চৰকাৰ আৰু ব্যৱসায় সংগঠনৰ মাজৰ সম্পৰ্ক

এখন দেশৰ চৰকাৰ মাথো দেশখনৰ আইন-কানুন লৈয়ে ব্যস্ত নহয়, বৰং ই আৰ্থিক কাম-কাজত অংশগ্ৰহণ কৰে আৰু ব্যৱসায়ৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰে যাতে সৰ্বোচ্চ সামাজিক কল্যাণ সম্ভৱ হয়। চৰকাৰে ব্যৱসায়ৰ সৈতে বিভিন্ন ধৰণে সম্পৰ্ক ৰক্ষা কৰে। তাৰ কিছু আভাস তলত দিয়া হ'ল—

১। **ব্যৱসায়ৰ প্ৰৱৰ্তক হিচাপে চৰকাৰ ঃ** স্বাধীনতাৰ পাছৰ পৰাই ভাৰত চৰকাৰে দেশত উদ্যোগিকৰণৰ প্ৰচেষ্টা চলাই আহিছে। ৰাজহুৱা আৰু ব্যক্তিগত উভয় খণ্ডতে এনে প্ৰচেষ্টা চলোৱা হৈছে। বৃহৎ উদ্যোগৰ উন্নয়নৰ বাবে, ৰাজহুৱা আৰু সমবায় খণ্ডৰ সম্প্ৰসাৰণৰ বাবে, আয়ৰ বৈষম্য আঁতৰ কৰাৰ উদ্দেশ্যে আৰু ব্যক্তিগত খণ্ডৰ সম্প্ৰসাৰণৰ বাবে, আয়ৰ বৈষম্য আঁতৰ কৰাৰ উদ্দেশ্যে আৰু ব্যক্তিগত খণ্ডত যাতে একচেতিয়া বজাৰ গঢ়ি নুঠে তাৰ বাবে চৰকাৰে বিভিন্ন অনুষ্ঠান আৰু নিকায় প্ৰতিষ্ঠা কৰিছে। ব্যৱসায়ৰ প্ৰৱৰ্তক হিচাপে চৰকাৰে তলত দিয়া কাৰ্যাৱলী কৰি আহিছে—

(ক) উদ্যোক্তাসকলক কাৰিকৰী পৰামৰ্শ প্ৰদান কৰা।

(খ) ঔদ্যোগিক গৱেষণাত উদ্‌গনি যোগোৱা।

(গ) মূলধনৰ অভাৱ দূৰীকৰণ।

(ঘ) ঔদ্যোগিক পাম প্ৰতিষ্ঠা কৰা।

(ঙ) আভ্যন্তৰিণ তথা বৈদেশিক বাণিজ্যৰ উদ্‌গনি দিবলৈ বিভিন্ন ব্যৱসায়িক তথ্য সংগ্ৰহ কৰা।

২। **ব্যৱসায় নিয়ন্ত্ৰণকাৰী হিচাপে চৰকাৰ ঃ** ব্যক্তিগত প্ৰতিষ্ঠানৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ সাব্যস্ত কৰা হয় যাতে তাৰ দ্বাৰা সমাজে সৰ্বোৎকৃষ্টভাৱে উপকৃত হয়। ব্যৱসায়িক কাম-কাজ নিয়ন্ত্ৰণৰ বাবে অৱলম্বন কৰা কিছুমান পদ্ধতি তলত দিয়া ধৰণৰ—

ক) **আৰ্থিক পৰিকল্পনাৰ জৰিয়তে ব্যক্তিগত প্ৰতিষ্ঠানত বিনিয়োগ কাৰ্যৰ নিয়ন্ত্ৰণ ঃ** সামৰিগত

অর্থ ব্যৱস্থা (Totalitarian economics) হ'ল পৰিকল্পিত আৰু কেন্দ্রীয়ভাৱে নিয়ন্ত্রিত। ৰাষ্ট্রই সকলো বিলাক উৎপাদনশীল সম্পদৰ গৰাকী আৰু তাত আর্থিক কার্যকলাপৰ সম্পূর্ণ সুশৃঙ্খল শাসন (regimentation) আছে। ইয়াত উৎপাদনেই যে পৰিকল্পিত তেনে নহয়, ভোগো পৰিকল্পিত। কি উৎপাদন কৰিব আৰু কিমান উৎপাদন কৰিব তাৰ সিদ্ধান্ত চৰকাৰে লয়। উৎপাদনৰ পৰিমাণ আৰু বিভিন্ন ভোক্তাৰ অভিৰুচিৰ দ্বাৰা নির্ধাৰিত নহয়।

দ্বিতীয় মহাযুদ্ধৰ পাছত প্রায় প্রতিখন দেশেই বেলেগ-বেলেগ ধৰণৰ পৰিকল্পনা প্রস্তুত কৰিবলৈ লয়। ভাৰতবর্ষৰ দৰে গণতান্ত্রিক আৰু মিশ্র অর্থব্যৱস্থাৰ দেশসমূহেও পৰিকল্পনাক আর্থিক বিকাশ আৰু সামাজিক ন্যায়ৰ প্রধান আহিলা হিচাপে গ্রহণ কৰে। স্বাধীনতা লাভ কৰাৰ পাছতেই ভাৰত চৰকাৰে কেতবোৰ আর্থিক প্রতিবন্ধক, যেনে— অপর্যাপ্ত লাভ কৰাৰ পাছতেই ভাৰত চৰকাৰে কেতবোৰ আর্থিক প্রতিবন্ধক, যেনে— অপর্যাপ্ত উপাদন, আর্থিক জীৱনৰ অস্থিৰতা, বিতৰণৰ অসমতা আদি নিৰাময়ৰ বাবে এক বিস্তৃত নিয়ন্ত্রণমূলক ব্যৱস্থা হাতত লয়।

খ) **ঔদ্যোগিক নীতিৰ জৰিয়তে ব্যৱসায়িক কার্যকলাপৰ নিয়ন্ত্রণ ঃ** স্বাধীনতাৰ পাছৰ পৰাই ৰাষ্ট্রীয় চৰকাৰে ঔদ্যোগিকৰণৰ পদক্ষেপ হাতত লৈছে আৰু ক্ষীপ্ত ঔদ্যোগিক উন্নয়নৰ নীতি গ্রহণ কৰিছে। ই বহুসংখ্যক উপায় হাতত লৈছিল, যেনে— আর্থিক কাঠামৰ সুবিধা প্রদান কৰা। ইয়াৰ ভিতৰত আছে যাতায়ত আৰু যোগাযোগৰ উন্নয়ন সাধন কৰা, সাধাৰণ আৰু কাৰিকৰী শিক্ষাৰ সুবিধা সম্প্রসাৰণ কৰা, ঔদ্যোগিক শ্রমিকৰ মান (quality) উন্নত কৰা আৰু সকলো প্রকাৰৰ উদ্যোগলৈ বিভিন্ন ধৰণৰ বিত্তীয় সুবিধা প্রদান কৰিবলৈ বহুসংখ্যক বিত্তীয় অনুষ্ঠানৰ প্রতিষ্ঠা কৰা। দেশত যাতে সুস্থ বেংকিং পদ্ধতি চলে, তাৰ নিশ্চয়তা প্রদান কৰিবলৈ ই ব্যৱস্থা হাতত লৈছে। ই উপযুক্ত শুল্ক আৰু কৰ নীতিও গ্রহণ কৰিছে। তাৰোপৰি কুটীৰ আৰু ক্ষুদ্র উদ্যোগৰ উন্নয়নৰ বাবে সকলো প্রকাৰৰ সহায় আগবঢ়াইছে। এইবিলাক ব্যৱস্থাৰ উপৰিও চৰকাৰে ঔদ্যোগিক নীতি আৰু ঔদ্যোগিক নীতি বিবৃতি ঘোষণা কৰিছে। সেইবোৰ হ'ল যথাক্রমে ১৯৪৮, ১৯৫৬, ১৯৭৩, ১৯৭৭ (জনতা চৰকাৰৰ নীতি), ১৯৮০ আৰু ১৯৯১ (নতুন ঔদ্যোগিক নীতি) চনত। ভাৰতীয় অর্থনীতি বিশ্বায়নৰ বাবে ১৯৯১ চনৰ নতুন ঔদ্যোগিক নীতি এটা যোগাত্মক পদক্ষেপ বুলি অভিহিত কৰিব পাৰি। চৰকাৰে ঔদ্যোগিক নীতি সংস্কাৰৰ প্রচেষ্টা অব্যাহত ৰাখিছে।

গ) **ঔদ্যোগিক অনুজ্ঞাপত্রৰ জৰিয়তে বিনিয়োগ অৱস্থান, আকাৰ, সম্প্রসাৰণ ইত্যাদিৰ নিয়ন্ত্রণ ঃ** ১৯৪৮ চনত ভাৰতবর্ষত দেশীয় চৰকাৰে প্রথম ঔদ্যোগিক নীতি ঘোষণা কৰে। এই নীতিৰ যোগেদিয়ে চৰকাৰী অনুজ্ঞা পত্রৰ নীতিৰ মূল গাঁথনিটো তৈয়াৰ কৰা হয়। ঔদ্যোগিক অনুজ্ঞাপ পত্র নীতিৰ জৰিয়তে ঔদ্যোগিক ক্ষেত্রত অবাঞ্চনীয় প্রবেশ আৰু সম্প্রসাৰণ নিয়ন্ত্রণ কৰাৰ ব্যৱস্থা কৰা হয়। দেশৰ উদ্যোগ আৰু আর্থিক খণ্ডৰ প্রয়োজনীয় বিকাশত যাতে কোনো ধৰণৰ বাধাৰ সৃষ্টি নহয়, তালৈ চকু ৰাখি সময়ে সময়ে চৰকাৰে ঔদ্যোগিক অনুজ্ঞাপত্র নীতিৰ সাল-সলনি ঘটাই আহিছে।

১৯৯১ চনৰ ঔদ্যোগিক নীতিৰ অধীনত বিভিন্ন ক্ষেত্ৰত এলানি ব্যৱস্থা হাতত ল'বলৈ ভাৰত চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ক্ষেত্ৰসমূহ হৈছে— ব্যৱসায় নীতি, বিনিময় হাৰ পৰিচালনা, ৰাজস্ব নীতি, বিত্তীয় খণ্ডৰ সংস্কাৰ আৰু সমষ্টিগত অৰ্থব্যৱস্থাৰ পৰিচালনা। এই নীতিৰ অধীনত প্ৰায় সকলোবোৰ উদ্যোগৰ ক্ষেত্ৰত ঔদ্যোগিক অনুজ্ঞাপত্ৰৰ ব্যৱস্থা পৰিহাৰ কৰা হৈছে। এতিয়া মাত্ৰ ১৮টা উদ্যোগৰ ক্ষেত্ৰতহে ঔদ্যোগিক অনুজ্ঞাপত্ৰ বাধ্যতামূলক হৈ আছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল— নিৰাপত্তা, আনবিক শক্তি ইত্যাদি।

ঘ) **দ্ৰব্যমূল্য নিয়ন্ত্ৰণ ঃ** চৰকাৰে দ্ৰব্যমূল্যৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰে। এই নিয়ন্ত্ৰণ সাব্যস্ত কৰা হয় কেঁচামাল, উৎপাদন প্ৰক্ৰিয়াত থকা দ্ৰব্য আৰু উৎপাদিত দ্ৰব্যৰ দাম নিৰ্ধাৰণ কৰি। ১৯৫১ চনৰ ঔদ্যোগিক (নিয়ন্ত্ৰণ আৰু উন্নয়ন) আইনে এই ক্ষমতা প্ৰদান কৰিছে। ১৯৫৫ চনৰ অত্যাৱশ্যকীয় সামগ্ৰী আইনে চৰকাৰক বিশেষ ক্ষমতা প্ৰদান কৰিছে। এই আইনৰ অধীনত চৰকাৰে ৰাজহুৱা স্বাৰ্থত কোনো এটা দ্ৰব্যক অত্যাৱশ্যকীয় বুলি ঘোষণা কৰিব পাৰে আৰু তাৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰে।

দাম-নিৰ্ধাৰণৰ বাবে শুল্ক কমিছনে চৰকাৰৰ গুৰুত্বপূৰ্ণ এজেঞ্চি হিচাপে কাম কৰে। বৈদেশিক প্ৰতিযোগিতাৰ পৰা ঘৰুৱা উদ্যোগক সুৰক্ষা প্ৰদান কৰাটোৱে কমিছনৰ প্ৰাথমিক কাম।

ঙ) **নিগম পৰিচালনা, মজুৰি, কৰ্ম সময় আৰু কৰ্মচাৰীক দিয়া বোনাচৰ নিয়ন্ত্ৰণ ঃ** কোম্পানী আইনৰ জৰিয়তে নিগম পৰিচালনা নিয়ন্ত্ৰণ কৰা হয়। মজুৰি আৰু কৰ্মচাৰীৰ কাম কৰা পৰিবেশৰ নিয়ন্ত্ৰণ কৰা হয় ১৯৪৮ চনৰ কাৰখানা আইন, ১৯৩৬ চনৰ মজুৰ প্ৰদান আইন, আৰু ১৯৪৮ চনৰ নিম্নতম মজুৰি আইনৰ জৰিয়তে।

৩। **চালিচীকাৰক হিচাপে চৰকাৰ ঃ** সুস্থ ঔদোগিক বাতাবৰণ নহ'লে উদ্যোগ বা ব্যৱসায়ৰ সমৃদ্ধি সম্ভৱ নহয়। ১৯৪৭ চনৰ শিল্প বিবাদ আইনৰ জৰিয়তে চৰকাৰে নিয়োগকৰ্তা আৰু কৰ্মচাৰী উভয়কে সামাজিক ন্যায় প্ৰদানৰ নিশ্চয়তা প্ৰদান কৰিছে। শিল্প বিবাদসমূহ নিষ্পত্তি কৰিবলৈ চৰকাৰে চালিচীকাৰক বা মধ্যস্থতাকাৰী (Arbritrator) হিচাপে কাম কৰে।

৪। **উদ্যমী হিচাপে চৰকাৰ ঃ** ব্যক্তিগত খণ্ডই তেওঁলোকৰ বৃদ্ধি, সম্প্ৰসাৰণ ইত্যাদিৰ বাবে বহু পৰিমাণে ৰাজহুৱা খণ্ডৰ বিত্তীয় অনুষ্ঠানৰ ওপৰত নিৰ্ভৰ কৰে। আনহাতে চৰকাৰী খণ্ডত পেছাদাৰী পৰিচালক আৰু পৰিচালনা কুশলতাৰ অভাৱ পৰিলক্ষিত হয়। ব্যক্তিগত আৰু ৰাজহুৱা উভয় খণ্ডই সন্মুখীন হোৱা সমস্যাসমূহ অতিক্ৰম কৰিবলৈ চৰকাৰে যৌথ খণ্ডৰ ঘোষণা কৰিছে। যৌথ খণ্ডৰ সম্প্ৰসাৰণকেই (extention) মিশ্ৰ অৰ্থনীতিৰ ধাৰণা বুলি ক'ব পাৰি। এই ব্যৱস্থাত এটা প্ৰতিষ্ঠানৰ পৰিচালনাত ব্যক্তিগত আৰু ৰাজহুৱা উভয় খণ্ডই জড়িত হৈ থাকে। চৰকাৰী চিন্তা-ধাৰা আৰু অৰ্থনীতিৰ বৰ্তমান স্থিতিত এই সূত্ৰটো বৰ আকৰ্ষণীয় আৰু খাপখোৱা। ইব্যক্তিগত খণ্ডৰ কাৰ্যদক্ষতা, অভিজ্ঞতা আৰু গতিশীলতাক ৰাজহুৱা খণ্ডৰ সামাজিক লক্ষ্যৰ (Social objectives) লগত একত্ৰিত কৰিব পাৰে। এইদৰে চৰকাৰে ব্যক্তিগত খণ্ডৰ সৈতে কোনো উদ্যোগৰ অংশীদাৰ হৈ পৰে।

৫। **সাহায্য আৰু পৰামৰ্শ দিবলৈ চৰকাৰী বিভাগ আৰু এজেন্সীসমূহ ঃ** উদ্যোগ বা ব্যৱসায়ত প্রত্যক্ষভাৱে অংশগ্রহণ কৰাৰ উপৰিও চৰকাৰে চৰকাৰী বিভাগ আৰু এজেন্সীসমূহৰ জৰিয়তে উদ্যোক্তাক (entrepreneurs) সাহায্য আৰু পৰামৰ্শ আগবঢ়ায়। তাৰে কিছুমান তলত আলোচনা কৰা হ'ল—

ক) **উদ্যোগ আৰু বাণিজ্য মন্ত্রালয়** (Ministry of Commerce and Industry) ঃ এই মন্ত্রালয়টো প্রধানকৈ দেশীয় বেহা-বেপাৰ, বাণিজ্য আৰু উদ্যোগৰ নিয়ন্ত্রণ আৰু বৃদ্ধিৰ বাবে দায়বদ্ধ। বর্তমান ই দুটা ভাগত বিভক্ত—
বৈদেশিক বাণিজ্য আৰু যোগান মন্ত্রালয় আৰু ঔদ্যোগিক বিকাশ, কোম্পানী কামকাজ আৰু আন্তঃবাণিজ্য মন্ত্রালয়। এই বিভাগ দুটাক আন আন বহুতো আনুষঙ্গিক বিভাগে সহায় আগবঢ়ায়। ভাৰতবর্ষৰ প্রতিখন ৰাজ্যতে একোটিকৈ উদ্যোগ আৰু বাণিজ্য মন্ত্রালয় আছে আৰু সংশ্লিষ্ট সঞ্চালকালয়ৰ মাধ্যমেৰে তেওঁলোকে ৰাজ্যখনৰ ভিতৰতে তেওঁলোকৰ কামকাজ সীমিত ৰাখে।

খ) **উন্নয়ন পৰিষদ** (Development Council) ঃ এটা ব্যক্তিগত উদ্যোগৰ সমস্যাসমূহ এটা প্রসংগত প্রতিষ্ঠা কৰা উন্নয়ন পৰিষদে বিবেচনা কৰে। প্রতিটো বৃহৎ উদ্যোগৰ বাবে প্রতিষ্ঠা কৰা উন্নয়ন পৰিষদে, সেই উদ্যোগসমূহে সন্মুখীন হোৱা সমস্যাসমূহ পৰীক্ষা কৰে।

গ) **বিত্ত যোগানকাৰী অনুষ্ঠান** (Financial Institution) ঃ ঔদ্যোগিক প্রতিষ্ঠান এটাক মধ্যকালীন আৰু দীর্ঘকালীন ঋণ প্রদানৰ উদ্দেশ্যে কিছুমান বিশেষ অনুষ্ঠান প্রতিষ্ঠা কৰা হৈছে, যেনে— ভাৰতীয় ঔদ্যোগিক বিত্তীয় নিগম (IFCI), ৰাজ্যিক বিত্তীয় নিগম (SFCs), ভাৰতীয় ঔদ্যোগিক ঋণ আৰু বিত্তীয় নিগম (ICICI), ভাৰতীয় ঔদ্যোগিক উন্নয়ন বেংক (IDBI) ইত্যাদি।

ঘ) **বৈদেশিক সহযোগ** (Foreign Collaboration) ঃ দেশীয় সম্পদৰ অভাৱ বা দেশীয় সম্পদ পর্যাপ্ত নহ'লে চৰকাৰেও বৈদেশিক মূলধন আৰু বৈদেশিক মানৱ সম্পদ আমদানি কৰাত আগ্রহী। দেশৰ ঔদ্যোগিক কার্য-কলাপত অংশগ্রহণৰ উদ্দেশ্যে বৈদেশিক মূলধন আৰু প্রতিষ্ঠানক আমন্ত্রণ জনোৱাটো চৰকাৰৰ এটা নীতি।

ঙ) **ঔদ্যোগিক গৱেষণা ঃ** এতিয়া ভাৰতত চৰকাৰী পৃষ্ঠপোষকতাত বৈজ্ঞানিক গৱেষণা চলে। বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদ আৰু ৰাষ্ট্রীয় পৰীক্ষাগাৰ আৰু বিভিন্ন গৱেষণা প্রতিষ্ঠানত এনে গৱেষণা চলোৱা হয়। গৱেষণা চলোৱা প্রতিষ্ঠানসমূহ চৰকাৰৰ অধীনত প্রতিষ্ঠিত। পৰিষদে বিভিন্ন গৱেষণা আৰু ঔদ্যোগিক তথ্য সংগ্রহ কৰে আৰু তাৰ বিতৰণ কৰে।

চ) **ৰাষ্ট্রীয় উৎপাদকতা পৰিষদ** (National Productivity Council) ঃ দেশত উৎপাদন সচেতনতাৰ সৃষ্টি আৰু ঔদ্যোগিক উৎপাদন বৃদ্ধিৰ বাবে একেবাৰে নতুন কুশলতাৰ (technique)প্রয়োগ কৰাটোৱেই ইয়াৰ উদ্দেশ্য।

ছ) **ভাৰতীয় মানক সংস্থা** (Bureau of Indian Standard) ঃ জনপ্রিয়ভাৱে আই এছ

আই বুলি জনাজাত ভাৰতীয় মান অনুষ্ঠানক বৰ্তমানে ভাৰতীয় মান সংস্থা বুলি জনা যায়। ১৯৪৭ চনত ইয়াক প্ৰতিষ্ঠা কৰা হৈছিল। এইটো প্ৰতিষ্ঠা কৰাত ঔদ্যোগিক, বৈজ্ঞানিক আৰু কাৰিকৰী সংগঠনৰ লগতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহৰো সক্ৰিয় সমৰ্থন আছিল। ই ভাৰতীয় মান সংগঠনৰ স্থিতি গ্ৰহণ কৰি আছে। এই অনুষ্ঠানে দ্ৰব্যৰ গুণগত মান সম্পৰ্কে সচেতনতাৰ সৃষ্টি কৰে আৰু গুণগত মান সম্পন্ন দ্ৰব্য উৎপাদন কৰাত উদ্যোগপতিসকলক সহায় কৰে।

জ) **প্ৰযুক্তিমূলক প্ৰতিষ্ঠান** (Technical Institutes) ঃ বেহা-বেপাৰ, বাণিজ্য আৰু উদ্যোগৰ বিকাশৰ বাবে এনেবোৰ ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰদানৰ বাবে প্ৰযুক্তিমূলক প্ৰতিষ্ঠানৰ আৱশ্যক হয়। গতিকে মাধ্যমিক শিক্ষাৰ পিছতে প্ৰযুক্তিমূলক শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে চৰকাৰে গঠনমূলক, উদ্দেশ্যমূলক নীতি গ্ৰহণ কৰিছে। কাৰিকৰী শিক্ষাৰ সকলোবোৰ দিশত চৰকাৰক পৰামৰ্শ দিবলৈ ১৯৫৪ চনতে 'সৰ্বভাৰতীয় প্ৰযুক্তিমূলক শিক্ষা পৰিষদ' গঠন কৰা হৈছে।

ঝ) **ক্ষুদ্ৰ উদ্যোগ সেৱা প্ৰতিষ্ঠান** (Small-Scale Service Institutes) ঃ আন্তৰ্জাতিক পৰিকল্পনা দল এটাৰ অনুমোদন ক্ৰমে প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষৰ পিনে ভাৰতত চাৰিটা আঞ্চলিক ক্ষুদ্ৰ উদ্যোগ সেৱা প্ৰতিষ্ঠান স্থাপন কৰা হৈছিল। এই প্ৰতিষ্ঠানবোৰে ইয়াৰ বিভিন্ন শাখাৰ জৰিয়তে ক্ষুদ্ৰ উদ্যোগলৈ দিহা-পৰামৰ্শ আৰু সাহায্য আগবঢ়ায়।

ঞ) **বাণিজ্য আয়ুক্ত** ঃ বাণিজ্য আয়ুক্ত এজন চৰকাৰী বিষয়া। তেওঁক বিদেশত নিযুক্তি দিয়া হয়। তেওঁৰ কাম হ'ল বাণিজ্য তথ্য সংগ্ৰহ কৰা, বাণিজ্য স্বাৰ্থ চোৱা-চিতা কৰা আৰু নতুন ব্যৱসায়ৰ উদ্ভাৱন কৰা। তাৰোপৰি তেওঁৰ কামৰ ভিতৰত আছে— ব্যৱসায় সম্পৰ্কীয় সকলো প্ৰশ্নৰ উত্তৰ দিয়া, প্ৰয়োজনীয় ৰেজিষ্টাৰ বহী ৰখা আৰু পাৰিসাংখ্যিকীয় তথ্য ৰখা আৰু বিদেশত ঘৰুৱা দ্ৰব্যৰ প্ৰদৰ্শন পতা ইত্যাদি।

ট) **বাণিজ্যিক বুদ্ধিমত্তা আৰু পৰিসংখ্যা বিভাগ** (Department of CommercialIntelligence and Statistics) ঃ কলকাতাত অৱস্থিত এই প্ৰতিষ্ঠানটোৱে বাণিজ্যিক বুদ্ধিমত্তাৰ বিকাশ আৰু বাণিজ্য, শুল্ক, নৌবহন আদি সংক্ৰান্তীয় তথ্য পাতি সংগ্ৰহ, একত্ৰীকৰণ তথা প্ৰকাৰৰ সৈতে জড়িত। এই বিভাগটোৱে 'Indian Trade Journal' নামৰ সাপ্তাহিক আৰু 'Monthly Statistics of Foreign Trade of India' নামৰ মাহেকীয়া আলোচনী দুখন প্ৰকাশ কৰে।

ঠ) **ৰপ্তানি সম্প্ৰসাৰণ পৰিষদ** ঃ ৰপ্তানি সম্প্ৰসাৰণ প্ৰচেষ্টাত কৃষকে (Growers), উৎপাদনকাৰী আৰু ৰপ্তানিকাৰীৰ সহযোগ পাবলৈ ২০খন ৰপ্তানি সম্প্ৰসাৰণ পৰিষদ গঠন কৰা হয়। ১৯৫৬ চনৰ কোম্পানী আইনৰ অধীনত লাভহীন (non-profit) সংগঠন হিচাপে এই পৰিষদ গঠন কৰা হয়। বিভিন্ন উদ্যোগ যেনে— ৰেছম, কাপোৰ, চামৰা, অভ্ৰ, প্লাষ্টিক, মছলা ইত্যাদিক এই পৰিষদৰ ভিতৰত সামৰি লোৱা হৈছে। এই পৰিষদৰ সভ্যসকলে কিছুমান সুবিধা পায়। তাৰ ভিতৰত আছে বাণিজ্য সম্পৰ্কীয় অনুসন্ধান, বজাৰ গৱেষণা আৰু দ্ৰব্যৰ প্ৰদৰ্শন আৰু বিজ্ঞাপন ইত্যাদি।

ড) **মাৰ্কেটিং বোৰ্ড** ঃ উৎপাদন বৃদ্ধি আৰু বিভিন্ন দ্ৰব্যৰ বজাৰকৰণৰ বাবে চৰকাৰে ভালেসংখ্যক

বোর্ড গঠন কৰিছে।

ঢ) **পণ্য বোর্ড ঃ** বিভিন্ন পণ্যৰ ৰপ্তানি বৃদ্ধিৰ উদ্দেশ্যে সংশ্লিষ্ট পণ্যৰ বোর্ড গঠন কৰা হয়। তেওঁলোক সংশ্লিষ্ট পণ্যৰ উৎপাদন, উন্নয়ন, বজাৰকৰণ ইত্যাদিৰ সমস্যাসমূহৰ লগত মোকাবিলা কৰে। ৰপ্তানি সম্প্রসাৰণ পৰিষদবোৰে পণ্য ৰপ্তানি বৃদ্ধিৰ বাবে উপায় অৱলম্বন কৰে। গুৰুত্বপূর্ণ পণ্য বোর্ডসমূহ হ'ল— কফি বোর্ড, টিবোর্ড, ৰাবাৰ বোর্ড, কয়ৰ বোর্ড, চেণ্ট্রেল ছিল্ক বোর্ড ইত্যাদি।

ণ) **বিক্রী বিপনি (Sales Emporia) ঃ** কোনো এখন ৰাজ্য চৰকাৰে সংশ্লিষ্ট ৰাজ্যৰ কুটীৰ আৰু ক্ষুদ্র উদ্যোগে উৎপাদন কৰা দ্রব্যসমূহ বিক্রী কৰিবলৈ সেই ৰাজ্যৰ মহানগৰ আৰু নগৰসমূহত বিক্রী কেন্দ্র খোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ চৰকাৰ আৰু ব্যৱসায়ৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰক।

(৫০টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....



১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

সামাজিক দায়বদ্ধতাৰ ধাৰণাটোৰ গুৰুত্ব সমাজৰ বিভিন্ন স্বার্থজড়িত মহলৰ বাবে একে নহয়। যিকি নহওঁক, পৰিবর্তিত আর্থ-সামাজিক পৰিবেশত ব্যৱসায় সংগঠনবোৰৰ বাবে ইয়াৰ গুৰুত্ব বৃদ্ধি পাইছে। ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ ব্যৱসায় প্রতিষ্ঠানবোৰে তেওঁলোকৰ ব্যৱসায়িক লক্ষ্য পূৰণৰ লগতে সমাজৰ উন্নতিৰ হকে সামাজিক দায়বদ্ধতা পালন কৰিব লাগে।

ব্যৱসায় আৰু চৰকাৰৰ মাজত এটা স্পষ্ট সম্পর্ক আছে। ব্যৱসায়ৰ শ্রীবৃদ্ধি আৰু সামাজিক কল্যাণ বৃদ্ধিৰ হকে ব্যৱসায় নিয়ন্ত্রণ আৰু পৰিচালনাৰ ক্ষেত্রত চৰকাৰে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিব পাৰে।



১৪.১০ অধিক জানিবলৈ

১)পাঠক, কালোৱাৰ, আলি, পুৰকায়স্থ ঃ ব্যৱসায় সংগঠন আৰু উদ্যমিতা বিকাশ

২) মানিক চন্দ্র বর্মন ঃ ব্যৱসায় সংগঠন আৰু উদ্যমিতা বিকাশ।



১৪.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ব্যৱসায় সংগঠনসমূহ ভোক্তাৰ প্রতি দায়বদ্ধ। ভোক্তাৰ প্রতি ব্যৱসায়ৰ দায়বদ্ধতা সমূহ হ'ল—

ভোক্তাৰ চাহিদা পূৰণ কৰিবলৈ সঠিক পৰিমাণৰ পণ্য প্রস্তুত কৰিব লাগিব।

ভোক্তাই বিচৰা ধৰণে পণ্য সামগ্রী উপলব্ধ কৰিব লাগিব।

পণ্যৰ মানদণ্ড কঠোৰভাৱে ৰক্ষা কৰিব লাগিব।

বিজ্ঞাপনসমূহ বিপথগামী আৰু অশুভ হ'ব নালাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ ব্যৱসায় সংগঠনক প্রভাবান্বিত কৰা তিনিটা পাৰিপার্শ্বিক কাৰক বা শক্তি হ'ল—

(ক) আর্থিক পৰিবেশ

(খ) চৰকাৰ আৰু ৰাজনৈতিক পৰিবেশ

(গ) সাংস্কৃতিক-সামাজিক পৰিবেশ

৩ নং প্রশ্নৰ উত্তৰ ঃ এখন দেশৰ আর্থিক আৰু ব্যৱসায়িক কামকাজত চৰকাৰে সক্রিয় ভূমিকা পালন কৰে। ব্যৱসায়ৰ প্রতি চৰকাৰে বিভিন্ন ধৰণৰ প্রযুক্তিমূলক আৰু বিত্তীয় সহায় আগবঢ়ায়। সামাজিক মঙ্গলৰ বাবে অর্থব্যৱস্থাক পৰিচালিত কৰিবলৈ ব্যক্তিগত খণ্ডৰ ওপৰত নানা ধৰণৰ বাধা নিষেধ আৰোপ কৰে। গতিকে চৰকাৰে প্রবর্তক, নিয়ন্ত্রণক, চালিচীকাৰক আৰু উদ্যমী হিচাপে কর্ম সম্পাদন কৰে।



১৪.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃব্যৱসায়ৰ সামাজিক দায়বদ্ধতা কি? সামাজিক দায়বদ্ধতাৰ পৰিসৰ সম্বন্ধে আলোচনা কৰক।

প্রশ্ন ২ঃভাৰতবর্ষত ব্যৱসায়ীসকলে ৰূপায়ণ কৰা সামাজিক দায়িত্ববোধ আলোচনা কৰক।

প্রশ্ন ৩ঃব্যৱসায় সংগঠন প্রভাৱান্বিত কৰা বিভিন্ন পাৰিপার্শ্বিক কাৰকসমূহ বিশ্লেষণ কৰক।

প্রশ্ন ৪ঃব্যৱসায় আৰু ৰাষ্ট্রৰ মাজত কেনেধৰণৰ সম্পর্ক আছে। বর্তমানৰ ব্যৱসায় ক্ষেত্রত চৰকাৰৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৫ঃব্যৱসায়ীসকল সামাজিক দায়বদ্ধতাৰ প্রতি সচেতন হয় কিয়? কি কি উপাদানে সামাজিক দায়িত্ব পালনৰ বাবে প্রৰোচিত কৰে?

*** ***** ***

অধ্যায় ১৫ ঃ ব্যৱসায়ত মানৰীয় প্ৰমূল্য

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ প্ৰমূল্যৰ অৰ্থ

১৫.৪ ব্যৱসায়ত মানৰীয় প্ৰমূল্যৰ অৰ্থ আৰু প্ৰকৃতি

১৫.৫ মানৰীয় প্ৰমূল্যৰ গুৰুত্ব

১৫.৬ মানৰীয় প্ৰমূল্যৰ প্ৰকাৰ

১৫.৭ ব্যৱসায়ৰ নীতিত মানৰীয় প্ৰমূল্য

১৫.৮ ব্যৱসায়ৰ নীতিশাস্ত্ৰ আৰু মানৰীয় প্ৰমূল্য

১৫.৯ ব্যৱসায়ীৰ থাকিবলগীয়া মানৰীয় প্ৰমূল্য

১৫.১০ সফল ব্যৱসায়ত নৈতিক প্ৰমূল্যৰ তাৎপৰ্য

১৫.১১ আচাৰ সংহিতা

১৫.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.১৩ অধিক জানিবলৈ

১৫.১৪ অগ্ৰগতিৰ খতিয়ান

১৫.১৫ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মানৰীয় প্ৰমূল্যৰ অৰ্থ আৰু প্ৰকৃতি বুজি পাব
- ব্যৱসায়ত মানৰীয় প্ৰমূল্যৰ অৰ্থ আৰু প্ৰকৃতি বুজি পাব
- মানৰীয় প্ৰমূল্যৰ প্ৰকাৰ আৰু গুৰুত্ব বৰ্ণনা কৰিব পাৰিব
- ব্যৱসায়ৰ নীতিত মানৰীয় প্ৰমূল্যৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব
- ব্যৱসায়ৰ নীতিয়ে মানৰীয় প্ৰমূল্যৰ প্ৰতি কেনে আচৰণ প্ৰদৰ্শন কৰে ব্যাখ্যা কৰিব পাৰিব
- ব্যৱসায়ীৰ থাকিবলগীয়া মানৰীয় প্ৰমূল্যবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সফল ব্যৱসায়ত নৈতিক প্ৰমূল্যৰ তাৎপৰ্য বৰ্ণনা কৰিব পাৰিব
- আচাৰ সংহিতা অৰ্থ আৰু ধাৰণা বুজি পাব।

১৫.২ পৰিচয়

প্ৰায়েই কোৱা হয় যে মানুহ আৰু বস্তু উভয়ৰে মূল্য আছে। কিন্তু মূল্যৰ ধাৰণাটো বিমূৰ্ত্ত প্ৰকৃতিৰ হোৱা হেতুকে ইয়াৰ সংজ্ঞা নিৰূপণ কৰাতো কঠিন। মূল্যক সাধাৰণতে এটা অৰ্থনৈতিক অৱধাৰণা বুলি গণ্য কৰা হয়। এই দৃষ্টিকোণেৰে 'মানৱীয় প্ৰমূল্য'ৰ অৰ্থ বিচৰাটো এক দুৰূহ কাম। কিন্তু এনে কিছুমান নৈতিক প্ৰমূল্য আছে যিবোৰ সকলো মানুহৰ ক্ষেত্ৰতে প্ৰযোজ্য। বিভিন্ন সংস্কৃতিয়ে ভিন ভিন ধৰণৰ মানৱীয় প্ৰমূল্যৰ সমষ্টিৰ পোষকতা কৰে। তাৰ মাজতেই কিছুমান উমৈহতীয়া প্ৰমূল্য থাকে। এই অধ্যাটিত মানৱীয় প্ৰমূল্যৰ অৰ্থ, গুৰুত্ব আৰু প্ৰকাৰৰ লগতে ব্যৱসায়ৰ নীতিত এই প্ৰমূল্যবোৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা হ'ব।

১৫.৩ প্ৰমূল্যৰ অৰ্থ

প্ৰমূল্যৰ সমাৰ্থক ইংৰাজী শব্দ 'Value'ৰ মূল হ'ল লেটিন শব্দ 'Valere'। ইয়াৰ অৰ্থ হ'ল 'কিহবাৰ যোগ্য হোৱা', to be worth। অক্সফ'ৰ্ড অভিধানৰ মতে 'Value' মানে হ'ল মোল থকা, কোনো বস্তুৰ কাংক্ষিত মূল্য অথবা উপযোগিতা থকা । আন কেইবাখনো অভিধানৰ মতে প্ৰমূল্যই যিকোনো কামত অহা, মোল থকা অথবা আদৰণীয় কথাক বুজায়। প্ৰমূল্য কোনো বস্তু নাইবা কথাৰ দাম, মোল অথবা গুৰুত্ব হ'ব পাৰে।

আগতেই কোৱা হৈছে যে 'প্ৰমূল্য' অভিধাটোৰ সংজ্ঞা নিৰূপণ কৰাটো এক কঠিন কাম। বহুতো পণ্ডিতে ইয়াক বিভিন্ন ধৰণে ব্যাখ্যা কৰিছে।

পেকাৰৰ সংজ্ঞা অনুসৰি প্ৰমূল্য হ'ল ইচ্ছাৰ উপশমন।

জন ডিৱিৰ ভাষাত প্ৰমূল্যৰ "প্ৰাথমিক অৰ্থ হ'ল মূল্য দিয়া, আদৰ কৰা, সূচিত কৰা , আকলন কৰা। অৰ্থাৎ, কোনো কথা নাইবা বস্তুক দ্ব্যাৰ্থতাহীনভাৱে গ্ৰহণ কৰি তাক প্ৰতিপাল কৰা আৰু আন কিহবাৰ সৈতে তুলনা কৰি ইয়াৰ প্ৰকৃতি তথা মোল সম্পৰ্কে নিজৰ বিচাৰ সদৰি কৰা।"

ৰোকেচ্ছ্-ৰ মতে, " প্ৰমূল্য হ'ল এক বৰ্তি থকা বিশ্বাস, আচৰণৰ এক নিৰ্দিষ্ট পন্থা অথবা আপেক্ষিক গুৰুত্বৰ ধাৰাবাহিকতাৰে সৈতে অস্তিত্বৰ অন্তিম স্থিতি।"

অধ্যাপক আৰ.কে. মুখাৰ্জীৰ মতে, "প্ৰমূল্য হ'ল সামাজিকভাৱে স্বাকৃত ইচ্ছা আৰু লক্ষ্যৰ সমষ্টি। অনুকূলন, শিকন অথবা সামাজিকীকৰণ আৰু প্ৰত্যাশা প্ৰক্ৰিয়াৰ মাধ্যমেৰে ইয়াৰ মানৱ জীৱনৰ সৈতে আন্তৰিকীকৰণ ঘটে।"

ক্লাক'নৰ ভাষাত প্ৰমূল্য হ'ল 'বাঞ্ছনীয়তাৰ ধাৰণা', ই 'কেৱল ঈপ্সিত বস্তু'ৰ কথা নুবুজায়।

১৫.৪ ব্যৱসায়ত মানৱীয় প্ৰমূল্যৰ অৰ্থ আৰু প্ৰকৃতি

মানুহে জীৱন কালত অসংখ্য কথা শিকে। আমি মানুহ হোৱা সূত্ৰে বিদ্যালয়, কৰ্মস্থলী,

বজাৰ, ব্যৱসায় আদি বিভিন্ন সামাজিক অনুষ্ঠানৰ অংশ। অন্য মানুহৰ সৈতে আন্তঃক্ৰিয়া সম্পন্ন কৰোতে মানৱীয় উপাদানবোৰৰ বিষয়ে বিবেচনা কৰি চাবলৈ আমাক যিবোৰ গুণ অথবা বৈশিষ্ট্যই দিক্ নিৰ্দেশনা প্ৰদান কৰে সেইবোৰকে মানৱীয় প্ৰমূল্য বোলে। সেইবোৰ প্ৰমূল্যকে মৌলিক মানৱীয় প্ৰমূল্য বোলে যিবোৰ মানৱ সত্ত্বাৰ কেন্দ্ৰীয় উপাদান। এই প্ৰমূল্যবোৰে মানুহক পৃথিৱীৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে জীয়াই থকাত সহায় কৰে। মানৱীয় প্ৰমূল্যবোৰে মানুহ আৰু সামগ্ৰিকভাৱে সমাজখনৰ মৌলিক শুভ দিশবোৰ উজলাই তোলে। সকলো মানুহৰ গাতে লুকাই থকা বুলি ধৰা মৌলিক মানৱীয় প্ৰমূল্যবোৰ হ'ল সত্যবাদিতা, আনুগত্য, প্ৰেম, শান্তি, ভ্ৰাতৃত্ববোধ, সততা, নিষ্ঠা, সত্য, কৃতজ্ঞতাবোধ, সহিষ্ণুতা, অহিংস মনোবৃত্তি, গ্ৰহণ সামৰ্থ, বিবেচনা, প্ৰশংসা, অইনৰ কথা শুনাৰ ইচ্ছা, খোলা মন, মৰম, গছ-গছনি তথা জীৱ-জন্তুকে ধৰি সকলোৰে প্ৰতি সন্মান, সহযোগিতা, দায়িত্ববোধ, আত্মনিৰ্ভৰশীলতা, ধৰ্মনিৰপেক্ষতা আৰু আন্তৰ্জাতিকতাবাদ আদি।

মানৱীয় প্ৰমূল্যৰ প্ৰকৃতি জটিল আৰু বিমূৰ্ত্ত। মানুহে কেনেদৰে এই জগতখনৰ বিষয়ে অভিজ্ঞতাৰ গৰাকী হয় প্ৰমবল্যবোৰে সেয়া নিৰ্ধাৰণ কৰে। এই প্ৰমূল্যবোৰ মানুহৰ ব্যক্তিত্বৰ অবিচ্ছেদ্য অংশ। ই নিযুক্তিসাধ্যতাৰ পৰিমাণক প্ৰভাৱিত কৰে। বহুতো নিয়োগকৰ্তাই নিযুক্তি দিবলৈ ওলোৱা লোকসকল উন্নত মানৱীয় প্ৰমূল্যৰ গৰাকী হোৱাতো বিচাৰে।

১৫.৫ মানৱীয় প্ৰমূল্যৰ গুৰুত্ব

মানৱীয় প্ৰমূল্যবোৰ অতি গুৰুত্বপূৰ্ণ। এইবোৰে আমাৰ ব্যক্তিত্ব গঢ়ে আৰু আমি জীৱনত কেনেদৰে কাম কৰি আগবাঢ়ি যাও সেয়া নিৰূপণ কৰে। আমি নিজৰ বুলি কোৱা প্ৰমূল্যবোৰেই আমাৰ পৰিচয়। এইবোৰৰ পৰাই আমি জীৱনত কি হ'ব বিচাৰো আৰু আমাক কিহে পথ দেখুৱাই আগুৱাই নিয়ে এই সকলোবোৰ কথা গম পোৱা যায়। প্ৰমূল্যবোৰেই আমাৰ জীৱন যাপনৰ পদ্ধতি আৰু দৈনন্দিন জীৱনত আমি লোৱা সকলো সিদ্ধান্ত নিয়ন্ত্ৰণ কৰে। এই প্ৰমূল্যবোৰ নাথাকিলে আমাৰ জীৱন খেলিমেলি হৈ পৰিব আৰু আমি কৰা অথবা কোৱা কথাবোৰ অৰ্থহীন হৈ পৰিব।

মানৱীয় প্ৰমূল্যবোৰে মানুহে জীৱনত কোনবোৰ কথাক গুৰুত্বপূৰ্ণ বুলি গণ্য কৰিব সেয়া বুজাত সহায় কৰে। এই প্ৰমূল্যসমূহৰ বিভিন্ন দিশ আছে। যেনে- সত্যনিষ্ঠা, নৈতিকতা, পৰোপকাৰী মনোভাৱ ইত্যাদি। কিন্তু প্ৰমূল্য প্ৰণালীটো স্থৈতিক নহয়। পৰিৱেশৰ পৃষ্ঠভূমি আৰু সামাজিক পৰিস্থিতি অনুসৰি ই সলনি হ'ব পাৰে। এটা পৃষ্ঠভূমিত কিছুমান বিশেষ প্ৰমূল্য প্ৰদৰ্শন কৰা মানুহে আন এটা পৃষ্ঠভূমিত সম্পূৰ্ণ পৃথক প্ৰমূল্য প্ৰদৰ্শন কৰিব পাৰে। তলত মানৱীয় প্ৰমূল্যৰ গুৰুত্ব সংক্ষিপ্ত ৰূপত তুলি দিয়া হ'ল-

- মানৱীয় প্ৰমূল্যই মানুহৰ মনোভাৱ, অনুপ্ৰেৰণাদায়ক বিষয় আৰু আচাৰ-আচৰণ বুজাত সহায় কৰে।
- প্ৰমূল্যবোৰে চৌপাশৰ জগতখন সম্পৰ্কে আমাৰ মনত গঢ় লোৱা ধাৰণাবোৰক প্ৰভাৱিত কৰে।
- প্ৰমূল্যবোৰে 'ভুল' আৰু 'শুদ্ধ' সম্পৰ্কীয় আমাৰ ব্যাখ্যা উপস্থাপন কৰে।
- প্ৰমূল্যবোৰে মানুহ আৰু সংগঠনক বুজাৰ উপায় আগবঢ়ায়।

১৫.৬ মানৱীয় প্ৰমূল্যৰ প্ৰকাৰ

মানৱীয় প্ৰমূল্যবোৰে আমি যি কৰো সেয়া কৰাৰ বাবে অনুপ্ৰাণিত কৰে। আমি এই প্ৰমূল্যবোৰৰ আধাৰত সিদ্ধান্ত গ্ৰহণ কৰো। প্ৰমূল্যৰে সৈতে আগবঢ়া ব্যক্তিয়ে বিভিন্ন সুযোগ অন্বেষণ আৰু নতুন অভিজ্ঞতা আহৰণৰ প্ৰয়াস কৰাৰ সুবিধা পায়। এনে ব্যক্তিয়ে প্ৰায়েই বিভিন্ন কৰ্মক্ষেত্ৰত কাম কৰাৰ সুবিধা থকা বৃত্তিৰ প্ৰতি আকৰ্ষিত হোৱা দেখা যায়। এই একেটা কাৰণতে এনে ব্যক্তিয়ে জীৱনকালত বৃত্তি সলনি কৰি থাকে। স্ব-নিয়ন্ত্ৰণ, সামূহিক জীৱন, সৃজনশীলতা, ন্যায়, ক্ষমতা আৰু আত্ম-নিৰ্দেশনা বিষয়ক বিভিন্ন প্ৰকাৰৰ মানৱীয় প্ৰমূল্য থাকিব পাৰে।

- **স্ব-নিয়ন্ত্ৰণ ঃ** ই মানুহৰ নিজ নিৰ্দেশনা অনুসৰি চলাৰ সামৰ্থক বুজায়। এনে প্ৰমূল্যৰ অধিকাৰী ব্যক্তিয়ে নিজে নিজৰ কাৰ্য আৰু ইয়াৰ ফলাফলৰ দায়িত্ব লয়। স্ব-নিয়ন্ত্ৰণৰ অধিকাৰী ব্যক্তিয়ে স্বাধীনভাৱে জীৱনৰ পথ বাচি লয় আৰু নিজ ইচ্ছামতে জীৱিকা অথবা জীৱন যাপনৰ শৈলী গ্ৰহণ কৰে। খাপ নোখোৱা কাম এটা কৰিবলৈ কোনোবাই তেওঁলোকক বাধ্য কৰাইছে বুলি তেওঁলোকে নাভাবে।
- **সৃজনশীলতা ঃ** নতুন ধাৰণাৰ সৈতে আনন্দমনেৰে জড়িত হোৱা আৰু নিজৰ সামৰ্থৰ পৰিধিৰ বাহিৰলৈ গৈ নতুন কথা চিন্তা কৰাৰ সৈতে সৃজনশীলতাৰ ধাৰণাটোৰ সম্পৰ্ক আছে। এই প্ৰমূল্যই আমাক কোনো সমস্যা সৃজনাত্মক পদ্ধতিৰে সমাধান কৰাৰ পথ দেখুৱাব পাৰে। ই আমাক সমস্যা সমাধানৰ অচল হৈ পৰা পুৰণি পদ্ধতিত খামোচ মাৰি নাথাকি নতুন চিন্তা কৰিবলৈ উদ্‌গনি যোগায়। সৃজনশীল ব্যক্তিয়ে উদ্ভাৱক, সংগীতজ্ঞ, স্থপতিবিদ আৰু কথাছবি নিৰ্মাতা আদিৰ দৰে কামৰ প্ৰতি আকৃষ্ট হোৱাৰ প্ৰৱণতা দেখুৱায়।
- **সামূহিক জীৱন ঃ** সম্প্ৰদায়বোৰে আমাৰ মনত এক ধৰণৰ আপোনত্ব সৃষ্টি কৰে। আমি অন্য ব্যক্তিৰ সৈতে সম্পৰ্ক থকা যেন অনুভৱ কৰো। সামূহিক প্ৰমূল্যৰে পৰিচালিত ব্যক্তিয়ে অস্তিত্ব ৰক্ষা আৰু সাফল্য লাভত পৰস্পৰে পৰস্পৰক সহায় কৰিব লাগে বুলি ভাবে।
- **ক্ষমতা ঃ** আনৰ কোনো হস্তক্ষেপ মানি নোলোৱাকৈ নিজ ইচ্ছামতে কাম কৰিব পৰা ব্যক্তিগৰাকীৰে ক্ষমতা আছে। ক্ষমতাৰ প্ৰমূল্যত বিশ্বাসী ব্যক্তিয়ে আইন প্ৰণয়নকাৰী বৃত্তি অথবা ক্ষমতাশালী চৰকাৰী পদবী গ্ৰহণ কৰাৰ সম্ভাৱনা থাকে। এনে কামে ব্যক্তিক সমাজত ঘটি থকা ঘটনা নিয়ন্ত্ৰণৰ কৰ্তৃত্ব প্ৰদান কৰে।

- **ন্যায় ঃ** ন্যায়ৰ সাধাৰণ অৰ্থ হ'ল সকলোৰে প্ৰতি সমান ব্যৱহাৰ কৰা। যিসকলক ম্যায়ৰ অধিক প্ৰয়োজন আছে সেইসকলৰ যত্ন লোৱাটোও ন্যায়ৰ কৰণীয়। ইয়াৰ বাবে কেতিয়াবা অগতানুগতিক ধৰণৰ মূল্য পৰিশোধ কৰিবলগীয়া হ'ব পাৰে। ন্যায়ৰ প্ৰমূল্যত বিশ্বাসীসকলে সাধাৰণতে চিকিৎসক, উকীল, শিক্ষক আৰু সমাজ কৰ্মীৰ দৰে অইলক সেৱা কৰিব পৰা ধৰণৰ বৃত্তি বাছি লয়।
- **আত্ম-নির্দেশনা ঃ** ই জীৱন সম্পৰ্কীয় পছন্দবোৰ বাছি লোৱা আৰু নিজ বিশ্বাস অনুসৰি জীয়াই থকাটোক বুজায়। এনে প্ৰমূল্যত বিশ্বাসী লোকে অইনে তেওঁলোকক জীৱন যাপন কৰিবলৈ দিয়া পৰামৰ্শ মানি নলয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মানৰীয় প্ৰমূল্যৰ অৰ্থ লিখক।

প্ৰশ্ন নং ২ ঃ যিকোনো দুটা মানৰীয় প্ৰমূল্যৰ বিষয়ে লিখক।

প্ৰশ্ন নং ৩ ঃ আমি মানি চলা প্ৰমূল্যবোৰে আমি কোন, আমি কি হ'ব বিচাৰো আৰু আমাক সমগ্ৰ জীৱন কোনবোৰ কথাই দিক্ নিৰ্দেশনা দিয়ে তাৰ পৰিচয় দাঙি ধৰে। (শুদ্ধ / অশুদ্ধ)

১৫.৭ ব্যৱসায়ৰ নীতিত মানৰীয় প্ৰমূল্য

ব্যৱসায়ৰ নীতিত মানৰীয় প্ৰমূল্যৰ সাধাৰণ অৰ্থ হ'ল ব্যৱসায়ৰ লেন-দেন নিয়ন্ত্ৰণ কৰা নীতি অথবা আচাৰ সংহিতা। কোনো এক ব্যৱসায়িক প্ৰতিষ্ঠানে কেনেদৰে ইয়াৰ ব্যৱসায় অভিযানবোৰ আগবঢ়াই নিয়ে তাৰ কিছুমান স্বীকৃত মান থকা উচিত। এই স্বীকৃত মানবোৰেই হ'ল ব্যৱসায়ৰ নৈতিক নিয়ম। ব্যৱসায়ৰ দৈনন্দিন অগ্ৰগতিত দেখা দিয়া বিভিন্ন সমস্যাক এনে নৈতিক নিয়মৰ ভিত্তিত বিশ্লেষণ কৰি চোৱা হয়। ব্যৱসায়িক সংগঠন এটাত কাম কৰা ব্যক্তিৰ ক্ষেত্ৰতো এই নিয়মবোৰ প্ৰযোজ্য। এইবোৰে ব্যক্তিৰ লগতে সামগ্ৰিকভাৱে প্ৰতিষ্ঠানটোৰ আচাৰ-আচৰণ নিয়ন্ত্ৰণ কৰে। ব্যৱসায়ৰ নীতিয়ে যিকোনো বিতৰ্কিত বিষয়ত উপযুক্ত ব্যৱসায়িক নীতি তথা অনুশীলন পদ্ধতি গ্ৰহণৰ দিশবোৰো সামৰি লয়। এই ব্যাপক অভিধাটোৱে সংশ্লিষ্ট ক্ষেত্ৰৰ আন বহুতো প্ৰাসংগিক উপ-নীতিকো সামৰি লয়। যেনে-বিপণনৰ বাবে বহুতো বিপণন উপ-নীতি, মানৱ সম্পদ বিভাগৰ বাবে আন বহুতো মানৱ সম্পদ উপ-নীতি ইত্যাদি। ব্যৱসায়ৰ নীতি হ'ল ব্যৱহাৰিক নীতিৰ এটা অংশ। ব্যৱহাৰিক নীতিয়ে কাৰিকৰী, সামাজিক, ন্যায়িক আৰু ব্যৱসায়িক নীতি-নিয়মৰ সৈতে জড়িত ন্যায়নিষ্ঠতা বিষয়ক প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি উলিওৱাৰ প্ৰয়াস কৰে।

বৰ্তমান ব্যৱসায়িক নীতিবোৰে কোনো কোম্পানীৰ অস্তিত্বৰ মৌলিক উদ্দেশ্যবোৰ নিৰ্ধাৰণ কৰে। আমি তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক যুগ এটাত আছো। প্ৰতিদ্বন্দ্বিতাই শত্ৰু বৃদ্ধি কৰে। এই শত্ৰুতা ব্যৱসায়িক অভিযান আৰু আচাৰ সংহিতাত প্ৰতিফলিত হয়। ব্যৱসায় জগতত অনবৰতে বিভিন্ন গোটৰ মাজত যুঁজ চলি থাকে। এনে দুটা সকলো সময়তে তীব্ৰ প্ৰতিদ্বন্দ্বিতাত

লিপ্ত গোটৰ এটাই লাভ আহৰণ অথবা ষ্টেকহ'ল্ডাৰৰ সম্পত্তি সৰ্বাধিককৰণক নিজৰ লক্ষ্য কৰি লৈছে আৰু আনটো গোটে প্ৰমূল্য সৃষ্টিক ইয়াৰ প্ৰধান উদ্দেশ্যৰ স্থান দিছে। প্ৰথম গোটটোৱে স্বাভাৱিকভাৱেই আন গোটটোৰ অধিকাৰ নাইবা আগ্ৰহক ব্যৱসায়িক দৃষ্টিৰে অনৈতিক আখ্যা দিব। আনহাতে আনটো গোটৰ যুক্তি হ'ব পৰিৱেশ অথবা ব্যৱসায়ৰ সামূহিক কল্যাণত অৰিহণা যোগোৱা সমাজৰ অন্য দলবোৰৰ স্বাৰ্থক জলাঞ্জলি দি কেৱল লাভ সৰ্বাধিককৰণৰ লক্ষ্যেৰে কাম কৰি যোৱাতো অনুচিত।

সামৰণিত ইয়াকেই ক'ব পাৰো যে ব্যৱসায়ৰ নীতি আজি পৰ্যন্ত এটা বিতৰ্কিত বিষয় হৈয়েই আছে। বহুতে এই যুক্তি দৰ্শায় যে যথেষ্ট সংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠানে প্ৰতিদ্বন্দ্বিতামূলক সুযোগ লাভৰ আশাত এই নীতিবোৰ ব্যৱহাৰ কৰে আৰু কৌশলপূৰ্ণভাৱে উপভোক্তা তথা ষ্টেকহ'ল্ডাৰৰ মনত একোটা ন্যায্য ভাৱমূৰ্তি গঢ়ি তোলে। অৱশ্যে এনে নীতিৰ বাবেই স্বচ্ছতা আৰু ভাৱসাযোগ্যতাৰ দৰে কিছুমান সুফলো উপভোগ কৰিব পাৰি।

১৫.৮ ব্যৱসায়ৰ নীতিশাস্ত্ৰ আৰু মানৱীয় প্ৰমূল্য

বৰ্তমানৰ ব্যৱসায়িক সম্প্ৰদায়ৰ অবিচ্ছেদ্য অংগ হৈ পৰা বিষয় দুটা হ'ল নৈতিকতা আৰু নৈতিক আচৰণ। দুয়োটা দিশেই ব্যৱসায় পৰিচালনাত যথেষ্ট গুৰুত্ব লাভ কৰিবলৈ সক্ষম হৈছে। নৈতিকতা আৰু নৈতিক আচৰণৰ চৰম সীমা পাৰ কৰা ব্যৱসায়িক প্ৰতিষ্ঠানৰ সংখ্যা ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। সেয়েহে সাধাৰণ ব্যক্তিৰ মাজত ব্যৱসায়িক প্ৰতিষ্ঠানবোৰৰ ভিতৰচ'ৰাত প্ৰতিদ্বন্দ্বিতা, বিকাশ আৰু লাভ অৰ্জনৰ চেষ্টাৰ নামত আচলতে কি ঘটি আছে সেয়া জনাৰ ঔৎসুকতা বাঢ়িছে। মানুহে ব্যৱসায়িক প্ৰতিষ্ঠানবোৰৰ অনৈতিক অনুশীলনবোৰৰ অবিৰত সমীক্ষা চলোৱাৰ লগতে মূল্যায়নো কৰিবলৈ লৈছে।

ব্যৱসায় যিহেতু মানুহেই চলায়, সেয়েহে ব্যৱসায় নীতি গ্ৰহণৰ সময়ত প্ৰধানতঃ মৌলিক মানৱীয় প্ৰমূল্যবোৰৰ কথাই বিবেচনা কৰা হয়। এটা ব্যৱসায় পৰিৱেশত প্ৰয়োগসাধ্য নৈতিক মান কিছুমান সৃষ্টি কৰা আৰু প্ৰচলন ঘটোৱাই হ'ল ব্যৱসায়িক নীতিৰ লক্ষ্য। নৈতিক কাম মানে হ'ল সমাজত বিচাৰৰ কাঠগৰাত উঠাব পৰা কাৰ্য, স্বীকৃত মান আৰু সু-আচৰণৰ নিয়ম। এইবোৰে ব্যক্তিক মৌলিক প্ৰমূল্যবোৰৰ অনুকূলে সমাজৰ দ্বাৰা অনুমোদিত আচৰণ কৰাৰ দিক্ নিৰ্দেশনা প্ৰদান কৰে। মৌলিক মানৱীয় প্ৰমূল্যবোৰ ব্যক্তিসত্ত্বাত নিহিত হৈ থাকে। সত্য, সততা, আনুগত্য, প্ৰেম, শান্তি আদি হ'ল এনে কেইটামান মৌলিক প্ৰমূল্য। প্ৰমূল্যবোৰ হ'ল আমাৰ জীৱনৰ পথ প্ৰদৰ্শক নীতি। ইতিবাচক মানৱীয় আচৰণ প্ৰদৰ্শন আৰু দৈনন্দিন জীৱন সুচাৰুৰূপে পৰিচালনা কৰাত এই প্ৰমূল্যবোৰে আমাক সহায় কৰে। আগ্ৰহ, পছন্দ, প্ৰয়োজন, ইচ্ছা আৰু অগ্ৰাধিকাৰৰ ভিত্তিত প্ৰমূল্যবোৰ গঢ় লৈ উঠে।

১৫.৯ ব্যৱসায়ীৰ থাকিবলগীয়া মানৱীয় প্ৰমূল্য

এগৰাকী ব্যৱসায়ীৰ বাবে কৰ্মচাৰীৰ দল একোটাক অনবৰতে কাম কৰিবলৈ উৎসাহ যোগাই থাকিব পৰাটো এটা জটিল কাম। ব্যৱসায়ৰ আকাৰ যিয়েই ন হওক কিয়, ইয়াক যদি কেন্দ্ৰীয় প্ৰমূল্য কিছুমানৰ ভিত্তি পৰিচালনা কৰা হয় তেন্তেই সফল হ'বই। তলত এনে কেইটামান প্ৰধান প্ৰমূল্যৰ বিষয়ে আলোচনা কৰা হ'ল। ব্যৱসায়ীসকলে নিজৰ ব্যৱসায় সফল কৰি তোলাৰ বাবে সংকল্পৱদ্ধ হৈ এই নীতিবোৰ সকলো সময়তে পালন কৰি যোৱা উচিত।

- **অদম্য আগ্ৰহ ঃ** ব্যৱসায়ী এগৰাকী নিজৰ ব্যৱসায়ক লৈ অদম্য আগ্ৰহী হোৱা উচিত। এই আগ্ৰহে তেওঁক কৰ্মচাৰীবোৰৰ বাবে সুচল কৰ্ম পৰিৱেশ এটা গঢ়ি তুলিবলৈ উৎসাহ যোগাব। ব্যৱসায়ীয়ে এটা সন্মান আৰু আস্থাপূৰ্ণ পৰিৱেশ গঢ়ি তুলিব লাগে। আস্থাপূৰ্ণ পৰিৱেশত কাম কৰা ব্যক্তিয়ে নিজকে নিৰাপদ আৰু সামৰ্থৱান যেন অনুভৱ কৰে আৰু নিজৰ উৎকৃষ্ট বিকাশ সাধনৰ প্ৰয়াস কৰে। তেওঁলোকে দায়িত্ব আৰু ফলাফল ভাগ-বাটোৱাৰা কৰি ব্যৱসায়ৰ সকলো কামতে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। এগৰাকী ভাল ব্যৱসায়ীয়ে এই কথা জানে। তেওঁ কৰ্মচাৰীৰ কৰ্মোদ্যম সবল কৰি তেওঁলোকৰ সৈতে এটা ইতিবাচক সম্পৰ্ক গঢ়ি তোলে।
- **সহমৰ্মিতা ঃ** এই মানৱীয় গুণটোৱে ব্যক্তিৰ মাজত থকা উষ্মতা আৰু শক্তি দুয়োটাৰে মিল ঘটায়। ব্যৱসায় এটা সহমৰ্মিতাৰে পৰিচালনা কৰিব পৰাটো এটা মহান গুণ। ব্যৱসায়ীয়ে ইয়াৰ সহায়ত তেওঁৰ সৈতে কাম কৰি থকাসকলৰ দৃষ্টিৰে কথাবোৰ বিবেচনা কৰিব পাৰে। অধিকাংশ মানুহেই অইনৰ কথা নাভাবি কেৱল নিজৰ দৃষ্টিৰে সকলো বিষয় বিচাৰ কৰি চায়। এনে ব্যক্তিয়ে অইনৰ আৱেগ-অনুভূতিৰ প্ৰতি কোনো মনোযোগ নিদিয়ে। এইটো কাৰণতে মানুহে পৰিৱেশ-পৰিস্থিতি নুবুজাকৈ আন ব্যক্তিয়ে কৰা কামক ভুল বুলি ৰায় দিয়া দেখা যায়।
- **উদ্ভাৱন ঃ** ব্যৱসায়ী এগৰাকী সদায় পৰিৱৰ্তনৰ সৈতে খাপ খাব পৰাকৈ নতুন চিন্তা-ধাৰণা গ্ৰহণ কৰিবলৈ উন্মুখ হৈ থকা উচিত। তেওঁলোকে সদায় নিজৰ আৰু কৰ্মচাৰীসকলৰ বাবে উদ্ভাৱনৰ সংস্কৃতি এটা গ্ৰহণ কৰি চলিব লাগে। ব্যৱসায়ৰ সকলো পৰ্যায়তে নতুন চিন্তা-ধাৰণাক উৎসাহিত কৰাতো অতি আৱশ্যক। মনৰ দুৱাৰ খোলা ৰাখিলে নতুন চিন্তা-ধাৰণাৰ সোঁত বব আৰু ব্যৱসায়টোৰ সকলো প্ৰয়োজনীয়তা উপযুক্ত সময়ত পূৰণ হ'ব। এনে মানসিকতাই সময় বাগৰাৰ লগে লগে ব্যৱসায়লৈ মসৃণ পৰিৱৰ্তন কঢ়িয়াই আনি ইয়াক সফলতাৰ দিশে আগুৱাই নিব।
- **সাহসিকতা ঃ** ব্যৱসায়ীসকল সাহসী হ'ব লাগে। তেতিয়াহে সময়ত উপযুক্ত সুযোগ চিনাক্ত কৰি ইয়াক গ্ৰহণ কৰাৰ প্ৰয়াস চলাব পাৰিব। স্বাভাৱিক সৃজনশীলতা আৰু দৃঢ়সংকল্পৱদ্ধ মনে সাহস উৎপন্ন কৰে। ই ব্যৱসায়ীক হতাশ হ'বলৈ নিদিয়ে আৰু কোম্পানী গঠন কৰাৰ আৰম্ভণিৰ সময়ছোৱাত হ'ব পৰা বিফলতাবোৰক অতিক্ৰম কৰাৰ উৎসাহ

যোগায়।

- **ভৱিষ্য দৃষ্টি ঃ** ব্যৱসায়ীৰ এটা স্পষ্ট ভৱিষ্য দৃষ্টি থাকিব লাগে। এই দৃষ্টিয়ে তেওঁক পৰিকল্পনা কৰাত, ব্যৱসায়টো আগুৱাই নিয়াত, সুযোগৰ সদ্ব্যৱহাৰ কৰাত আৰু স্পষ্ট লক্ষ্য বান্ধি লোৱাত সহায় কৰে। ভৱিষ্য দৃষ্টিয়ে ব্যৱসায়ীক অতীত আৰু বৰ্তমানৰ ব্যৱসায়িক স্থিতিৰ মূল্যায়ন কৰা , সীমিত সমলৰ বাধা অতিক্ৰম কৰা আৰু ব্যৱসায়টোৰ সম্ভাৱনীয়তা অনুমান আদিতো সহায় কৰে।
- **নিজৰ তথা অইনৰ প্ৰতি সন্মান ঃ** আত্মসন্মান আৰু অইনৰ প্ৰতি থকা সন্মানে মানুহক অইনৰ প্ৰচেষ্টাক শলাগিবলৈ শিকায়। এই সন্মানে এগৰাকী ব্যৱসায়ীক নিজৰ ওপৰত বিশ্বাস নথকা, অসহায় অৱস্থা আৰু খং আদিৰ দৰে ব্যৱসায়ত অন্তৰায় সৃষ্টিকাৰী মানসিক অৱস্থাৰ পৰা মুক্ত কৰি ৰাখে।
- **সততা ঃ** এগৰাকী ব্যৱসায়ীয়ে ধন বিনিয়োগ আৰু সম্পত্তিৰ তদাৰক কৰা প্ৰক্ৰিয়াবোৰৰ ক্ষেত্ৰত সততাৰ নীতি অৱলম্বন কৰিব লাগে। ই তেওঁক নিৰাপত্তাৰ ভু�ৰা ধাৰণাৰ পৰা আঁতৰত ৰাখিব আৰু বিভ্ৰান্তিৰ সৃষ্টি কৰা পৰিৱেশতো শান্তভাৱে কাম কৰাৰ শক্তি যোগাব।
- **আনুগত্য ঃ** এগৰাকী ব্যৱসায়ী সদায় নিজৰ ষ্টেকহ'ল্ডাৰসকলৰপ্ৰতি অনুগত হৈ থকা উচিত। অনুগত লোকে সদায় স্বাৰ্থৰ সংঘাত পৰিহাৰ কৰি চলে, সুপ্ৰতিষ্ঠা গঢ়া আৰু সুৰক্ষিত ৰখাত সহায় কৰে, সহকৰ্মীৰ নৈতিক সাহস উজ্জীৱিত কৰি ৰাখে।
- **পক্ষপাতহীনতা ঃ** ব্যৱসায়ীয়ে মানি চলিবলগীয়া আন এটা গুৰুত্বপূৰ্ণ মানৱীয় প্ৰমূল্য হ'ল পক্ষপাতহীনতা। ব্যৱসায়ত সকলো লোকৰ প্ৰতি সমান আচৰণ আৰু সৌজন্যতা প্ৰকাশ কৰাকে পক্ষপাতহীনতা বোলে।
- **নেতৃত্ব ঃ** ব্যৱসায়ৰ গৰাকীৰ নেতৃত্ব দিব পৰা দক্ষতা থকা উচিত। কাম-কাজ পৰিচালনাৰ ফলপ্ৰসূতা বৃদ্ধি, কৰ্মচাৰীৰ সন্তুষ্টিৰ প্ৰতি মনোযোগ আৰু গ্ৰাহকৰ স্বীকৃতি আদি দিশ অনবৰতে উন্নত কৰি থকা ভ্যৱসায়ী এগৰাকী প্ৰশংসনীয় নেতৃত্বগুণৰ অধিকাৰী।
- **আস্থা ঃ** ই এক অপৰিহাৰ্য মানৱীয় প্ৰমূল্য। ভাৰসাযোগ্যতা, কৰুণা আৰু শিষ্টতাৰ পৰা উদ্ভৱ হোৱা আস্থাই ব্যৱসায় এটাক সকলো প্ৰকাৰৰ অবিশ্বাস, স্বাৰ্থপৰতা আৰু নিষ্ঠুৰতাৰ পৰা ৰক্ষা কৰিব পাৰে।
- **সন্মান ঃ** এগৰাকী ব্যৱসায়ীয়ে তেওঁৰ অধীনত কাম কৰাসকলক যথোপযুক্ত সন্মান প্ৰদৰ্শন কৰিব লাগে। সকলো ব্যক্তিয়েই সন্মান পোৱাৰ যোগ্য। সকলো ব্যক্তিকে কোনো শাস্তিৰ ভয় নথকাকৈ অথবা কোনো বৈষম্যৰ বলি নোহোৱাকৈ নিজৰ ধাৰণা আৰু মতামত প্ৰকাশ কৰাৰ সমান সুবিধা দিব লাগে।
- **ভাৰসাযোগ্যতা ঃ** ব্যৱসায়ৰ সকলো সিদ্ধান্ত, কাৰ্য আৰু সম্পৰ্কতে নৈতিক গুণমান অক্ষুণ্ণ ৰখাৰ দায়ৱদ্ধতাই ভাৰসাযোগ্যতাৰ সৃষ্টি কৰে।
- **স্বচ্ছতা ঃ** স্বচ্ছতাৰ প্ৰতি দায়ৱদ্ধতাই ব্যৱসায় এটাৰ তথ্য আৰু নীতিবোৰ উপযুক্ত লোকৰ বাবে সহজলভ্য কৰি তোলে।

- **পৰিৱেশকেন্দ্ৰিক সচেতনতা ঃ** ব্যৱসায়ীসকল পৰিৱেশৰ প্ৰতি সচেতন হ'ব লাগে। জলবায়ু পৰিৱৰ্তনৰ বিশ্বজনীন পৰিঘটনাটোৰ দ্বাৰা সৃষ্ট কুপ্ৰভাৱ প্ৰশমনত ব্যৱসায়ীয়ে সচেতন অৱদান আগবঢ়াব লাগে।

১৫.১০ সফল ব্যৱসায়ত নৈতিক প্ৰমূল্যৰ তাৎপৰ্য

নৈতিকতা আৰু প্ৰমূল্যই মানুহৰ মৌলিক প্ৰয়োজনীয়তা পূৰণ কৰে। ব্যৱসায়ত নৈতিক প্ৰমূল্যবোৰে কৰ্মচাৰীৰ মাজত সংহতি স্থাপনৰ পোষকতা কৰে। ইয়াৰ সহায়ত প্ৰধান ষ্টেক হ'ল্ডাৰসকলৰ আস্থাও জয় কৰিব পাৰি। নৈতিকতা আৰু প্ৰমূল্যই ভাৰসাযোগ্যতা আৰু নেতৃত্ব দিব পৰা দক্ষতা বৃদ্ধিৰ লগতে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াবোৰ উন্নত কৰে আৰু দীৰ্ঘম্যাদী লাভ আহৰণত সহায় কৰে।

ব্যৱসায়ত বিভিন্ন কাৰণত নৈতিক নিয়ম প্ৰযোজ্য কৰিব লাগে। সুসংজ্ঞাৱদ্ধ নৈতিক কাৰ্যসূচীয়ে একোটা আচাৰ সংহিতা গঢ় দিব পাৰে। এনে সংহিতাই ব্যৱসায় এটাৰ সৈতে দড়িত উৰ্দ্ধতন কৰ্তৃপক্ষৰ পৰা একেবাৰে তৃণমূল পৰ্যায়ৰ কৰ্মচাৰীৰ আচাৰ-আচৰণক সামৰি লয়। ই কাৰ্যবাহী আৰু মধ্যস্তৰৰ ব্যৱস্থাপনা বিষয়াৰ লগতে নতুনকৈ কামত যোগদান কৰা তথা কমবয়সীয়া কৰ্মচাৰীলৈকে সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য। কোনো ব্যৱসায়িক প্ৰতিষ্ঠানত কৰ্মৰত সকলো কৰ্মচাৰীয়ে যদি কোনো নৈতিক সিদ্ধান্ত লয়, তেন্তে প্ৰতিষ্ঠানটোৱে নৈতিক আচৰণৰ বাবে সুনাম অৰ্জন কৰে। এই সুনাম বিয়পাৰ লগে লগে ইয়াৰ সুফল দৃশ্যমান হয়। এটা নৈতিক আচৰণত সুনাম গঢ়া ব্যৱসায় প্ৰতিষ্ঠানে-

- উৎপাদিত সামগ্ৰী আৰু সেৱাত উপভোক্তাৰ বৰ্দ্ধিত আস্থাৰ গৰাকী হয়,
- ব্যৱসায়টো ব্ৰেণ্ড প্ৰতিষ্ঠা বাঢ়ে আৰু ব্যৱসায় বহল হৈ পৰে,
- অনুগত গ্ৰাহকৰ সংখ্যা বাঢ়ে,
- বিনিয়োগকাৰী আকৰ্ষিত হয়,
- দৰ-দাম কৰিব পৰা সামৰ্থ বাঢ়ে আৰু
- প্ৰতিভাৱান লোক যোগদান কৰিবলৈ আগবাঢ়ি আহে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ ব্যৱসায়ৰ নীতিৰ অৰ্থ কি?

প্ৰশ্ন নং ৫ ঃ এগৰাকী ব্যৱসায়ীৰ থাকিবলগীয়া যিকোনো তিনিটা মৌলিক মানৱীয় প্ৰমূল্যৰ বিষয়ে লিখক।

১৫.১১ আচাৰ সংহিতা

ব্যৱসায়ত 'আচাৰ সংহিতা' আৰু 'নৈতিকতাৰ সংহিতা' দুটা পৃথক ধাৰণা। আচাৰ

সংহিতাই ব্যৱসায় এটাৰ নীতিগত আদৰ্শবোৰৰ কথা বুজায়। এই সংহিতাত কৰ্মচাৰীয়ে দেখুৱাবলগীয়া বিশেষ কাৰ্য আৰু আচৰণৰ কিছুমান নিৰ্দিষ্ট নিয়মো থাকে। আনহাতে, নৈতিকতাৰ সংহিতা হ'ল এক ব্যাপক বিষয়। ইয়াত এনে কিছুমান আদৰ্শৰ একোটা সমষ্টি সন্নিৱিষ্ট কৰা হয় যিবোৰে কৰ্মচাৰীৰ মানসিকতা আৰু ব্যৱসায়টোৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াবোৰক প্ৰভাৱিত কৰে। ভাল-বেয়া, ভুল-শুদ্ধৰ সিদ্ধান্ত লোৱাত সহায় কৰা নৈতিকতা হ'ল নৈতিক আদৰ্শৰ সমষ্টি এটাৰে গঢ় লোৱা সংহিতা।

কোনবোৰ ক্ষেত্ৰত প্ৰয়োগ ঘটিছে সেয়া নিৰ্ভৰ কৰি আচাৰ সংহিতা আৰু নৈতিকতাৰ আচাৰৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰিব পৰা যায়। সকলো ব্যৱসায়ে স্বাৰ্থৰক্ষাৰ বিভিন্ন ক্ষেত্ৰ অনুসৰি ভিন ভিন নৈতিকতাৰ সংহিতা প্ৰযোজ্য কৰি। সকলো ব্যৱসায়ে মনোনিৱেশ কৰা দুটামান উমৈহতীয়া নৈতিক সংহিতা প্ৰযোজ্য হোৱা দিশ হ'ল সংহতি, বস্তুনিষ্ঠতা, বৃত্তিগত সামৰ্থ, গোপনীয়তা আৰু বৃত্তিজীৱি আচৰণ প্ৰদৰ্শন।

যিকোনো ব্যৱসায় সফল কৰি তুলিবলৈ আচাৰ সংহিতা একোখন প্ৰস্তুত কৰি ল'ব লাগে। ই হ'ল দিক্ নিৰ্দেশক আদৰ্শ কিছুমানৰ সমষ্টি। ইয়াত ব্যৱসায়টোৱে প্ৰাধান্য দিয়া প্ৰমূল্য, নীতি-নিয়ম, স্বীকৃত মান আদি সন্নিৱিষ্ট থকে। ই ব্যৱসায় আৰু কৰ্মচাৰী উভয়ে যাতে দৈনন্দিন কাৰ্যকলাপ সম্পন্ন কৰোতে সকলো দিশেৰে সামঞ্জস্যপূৰ্ণভাৱে আগবাঢ়ে আৰু সততা বৰ্তি থাকে সেয়া নিশ্চিত কৰে। ই ব্যৱসায় এটাত আগৰে পৰা থকা সংস্কৃতি প্ৰতিফলিত কৰে আৰু আগলৈ ই কেনে সংস্কৃতিৰ পোষকতা কৰিব তাৰ আভাস দিয়ে।



১৫.১২ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'Value' মানে হ'ল মোল থকা, কোনো বস্তুৰ কাংক্ষিত মূল্য অথবা উপযোগিতা থকা । প্ৰমূল্য কোনো বস্তু নাইবা কথাৰ দাম, মোল অথবা গুৰুত্ব হ'ব পাৰে।
- অন্য মানুহৰ সৈতে আন্তঃক্ৰিয়া সম্পন্ন কৰোতে মানৰীয় উপাদানবোৰৰ বিষয়ে বিবেচনা কৰি চাবলৈ আমাক যিবোৰ গুণ অথবা বৈশিষ্ট্যই দিক্ নিৰ্দেশনা প্ৰদান কৰে সেইবোৰকে মানৰীয় প্ৰমূল্য বোলে। সেইবোৰ প্ৰমূল্যকে মৌলিক মানৰীয় প্ৰমূল্য বোলে যিবোৰ মানৰ সত্ত্বাৰ কেন্দ্ৰীয় উপাদান।
- মানৰীয় প্ৰমূল্যবোৰে মানুহ আৰু সামগ্ৰিকভাৱে সমাজখনৰ মৌলিক শুভ দিশবোৰ উজলাই তোলে।
- সকলো মানুহৰ গাতে লুকাই থকা বুলি ধৰা মৌলিক মানৰীয় প্ৰমূল্যবোৰ হ'ল সত্যবাদিতা, আনুগত্য, প্ৰেম, শান্তি, ভ্ৰাতৃত্ববোধ, সততা, নিষ্ঠা, সত্য, কৃতজ্ঞতাবোধ, সহিষ্ণুতা, অহিংস মনোবৃত্তি, গ্ৰহণ সামৰ্থ, বিবেচনা, প্ৰশংসা, অইনৰ কথা শুনাৰ ইচ্ছা, খোলা মন, মৰম, গছ-গছনি তথা জীৱ-জন্তুকে ধৰি সকলোৰে প্ৰতি সন্মান, সহযোগিতা, দায়িত্ববোধ,

আত্মনিৰ্ভৰশীলতা, ধৰ্মনিৰপেক্ষতা আৰু আন্তৰ্জাতিকতাবাদ আদি।

- মানৱীয় প্ৰমূল্যবোৰ অতি গুৰুত্বপূৰ্ণ। এইবোৰে আমাৰ ব্যক্তিত্ব গঢ়ে আৰু আমি জীৱনত কেনেদৰে কাম কৰি আগবাঢ়ি যাও সেয়া নিৰূপণ কৰে।
- প্ৰমূল্যবোৰেই আমাৰ জীৱন যাপনৰ পদ্ধতি আৰু দৈনন্দিন জীৱনত আমি লোৱা সকলো সিদ্ধান্ত নিয়ন্ত্ৰণ কৰে।
- এই প্ৰমূল্যবোৰ নাথাকিলে আমাৰ জীৱন খেলিমেলি হৈ পৰিব আৰু আমি কৰা অথবা কোৱা কথাবোৰ অৰ্থহীন হৈ পৰিব।
- মানৱীয় প্ৰমূল্যবোৰে মানুহে জীৱনত কোনবোৰ কথাক গুৰুত্বপূৰ্ণ বুলি গণ্য কৰিব সেয়া বুজাত সহায় কৰে।
- স্ব-নিয়ন্ত্ৰণ, সামূহিক জীৱন, সৃজনশীলতা, ন্যায়, ক্ষমতা আৰু আত্ম-নিৰ্দেশনা বিষয়ক বিভিন্ন প্ৰকাৰৰ মানৱীয় প্ৰমূল্য থাকিব পাৰে।
- ব্যৱসায়ৰ নীতিয়ে যিকোনো বিতৰ্কিত বিষয়ত উপযুক্ত ব্যৱসায়িক নীতি তথা অনুশীলন পদ্ধতি গ্ৰহণৰ দিশবোৰো সামৰি লয়।
- ব্যৱসায় যিহেতু মানুহেই চলায়, সেয়েহে ব্যৱসায় নীতি গ্ৰহণৰ সময়ত প্ৰধানতঃ মৌলিক মানৱীয় প্ৰমূল্যবোৰৰ কথাই বিবেচনা কৰা হয়।
- ব্যৱসায়ৰ আকাৰ যিয়েই ন হওক কিয়, ইয়াক যদি কেন্দ্ৰীয় প্ৰমূল্য কিছুমানৰ ভিত্তি পৰিচালনা কৰা হয় তেন্তেই সফল হ'বই।
- ব্যৱসায়ীসকলে নিজৰ ব্যৱসায় সফল কৰি তোলাৰ বাবে সংকল্পৱদ্ধ হৈ কেইটামান প্ৰধান প্ৰমূল্যক জীৱনৰ অংগ কৰি লোৱা উচিত। যেনে- অদম্য,আগ্ৰহ, সহমৰ্মিতা, উদ্ভাৱন, সাহসিকতা, ভৱিষ্য দৃষ্টি, নিজৰ তথা অইনৰ প্ৰতি সন্মান, সততা, আনুগত্য, পক্ষপাতহীনতা, নেতৃত্ব, আস্থা ইত্যাদি।
- ব্যৱসায়ত নৈতিক প্ৰমূল্যবোৰে কৰ্মচাৰীৰ মাজত সংহতি স্থাপনৰ পোষকতা কৰে। ইয়াৰ সহায়ত প্ৰধান ষ্টেকহ'ল্ডাৰসকলৰ আস্থাও জয় কৰিব পাৰি। নৈতিকতা আৰু প্ৰমূল্যই ভাৰসাযোগ্যতা আৰু নেতৃত্ব দিব পৰা দক্ষতা বৃদ্ধিৰ লগতে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াবোৰ উন্নত কৰে আৰু দীৰ্ঘম্যাদী লাভ আহৰণত সহায় কৰে।
- আচাৰ সংহিতাই ব্যৱসায় এটাৰ নীতিগত আদৰ্শবোৰৰ কথা বুজায়। এই সংহিতাত কৰ্মচাৰীয়ে দেখুৱাবলগীয়া বিশেষ কাৰ্য আৰু আচৰণৰ কিছুমান নিৰ্দিষ্ট নিয়মো থাকে।



১৫.১৩ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol

Bagh, New Delhi: Arya Publication.

2) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.
3) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.
4) Robbins and Coulter; *Management*; Delhi: Prentice Hall.



১৫.১৪ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অন্য মানুহৰ সৈতে আন্তঃক্ৰিয়া সম্পন্ন কৰোতে মানৱীয় উপাদানবোৰৰ বিষয়ে বিবেচনা কৰি চাবলৈ আমাক যিবোৰ গুণ অথবা বৈশিষ্ট্যই দিক্ নিৰ্দেশনা প্ৰদান কৰে সেইবোৰকে মানৱীয় প্ৰমূল্য বোলে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ স্ব-নিয়ন্ত্ৰণ আৰু সৃজনশীলতা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যৱসায়ত নৈতিক প্ৰমূল্যবোৰে কৰ্মচাৰীৰ মাজত সংহতি স্থাপনৰ পোষকতা কৰে। ব্যৱসায় যিহেতু মানুহেই চলায়, সেয়েহে ব্যৱসায় নীতি গ্ৰহণৰ সময়ত প্ৰধানতঃ মৌলিক মানৱীয় প্ৰমূল্যবোৰৰ কথাই বিবেচনা কৰা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অদম্য আগ্ৰহ, সততা আৰু আস্থা।



১৫.১৫ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ প্ৰমূল্যৰ অৰ্থ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ ব্যৱসায়ত মানৱীয় প্ৰমূল্যৰ অৰ্থ আৰু প্ৰকৃতি বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ মানৱীয় প্ৰমূল্যৰ গুৰুত্ব আৰু প্ৰকাৰবোৰ বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ ব্যৱসায়ৰ নীতিত মানৱীয় প্ৰমূল্যৰ গুৰুত্ব ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ ব্যৱসায়ৰ নীতিয়ে কেনেদৰে মানৱীয় প্ৰমূল্যক প্ৰতিফলিত কৰে ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ ব্যৱসায়ীসকলৰ থাকিবলগীয়া কেইটামান আৱশ্যকীয় মানৱীয় প্ৰমূল্যৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ ব্যৱসায়ত সফলতা লাভৰ বাবে নৈতিক প্ৰমূল্যবোৰ কিমান প্ৰয়োজনীয় বৰ্ণনা কৰক।

প্ৰশ্ন ৮ ঃ আচাৰ সংহিতাৰ অৰ্থ বুজাই লিখক।

*** ***** ***



প্ৰসঙ্গ পুথি

ইংৰাজী গ্ৰন্থ ঃ

1) Cherunilam, Francis (2002); *Business Policy and Strategic Management*; Himalaya Publishing House.
2) Chhabra, T. N. and Chhabra, Sandhya; *Business Studies*; Karol Bagh, New Delhi: Arya Publication.
3) Gandhi, Poonam; *Business Studies*; Nai Sarak, Delhi: Dhanpat Rai & Co.
4) Lekhi, R. K.; *The Economic Development and Planing*; Kalyani Publishers.
5) Pathak, R. K., Kalwar, M.C.; *Business Studies*; Ram Nagar, New Delhi: S. Chand & Company Ltd.
6) Pathak, R. K.; Kalwar, M. C. (2005); *Principles of Management, Abhilekh Publication*; Guwahati.
7) Rao, C. Appa Rao; B, Parvathiswara; Sivaramakrishna, K. (2010); *Strategic Management and Business Policy*; New Delhi: Excel Books.
8) Robbins and Coulter; *Management*; Delhi: Prentice Hall.
9) Saleem, Shaikh; *Business Environment*; Pearson.
10) Srinivasan, R.; Chunawalla, S. A. (1995); *Management Principle and Practice*; Himalaya Publishing House.